পাঠক-পাঠিকাৰ দ্বাৰা নিৰ্বাচিত

প্ৰান্তিকৰ এটা দশকৰ গল্প

পলাৰ্ড

নবগিৰি পথ চানমাৰি গুৱাহাটী—৭৮১০০৩

Prantikar Eta Dasakar Galpa A collection of selected short stories published in Prantik the Assamese Fortnightly during its first decade of publication (1 12 1981 to 16 11 1991) Published by Pollard Navagiri Road Chanmari Guwahati—781003 First Edition March 1994

Price Rs 45 00

প্ৰকাশক পলাৰ্ড
নৱগিৰি পথ চানমাৰি গুৱাহাটী—৭৮১০০৩

বেটুপাতৰ শিল্পী শ্ৰীৰবীন বৰুৱা
বেটুপাতৰ মুদ্ৰণ শ্ৰীতপন দত্ত চৌধুৰী

মূল্য ৪৫ ০০ টকা

মুদ্ৰক শৰাইঘাট ফটোটাইপছ
বামুণীমৈদাম
গুৱাহাটী

ভূমিকা

সময় গৈ থকাৰ লগে লগে বিভিন্ন কাৰণত চুটিগল্পৰ ৰূপ সলনি হৈ গৈ থাকিব পাৰে। এটা ভাষাত যোৱা এশ বছৰে যিবোৰ চুটিগল্প লিখা হৈছে অকল সেইবোৰৰ ক্ৰমাগত পৰিবৰ্তনেই নহয় এজন লেখকৰ জীৱনৰ সময় পাৰ হৈ গৈ থকাৰ লগে লগে তেওঁৰ নিজৰ ৰচনাৰ ৰূপো সলনি হৈ গৈ থাকিব পাৰে। এই পৰিবৰ্তন ঘটিব পাৰে তেওঁৰ জীৱনৰ অভিজ্ঞতা সংঘাত বৈচিত্ৰ্য পৰিবেশ ব্যক্তিগত মানসিক বৌদ্ধিক উত্তৰণ পতন আদিৰ বাবে। এই বিংশ শতাব্দীৰ মাজ ভাগত চুটিগল্প লিখিবলৈ আৰম্ভ কৰা একোজন কৃতী লেখকৰ নিজৰ ৰচনাৰ ৰূপৰ সত্তৰৰ দশকত এক ধৰণৰ পৰিবৰ্তন ঘটাৰ সম্ভাৱনা আছে। আনহাতে সত্তৰৰ দশকত প্ৰথম চুটি গল্প লিখিবলৈ আৰম্ভ কৰা একোজন কৃতী লেখকৰ ৰচনাই চুটিগল্পৰ সামগ্ৰিক ধাৰাটোৰ এটা পৰিবৰ্তন ঘটোৱাৰো সম্ভাৱনা আছে। এই দুই পৰিবৰ্তন একে ধৰণৰ নহয়। পঞ্চাছৰ দশকৰ পৰিবেশত লেখক হিচাপে জন্ম পোৱা মানুহজন ক্ৰমান্বয়ে সত্তৰৰ দশকৰ পৰিবেশৰ মাজলৈ আহে আৰু তাৰ মাজেদি আগ বাঢ়ে আনহাতে নতুন লেখকজনে সত্তৰৰ দশকত কলম হাতত লৈয়েই চাৰিওকাষে সেই দশকৰ পৰিবেশটো উপলব্ধি কৰে। গতিকে —'অমুকৰ চুটিগল্পই সত্তৰৰ দশকত এনে ধৰণে ৰূপ সলালে' বা 'অমুক অমুক লেখকৰ আবিৰ্ভাৱৰ ফলত অসমীয়া চুটিগল্পই সত্তৰৰ দশকত এনে ধৰণে ৰূপ সলালে'—এইজাতীয় মন্তব্যৰ সৃষ্টি হয়।

মোটামুটিভাৱে ক'বলৈ গ লে সত্তৰৰ দশকৰ আৰম্ভণিৰ পৰা সঁচাকৈয়ে অসমীয়া চুটিগল্পৰ ৰূপৰ এটা পৰিবৰ্তন ঘটিবলৈ ধৰিলে আৰু সেই পৰিবৰ্তন হ'ল মুখ্যকৈ এচাম নতুন লেখকৰ আবিৰ্ভাৱৰ কাৰণে। আগৰ লেখকসকলে লিখিবলৈ এৰা কমকৈ লিখা আৰু আগৰ সমান কৃতিত্বৰে নিলিখা ঘটনায়ো এই পৰিবৰ্তনলৈ বৰঙণি দিছে। নতুনসকলৰ বহুতে লেখক হিচাপে চকু মেলিয়েই দেখিবলৈ পালে বিভিন্ন উৎসৰ পৰা আহি ইতিমধ্যে সমাজ আৰু জীৱনক আৱৰি ধৰা দুৰ্নীতি অন্যায় অবিচাৰ আদি আৰু সেইবোৰে তেওঁলোকৰ তৰুণ মনক আলোড়িত কৰিলে। সেইবোৰে তেওঁলোকৰ চুটিগল্পৰ বিষয়বস্তু হিচাপেও দেখা দিলে। ইয়াৰ ফলত চুটিগল্পৰ লগত তৎকালীন সামাজিক অন্যায় অবিচাৰৰ পোনপটীয়া সম্পৰ্ক ঘনিষ্ঠভাৱে স্থাপিত হ'ল কিন্তু সেইবোৰৰ বহুতো সাহিত্যৰ বিচাৰত ৰসৰ বিচাৰত উত্তীৰ্ণ হ ব পৰা ধৰণৰ সৃষ্টি নহ ল। সহানুভূতি অভিজ্ঞতা পৰ্যবেক্ষণ সাহিত্যসুলভ গ্ৰহণ আৰু প্ৰকাশৰ ক্ষমতা —এইবোৰৰ সঠিক সমন্বয় নঘটাৰ কাৰণেই এনে হ'বলৈ পালে। যিসময়ত একোজন লেখকে জীৱন আৰু প্ৰকৃতিৰ সামগ্ৰিক গভীৰ সৌন্দৰ্য আৰু বৈচিত্ৰ্য

অৱলোকন আৰু উপলব্ধি কৰিব লাগে সেই সময়ত তেওঁলোকৰ সন্মুখত কেৱল সামাজিক ৰাজনৈতিক পটভূমিৰ দুৰ্নীতি অনাচাৰ আদিৰ ৰূপ উদ্ভাসিত হৈ উঠিবলগীয়া হোৱাটো দুৰ্ভাগ্যজনক কথা। এই দুৰ্ভাগ্যৰ কাৰণেই সেই সময়ৰ অসমীয়া চুটিগল্পৰ পৰিবৰ্তনটো অৱনতি সূচোৱা পৰিবৰ্তন হ ল। এই অৱস্থাটোক — ৰাজনৈতিক ক্ষেত্ৰত অনভিজ্ঞ যুব ছাত্ৰনেতাৰ ভূমিকাৰ ফলত সৃষ্টি হোৱা অৱস্থাৰ লগতো তুলনা কৰিব পাৰি।

অসমৰ পৰা বিদেশী বহিষ্কাৰ কৰা সম্পৰ্কীয় আন্দোলনৰ কালছোৱাত নতুন লেখক আৰু সৃষ্টিধৰ্মী সাহিত্যৰ সম্পৰ্কটোৱে আৰু এটা জোকাৰ খালে। সেই জোকাৰণি এতিয়াও মাৰ যোৱা নাই বৰঞ্চ পাছৰ কালছোৱাৰ কিছুমান ঘটনাই ইয়াক অধিক বৈচিত্ৰ্যহে প্ৰদান কৰিছে। এই কালছোৱাতে প্ৰান্তিকে জন্ম লাভ কৰিছে শৈশৱ অতিক্ৰম কৰিছে। চুটিগল্পৰ সাহিত্যিক সৌন্দৰ্য পৰিস্থিতি পৰিবেশ আদি নানান দিশলৈ লক্ষ্য ৰাখি প্ৰান্তিকৰ গল্পৰ শিতানটোক আমি এক ধৰণৰ লেখক শিবিৰ (workshop) হিচাপেই পৰিচালনা কৰিছোঁ বুলিব লাগে। উল্লেখযোগ্য কথা —আমি প্ৰথমৰে পৰা লেখকসকলে নিজ ইচ্ছাৰে অনুগ্ৰহ কৰি আমালৈ পঠোৱা গল্পৰেই এই শিতানটো সজাবলৈ লৈছিলো নিজৰ ফালৰ পৰা বিশেষভাৱে বিশেষ লেখকৰ গল্প সংগ্ৰহ কৰাৰ চেষ্টা কৰা নাছিলো। এই লেখকসকলৰ অধিকাংশই নতুন আৰু নবীন লেখক আছিল। আমালৈ অহা প্ৰতিটো গল্প যথোচিত গুৰুত্বৰে বিচাৰ কৰা হৈছিল আৰু প্ৰকাশৰ বাবে নিৰ্বাচিত গল্পবোৰ একমাত্ৰ সাহিত্য আৰু ভাষাৰ স্বাৰ্থত আমাৰ শক্তি-সামৰ্থ্য বিচাৰ বুদ্ধি অনুসাৰে সম্পাদনা কৰি আগবঢ়োৱা হৈছিল।

এয়া হ'ল লেখক আৰু প্ৰান্তিকৰ মাজৰ কথা কিন্তু পাঠকৰ মানত এই গল্পবোৰৰ অৱস্থা কেনেকুৱা ? সাহিত্য চৰ্চাৰ প্ৰক্ৰিয়াটোত পাঠকৰ ভূমিকা সক্ৰিয়ভাৱে জড়িত কৰাৰ উদ্দেশ্যেই, এটা সংকলনৰ বাবে প্ৰান্তিকৰ প্ৰথম দশকটোত প্ৰকাশিত গল্পবোৰৰ কিছু গল্প বাছি দিবলৈ পাঠকসকলকে অনুৰোধ কৰা হৈছিল। তেখেতসকলে বাছি দিয়া গল্পখিনি একজন লেখকৰ এটা গল্প —নীতি আৰু এই সংকলনটোৰ কলেৱৰৰ প্ৰশ্নটোৰে বিচাৰ কৰি ত্ৰিছটা গল্প ইয়াত সন্নিবিষ্ট কৰা হৈছে। যিহেতু এইখন পাঠকৰ দ্বাৰা নিৰ্বাচিত গল্পৰ সংকলন গতিকে ইয়াত ঠাই পোৱা গল্পতকৈ ভাল গল্প বাদ পৰি গ ল নে কি সেই আলোচনাও পাঠকসকলেই কৰিব বুলি আশা কৰিলো। তদুপৰি প্ৰান্তিকত প্ৰকাশ পোৱা গল্পৰ এইখনেই একমাত্ৰ আৰু শেষ সংকলন পুথি নহ'বও পাৰে।

কিতাপখন প্ৰকাশ কৰাৰ প্ৰক্ৰিয়াটোত সহায় কৰাৰ কাৰণে লেখক পাঠক সকলোকে ধন্যবাদ জনালো। স্বাভাৱিকতে এই লেখাখিনিত লেখক আৰু পাঠক বোলোঁতে আমি লেখিকা আৰু পাঠিকাসকলৰ কথাও কৈছোঁ।

৩১।১।৯৪

(signature)

মুখ্য সম্পাদক প্ৰান্তিক

সূচীপত্র

১। দ্বীপ	হৰেকৃষ্ণ ডেকা	১
২। বগী হাঁহৰ খেল	চন্দ্ৰ কটকী	৯
৩। মই মোৰ গাঁওখন আৰু মোৰ পৰিয়ালটো	জয়কান্ত গন্ধীয়া	১৭
৪। ভয়	ইন্দ্ৰকান্ত কাৰ্কী	২৪
৫। কৰ্নেল এন্হনিৰ এপিটাফ	প্ৰশান্ত ৰাজগুৰু	২৯
৬। চিৰন্তন	ফুল গোস্বামী	৩৪
৭। অপ্ৰেম	ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী	৩৮
৮। কোনো খেদ নাই	য়েছে দৰজে ঠংছি	৪২
৯। নিৰ্বান্ধৱ	মনোজ কুমাৰ গোস্বামী	৪৮
১০। ৰেডিঅ	জ্যোতিষ শিকদাৰ	৫৫
১১। আৰণ্যক	সুৰেশ চক্ৰৱৰ্তী	৬৩
১২। সান্ধ্য ভ্ৰমণ	ভবেন্দ্ৰ নাথ শইকীয়া	৬৯
১৩। দুখৰ ঠিকনা	বিৰিঞ্চি কুমাৰ মেধি	৮০
১৪। অসম্ভ্ৰম	বিপুল কুমাৰ শইকীয়া	৮৮
১৫। গৌৰৱ	মনোৰঞ্জন গোস্বামী	৯৬
১৬। চৌহদ	হেমপ্ৰসাদ শৰ্মা	১০১
১ । জীৱন মোৰ জীৱন	ৰাজীৱ ৰাজকোঁৱৰ	১১১
১৮। কুন্তীৰ ভাও	চন্দ্ৰ বৰপাত্ৰগোহাঁই	১১৯
১৯। ক্ষুধা	স্যমন্ত ফুকন	১২৭
২০। প্ৰভাত	ব্ৰজেন বৰা	১৩৯
২১। অশ্ৰু সংবাদ	গোবিন্দ দাস	১৪৫
২২। অজ্ঞেয়	বিকীৰণ বৰদলৈ	১৫২
২৩। বিষয় প্ৰেমৰ সংবিধান	নীলাক্ষি চাংকাকতি	১৬৩
২৪। অভিষেক	অতুল ৰাজকোঁৱৰ	১৬৬
২৫। বিবৰ্তন	বন্দিতা ফুকন	১৬৯
২৬। বলিয়া হাতী	অতুলানন্দ গোস্বামী	১৭৫
২৭। পৰ্যৱসন	প্ৰশান্ত কুমাৰ দাস	১৮২
২৮। ৰাজৰ চৰিত্ৰ	হিৰণ্য কাশ্যপ	১৯৪
২৯। এজন দুখী মানুহৰ আত্মকথা	অভিজিত শৰ্মাবৰুৱা	২০৫
৩০। অপহৰণ	আৰতি দাস	২১০

দ্বীপ

হৰেকৃষ্ণ ডেকা

বাহিৰত বিশেষ ধৰণে পানী পৰাৰ শব্দটো শুনিলে মই সাৰ পাই যাওঁ। পানী পৰা শব্দৰ লগত টুকুৰাটুকুৰি হিন্দী গানৰ দুই এফাকিও ভাহি আহে। মোৰ টোপনি ভঙা আৰু বিশেষ ধৰণে পানী পৰা ঘটনাটোৰ মাজত পাভলভীয় যোগাযোগ এটা প্ৰায় সদায় ঘটে। যিদিনা ইয়াৰ ব্যতিক্ৰম হয় মোৰ টোপনি ভাঙোতেও সেইদিনা পলম হয়। মই আছোঁ ডাঙৰ অট্টালিকা এটাৰ দ্বিতীয় মহলাৰ এটা ফ্লেট লৈ। মই যি গণ্ডীৰ মানুহ তাৰ কাৰণে এই ডোখৰ ঠাইৰ পৰিবেশ অস্বস্তিকৰ। ডাঙৰ চহৰত ইয়াতকৈ সুবিধাজনক ঠাইত ঘৰ নোপোৱা কাৰণেহে ইয়াত আছোঁ। তদুপৰি মই যিটো প্ৰতিষ্ঠানৰ মুৰব্বী বিষয়া তাৰ কামত গোটেই দিনটোৱেই ব্যস্ত হৈ থাকিব লাগে। ৰাতি আহি ফ্লেটত সোমোবাৰ পাছত এই ঘিঞ্জি ঠাইডোখৰৰ লগত সম্পৰ্ক নাইকিয়া হৈ যায়। ৰাতিপুবা সাজু হৈ ওলাই যোৱালৈকে ফ্লেটৰ ভিতৰতেই থাকোঁ। কেৱল গাড়ীখন গেৰেজত সুমুউবা সময়খিনি অস্বস্তিত কটাব লাগে। কাৰণ অট্টালিকাৰ কাষতে ৰিক্সাবালা হকাৰ আলুবেপাৰী আদিৰ বস্তি এখন গঢ় লৈ উঠিছে। মাইকীমানুহ ল ৰা ছোৱালী মতা মানুহ সকলোবোৰ থেপা থেপিকৈ সংকীৰ্ণ জৰাজীৰ্ণ সৰু-সৰু জুপুৰি ঘৰবোৰত আবুৰ নোহোৱাকৈ থাকি এটা অস্বাস্থ্যকৰ পৰিবেশৰ সৃষ্টি কৰিছে।

ৰাতিপুৱা পানী পৰাৰ বিশেষ শব্দটোৰ আবিষ্কাৰ ইয়ালৈ অহাৰ প্ৰথম দিনাই কৰিছিলো। তেতিয়া এই শব্দটোক ওচৰৰ ঘিঞ্জি বস্তিৰ অ শবিশেষ বুলি ভাবিছিলো। এই ভুলটো কিন্তু খন্তেকতে ভাঙিছিল। শব্দৰ উৎস বিচাৰি নহয় পুৱাৰ ৰ দখিনিৰ প্ৰয়োজন বুলি ভাবি বহল কাঁচৰ খিৰিকিৰ পৰ্দাবোৰ চপাই দি তললৈ চাই থৰ হৈ গৈছিলো। মোৰ খিৰিকিৰ ঠিক তলতে মাটি ডোখৰত এটুকুৰা ঠাই চকোৱাৰ বেৰেৰে বেৰি থোৱা। ওপৰ ফালে ছাল নাই। এডোখৰ গা ধোৱা ঠাই। তাত নি স কোচে সম্পূৰ্ণ নিৰাভৰণ হৈ এগৰাকী গাভৰু তিৰোতাই গা ধুই আছে। সেওঁতাৰ সেন্দুৰৰ দাগটোৰ পৰা বুজিব পাৰি তিৰোতা গৰাকী বিবাহিতা। মোৰ আলমাৰিত ফৰাছী চিত্ৰকৰৰ কেবাখনো ছবিৰ এলবাম আছে। মই যে পেইণ্টিঙৰ বিশেষ চমজদাৰ সেইটো নহয়। কিন্তু মই যিটো গণ্ডীত ঘুৰি ফুৰোঁ তাত এনেকুৱা দুই চাৰিখন মূল্যবান কিতাপ ৰখাটো শোভন অভ্যাস। তেনেকুৱা কোনো কোনো এলবামত নগ্ন নাৰীয়ে আপোন পাহৰা হৈ গা ধুই থকা ছবি কেইবাখনো দেখিছোঁ। এতিয়া জীৱন্ত হৈ তেনেকুৱা এখন ছবিয়ে চকুৰ আগত যেন ৰূপ লৈ উঠিছে। কেৱল বিলাসৰ বাবে সজোৱা বিখ্যাত আৰ্টিষ্টৰ ছবিবোৰৰ মাজত আৰ্টৰ উপলব্ধি মই কৰিব নোৱাৰোঁ কিন্তু তাৰ নগ্ন দেহবোৰৰ মাজত একোটা বেলেগ অৰ্থ বিচাৰি পাওঁ। সেই প্ৰথম দিনাও তেনে এটা

উপলব্ধিয়েই মোৰ ভিতৰত জাগিছিল। মোৰ ৰসনাত যেন এটা লোভনীয় বস্তুৰ আস্বাদ লাগিছিল যিটো আস্বাদ বহু সময় ধৰি শৰীৰৰ ভিতৰত বহু অদৃশ্য জিভাৰে অলপ অলপকৈ উপভোগ কৰিছিলো। মোৰ শৰীৰৰ অংগ বিশেষত মই এটা প্ৰবল উত্তেজনাও অনুভৱ কৰিছিলো। এই শাৰীৰিক উত্তেজনাই মোৰ ৰক্তপ্ৰবাহত চাঞ্চল্যৰ সৃষ্টি কৰিছিল।

কিন্তু এই কামনাপীড়িত ইন্দ্ৰিয়াসক্ত মানুহজন আৰু বিখ্যাত প্ৰতিষ্ঠান এটাৰ মুৰব্বী বিষয়াজন যদিও শাৰীৰিকভাৱে একেজনেই, তথাপিও দুয়োজনৰ মাজত বহুতো পাৰ্থক্যও আছে। এই কথাষাৰ উপলব্ধি কৰোঁ প্ৰায় প্ৰত্যেকদিনেই। গা ধোৱাৰ পাছত যেতিয়া গাভৰু গৰাকীয়ে তাইৰ লেতেৰা অন্তৰ্বাস পিন্ধিবলৈ আৰম্ভ কৰে তেতিয়া তাই এনে এটা তুচ্ছ চেহেৰা ধাৰণ কৰে যে তাৰ বিস্বাদ উপলব্ধিয়ে মোক নিজৰ ওচৰতেই নিজকে লাজত পেলায়। মোৰ ভিতৰৰ এটা প্ৰাকৃতিক ৰূপ এই সময়টোত এনেদৰে উন্মোচিত হোৱাৰ কাৰণে মই অতি বিব্ৰত বোধ কৰোঁ।

মোৰ কৰ্মক্ষেত্ৰৰ পৰিবেশ বা মোৰ আৰ্থিক সামাজিক অৱস্থাই মোৰ মাজত নৈতিক আৰু সামাজিক বোধ কিছুমান তৈয়াৰ কৰিছে। এই বোধবোৰৰ প্ৰয়োজনত মই মোৰ চাৰিওফালৰ জীৱনৰ প্ৰতি এক বিশেষ দৃষ্টিভ গী গ্ৰহণ কৰিবলৈ শিকিছোঁ। ই কিছুমান নিৰ্ধাৰিত শৃ খলাৰ দ্বাৰা নিয়ন্ত্ৰিত। যেনে মোৰ প্ৰতিষ্ঠানৰ উন্নতি সাধনৰ প্ৰতি মই দায়বদ্ধ আৰু সেয়ে নিয়মানুবৰ্তিতা কৰ্মকুশলতা আৰু পৰিকল্পনাৰ প্ৰয়োজনীয়তাৰ ওপৰত মই গুৰুত্ব দিওঁ আৰু নিজৰ আচৰণ আৰু তলতীয়া কৰ্মচাৰীৰ আচৰণতো ইয়াৰ প্ৰতিফলন বিচাৰোঁ। মই heirarchyত বিশ্বাস কৰোঁ আৰু সেয়ে বিভাগীয় মেনেজাৰ বা বিষয়া শ্ৰেণীয়ে শ্ৰমিকৰ পৰা দূৰত্ব বজাই ৰাখি চলাটো প্ৰয়োজন বুলি ভাবোঁ। কিন্তু শ্ৰমিকৰ প্ৰতি মোৰ দায়বদ্ধতা একেবাৰে নাই বুলিও ক ব নোৱাৰোঁ। মোৰ তলতীয়া কৰ্মচাৰীৰ প্ৰতি সহৃদয় অনুভৱ এটা বোধ কৰোঁ বুলি মই ক'ব নোৱাৰোঁ যদিও কাৰ্যকুশলতাৰ অংগ হিচাপে অনুকম্পা প্ৰদৰ্শনৰ প্ৰয়োজনীয়তা মোৰ সামগ্ৰিক দৃষ্টিভ গীৰ অ গীভূত কৰি লৈছোঁ। এনেকুৱা প্ৰয়োজনতে মোৰ প্ৰতিষ্ঠানৰ ডিৰেক্টৰসকলৰ পৰা কৰ্মচাৰী আৰু শ্ৰমিকৰ প্ৰতি নানা সা সুবিধা মোৰ ব্যক্তিগত প্ৰভাৱেৰে আদায় কৰি দিছোঁ। কিন্তু সেই বুলি তেনেকুৱা কৰ্মচাৰী বা শ্ৰমিকৰ লগত ব্যক্তিগত সম্পৰ্ক ৰক্ষা কৰা আৱশ্যক বুলি মই নাভাবোঁ। আনকি ওপৰ শ্ৰেণীৰ কেইজনমান বিষয়া আৰু মোৰ পি এ জনৰ বাহিৰে আন বেছিভাগৰে নাম পৰ্যন্ত মই নাজানো। এই নিৰ্লিপ্ততাৰ কাৰণেই মই অনুশাসন ভংগ কৰা কৰ্মচাৰীৰ বিৰুদ্ধে কঠোৰ শাস্তিমূলক ব্যৱস্থা লবলৈকো কেতিয়াও কুণ্ঠাবোধ কৰা নাই।

অৱশ্যে এনে নিৰ্লিপ্ততাত বিশ্বাস কৰোঁ বুলিয়েই মোৰ ব্যক্তিগত জীৱন এটা নাই বুলি ভবাটো ভুল হ'ব। বিশেষ বিশেষ শ্ৰেণীৰ মানুহৰ কাৰণে একোটা বিশেষ পৰিবেশ আছে বুলি মই ভাবোঁ আৰু তেনেকুৱা অৰ্থতে মই মোৰ যোগ্য পৰিবেশ এটা বিচাৰি লৈছোঁ। সপ্তাহৰ এটা নিৰ্দিষ্ট দিনত মই এটা বিশিষ্ট ক্লাবলৈ যাওঁ আৰু তাত মোৰ আৰ্থিক সামাজিক গণ্ডীৰ আন বহুতক লগ পাওঁ। তেওঁলোকৰ লগত তাচ-পাশা খেলো দুই এক পেগ হুইস্কি ব্ৰেণ্ডিও ধৰোঁ। পৰস্ত্ৰীৰ লগত হাঁহি ধেমালি কৰোঁ নাচোঁ

আৰু ভাল নাচ নাচিব পাৰোঁ বুলি গৰ্ববোধ কৰোঁ। কিন্তু যিহেতু মই নিজকে ৰুচিবান ভদ্ৰলোক বুলি ভাবোঁ সেই কাৰণেই তেনেকুৱা ঠাইতো সম্ভ্ৰম আৰু ভদ্ৰতা বজাই ৰখাত গুৰুত্ব দি আহিছোঁ। মোৰ এনে আপাত নিষ্কলুষ ব্যক্তিত্বই যেতিয়া তলতীয়া কৰ্মচাৰীৰ পৰা শংকামিহলি সম্ভ্ৰম আৰু সমপৰ্যায়ৰ মানুহৰ পৰা সপ্ৰশংস মন্তব্য আদায় কৰি লয় তেতিয়া মই সাফল্যৰ সাৰ্থকতা অনুভৱ কৰোঁ।

কিন্তু কোনেও নজনাকৈ এই সুশৃংখল সম্ভ্ৰান্ত ভদ্ৰলোক মই প্ৰতিদিনে ৰাতিপুৱা এটা সময়ত প্ৰাকৃত হৈ পৰোঁ আৰু মনে মনে নিম্ন শ্ৰেণীৰ তিৰোতা এগৰাকীয়ে সম্পূৰ্ণ উদং হৈ গা ধোৱা চাই স্থূল সুখৰ অনুভূতিত ৰোমাঞ্চিত হৈ পৰোঁ।

আজিও এই ঘটনাটোৰ ব্যতিক্ৰম হোৱা নাই। তলত বিশেষ ঠাই ডোখৰত ঘট ঘট শব্দ কৰি পানী পেলোৱা শুনি মোৰ টোপনি ভাঙিছে আৰু মই আহি খিৰিকিৰ ওচৰত থিয় হৈছোঁ। খিৰিকিৰ পৰ্দাবোৰ গুচাই দিছোঁ কিন্তু খিৰিকিবোৰ খুলি দিয়া নাই। তললৈ চাই পঠিয়াইছোঁ আৰু শৰীৰৰ ভিতৰত ৰক্তৰ সঞ্চালন অনুভৱ কৰিছোঁ। তলত চকোৱাৰ বেৰৰ আঁৰত নি সংকোচে গাভৰু তিৰোতাজনীয়ে তাইৰ অন্তৰ্বাস খুলি পেলাইছে। কোনোবাই চাই আছে বুলি নাজানে কাৰণে তাই সম্পূৰ্ণ নি সংকোচে শৰীৰৰ সকলো সম্ভাৰ উন্মুক্ত কৰি দিছে। খিৰিকিৰ কাষত ৰৈ নিচাগ্ৰস্ত হৈ মই গোটেই সময়চোৱা এক অশ্লীল অনুভূতিৰ চিকাৰ হৈ এই দৃশ্য উপভোগ কৰিছোঁ আৰু শৰীৰৰ ভিতৰত জ্বৰত হোৱাৰ দৰে একধৰণৰ উত্তাপ অনুভৱ কৰিছোঁ। গা ধোৱা হোৱাত কাপোৰ কানি পিন্ধি যেতিয়া তাই গুচি গৈছে তেতিয়াহে মই নিজৰ মাজলৈ উভতি আহিছোঁ। তেনেকুৱা সময়তে মোৰ মনৰ মাজলৈ এটা অনুশোচনাৰ অনুভূতি আহিছে আৰু মই মোৰ মনটোক শাসন কৰিছোঁ। জ্বৰ এৰিলে ঘমাৰ দৰে মোৰ গাটো ঘামি গৈছে আৰু মই বিব্ৰত হৈ মোৰ নিজ ন ফ্লেটৰ চৌপাশে চাইছোঁ—আন কাৰোবাৰ চকুতো মোৰ ভিতৰৰ চেহেৰাটো এনেকৈ ধৰা পৰি গৈছে নেকি ?

আশ্বস্ত হৈ মই মোৰ স যম লালিত বহিঃব্যক্তিত্বক পুনৰ স স্থাপিত কৰিছোঁ। সময়মতে যেতিয়া মই মোৰ অফিছলৈ পৰিপাটিকৈ চুট টাই পিন্ধি ওলাই আহিছোঁ তেতিয়া হৈ পৰিছোঁ এজন নিষ্ঠাবান দায়িত্বশীল ৰুচিবান ভদ্ৰলোক। মই চিঁৰিৰে নামি আহোঁতে অনুভৱ কৰিছোঁ যে মোক সকলোৱে সম্ভ্ৰমেৰে বাট এৰি দিছে। তলত ৰৈ থকা চকিদাৰটোৱে সন্ত্ৰস্ত হৈ মোক চালাম কৰিছে আৰু সেই ছালাম মই সন্তোষেৰে গ্ৰহণ কৰিছোঁ।

ফ্লেটৰ পৰা অফিছলৈ অহা যোৱা কৰোঁতে মই নিজে গাড়ী চলাইছোঁ। ৰুচিৰ এটা অংগ হিচাপেই মই এনে এটা খেয়াল সযত্নে অনুশীলন কৰিছোঁ। আন সময়ত চলাবলৈ মোৰ ছ'ফাৰ আছে। তললৈ নামি আহি কোনোফালে ভ্ৰূক্ষেপ নকৰাকৈ মই চিকচিকিয়াকৈ ৰখা গাড়ীখন উলিয়াইছোঁ আৰু নিজে ড্ৰাইভ কৰি অফিছলৈ আহিছোঁ।

অফিছলৈ আহি মই গাড়ীখন ছ'ফাৰৰ হাতত এৰি দিছোঁ আৰু প্ৰতিষ্ঠানৰ মুৰব্বী এজনৰ কাৰণে উপযুক্ত গাম্ভীৰ্যৰে মোৰ সুসজ্জিত অফিছৰ কোঠাত প্ৰৱেশ কৰিছোঁ। অলপো সময় খৰচ নকৰাকৈ মোৰ তলৰ বিষয়াসকলক এজন এজনকৈ মাতিছোঁ ৰিপোৰ্ট লৈছোঁ আৰু ব্ৰিফি কৰিছোঁ পি. এ আহিছে দৈনন্দিন কাম বন বুজি লৈছে

আৰু দিনটোৰ কাৰণে প্ৰয়োজনীয় ফাইল কাগজবোৰ ট্ৰেত সজাই থৈ গুচি গৈছে। মই প্ৰতিটো নোট মনোযোগ দি পঢ়িছোঁ আৰু মোৰ মন্তব্য সহ ট্ৰেত ওভোতাই পঠাইছোঁ। মই যি ব্যক্তিত্বৰে প্ৰভাৱ বিস্তাৰ কৰিছোঁ কোনেও ক'ব নোৱাৰিব যে ৰাতিপুৱা খিৰিকিৰ কাষত লোলুপ দৃষ্টিৰে বৈ থকা ভদ্ৰলোক জন আৰু এই সম্ভ্ৰান্ত গম্ভীৰ দায়িত্বশীল বিষয়াজন একেজনেই।

কামত মোৰ কোনো দ্বিধাবোধ নাই। মোৰ আত্ম বিশ্বাস প্ৰবল আৰু যি কোনো সিদ্ধান্ত মই অতি দ্ৰুতভাৱে লওঁ। অৱশ্যে আজি মই ফাইল এটা হাতত লৈ থমকি ৰৈছোঁ। যোৱা কেইবাদিনো ধৰি এই ফাইলটোৰ সংক্ৰান্তত মই সিদ্ধান্ত লব পৰা নাই। মোৰ কাৰ্য ক্ৰমণিকাত নিয়মৰ ব্যতিক্ৰম ঘটিছে। কাৰণ এই ফাইলটোৱে মোৰ প্ৰতিষ্ঠানৰ **শ্ৰমিক কৰ্মীৰ** মাজত থকা শৃংখলাবোধ নষ্ট কৰি পেলোৱাৰ উপক্ৰম কৰিছে। মই গম পাইছোঁ যে কেইসপ্তাহমান আগতে ফাইলত দিয়া মোৰ আদেশ এটাৰ ওপৰত গুঞ্জন আৰম্ভ হৈছে। আৰু তাৰ ফলস্বৰূপে কৰ্মচাৰী আৰু শ্ৰমিকৰ ইউনিয়নৰ ফালৰ পৰা দুখনো দৰ্খাস্ত ইতিমধ্যে ফাইললৈ আহিছে। মই মোৰ সিদ্ধান্তত অলৰ অচৰ হৈ থাকিব খোজোঁ। কিন্তু আনহাতে ইউনিয়নৰ যিসকল কৰ্মকৰ্তাৰ জৰিয়তে শ্ৰমিকসকলক শৃংখলাৰ মাজলৈ আনিছোঁ সেইসকলকো মোৰ প্ৰতিষ্ঠানৰ প্ৰয়োজনত অসন্তুষ্ট কৰিব নোখোজোঁ। ইয়াত অৱশ্যে ব্যক্তিগত সম্পৰ্কৰ প্ৰশ্ন একো নাই। এইবোৰ কাৰণতে মই ফাইলটোৰ ওপৰত আজি কেইবাদিনো সিদ্ধান্ত লব পৰা নাই। গুণাগঠা কৰি যি সিদ্ধান্তত উপনীত হম মোৰ প্ৰতিষ্ঠানৰ বাবে সি সৰ্বোত্তম হ ব লাগিব কাৰণেই এতিয়াও কোনো মন্তব্য ফাইলত মই দিব পৰা নাই।

ফাইলটো বিশেষ ডাঙৰ নহয় আৰু বৰ জটিল কথাও তাত নাই। মোৰ অফিছৰ ৰাতিৰ চকিদাৰ এজনক ছাছপেণ্ড কৰাৰ বিষয়টো লৈয়েই ফাইলটো। কামত গাফিলতি কৰাৰ কাৰণে মোৰ অফিছৰ ৰাতিৰ চকিদাৰ ৰামপীৰিতক ছাছপেণ্ড কৰাৰ আগতে কোনো ধৰণৰ কৈফিয়ৎ তলব কৰাৰ প্ৰয়োজন মই বোধ কৰা নাছিলো। ৰামপীৰিত ইউনিয়নৰ সভ্য আৰু কোনো কৈফিয়ৎ তলব নকৰাকৈ ছাছপেণ্ড কৰি দিয়া কথাটোতেই ইউনিয়নৰ কৰ্মকৰ্তাসকলৰ আপত্তি।

আমাৰ প্ৰতিষ্ঠানটো খুব সুস্থ আৰু মূল্যবান ইণ্ডাষ্ট্ৰিয়েল সামগ্ৰীৰ আদান প্ৰদানৰ লগত জড়িত আৰু এই বিষয়ত অন্য কেইবাটাও প্ৰতিষ্ঠানৰ লগত বজাৰ নিয়ন্ত্ৰণ লৈ আমাৰ তীব্ৰ প্ৰতিযোগিতা আছে। আজি কিছুদিনৰ পৰা আমি এটা অত্যাধুনিক সজুলিৰ ব্লু প্ৰিণ্ট এখন অতি গোপনে তৈয়াৰ কৰি আছোঁ যাৰ বিষয়ে আমাৰ প্ৰতিযোগী প্ৰতিষ্ঠানবোৰে জানিলে আমাৰ বিশেষ ক্ষতি হ ব। কেইদিনমান আগতে ৰাতি মোৰ অফিছটোৰ তলা ভাঙি চুৰ কৰাৰ চেষ্টা এটা চলিল। ষ্ট্ৰংকমৰ তলা ভাঙি কোনোবাই ভিতৰত সোমাই কাগজপত্ৰ ঘুকটি কিবা বিচাৰিছিল কিন্তু বিশেষভাৱে নিৰ্মিত আইৰন ছেফটো খুলিব নোৱৰা কাৰণে সিহঁতৰ প্ৰচেষ্টা ব্যৰ্থ হ'ল। পাছদিনা অনুসন্ধান কৰি গম পোৱা গ ল যে সেইদিনা ৰাতি ৰামপীৰিত তাৰ কৰ্তব্যত উপস্থিত নাছিল। আৰু সেয়েই চোৰে নিশ্চিন্তমনে অফিছৰ ষ্ট্ৰংকমত সোমাবলৈ সুযোগ পাইছিল। মই কোনো দ্বিধা নোহোৱাকৈ ৰামপীৰিতক এই অপৰাধত ছাছপেণ্ড

কৰিলো। ৰামপীৰিতে তাৰ যৈণীয়েকৰ টান নৰিয়া আছিল বুলি দৰখাস্ত কৰিছিল কিন্তু মই সেই কাৰণ উপযুক্ত বুলি গ্ৰহণ কৰিব নোৱাৰিলো। ৰামপীৰিতৰ প্ৰতি মোৰ ব্যক্তিগত আক্ৰোশ নাই। ৰামপীৰিতক মই চকুৰে দেখাই নাই। কিন্তু সি প্ৰতিষ্ঠানৰ প্ৰতি থকা কৰ্তব্য আওহেলা কৰা কথাটো ক্ষমাৰ্হ বুলি মই ভাবিব নোৱাৰো।

ফাইলটো আকৌ এবাৰ ভালকৈ পঢ়ি চালো। অৱশেষত আজি মই ফাইলটোৰ ওপৰত মোৰ সিদ্ধান্ত ঠিক কৰি পেলালো। ইউনিয়নৰ কৰ্মকৰ্তাসকলক মাতি পঠিয়ালো। আৰু তেওঁলোকক জানিবলৈ দিলো যে ৰামপীৰিতৰ অপৰাধ গুৰুতৰ আৰু মই মোৰ আগৰ সিদ্ধান্তই বাহাল ৰাখিলো। ইউনিয়নৰ কৰ্মকৰ্তাসকলে আন্দোলনৰ কথা ক লে। মই প্ৰয়োজন হ লে প্ৰতিষ্ঠানত লক আউট ঘোষণা কৰিম বুলি তেওঁলোকক জনাই দিলো। তেওঁলোক অসন্তুষ্ট মনেৰে ওলাই গ ল। তেওঁলোকৰ ফালে চাই মোৰ কোনো সহানুভূতি বা দ্বিধাবোধ নহ'ল।

মোৰ অফিছৰ ছুটীৰ সময়ৰ পাছতো মই কিছুসময় বেছিকৈ কাম কৰোঁ। আন কৰ্মচাৰীবিলাক দিহাদিহি গুচি যায়। কেৱল মোৰ পি. এ জন মোৰ কাৰণে বৈ থাকে। আজিও মই বহুত দেৰিলৈকে কাম কৰিলো। কাম কৰি থাকোঁতেই আন্ধাৰ হৈ আহিল। মই যেতিয়া অফিছৰ পৰা ওলাই পৰ্টিকোত থিয় হৈ দামী ছিগাৰেটটো জ্বলালো তেতিয়া মোৰ ছ'ফাৰজন লৰালৰিকৈ কৰবাৰ পৰা আগবাঢ়ি আহিল। সি ক লে বৰষুণ দিব ছাৰ। ময়েই গাড়ী চলাওঁ। তাৰ এই অযথা প্ৰভুভক্তিত মই বৰ বিৰক্ত হ লো। মুখেৰে নামাতি হাতৰ ই গিতেৰে তাক আঁতৰি যাবলৈ কৈ মই মোৰ গাড়ীৰ ফালে আগবাঢ়িলো।

গাড়ীৰ ষ্টিয়েৰিং ধৰি উইণ্ডস্ক্ৰিনৰ মাজেৰে চাই দেখিলো সঁচাকৈয়ে আকাশখন ঘন ক লা মেঘে আৱৰি ধৰিছে। বৰষুণ দিয়াৰ উপক্ৰম হৈছে। বাহিৰত থকা মোৰ গাম্ভীৰ্য বজাই ৰখা প্ৰয়োজন বোধ কৰোঁ কাৰণেই বৰষুণৰ কাৰণে কোনো ধৰণৰ উদ্বেগ প্ৰকাশ নকৰি গাড়ীখন গেটৰ বাহিৰলৈ উলিয়াই আনি ৰাস্তা পালোহি। নিয়ন্ত্ৰিত বেগত গাড়ী চলাবলৈ আৰম্ভ কৰোঁতেই হুৰ হুৰকৈ বৰষুণ আহিল। অদ্ভুত নেৰানেপেৰা বৰষুণ। হাজাৰ হাজাৰ গেলন পানী যেন হৰহৰকৈ গাড়ীৰ ওপৰত ৰাস্তাৰ ওপৰত পৰিবলৈ ধৰিলে। গাড়ীৰ ভিতৰৰ পৰা দুগজ দূৰতো ৰাস্তাটো নেদেখা হৈ পৰিল। তথাপিও সাৱধানে গাড়ীখন চলাই গ'লো। দেখিলো দোকান পোহাৰ বন্ধ হৈ গৈছে। আৰু ইতিমধ্যে বৰষুণৰ প্ৰকোপত ৰাস্তাও জনশূন্য হৈ পৰিছে। দুই এখন গাড়ী মোৰ গাড়ীৰ কাষেৰে জোৰেৰে পাৰ হৈ গুচি গ ল। মই সোনকালে ঘৰ পাবলৈ এক্সেলেটৰত জোৰ দিলো।

ৰাস্তা এটাৰ মোৰ ঘূৰিয়েই দেখিলো সৰ্বনাশ। ৰাস্তা আৰু নলা একাকাৰ হৈ একেবাৰে ৰাস্তাৰ ওপৰেৰে পানী বাগৰিছে। ধাৰাসাৰ বৰষুণত আমাৰ চহৰত মাজে মাজে ৰাস্তা মাটি আনকি ঘৰো ডুব যায়। তথাপি এজাক বৰষুণতে ৰাস্তাৰ ওপৰেৰে পানী বাগৰিব বুলি ভবাই নাছিলো। বৰষুণ আজি অৱশ্যে প্ৰবল হৈছে। ৰাস্তাৰ ওপৰেৰে পানী বাগৰিলেও গাড়ীখন কোনোমতে পাৰ কৰি নিব পাৰিম। আগতে বৰষুণত ৰাস্তা ডুব গ'লেও মাজে মাজে ৰাস্তাৰ পানীৰ ওপৰেৰে গাড়ী চলাইছোঁ।

কিন্তু অলপদূৰ চলোৱাৰ পাছতহে গম পালো যে আজি ৰাস্তাৰ ওপৰত বহুত বেছি পানী উঠিছে। পানীয়ে এটা সময়ত আহি একেবাৰে ইঞ্জিন চুলে। গাড়ীখন যে ঘূৰাই লৈ যাম তাৰো উপায় নাই। অলপ পাছত কেইটামান কাহ মাৰি ইঞ্জিনটো একেবাৰে বন্ধ হৈ গ'ল। মাজ ৰাস্তাত মোৰ গাড়ীখন স্তব্ধ হৈ গ'ল। এনেকৈ ৰাস্তাত গাড়ী বন্ধ হৈ যোৱাৰ অভিজ্ঞতা মোৰ নাই। কিবা কাৰণত কেতিযাবা তেনে হোৱা হ'লেও ড্ৰাইভাৰে কামত গাফিলতি কৰাৰ কাৰণে শাস্তি পালেহেঁতেন। কিন্তু এতিয়া ৰাস্তাৰ ওপৰত যিহে এটা সৰোবৰৰ সৃষ্টি হৈছে কোনো যান্ত্ৰিক বিজুতি নোহোৱাকৈয়ে গাড়ীখন বন্ধ হৈ গ'ল। প্ৰায় আধালৈকে পানীত ডুব যোৱা গাড়ীখন আগাপিছা কৰিব নোৱৰা হ'ল। এনে এটা দুৰ্যোগৰ মাজত পৰি উপায়ান্তৰ হ'লো। ছুট টাইৰেই ৰাস্তাৰ পানীত নামি পৰিলো। লগে লগে কঁকাললৈকে পানীত ডুব গ'লো। বৰষুণৰ কোনো বিৰাম নাই। কাপোৰ কানি পানীত তিতি জুৰুলি জুপুৰি হ'ল। অনভ্যস্ত হাতেৰে গাড়ীখন ঠেলিবলৈ চেষ্টা কৰি নিজকে বৰ আচহুৱা লাগিল। ৰাস্তা জনশূন্য হোৱা সত্ত্বেও এনেকুৱা লাগিল যেন চাৰিওফালৰ পৰা অভদ্ৰ মানুহ কিছুমানে মোলৈ চাই চাই উপলুঙা কৰিছে। পানীত ভিজা চুলিবোৰ চকুৰে মুখে লিপিত খাই ধৰাত আৰু ভিজা কাপোৰ কানিবোৰ গাত আঁত খাই লাগি ধৰাত এটা শাৰীৰিক অস্বস্তিৰ অনুভূতিও আহিছে। গাড়ীখন ঠেলি একাষৰীয়া কৰিব নোৱাৰি বৰ বিব্ৰত বোধ কৰিলো। মোৰ চেহেৰাটো মাটি খহা মূৰ্তিৰ জুমুঠিটোৰ দৰে হ'ল। এই মুহূৰ্তত মোৰ মাজৰ পৰা আত্মসন্মানৰ ভাবটো কৰবালৈ উৰি গ'ল। আতুৰত পৰা নিঃসহায় মানুহৰ মানসিক অৱস্থাটো কেনেকুৱা—মোৰ অভিজ্ঞতা নাই কিন্তু এতিয়া মোৰ বোধ হ'ল যেন মই তেনেকুৱা এটা মানুহ গাড়ীখন লৰচৰ কৰাব নোৱাৰি মই ভিজা বৰটোকোলাটোৰ দৰে অনভ্যস্ত খোজেৰে খোজ কাঢ়িবলৈ ধৰিলো। নিসংগ অনুভূতিটো এনেকুৱা প্ৰবল হ'ল যেন এতিয়া যিকোনো এটা মানুহ সমুখত পালেই তাক মই আঁকোৱালি ধৰিম।

পানী বাঢ়ি যেন বুকুৰ ওপৰ পাইছেহি। তিতি বুৰি ঠাণ্ডা লাগি গাত কঁপনি উঠিছে। কোনোমতে ভৰি দুখন টানি টানি আগবাঢ়িলো। তেনে সময়তেই এটা অসাৱধান মুহূৰ্তত অনুভৱ কৰিলো মোৰ ভৰিৰ তলত মাটি নাই। কিবা বুজি পোৱাৰ আগতেই নতুনকৈ খন্দা দ নৰ্দমা এটাৰ ভিতৰত বাগৰি পৰিলো।

মই বোধকৰোঁ চেতনা হেৰুৱালো। চকু মেলি দেখিলো অন্ধকাৰাচ্ছন্ন জুপুৰী ঘৰ এটাৰ ভিতৰত এখন তক্তাপোছত পৰি আছোঁ। জেকা মাটি নৰ্দমা ঘাম লেতেৰা কাপোৰ কানিৰ মিহলি গোন্ধ এটাই নাকটো সোপা মাৰি ধৰাৰ নিচিনা লাগিল। হাত ভৰি আৰু গাত বিষ অনুভৱ কৰিলো। নাকেৰে উশাহ লবলৈ কষ্ট হোৱাত নাকত হাত লগাওঁতে গম পালো এটা নাকৰ ভিতৰত বোকা সোমাই আছে। আঙুলিৰে বোকাসোপা এৰুৱালো। চুলি মুখ গাত হাত বুলাই গম পালো সকলোতে বোকা মাটি। মই পিন্ধি যোৱা ছুটযোৰ মোৰ গাত নাই। হাতেৰে খেপিয়াই গম পালো কঁকালত এখন শুকান লুঙি। হাৰিকেনৰ অস্পষ্ট পোহৰে ঘৰটোৰ অন্ধকাৰ কোনোৰকমেহে আঁতৰ কৰি ৰাখিছে। এনে অস্বাস্থ্যকৰ পৰিবেশত অন্য দিনা হোৱা হ'লে মোৰ হয়তো

ঘৃণাত বমি ওলাই আহিলহেঁতেন। কিন্তু এতিয়া মোৰ দেহ আৰু মন এনেকুৱা অবসন্ন যে কোনো ধৰণৰ অনুভূতিযেই মনত নাজাগিল। অলপ পাছত মোৰ মূৰ শিতানত শুনিলো কোনোবাই ফুচফুচাই কথা পাতিছে। পুৰুষ আৰু নাৰীকণ্ঠ। দেহাতী হিন্দীত পুৰুষজনে কৈছে বাবুৱে সাৰ পাইছে। যা চোন যা তই গৰম পানী কৰি আন। মাইকী মানুহজনীয়ে কৈছে বাবুক জগাই নিদিবি। বৰ কষ্ট পাইছে। শুই থাকিব দে। অলপ পাছত গম পালো নাৰী কণ্ঠ দূৰলৈ আঁতৰি গৈছে।

এটা অধচেতন অবস্থাৰ পৰা যেন হঠাৎ সাৰ পালো। লাহে লাহে মোৰ চকু দুটা ভালকৈ মেল খাই পৰিল। মই দেখিলো মোৰ মুখৰ ওপৰলৈ কৌতূহলপূৰ্ণ এখন মুখ হাগবাঢ়ি আহিছে। বিশাল মোচ কোচাই ঢাকি ৰখা কঠুৱা মুখখনৰপৰা ভেকেটকৈ তামোল আৰু খৈনিৰ লেতেৰা গোন্ধ এটা নাকত আহি লাগিল মোৰ চকু দুটা মেল খোৱা দেখি তাৰ চকু দুটাত হাঁহি বিৰিঙি উঠিল। সি ভঙা অসমীয়াত ক'লে বাবুজী হামি ৰামপীৰিত আছে। আপনি ভয় কৰবাৰ নালাগে। আপনি নালাত পৰি গৈছিল। একদম দুববাৰ ধৰিছিলে। হামি দেখা হ'লে চৰ্বনাচ আছিল। ব'পৰে বাপ যি বৰখান। ভগবানৰ দয়া আছে। হামি আপনাক দেখি উঠাই হামাৰ ঘৰত আনিছে।

তাৰ কথা শুনিহে বুজিলো এইমাত্ৰ মই মৃত্যুৰ মুখৰ পৰা উভতি আহিলো। অৱশ্য মনত ৰামপীৰিতৰ নামটোৰ পৰিচয় তৎক্ষণাত স্পষ্ট নহ'ল। কিন্তু পাছ মুহূৰ্তত বিজুলী এচমকাৰ দৰে মনত খেলাই গ'ল মোৰ ত্ৰাণকৰ্তাজন মোৰ অফিছৰ ৰাতিৰ চকিদাৰ ৰামপীৰিত।

ৰামপীৰিতে দেহাতী হিন্দীত ভিতৰলৈ চিঞৰিলে হেই চৰতীয়া। হেপৰ জলদি গৰম পানী লাব।

ভিতৰৰ পৰা এহাত ওৰণি লৈ মাইকী মানুহজনী ওলাই আহিল। মাইকী মানুহজনীৰ মুখখনলৈ চাই বুকুৰ কোনোবাখিনিত ধককৈ এটা খুন্দা খালো। অস্পষ্ট পোহৰতো আৰু ওৰণিৰ আঁৰতো মই মুখখন চিনি পালো। সদায় শুই উঠিয়েই চকোৱাৰ আঁৰত এই মুখখন দেখোঁ। মোৰ লোলুপ দৃষ্টিৰ আগত থকা এটা নিৰাভৰণ দেহৰ লগত এখন সৰল গ্ৰাম্যমুখ আৰু তাৰ নিস্বাৰ্থ উদ্বিগ্ন তাক খাপ খুৱাব নোৱাৰিলো।

তাই কলাই কৰা মগ এটা আগুৱাই দিলে আৰু নিজৰ ভাষাত যি ক'লে তাৰ সাৰমৰ্ম এনেকুৱা — বাবুজী, গৰম ভাতৰ ফেন অলপ নিমখ দি আনিছোঁ। আপুনি ঠান্ডাত কঁপি আছে। খালে গৰম লাগিব আৰু গাত বলো পাব।

মোৰ দৰে এজন সম্ভ্ৰান্ত মানুহ আৰু গৰম ভাতৰ ফেন। অন্য সময়ত হোৱা হ'লে সন্মানত আঘাত লাগিলহেঁতেন। এতিয়া মোৰ গাত সঁচাকৈয়ে কঁপনি উঠিছে। এইবোৰ বোধ চোধ কৰবালৈ উৰি গৈছে। সাগ্ৰহেৰে মগটো ললো আৰু একে সোহাই ফেনখিনি গিলি থলো। সঁচাকৈয়ে গাটোত যেন অলপ বল পালো। মনটো কৃতজ্ঞতাত ভৰি পৰিল।

এই মুহূৰ্তত ৰামপীৰিতৰ প্ৰতি মই ইমান কৃতজ্ঞ হৈ পৰিছোঁ যে মোৰ তাক এটা ডাঙৰ পুৰস্কাৰ দিবলৈ মন গৈছে। সি যদি দাবী কৰে আৰু'কয় চাহাব আপোনাৰ

জীৱন মই ৰক্ষা কৰিছোঁ মোৰ চাকৰি কিয় খাব খুজিছে ? মোৰ চাকৰি ওভোতাই দিয়ক সেই দাবী মই সানন্দেৰে মানি লম।

ৰামপীৰিত আগুৱাই আহিল। সি কি পুৰস্কাৰৰ প্ৰত্যাশা কৰিছে তাৰ মুখলৈ চাই তাকেই ভাবিলো।

কিন্তু সি তেনেকুৱা কোনো প্ৰসংগ নুলিয়ালে। ক লে বাবুজী, আপ্নাৰ কাপৰা একদম নষ্ট হৈছে। আপ্নাৰ ফ্লেটতো একদম নজদিক আছে। বেয়া নাপাব বাবুজী। লুঙিখান পিন্ধি অলপ যাবাৰ লাগিব।

মই উঠিব খুজি গাৰ বিষত কেঁকাই উঠিলো। সি হাঁ হাঁ কৰি আগুৱাই আহি মোক ধৰিলে। ঘৈণীয়েকে ক লে বাবুজীকো ফ্লাটমে ৰাখকে আব।

মই তাৰ কান্ধত হাত থৈ মই থকা অট্টালিকাটোলৈ আহিলো। চিৰিৰে উঠি আহি মোৰ ফ্লেটৰ বাহিৰত থমকি ৰলো। মোৰ বোকা লগা পেন্ট কোট ছাৰ্ট টাইবোৰ ৰামপীৰিতে তাৰ কান্ধত লৈ আহিছে। পেন্টৰ জেপটো লুককি ফ্লেটৰ চাবি সি বিচাৰি পালে। মই ফ্লেটৰ ফ্লাছ দুৱাৰখন খুলিলো। ৰামপীৰিতলৈ চালো। ভাবিলো এতিয়া হয়তো সি তাৰ পুৰস্কাৰ খুজিব। খোজক। মই ৰামপীৰিতৰ ঋণ এতিয়াই শোধ কৰি দিব খোজোঁ।

কিন্তু সি নুখুজিলে। অৱশেষত মই মোৰ অৱসন্ন হাতখন তাৰ ফালে আগুৱাই দিলো ৰামপীৰিত কাপোৰ কানিবোৰ দিয়া আৰু তুমি যোৱা। সি বোধহয় মোৰ হাতত বোকালগা কাপোৰ কানিবোৰ দিবলৈ সংকোচ বোধ কৰিলে আৰু কিছুসময় হেহোঁ নেহোঁ কৰি ৰৈ থাকিল। মই আকৌ এবাৰ তাক কাপোৰ কানিখিনি দিবলৈ ক লো। সি কাপোৰ কানিবোৰ মোৰ হাতলৈ আগবঢ়াই দি দীঘলীয়া চালাম এটা কৰি চিৰিৰে তললৈ নামি গ ল।

মই মোৰ ফ্লেটৰ দুৱাৰখন খুলি মোৰ দ্বীপৰ নিশ্চিত আশ্ৰয়ত সোমাই পৰিলো।

কাইলৈ ৰাতিপুৱা মোৰ টোপনি ভঙা আৰু তলত পানী পৰা শব্দটোৰ মাজৰ পাভলভীয় যোগাযোগটো হয়তো আকৌ ঘটিব। নঘটিলে মোৰ টোপনি ভাঙিবনে ?

১৬।৩।৮২

বগী হাঁহৰ খেল

ড চন্দ্ৰ কটকী

চাবেক যোৰহাট নগৰতে যে ইমানবোৰ অভং মানুহ সোমাই আছে ৰত্নেশ্বৰে এতিয়াহে বুজি পালে। মানুহবোৰ অভং নোহোৱা হ লে তাৰ দৰে নিম্নাখিত অঞ্চলা এটায়ো সিহঁতক ঠগি চাৰিদিনতে দুশ আঠচল্লিছ টকা উপাৰ্জন কৰিব পাৰেনে ?

সি পেণ্টৰ জেপৰ পৰা পইচাখিনি উলিয়াই লেখিলে—তাৰ হাতত নগদ এশ চাৰি টকা আছে —এশ টকা আছে যৈণীয়েক বগীতৰাৰ হাতত—বাকী চৌৱাল্লিছ টকা খৰছ গৈছে। আজিৰ দিনটোত তাৰ নিজকে বৰ চহকী-চহকী লাগি গ ল। তাৰ ইমানখিনি ধন ফাওতে অহাৰ বাবে সি তাৰ ভাগ্যকে শলাগিব নে যৈণীয়েক বগীতৰাৰ বুধিটোকে শলাগিব নে এই অভ মানুহবোৰকে শলাগিব ঠিৰা কৰিব নোৱাৰিলে। বোধহয় তাৰ ভাগ্যৰ কোবটোৱেই চাৰ—নিশ্চয় তাৰ একাদশত বিৰচতি নাইবা তেনেকুৱা কিবা এটাই লাগ দিছে।

গোসাঁনী পাটত তোলাৰ আগদিনা। ৰত্নেশ্বৰ পিৰালীতে জ পুকা মাৰি বহি আছিল। যোৱা তিনিমাহ ধৰি তাৰ চাকৰি নাই। পূজাৰ ৰ ৰহইচৰ কথা বাদেই সাধাৰণভাবে দুই বেলা চলি থাকিবলৈ তাৰ হাতত পইচা এটা নাই। মিছা দোষত চচপেন হৈ যোৱা তিনিমাহ লগৰ পিয়ন চকিদাৰৰ পৰা খুজি আৰু অফিছৰ বৰবাবুৰ পৰা ধাৰে লৈ সি কোনোমতে চলি আছে। পিছে যোৱা এসপ্তাহ ধৰি তাৰ দিন বৰ বেযা কাৰণ যোৱা মাহটোত অফিছৰ কোনো মানুহেই পইচা পোৱা নাই। সকলোৰে নাকনি কাননি হৈছে। গতিকে তাক পইচা দি সহায় কৰোঁতা কোনো ওলোৱা নাই।

ৰত্নেশ্বৰ টিলিকি আম বৰপুলৰ মানুহ। তাৰ ঘৰলৈ নগৰৰ পৰা আঠ মাইল। মন কৰিলে সি তাৰ আগৰ গাঁৱৰ ঘৰলৈকে গুচি যাব পাৰিলেহেঁতেন কিন্তু সেইটো কৰিবলৈ বৰবাবুৰ মানা। বৰবাবুৱে তাক ভিতৰুৱাকৈ কৈছে তুমি কোৱাৰ্টাৰ খালী কৰি নাযাবা। সিহঁতে কোৱাৰ্টাৰ খালী কৰি দিলে আসৈ পাব। চচপেন উঠাই লৈ এদিন তোমাক চাকৰি দিবই লাগিব গতিকে ধৈৰ্য ধৰি ইয়াতে থাকা। কাজেই ৰত্নেশ্বৰে অফিছৰ গাতে লগা তাৰ কোৱাৰ্টাৰটো এৰি দিয়া নাই। আনহাতে ঘৰলৈ গ'লেও তাৰ বিশেষ ফয়দা নাই কাৰণ তাত খেতিৰ মাটি বুলিবলৈ দুবিঘাহে তাৰে ককায়েক কান্তেশ্বৰে ল ৰাই তিৰোতাই এগোহালী পুহিব লাগে। ভতিজাক দুটা হাইস্কুললৈ চাৰিবছৰমান অহা যোৱা কৰি এতিয়া ঘৰতে নাম কটা চিপাহী হৈ আছে —ইফালে ককায়েক কান্তেশ্বৰো বায়ুপিত্ত উকাই উগাৰি উগাৰি পৰি থাকে। সেইবাবেই সি ঘৰলৈ গ'লেও একোডাল সুখ নাপায়।

এই চচপেনটোৰ বাবে সি নিজকে মুঠেই জগৰীয়া কৰিব নোখোজে। তাৰ গাত মুঠেই দোষ নাছিল। চৰাইমৰীয়াৰ ল'ৰা কিছুমান আহিছিল যোৰহাটৰ কাছাৰীৰ সন্মুখত পিকেটিং কৰিবলৈ। বাতিপুৱা আহে আৰু গধূলি যায়। ৰণশিঙাৰ আগদিনা সিহঁতে ডবা ঢোল খোল কৰতাল আৰু 'জয় আই অসম' লিখা পতাকা চাৰিখন ৰত্নেশ্বৰ পিয়নৰ কোৱাৰ্টাৰতে থৈ গৈছিল —পাছদিনা পুৱাই সিহঁতে আহি সেইবোৰ সজাই শোভাযাত্ৰা কৰিব। কিন্তু কোন নাৰকীয়ে জানো খবৰ দিলেগৈ — পুৱতী বাতিয়েই পুলিছ আহি তাৰ কোৱাৰ্টাৰৰ পৰা বস্তুবোৰ লৈ গ'ল। লগতে ৰত্নেশ্বৰকো। কান্দি কাটি কোৱাত আৰু অফিছৰ বৰবাবুৱে জোৰ দি ধৰাত যেনিবা দুদিনৰ পাছত তাৰ পৰা লেখা এখন লৈ তাক সাময়িকভাৱে এৰি দিলে। পাছে চাকৰিটোৰ পৰা তাক চচপেন কৰিলে।

কিন্তু নগৰত থকাটো তাৰ কাৰণে বৰ অসহ্য হৈছে। যোৰহাট হেন নগৰত এনে জুই ছাই দামৰ মাজত থাকি তুমি যদি পকেট গৰম কৰি ৰাখিব নোৱৰা তেন্তে তোমাৰ ভেলটোহে থাকিব জীৱনটো ক'লৈ গ'ল ভুকে নাপাবা। সেইবাবে মৰণত শৰণ দি ৰত্নেশ্বৰ ইয়াতে আছে। সি অকলৈ হোৱা হ'লে ইমান চিন্তাৰ কথাও নাছিল কিন্তু লগত তাৰ ঘৈণীয়েক বগীতৰা আছে। ৰত্নেশ্বৰে তাইক অনাৰ দুবছৰেই পূৰ হোৱা নাই। অহাৰ দিন ধৰি তাই দুখ দাৰিদ্ৰ্যৰ বাহিৰে অইন একো দেখা নাই। ৰত্নেশ্বৰে মন কৰিছে—তাৰ চাকৰি নোহোৱা এই তিনিমাহতে গোটেই মানুহজনী শেঁতা পৰি গ'ল। অথচ বহাগৰ বিহুতো বগীতৰাক কিবা এটা ভাল বস্তু দিব নোৱাৰি ৰত্নেশ্বৰে ভাবি আছিল—পূজাতে নিশ্চয় তাইক ভাল কাপোৰ এসাজ দিব। কিন্তু পূজাত তাৰ চাকৰিটোৱেই থৰক বৰক হ'ল। ৰত্নেশ্বৰৰ বেয়া লাগিল। এই বছৰেকৰ পূজাটোত ঘৈণীয়েক বগীতৰাৰ মুখৰ হাঁহি চাব পৰা সমল এফেৰিও তাৰ নাই।

ৰত্নেশ্বৰে ভাবি পালে —সি একো দিব নোৱাৰিলেও বগীতৰাই কিন্তু তাক বহুতো দিছে। দেহ মনৰ মৰমেই নহয় বুধি সন্ধিৰেও তাই তাৰ ঘৰখন তাৰ গৃহস্থীখন বেহা লগাই আনিছে। বগীতৰা তাৰ জীৱনলৈ অহাৰ আগতে সি অৰ্থাৎ ৰত্নেশ্বৰ পিয়নে কাম নথকা সময়ত লগৰ পিয়ন চ কিদাৰ আৰু ওচৰতে থকা পাবলিক বাছষ্টেণ্ডৰ ড্ৰাইভাৰ দুটামানৰ লগত গোটেই সংসাৰ ঘূৰি ফুৰে। গধূলি দেৰিকৈ আহি ভোগেশ্বৰৰ গুমটি দোকানত সোমাই দোকানী দুগিলাছ ধৰি আহি ঘৰত লাং খাই পৰি থাকে। কিন্তু বগীতৰা অহাৰ পৰা তাৰ জীৱনলৈ বহুতো পৰিবৰ্তন আহিল। সি আগৰ বহুতোবোৰ বদস্বভাৱ এৰিলে। মানুহটো পৰিপাটি হৈ থাকিব জনা হ'ল। পুৱা গধূলি ঘূৰি নুফুৰি ঘৰতে সোমাই থাকি ইটো সিটো কৰিবলৈ ললে। সিহঁতৰ অফিছ আৰু তাৰ কোৱাৰ্টাৰৰ মাজত দহহাত মান ঠাই খালী হৈ আছিল বগীতৰাৰ বুধিমতে ৰত্নেশ্বৰে তাতে খেতি কৰিবলৈ ললে। এতিয়া বছৰ দিনৰ লাউ জিকা কোমোৰা তাতে হয়। মানুহজনী বৰ লক্ষীও। এই বগীতৰাৰো ইতিহাস আছে।

ৰত্নেশ্বৰে সেই ইতিহাস জানে।

বগীতৰা মুদৈজানৰ চৰাইমৰীয়া গাঁৱৰ ছোৱালী। সৰুতে মাক বাপেক হালৰে মূৰ খালে। ধোদৰ সোৰোপা অকাঠী দদায়েক এটা আছিল। সিয়েই তাইক আনি

যোৰহাটৰ ইঞ্জিনিয়াৰ এটাৰ ঘৰত বনকৰা ছোৱালী কৰি দিলেহি। ইঞ্জিনিয়াৰৰ ঘৰত তাই বৰ সুখেৰে আছিল। ইঞ্জিনিয়াৰটোৰ ঘৈণীয়েকজনী বৰ ভাল। তাই বগীতৰাক মৰম সাদৰ কৰি ৰাখিছিল। তেওঁৰ অনুগ্ৰহতে তাই আখৰ চাইটামানো শিকিলে। লেটি পেটিকৈ বজাৰৰ চিলিপখন দিব পৰা হ'ল। কিন্তু ইঞ্জিনিয়াৰটো বদলি হৈ যোৱাত তাইও লগতে গৈ গুৱাহাটী পালেগৈ।

গুৱাহাটীত থাকি বগীতৰাই বৰ ভাল পালে। ঠাইখন বৰ আহল বহল আৰু ৰমক জমক মানুহ দুনুহ মটৰগাড়ীৰে উদুলি মুদুলি। এই পৰিবেশটো যোৰহাটৰ পৰিবেশটোতকৈ বেছি সোৱাদ লগা। বগীতৰাই ওচৰচুবুৰীয়া দুই এঘৰত কাম কৰা জনীচেৰেক ছোৱালীৰ লগতো চিনাকী হ'ল। এই ছোৱালীবোৰৰ পাছে সৰহভাগ ৰঙিয়া নলবাৰী, তামোলপুৰ সৰভোগ কৈঠালকুচি আদি ঠাইৰ পৰা অহা। গতিকে সিহঁতে যেতিয়া নিজৰ ভিতৰতে কথা পাতে তেতিয়া অলপমান সুকীয়া গত এটাত কথা পাতে। লাহে লাহে বগীতৰাই সিহঁতৰ কথা বতৰাৰ ভাগ লব পৰা হ'ল আৰু সিহঁতে কোৱা গততে কথা বতৰাও ক'ব জনা হ'ল।

বগীতৰাৰ এই সুখ সৰহদিন নাথাকিল। তাই লগত থকা ইঞ্জিনিয়াৰটো দুবছৰৰ কাৰণে বিলাতত পঢ়িবলৈ যাব। লগতে ঘৈণীয়েক আৰু ল'ৰাটোও যাব। ইমান ডাঙৰ বয়সৰ মানুহৰো আৰু কি পঢ়িবলগা থাকে বগীতৰাই নাজানে। বিলাতলৈ যোৱাৰ আগতে বগীতৰাৰ দদায়েকলৈ সি দুখন চিঠি লিখিলে আৰু ভতিজা জীয়েকক লৈ যাবলৈ মাতিলে। পিছে দুখন চিঠিৰ এখনৰো উত্তৰ নহাত ইঞ্জিনিয়াৰ আৰু বগীতৰা দুযো বিমোৰত পৰিল। যাবৰ সময় ওচৰ চাপি অহাৰ বাবে ইঞ্জিনিয়াৰে তেওঁৰ লগৰ বন্ধু এজনৰ হাতত বগীতৰাক গতাই থৈ গ'ল। বন্ধুজন পৰ্ফেছৰ। ঘৰ শিলপুখুৰীত। মানুহটো চহকী আৰু চৌখিন। তাৰ গাড়ীও আছে। আৰু পাণবজাৰত ঘৈণীয়েকৰ নামত দোকান এখনো আছে। পৰ্ফেছৰৰ ঘৰতো তাই ভালেই পাইছিল। ঘৰখনত তাইৰ কৰিবলগা কাম প্ৰায় নায়েই। তদুপৰি ঘৰৰ কাঁহী-বাটি ধোৱা আৰু ঘৰ দুৱাৰ চাফা কৰা কামৰ বাবে দেছুৱালী-মাইকী এজনী সদায় আহে।

কিন্তু বিপদ হ'ল এই পৰ্ফেছৰটোক লৈ। পৰ্ফেছৰ হ'লেও মানুহটো অলপ ইতৰ। তাৰ চোটামীও আছে। ছোৱালী দেখিলে সি পাগল হয়। ঘৈণীয়েকজনী ঘৰত নাথাকিলে তাৰ গাত শনি লম্ভে।

বগীতৰাই ক্ৰমে অনাদি পৰ্ফেছৰৰ চকুহালক বিশ্বাস কৰিব নোৱৰা হৈ আহিছিল।

সেইবাবে এদিন অনাদি পৰ্ফেছৰৰ ঘৰৰ পৰা ওলাই তাই খানাপাৰা ওলালহি। তাতে সিহঁতৰ গাঁৱৰে মানুহ এজন ভিয়েফে হৈ আছিল। মানুহটোৰ গতিগোত্ৰ ভাল। তাতে অলপ দিন থাকি বগীতৰাই সিহঁতৰ নিজ গাঁও চৰাইমৰীয়াৰ উপেন গাঁওবুঢ়াৰ পুতেক ৰাতুলক লগ পাই ঘৰলৈ গুচি আহিল।

ঘৰখনতো আৰু গাঁওখনতো ইতিমধ্যে বহুত পৰিবৰ্তন ঘটিছে। তাইৰ দদায়েক ঢুকাল। খুৰীয়েকজনীয়ে তাইৰ হাতত থকা ধনগাল শেষ নোহোৱালৈকে আলহ উদহ কৰিছিল। ধনগাল শেষ হোৱাৰ লগে লগে তাইলৈ খুৰীয়েকৰ খংটো বেছি হ'ল। কথাই কথাই মৰতী, হতচিৰীহঁতী। উপায় নাপাই তাই ৰন্নেশ্বৰ পিয়নৰ লগত পলাল।

বাৰখেলীয়া নামঘৰত ভাওনা চাবলৈ আহোঁতে তাইৰ লগত ৰত্নেশ্বৰৰ চিনাকি হৈছিল।

আজি পিছে বগীতৰাৰ খংটো ফচকৰে উঠিল। গোটেই দিনটো ধৰি বিড়ি হুপি হুপি পিৰালীতে বহি থকা ৰত্নেশ্বৰলৈ তাইৰ সঁচাসঁচি খং উঠিল। মতা মানুহটো হৈ সি এই ভৰ পূজাৰ দিনতো কেচেলা কেচেলি কৰি পিৰালীটোতে বহি সময় কটাব লাগেনে ? তাৰ চাকৰিটো গ'ল হয় কিন্তু তাৰ ঈশ্বৰে দিয়া হাত দুখন আছে তাকে কামত লগাই সি দুটা পইচাও উলিয়াব নোৱাৰেনে ? তাই সকলোৱে শুনাকৈ চিঞৰি চিঞৰি গিৰিয়েকক গালি পাৰিবলৈ ধৰিলে 'মৰদটো হৈ যে এই পূজাৰ দিনত ঘৰত সোমাই বিড়ি হুপি আছা কেলেই বাহিৰলৈ ওলাই গৈ দুটা পইচা ঘটাৰ উপায় নকৰাগৈ কেলেই ? তোমাৰ নিচিনা জোৱান মানুহ এটাই এনেকৈ হাত সাবটি বহি থাকিলে তোমাৰ নিজৰে হ'বনে দেশৰ দহৰ হ ব ? বাহিৰৰ পৰা অহা কিমান বঙালী-দেছুৱালীয়ে তোমাৰ চকুৰ আগতে হোৰাহোৰে ধন ঘটি আছে তুমিহে ধন ঘটাৰ উপায় উলিয়াব নোৱৰা। মই মাইকী মানুহজনীয়ে ফটা কাগজ গাঠি গাঠি ঠোঙা বনাই বজাৰত বিক্ৰি কৰি তোমাক দুমাহ খুৱালো তথাপিও তোমাৰ চৰম নালাগিল। আজি এই হেন পূজাৰ বতৰত কিমানে কিমান কৰি ধন উলিয়াইছে তুমি দাঁত চেলাই আছা —ইত্যাদি ইত্যাদি। ৰত্নেশ্বৰ তলকা মাৰি থাকিল। সি জানে মানুহজনীৰ দিলটো বৰ চাফা সেই বাবে তাই মুখ মেলিলে কালৈকো পৰোৱাই নকৰে। বকি বকি তাই ভাগৰিলেগৈ নিশ্চয় মনে মনে থাকিব।

ৰত্নেশ্বৰে আশা কৰা মতেই এসময়ত বগীতৰাৰ মুখ বন্ধ হ ল। ৰত্নেশ্বৰ তাইৰ ওচৰ চাপি আহিল। সি মন কৰিলে তাইৰ চকুত দুটোপাল পানী। বগীতৰাৰ চকুত চকুপানী দেখিলে তাৰ হিয়াখন ফাটি যায়। তথাপিও ধৈৰ্য ধৰি সি তাইক ক লে তই মোক এনেয়ে বকিছ অ । মইনো বাৰু কি কৰোঁ ? ধন পইচা থকা হ লে দোকান পোহাৰকে এডোখৰ দিলোহেঁতেন। হাজিৰা কামকে কৰি দুপইচা উলিয়াবলৈ চৰমো লাগে। আৰু সদায় অফিছত টুলত বহি থাকি-থাকি গোটেই দিনটো দা কুঠাৰৰ কাম কৰিবলৈ অলায়ক হ'লো। তথাপিও কুৰিটামান টকা কৰবাত ধাৰলৈকে পাওঁ নেকি বিচাৰোগৈ।

বগীতৰাই উত্তৰ নিদিলে কিন্তু তালৈ যি দৰে চালে ৰত্নেশ্বৰে সেই চাৱনিৰ কোনো অৰ্থই উলিয়াব নোৱাৰিলে। কেতিয়াবা মানুহজনীৰ গাত কিবা এটা লাগে। মাতিলেও মুখেৰে মাত নিদিয়ে কেৱল ঘোপাকৈ চাৱনি এটা মাৰে। তেনে অৱস্থাত ৰত্নেশ্বৰে বগীতৰাৰ ওচৰৰ পৰা আঁতৰি যোৱাৰ বাহিৰে উপায় নাথাকে।

ৰত্নেশ্বৰে ঠিক কৰিলে সি বিচাৰ্ছ লেবৰেটৰিৰ দেবেন পিয়নৰ ওচৰলৈকে যাব। দেবেনে তাক আগে পিছেও সহায় কৰিছে। পিয়ন হ'লেও সি ৰস-পম থকা মানুহ। তাৰে পৰা টকা কুৰিটামান আনিবগৈ। পিছে ৰিছাৰ্চ লেবৰেটৰি পাঁচ বজাতহে ছুটি হয়। ছিটি বাছো পাঁচ বজাতহে পায়। গতিকে এঘণ্টামান সময় হাতত আছে এইকণ সময়তে সি আগফালৰ চোতালখনকে এচোৰোকা মাৰোঁ বুলি কোৰখন আনিবলৈ ভিতৰলৈ গ'ল।

কিন্তু বগীতৰাৰ কাণ্ড কাৰখানা দেখি তাৰ মেজাজ একেবাৰে ফাগ্নাৰ। তাই ঘৰৰ একমাত্ৰ বগীহাঁহজনী চোতালৰ মূৰত চুটিকৈ বান্ধি লৈ কিবা এটা দলিয়াইছে। অলপ সময় চাই থাকিহে সি বুজিলে যে হাঁহজনীৰ গালৈ দলি মাৰি দিয়া বস্তুটো দৰাচলতে বগীতৰাই কাপোৰত ফুলবচা কাঠৰ ফ্ৰে'মটোহে। হাঁহজনীৰ গালৈ ফুলতোলা ফ্ৰে'মটো দলিয়াই থকা বগীতৰাক দেখি তাৰ মনত হ'ল যে নিশ্চয় এইজনীৰ মূৰৰহে কিবা এটা বিজুতি ঘটিছে। সি বৰ মৰম লগাকৈ তাইক মাতিলে বগীতৰা ঐ বগীতৰা।

বগীতৰাই কিন্তু ভেকাহি মাৰি দিলে খোৱা খোৱা লেন চেল্লাব নালাগে।

ৰত্নেশ্বৰ বাঙ্কনি ঘৰৰ মুধতে চুপ হৈ ৰ'ল। সি ভাবিলে ধনৰ চিন্তাতে পাগলী হৈছে তাই তেনে অংগী-ভ গীবোৰ কৰিছে। মাথা বেয়া নহ লে কোনো মানুহে ঘৰৰ হাঁহজনীক চোতালত বান্ধি লৈ গালৈ এনেকৈ ফুলতোলা ফ্ৰে'মটো দলিয়াই থাকি তৃপ্তি নাপায। বগীতৰাই কিন্তু সমান উছাহেৰে ফ্ৰে'মটো দলিয়ায়েই থাকিল। একোবাৰ ফ্ৰে'মটো হাঁহজনীৰ গাতে পৰে তাই তেতিয়া তাত তাত্ৰকৈ চিঞৰি উঠে। এবাৰ হাঁহজনী অলপ শান্ত হ ল —বগীতৰাই চুপি চুপি থাকি একোবত ফ্ৰে'মটো মাৰি পঠিয়ালে। ফুলতোলা ফ্ৰে'মটো হাঁহজনীৰ নেজুটোত সোমাই খাপ খাই ধৰিলে। বগীতৰাই হো হোকৈ হাঁহি উঠিল আৰু হাত চাপৰি বজাই হাঁহজনীৰ চাৰিওফালে ঘূৰিবলৈ লাগিল। মাজে মাজে তাই ৰত্নেশ্বৰলৈও চাই চাই মিচিকিয়াই হাঁহিলে।

ৰত্নেশ্বৰৰ কলিজাটো বেজাৰে খুন্দা মাৰি ধৰিলে নিশ্চয় বগীতৰাক গোসাঁনীয়ে পালে তাই পাগল হ ল। সি ভাবিলে বগীতৰাৰ হৈ ধাৰে ঋণে ম'হবলিৰ দিনা বুঢ়ী গোসাঁনীৰ দেৱালত শৰাই এখনকে দিবগৈ। পিছে বগীতৰা তাৰ কাষ চাপি আহিল। তালৈ চাই এবাৰ তাই মিচিকিয়াই হাঁহিলে আৰু তাৰ থুতৰিটোতে ধৰি জোকাৰি দি ক লে 'আমাৰ উঙই এইবোৰ একোকে গমেই পোৱা নাই। বগীতৰাৰ মতে উঙ মানে অভং তালৈ বৰ মৰম লাগিলে বগীতৰাই তাক উঙ বুলি মাতে। এইটো পিছে তাই আগতে গুৱাহাটীত থকা ইঞ্জিনিয়াৰৰ ঘৈণীয়েকৰ পৰা শিকা। ইঞ্জিনিয়াৰটোৰ তুলনাত ঘৈণীযেকজনী অলপ বেছি চালু আছিল আৰু সেইবাবে গিৰিয়েকক তাই উঙ বুলি কৈ পুতৌ কৰিছিল। বগীতৰাই গতটো তাইৰ পৰাই শিকিলে। ৰত্নেশ্বৰ অলপ আশ্বস্ত হ'ল। তাই তেনেহ'লে পাগলী হোৱা নাই। কিন্তু মানুহজনীয়ে আজিকালি এনেধৰণৰ কাণ্ড-কাৰখানা কিছুমান কৰিবলৈ লৈছে যে ৰত্নেশ্বৰে সেই সকলোবোৰ কাণ্ড কাৰখানাৰ মূলতে তাৰ চাকৰি যোৱাটোৱেই বুলি ধৰি লৈছে।

ইতিমধ্যে বগীতৰা শোৱনি কোঠাৰ পৰা আহিলগৈ। তাই হাতত মোনা এটা আৰু পাঁচটকীয়া নোট এখন লৈ আহিছিল। ৰত্নেশ্বৰৰ হাতত মোনা আৰু টকা পাঁচটা তুলি দি তাই ক'লে 'কৰবাৰ পৰা গোটা বেত দুডাল আনিবা বেছি দীঘলীয়া হ'লে ভাল। ফুটি গজাল দুশ গ্ৰাম টান চাই গুলী সূতা এটা আৰু ৰঙা নীলা কাগজ চাৰিখন আনিবা।

ৰত্নেশ্বৰ অবাক হ'ল। এই বস্তুবোৰ তাইক কেলৈ আৰু টকা পাঁচটা তাই পালেই বা ক'ত ?

'তোক আকউ এইবোৰ বস্তু কেলেই ?

মিচিককৈ হাঁহি এটা মাৰি বগীতৰাই ক'লে বস্তুবোৰ আনাগেচোন বাৰু কি কৰোঁ পাছতো দেখিবা। মনৰ খুদুৱনি ৰাখিব নোৱাৰি ৰত্নেশ্বৰে সুধিলে এই টকা পাঁচটা তই ক'ত পালি?

যোৱা মাহৰ শাগৰ মাহতে ঠোঙা বেচা পইচাৰ পৰাই এই পাঁচটকা থৈছিলো। শাপদ লিপদতো লাগিব পাৰে আৰু কেনেবাকৈ পাঁচটকামান গোটাব পাৰিলে ৰঙা ভইলৰ ব্লাউজ এটা লম বুলি ভাবিছিলো। ৰত্নেশ্বৰৰ মনটো মৰি গ'ল। যোৱা ছমাহে তাইক সি কুটা এগছো দিব পৰা নাই।

ওৰে ৰাতিটো বহি বহি বগীতৰাই বস্তু কেইটা সাজি উলিয়ালে। ফুলা ফ্ৰেমটোৰ জোখতে গোটাবেতৰ বেৰি বাৰটা সজা হ'ল ফুটি গজালবোৰ শাৰি মাৰি আৰু ৰচীৰে বান্ধি বেৰিবোৰ মজবুত কৰা হ'ল আৰু সিবোৰৰ ওপৰত ৰঙা নীলা কাগজ লগাই দিলত বাৰটা সুন্দৰ বেৰি তৈয়াৰ হ'ল। তাৰ পাছত তাই তাইৰ আঁচলিখন আৰু খেলটো ওৰে ৰাতি ৰত্নেশ্বৰক শিকালে। বিষ্টুৰাম বৰুৱা হলৰ চোতালত ল ৰাবোৰে আনন্দ মেলা এখন পাতিছে তাৰে এচুকত ৰত্নেশ্বৰেও সিহঁতৰ খুজি মাগি ঠাই অকণ লব। সেই ঠাইকণতে গোলকৈ পুখুৰীৰ দৰে গাত এটা সৰুকৈ খান্দি লোৱা হ'ব তাতে পানী দি মাজতে খুটি এটা মাৰি হাঁহজনী বান্ধি ৰাখিব লাগিব। আচল খেলটো হাঁহজনীৰ ওপৰতে হ'ব। মানুহে পুখুৰীৰ পৰা দহফুট মান আঁতৰত থাকি বেৰি একোটা হাঁহজনীৰ মূৰলৈ মাৰি পঠিয়াব। বেৰি হাঁহজনীৰ মূৰত সোমাই নেলুত লাগি ধৰিলে বেৰি মৰাটো জিকিব। সি পাঁচ টকা পাব আৰু তাকে কৰিব নোৱাৰিলে বেৰি কেইডাল কিনা পইচাটো খেলোবাৰী অৰ্থাৎ ৰত্নেশ্বৰে পাব। খেলিবলৈ অহা মানুহে এটকাত ছডাল বেৰি মাৰিবলৈ পাব অৰ্থাৎ বাৰডালত দুটকা। এটকাতকৈ কমত ছডালতকৈ তলত বেৰি লব নোবাৰে। এই খেলটো বগীতৰাই এবাৰ গুৱাহাটীৰ লাচিত বজাৰত পতা আনন্দ মেলাত দেখা পাইছিল। তাই অনাদি পৰ্ফেছাৰ আৰু বাইদেউৰ লগত গৈ তাত ওলাইছিলগৈ। খেলটো দেখি তাইৰো মনটো লিকলিকাই আছিল। কিন্তু সেই খেলটো খেলিবলৈ পইচা লাগে বাবে তাইৰ পইচা খুজিবলৈ সাহস নহৈছিল। এতিয়া সেই খেলটোকে তাই ইয়াত লগোবাৰ স্থিৰ কৰিলে। কিন্তু ৰত্নেশ্বৰটো সঁচা সঁচিকৈ এটা উঙ। তাই ইমান পানী পানীকৈ তাক খেলটো বুজালে কিন্তু সি ভালদৰে কথাটো বুজি লব নোবাৰিলে।

সেইবাবে সপ্তমীৰ দিনা নিচেই ৰাতিপুৱা সিহঁত দুযোটা বিষ্টুৰাম হলৰ বাকৰিত হোৱা আনন্দ মেলালৈ ওলাল—লগত আগদিনা গধূলি অনা সঁজুলিবোৰ আৰু হাঁহজনী।

ৰত্নেশ্বৰেই আগভাগ লৈ আনন্দ মেলা কমিটিৰ ছেক্ৰেটৰিটোক অনুমতিৰ কথা ক'লে। ছেক্ৰেটৰি মান্তি হ'ল কিন্তু ক'লে —সিহঁতে পাছত ভাবিচিন্তি এটা মাচুল লগাব তাক দিয়াত ৰত্নেশ্বৰে টনা আজোৰা কৰিলে নচলিব।

বগীতৰাৰ বুধিমতে ৰত্নেশ্বৰে গেটৰ কাষৰ ঠাই এটুকুৰাকে বাচি ললে। তাতে সৰুকৈ পুখুৰী যেন কৰি গাত এটা খন্দা হ'ল। গাতটোত পানী ভৰাবলৈ লৈহে ৰত্নেশ্বৰ বিপাঙত পৰিল। সি কেইবাভাবো পানী ভৰালে কিন্তু আই বসুমতীৰ বৰ

থক —তৎকালে পানী শুহি নিযে। শেহত [illegible] পানী ৰোবাগ হ'ল। মাত [illegible] খুটি এটা মাৰি সি হাঁহজনী ৰচি এডালেৰে ঠেঙত [illegible] দি বান্ধি দিলে। [illegible] থকা সাত্ত্বেও হাঁহজনীয় ঘূৰি ঘূৰি পবাহ থাকিবলৈ ধৰিলে

বগী[illegible] বৰ খুচি [illegible] ইয়াম কাম হৈছে [illegible] ভালদৰে দেখুৱ [illegible] বুলি [illegible] বেৰ বেৰ [illegible] লেহাঁ [illegible] দলিয়ালে [illegible] আ দিনৰ [illegible] আছিল —একেবাৰে [illegible] হাঁহজনীৰ [illegible] সোমাই পৰিল [illegible] ভালদৰে বুজি [illegible] গীতৰাৰ [illegible] কালাৰি দেখি [illegible] আশা হ'ল —নিশ্চয় এই খেল [illegible] দুপইচা [illegible] ।

[illegible] বজাৰ লাগে। লগে মানুহবোৰে মেলা [illegible] হ'ল [illegible] বগীতৰা আৰু ৰত্নেশ্বৰ দয়া থিয় হৈ আছে। [illegible] কাষেদি যোৱা মানুহ দুই এজন সিহঁতলৈ চায় কিন্তু [illegible] নোসোধাকৈ পাৰ হৈ যায়। সকালবে চকু [illegible] কাউণ্টাৰ আৰু জানিদ মুন্দাৰ ঢাল কিখনত বগীতৰাৰ ভয় হ'ল কিজানি খেলটোলৈ কোনো নাহে। অলপ ধৈৰ্য ধৰি তাই বুধি এটা পাঙিলে। ওচৰৰ পুতলা দোকানৰ পৰা তাই পাছত পইচা দিব বুলি কৈ জনুকা এটা আনিলে আৰু সেইটো ৰত্নেশ্বৰৰ হাতত দি কলে এইটোকে জোকাৰি জোকাৰি বজাবা আৰু মুখেৰে চিঞৰিবা —বগীহঁতৰ খেল—বগীহাঁহৰ খেল— আহক আহক কেনে মজাৰ চাওক।

বগীতৰাৰ বুধিয়ে মেজিকৰ দৰে কাম কৰিলে। প্ৰথমতে আপচোচ কৰি লাজ লাজকৈ চিঞৰিছিল যদিও শেহলৈ ৰত্নেশ্বৰে লাজ এৰাই বৰ্তিয়াকৈ কব জনা হ'ল। লাহে লাহে মানুহ এটা দুটাকৈ কাষ চাপি আহিল। প্ৰথমতে ৰত্নেশ্বৰে তাৰ পাছত বগীতৰাই খেলটোৰ লক্ষণ আৰু নিয়মবোৰ কৈ দিলে। ডেকা লৰা এটাই দুটকা দি বেৰি বাৰটা ললে। সি এবাৰ এবাৰকৈ বাৰ ডাল দলিয়াই এডাল বেৰিও হাঁহজনীৰ ডিঙিত সুমুৱাব নোৱাৰিলে। তাৰ পাছত আৰু এটা লৰা আহিল —এটকা দি সি ছডাল বেৰি ললে আৰু বৰ ওস্তাদৰ দৰে কায়দাৰে ছয়োডাল বেৰি খৰখেদাকৈ মাৰিলে। কিন্তু এডালতো তাৰ কৃতকাৰ্যতা নাহিল। লাজ পাই সি আঁতৰিল। লাহে লাহে মেলাৰ ঠাইত মানুহৰ সংখ্যা বাঢ়ি গ'ল। বগীহাঁহৰ খেলতো মানুহ জমিল। দিনটোৰ ভিতৰত খেলচোৱা মানুহৰ সীমা নাইকিয়া হ'ল কিন্তু সাতটা মানুহেহে বেৰিটো হাঁহজনীৰ ডিঙিয়েদি সুমুৱাব পাৰিলে। সিহঁতক সাঁত পাঁচ গুণে পয়ত্ৰিছ টকা দিব লগা হ'ল। তথাপিও সিহঁতৰ নিজলৈ থাকিল দুকুৰি সাত টকা। সেইদিনা দিনৰ দিনটো সিহঁতৰ ভাতখোৱা নহ'ল —বগীতৰাৰো ৰত্নেশ্বৰৰো। ৰত্নেশ্বৰে মাজতে গৈ উপেনৰ দোকানত পৰঠা এটা খাই আহিল। বগীতৰা নগ'ল। খোদ টাউনৰ মাজত থাকিলেও এইদৰে হোটেলে চোটেলে খাই ফুৰিবলৈ তাইৰ বিকচিনা লাগে।

গধূলি সাত বজাৰ পাছতে সিদিনা মেলাবন্ধ কৰি দিয়া হ'ল। ছেক্ৰেটৰিৰ হুকুম। বগীতৰাই ভালেই পালে। দিনটোৰ পৰিশ্ৰমেৰে তাইৰ আমনিয়াইছিল। তথাপিও গড আলিলৈ গৈ তাই কাঞ্চন লেডিজকৰ্ণাৰৰ পৰা ভাল চাই বগা ব্লাউজ এটা কিনিলে—

কৰিয়া ভইলৰ আৰু ৰত্নেশ্বৰে স্পৰ্টিং শ্বাৰ্ট এটা কিনিলে। দুয়োটাতে দুকুৰি খৰচ হ'ল। হাঁহজনীলৈ বুলি তাই দুটকাৰ ৰাইবৰেন কিনি নি ৰাতি ন বজাতহে ঘৰ সোমাল।

পাছদিনা পুৱা দুয়োটা মেলালৈ ওলাল। ৰত্নেশ্বৰে হাতত হাঁহজনী আৰু বগীতৰাই হাতত বেৰি বাৰটো লৈ গৈছে। বগীতৰাজনীক আজি আন দিনাতকৈ বেছি ধুনীয়া দেখাইছে। তাই নতুন ৰঙা ব্লাউজটো পিন্ধি আহিছে। তাই খোপাটোও আজি বেলেগ পেটাৰ্নত বান্ধিছে তাইৰ বগা গলধনটো নিয়াৰিকৈ ওলাই পৰিছে। মানুহজনীলৈ ৰত্নেশ্বৰৰ নতুনকৈ মৰম এটা লাগি গ ল। তাইক আজি বৰগাভৰু-গাভৰু যেন লাগিছে।

মেলালৈ অহা ডেকাবোৰেও হয়তো তেনেকৈয়ে ভাবিছিল। সিহঁতেও বগীহাঁহৰ খেল চাবলৈ হেঁতা ওপৰা লগালে। সিহঁতৰ বাবে যেন দুটকা দি বেৰি বাৰটা কিনাটো তেনেই ভাতৰ লগৰ পানী। পিছে বেৰি কিনেহে হয় এটায়ো হাঁহজনীৰ ডিঙিত বেৰিটো লগাব নোৱাৰে।

কাৰণ সিহঁতৰ চকু থাকে এফালে আৰু হাঁহজনী থাকে এফালে। সিহঁতৰ চকু বগীতৰাৰ বগা সুঠাম দেহটোৰ ওপৰত। বগীতৰাই কথাটো বুজিছে। ৰত্নেশ্বৰেও। প্ৰথমতে তাৰ মনৰ মানুহজনীলৈ এইদৰে মানুহবোৰে লুভীয়া চকুৰে চাই থকা কথাটো সি ভাল পোৱা নাছিল। কিন্তু শেহলৈ সি কথাটো মানি ললে। মানুহহে তেও।

আৰু বগীতৰাৰ ৰূপটো জানো কম ? তাই আগত থাকিলে মানুহবোৰে চকুকেইটাক চম্ভালি ৰাখেনো কেনেকৈ ?

বগীতৰাৰ বুধিটোও কম নহয়। তাই নিজেও জানে যে হাঁহজনীৰ ডিঙিত বেৰিডাল সুমুৱাটোতকৈ তাইক চাই লোৱাতহে মানুহবোৰৰ চখ।

বগীতৰাই তাৰো কায়দা জানে। যিটো মানুহে দূৰৰে পৰা খামি ডাঠ হৈ বেৰিডাল সুমুৱাৰ বাবে সাজু হৈ আছে তেনে মানুহলৈ বগীতৰাই লাজ লাজকৈ চাই মিচিকিয়াই হাঁহি এটা মাৰি দিয়ে। মানুহটোৰ দিমাক ঠাণ্ডা হৈ যায়। সি বেৰি কেইডাল এনে ভ গীত মাৰে যেন সেইকেইডাল নদলিয়ালে নহয় বাবেহে দলিয়াইছে। ৰত্নেশ্বৰে বগীতৰাৰ বুধিটো নজৰ কৰি আছিল কিন্তু আজি এই বতৰত তাইৰ প্ৰতি তাৰ কোনো অভিযোগ নাই।

ৰত্নেশ্বৰে পইচাখিনি আকৌ উলিয়াই এবাৰ লেখিলে। তাৰ হাতত পুৰা এশ টকা এশ টকা আছে বগীতৰাৰ হাতত। টকাখিনি কেনেকৈ খৰচ কৰিব তাকে আলচ কৰিবলৈ সি বগীতৰাক বিচাৰি ভিতৰলৈ সোমাই গ'ল। বগীতৰাই সেই মুহূৰ্তত ভিতৰৰ বাৰান্দাত বহি হাঁহজনীক কোলাত লৈ মৰম কৰি আছিল।

১।৫।৮২

মই, মোৰ গাঁওখন আৰু মোৰ পৰিয়ালটো

জয়কান্ত গন্ধীয়া

চেনিমৰা হাইস্কুলৰ পৰা ১৯৬০ চনতে মেট্ৰিক পৰীক্ষা দিছিলো। ফেল মাৰিলো। পাছৰ বছৰ আকৌ দিলো। পিছে তেলপানী সত্ৰৰ দুৰ্লভ ছাৰৰ ওচৰত তিনিমাহ নেৰা-নেপেৰাকৈ শিকাৰ পাছতো পণ্ডিতে অংক বিষয়টোত নগদ দহ নম্বৰ পাই আকৌ ফেল মাৰিলো। মন ভাগি গ'ল। পিতায়েও গোঁজৰণি-এটা দিলে, বোলে— 'কুকুৰৰ পুতেক মোৰ অত গাল ধন পানীত পেলালি পঢ়া শুনাত গিয়ান নাই, পদুলি গুণ্ডি ফুৰিবি মোৰ ঘৰত তোৰ চাউল ঢুকাল। ভালে ভালে ওলাই যা। মোৰ চকুৰ আগত থাকিলে কেতিয়াবা কিবা মিগাজ উঠিব কপি দা চলাই দিম মাক । পিতাইৰ গোঁজৰণি শুনি মোৰ ভগা মনত জেদ বাঢ়িল। 'মানুহ নোহোৱালৈকে তইঁতক মুখ নেদেখুৱাওঁ বুলি কৈ ঘৰৰ পৰা লগে লগে চম্পত। সেই যে গ'লো—আজি বিছ বছৰ মই ঘৰমুৱা হোৱা নাই। বিছ বছৰৰ মূৰত আজি ঘৰলৈ গাঁৱলৈ ঘূৰিছোঁ। —এয়া আহি আছোঁ।

ঘৰৰ পৰা ওলাই গৈ দুবছৰমান অঘোৰে বঘোৰে ঘূৰিলো। মাজতে গদা হোটেলত—এতিয়া যোৰহাট ডায়েৰি হ'ল—ছমাহমান পোৱালি' হ'লো। এনেতে ইলেকছন আহিল। পোৱালি'ৰ চাকৰি ইস্তফা দি পতিত পাৱন এমেলে বকৰা দাদাৰ লগত লাগিলো। মোৰ কাম হ'ল কেম্পে-কেম্পে ফুৰা য তে ৰাতি ত তে কাটি হোৱা আৰু গছে গছে কাগজ মাৰি ফুৰা। খোৱা খৰচ বকৰা দাদাৰ। ইলেকছনৰ পাছত বকৰা দাদা জিকিল। মই তেখেতৰ মুখামুখি হ'লো—চাকৰি তাকৰি কিবা এটা লাগে। তেখেতে বোলে কিমানলৈকে পঢ়িলি। মই বোলো মূৰত গোবৰ এদ'ম লৈ ক'ত পঢ়িব পাৰিম! দুবাৰ মেট্ৰিক দি দুই বাৰেই দাঁত নিকটালো। তেখেতে বইজাত চইজাত বুলি গালি কেতবোৰ দি ক'লে বোলে দুমাহমান ৰ। মই অলপ থিত হৈ লওঁ। ৰ'লো। দুমাহৰ মূৰত সঁচাকৈয়ে মোৰ ভাগ্যত চাকৰি এটা মিলিল। 'মানুহ হৈ যোৰহাটলৈ বদলি লৈ আজি ঘৰলৈ গাঁৱলৈ ঘূৰিছোঁ। —এয়া আহি আছোঁ।

ঘোপমৰা আন্ধাৰ ফালি চিনাকি হৈও অচিনাকি-অচিনাকি লগা গাঁৱৰ বাটটোৱেদি খোজ আগবঢ়াইছোঁ। অলপ দূৰ যোৱাৰ পাছত দেখোঁ সিফালৰ পৰা টৰ্চৰ পোহৰ এছাটিৰে কোনোবা এটা আহি আছে। পোহৰ ছাটি ওচৰ পোৱাত ময়েই প্ৰথম মাত লগালো—কোন হে? সিফালৰ পৰা উত্তৰ আহিল—মই দেবাই। তইনো কোন? —মই সক ল বা (মোৰ ঘৰত মতা নাম)। ঘৰলৈ আহিছোঁ। দেবাই অৰ্থাৎ দেবেশ্বৰে মোৰ মুখত টৰ্চৰ পোহৰ ছাটি পেলালে ক'লে—স'ল'ৰা? ঘৰলৈ আহিছ? দাড়িয়ে দোৰাই ভোবোৰা এইটো ভাগি যোৱা স'ল'ৰা নে বুঢ়া ডাঙৰীয়াই ভেকচন কৰি মোক বাট আগচি ধৰিছে? মই তাৰ মনৰ ভয় দূৰ কৰিবৰ বাবে অলপীয়াকৈ হাঁহি এটা মাৰি

ক'লো—হেৰ' মই বুঢ়া ডাঙৰীয়া নহওঁ তোৰ লগত চৈকতা পথাৰত একেলগে গৰু চৰোৱা নবাম ওজাক ঢোল বোৱা দেখি একেলগে টিকাত ঢোল বোৱা একেলগে পাতচলা ইছকুলত পঢ়া সক ল'ৰাহে। মই তোৰ মাতটোতে চিনি পালো তইহে নাপালি। টৰ্চৰ পোহৰ ছাটি মুখৰ পৰা মোৰ গালৈ পেলাই সি ক লে—চিনি পাবলৈ মুখখন ছাতৰ সনথাৰ ল ৰাবোৰৰ দৰে ভোবোৰা। চোলা পিন্ধিছ ছোৱালীৰ ফৰক কাপোৰৰ। তোকনো চিনি পাব পাৰিনে ? এতিয়া এই নিশাখন তই মই আক দোকানৰ পৰা গুৰ এচেলেক নিওঁ বুলি আহিছিলো। এহ্ নিনিওঁ গুৰ চুৰ। আহ তোৰ লগত ঘুৰিয়েই যাওঁ। ইমান দিনৰ মূৰত আহিছ আজ্ঞাৰত তই বৰ দিগদাৰি পাবি। মই বোলো পাৰিম অ । ওপজা গাঁও। তই গুৰ আনগৈ যা। দেবেশ্বৰে পিছে মোৰ কথালৈ কাণ নিদি এহ্ হ'ব হ'ব আহ বুলি কৈ অহা বাটে ঘূৰিল। তাক পাই মোৰ ভাল লাগিল। মই তাৰ পিছ ললো।

কেইখোজমান যোৱাৰ পাছত আকৌ দেবেশ্বৰে ক লে — তোৰ কথা মাজে মাজে মোৰ মনত পৰে দে। দাইটিয়ে পিছে মৰিলি বুলি এৰি দিলে খুৰীয়েহে মই তহঁতৰ ঘৰলৈ গ লেই তোৰ কথা কৈ কান্দে। ইমান দিনৰ মূৰত ঘৰৰ মানুহ ঘৰলৈ ঘূৰি আহিছ—বৰ ভাল কাম কৰিলি হ'লে দেই।

মোৰ ব'টিৰ মুখলৈ মনত পৰিল। পিতাইলৈ মনত পৰিল। ককাইদেউলৈ মনত পৰিল। সেমেকা মাতেৰে দেবাইক ক'লো 'জানো পাই, ভাল কামেই কৰিলোনে বেয়া কামেই কৰিলো —আহিলো আক। ব'টিয়ে চাগে চিনিকে নাপাব।

সি ক'লে খুৰীয়ে পেটৰ পোৱালিক চিনি নাপাবনে ? তইহে জানো খুৰীক চিননে নিচিন ? তেনেই আহৰি হ'ল। দেখিবিগৈয়ে নহয়। ককায়েৰেও বিয়া পাতিলে। বহু পেহাৰ সকচৰাইৰ লগত। এতিয়া জানো বাকলি পাঁচোটানে ছটা।

মই ক'লো এ হয়নে কি ? সকচৰাইৰ আগত এতিয়া লাজেই লাগিব দেখিছোঁ। তাহানি তহঁতৰ বগৰি তলত চুলি জোকোৰা দি খালত গটা মাৰি পেলোৱাজনীকে এতিয়া নবৌ বুলিবগৈ লাগিব নহয়।

সি ক লে বুলিবি আক দে। এতিয়া পিছে বহু পেহাইতৰ লগত তহঁতৰ ঘৰৰ আহ যাহ নাই । তহঁতৰ ঘৰ মাহেকীয়া পেহাইত এঘাৰ দিনীয়া । আমাৰ গাঁও গোটেইখন খেল-খেল হ'ল নহয়। ইখেলৰ মানুহ সিখেলৰ ঘৰলৈ নাযায়। মাজতে মহানন্দ দেদায়ে শংকৰ সংঘ পাতি এখেল উলিয়ালে। আগৰ নামঘৰটোও ভাগ ভাগ হ'ল। এতিয়া খেলে-খেলে একোটা। তহঁতৰ খেলৰটোত থেপেনা থপাই নাই। মানুহ আটাইবোৰ গুচিল। কোনেও কাকো নসহে। আগৰ বৰ পুখুৰী পাৰত ভেলা ঘৰ সাজি মেজি পাতি কিমান যে ৰং আনন্দ কৰিলো—এতিয়া চব গ'ল। গাঁৱৰ কাবো লগত কাবো কথা নিমিলে। কথাই-কথাই দাখন কথাই-কথাই কোৰখন লৈ খেদি আহে। আগৰ ভাওনা সবাহ, কড়ি-পঁচি চব গ'ল। তই দুদিন থাকিলেই সকলো গম পাবি।

দেবেশ্বৰ ব'ল। মই আন্ধাৰতে তাৰ ফালে চালো। এটা নামঘৰৰ ঠাইত তিনিটা নামঘৰ ? কথাই-কথাই দাখন কথাই কথাই কুঠাৰখন ? তাহানি দেখোন একেটা নামঘৰতে আটাইবোৰ লগ লাগিছিল, সীতা হৰণ বালীবধ ভাওনা পাতিছিল, বৰ

সবাহ পাতিছিল মাঘ মহীয়া বতিয়া নাম গোৱা হৈছিল—বস্ত্র পেহাইতেই মালৌৰ পৰা ম'হৰ গাখীৰৰ কলহ আনিছিলগৈ। মহানন্দ দেদায়ে বাৰণৰ ভাও লৈ লোৰ ফ্রেমত দহ মূৰ লৈ ওলাইছিল। এতিয়া সেই বস্ত্র পেহা, সেই মহানন্দ দেদাই জীয়াই থাকোঁতেই গাঁওখন এনেকুৱা হ'ব লাগেনে ? এতিয়া তেওঁলোকৰ দিনতে মাহেকীয়া এবাৰ দিনীয়া সংঘীয়া!

মই একো নমতা দেখি দেবেশ্বৰে আকৌ ক'লে হেৰি নহয় স ল'ৰা আমাৰ মনবৰ মহা কেনিবা যাব লগা হ'লে পেৰাই পেটাৰীয়ে এগাড়ী মাল গৰু গাড়ীত তুলি গড়আলি মূৰলৈ বা চেনিমৰা ইছতেছনলৈ নিব লাগে। তই পিছে ইমান দিনৰ মূৰত আহিও হাতত এটা টোপোলাহে লৈ আহিলি। তোৰ কাপোৰ কানি

আছে আছে। চেনিমৰাৰ বংশীৰ দোকানত থৈ আহিছোঁ। মনবৰ মহানো আকৌ ইমানবোৰ পেৰা পেটাৰী লৈ ক'ত চহৰ ফুৰিবলৈ যায় ?

চহৰ ফুৰিবলৈ যায় মানে ? মনবৰ মহাৰ কথা তই ক'তো শুনা নাইনে ? মহা দেখোন আজিকালি বৰ ডাঙৰ মানুহ। একেবাৰে কংকেচী লীডৰ। মহা এমেলে উঠিছিল নহয়। তই যোৱাবাৰ ভোটৰ টায়েমত নেদেখিলিহি বা মহাৰ যে কি পৰতাপ। মাহী আৰু ৰণজনাও জীপ মটৰতহে ফুৰিছিল। পিছে মহা হাৰিলে। মহানন্দ দেদায়ে যোঁৰা লাঠি দি মহাক ঠেনডা কৰি পঠিয়ালে। দেদাই নাঙল পাৰটিৰ। আকৌ ছিপিয়েম নে কি এগালো হৈছে নহয় আমাৰ গাঁৱত। সেই গালৰ লীডৰ হ'ল মিনাই ভকতৰ পিতেক নগেন বোলাটো। ভোটৰ টায়েমত পিছে মাহেকীয়া এবাৰদিনীয়া বোৰ উঠি গৈছিল আহোম চুতীয়া কোঁচ-কলিতা ওলাইছিল। আহোম চুতীয়া থাকিল মহাৰ হাতত। কোঁচ-কলিতা আহিল দেদাইৰ লগত। আহোমে কোঁচে কটা কটিও এখন লাগিল।

মই আকৌ এবাৰ দেবেশ্বৰলৈ চালো। কটা কটি ? মই দেবেশ্বৰক ক'লো গাঁৱৰ কথা এৰ বাৰু। তোৰ কথা ক। বিয়া বাৰু। ল'ৰা ছোৱালী—।

দেবেশ্বৰে ক'লে বিয়া বাৰু ? হেৰ মই ফকীৰ। মোলৈ এইছোৱাৰ কোনেও ছোৱালী নিদিয়ে। আমি খেলৰ বাহিৰ, এখেলতো নাই। এটায়ে এৰি থৈছে। সিবাৰ গাঁৱৰে দুটামানে ভনীজনীৰ দেহটো চুলে। পাছত বৰ বুধিৰে তাইক বঙাজানলৈ দিলো। পিছে নীহ কুলত পৰিল। সেই বাবে গওঁৱাই আমাক এৰি দিলে। বাপেক মাকবোৰে জাত কুলবিচাৰিলে কি হ'ব ? পুতেক-জীয়েকবোৰৰ কাবোৰে পিছে জাত কুল নাই। গোমৰ ফাক মই চৰ জানো। কলিতা কুলৰ লোহিতৰ কাৰবাৰ চুতীয়াৰ ঘৰৰ পাভৰ লগত। এনেও আমাৰ গাঁৱৰ ল'ৰাৰ মূৰৰ বীজ শুচিল কি নুশুচিল—এজনী আনিলেই। আগতে গাঁৱৰ ছোৱালীবোৰক আমি বাই ভনী বুলি ভাবিছিলো আজি কালি নাভাবে। আজি কেইবছৰমানৰ পৰা আমাৰ গাঁৱৰ এজনীও ছোৱালী বাহিৰলৈ বিয়া দিব পৰা নাই, আটাইবোৰ গাঁৱৰ ল'ৰাই ৰাখি থৈছে।

এৰা সঁচাকৈয়ে আমাৰ গাঁৱৰ বৰ ডাঙৰ পৰিবৰ্ত্তন হৈছে। গাঁৱৰ ল'ৰাই গাঁৱৰ ছোৱালীক বাই-ভনী বুলি ভাবিব নোৱৰাতো বৰ লাজৰ কথা হৈছে।

আমি আগবাঢ়ি গৈ গাঁৱৰ মুৰ পালোগৈ। সেইখিনিতে সেইটো চাপৰি কুটুকানি হাবি। পিছে হাবিৰ মাজতে তামোল পুলি দুটামানেৰে ঘৰ এটা থকা যেন লাগিল। মই দেবেশ্বৰক সুধিলো 'চাপৰিটোলৈ কোন উঠি আহিল অ' ?

সি উত্তৰ দিলে কোন উঠি আহিব আৰু। সেইখন দীনদয়াল নামৰ দেচুৱালী এটাৰ দোকান। হ'ল হ'বলা পাঁচ ছবছৰমান দোকানখন খোলা। মহানন্দ দেদাইৰ ডাঙৰ পুতেক বিকোদৰ যে—তাৰ লগত ইয়াৰ চুলাইৰ কাৰবাৰ। দেখাতহে গেলামালৰ দোকান আচলতে এইখন চুলাইৰ মহলহে। গাঁৱত এতিয়া এনে এটা ল'ৰা নাই যি চুলাইত মুখ নিদিয়াকৈ আছে। চুলাই বেচি বেচিয়েই বিকোদৰে পকা ঘৰ ললে। আমি বোৰেহে দাঁত চেলাই থাকোঁতেই গ'ল। আমাৰ গাঁৱত হোৱাৰহে হৈছে নোহোৱাৰ নাই। হোৱা কেইঘৰে নোহোৱা কেইঘৰক কুকুৰ মেকুৰী বুলিও নাভাবে। দোকানত যে ধিমিকধামাক পোহৰ এটা দেখিছ আচলতে বিকোদৰহঁত এতিয়া জুৱাত বহি গৈছে। মদাৰতলি সত্ৰৰ বাপ গোসাঁইও আজিকালি ইয়াত জুৱা খেলিবলৈ আহে।

দেবেশ্বৰ ব'ল। তাৰ কথা শুনি মোৰ গা জ্বৰ ঘামে ঘামি আহিছে যেন। আমাৰ গাঁৱত দেচুৱালীৰ দোকান দোকানত চুলাই বিক্ৰি —জুৱাৰ আড্ডা! ভাবিব নোৱৰা কথা। মই দেবেশ্বৰক ক'লো — তহঁতে এইবোৰ বন্ধ কৰিব পৰা নাইনে? এইবোৰ বন্ধ কৰিবই লাগিব। মই মোৰ গাঁৱত চুলাই মহল থাকিবলৈ নিদিও জুৱাৰ আড্ডা বহিবলৈ নিদিও। কাইলৈ ৰাতিপুৱাই মই দেচুৱালীটোৰ মুখা মুখি হ'ম। তাক চিধা নকৰাকৈ নেৰিছোঁ। বিকোদৰৰো ভিকাচন মই ভাঙিম।

পাৰিবিনে? পাৰিলে হওঁতে ভালেই হয়। ইহঁত কেইটাই গাঁওখন নকৰিবৰ চকৰি কৰিছে।

আমি আমাৰ পদুলি পালোগৈ। — দাইটি ভাগি যোৱা স ল'ৰা আহিছে অ'। মই বাটতে পাই লৈ আহিছোঁ। চিঞৰ মাৰি কথাবাৰ কৈ দেবেশ্বৰে মোৰ পৰা বিদায় ললে। তাক পাছদিনা জকল লগ পোৱা কথা কৈ ময়ো আমাৰ চোতাল পালোহি। আজি কুৰি বছৰৰ মূৰত চোতালখনত ভৰি দি মোৰ ইমান ভাল লাগিছে! যেন মই নকৈ জনমিছো। মই লাহেকৈ মাত দিলো ব'টি অ' ব'টি। মই সৰু ল'ৰা আহিছোঁ। দুৱাৰখন মেল।

ব'টিহঁত ৰান্ধনী ঘৰৰ ফালে আছিল। ভতিজা কেইটাই (বোধহয়) খিকিন্দালি কৰি থকাত মোৰ মাতটো নুশুনিলে। পিতাই মাৰল ঘৰত শুই আছিল হবলা। পিতায়ে ব'টিহঁতক উদ্দেশ্য কৰি ক'লে— হয়নে হেৰৌ বাহিৰত কোনোবাই মতা যেন শুনিছিলো। এই মখাই অনবৰতে খিকিন্দালিখন কৰি থাকিব নহয়। শুনিছনে—

মই এইবাৰ পিতাইৰ প্ৰতি ক'লো —'পিতাই মইহে। মই সৰু ল'ৰা আহিছোঁ।

কুৰি বছৰৰ পাছতো পিতায়ে মোৰ মাতটো বুজি পোৱা যেন লাগিল। তেওঁ শুই থকাৰ পৰা ধহমহাই উঠাদি উঠি ক'লে —'কি সৰু ল'ৰা মুৰি আহিছ? হয়নে হেৰৌ, ওলাই চাহিচোন সৰু ল'ৰা আহিছে। ই ভাগি যোৱাটো। অস্ অস্ আজি ইমান দিনৰ মুৰত। ভাল কৰিলি বোপাই ভাল কৰিলি মই মৰাৰ আগতে তেও মুৰি আহিলি। হয়নে হেৰৌ এই মখা—

পিতাইৰ চিঞৰৰ কোবত ভিতৰৰ খিকিন্দালি বন্ধ হৈ গ'ল। সকচৰাই নবৌ ওলাই আহি দুৱাৰ মেলি দিলেহি। মোক দেখি ক'লে —'ইয়ে হয়তোন হবলা। দাড়ি থকা মানুহক ফত কৰে ধৰিবই নোৱাৰি নহয়।

মই ক'লো — হয় হয় বগৰি তলত গটামাৰি দিয়াটোৱেই হয়। ভয় খাব নালাগে।

সকচৰাই নবৌৱে লাজ কৰি দেখুৱালে। ব'টি ওলাই আহিল। ক লে— মই মাতটোহে চিনি পাইছোঁ। মানুহটো হ'লে চিনিব পৰা নাই। আকৌ পিতায়ে কোৱা শুনিলো — হয় অ হয়। মই মাতটোতে ধৰিছোঁ। তইঁতে পানী-দুনী যোগাৰ কৰ। ইমান দিনৰ মূৰত ল'ৰাটো ঘূৰি আহিছে। ভাল কৰিলি বোপাই বৰ ভাল কৰিলি।

ব টি আক নবৌৱে পানী-দুনী যোগাৰ কৰিবৰ বাবে ভিতৰলৈ গ'ল। ভতিজা কেইটাক বিস্কুটৰ পেকেটটো উলিয়াই দিলো। প্ৰথমতে চুচুক চামাক কৰি ডাঙৰমূৰীয়াটোৱে থাপ মাৰি নিয়াদি নি ভিতৰ সোমাই গ'ল।

দেবেশ্বৰে ব টিৰ কথা ঠিকেই কৈছিল। বিছ বছৰৰ আগতে এৰি থৈ যোৱা ব টিৰ সেই চেহেৰা আজি আক নাই। পিতাই বা কেনেকুৱা হ'ল ?

মাতটো শুনাত বৰ দুৰ্বল যেন লাগিছে। কিন্তু ব টি বা পিতাই ইমান বুঢ়া হ বৰ হ ল জানো ?

লাখুটিত ভৰ দি দি পিতাই ওলাই আহিল।

পিতাইক দেখি মই উচপ খাই উঠিব লগা হ'ল। আগৰ সেই থুলন্তৰ চেহেৰাটোৰ ঠাইত কংকালপ্ৰায় পিতাইৰ গাটোলৈ মই দ্বিতীয়বাৰ চোৱাৰ সাহস গোটাব নোৱাৰিলো। মই তলমূৰ কৰিয়েই ক'লো — পিতাইৰ কিবা টান অসুখ হৈছিল নে কি ?

পিতায়ে প্ৰথমতে কাহ কেইটামান মাৰি খঅক থু' কৰে বেৰখনৰ চুকটোলৈ খেকাৰ খিনি পেলাই দি ক লে — মুঠতে মৰিলোহেঁতেনেই। উদফাই হ'ল। কথা পাতিব নোৱাৰোঁ। চৰকাৰী আচপেতালত দেখুৱাইছিলো — বোলে বুঢ়া হৈছা ভাল-ভাল বস্তু খাবা। ভাল-ভাল বস্তু এতিয়া খাওঁ ক'ৰ পৰা ? হাতত কুটা কৰি এটা নাই। খাওঁতা বেছি হ ল। খেতিৰ ভাতে ছমাহ যায় কি নাযায়। আজিকালি এসাজ খাই এসাজ লঘোণ দিব লাগে। কচু-পচলাই যি জানিছে। ককায়েৰক দেখিছি নহয়, যেনেকুৱাটোহে হ'ল। পিছে মই বেছি পৰ বহি থাকিব নোৱাৰো। তোৰ মুখখন চাবলৈহে উঠি আহিলো। ঘূৰি আহি বৰ আনন্দ দিলিহি। মই মৰিলি বুলিয়েই এৰিছিলো। তই বহ খোৱা লোৱা কৰ। খাবি নো কি লবি নো কি।

কৈ কৈ পিতাই ভিতৰলৈ গ'ল। মই বৰ জাৰ-জাৰ অনুভৱ কৰিলো। ভৰিৰ তলৰ পৃথিৱীখন থক-থক কৰে কঁপি উঠিছে যেন। দৰিদ্ৰৰূপী বাকসটোৱে আমাৰ ঘৰখন এনেদৰে গিলি আনিছে বুলি মই ভাবিবই পৰা নাছিলো। মই তেনেদৰে গুচি গৈ বৰ অন্যায় কৰিলো। মই থকা হ'লে ঘৰখন নিশ্চয় এনে হ'বলৈ নিদিলোহেঁতেন। চ'ৰা ঘৰটোৰ ছালে বেৰে চাবলৈ ধৰিলো। ঘৰটো উৰুলি গৈছে। ছাল দুখন মূধৰ মাৰলিৰ পৰা এমুঠনমান খহি পৰিছে। বেৰ কেইখনো তলগড়ৰ ওপৰত নাই। বেৰবোৰেদি

কুকুৰ মেকুৰী অনায়াসে অহা যোৱা কৰিব পাৰে। দুৱাৰখনৰো কৰা খবুৰা নাই। মই বহি থকা চকীখন বোধকৰোঁ নাশৌৰে যৌতুকত অনা তাৰো নাল এডাল নাই।

নবৌৱে চাহ একাপ লৈ আহিল। মই সুধিলো ককাই কেনি গ'ল?

তেওঁ ক'লে 'সন্ধিয়াতে নামঘৰলৈ গ'ল। এই কেইদিনত ন নামঘৰত থেপেনা থাপিব লাগে। তাৰে ৰেবা দিহা মেল কৰিছে। গাঁও আৰু দহে নাই নহয় ফাটি চিটি থকা ঘৰে পাত নামঘৰ যোৱাদি হৈছে।

কি সকচবাই নবৌ ভিতৰলৈ গ'ল। মই ৰৈ দিয়া প্ৰথম চাহটোপা খালো।

হয়তো সকলো ভাত দিছে নহয়। কিছু সময়ৰ পাছত বৌটিয়ে ভিতৰৰ পৰা মাত দিলে। গাঁওখনৰ কথা শুনি ঘৰখনৰ অবস্থা দেখি মোৰ পেটৰ ভোক পেটতে নোহোৱা হৈছিল। তথাপি পানী এঘটিৰে মুখহাত ধুই বৌটিৰ কথামতে ৰাখিবৰ বাবেই মজিয়ালৈ গলো। ভাতৰ পাতত বহিলো ককাইদেউৰ বাহিৰে ইবোৰৰ খোৱা হৈ গৈছে।

ভ ত তাকাৰেই হয়নে কি জানো। ককাযেৰলৈও সিমান কেইটাহে আছে ভোক থাকিলেও আজিলৈ সাহাব আৰু। বৌটিয়ে আহত কৰ্বৈৰে ব লে। হ ব দে। ক ৰবালৈ গ লে বা কঁৰবাৰ পৰা আহিলে মোৰ পেটত সমূলি ভোক নোহোৱা হয়। বৌটিৰ মনত বেজাৰ নালাগক বুলি ক'লো। কৈয়ে মই খোৱা আৰম্ভ কৰিলো। চচঙা চচ সোৱাদ নাইকিয়া ভাত। অব ল কচুৰে ৰন্ধা আঞ্জা। কাঁহীৰ দাতিত নিমখ এজেবা। আৰু একো নাই। মোৰ হুকহুককৈ কান্দি দিবলৈ মন গ'ল।

মাৰল ঘৰৰ শেষৰ কোঠাত আমাৰ ভাতৰ মজিয়াখন। খাই থাকোঁতে মই মাৰল ঘৰটোৰ ইফালে সিফালে চালো। মাৰল ঘৰটোও বিশৃংখল। কিবা আঁহিয়া বাঁহিয়া গোন্ধ। নবৌইতে বোধ কৰো ঘৰ দুৱাৰৰ প্ৰতি চকু দিবলৈ এৰি দিছে। এৰা যাৰ জীৱন ৰসেই নোহোৱা হৈ আহিছে তেওঁ এইবোৰ ঘৰ দুৱাৰৰ প্ৰতি চকু দি কি হ ব।

মোৰ দেবেশ্বৰৰ কথাবোৰলৈ মনত পৰিল। গাঁওখন ভাল কৰিবই লাগিব। তিনিটা নামঘৰৰ ঠাইত এটা নামঘৰতে ৰাইজখন বহিব পৰা কৰিবই লাগিব। গাঁৱৰ বৰপুখুৰীটোৰ পাৰত আকৌ আমি ভেলাঘৰ সাজিম মেজি জ্বলাই একেলগে ৰ ৰহইচ কৰিম। গাঁৱৰ পৰা চুলাইৰ বেপাৰ জ ুৱাৰ আড্ডা দুৰ কৰিম। মদৰ নাম শুনিলেই তাহানি পিতায়ে থু থুৱাই উঠে সেই বাপেকৰ পুতেক হৈ মই গাঁৱৰ পৰা মদৰ ঘাটি উঠাবলৈ আগ নাবাঢ়িম কিয়? দীনদয়াল আৰু বিকোদৰক মই চাম। ঘৰখনো মই ন কৈ গঢ়িম।

মই আকৌ আমাৰ মাৰল ঘৰটোকে এবাৰ চালো। ঘৰটোৰ সিফালে সেইখন ঢেঁকী চালি। ঢেঁকী চালিলৈ মজিযাৰ পোনে পোনে দুৱাৰখন। দুৱাৰখনেদি চাই ঢেঁকী নেজৰ পিনে ক'লা ক'লা কেৰাছিনৰ টিন কেইটামান দেখিলো। টিন কেইটাৰ ওচৰত জ ুই ধৰাৰ চিন। তাতে পৰি আছে এক মিটাৰমান প্লাষ্টিকৰ পাইপ। সিফালে ভেঁকুৰি থকা দুটা ডাঙৰ কলহ। বস্তুবোৰ দেখি মই ব'টিক সুধিলো বটি ঢেঁকীশালখন ইমান জ জ কৰি থৈছ কিয়? সৌবোৰ কিহৰ টিন কিহৰ কলহ?

ব'টিয়ে ক লে এহ্ নকৰি আৰু! নকৰিলে নহৈছে। সেয়ে বোলো আটায়ে কৰিছে যেতিয়া কৰ। আমি কৰিলেনো কি মহাভাৰচতখন অশুদ্ধ হ'ব?

— জানো পাই কি মহাভাৰত অশুদ্ধ হোৱা কথা কৈছ মই হলে বুজা নাই। মই ক'লো। বটিয়ে নামাতিলে। উত্তৰটো সিফালৰ পৰা পিতায়ে দিলে — মুখত নকৰিব লগা কাম কৰিব লগা হ'ল অ' বোপাই। কলহত সেইবোৰ গুৰ গোলাই থৈছে। ইখন চুলাহৰ শাল। সেইবোৰ দুবটাল ঘোঁৰ বন্ধায়ে ৰ ঘৰৰ মন চপাই আছে মুখতে

—চুনা শাল? ক ব । বৰাকৈয়ে মেৰ মাত্ৰা ভাঙৰ লৈ গুলাল। বহি থকা পাজিপাখন যন ৰেৰ কৰে লগা উ । ল যি জন পিতায়ে মদ বুলি ল লি জ্ঞাপ মাৰি থু থু হৈ উঠিছিল যি জ । তায়ে মদ খোৱা বুলিলে এন পু তকৰ মুখ খোৱা বুলি কৈছি ।—সেইজন পিতাইৰ পাঁবিত কাপতে লেওঁৰ ঘৰৰ মদৰ দোবা । চুপাইৰ পান চোপাই এটা লগা সইটা টেটুবেদি চৌচৰা যাই কোনো মনে হৈ পাৰ হৈ । ল। মই পিতাতে মুখখন খুই মজিয়া এৰিলো।

— কি কৰিবি অ' বাপাই অভাৱে সভাব খালে।

পিতায়ে বান্দোনৰ সুৰত ক'লে। পাহিৰলৈ বুলাই আহি মই নীৰৱে কৰি থোৱা গাৰী পাটিখন দীঘল হৈ পৰি ল'লো। মূৰৰ গাৰে কাপোৰখন তুলি ল'লো।

১।১২।৮২

ভয়

ইন্দ্ৰকান্ত কাকী

গৰ্ভৱতী তিৰোতা দেখিলেই ভয়তে মোৰ হাত ভৰি পেটত লুকাব খোজে। এনে ভাব হয় যেন সেই স্ফীত গৰ্ভাশয়ৰ ভিতৰত ক্ৰমবৰ্ধমান ভ্ৰূণৰ পৰিবৰ্তে একো-একোটা পাৰমাণবিক বোমাহে তৈয়াৰ হৈ আছে আৰু এই মাত্ৰ মোৰ ওচৰতে গুৰুমকৈ ফুটিব। সঁচাকৈয়ে বৰ আচহুৱা অনুভূতি। নিজেই আচৰিত হওঁ। কেতিয়াৰ পৰা গৰ্ভৱতী তিৰোতালৈ ভয় কৰিবলৈ ললো এতিয়া ঠিক ঠিক মোৰ মনত নপৰে। কিন্তু এই ভয়ৰ জন্ম যে হঠাতে হোৱা নাই এইটো ধুৰুপ। হয়তো ভ্ৰূণৰ দৰে ক্ৰমবৰ্ধমানভাৱে এই ভয় মোৰ মনত বাঢ়িছিল।

আচলতে এই ভয় মোৰ ব্যক্তিগত নহয়। কাৰণ মোৰ লিং গ স্ত্ৰী নহয় কাজেই মোৰ গৰ্ভৱান হোৱাৰ কোনো সম্ভাৱনাই নাই। আনহাতে মই অবিবাহিত গতিকে ভয় খোৱাৰ প্ৰশ্নই উঠিব নালাগিছিল। তথাপি—গৰ্ভৱতী তিৰোতা মোৰ বাবে ক্ৰমান্বয়ে ভয়ৰ বিষয় হৈ পৰিছে। বাতৰি কাকত আলোচনী কিম্বা অনাতাঁৰ কেন্দ্ৰই যেতিয়া জনস খ্যা স্ফীতিৰ বাতৰি প্ৰচাৰ কৰে তেতিয়া মোৰ কাণ দুখন ভয়াতুৰ হৰিণাৰ কাণৰ দৰে থিয় হৈ পৰে। এই জনসংখ্যা স্ফীতিত নিশ্চয় গৰ্ভৱতী তিৰোতাৰ হাত আছে। আন কথাত তেওঁলোক জনসংখ্যা স্ফীতিৰ প্ৰত্যক্ষ কাৰণ। কিন্তু এই জনসংখ্যা বৃদ্ধিৰ লগততো মোৰ সামান্যতমো সম্বন্ধ নাই। আগতেই স্বীকাৰ কৰিছোঁ যে মই অবিবাহিত লোক। মোৰ দ্বাৰা অচিৰে জনসংখ্যা বৃদ্ধি হোৱাৰ সম্ভাৱনা বৰ কম। তথাপি মই ভয়াক্ৰান্ত আৰু এই ভয়ৰ একমাত্ৰ কাৰণ বাটে পথে য তে ত'তে দেখা গৰ্ভৱতী তিৰোতা।

এই যে খন্তেক সময়ৰ আগতে মোৰ চকুৰ আগেদি এজনী গৰ্ভৱতী তিৰোতা পাৰ হৈ গ ল সামান্য হেলনীয়াকৈ কিমান ৰূঢ় আছিল তাইৰ মুখাকৃতি ? হালধীৰ দৰে পীত। ৰক্তকণাৰ কোনো চিন-স্বাবেই নাই। হাত ভৰি বুকু সকলো শুকাই গৈছে। চকু দুটাও বহু দিন ভাত নখোৱা বাচনৰ দৰে শূন্য। তাইক মই ভালদৰে চিনি পাওঁ। একেখন গাঁৱৰে বাসিন্দা যেতিয়া চিনি নোপোৱাৰ কোনো কাৰণ নাই। ছবছৰ মান আগতে তাইৰ বিয়া হৈছিল। বিয়া মানে—সেই হাজিৰা কৰা ক লা মানুহটোৱে গাঁৱৰ ৰাইজক এটকা পঁচিছ পইচা আৰু দুটামান ফুলেৰে সেৱা কৰি লৈ গৈছিল। তেতিয়া তাইৰ ঘৰুৱা অৱস্থা যেনেকুৱাই নহওক কিয় দৈহিক অৱস্থা হ'লে বেচ টনকিয়াল আছিল। বিয়া হোৱাৰ পাছত দুয়ো কাম বন কৰি ফুৰিছিল গাঁৱত। আগৰ দৰেই সিহঁতে আজিও পেট প্ৰবৰ্তন কৰিছে। কিন্তু পাৰ্থক্য আছে। সেই বিয়া হোৱাৰ এবছৰ পাছৰ পৰা তাই আজিলৈকে পঞ্চমবাৰৰ বাবে গৰ্ভৱতী হৈছে। অৰ্থাৎ এই

তিৰোতাজনীয়ে পাঁচ চাৰিটাকৈ প্ৰাণী ইতিমধ্যে জোৰ জ়ুলুমকৈ জাপি দিছে পৃথিৱীৰ ওপৰত।

তাইৰ মতাটো মোৰ ঘৰলৈও মাজে সময়ে হাজিৰা কৰিবলৈ আহিছিল। তামোল বাৰী চাফা কৰা জেওৰা দিয়া —টুকটাক কাম। মানুহটো পাঁচ বছৰ আগতে দানবৰ দৰে মহাবলী আছিল। বৰ কামিলা মানুহ। এবাৰ কামত ধৰিলেই ভাগৰ জোগৰ সকলো পাহৰি যায। কিন্তু আজি? ক্ষয় ৰোগত ভুগিছে। কামৰ কথা বাদ দিয়ক উশাহ নিশাহ লবলৈও গাত শকতি নাই তাৰ। এনেকুৱা অৱস্থাত তাৰ তিৰোতাজনী পঞ্চমবাৰৰ বাবে গৰ্ভৱতী হৈছে। গৰ্ভৱতী হোৱাৰোতো মানে থাকিব লাগে। এনেকুৱা বিপদজনক সময়তো যদি তাই আনৰ ঘৰত ধান বানিব লাগে খাঁহ কাটিব লাগে চুৱা বাচন মাজিব লাগে তেনেহ'লে গৰ্ভৱতী হোৱাৰ মূল্য থাকিল ক ত? এইখন দেশতো ছোভিয়েট ৰুছিয়া নহয় যে অধিক সন্তান উৎপাদন কৰা তিৰোতাক বীৰা গনা মাতৃ বুলি বঁটা প্ৰদান কৰা হয়।

সেইদিনা হঠাতে চোতালত মাত শুনিলো মালিক ধান বানিব লগীয়া আছে নেকি?

কোন অ? মই ভিতৰৰ পৰা মাত দিলো।

মই।

চিনি নাপালো। ওলাই আহি দেখোঁ যে তাই মাজ চোতালত থিয় দি আছে। পোনতে মোৰ চকু তাইৰ স্ফীত দেহা শতে পৰিল। চমকি উঠিলো। আচৰিত হৈ সুধিলো তই মানে তই ঢেঁকী দিব পাৰিবি জানো?

পাৰিম কিয় নোৱাৰিম। গাঁৱত সদায় দিয়েই আছোঁ।

আচলতে তাই ঢেঁকী দিবলৈ পোৱাটোৰ এটা কাৰণ আছে। ওচৰত থকা ধানকলটো বন্ধ হোৱা কেইবামাহো হৈছে। মালিকে বিজুলীৰ বিল দিব পৰা নাই বাবে ধান কল নিস্তব্ধ হৈছে আৰু গাঁৱত পুনৰ ঢেঁকীৰ মাত ওলাবলৈ ধৰিছে।

মই অইন পিনে চাই ক লো পাৰিবি যদি বানি দে।

তাই এইবাৰ পাগঘৰৰ বাৰান্দাত উঠিল। পাগঘৰত মোৰ সৰু ভনীজনীয়ে ভাত ৰান্ধি আছিল। তাই ওলাই আহিল। দুয়ো ইহ পৰ সকলো পাহৰি কথা পতাত নিমগ্ন হ ল। মই ইটো ঘৰৰ পৰা চোৰাংচোৱাভাৱে তাহাঁতৰ কথা বতৰা শুনি আছিলো। অনেক কথা। থূলমূলকৈ তাইৰ মতাটো হেনো টান নৰিয়াত পৰিছে সি কাম-বন মুঠেই কৰিব নোৱাৰে। ল'ৰা ছোৱালী চাৰিটা খাবলৈ পিন্ধিবলৈ নাপাই দিনকদিনে শুকাই খীণাই গৈছে। মতাটোৱে বোলে তাইক তই ৰাক্ষসীয়ে মোক কেঁচাই কেঁচাই খালি বুলি সদায় গালি পাৰি থাকে। তাইৰ হেনো ফাঁচী লাগি মৰিবলৈ বৰ মন যায়। আদি আদি

হু। খণ্ডতে মোৰ মূৰটো গৰম হৈ গ'ল। বছৰে-বছৰে গৰ্ভৱতী হোৱাৰ সময়ত এইবোৰ কথা কিয় নাভাবিলি? এতিয়া হায়ে বিয়ে কৰি একো লাভ নাই। মৰি থাক। এইখন দেশত তহঁতক উদ্ধাৰ কৰোঁতা কোনো নাই। বাৰু বুজিলো—তই গাঁৱৰ আঁকৰী তিৰোতা। কিন্তু তোৰ মতাটোতো সিমান অঁকৰা নাছিল। হাটে বজাৰে ফুৰি পোৱা

মানুহ। দেৱালে ঘৰে লিখা সেই কথাবোৰ সেই ৰঙা ত্ৰিভুজটো ত্ৰিভুজটোৰ কাষতে থকা দুটা অকণ অকণিৰ ছবিখনতো সি দেখিব লাগিছিল। গোটেই সংসাৰখনতে পৰিয়াল পৰিকল্পনাৰ ইমান ডাঙৰ যে হুলস্থূল অহৰহ হৈ আছে কমছে কম সেইটোতো শুনিব লাগিছিল। অকণো বিবেক বুদ্ধি নাই নে? তহঁতে জানিব লাগে যে আমাৰ চৰকাৰী ডাক্তৰ কিম্বা নাৰ্ছসকল তহঁতৰ ঘৰে ঘৰে কাহানিও ফুৰিবলৈ নাহে। তেওঁলোকৰ অলপ মান সন্মান নাই নেকি?

আজিকালি হোজাতকৈ হোজা মানুহেও জেনেভাত হোৱা সুদীৰ্ঘ শান্তিবাৰ্তাৰ ভু লয় মহাকাশলৈ কিমান উপগ্ৰহ উৎক্ষেপণ কৰা হৈছে তাৰো বাতৰি ৰাখে। নাৰাখিলেও ৰাতি আকাশলৈ চাই চলন্ত তৰা দেখি এইটো আমেৰিকা এইটো ৰাছিয়াই পঠোৱা তৰা বুলি কত তৰ্ক বিতৰ্ক আলোচনা বিলোচনা কৰে।

গৰীব দুখীয়া হৈছ বুলি এইদৰে এটাৰ পাছত এটা সন্তান ভূমিষ্ঠ কৰাৰ কোনো অৰ্থ নাই। ধনী লোকৰো তিৰোতা গৰ্ভৱতী হয়। তেনেকুৱা তিৰোতা গৰ্ভৱতী হোৱাৰ বৰ ডাঙৰ মূল্য আছে বোপাই। তেওঁলোকে জনস খ্যা বৃদ্ধি নকৰে বৰঞ্চ পৃথিৱীৰ সৌষ্ঠৱহে বঢ়ায়।

আচলতে এই জাতীয় তিৰোতা গৰ্ভৱতী হোৱা কোনেও তৎ ধৰিব নোৱাৰে। মোৰ দৰে সূক্ষ্ম বুদ্ধি থকা লোকৰো মতিভ্ৰম ঘটিছে এই ক্ষেত্ৰত। আমাৰ গাঁৱৰ ঠিকাদাৰৰ কথাকে কওঁ। বিয়া হোৱা তিনি বছৰেই হ ল। ঠিকাদাৰজন মোৰ কানসমনীয়া বন্ধু। নক লেও হ ব যে বন্ধুজনৰ পত্নী আধুনিকা। তিনি বছৰৰ পাছত হঠাতে শুনিলো তেওঁৰ ঘৰত পুত্ৰ সন্তানৰ প্ৰাদুৰ্ভাব ঘটিছে। অথচ মই কোনো দিনেই তেওঁৰ ঘৈণীয়েকক গৰ্ভৱতী হোৱা দেখা নাছিলো। আচৰিত ঘটনা।

কিন্তু এই তিৰোতাজনী কিমান নিলাজ। তাই গৰ্ভৱতী হোৱা কথাটো বাটে পথে গাঁৱে ভুঁয়ে নিজেই সদৰি কৰি ফুৰিছে। এইটো যেন কোনোবা নতুন নাগাছাকিত পেলাবলৈ স্থিৰ কৰা পাৰমাণৱিক বোমাৰহে প্ৰতিবন্ধকহীন প্ৰদৰ্শন। তাই জন্ম দিবলৈ যোৱা পঞ্চমটি শিশুৱে ইউৰোপত হৈ থকা শান্তি প্ৰদৰ্শনত ভাগ লবলৈ যাব। নাই সি কোনো ধৰণৰ শোভা যাত্ৰাত ওলাব নোৱাৰিব। বৰঞ্চ দাঁত দুটামান গজাৰ লগে লগে হাতত ডালডাৰ পুৰণি টেমা লৈ এক সুদীৰ্ঘ যাত্ৰাত ওলাব আৰু এদিন সেই টেমাটোৰ ধ্বংসাৱশেষৰ ভিতৰতেই তাৰ নিৰ্মম যাত্ৰাৰ যতি পৰিব। কি লাভ হ'ল? তাৰ লাভ হ ল কি? এই গৰ্ভৱতী তিৰোতাজনীৰ উপলব্ধি কিমান? এই স্ফীতিৰ জানো সামান্যতম মূল্য আছে? বৰ ভয়ংকৰ! তাই এইদৰে গৰ্ভৱতী হ ব নালাগিছিল। তাই বুজিব লাগিছিল যে এই দৰে বাৰে বাৰে গৰ্ভৱতী হোৱাটো বিশ্বৰ বাবে কিমান জঘন্যতম অপৰাধ! কিমান জটিল সমস্যা!

গাঁৱৰ সিফালৰ পৰা উভতি আহক তাই। আজি ভালদৰে বুজাই দিম যে তাই গৰ্ভৱতী হোৱাটো মোৰ বাবে কিমান বেদনাদায়ক আৰু ত্ৰাসৰ কথা। গোটেই বিশ্বৰ বাবে কিমান ক্ষতিকাৰক কথা! আজি তাইক ভালকৈ শিকনি এটা দিমেই। নাই, মই আৰু সহ্য কৰিব নোৱাৰো। নিজৰ আঁঠুৱা চাই ভৰি মেলিব জানিব লাগে। মই কম — সকলো কম। লাজ চৰম কৰাৰ কোনো কাৰণ নাই। তাই যদি স্ফীত পেট

দুনিয়া সংসাৰক দেখুৱাই নিৰ্বিঘ্নে ফুৰিব পাৰে মই সেই কণ কথা মুখেৰে কব নোৱাৰিম ? নিশ্চয় পাৰিম। তাই বাৰে বাৰে গৰ্ভৱতী হৈ মোক ভয় খুৱাব আৰু মই মনে মনে হাত ভৰি কোঁচাই চকু মুদি বহি থাকিম ? এইটো হ'ব নোৱাৰে। কেতিয়াও নোৱাৰে। আজি মই গোটেই দিনটো বাটৰ দাঁতিতে খোপনি পুতি বহি থাকিম। তাই যি কোনো মুহূৰ্তত ঘূৰি আহিব পাৰে। কথাটো আজিয়েই কব লাগিব। নিশ্চয় মোৰ বহুত পলম হৈ গ'ল। পাঁচ বছৰ আগতেই তাইক জনাই দিব লাগিছিল—খবৰদাৰ গৰ্ভৱতী হ'বলৈ চেষ্টা নকৰিবি। কিন্তু তেতিয়া এইবোৰ কথা মোৰ মাথাত সোমোৱা নাছিল। হয়তো তেতিয়া গৰ্ভৱতী তিৰোতা মই ভালদৰে দেখাই নাছিলোঁ। দেখিলেও গুৰুত্ব দিয়া নাছিলোঁ। সেই সময়ত গৰ্ভৱতী তিৰোতা মোৰ বাবে ভয়ৰ কাৰণ নাছিল বৰঞ্চ তেনেকুৱা তিৰোতা দেখিলে মুখ টিপি হাঁহি মাৰিছিলোঁ। তাচ্ছিল্যৰ হাঁহি। তেতিয়া তেনেকুৱা ঘটনা আমোদজনক আছিল মোৰ বাবে।

কিন্তু এতিয়া এনেকুৱা দৃশ্য মোৰ বাবে সন্ত্ৰাসৰ কাৰক হৈ পৰিছে। এহখন গাঁৱত দিনক-দিনে গৰ্ভৱতী তিৰোতাৰ সংখ্যা বাঢ়ি যাব ধৰিছে। দৈনিক এজনী নহয় এজনী গৰ্ভৱতী তিৰোতা মোৰ চকুত ধৰা পৰে। মই স্তব্ধ হৈ যাওঁ। অৱশ্যে ঠিকাদাৰ বন্ধুৰ তিৰোতাজনী এই হিচাপৰ ভিতৰত নপৰে।

মোৰ ভয়ৰ আচল কাৰণ হ'ল এই ধান বনা পাঁচ বাৰলৈ গৰ্ভৱতী হোৱা তিৰোতাজনী হে। তাইৰ মতাটো যদি কেনেবাকৈ সুস্থ হৈ উঠে তেনেহ'লে তাই আকৌ গৰ্ভৱতী হোৱাৰ শতকৰা নব্বৈ ভাগ সম্ভাৱনা আছে। গতিকে তাইক আজিয়েই মই বুজাই দিম। মই এইদৰে বাৰে বাৰে সন্ত্ৰাসত ডুব গৈ জীয়াই থাকিব নোখোজোঁ। তাই আজি বুজিবই লাগিব—তাই বাৰে বাৰে গৰ্ভৱতী হোৱাটো মোৰ পক্ষে কিমান ঘাতক ঘটনা।

সৌৱা সেই গৰ্ভৱতী তিৰোতাজনী উভতিছে। তাইৰ স্ফীত পেটটো দূৰৰে পৰা মনিব পৰা যায়। এই কেইদিনৰ ভিতৰতে হয়তো আৰু বাঢ়িছে। ইয়াৰ ফলতে তাই আগতকৈও আৰু হেলনীয়া হৈ আৰু মন্থৰ গতিত খোজ কাঢ়িব লগীয়াত পৰিছে। তাইৰ মূৰৰ ওপৰত সৰু টোপোলা এটা আছে। নিশ্চয় তাই কাৰোবাৰ ঘৰত ধান বানি দুটামান খুদকণ বুটলি আনিছে। তাৰমানে ধানকল এতিয়াও নিষ্ক্ৰিয়।

ক্ৰমান্বয়ে তাই মোৰ ওচৰ চাপিছে। তাইৰ স্ফীত পেটটো আৰু স্পষ্ট হৈ পৰিছে। পেটটো ডাঙৰ বহল গোলাকৃতিৰ। ক্ৰমান্বয়ে তাই মোৰ পিনেই আহিছে। মই এক আচৰিত অবুজ উত্তেজনা শিৰাই শিৰাই অনুভৱ কৰিছোঁ। তাইৰ পেটটো ইমান দ্ৰুতগতিৰে ঘূৰণীয়াকৈ বাঢ়ি গৈছে যে সেই স্ফীতিৰ আঁৰত সিফালৰ সম্পূৰ্ণ দৃশ্য লুপ্ত হৈ গৈছে।

তাই মোৰ সমুখাসমুখি হোৱাৰ লগে লগে মই কম্পিত কণ্ঠে সৰ্বশক্তিৰে চিঞৰি উঠিলো এইটো এইটো

কিন্তু তাই মোৰ চিঞৰলৈ কণমানো ভ্ৰূক্ষেপ নকৰি সাউৎকৰে পাৰ হৈ গ'ল। মই বজ্ৰ পৰা মানুহৰ দৰে ৰ লাগি চাই ৰ'লো। এতিয়া মোৰ বিস্ফোৰিত চকু দুটা তাইৰ

মূৰৰ ওপৰত থকা সক টোপোলাটোৰ ওপৰত। এই টোপোলাটো তাইৰ স্ফীত পেটতকৈ লক্ষ গুণে ক্ষুদ্ৰাকাৰ।

চাওঁতে চাওঁতে তাই লাখ লাখ ভোকাতুৰ আৰু উলংগ শিশুবোৰৰ মাজত হেৰাই গ'ল। মই দীঘল উশাহ টানি লৰচৰ কৰিলো। চিন্তিত অৱস্থাত তলমূৰ কৰি নিজ কোঠালিলৈ খোজ দিলো।

পাঁচ বাৰলৈ গৰ্ভৱতী হোৱা তিৰোতাজনী কগ্ন মতাটোক লৈ নিচিন্তে জীয়াই আছে যেতিয়া মই অকাৰণতে ভয় খোৱা নিষ্প্ৰয়োজন।

১।৩।৮৪

কর্নেল এন্থনিৰ এপিটাফ

প্ৰশান্ত ৰাজগুৰু

কর্নেল এন্হনি।

এই মানুহজন সঁচাকৈয়ে কর্নেল আছিলনে নাই সেইটো কাৰো জ্ঞাত নহয়। কিন্তু তেওঁ সেনাবাহিনীত থকাটো নিশ্চিত আৰু উচ্চ পদবীত থকাটোও সমানে সত্য। চহৰৰ যিসকল মানুহে কর্নেল এন্হনিক চিনি পায় তেওঁলোকে দূৰৰ পৰা অহা আলহীক ফুৰাবলৈ আনিলে বাটত কর্নেলক দেখুৱাই সোধে সৌ মানুহজনৰ বাৰু বয়স কিমান হৈছে? আলহীৰ পক্ষে হঠাৎ দেখা মানুহ এজনৰ বয়স নিৰূপণ কৰাটো সহজসাধ্য নহয়। তেতিয়া গৃহস্থই গৌৰৱ কৰি কয় বাসত্তৰ। কোনোবাই দেখিলে ক'বনে এই মানুহজনৰ বয়স বাসত্তৰ বুলি? দেখিছে কি সুন্দৰ চেহেৰা!

কর্নেলৰ চেহেৰাটোতকৈও তেওঁৰ পৰিপাটি নিত্য নতুন সাজ পোছাকে মানুহজনক আৰু দেখনিয়াৰ কৰি তোলে আৰু প্ৰত্যেকদিনেই তেওঁ হৈ পৰে এক নতুন আকৰ্ষণ। প্ৰচণ্ড গৰমেও তেওঁৰ ডিঙিটো টাই ডালৰ কঠিন বান্ধোনৰ পৰা মুক্ত কৰিব নোৱাৰে। মুঠৰ ওপৰত সুন্দৰ একোছা গোঁফসহ কর্নেল এন্হনি বয়সে বুঢ়া কৰিব নোৱৰা এজন সুন্দৰ গঠনৰ পৰিষ্কাৰ পৰিচ্ছন্ন ব্যক্তি।

কিন্তু কর্নেল এন্হনিৰ পৰিচয় কেৱল ইমানেই নহয়। যিসকলে কর্নেলক ভালদৰে জানে তেওঁলোকে কর্নেলৰ এই পৰিচয়তে সন্তুষ্ট নহ'ব। কর্নেল এন্হনিয়েই মই দেখা একমাত্ৰ অৱসৰপ্ৰাপ্ত সৈনিক যি আজিলৈকে কোনোদিনেই দ্বিতীয় বিশ্বযুদ্ধত নিজৰ সাহসী যুঁজৰ বৰ্ণনা দি যুদ্ধোত্তৰ যুগৰ আজৰি সময়বোৰৰ অপব্যৱহাৰ কৰা নাই। মুঠৰ ওপৰত কর্নেলৰ মুখত মই আজিলৈকে বিশ্বযুদ্ধহে নালাগে তেওঁনো বিশ্বযুদ্ধৰ সময়ত কোন ঠাইত আছিল সেইটোও শুনা নাই। কিন্তু তেওঁ সেই সময়ত সৈন্যবাহিনীত থকাটো নিশ্চিত।

এন্হনিৰ পৰিচয় এতিয়াও অসম্পূৰ্ণ। এন্হনিৰ চৰিত্ৰৰ বাহ্যিক দিশটোৰ মাত্ৰ পঁচিছ শতাংশহে প্ৰস্ফুটিত হৈছে। বাকী পয়সত্তৰ শতাংশক ঢাকি ৰাখিছে 'শৃংখলা' অথবা এন্হনিৰ নিজৰ ভাষাত 'ডিছিপ্লিন' শব্দটোৱে। এই শব্দটো আৰু বস্তুটো অৱসৰ লোৱাৰ পাছতো তেওঁৰ লগত লাগি আছিল। তেওঁৰ দৃঢ় ধাৰণা যে তেওঁ এজন সাধাৰণ ছিভিলিয়ান নহয়। সেয়ে অৱসৰৰ পাছৰ সময়ছোৱাত তেওঁ শৃংখলাবদ্ধভাৱে চলিবলৈ চেষ্টা কৰিছিল। ঘৰখনৰ সকলোৱে কর্নেলক বাঘৰ দৰে ভয় কৰিছিল। তেওঁ এইদৰে ভয় কৰাটো ভাল পাইছিল আৰু মুখ টিপি কোনেও নেদেখাকৈ হাঁহিছিল। হাঁহিছিল —ফূৰ্তিত নহয় আত্ম সন্তুষ্টিত। মনতে ভাবিছিল— চোৱা কেনে শৃংখলা মোৰ ঘৰখনত! তেওঁ চুবুৰীটোৰ সমস্ত কাম কাজবোৰো শৃংখলাবদ্ধভাৱে

হোৱাটো বাঞ্ছা কৰিছিল। (কিন্তু তেওঁ ভবামতে কামবোৰ নহৈছিল।) নাতিহঁতে ঠেহ পেচ লাগিলে জোৰে জোৰে কান্দে আৰু কৰ্নেলে এনেকৈ জোৰে কন্দা শুনিলে কোবাবুবিকৈ গোটেই ঘৰ সোমাই চকু ডাঙৰ কৰি চিঞৰি উঠে — এই ডিছিপ্লিন। তৎক্ষণাত নাতিৰ কান্দোন উচুপনিলৈ পৰিবৰ্তিত হৈছিল। কোনো শৃংখলা।

কৰ্নেলৰ পত্নী ক'ৰবালৈ ওলাই যাওঁ বুলিলে যাব নোৱাৰে। যোৱাৰ আগদিনা পত্নীয়ে এখন টাইম টেবুল দাখিল কৰিব লাগিব। কওঁ কিমান সময়ত ওলাই যাব কাৰ ঘৰত কিমান দেৰি বহিব কেতিয়া ঘূৰিব ইত্যাদি তাত থাকিব লাগিব। উক্ত টাইম টেবুল কৰ্নেলৰ মন পুত হলে তেওঁ গ্ৰহণ কৰিব আৰু সমান্তৰালভাৱে তেওঁৰ এখন টাইম টেবুল তৈয়াৰ কৰিব - পত্নী ওলাই যোৱাৰ সময়ত থাকিলে কি কি কৰিব বন্ধু বান্ধবক কেইটা বজাত সময় দিব—ইত্যাদি।

ইমান শৃংখলাবদ্ধতাৰ মাজতো কেতিয়াবা বিশৃংখলতাই কৰ্নেলক আমনি নকৰাকৈ নাথাকে। ঘটনাটো ঘটিছিল পুতেক দীপু দিল্লীলৈ যাবৰ সময়ত। এসপ্তাহৰ আগতেই পুতেকক কৰ্নেলে হুকুম কৰিলে— টাইম টেবুল ৰেডি কৰিবলৈ। দীপুৱে টাইম টেবুল তৈয়াৰ কৰিলে এনেদৰে নিশা এঘাৰ বজাত মৰিয়নীৰ পৰা ৰেল এৰিব দিল্লী অভিমুখে। সেই অনুযায়ী নিশা ৮ ৩০ বজাত যোৰহাট বাছ আস্থানলৈ বুলি ৰিক্সাত যাব লাগিব। নিশা ৯ ৩ বজাত বাছ যাব মৰিয়নী অভিমুখে ১০ ১৫ ত বাছ মৰিয়নী পাবগৈ। মৰিয়নী প্লেটফৰ্মত ত্ৰিছ মিনিট সময় ৰলে ১০ ৪৫ অত ৰেল আহিব আৰু দীপক এনেহনি ওৰফে দীপু ৰেলত উঠিবগৈ। যথা সময়ত যোৱাৰ দুঘণ্টাৰ আগতে দীপুৱে কৰ্নেলক টাইম টেবুলখন দেখুৱালে। কিন্তু কি দুৰ্ভাগ্য। কৰ্নেলে সেইখন নাকচ কৰিলে। কাৰণ ?

বৰপুত্ৰই মৰিযনি ষ্টেশ্যনৰ ক্ৰছিঙৰ প্ৰকাণ্ড গেটখনৰ কথা পাহৰি গ'ল। কিযনো তিনিচুকীয়া মেইলৰ আগে আগে এখন মালগাড়ী অহাৰ ফলত গেটখন দহমিনিটমান বন্ধ হৈ থাকিব আৰু ষ্টেশ্যনত দীপুৱে অপেক্ষা কৰাৰ সময় ত্ৰিছ মিনিটৰ পৰিবৰ্তে বিছ মিনিট হব। সেয়েহে কৰ্নেল এন্হনিয়ে টাইম টেবুলখন পুনৰ তৈয়াৰ কৰিবলৈ আদেশ কৰিলে। ইফালে দীপু যাবলৈ মাত্ৰ ডেৰঘণ্টা সময় আছে। খঙত জ্বলি পকি টাইম টেবুল নবনাওঁ বুলি সি ভোঁ ভোঁৱাই গুচি গ'ল।

কি ভয়াবহ ইনডিছিপ্লিন। এন্হনি আচৰিত হ'ল। গোটেই জীৱনযোৰা সাধনাৰ কি এক ব্যৰ্থ পৰিণতি। খঙতে এন্হনিয়ে উক্ত পুতেকলৈ বহুত দিন চিঠি পত্ৰ দিয়া নাছিল।

আন এদিনৰ কথা। তাৰিখটো চৌব্বিছ ডিচেম্বৰ। বৰদিন উপলক্ষে পিন্ধিবলৈ এন্হনিয়ে এযোৰ নতুন ছুট চিলাইছে। চৌব্বিছ তাৰিখে গধূলি আঠমান বজাত লৰালৰিকৈ কৰ্নেল আহি ঘৰ সোমাল। দুৱাৰ মাৰি নতুন ছুটযোৰ পিন্ধি চালে। কাপোৰটো পিটিকি চাওঁতে তেওঁৰ মনটো আনন্দত আপ্লুত হৈ পৰিল। সুন্দৰ!

কিন্তু হঠাতে জোতাযোৰৰ ওচৰত তেওঁ অলপ অসুবিধা অনুভৱ কৰিলে। দেখা গ'ল যে তেওঁৰ পেণ্টটো এক ইঞ্চিমান দীঘল।

কি মাৰাত্মক ইনডিছিপ্লিন! কাইলৈ এই 'খাপছাবা' পেণ্টটো পিন্ধি গিৰ্জালৈ যাব —সেইটো কল্পনাৰ বাহিৰৰ কথা। সকলোৱে শুনাকৈ তেওঁ চিঞৰি ক'লে —

এই, মোৰ নতুন পেণ্টটো এক ইঞ্চিমান দীঘল হৈছে পাতলিটো কাটি এডজাষ্ট কৰি দিবি।

কথামতে কাম। বৰদিনৰ ব্যস্ততাৰ মাজতে মিছেছ এন্‌হনিয়ে পেণ্টটো এক ইঞ্চিমান চুটিকৈ কাটি সুন্দৰকৈ চিলাই পুনৰ হেঙাৰত থৈ দিলে। হঠাতে মাজ জীয়েক এলভিনাৰ মনত পৰিল দেউতাকৰ পেণ্টটোৰ কথা। চিলাই কৰি নথলে কাইলৈ পুৰাই মানুহটোৱে গৰজিবলৈ লব। লগে লগে পেণ্টটো হেঙাৰৰ পৰা নমাই তাই পুনৰ এক ইঞ্চি কাটি সুন্দৰকৈ চিলাই থৈ দিলে।

বৰদিনৰ দিনা পুৱাতে গীৰ্জালৈ যাবলৈ ওলাই পেণ্টটো পিন্ধি এন্‌হনিৰ খ টো মুৰৰ লিৰ আ া পালেগৈ।

কি আচৰিত ইনডিছিপ্লিন!

ঘৰখনৰ সকলো কঁপি উঠিল।

এন্‌হনিৰ জীৱনৰ এই চৰম সত্যটো চহৰৰ বহুতৰ মুখত গাজা হিচাপেই চলি আছে।

শেষত যেনিবা সমাধানটো দিলে অপুবে। ককায়েক দীপুৱে বৰদিনত পিন্ধিবৰ বাবে নতুনকৈ চিলোৱা থ্ৰী-পিছ' ছুট যোৰ সি উলিয়াই দিলে। শেহতীয়া ডিজাইনৰ এই ছুটযোৰে বাসন্তৰ বছৰীয়া এন্‌হনিক গীৰ্জাত মানুহবোৰে পুনৰ নতুন ৰূপত দেখিলে।

এন্‌হনিক কোনোৱে জোকায আংকল প'স্তাৰ' বুলি কোনোৱে জোকায় ডন কুইকছোট বুলি। মুঠৰ ওপৰত কৰ্নেল এন্‌হনি মই আজিলৈকে বুজি নোপোৱা মানুহবোৰৰ ভিতৰত এজন।

কৰ্নেল এন্‌হনিৰ দৃঢ় বিশ্বাস যে তেওঁৰ বেমাৰ এবাৰেই হ ব আৰু সেইবাৰেই তেওঁৰ মৃত্যু হ ব। কিয়নো জীৱনৰ বাসত্তৰটা বছৰৰ কোটি-কোটি মুহূৰ্তৰ বাবেও তেওঁ বেমাৰৰ মুখামুখি হোৱা নাই। ইয়াৰ মূলতে আছে—তেওঁৰ স্বস্বীকৃত কাৰণ—ডিছিপ্লিন।

কিন্তু হঠাতে সিদিনা তেওঁ অনুভৱ কৰিলে তেওঁৰ শৰীৰৰ একাংশ জিনজিনাবলৈ আৰম্ভ কৰিছে শৰীৰৰ কোনো অংগই ক্ৰিয়াশীল হ'বলৈ অস্বীকাৰ কৰিছে মুখেৰে কিবা ক বলৈ লৈয়ো তেওঁ একো ক ব পৰা নাই। লাহে লাহে তেওঁ ঢলি পৰিল।

ডাক্তৰে কৈছে উচ্চ ৰক্তচাপ। প্ৰায় পোন্ধৰ দিনৰ পাছত কৰ্নেল ঘৰৰ পৰা ওলাল। এইবাৰ কৰ্নেলৰ ধাৰণা দৃঢ় হ'ল। দ্বিতীয়বাৰ এনে হ'লেই তেওঁৰ মৃত্যু হ'বই। কিন্তু এন্‌হনিৰ মৃত্যুলৈ ভয়ো লাগিল। ভয় এনেয়ে নহয় —এই কেইদিন বিছনাত পৰি থাকোঁতে তেওঁ ঘৰখনত যিটো ইনডিছিপ্লিন দেখিলে তাৰ পৰা তেওঁৰ দৃঢ় ধাৰণা যে তেওঁৰ মৃত্যুৰ পাছত এইখন ঘৰত ডিছিপ্লিন আৰু নাথাকে। আনহে নালাগে তেওঁৰ মৃত্যুৰ সময়তো ঘৰখনত এক ভয়াবহ ইনডিছিপ্লিন বিৰাজ কৰিব। সেয়ে কৰ্নেল এন্‌হনিয়ে সজ্ঞানে সুস্থ শৰীৰে এনে এক সিদ্ধান্ত কৰি পেলালে যিটো সিদ্ধান্ত পৃথিৱীত সেই মুহূৰ্তৰ আগলৈকে কোনো এজন দ্বিতীয় ব্যক্তিয়ে কৰিবলৈ সাহস কৰিছে বুলি

অন্ততঃ মই শুনা নাই। কৰ্ণেলে সিদ্ধান্ত কৰিলে যে যিটো কফিনত ভৰাই তেওঁক কবৰ দিয়া হ'ব সেই কফিনটো তেওঁ জীৱিত অৱস্থাত তৈয়াৰ কৰিবৰ বাবে অৰ্ডাৰ দি যাব। সিদ্ধান্ত মতে কাম। চহৰৰ এখন সুন্দৰ ফাৰ্নিছাৰৰ দোকানত এন্থনিয়ে তেওঁৰ জোখত এটা কফিন সাজিবলৈ দিলে। কিন্তু সমস্যাটো হ'ল, কফিনটো ঘৰলৈ নিয়াটো। সকলো মানুহ জীৱিত অৱস্থাতনো কফিনটো কেনেকৈ ঘৰলৈ নিয়ে? শেষত সমাধান ওলাল— কফিনটো এন্থনিৰ মৃত্যুৰ দিনলৈকে ফাৰ্নিছাৰ দোকানখনতে থাকিব। দোকানীজনেও আপত্তি নকৰিলে।

তথাপি এন্থনিৰ চিন্তাৰ শেষ নাই। তেওঁ ভাবিলে—তেওঁৰ কবৰৰ এপিটাফৰ কথাখিনি লৈয়ো পুতেক-জীয়েকহঁতৰ মাজত এক ইনডিছিপ্লিনৰ সৃষ্টি হ'ব। সেয়ে তেওঁ সিদ্ধান্ত কৰিলে —তেওঁ নিজৰ এপিটাফৰ কথাখিনি নিজে লিখি থৈ যাব। কথা মতে কাম।

বৰ্ষুদিনৰ দুপৰীয়া পুত্ৰ দুহিতা সকলোৰে সন্মুখত কৰ্ণেল এন্থনিয়ে তেওঁৰ বহু আকাংক্ষিত এপিটাফৰ বাক্যসমূহ ঘোষণা কৰিলে কৰ্ণেল এন্থনি এজন অৱসৰ প্ৰাপ্ত সৈনিক। সমগ্ৰ জীৱন এক সুন্দৰ ডিছিপ্লিন ত কটাইছিল বাবে জীৱনত তেখেতে কেতিয়াও দুখ পোৱা নাছিল। তেখেতৰ পৰা পোৱা ডিছিপ্লিনৰ শিক্ষা উত্তৰসূৰীসকলৰ বাবে পাথেয় হওক। এইজনা ব্যক্তিয়ে ডিছিপ্লিনৰ মাজতে তাৰিখে পৰলোক গমন কৰে। তেখেতৰ আত্মাই চিৰশান্তি লাভ কৰক।

কৰ্ণেলৰ এই ধৰণৰ কাণ্ড কাৰখানাক পুত্ৰদ্বয়ে বয়সৰ দোষ বুলি ভাবি ললে। ছোৱালী দুজনীয়ে কৰ্ণেলে নেদেখাকৈ মনে মনে চকুলো টুকিলে। কিন্তু মুখ ফুটাই কোনেও একো কোৱাৰ সাহস নকৰিলে। উক্ত এপিটাফৰ ছটা প্ৰতিলিপি কৰি কৰ্ণেলে পৰিয়ালৰ প্ৰত্যেকৰে হাতত বিলাই দিলে।

ডিছিপ্লিন।

এইদৰেই দুটা সপ্তাহ পাৰ হ'ল।

পুনৰ বিশৃংখলতা। এন্থনিৰ ভাষাত ইনডিছিপ্লিন। দুখলগা ইনডিছিপ্লিন। কোনেও নভবা ইনডিছিপ্লিন। এন্থনিৰ সমস্ত ধাৰণাক থানবান কৰি পেলোৱা ইনডিছিপ্লিন।

নতুন বছৰৰ দহ জানুৱাৰিৰ দিনা এটা কুঁৱলীৰে আবৃত পুৱাত কফিনটো ঘৰলৈ অনা হ'ল। এন্থনি লাহে লাহে কফিনটোৰ ওচৰলৈ গ'ল। তেওঁ এবাৰ সেইটো চুই চালে। বুকুত এটা ক্ৰছৰ আভাস দি এন্থনি ভিতৰ সোমাল। ইতিমধ্যে মিছেছ এন্থনিৰ মৃতদেহটো সুগন্ধি আতৰেৰে ধুৱাই দিয়া হৈছিল। ফাদাৰ জনে কফিনটোৰ নিৰ্মাণ প্ৰণালী প্ৰশংসা কৰিলে। কোনোবাই ক'লে—বৰ ভাগ্যৱতী তিৰোতা। মৃতদেহটো কফিনটোৰ ভিতৰত ভৰাই দিয়া হ'ল আৰু বন্ধ কৰা হ'ল।

অলপ সময়ৰ পাছত কৰ্ণেল এন্থনিক বাৰান্দাত দেখা গ'ল। হাতত এখন সৰু কাগজৰ টুকুৰা। লাহে লাহে কৰ্ণেল বাৰান্দাৰ পৰা নামি আহিল। বৰপুত্ৰ দীপুৰ হাতত তেওঁ কাগজ টুকুৰা গুজি দিলে। সেই এপিটাফটো —যিটো কৰ্ণেলে নিজৰ বাবে লিখিছিল। তাক কাটি-কুটি এতিয়া তেওঁ এনেদৰে লিখিছে ঃ 'মিছেছ এন্থনি। এজন

অৱসৰ প্ৰাপ্ত সৈনিকৰ পত্নী। সৈনিক স্বামীৰ সকলো ধৰণৰ 'ডিছিপ্লিন ৰ অত্যাচাৰ নিৰৱে সহ্য কৰিছিল। তেওঁৰ আকস্মিক বিয়োগ এন্থনি পৰিয়ালৰ বাবে এক সাংঘাটিক 'ইনডিছিপ্লিন । তেওঁৰ আত্মাই সদগতি লাভ কৰক।

দীপুৱে কাগজখনৰ পৰা মূৰ তুলি দেউতাকলৈ চালে।

কৰ্নেল এন্থনিয়ে একেথৰে বন্ধ কফিনটোলৈ চাই আছিল।

১৬।৮।৮৪

চিৰন্তন

ফুল গোস্বামী

ক'ৰ নোৰৰাকৈ উলৰ শলা দুডালে মোৰ ইখন হাতৰ পৰা সিখন হাতলৈ গতি কৰি আছিল। ৰাস্তাৰে এহাল পুৰুষ মহিলা পাৰ হৈ গ'ল। পুৰুষজনৰ কোলাত এবছৰীয়ামান কেঁচুৱা এটা। মহিলাগৰাকীয়ে তিনি বছৰীয়া ল'ৰাটোক টানি টানি অলপ পিছে পিছে গৈ আছে। অলপ পিছত বুঢ়া মানুহ এজনে দাণ্ডিব নোৰৰা মোনা এটা লৈ অলস গতিত খোজ কাঢ়ি গৈ আছে। তেওঁৰ পিছতে আন এহাল পুৰুষ মহিলা পাৰ হৈ গ'ল। আটাইবোৰেই মুখৰ চিনাকি। আটাইবোৰেই দায়িত্ববোধত জ্ৰকলা। মোৰ মূৰটো অলপ বেয়া লাগিল। হাত ভৰিবোৰ চেঁচা হোৱা যেন বোধ হ'ল। বমিৰ ভাব হ'ল। পতি পত্নীৰ সান্ধ্যভ্ৰমণ ছিনেমা দৰ্শন—এইবোৰ কিছুমান নিত্য নৈমিত্তক অভ্যাস। ৰাতিপুৱা বিছনা এৰি দাঁত মুখ পৰিষ্কাৰ কৰাৰ নিচিনা। অনুভূতিবোৰ যেতিয়া অভ্যাস হয়গৈ আৰু কথাবোৰ যেতিয়া ধ্বনি হয়গৈ তেতিয়া মোৰ বমি হ'ব খোজে। পিছৰ পুৰুষ মহিলা হালৰ বিয়াৰ দুবছৰ হ'ল। এইবোৰ সান্ধ্য ভ্ৰমণত আবেগৰ উচ্ছ্বাস নাই। যান্ত্ৰিক প্ৰস্তুতি আছে। তেওঁক এবাৰ ফুৰাই অনাটো দায়বদ্ধতা আৰু এবাৰ এওঁৰ লগত ফুৰি অহাটো প্ৰেমৰ জয়ঢোল। এইবোৰ আমনিদায়ক গতানুগতিকতা। বাকী প্ৰাণীজগতত এনে তলিফুটা দায়িত্ববোধ অথবা প্ৰদৰ্শনী আছেনে নাই নাজানো। প্ৰাণীবিজ্ঞানীক সুধিব লাগিব। নহ'লে মনৰ লগতে শৰীৰৰো কষ্ট।

পিছ ফালৰ পদুলিয়েদি ডাঙৰ মামা সোমাই অহা যেন লাগিল।

ডাঙৰ মামাক জীৱনটোলৈ নাপালে মৰিব বুলি ভাবুকি দিয়া অনুৰাধাৰ সতে ডাঙৰ মামাৰ অৱশেষত বিয়া হৈছিলগৈ। বিয়া হ'ল। ছিনেমা চোৱা সান্ধ্যভ্ৰমণ মধু চন্দ্ৰিকা যাপন ইত্যাদি যথাযথ কাৰ্যসূচীৰ সফল ৰূপায়ণৰ ওৰ পৰিল। অণুমামী মাক হ'ল। জিতুমাহীৰ বিয়াৰ আগদিনালৈকে অণুমামীৰ প্ৰেমৰ তীব্ৰতা মোৰ চেতনাৰ ভাৰকেন্দ্ৰ হৈ আছিল। দৰা আদৰাৰ উলহ মালহেই বিয়াৰ চূড়ান্ত মুহূৰ্ত। এই সময়খিনিত মোক এক ব্যাখ্যাহীন হতাশাই নিঃসংগ কৰে। সৰু কোঠা এটাত সোমাবলৈ গৈ অণুমামী আৰু দীপুমামাক অশালীন অৱস্থাত পাই মোৰ চেতনা লুপ্তপ্ৰায়। তাৰ পাছৰে পৰা ডাঙৰ মামাৰ মুখৰ পেশী, শিৰা ধমনীবোৰ কাটি-কাটি চাওঁ—কৰবাত প্ৰবঞ্চিত হোৱাৰ আঁচোৰ আছে নেকি? হতাশ হওঁ সদায়েই। গেলা প্ৰেম! কবিয়ে প্ৰেমিকৰ ৰূপ দিয়ে— ওগো তুমি নিৰুপম — I will be thy priest ইত্যাদি ইন্দ্ৰিয়াতীত অগণন সংজ্ঞা।

বোমা বৌলাৰ 'জ্যা খৃষ্টভ'ৰ পিশুটিয়ে উৰন্ত মেঘবোৰ তাৰ নির্দেশত গতি কৰে বুলি পোৱা বিভ্রান্ত আৰু অজ্ঞ আনন্দই ডাঙৰ মামাৰ দৰে হয়তো বহুতৰে জীৱনৰ বিভিন্ন স্তৰক মেঘাচ্ছন্ন কৰি ৰাখিছে। বোধকৰোঁ এই বিভ্রান্তিৰ প্রয়োজন আছে নহ'লে ডাঙৰ মামা আৰু গায়ত্রীকে ধৰি বহুতৰে মনৰ অন্তর্বর্তী ভূখণ্ড ভূমিকম্পত আলোড়িত হ'লহেঁতেন। গায়ত্রীয়েও ৰাজেনৰ প্রেমত হাবুডুবু খাই হোটেলৰ পৰা কামাখ্যা পাইছিলগৈ। প্রেম পাত্রতো যে সময়ে গৰল ছটিয়ায় গায়ত্রীবোৰে সেইবোৰ নাজানে। ইংৰাজী আৰু বাংলা প্রেমৰ কবিতাৰ পংক্তি আৰু উর্দু শায়েৰীৰ প্রেমৰ বাণী তাই তাইৰ বহীত টুকুৰা কাগজত আৰু হোটেলৰ বেৰত চিহ্নিত কৰিছিল —প্রেমৰ প্রকাশ বিচাৰি। ৰাজেনে লিখা চিঠিবোৰতো সেই একেই উচ্ছ্বাস। Love is my religion you are its tenet ইত্যাদি বিভিন্ন সুষমাযুক্ত ভাব আৰু ভাষাত সিহঁতৰ তীব্র প্রেমৰ মুক্ত প্রকাশ আমি বহুতেই উপলব্ধি কৰিছিলো। সময়ৰ খণ্ডিত টুকুৰাবোৰ মহাকালৰ বুকুত হেৰাই গৈ থকাৰ লগে লগে ৰাজেনৰ প্রেমৰ নীতি পৰিবৰ্তিত আৰু পৰিবৰ্ধিত হ'ল। ব্যৱসায়ী ৰাজেন শর্মাই গায়ত্রী কলেজলৈ যোৱাৰ পাছত পৰিচাৰিকা কমলাক আৰু পাছলৈ সময়ে সময়ে শ্রীমতী বৰুৱাক যে সহজ বোধগম্য ভাষাত কৈছিল— Love is my religion and you are its tenet গায়ত্রীয়ে হয়তো নাজানে। নতুবা অভিমানে আৰু সামাজিক সন্মানৰ লোভে বাধ্য কৰাইছিল অন্তৰৰ অভিনয় কৰিবলৈ।

সেয়েহে বোধহয় চৌপাশৰ গছ লতা পাহাৰ —ওপৰৰ আকাশ মেঘ তৰা —ভৰিৰ তলৰ পৃথিৱীখন —এই চিৰ পৰিচিত স্পষ্ট পৰিবেশ কোনো কোনো সময়ত ধূসৰ অস্পষ্ট হৈ যায়। চাৰিওফালে এটা থমথম শ্বাসৰুদ্ধ অৱস্থা। তাৰ পাছতো মানুহ কিহৰ বাবে জীয়াই থাকে ? শৈশৱে বিচাৰে বৃদ্ধি যৌৱনে পূর্ণতা। তাৰ পাছত ? কোনোবা এজন ছাৰক সুধিব পৰা হ'লে ?

হাতৰ উলখিনি শেষ হৈ গৈ আছে যদিও সেইবোৰে এক ভিন্ন ৰূপ পাইছে। যেনেকৈ গায়ত্রীবোৰ প্রেমিকাৰ পৰা পত্নী আৰু মাতৃ হয় আৰু ডাঙৰ মামাবোৰ প্রেমিকৰ পৰা যথাক্রমে স্বামী আৰু পিতৃ হয়। এই পৰিবৰ্তিত ৰূপৰ হয়তোবা এটা নিজস্ব মগ্নতা আছে মোহভংগ বা আশাভংগৰ যন্ত্রণাগধুৰ অন্তর্প্রবাহো আছে। আজিবোৰ কালি হৈ যোৱাৰ লগে লগে আজিৰ সত্যবোৰ কালি হৈ যায়। সেয়েহে অতীতৰ সত্যই আজিৰ গায়ত্রীক প্রতাৰণা কৰিছে। জীয়াই থাকিবলৈ মানুহক এটা দৃঢ় অৱলম্বন লাগে।

আকৌ বমি-বমি লাগিছে।

আধুনিক জটিলতাই গায়ত্রীৰ সহজ প্রকাশক বাধাগ্রস্ত কৰিছে। মোৰ যে অভ্যন্তৰীণ ব্যক্তিসত্তাক এই বমি-বমি ভাবটোৱে জুকলা আৰু দুর্দশাগ্রস্ত কৰিছে তাৰ বহিঃপ্রকাশতো কতো নাই। ইও এটা অভ্যাস হৈ পৰিছে। অবিনাশৰ মনীষাৰ সৈতে হোৱা গোপন সম্বন্ধৰ উমান পাই ময়ো বিধ্বস্ত হৈ পৰিছিলো। দুর্জ্ঞেয় কালে সেইবোৰ সহনীয় কৰি তুলিছে। সেই অভাৱনীয় কর্ষণে মনটো সংকুচিত কৰি পেলালে। সহজাত মসৃণতাৰ সলনি কর্কশ গতানুগতিকতা আহি পৰিল। অবিনাশক এতিয়া দোষ দিবলৈ

এৰি দিলো। জীৱনেই যিহেতু নশ্বৰ প্ৰেমৰ শাশ্বত ৰূপৰ বন্দনা অপৰিপক্কতা মাথোন। কোনোবা 'অমৃত তকৈ প্ৰেমৰ স্বৰ্গীয় জ্যোতিয়ে আছন্ন কৰিছে —কাৰণ তেওঁৰ প্ৰেম অতৃপ্ত হৈ ৰ'ল। 'নহন্যাতে হন্যমান শৰীৰে বুলি তেওঁ প্ৰেমৰ বিদ্যৰূপ দৰ্শন কৰিব পাৰে কাৰণ নব্য আৰু নিষিদ্ধৰ দুৰ্বাৰ আকৰ্ষণে প্ৰেমক পথভ্ৰষ্ট কৰিবলৈ তেতিয়াও বাকী। কিন্তু আমিবোৰৰ বাবে প্ৰেমৰ দিব্যজ্যোতিৰ কল্পনা ৰমন্যাসিক ভাববিলাস। ভনীজে ৰাই হিচাপে অবিনাশক মই দুবাৰমান পাইছোঁ। অবিনাশ নিৰ্বাক নিস্তব্ধ। মনীষাই হয়তো দোষবোধত ভোগে। মই তাইক সহজ কৰিবলৈ চেষ্টা চলাওঁ। অবিনাশৰ প্ৰবঞ্চনাক মই এদিন পাশবিক বুলি ভাবিছিলো। সময়ে শিকাইছে— মানুহৰ প্ৰকৃতি জগতৰে অংশ। অবিনাশো মানুহ। নব্য আৰু নিষিদ্ধৰ হাত বাউল অপৰাজেয়। প্ৰকৃতিৰ চিৰাচৰিত ৰীতিৰ বিপৰীতে অবিনাশ যোৱা নাই। মাথোঁ পৃথিৱীৰ সাধাৰণ গতিৰ বিপৰীতে যাবলৈ সি সাহস গোটাব নোৱাৰিলে। সেয়ে ৰৰ বেছি তাক কাপুৰুষ বুলি ক'ব পাৰি অমানুহ আখ্যা দিব নোৱাৰি। বৰং সি বেছি মানুহ। আমি সকলোবোৰ গতিমান মাংসপিণ্ড।

নেপালত চিঞৰিছে— 'কভি কভি মেৰে দিল মে । ছি°' গেলা! আকৌ বমি বমি ভাব।

'আপী, ৰেডিঅ বন্ধ।

তাইলৈ বেয়া লাগে। গানৰ লহৰে লহৰে তাইৰ প্ৰেমৰ দাৰুণ অন্বেষণ। কাৰোবাৰ জৈৱিক তাড়নাই প্ৰেমৰ ভেশচন ধৰি তাইৰ ওচৰ চাপিব আৰু সম্পূৰ্ণকৈ কৰায়ত্ত হোৱাৰ পাছত অক্টোপাছ হৈ এই অদৰকাৰী ভাব বিলাসবোৰ চুহি চুহি শেষ কৰি দিব। তাৰ পাছত এদিন তাই এটা উৎপাদন যন্ত্ৰলৈ পৰিবৰ্তিত হ'ব —তাৰ পাছত মেটমৰা বোজা কঢ়িওৱা এটা গাধ হ'ব। এই মুহূৰ্তত তাই ভাবিব পৰা নাই। গান শুনি বিভোৰ হোৱা আপীয়ে নাজানে তাইৰ জীৱনলৈ এদিন 'সন্ধ্যাৰাগ নামি আহিব। স্বপ্ন ৰাজ্যৰ ৰাজকুমাৰী গাধ হ'ব লগা হয়। কি যে ভয়াবহ পৰিৱৰ্তন। ভয়লগা মিছাও জীৱনৰ বাবে হয়তো প্ৰয়োজনীয়। নহ লে অষ্টাদশী গাভৰুবোৰ stoic — দুখে সুখে নিৰ্বিকাৰ হৈ পৰিব। আৰু মোহভংগৰ যন্ত্ৰণাই বমি বমি ভাবেৰে সিহঁতক ব্যতিব্যস্ত কৰি তুলিব। তেতিয়া এই গানবোৰ কোনে শুনিব? ঈশ্বৰ সঁচাকৈয়ে দয়ালু।

গৌতমে কোনোবা দিনা বিয়াৰ প্ৰস্তাৱ দিব। কিন্তু মোৰ চিন্তা আৰু চেতনাত এনে এটি পল নাই য ত তুমি নাই বুলি ক'বৰ প্ৰয়োজন নহ'ব। সামাজিক নিৰাপত্তা আৰু সন্মান এটা আহিব পাৰে। মানুহজাকৰ দৃষ্টিৰপৰা পুতৌৰ প্ৰলেপটো হয়তোবা উঠি যাব। মা পিতাই সকাহ পাব।

গায়ত্ৰীতকৈ মই মুকলি। গৌতমৰ বুকুৰ মৌ সনা চেনেহৰ কুমলীয়া কোঁহ বিচাৰি মই নাযাওঁ। নিতান্তই সামাজিক আৰু জৈৱিক তাড়নাৰ বাবে মোৰ এই যাত্ৰা। ইয়াত প্ৰতাৰণাৰ ভীতি নাই। প্ৰতিজন ব্যক্তিৰ সৈতে গৌতমো যি কোনো মুহূৰ্তত এজন অবিনাশ হ'ব পাৰে বা হয় বুলিয়েই মই মানসিক প্ৰস্তুতি লৈ যাম। সেয়ে প্ৰাপ্তিৰ ব্যাকুলতাও নাই, আশংকাৰ কম্পনো নাই। স্বামীৰ নিবিড় অন্তৰংগ প্ৰেমৰ আকুতি সন্তানৰ মোহ আৰু সমাজৰ তাচ্ছিল্যপূৰ্ণ ভ্ৰূকুটিয়ে সপ্তৰথী হৈ গায়ত্ৰীক অভিমন্যু কৰি

পেলাইছে। অনুভূতিৰ তীব্ৰতাই নিৰ্গমৰ উপায় গায়ত্ৰীৰ বাবে নাইকিয়া কৰি পেলালে। অবিনাশৰ চক্ৰবেহুত সোমোৱাৰ আগেযে সকলো কথাই পোহৰলৈ আহিল। এতিয়া হয়তো গৌতমৰ বেহুত সোমাব লাগিব। কিন্তু অবিনাশৰ ওচৰলৈ গ লে দুচকুত যি ৰঙীন আবেশ লৈ গ'লোহেঁতেন সেয়া আৰু ন্যথাকিব। চৌপাশ বৌদ্ৰোজ্জ্বল। আলোছায়াই বিভ্ৰান্তি হয়তো নানে। আনিলেও কথা নাই। সকলো বিভ্ৰান্ত হয়।

ৰেণুৰ দেউতাক পাৰ হৈ গ ল। ওখ পোন শৰীৰটোক সময় আৰু দুখে কিছু পৰিমাণে বেকা কৰি পেলাইছে। ৰেণু যোৱা মাহত পলাই গ ল। প্ৰেমৰ বাবে পলোৱাৰ কোনো হেতু নাই। অইন কিবা কাৰণত হ লে বেলেগ কথা। প্ৰেম বাসনাৰ পোছাকী নাম। শৈশৱৰ পুতলা খেলা আৰু যৌবনৰ তৃপ্ত প্ৰেম একেই। আমনি লাগিলেই ঠেলি থোৱা হয়। ইয়াৰ স্থিতি বৰ ক্ষণভংগুৰ। কম বুলি ভাবিছিলো। নক লো। অজ্ঞ বুলি হেয় জ্ঞান কৰিব। নিজৰ অজ্ঞতা কোনে বা বুজি পায়।

পিতাৰ কাহৰ শব্দত উচপ খালো।

ছে । পৰীক্ষাৰ এদ'ম বহী চাবলৈ আছে।

১৬।৪।৮৬

অপ্রেম

ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰী

হয় আপুনি ঠিকেই অনুমান কৰিছে এই গল্পটো মই আপোনাক লৈয়েই লিখিম বুলি ভাবিছোঁ। কল্পনাৰ যাদুৰে এটা সুখপাঠ্য কাহিনী ৰচনা কৰি নিজৰ লগতে পঢ়ুৱৈকো প্ৰবঞ্চনা কৰাতকৈ মাজে মাজে এইদৰে বাস্তৱৰ পৰাই চৰিত্ৰ একোটা তুলি আনি পঢ়ুৱৈৰ সৈতে চিনাকি কৰি দিয়াৰ আইডিয়াটো জানো অধিক মনোগ্ৰাহী নহয়? অন্ততঃ ফাঁকিৰে ঢাকি ৰখা আমাৰ এই সুষম জীৱনত সত্যৰ সৈতে মুখামুখি হোৱাৰ এটা ক্ষীণ প্ৰচেষ্টা বুলিবা হ'ব।

ৰিংকুৰ আজি জন্মদিন।

আপুনি ইমানকৈ মাতি গৈছে আমি নিশ্চয় যাম। ৰিংকু আপোনাৰ একমাত্ৰ ছোৱালী। জন্মদিন ডাঙৰকৈ পতাটোৱেই স্বাভাৱিক। আপোনাৰ লগত একেটা অফিছতে কাম কৰোঁ অফিছত কলেও হ'লহেঁতেন। তথাপি আপুনি নিজে ঘৰলৈ আহি আমি দুয়োজনকে—অণু আৰু মোক আন্তৰিকতাৰে নিমন্ত্ৰণ কৰি গৈছে নোযোৱাৰ প্ৰশ্নই নুঠে।

অণুকো কৈ গৈছে আপুনি—অণু, নীৰাই কিন্তু তোমাৰ কথা স্পেছিয়েলি কৈ পঠাইছে। নগ'লে বেয়া পাব।

ৰাতিপুৱা অফিছলৈ যাবৰ সময়ত অণুৱে আজি কৈছিল—তোমাৰ অফিছৰ পৰা আহোঁতে সদায় দেৰি হয়। আহিবৰ সময়ত চৌখানী ষ্টৰছত সোমাই ৰিংকুৰ বাবে কিবা এটা কিনি লৈ আহিবা। নহ'লে বজাৰলৈ যাবলৈ পাছত সময়েই নহ'ব।

—মোৰ দ্বাৰা সেইবোৰ নহ'ব হে। ছোৱালীৰ বাৰ্থ ডে ত কি দিয়ে মই কি জানো? নিজৰো কিবা এটা হওক দিয়া তেতিয়াহে জানিম।

অণু ক্ষন্তেকৰ বাবে অলপ তেনেদৰে ৰঙা পৰিল যেনেদৰে ৰঙা পৰিলে মই বুকুৰ ভিতৰত এটা উম অনুভৱ কৰোঁ।

দুমাহ চলি আছে তেওঁৰ। শোৱনী কোঠাত মাকে কৈ পঠোৱা মতে নতুনকৈ কেঁচুৱা এটাৰ ফটো ওলমাই লৈছে কিছুদিনৰ পৰা।

—তুমি ল'ৰা কেঁচুৱাৰ ফটো লগাইছা দেখোন ছোৱালীওতো হ'ব পাৰে ছোৱালীৰ ফটোও লগোৱা।

—চব কথাতে তোমাৰ ধেমালি। নাপায় তেনেকৈ ক'ব।

মোৰ দৰে অকৰ্মণ্য মানুহ এটাৰ দ্বাৰা যে কোনো কাম নহয় অণুৱে জানে আৰু জানি শুনিয়েই কামকৰা ছোৱালী ৰূপাক লৈ বজাৰলৈ ওলাই গৈছে এতিয়া—কিবা এটা কিনিবৰ বাবে।

আৰু কন্তেকৰ এই নিঃসংগ মুহূৰ্ততে হঠাতে আপোনাক লৈ মোৰ এটা গল্প লিখিবৰ মন গৈছে।

স্মৃতিৰ পাতবোৰ এটা-এটাকৈ লুটিয়াই চালে আপোনাৰ কেতিয়াবা নিঃসংগ মুহূৰ্তত কং নামৰ সেই খাছি ছোৱালীজনীৰ প্ৰতিচ্ছবি চকুৰ সন্মুখত ভাঁহি উঠেনে ? সেই তেজাল ছোৱালীজনীৰ পাহাৰত ঠেকা খাই কঁপি উঠা মুক্ত হাঁহিৰ শব্দ স্মৃতিৰ সুৰুঙাৰে ভাহি আহি আপোনাৰ হৃদয়ত কেতিয়াবা অজানিতে মুহূৰ্তৰ বাবে জিৰণি লব খোজে নে ?

আপুনি মিছাকৈয়ে উচপ খাই উঠিছে। ভয়ৰ কোনো কাৰণ নাই। গল্প লেখকে আপোনাৰ সন্মুখত সদায় বিচৰণ কৰি ফুৰা মানুহজনকে গল্পত এনেদৰে উপস্থাপন কৰে যে আপোনাৰ ভাব হ ব —সেয়া অইন এখন ঠাইৰ এজন অচিন লোক গল্পৰ বাবেই যেন সেই চৰিত্ৰৰ জন্ম।

মোৰ এই গল্প পঢ়িও কোনো পঢ়ুৱৈয়ে নাজানিব যে এই গল্পৰ প্ৰধান নায়ক আপুনিয়েই। শব্দৰ যাদুৰে মাথো ইংগিতময় কৰি মূল চৰিত্ৰক মই ৰহস্যৰ মাজতেই আবৃত ৰাখিম গতিকে আপোনাৰ জীৱনৰ এটা পাহৰি যোৱা অতীত পঢ়ুৱৈৰ সন্মুখত এইদৰে আচম্বিতে দাঙি ধৰি আপোনাৰ সুখৰ সুষম জীৱনত ব্যাঘাত সৃষ্টি কৰিম বুলি অকাৰণে আশংকিত হোৱাৰ কোনো প্ৰয়োজন নাই। আপোনাৰ সুন্দৰী পত্নী নীৰাই জানে—নীৰাকেই আপুনি ভাল পাই আহিছে সকলো পত্নীয়ে ঠিক এই একেদৰে নিজক একেই ফাঁকিৰে সান্ত্বনা দি থাকে যিদৰে মোৰ পত্নী অণুৱেও (সেয়া অন্য এক কাহিনী অন্য এদিন কম)।

গুৱাহাটীৰ পৰা মাত্ৰ কুৰি কিল'মিটাৰ আঁতৰৰ সৰু চহৰখনৰ সম্ভ্ৰান্ত পৰিয়ালৰ ল'ৰা আপুনি। একেখন চহৰৰে ল'ৰা বাবে আপোনাক আপোনাৰ পৰিয়ালক সৰুৰে পৰাই চিনি পাওঁ। অঞ্চলটোত নাম আছে আপোনালোকৰ পৰিয়ালৰ। গাঁৱৰপৰা চহৰলৈ উত্তৰণ হোৱাৰ লগে-লগেই অঞ্চলটোৰ কেইবাটাও পৰিয়ালৰ ঐতিহ্যৰ ভেটি লাহে-লাহে তললৈ খহি পৰিল। কাৰোবাৰ ল'ৰাই মাক দেউতাকৰ কথা নুশুনি অজাতিত বিয়া কৰাই ঘৰৰ পৰা আঁতৰি গ ল কাৰোবাৰ স্কুলত পঢ়া ভায়েকক সদায় সন্ধিয়া জুৱাৰ আড্ডাত দেখা গ ল কাৰোবাৰ ককায়েক সন্ধিয়াপৰত পানী এটুপি নহ'লে থাকিব নোৱৰা হ ল কাৰোবাৰ উৎপাতত ৰাস্তাৰে ছোৱালী ওলাব নোৱৰা হ ল —আৰু কত কি।

আপোনালোকৰ ঘৰখন কিন্তু বিশাল আকাশত ধ্ৰুৱতৰাৰ দৰেই স্থিৰ হৈ জিলিকি থাকিল। চৌধুৰী ব শৰ সুদৃঢ় ঐতিহ্যত সময়ে সামান্যতম কম্পনৰো সৃষ্টি কৰিবলৈ সক্ষম নহ'ল। এজন-এজনকৈ কোনোবা ডাক্তৰ হ'ল কোনোবা ইঞ্জিনিয়াৰ আৰু কোনোবা হয়তো অধ্যাপক। এজন-এজনকৈ কেইবাজনৰো ধুমধামেৰে বিয়া হৈ গ'ল। আজিৰ যুগৰ ডেকাৰ চৰিত্ৰতো সামান্য উচ্ছৃংখলতাৰ চিন নেদেখি সকলোৱে বংশৰ মহীয়ান ৰূপ সপ্ৰশংস দৃষ্টিৰে চাই ৰ'ল।

এয়াহে বংশ এয়াহে ল'ৰা পঢ়িছে চাকৰি কৰিছে। লক্ষ্মী ছোৱালী বিয়া কৰাইছে বিছুৱে সবাহে আহি সকলোৱে লগত হাঁহি মাতি গৈছে। আমাৰ জনক চা চাকৰি এটা পালেনে উঠিল পিৰপিৰণি ! আনিলে ক'ৰ এজনী ধৰি —এনেকুৱা কথাবোৰ ঘৰলৈ গ'লে এতিয়াও কেতিয়াবা কাণত পৰে।

এইবাৰ ঘৰলৈ যাওঁতে জিতেন ছাৰে আপোনাৰ খবৰ সুধিছিল আৰু প্ৰাক্তন ছাত্ৰৰ প্ৰশংসাত গদগদ হৈ আপোনমনে কৈছিল —সেইবোৰ ল'ৰাৰ কথাই বেলেগ বুজিছ। যি মূলা বাঢ়িব তাৰ দুপাততে চিন। কি সুন্দৰ ব্যৱহাৰ! দাগ এটা নাই চৰিত্ৰত। আজিৰ যুগত এনেকুৱা ল'ৰা কেইজন আছে? সিহঁতৰ মাক দেউতাকে গৌৰৱ নকৰি কোনে কৰিব?

আপোনাৰ মনত থাকিব পায়—জিতেন ছাৰৰ ডাঙৰজন ল ৰা আপোনাৰ লগ৲ স্কুলত একেটা শ্ৰেণীতে পঢ়িছিল। অৰুণাচলৰ ফালে কোনোবা স্কুল এখনত কাম কৰি থাকোঁতে তাৰেই ছোৱালী এজনীক বিয়া কৰাইছে। জিতেন ছাৰে বোৱাৰীক এতিয়াও ঘৰ সোমাবলৈ দিয়া নাই।

আপুনি খিলঙত চাকৰি কৰাৰ সময়ত মই গুৱাহাটীত। কিছুদিন পাছত মোৰো খিলঙলৈ ট্ৰেন্সফাৰ হ ল। প্ৰথম প্ৰথম ভাব হ ল আপুনি যেন সন্ধিয়াবোৰ মোক এৰাই ফুৰিছে। কিছুদিন থকাৰ পাছতে মই আবিষ্কাৰ কৰিলো—খাছি ছোৱালীজনীৰ লগত আপোনাৰ ঘনিষ্ঠতাৰ কথা।

মই জানো এইদৰে আজি আপোনাক সময়ৰ সীমা ভেদি অতীতলৈ টানি নিয়াৰ প্ৰয়াস কৰাটো উচিত হোৱা নাই। কিন্তু যিজনী ছোৱালীৰ লগত এসময়ত প্ৰতিটো সন্ধিয়া নিবিড় অন্তৰংগতাৰে পাৰ কৰি দিছিল তেওঁক আজিৰ এই সুখৰ মুহূৰ্তত মাত্ৰ খন্তেকৰ বাবে পাহৰণীৰ গৰ্ভৰ পৰা উলিয়াই আনিলে জানো সাংঘাতিক অন্যায় কৰা হ'ব?

সেকৰ পাৰত হঠাতে এদিন আপোনালোকৰ লগত দেখা হৈছিল। আপুনিযেই মোক চিনাকি কৰি দিছিল সেই সঙ্গীৰ মুখৰ খাছি ছোৱালীজনীৰ লগত। আপোনালোকৰ অন্তৰংগতাৰ গভীৰতা দেখি মই মাথোঁ সংশয়ৰে ভাবিছিলো — চৌধুৰী বংশত এই ব্যতিক্ৰম জানো গৃহীত হ'ব? আপোনাৰ চাৰিত্ৰিক দৃঢ়তাত মোৰ বিশ্বাস আছিল ধৰি লৈছিলো বংশ পৰম্পৰা সকলো অতিক্ৰম কৰি এদিন হৃদয় জয়ী হ'ব।

আপুনি এদিন ছুটী লৈ ঘৰলৈ গ ল। ছুটীৰ সময়ছোৱাত মাজে মাজে কেতিয়াবা বজাৰৰ ভিৰৰ মাজত সেই সৰল ছোৱালীজনীক লগ পাইছিলো। তাই আপোনাৰ খবৰ সুধিছিল। খিলঙৰ পাইন গছৰ পাতৰ মৃদু মধুৰ কম্পনে হয়তো তাইক আপোনাৰ কথা মনত পেলাই দিছিল। হয়তো সেকৰ নিস্তব্ধ গ পানীত তাই আপোনাৰ প্ৰতিবিম্ব দেখা পাইছিল। হয়তো অবাধ্য ফিৰফিৰিয়া বতাহ জাকে তাইক আনমনা কৰি তুলিব খুজিছিল।

আপুনি ঘূৰি নাহিল।

বহুতদিন পাছত জানিব পাৰিলো আপোনাৰ দেউতাকেই কিবা এটা সন্দেহ কৰি লাগি ভাগি আপোনাক অন্য এখন ঠাইলৈ ট্ৰেন্সফাৰ কৰাই দিছিল। বৰদিনৰ বন্ধত ঘৰলৈ যাওঁতে গম পালো নীৰাৰ লগত বিয়াৰ পাছত দীঘলীয়া ছুটীত আপুনি ফুৰিবলৈ গৈছে।

কণ্ঠক এদিন লগ পাইছিলো হঠাতে। তেওঁৰ সজীব মুখত সন্ধিয়াৰ আকাশৰ বিষণ্ণ ছাঁয়া আৰু দেহত মাতৃচিহ্নৰ পূৰ্ণ পযোভৰ।

মই মাথোঁ মনে মনে ভাবিছিলো হয়তো এতিয়া দূৰণিৰ কোনোবা পৰ্বতীয়া চহৰৰ হোটেলৰ বন্ধ কোঠালিত আপোনাৰ বুকুত লেতুসেতু হৈ শুই আছে নীৰা আৰু হয়তো আবেগজড়িত অস্ফুট কণ্ঠেৰে আপুনি সেইবোৰ কথাকে নীৰাক শুনাইছে যিবোৰ এদিন আপোনাৰ মুখত শুনি কণ্ঠৰ দুচকু আবেশত মুদ খাই গৈছিল।

আপুনি নাভাবিব আপোনাক কিবা বেয়া কাম কৰা বুলি ক ব খুজিছোঁ। আপুনি সম্ভ্ৰান্ত পৰিয়ালৰ ল ৰা। এটা ব শৰ ঐতিহ্য ৰক্ষাৰ ক্ষেত্ৰত আপোনাৰো দায়িত্ব আছে। যুগ যুগৰ স যমে গঢ়ি তোলা এই ঐতিহ্য এজনী সাধাৰণ ছোৱালীৰ প্ৰেমৰ বাবে এদিনতে ধূলিস্যাৎ কৰি দিলে আপোনাক কোনেও ক্ষমাৰ চকুৰে নাচালেহেঁতেন। যিসকল লোকে আজি আপোনাৰ গুণানুকীৰ্তনত মাজে মাজে সৰৱ হৈ উঠে তেওঁলোকেই আপোনাক লৈ আপোনালোকৰ ঘৰখনক লৈ হাঁহিলেহেঁতেন। আপুনি সেয়া হ বলৈ দিয়া নাই।

ঘৰলৈ গ লে এতিয়াও সকলোৰে মুখত শুনিবলৈ পাওঁ আপোনাৰ নিষ্কলুষ চৰিত্ৰৰ অকৃপণ গুণানুকীৰ্তন। আপোনাৰ মাক আৰু দেউতাকৰ মুখত তৃপ্তিৰ জিলিকনি। চৌধুৰী ব শৰ ঐতিহ্য এতিয়াও অম্লান। অঞ্চলটোৰ সকলোৱে মনে প্ৰাণে কামনা কৰে তেওঁলোকৰ নিজৰ ল ৰা যেন আপোনাৰ দৰেই ভাল ল ৰা হয়।

আপুনি পত্নী হিচাপে ভাল ছোৱালী পাইছে। নীৰাও সম্ভ্ৰান্ত ব শৰ ছোৱালী। সমানে সমানে সম্বন্ধ কৰি আপুনি বুদ্ধিমানৰ কাম কৰিছে। ৰি কুও বেচ মৰমলগা হৈছে। আপোনাৰ মুখৰ লগত তাইৰ মুখৰ মিল আছে। একমাত্ৰ ছোৱালী বুলিয়েই হয়তো আপুনি আৰু নীৰাই তাইক গভীৰ অপত্য স্নেহেৰে আৱৰি ৰাখিছে।

কণ্ঠেও হয়তো এই একেদৰেই তেওঁৰ সন্তানক আৱৰি ৰাখে জ ন্মদিন পাতে (যদি পাতে)। মাথোন সেই জন্মদিনত কোনো আমন্ত্ৰিত নহয় কোনো দেউতাক নাথাকে।

১।৯।৮৬

কোনো খেদ নাই

যেছে দৰজে ঠংছি

অশিক্ষিতা হ'লেও য়ামাই খামৰ ওপৰৰ ঠিকনাটো দেখিলেই গম পোৱা হৈছে সেইখন কাৰ হাতৰ আখৰ আৰু কালৈ লিখা হৈছে। আজি ইমান বছৰে সেই একে আখৰেৰে লিখা সেই কেইটা শাৰী দেখি দেখি পঢ়িব নাজানিলেও তাইৰ নামটো গাঁৱৰ নাম প ষ্ট অফিছ আৰু জিলাখনৰ নাম লিখোঁতে আঁক বাঁক আখৰবোৰে ক ত কি ভাঁজ লৈছে সেইবোৰ সকলো তাইৰ চকুৰ আগত জল জল পট পটকৈ জিলিকি থকা হৈছে। হাজাৰ চিঠিৰ মাজতো তাইক যদি তাইৰ ঠিকনা লিখা চিঠিখন বুটলি লবলৈ কোৱা হয় তাই নিভু'লভাৱে কামটো কৰিব পাৰিব। সেই হাতৰ আখৰ সেই একে ধৰণৰ আঁকবাঁক লৈ যিবোৰ চিঠি আছে প্ৰায় আটাইবোৰ চিঠিয়েই খামত আছে। অৱশ্যে খামৰ ৰূপ বেলেগ বেলেগ হ'ব পাৰে। ডাক ঘৰত পইচা দিলেই পোৱা খাম হ'ব পাৰে কাষে কাষে ৰঙা নীলা আঁচ থকা এচুকত এখন এৰোপ্লেনৰ ছবি থকা খাম হ'ব পাৰে বিভিন্ন ধৰণৰ ডাক টিকট লগোৱা ফটফটীয়া বগা খামো হ'ব পাৰে। বহুত ধৰণৰ বহুত খাম চিঠিৰে সৈতে তাইৰ বাকচত জমা কৰি থোৱা আছে। সেইবোৰ তাইৰ বৰ আদৰৰ বস্তু। কেতিয়াবা বাকচটো খুলিলে হাত নিদিওঁ বুলি ভাবিও তাইৰ হাত প্ৰথমতে গৈ সেই চিঠিৰ টোপোলাটোত লাগে গৈ আপোনা আপুনি চকু তালৈ যায় আৰু লগে লগে এক নজনা অনুভূতি তাইৰ দেহৰ ৰন্ধ্ৰে-ৰন্ধ্ৰে বাগৰি যায়। কেতিয়াবা ঘৰত কোনো মানুহ নাথাকিলে তাই বাকচটো খুলি চিঠিবোৰ এখন এখনকৈ খামৰ পৰা উলিয়াই চকুৰ আগত মেলি লৈ মনত পেলাবলৈ চেষ্টা কৰে কোনখন চিঠি কেতিয়া আহিছিল আৰু তাত কি লিখা আছিল। কিন্তু তাই সদায় নিৰাশ হ ব লগা হয়। অজস্ৰ স্মৃতিৰ মাজত হয়তো তাইৰ ভাব হেৰাই যায়। অথবা একেধৰণৰ একে দৈৰ্ঘ্যৰ চিঠিবোৰ দেখি তাই ঠাৱৰ কৰিব নোৱাৰে—সেইখন চিঠি কেতিয়া আহিছিল আৰু তাত লিখা আছিলেই বা কি? চিঠিবোৰ লিৰিকি বিদাৰি বহুত সময় খেলি থকাৰ পাছত তাইৰ মুখৰ পৰা একোটা হুমুনিয়াহ ওলাই আহে। মনটোৱে কৈ উঠে 'আৰু কিমান দিন মই এইদৰে অপেক্ষা কৰিম? ৰাচাপক ডাক্তৰ কৰিবলৈ আৰু কিমান বছৰ লাগিব?

কিমান বছৰ হ'ল তাক নেদেখা? চাৰিটা নে পাঁচটা বছৰ? এই চাৰি পাঁচ বছৰে তাই জানো কম যন্ত্ৰণাত সময় কটাইছে? পতিৰ ঘৰত পতি অবিহনে কিমান ধৈৰ্য কিমান সহনশীলতাৰে দিন নিয়াব লগা হয় ভুক্তভোগীয়েহে সেই কথা জানে। অথচ যেতিয়াৰ পৰা য়ামা পথাৰত খেতি কৰিব পৰা হ ল হাবিৰ পৰা খৰি লুৰি অনাৰ পৰা আৰম্ভ কৰি শাক কাঠফুলা আদিৰ খাদ্য অখাদ্য বিচাৰ কৰি বুটলি আনিব পৰা হ'ল

তেতিয়াৰ পৰা তাই শহুৰেকৰ ঘৰত আছে। সেই ঘৰতে ৰাচাপ আৰু তাই পতি পত্নীৰ দৰে নহয় ভাই ভনীৰ দৰে একেলগে ডাঙৰ দীঘল হৈছে। বৈচিত্র্যপূৰ্ণ তাইৰ জীৱন। কিন্তু য়ামাইঁতৰ জনজাতিৰ মাজত ইয়ো বহুতো ঘটনাৰ দৰে এটা সাধাৰণ ঘটনা মাথোন। আচলতে তাইৰ নামত মাক-দেউতাক জাতি-কুটুম্বই মিলি মেথোন খাইছিল ৰাচাপৰ ককায়েকলৈ বুলি। কেতিয়া খাইছিল সেই মাংস তাই নাজানে। তাই মাথোন শুনিছে —জন্মৰ এমাহৰ অ'গতেই হেনো চাৰি বোজা মাংস আহিছিল তাইহঁতৰ ঘৰলৈ। তাইৰ জন্মৰ পাছতেই আৰু আহিছিল পাঁচটা মেথোন জীয়া ৰূপত আৰু তিনি বছৰত তিনিটা মেথোন আহিছিল টুকুৰাটুকুৰ অৱস্থাত হোৱাত বন্দী হৈ। তাৰ লগত হেনো আহিছিল চুঙাই চুঙাই আপ গোটা মৰা গাহৰি আৰু বহুতো প্ৰতিশ্ৰুতি বহুতো সপোনৰ কাৰে ঘৰ। কিন্তু তাই গাত কাপোৰ লবলৈ নৌ জানোতেই, মাকৰ বোকোচাত উঠি ফুৰা অৱস্থাতেই হেনো তাই বিধবা হ'ল। তেজ গ্ৰহণীত পৰি ৰাচাপৰ ককায়েক কিশোৰ অৱস্থাতেই ঢুকাল। কাগয়ুঙৰ দুজনী ঘৈণীয়েকৰ পৰা ল'ৰা আছিল মাথোন সেইটোৱেই। ৰাচাপৰ তেতিয়াও জন্ম হোৱা নাই। পুত্ৰহীন কাগয়ুঙে একমাত্ৰ পুত্ৰৰ মৃত্যুত য়ামাক নিজ পত্নী হিচাপে গ্ৰহণ কৰিবলৈ দ্বিধাবোধ নকৰিলে। কেৱল তাই একেবাৰেই সৰু হৈ থকা কাৰণেহে তাইক ঘৰত চপাই লব পৰা নাছিল। কাগয়ুঙে দিন গণি আছিল কেতিয়া য়ামাই গাত কাপোৰ লব কেতিয়া তাই আপং বনাবলৈ শিকিব। য়ামাই আঠ বছৰত ভৰি দিছিলহে মাথোন তেতিয়াই তাইক নিবলৈ মানুহ আহিল। ডিঙিত মণি কঁকালত হুপি পিন্ধাই মাক বাপেকেও তাইক পঠিয়াই দিলে বুঢ়া জোঁৱায়েকৰ লগত। তেতিয়া ৰাচাপ পানী কেঁচুৱা। আৰু তাই ? কাগয়ুঙৰ তৃতীয়া আৰু নব বিবাহিতা পত্নী সংসাৰৰ আও ভাও নুবুজা শাৰীৰিকভাৱে অবিকশিত এজনী ছোৱালী। বুঢ়া পতিয়ে শাৰীৰিক সম্বন্ধ পতাৰ যোগ্য হোৱা নাই বুলি তাইক নিজৰ জীয়েক কেইজনীৰ লগত খেলিবলৈ এৰি থলে। পতিৰ ঘৰলৈ আহি সতিনীৰ ল'ৰা ৰাচাক বোকোচাত লোৱাই তাইৰ প্ৰধান কৰ্তব্য হৈ পৰিল। সেই সময়তেই এদিন কাগয়ুঙক হাবিৰ মাজত কোনোবাই কাটি থৈ গ'ল। দুই-এমাহ ধৰি গাঁৱত সেই লৈ হাই কাজিয়া দা যাঠিৰ খিটিং-খাটাং শব্দ দিন ৰাতি শত্ৰু ফৈদৰ ওপৰত প্ৰতিশোধ লোৱাৰ পৰিকল্পনা আদি চলিল। লগতে চলিল কাগয়ুঙে এৰি থৈ যোৱা ঘৈণীয়েক কেইজনীৰ জীৱনক লৈ টনা আজোৰা। দাম দি অনা মাইকী গতিকে বিধবা হোৱাৰ পাছতো সেই মাইকীক অব্যৱহৃতভাৱে এৰি থব নোৱাৰে। হয় সিহঁত কাগয়ুঙৰে ভায়েকহঁতৰ লগলৈ যাব লাগিব নহয় সিহঁতৰ মাক দেউতাকে মেথোন মাংস আদি ওভোতাই স্বাধীনতা লব লাগিব—যিটো মুঠেই সম্ভৱ নহয়। য়ামাৰ জীৱন লৈ সেই সময়ত টনা আজোৰা চলিল বেচ প্ৰবলভাৱে। অৱশেষত কাগয়ুঙৰ প্ৰথমা দুগৰাকী বিধবা পত্নীৰ যুক্তিয়েই সকলোৱে মানিবলৈ বাধ্য হ'ল। সিহঁতৰ যুক্তি আছিল— ৰাচাপৰ বাবে পিতৃহীন অৱস্থাত এজনী বোৱাৰী নতুনকৈ বন্দবস্ত কৰা সম্ভৱ নহ'ব। নিয়ম মতে য়ামাৰ ওপৰত অধিকাৰ হ'ব লাগে ৰাচাপৰহে। কাৰণ পিতৃৰ মৃত্যুৰ পাছত নিজৰ মাকক এৰি পিতৃৰ বাকী সকলো পত্নীৰ ওপৰত ল'ৰাবিলাকৰ অধিকাৰ

থাকে। ৰাচাপে এতিয়া সক বুলি একো ক'ব নোৱাৰে সেই বুলি তাৰ অধিকাৰৰ পৰা তাক বঞ্চিত কৰি ৰাখিবনে? গতিকে য়ামাই হ'ব ৰাচাপৰ পত্নী।

সেই তেতিয়াৰ পৰাই ৰাচাপক তাই পতি হিচাপে গণ্য কৰি আহিছে ৰাচাপক পিঠিত লৈ ডাঙৰ দীঘল কৰিছে স্কুলত ভৰ্তি কৰাইছে নিজে নাখাই নবৈ আলি খন্দা কামত দিন হাজিৰা কৰি দুই এপইচা অৰ্জন কৰিছে আৰু তাৰে ৰাচাপৰ কাপোৰ কানি চাবোন তেল ইত্যাদিৰ খৰচ যোগান ধৰি আহিছে। ৰাচাপ আছিল পঢ়াশুনাত ভাল। হায়াৰ ছেকেণ্ডেৰিটো পাছ কৰাৰ দিনাখন খবৰটো তাইক দি সি ক'লে 'বুজিছ মই ফাষ্ট ডিভিজনত লেটাৰ পাই পাছ কৰিছোঁ। সেইবোৰ কথা তই নুবুজিবি। মাথোন ইমানেই জানি থবি তোৰ এই পতি কম মানুহ নহয়। পাছ মুহূৰ্ততে মাতত দুখ আৰু নিৰাশাৰ ভাব টানি আনি সি ক লে পঢ়া শুনাত ভাল হ লেও কিবা জানো লাভ আছে? ডাঙৰ মানুহ হ বলৈ হ লে অকল বুদ্ধি থাকিলেই নহয় পইচাও থাকিব লাগিব। মোৰ ইচ্ছা মই এজন ডাক্তৰ বা ইঞ্জিনিয়াৰ হম বহুত টকা উপাৰ্জন কৰিম ধুনীয়া বিল্ডিং সাজিম গাড়ী কিনিম আৰু তোক লগত লৈ সুখেৰে থাকিম। কিন্তু অৰুণাচল চৰকাৰে যিমান টকা ষ্টাইপেণ্ড হিচাপে দিয়ে তাৰে ডাক্তৰী ইঞ্জিনিয়াৰি পঢ়িব পাৰিম জানো? গতিকে পঢ়িবলৈ ইচ্ছা থাকিলেও সকলো বাদ। আৰু তো উপায় নাই।

তাৰ বাবে কিমান টকা লাগিব? তাই হঠাতে সুধি পেলালে।

জানি তই কি কৰিবি? ৰাচাপে ওলোটাই তাইক জেৰা কৰিলে।

বহুত। বহুত টকা লাগিব। তাৰ পাছত ৰাচাপে কৈ গ ল কলেজত পঢ়িলে তাৰ কি কি খৰচ হ'ব পাৰে চৰকাৰৰ ষ্টাইপেণ্ডৰ বাহিৰেও মাহে কিমান টকা ঘৰৰ পৰা পঠিয়াব পাৰিলে তাৰ চলি যাব—ইত্যাদি কথা। সেই কথাবোৰ শুনি তাইৰ চিন্তা হ'লেও মুখেৰে অভয় বাণী শুনাই তাই মাথোন কৈছিল — বছ ইমানেই? তই নিৰাশ হৈছ কিয়? মই তোক খৰচ দিম। মাহে-মাহে তিনি-চাৰি শ টকা যেনেতেনে যোগাৰ কৰি পঠিয়াম। তই মাথোন ডাঙৰ মানুহ হোৱাৰ পাছত আমাক পাহৰি নাযাবি?

'মাহে মাহে ইমান টকা তই ক ৰ পৰা যোগাৰ কৰিবি?

কাইলৈৰ পৰাই মই কাপোৰ ব'বলৈ আৰম্ভ কৰিম। ছুৰেটোৰ গুঠিম। আজিকালি ৰাস্তা সজাৰ ঠিকাও পোৱা যায়। পালে ঠিকাদাৰিও কৰিম।

তই জানো ঠিকাদাৰি কৰিব পাৰিবি?

পাৰিম। তোৰ কাৰণে মই সকলো কাম কৰিব পাৰিম। মাথোন তই ডাঙৰ মানুহ হবি। তই যেতিয়া ডাঙৰ মানুহ হবি তেতিয়া মই আৰাম কৰিম।

ৰাচাপে আবেগত তাইক সাবটি ধৰি চুমা খালে আৰু ক লে তোতকৈ ভাল মাইকী পৃথিৱীত ক তো নাই।

চৰকাৰৰ সৌজন্যত ৰাচাপে পণ্ডিছেৰিত ডাক্তৰী পঢ়িবৰ বাবে স্থান পাই গুচি গ'ল।

ৰাচাপ যোৱাৰ কিছুদিন পাছতেই জীৱনত পোন প্ৰথমবাৰৰ বাবে চিঠি এখন পাইছিল য়ামাই। চিঠিখন পাই তাইৰ মনত যি এক আবেগ উৎকণ্ঠা আৰু আনন্দৰ

সোঁত বৈছিল কিন্তু তাই বিমোৰতো পৰিছিল। বিমোৰত পৰাৰ কাৰণ—তাই চিঠিখন পঢ়িব নাজানে। গতিকে অন্য কাৰোবাৰ হতুৱাই চিঠিখন পঢ়াব লাগিব। হওঁতে গাঁৱত লিখা পঢ়া জনা মানুহ নোহোৱা নহয়। সেইবুলি সকলো মানুহকেতো চিঠিখন দেখুৱাব নোৱাৰি! চিঠিখনত বা কি লিখা আছে! যদি চিঠিখনে মনৰ গোপন খবৰ আনিছে! গতিকে বিশ্বাসযোগ্য আৰু বন্ধুভাবাপন্ন কোনো মানুহৰ হতুৱাইহে চিঠিখন পঢ়াব পৰা যাব। চিঠিখন আহিলে তাই যে এনেকুৱা এটা সমস্যাৰ সম্মুখীন হ ব সেইকথা তাই আগতে ভবাই নাছিল।

বহুতো আগ পাছ গুণি অৱশেষত তাই স্কুলত পঢ়ি থকা নিজ ভাই সম্বন্ধীয় ল'ৰা এজনৰ কাষ চাপিল। ল'ৰাটোৱে চিঠিখন পঢ়িলে হয় কিন্তু সকলোখিনি কথা তাইৰ আগত ভাঙি পাতি ক'ব নোৱাৰিলে। হয়তো ৰাচাপৰ ভাষা সি ভালদৰে বুজি নাপালে বা যদিও বুজি পাইছিল সেইখিনি নিজ বায়েকৰ লেখীয়া তিৰোতা এজনীক খুলি ক'বলৈ সি লাজ কৰিলে। সেই তেতিয়াই তাই প্ৰথম অনুভৱ কৰিলে লিখা পঢ়া নজনাটো কিমান লাজ আৰু অসুবিধাৰ কথা। কিন্তু লিখাপঢ়া শিকিবলৈ এতিয়া আৰু তাইৰ কোনো উপায় নাই। গতিকে সেইদিনাৰ পৰা ল'ৰাটোৱেই তাইৰ একমাত্ৰ ভাৰসাৰ থল হৈ পৰিল। ৰাচাপৰ চিঠি তাইক পঢ়ি শুনোৱা আৰু ৰাচাপলৈ তাইৰ চিঠিখন লিখি দিয়া তাৰ কৰ্তব্য হৈ পৰিল। সময়ত তাৰ সংকোচ নাইকিয়া হ ল আৰু সি চিঠিখনত থকা সকলো খুটি নাটি কথা তাইক ভাঙি পাতি ক ব পৰা হ ল।

য়ামাই তাইৰ প্ৰতিশ্ৰুতি ৰাখিলে। অশেষ কষ্ট কৰি তাই টকা উপাৰ্জন কৰিবলৈ ধৰিলে ঠিকাদাৰি কৰি ছুৱেটাৰ গুঠি কাপোৰ বৈ। নিজে নাখাই নবৈ তাই ৰাচাপক পঢ়াৰ খৰচ যোগান ধৰিলে। তাইৰ মাথোন এটাই সপোন —এদিন ৰাচাপ ডাক্তৰ হ'ব তাইৰ দুখৰ অন্ত পৰিব। তাই ডাক্তৰ চাহাবৰ মেমচাহাব হ'ব ধুনীয়া বাংলোত থাকিব ধুনীয়া গাড়ীত উঠি ফুৰিব।

সময় বাগৰিল। এদিন ৰাচাপে লিখিলে মই ডাক্তৰ হৈ অৰুণাচললৈ ওভতি যোৱাৰ সময় হৈছে। চৰকাৰে মোক ক ত প'ষ্টি দিয়ে ক ব নোৱাৰোঁ। কিন্তু তোৰ দুখৰ অন্ত পৰিল। এতিয়া মই তোক সুখত ৰাখিম। চিঠিখনৰ মৰ্ম বুজাই দিয়াৰ পাছত সেইদিনা য়ামাই চকুপানী টুকিছিল। সাৰ্থকতা আৰু আনন্দৰ চকুপানী।

চিঠিখন অহাৰ কিছুদিন পাছতেই এদিন ৰাচাপ ঘৰ ওলালহি। ঘৰত এসপ্তাহমান থাকি সি চাকৰিৰ ঠাই আনিনিলৈ গুচি গ ল। য়ামাই আশা কৰিছিল তায়ো গিৰিয়েকৰ লগত যাব। কিন্তু ৰাচাপে তাইক ক লে আনিনি একেবাৰে ভিতৰুৱা ঠাই। বম্বিঙৰ পৰা তেৰ চৈধ্য দিন খোজকাটি যাব লাগে। গতিকে তই যাব নালাগে। এবছৰমানৰ ভিতৰতেই মই অন্য ভাল ঠাইলৈ ট্ৰেন্সফাৰ লম। তেতিয়া তোক লৈ যাম।

যদিও কষ্টকৰ জীৱনৰ প্ৰতি তাইৰ অকণো ভয় নাছিল তথাপি গিৰিয়েকৰ কথা তাই মানি ললে। তাইক এৰি ৰাচাপ গুচি গ ল আনিনিলৈ।

ৰাচাপৰ পৰা তাই চিঠি পায় মাজে-মাজে। কেতিয়াবা তাইৰ নামত টকাও আহে ৰাচাপৰ পৰা। তেনেকৈ এটা বছৰ পাৰ হৈ গ'ল। ৰাচাপ ঘৰলৈও নাহিল আনিনিৰ পৰা তাৰ ট্ৰেন্সফাৰো নহ'ল। তেনেকৈ আৰু এটা বছৰ বাগৰিল। তাৰ পাছতে

ৰাচাপৰ ট্ৰেন্সফাৰ হ'ল টোৱাঙলৈ। ইয়ো অৰুণাচলৰ অন্য এক প্ৰান্তৰত অৱস্থিত। ৰাচাপ আনিনিৰ পৰা পোনে-পোনে টোৱাঙলৈ গ'ল। তাৰ পৰা ৰাচাপে লিখিলে — অতি সোনকালে তোক আনিবলৈ যাম বুলি ভাবিছোঁ। তই তৈয়াৰ হৈ থাকিবি।

ৰাচাপৰ কথামতে তাই যাবৰ বাবে সম্পূৰ্ণ সাজু হৈ বাট চাবলৈ ধৰিলে। কিন্তু ৰাচাপ অহা দূৰৰ কথা ছয়-সাত মাহলৈকে ৰাচাপৰ পৰা তাই চিঠি এখনো নাপালে। বাট চাই চাই যেতিয়া তাইৰ ভাগৰ লাগিল ঠিক তেতিয়াই তাই ৰাচাপৰ পৰা চিঠি এখন পালে। চিঠিখনৰ ওপৰে-ওপৰে তাই এনেয়ে এবাৰ চকু ফুৰালে। ইমান দিনে চিঠি নিদিয়াৰ বাবে হঠাৎ চিঠিখন দেখাৰ পাছত আনন্দৰ লগতে এক অনামী অভিমানত তাইৰ বুকুখন ফুলি উঠিল। ইচ্ছা হ ল তাইৰ সেইখন চিঠিৰ ওপৰতে অভিমান ব্যক্ত কৰাৰ কিন্তু তাইৰ খ, নিজৰ বুকুতে মাৰ নিয়াব লগা হ ল। চকুপানীৰ স তে আনন্দৰ ঢৌ এটাই আহি যেন তাইৰ সমস্ত দুখ বেজাৰ মান অভিমান উটুৱাই নিব খুজিলে। আলফুলে চিঠিখন ছুৰেটাৰৰ জেপত ভৰাই তাই গাঁৱৰ স্কুলৰ ছোৱালী এজনীৰ কাষ চাপিল। আজি দুবছৰমানৰ পৰা সেই ছোৱালীজনীয়েই য়ামাক চিঠি পঢ়ি শুনোৱা আৰু লিখি দিয়াৰ ভাৰ লৈছে কাৰণ য়ামাক সেই কাম কৰি দিয়া ল ৰাজন ইতিমধ্যে স্কুল এৰি কলেজত পঢ়িবলৈ আঁতৰি গৈছে। ছোৱালীজনীয়ে চিঠিখন লৈ খুলিলে। তাইৰ চিৰাচৰিত অভ্যাসমতে ভুনভুনকৈ চিঠিখন আৰম্ভৰ পৰা শেষলৈকে পঢ়ি গ'ল। য়ামাই বহুত উৎকণ্ঠাৰে চিঠিখনৰ মৰ্ম বুজাই দিয়ালৈ বাট চাই ৰ ল। য়ামাই লক্ষ্য কৰিলে চিঠিখন পঢ়ি ছোৱালীজনীৰ মুখখন শেঁতা পৰি গৈছে তথাপি তাই অতি মনোযোগ দি চিঠিখন পঢ়িছে আৰু কিবা এটা যেন বুজি পোৱা নাই তেনে ভাবেৰে চিঠিখন পুনৰ আৰম্ভণিৰ পৰা পঢ়িবলৈ আৰম্ভ কৰিছে। শেষ কৰি কিছুসময় তাই বজ্ৰপাত পৰা মানুহৰ দৰে থৰ হৈ য়ামাৰ চকুলৈ চাই থকাৰ পাছত আমন জিমনকৈ চিঠিখন জাপি য়ামাৰ হাতত দি ক লে —

'আপুনি মিছাকৈ গোটেই জীৱন কষ্ট কৰি মৰিলে। ৰাচাপ এতিয়া ডাঙৰ মানুহ হ'ল নহয় গতিকে আপোনাৰ লগত থাকি তেওঁ সুখ পাব বুলি আপুনি ভাবিছিল নেকি ?

কি হ'ল ? উৎকণ্ঠিতভাৱে য়ামাই সুধিলে।

কি হ'ব আকৌ। যি হ'ব লগা আছিল সেয়ে হ ল। আপোনাৰ পৰম পূজনীয় দেৱতুল্য ডাক্তৰ চাহাবে লিখিছে কি জানে ? লিখিছে —তোৰ দৰে এজনী তিৰোতাক পত্নী ৰূপে ৰাখি ছোছাইটিত মোৰ স্থান মোৰ সন্মান তললৈ যোৱাটো সকলোৰে হাঁহিয়াতৰ পাত্ৰ হোৱাটো মই নিবিচাৰোঁ। গতিকে মই মোৰ সহকৰ্মী লেডি ডাক্তৰ মিছ ছিলডিয়া লিংডোক বিয়া কৰালো। আৰু কিবাকিবি ঢেৰ কথা লিখা আছে। মোৰ মন গৈছে ভালদৰে উত্তৰ দিয়াৰ। প্ৰয়োজন হ'লে আপুনি ৰাচাপৰ তালৈ গুচিয়েই যাওক। গৈ আপোনাৰ স্থান জোৰকৈ অধিকাৰ কৰক। কি কয় আপুনি ?

বহুত পৰ মৌন হৈ থকাৰ পাছত য়ামাই লাহেকৈ ক'লে 'ডনি প'লই ইয়াৰ সুবিচাৰ এদিন কৰিব। এতিয়া মাথোন মই মনে-মনে থাকিব খোজোঁ —যাতে বাচাপৰ সুখত মই বিঘিনি নজন্মাওঁ।

কথাখিনি কৈ তাই লাহেকৈ উঠি গুচি আহিল।

১৬।১২।৮৬

নিৰ্বান্ধৱ

মনোজ কুমাৰ গোস্বামী

আবেলি অফিছৰ পৰা ঘূৰি আহোঁতে বিষ্ণু দত্তই এখন নতুন ইনলেণ্ড লেটাৰ কাৰ্ড হেৰাই পালে। গলিৰ মোৰটোত তেওঁ সোমাবলৈ লৈছিল শ্লথ খোজ অফিছৰ স্তূপীকৃত ফাইলৰ ধূলি আৰু দুৰ্গন্ধ তেওঁৰ গাত মাটিত পৰি থকা ইনলেণ্ড লেটাৰ কাৰ্ডখন আগত লৈ তেওঁ এক মুহূৰ্ত ৰ'ল। চাৰিওফালে চালে। শূন্য এটা গলি কিছুদূৰত এখন পৰিত্যক্ত ঘোঁৰাগাড়ী এখন বন্ধ পাণদোকান ৰাস্তাৰ কাষত এশাৰী ষ্টেনচিপচৰ দম আৰু অদূৰৰ পাৰ্কখনৰপৰা এজাক ক্ৰীড়াৰত ল'ৰা ছোৱালীৰ উল্লাসিত কলৰব উৰি আহিছে।

বিষ্ণু দত্তই ইনলেণ্ড লেটাৰ কাৰ্ডখন তুলি ললে তৰ্জনী আৰু বুঢ়া আঙুলিৰে। যদিও বৰ অপ্ৰয়োজনীয় বস্তু যেন লাগিল এই নীলা কাগজটুকুৰা তথাপি তাক তেওঁ চোলাৰ জেপত ভৰাই থলে।

তেতিয়া পৃথিৱীৰ শৰীৰৰ পৰা ক্ৰমশ চাৰিওপিনে আন্ধাৰ বিয়পি পৰিছে। ক্লান্ত খোজেৰে বিষ্ণু দত্ত ঘৰৰ সন্মুখ পালেগৈ। চোলাৰ জেপত খেপিয়াই ছাবিপাত উলিয়াওঁতে ইনলেণ্ড লেটাৰ কাৰ্ডখনৰ স্পৰ্শ তেওঁৰ হাতত লাগিল। দুৱাৰখন খোলাৰ লগে লগে কোঠাটোৰ শূন্যতাই তেওঁক আদৰণি জনালে। লাইটটো জ্বলালে তেওঁ। অলস দৃষ্টিৰে চাই তেওঁ দেখিলে ঘৰটোৰ বেৰত মকৰাজাল চুকত ছিগাৰেটৰ খালী বাহ দুৱাৰৰ ওচৰত হকাৰে দলিয়াই থৈ যোৱা বাতৰি কাকত মেজত আৰু বিছনাত খেলিমেলি হৈ থকা অফিছৰ ফাইল আৰু কাগজ আলনাত আৰু বেৰৰ হেঙাৰত বিভংগ ভংগীৰে কেইটামান চোলা আৰু পেণ্ট ।

গাৰ পৰা চোলাটো খুলি আলনালৈ দলিয়াবলৈ লৈ বিষ্ণু দত্ত ৰ'ল চোলাটোৰ জেপত থকা ইনলেণ্ড লেটাৰ কাৰ্ডখনে খচমচাই উঠি তাৰ অস্তিত্ব জনাই দিছে। জেপৰ পৰা উলিয়াই ভাঁজ খুলি তেওঁ সেইখন মেজৰ ওপৰলৈ দলিয়াই থলে। চাহ কাপৰ যোগাৰটো কৰি মুখ হাত ধুই উঠি বিষ্ণু দত্তই তেওঁৰ অৱসাদগ্ৰস্ত দেহ বিছনাত পেলাই দিয়ে। ওপৰৰ চালখন কিছু উকখিছে আজিকালি অলপ বতাহ বৰষুণ দিলেই পানীৰ চিটিকনি সোমাই আহে। তেওঁ ভাবিলে —ভাৰাঘৰৰ মালিকক কথাটো আকৌ এবাৰ ক'ব লাগিব। মজিয়াখনো ফাটি চিটি গৈছে। আজিকালি ঘৰটোৰ ভিতৰত তেওঁ অনবৰত এটা সেমেকা শীতলতা অনুভৱ কৰে।

লাহে লাহে ক্ষয় যোৱা এটা ঘৰ তাৰ ভিতৰত লাহে লাহে ক্ষয় যোৱা এটা মানুহৰ ৰূপত বিষ্ণু দত্ত পৰি থাকে। দৈহিক আৰু মানসিক শক্তিবোৰ ক্ষীয়মাণ

—হাত মেলিলেই ঢুকি পোৱাতে বাতৰি কাকতখন আনি থোৱা আছে যদিও পৃথিৱীৰ সমস্ত খবৰ এতিয়া তেওঁৰ নিষ্প্রয়োজন যেন বোধ হৈছেগৈ। এইদৰে বিছনাত পৰি থাকিলে কিছুসময়ৰ পাছতে তেওঁৰ টোপনি আহিবগৈ কিন্তু এতিয়া তেওঁ নিশ্চিত যে তেওঁ আৰু কোনোধৰণৰ সপোন দেখা নাপায়।

এক ভয়ংকৰ নি স গতা আৰু বিচ্ছিন্নতাবোধে তেওঁৰ অৱসাদগ্ৰস্ত শৰীৰৰ ওপৰত জঁপিয়াই পৰাৰ আগে আগে বিষ্ণু দত্ত জঁাপ মাৰি উঠি বহিল।

এৰা মেজৰ ওপৰত এটুকুৰা নীলা আকাশৰ দৰে উকা ইনলেণ্ড লেটাৰ কাৰ্ডখন আছে। চকীখন টানি আনি বহি তেওঁ টেবুল লাইটটো জ্বলালে। হাতত ললে তেওঁৰ অফিছত কাম কৰা পুৰণি কলমটো তাৰ পাছত তেওঁ ইনলেণ্ড লেটাৰ কাৰ্ডখন মেলি ললে।

এখন চিঠি লিখিব খুজিলে বিষ্ণু দত্তই। বহু বছৰ তেওঁ কালৈকো ব্যক্তিগতভাৱে চিঠি লিখা নাই। সেইদৰে কোনেও তেওঁলৈ চিঠি লিখাৰ প্ৰয়োজনবোধ কৰা নাই। তিনিজনী বায়েক ভনীয়েকক সুপাত্ৰত গত্যোৱাৰ পাছত দুটাকৈ ভায়েকক সুসংস্থাপিত কৰাৰ পাছত আৰু ঘৰখনৰ ডাঙৰ ল ৰা হিচাপে শেষমুহূৰ্তলৈকে অসুখীয়া মাকক শুশ্ৰূষা কৰাৰ পাছত নিজৰ পিনে চাই বিষ্ণু দত্তই দেখিলে— তেওঁৰ শৰীৰত প্ৰৌঢ়তা। সময়ে খুব দক্ষ শিল্পীৰ দৰে চুলিত আঁকি দিছে এডাল দুডাল ৰূপালী ৰেখা চকুৰ কোণত মকৰাজালৰ দৰে সাঁচ মুখত স্বাস্থ্যহীনতাৰ ছবি আৰু ইতিমধ্যে কক্ষচ্যুত উপগ্ৰহৰ দৰে তেওঁৰ ওচৰৰ পৰা ক্ৰমশ আঁতৰি গৈছে সকলো আত্মীয় স্বজন —অৱশ্যে তেওঁ সম্পূৰ্ণৰূপে নিষ্পেষিত হোৱাৰ পাছত। এতিয়া আৰু কোনেও তেওঁৰ সুখ দুখৰ ভাগী হ বলৈ নিবিচাৰে। ৭ ন ধৰ্মতলা বাই লেনৰ ভাড়াঘৰ এটাত বিষ্ণু দত্ত নামৰ যে এজন শুভাকাংক্ষী আছে সিহঁতে এতিয়া আৰু তাক স্বীকাৰ কৰিব নোখোজে। হয়তো বিষ্ণু দত্তই ভাবে তেওঁৰ ব্যক্তিত্বৰ ধাৰসমূহ লাহে লাহে ক্ষয় হৈ আহিছে বা তেওঁৰ অস্তিত্বৰ অভিজ্ঞানসমূহেও লাহে লাহে তেওঁক ত্যাগ কৰিছে আৰু তেওঁ ক্ৰমশ এটা নিৰ্বিশেষ নিস্বাদ প্ৰাণীলৈ পৰিণত হৈছে। গতিকে আজিকালি আৰু বিষ্ণু দত্তই নিজে নিজৰ কথা নতুনকৈ একো ভাবিব নোখোজে বা ভাবিব নোৱাৰে। চহৰখনৰ অফিছ এটাত তেওঁ এটা সৰু চাকৰি কৰে সামান্য ভাৰাৰে এটা সাধাৰণ ঘৰত থাকে (য ৰ পৰা তেওঁৰ অফিছলৈ ছিটি বাছেৰে পঞ্চাছ পইচাৰ দূৰত্ব) ঘৰ অফিছ বজাৰ ঘৰ এয়াই হ'ল তেওঁৰ দিনানুদৈনিকতা। আৰু এটা সময়ত তেওঁ ধৰি লৈছে —এই ধৰণেই বাকীকেইটা দিন তেওঁ নিৰুদ্বেগভাৱে কটাই দিব পাৰিব।

কিন্তু আজি তেওঁৰ এই বিশৃ খল টেবুলৰ ওপৰত ইনলেণ্ড লেটাৰ কাৰ্ডখন পৰি আছে —আকাশনীলা এটুকুৰা কাগজ। আজি এই সময়ত বিষ্ণু দত্তৰ মনে নিজৰ এই নিংস গতা মানি লব নুখুজিলে। তেওঁ যেন নিংসন্দেহ এই পৃথিৱীত কৰবাত নিশ্চয় তেওঁৰ অন্তৰংগ কোনোবা এজন আছে—যি এতিয়াও বিষ্ণু দত্ত সম্পৰ্কে ভাবে চিন্তিত হয়।

কোন সেইজন ? কোন হ'ব পাৰে ? থুতৰিত হাত দি বিষ্ণু দত্ত চিন্তামগ্ন হৈ পৰে। তেওঁৰ আত্মীয়সমূহৰ কথা বাদ দি থলে তেওঁ। এতিয়া আৰু তেওঁ নিশ্চিত যে সিহঁতে তেওঁক অপাংক্তেয় বুলি ভাবে। বহু দূৰৰ এখন চহৰত তেওঁৰ সৰু ভায়েকজন থাকে যি এসময়ত তেওঁৰ খুব মৰমৰ আছিল। সেই ভায়েকজনৰ ফুলৰ দৰে নিষ্পাপ সৰল ল'ৰা ছোৱালী দুটাৰ কথা ৰৰকৈ মনত পৰে তেওঁৰ। কিন্তু সিহঁতৰ ওচৰলৈ যাবলৈও তেওঁ সাহ গোটাব পৰা নাই। কাৰণ তেওঁৰ ভায়েকজন—যি সৰ্বদা সংসাৰ আৰু চাকৰিৰ কেৰিয়াৰ লৈ ব্যস্ত যি পত্নীক কিনি দিছে টিভি ফ্ৰিজ আদি মধ্যবিত্তৰ বিভিন্ন প্ৰয়োজনীয় সামগ্ৰী —সেই ভায়েকজন স্পষ্টত বিষ্ণু দত্তৰ উপস্থিতিত বিৰক্ত হয় কিবা এক অজ্ঞাত কাৰণত। কিন্তু দত্তই ভাবিলে সেই সৰু সৰু ভতিজাক কেইটালৈওটো চিঠি এখন লিখিব পাৰি। কলমটো সাজু কৰিলে। তেওঁ প্ৰথম শব্দটো লিখিবলৈ লৈ থমকি ৰ'ল। এৰা সিহঁতলৈ চিঠি লিখিব পৰা নাযাব ল'ৰাটোৰ এবছৰ হৈছেহে ছোৱালীজনীৰ সম্ভৱত তিনিবছৰ হোৱাই নাই। সিহঁতে বাৰু আখৰ চিনিব পাৰিব কেনেকৈ ? বাৰু বিষ্ণু দত্তই নিজকে প্ৰবোধ দিলে তেওঁ চিঠিখন লিখিব অতীতত তেওঁৰ সংস্পৰ্শলৈ অহা কোনো বন্ধু বান্ধৱ বা শুভাকাংক্ষীলৈ। সম্বোধনটো বাদ দি তেওঁ চিঠিখন আৰম্ভ কৰিলে।

আশাকৰো ভালে আছ। আজি বহুদিন হ'ল তোৰ খা খবৰ পোৱা নাই। নাজানো তই ক'ত আছ কি কৰিছ বা জীয়াই আছ নে নাই।

ইমান দূৰলৈ আঁতৰি যোৱাৰ আগেয়ে তই মোৰ কথা অন্তত ভবা উচিত আছিল। তই হয়তো নাজান কি আকুলতাৰে মাজে মাজে তোলৈ মোৰ মনত পৰে। তোৰো বাৰু মনত নপৰেনে ।

বিষ্ণু দত্ত ৰ'ল। টেবুল লাইটৰ শেডখন ভালদৰে পোনাই ললে। মেজৰ ওপৰত পোহৰ এটা নিখুত বৃত্ত কোঠাটোত মাথোঁ বিচ্ছুৰিত অস্পষ্ট পোহৰ। সেই অস্পষ্টতাৰ মাজেৰে চাই তেওঁ দেখিলে কোঠাটোত এচুকত এখন খালী চকী এখন শূন্য বিছনা আৰু গোটেই কোঠা ভৰা বিশৃংখলা।

তেওঁ বাৰু চিঠিখন কালৈ লিখিব ? লাহে লাহে গৰম চাহ কাপ খাই তেওঁ ভাবি গ'ল। তেওঁৰ সেই গাঁৱৰ পুৰণি বন্ধুবৰ্গ বাৰু অপূলৈ লিখিব পাৰি নেকি ? বা পুলিনলৈ ? বিষ্ণু দত্তই লিখি গ'ল—

তোৰো বাৰু মনত নপৰেনে সেই যে আমি দুপৰীয়াৰ নদীৰ ওচৰলৈ গৈছিলো কি স্তব্ধ আছিল তাৰ পাৰ। সেই যে আমি গধূলি ৰবাব টেঙাৰ বল লৈ আঁহত জোপাৰ তলত খেলিছিলো তেতিয়া যে সূৰ্যটোৱেও আমাৰ খেল চাবলৈ বৈ বুৰিবলৈ পাহৰি গৈছিল। বা মাজে মাজে তোৰ মনত নপৰেনে তাহানি কুল মাষ্টৰে ইস্কুলত পঢ়োৱা কোনো পাঠ অথবা নতুনকৈ শিকা কোনো এটা গানৰ কলি ?

কিন্তু দত্তই আকৌ ভাবিলে সিহঁত বা ক'ত আছে ? পুলিনে ডিব্ৰুগড়ত কিবা এটা চাকৰি কৰে বুলি তেওঁ শুনিছিল অপূহঁত সেইখন গাঁৱৰপৰা কৰবালৈ উঠি গ'ল কেতিয়াবাই, এতিয়া সিহঁতৰ ঠিকনাওতো তেওঁ নাজানে। তকণো খুব ভাল বন্ধু

আছিল তেওঁৰ নগাঁয়ৰ কলেজ এখনত সি চাকৰিত সোমাইছিল কিন্তু আজি কেইবছৰমানৰ আগেয়ে সি আত্মহত্যা কৰিলে।

কলম কামুৰি দত্ত বৈ থাকে। বাৰু তেন্তে কালুখুৰালৈকে দুআষাৰ লিখা যাওক। মানুহটোৰ খবৰ বাতৰি একোৱেই নোপোৱা হ'ল তেওঁ। আজি চৈধ্য বছৰমানৰ আগেয়েই তেওঁ কালুখুৰাক শেষবাৰৰ বাবে লগ পাইছিল। বৰ অসুখীয়া হৈ পৰিছিল মানুহটো। কেইবাটাও ভয়ানক বেমাৰে গাত বাহ লৈছিল। কালুখুৰাৰ ঠিকনাটো দত্তই জানে তেওঁলৈ চিঠিখন লিখাই ভাল হ'ব। আ ! কি বিৰাট ব্যক্তিত্ব মানুহটোৰ ! কি সাৱলীলতাৰে তেওঁ ভাওনাৰ বচন মাতিছিল সিইঁতক ভাও দিবলৈ শিকাইছিল বুজাই দিছিল অতি সহজকৈ ইস্কুলৰ টান পাঠ। আনকি এদিন গাঁৱৰ খেতিয়ক আৰু মাটিৰ মালিকবিলাকৰ মাজত যেতিয়া দুৰ্বাদল সংঘৰ্ষ লাগিল কালুখুৰায়েইতো খেতিয়কবোৰক নেতৃত্ব দিছিল সমুখৰ শাৰীত থৈ ।

দত্তই একান্তমনেৰে লিখিলে—

বাৰু তোৰ খবৰ কি ? সেই সেউজীয়া আৰু নীলাৰ মাজত যে মই তোক এৰি থৈ আহিছিলো তই সেই ঠাইত আৰু সেই মানুহৰ মাজত এতিয়াও আছনে বাৰু ? মোৰ কথানো কি লিখিম এতিয়া মই বৰ দুখী মানুহ অ। নদীহীন আকাশহীন নিৰ্বাত এটা মানুহ। এতিয়া মোৰ বোধ হৈছে যদিও আমি ভাবোঁ মানুহ অতি মাত্ৰাই আত্মপ্ৰেমিক আচলতে কিন্তু সি নিজকেই ভাল পায় সকলোতকৈ কম কিয়নো একান্তৰূপেই নিজৰ স'গ তাৰ অসহ্য। বাৰু বাদ দে সেইবোৰ কথা তোৰ স্বাস্থ্য পাতিৰ যত্ন লবি এতিয়া বুঢ়া হৈছ আগৰ দৰে টলৌ-টলৌকৈ ঘূৰি নুফুৰিবি

চক খাই বিষ্ণু দত্ত বৈ গ'ল। কালুখুৰা জীয়াই আছে বুলি তেওঁ নিশ্চিত নে ? চৈধ্যবছৰ আগেয়ে তেওঁ মানুহটোক লগ পাইছিল। বয়স আৰু ব্যাধিয়ে পৰাজিত কৰা জীৰ্ণ এটা শৰীৰেৰে আঁঠুত মূৰ থৈ মানুহটো ঘৰৰ পিৰালিত বহি আছিল। সেই মানুহটো এই মুহূৰ্তলৈকে জীয়াই থকাৰ কথা কল্পনা কৰাটো ধৃষ্টতা নহয়নে ? আৰু সেয়ে যদি হয় তেওঁৰ এই চিঠিখনে সেইখন ঘৰলৈ গৈ এটা তামাছাৰ সৃষ্টি নকৰিবনে ? বৰ দুখ মনেৰে শেষৰ বুজনিমূলক শাৰীটো দত্তই কাটিলে আৰু কালুখুৰালৈ চিঠি লিখাৰ চিন্তাটো বাদ দিলে।

কিন্তু চিঠিখনতো কাৰোবালৈ লিখিব লাগিব ! কালৈ ? ভাতকেইটা খাই বিছনাত পৰাৰ পাছতো চিন্তাটো তেওঁৰ মনৰ পৰা নগ'ল। জীৱন্ত পৃথিৱী পাৰ হৈ অতীতৰ কুঞ্জ ঝাটিকাচ্ছন্ন স্মৃতিলোকত তেওঁ ভাঁহি ফুৰে। হাহাকাৰ কৰি বিচাৰি ফুৰে কোনো চিনাকি মুখ অন্তৰংগ মন। এসময়ত তেওঁৰ টোপনি আহিল। বিষ্ণু দত্ত বিছনাত ঢলি পৰিল

পাছদিনা স্বাভাৱিক ব্যস্ততাৰে তেওঁ অফিছলৈ গ'ল। যোৱা গোটেই ৰাতি খুব বৰষুণ দিছিল এতিয়া এছফাল্টৰ ৰাস্তাৰ পৰা বাষ্পৰ দৰে কিবা উৰি আছে। দুপৰীয়া আকৌ বৰষুণ আহিল। অফিছ ঘৰটোৰ ওপৰৰ টিংপাতত বৰষুণৰ দ্ৰুত খোজৰ শব্দ তেওঁ ভীষণ কৰ্মব্যস্ততাৰ মাজতো উপভোগ কৰে। মনত পৰে মনত পৰে তেওঁৰ

কৈশোৰ আৰু প্ৰথম যৌবনৰ দিনবোৰৰ কথা। সেই সেউজীয়া দিনবোৰ আজি এই বৰষুণৰ শব্দত তিতি বুৰি বিষ্ণু দত্তৰ ওচৰলৈ উভতি আহে।

সেইদিনা ৰাতি বিষ্ণু দত্তই ঠিক কৰিলে চিঠিখন তেওঁ অলীলৈ লিখিব। নাই নাই তেওঁ আৰু বুকুৰ মাজত কোনো জোকাৰ অনুভৱ নকৰিলে। প্ৰেম ? এসময়ত হয়তো তেনে এক অদ্ভুত সম্পৰ্ক আছিল অলী আৰু তেওঁৰ মাজত যি উত্তৰণ হ'বলৈ নাপালে। কিন্তু আজি সেই চাঞ্চল্য বা অন্য অনুভূতি নিচেই দুৰ্বল হৈ পৰিছে। এতিয়া তেওঁ অলীলৈ যিখন চিঠি লিখাৰ কথা ভাবিছে সেইখন মাথোঁ সাধাৰণ বন্ধুতা বা শুভেচ্ছাৰ চিঠি।

তোৰ কথা মনত পৰা মানেই নিজৰ কথা মনত পৰা। কিমান দিন তোৰ ওচৰত মই কিমান অন্যায় আব্দাৰ কৰিছিলো কিমান অভিমান দেখুৱাইছিলো বা বিচাৰিছিলো কিমান অযথা মৰম —আজি ভাবিলে হাঁহিয়েই উঠে। আচলতে এটা বয়স আহে যেতিয়া আমি নিজৰ আবেগ অনুভূতিবোৰ খেলনাৰ দৰে ব্যৱহাৰ কৰোঁ। খুব স্বাৰ্থপৰৰ দৰে ভাবি পেলাওঁ মোকেই কেন্দ্ৰ কৰি গোটেই পৃথিৱীখন ঘূৰি আছে। আশা কৰোঁ আজি সেই সকলোবোৰ তই ক্ষমাই বুলি ধৰি লৈছ। মই নি সন্দেহ এতিয়া তই সুখী —তোৰ চাৰিওপিনে নিটোল পৰিপূৰ্ণতা। আৰু মইতো তাকে বিচাৰিছিলো

কোনোবা এদিন এটা ৰৌদ্ৰতপ্ত দুপৰীয়া এই নীলা ইনলেণ্ড লেটাৰ কাৰ্ডখন অলীৰ হাতত পৰিবগৈ। ঠিকনাৰ আখৰকেইটা দেখি অলী হয়তো আচৰিত হ'ব।দুৰু-দুৰু কঁপা হাতেৰে তাই চিঠিখন খুলিব। পঢ়িব। চাৰিওফালে চাব—কোঠাটোৰ ভিতৰৰ বিছনাত শুই আছে তাইৰ সন্তান অদূৰত এখন পেৰাম্বুলেটৰ টেবুলৰ ওপৰত তাই আৰু তাইৰ স্বামীৰ সুখী সুখী যুগল ফটো ।অলীয়ে ভাবিব খুব বেদনাৰে বিষ্ণু দত্তই ভাবিলে আজি কি অধিকাৰ তেওঁৰ তাইক আমনি কৰাৰ ? ইমানদিনে পুত্ৰ কন্যাৰ উম সা সাৰিক আমেজৰ মাজত তাই মগ্ন হৈ আছিল আজি তাত বিষ্ণু দত্তৰ অস্বস্তিকৰ অস্তিত্ব জনাই দিয়াৰ যুক্তিয়েই বা কি ?

ঠিক আছে তেওঁ অলীলৈ নিলিখে চিঠিখন। বিমূঢ়ৰ দৰে বিষ্ণু দত্ত ৰৈ থাকে। সৰু চতুষ্কোণ অবৰুদ্ধ এই ঘৰটোত টেবুল লাইটৰ দুৰ্বল পোহৰত এই স্তব্ধ কবোষ্ণ ৰাতিৰ নিজ নতাত তেওঁ বহি থাকে—এক সামান্য ন্যুব্জ ম্লানচক্ষু পা শুকপোল প্ৰৌঢ় ।

তাৰ পাছত কেইবাদিনো তেওঁ চিঠিখনত একো নিলিখিলে। কি লিখিব তেওঁ আৰু কালৈনো লিখিব ? কিন্তু মেজৰ ওপৰৰ নীলা কাগজ টুকুৰাই বাৰে বাৰে তেওঁক আমনি দি থাকিল। তেন্তে কি বিষ্ণু দত্তৰ অস্তিত্ব কাৰো বাবে মূল্যবান নহয় ? আত কত তেওঁ কঁপি উঠে। ইনলেণ্ড লেটাৰ কাৰ্ডখন আঁতৰাই থবলৈ বা ফালি চিৰি দলিয়াই দিবলৈও তেওঁৰ সাহ নহয়। তেওঁৰ অস্তিত্বৰ জাননী কোনোৰকমে কাৰোবাক দিবলৈ বিষ্ণু দত্তৰ মন ব্যগ্ৰ হৈ উঠে।

তেওঁ জানে এটা সময়ত কোনোবা এজনৰ কথা তেওঁৰ মনত পৰিবই,—পৃথিৱীৰ কোনো এক প্ৰান্তৰত যি বিষ্ণু দত্তৰ খবৰ জানিবলৈ আকুল হৈ আছে।

কুশল শইকীয়া আজি ক ত ? সেই যে কলেজৰ হোষ্টেলত তেওঁৰ কমমেট আছিল। যথেচ্ছ মাস্তানি আৰু যথেষ্ট মদ্যপান যাৰ আছিল চাৰিত্ৰিক বৈশিষ্ট্য। অথচ কিবা এক ৰহস্যময় কাৰণত যি বিষ্ণু দত্তৰ প্ৰতি আছিল অত্যন্ত সদয়। বা ৰাজীৱ বৰুৱা ? তালৈকোতো একলম লিখিব পাৰি। আৰু ৰফিউলকোতো তেওঁ পাহৰিব নোৱাৰে। বয়সৰ সেই দুৰ্যোগময় সন্ধিক্ষণত পৃথিৱীৰ বিভিন্ন ৰহস্য উন্মোচনৰ সময়ত সিহঁতেইতো আছিল বিষ্ণু দত্তৰ একান্ত স গী। অথবা বিজয় ঠাকুৰ বা গৌৰ সিং ? ইহঁতৰ কুশল বাতৰিওতো তেওঁ লব পাৰে। তেওঁ লিখিলে—এই যে আমি ইটোৱে সিটোৰ পৰা বহুদূৰলৈ আতৰি যাওঁ আচলতে ই আমি নিজৰ পৰাই আঁতৰি যোৱাৰ নিচিনা হয়। ভাবি চা গুৱাহাটীৰ ৭ ন ধৰ্মতলা বাইলেনৰ কোনোবা এটা ঘৰত মই মানুহটো পৰি আছোঁ পৃথিৱীৰ কোনো প্ৰাণীৰ লগত কোনো আন্তৰিক যোগাযোগ নাই কোনোৱে মোৰ খবৰ বাতৰি এটা নলয লাহে লাহে এনেকুৱা এটা অৱস্থা হ বগৈ যে মই নিজৰ অস্তিত্ব সম্পৰ্কেই সন্দিহান হৈ পৰিমগৈ।

খোলা খিৰিকিৰে ৰাতিৰ কঠিন আন্ধাৰৰ পিনে চাই বিষ্ণু দত্তই অতীতৰ কথা ভাবিলে। কি ম্ৰিয়মান সেই দৃশ্যবোৰ। কি ভীষণ ভ গুৰ সকলো। অস খ্য মুখ আৰু অৱয়বে খুব অস্পষ্ট জ্যামিতিক আকাৰ লৈ তেওঁৰ কল্পনাত ধৰা দিছে। গৌৰ কুশল অমূল্য বা বিজয় সিহঁতৰ ঠিকনা তেওঁ এতিয়া সঁচাকৈয়ে জানেনে ? সিহঁতৰ সঠিক ঠিকনা। বিষ্ণু দত্তৰ বুকুৰ মাজত এক হাহাকাৰ নৈশব্দ্যাই তোলপাৰ কৰি উঠিল। তথাপি চিঠিখন তেওঁ সামৰিলে এইদৰে—

এইখন চিঠি যেতিয়া তোৰ হাতত পৰিবগৈ তেতিয়া মাত্ৰ এটা কথাই প্ৰতীয়মান হ'ব যে মোৰ এটা অস্তিত্ব আছে। এতিয়াও। হয়তো সি খুব অকিঞ্চিৎকৰ হয়তো ঘাঁহ বনৰ দৰে তুচ্ছ। সেয়ে তোৰ পৰা উত্তৰ বা তোৰ এষাৰ বাক্যৰ বাবে মই বৰ ব্যগ্ৰ হৈ বাট চাই আছোঁ। আশা কৰোঁ মোক নিৰাশ নকৰিবি। ইতি তোৰ মৰমৰ বিষ্ণু

আ । চিঠিখন তেওঁ সম্পূৰ্ণ কৰিলে। মনটো যথেষ্ট মুকলি মুকলি লাগিল তেওঁৰ। সম্বোধনটো ? আচ্ছা সেইটো থাকক। ঠিকনাটোতো লিখা যাবই। ধুনীয়াকৈ আঠা লগাই বিষ্ণু দত্তই ইনলেণ্ড লেটাৰ কাৰ্ডখন বন্ধ কৰিলে।

ইয়াৰ পাছতো বিষ্ণু দত্ত কেইদিনমান ৰ'ল। এটা ঠিকনা বিচাৰিছে। বহু সময় তেওঁ তাৰ বাবে অপচয় কৰিলে। মেজৰ ওপৰত ঠিকনাহীন ইনলেণ্ড লেটাৰ কাৰ্ডখন পৰি আছে লাহে লাহে তাৰ অস্তিত্ব তেওঁৰ বাবে বিশাল আৰু ভয়াবহ হৈ পৰে —যেন এখন উকা আকাশ তেওঁৰ কোঠাটোলৈ নামি আহিছে। কোনো নাই। কোনো ঠিকনা নাই।

এদিন ৰাতিপুৱা অফিছলৈ যাবলৈ ওলাই দত্ত বৈ গ'ল। মেজৰ ওপৰত পৰি থকা ইনলেণ্ড লেটাৰ কাৰ্ডখনলৈ চালে। বিমূঢ় বিভ্ৰান্ত ভংগীৰে বন্ধ চিঠিখন লুটিয়াই বগৰাই তেওঁ চালে। তেওঁৰ এনে লাগিল যেন চিঠিখনৰ ভিতৰত আছে তীক্ষ্ন কেইটামান কৌতুক। হঠাৎ দত্তই কলমটো টানি আনিলে ইনলেণ্ড লেটাৰ কাৰ্ডখন

সাজু কৰি ললে তাৰ পাছত কঁপা কঁপা হাতেৰে ঘঁহাই-ঘঁহাই তেওঁ এটা ঠিকনা লিখিলে—প্ৰতি শ্ৰীবিষ্ণু দত্ত, ৭ নং ধৰ্মতলা বাই লেন গুৱাহাটী-১১।

সেইদিনাই চাবিআলিৰ ৰঙা ডাক বাকচটোত বিষ্ণু দত্তই চিঠিখন ভৰাই থৈ গ'ল।

১।৫।৮৭

ৰেডিঅ’

জ্যোতিষ শিকদাৰ

গোটেই দিনটো কোম্পানিৰ কাৰ্যালয়ত ব্যস্ত থাকি ঘৰলৈ উভতি আহোঁতে বিভা কাকতীৰ সন্ধিয়া উকলি যায়। বিভাই অনুভৱ কৰে একেৰাহে কেইবাঘণ্টা জ়ুৰি টাইপ মাৰি থকাৰ বাবে আঙুলিবোৰ অৱশ হৈ পৰিছে।

বিভাই ৰাস্তাৰ দুয়োকাষৰ ঘৰবোৰ আগ্ৰহেৰে চাই যায়। কেতিয়াবা আধা খোলা খিৰিকি বা দৰজাৰ ফাকেৰে মতা বা মাইকী মানুহৰ মুখ কিছুমান নাইবা ভিতৰত চলি থকা টেলিভিশ্যনবোৰ চকামকাকৈ দেখা পালে তাইৰ মনলৈ আহে বেলেগ এখন চলমান পৃথিৱীৰ কথা।

অসংখ্য আৰু ছি ছি বিল্ডিঙৰ মাজত পুৰণি কিন্তু আটোমটোকাৰিকৈ সজোৱা সমুখত লন বা বাগিচাৰে নিজত্ব বজাই ৰখাৰ আপ্ৰাণ চেষ্টাৰে থিয় হৈ থকা টিঙৰ ঘৰবোৰে তাইক বৰকৈ আকৰ্ষণ কৰে। প্ৰায় প্ৰত্যেকটো ঘৰৰ সমুখতে টেলিভিশ্যনৰ এণ্টেনা। এই এণ্টেনাবোৰ দিনে ৰাতিয়ে অতন্দ্ৰ প্ৰহৰীৰ দৰে থিয় হৈ থাকে। বিভাৰ মনলৈ কিছুমান টুকুৰা টুকুৰ ছবি আহিবলৈ ধৰে ৰাতিপুৱা সময়ত এজাক ছোৱালীয়ে উচ্ছ্বল আনন্দত উৰাউল হৈ হাতত সংগীতযন্ত্ৰৰ বাকচ একোটা লৈ সংগীত বিদ্যালয়ৰ পৰা এই ৰাস্তাটোৰে ঘৰলৈ উভতি আহে হাইস্কুলৰ সেই শিক্ষয়িত্ৰীজনীয়ে (বিয়া হোৱাৰ পাছতে তেওঁ চুলিখিনি বব কৰিছে) তাইক দেখা পালেই মিচিকিয়াই হাঁহে হাতত বগা কোটটো লৈ চচমা পিন্ধা মেডিকেল পঢ়া ছোৱালীজনীয়ে দ্ৰুতগতিত তলমূৰকৈ খোজ কাঢ়ে বাছৰ বাবে ৰৈ থকা এজাক ছোৱালী আৰু ডেকা ল’ৰাই ডিঙি মেলি মেলি বাছৰ বাবে অপেক্ষা কৰে একে সময়তে সেইখিনিত উপস্থিত হোৱা বিভাই কাষেৰে পাৰ হৈ গুচি যায় ।

ৰাস্তাৰ দুয়োকাষৰ ঘৰবোৰত টেলিভিশ্যনৰ এণ্টেনাবোৰ দেখি দেখি বিভাৰ মাজে মাজে ভাব হয়—পৃথিৱীৰ কোনেও ৰেডিঅ নুশুনা হ’বগৈ নেকি ? সন্ধিয়া সময়ত কোম্পানিৰ কাৰ্যালয়ৰ পৰা ওলাই প্ৰথমতে কেইখনমান হুলস্থুলীয়া চাহ দোকান আৰু টেলিভিশ্যনৰ শ্ব’কম এৰি থৈ আহিয়েই সদ্যহতে নিজ ন হৈ পৰা এই ৰাস্তাটোত খোজ কাঢিবলৈ আৰম্ভ কৰা মাত্ৰকে তাইক বিভিন্ন চিন্তাই অশান্ত কৰি তোলে। তাই গাঁৱলৈ যাওঁতে দেখা পাইছিল— গাঁৱলৈ সোমোৱা দুই মাইলমান দীঘল ৰাস্তাটোৰ দুয়োকাষে বিজুলী সৰবৰাহৰ বাবে খুটা আৰু তাঁৰ। অৱশেষত সিহঁতৰ গাঁৱলৈও বিজুলী-বাতি আহিল! বিভাই শৈশৱ অৱস্থাত দেউতাকৰ লগত এজাক মানুহৰ সৈতে ৰাতি থিয়েটাৰ চাই উভতি আহোঁতে হাতত টৰ্চ্চলাইট লৈ এই ৰাস্তাটোৰে

খোজকাঢ়ি আহিছিল। দেউতাক আৰু গাঁৱৰ মানুহজাকৰ হৈ হাল্লাৰ মাজতো তাই অবাক বিস্ময়ৰ দৰে চাৰিওফালৰ অন্ধকাৰৰ মাজত পৰি থকা এই ৰাস্তাটো আৰু কাষৰ বাঁহ গছবোৰলৈ মুগ্ধ দৃষ্টিৰে চাইছিল ।

সেইদিনাখন ৰাতি বিজুলী-বাতি অহাৰ লগে লগে চাৰিওফালে থকা কিবা এক মায়াজাল চিৰদিনৰ বাবে হেৰাই যোৱাৰ আগমুহূৰ্তত তাই যেন চিৰবিদায় দিয়া অতিথিক চোৱাৰ নিচিনাকৈ বিমুগ্ধ নয়নেৰে জ্যোৎস্নাস্নাত ৰাস্তাটোলৈ চাই আছিল। তাইৰ মনলৈ অযুক্তিকৰ ভয় আৰু চিন্তা কিছুমানো আহিবলৈ ধৰিছিল —সকলোৰে ঘৰলৈ বিজুলী-বাতি আহিব কেৱল সিহঁতৰ ঘৰৰ বাহিৰে—।

বিভাই এই অনুভূতিবোৰৰ কথা অলপ কথাতে বিস্ময়াভিভূত হোৱা কোম্পানিৰ ষ্টেনোগ্ৰাফাৰ হেমাক কওঁতে তাই ঠাট্টা কৰি কৈছিল —এইবোৰ অৰ্থহীন ছেণ্টিমেণ্টেল কথা। সময় দ্ৰুতগতিত আগবাঢ়িব লাগিছে।

পাহাৰৰ ওপৰৰ নিজৰ ভাৰাঘৰত সোমোৱাৰ আগমুহূৰ্তত তললৈ চালেই সদায় তাই দেখা পায়—চাৰিওফালৰ ঘনীভূত আন্ধাৰৰ মাজত নিমজ্জিত ঘৰবোৰত চিকমিক পোহৰ। ইয়াৰ ভিতৰতে হয়তো উল্লাসত নাচি উঠিছে অতি মানৱীয় প্ৰাণীৰ দৰে কিছুমান টেলিভিশান আৰু সেইবোৰৰ সন্মুখত মাজে মাজে নাচি উঠিছে কিছুমান অভিভূত মানুহৰ শৰীৰ।

কোম্পানিৰ কাৰ্যালয়ৰ পৰা ওলোৱাৰ পাছতে দিনটোৰ সকলো কথা কল কি এক অধ্যায়ৰ দৰে তাই পাহৰি যাবলৈ ভাল পায়। কাৰ্যালয়ৰ সকলোকে প্ৰথমৰে পৰা তাই বৰ কায়দাৰে এৰাই ফুৰিছে কিছুমান বিষাক্ত প্ৰাণীৰ স স্পৰ্শ এৰাই ফুৰাৰ নিচিনাকৈ। বিভাই সকৰে পৰা মতা মানুহক বিশ্বাস কৰিবলৈ টান পায়। কোম্পানিৰ কাৰ্যালয়ৰ চাৰিওফালে বৰ্তমান ষ্টেনোগ্ৰাফাৰ হেমা ক্লাৰ্ক শিপ্ৰাৰ কথা ইয়াৰ মাজতে তাই নিৰৱে টাইপ মাৰে সন্ধিয়াৰ লগে লগে কোবাকুবিকৈ ঘৰলৈ উভতি আহে। বিভাৰ খোজবোৰ খৰ। এদিন ৰাতি কেইটামান ল ৰাই জোকোৱাৰ পাছত তাই পোহৰে পোহৰে লাহে লাহে খোজ কাঢ়ি অহা কৰিলে। ঘৰৰ দায়িত্বশীল ডাঙৰ ছোৱালী হোৱা বাবেই তাই সদায় ভায়েক ভনীয়েকহঁতক অলপ কঢ়া কতৃত্বসুলভ সুৰত কথা কয়। সেই বিভায়েই গুৱাহাটীত আতংকগ্ৰস্ত অসহায় যন্ত্ৰণাকাতৰ নানা ধৰণৰ হীনমন্যতাত ভোগা প্ৰাণীৰ নিচিনাকৈ থাকিব লগা হ ল।

নিজৰ কোঠাটোত সোমাই বিভাই লেমটো জ্বলাই, হাত মুখ ধুই চাহ একাপ খায়। তাৰ পাছত ষ্টোভত চাউলকেইটা তুলি দি তাই অলপ সময় এনেয়ে বিছনাত বাগৰ দিয়ে চাৰিওফালৰ নিস্তব্ধ পৰিবেশটো উপলব্ধি কৰিবলৈ চেষ্টা কৰে যেন অলপ আগৰ চলমান এখন পৃথিৱীৰ পৰা সদ্যহতে এখন নিস্তৰংগ স্থবিৰ পৃথিৱীতহে প্ৰবেশ কৰিলে —য ত কেইজনমান কলেজত পঢ়া ডেকা ল ৰা আৰু ফেক্টৰিত কাম কৰা দুজনমান কৰ্মীয়ে সাৰসুৰ নোহোৱাকৈ নিজৰ মাজতে মগ্ন হৈ থাকে। চাৰিওফালৰ নিস্তব্ধতাৰ মাজত কেৱল শুনা যায় এই ভাৰাঘৰবোৰৰ মালিক ভৱ দাসৰ কাহৰ শব্দ। লগে লগে তাইৰ কাণত পৰে দূৰৈৰ পৰা ভাঁহি অহা ৰেডিঅ

বিজুলী-বাতি থকা কেইঘৰমান মানুহৰ ঘৰত বাজি উঠা টেলিভিশ্যনৰ শব্দ —মাজে মাজে চিঞৰি কথা কোৱা মানুহৰ কণ্ঠস্বৰ।

ভৱ দাসৰ বয়স পচপন্ন বছৰৰ পৰা ষাঠি বছৰৰ ভিতৰত। চুলি এতিয়াও আধা পকা হৈয়ে আছে।

ভৱ দাসে ঘৰ ভাৰা লোৱাৰ প্ৰথম দিনাখনেই বিভাক কৈছিল—ইয়াত ৰেডিঅ বজোৱা নিষেধ। আগৰ কেইবাজনো ভাৰাতীয়াক লাহে লাহে ৰেডিঅ বজাবলৈ কোৱা সত্বেও ফুল ভলিউমত বজোৱাৰ বাবে তেওঁলোকক ইয়াৰ পৰা খেদা হৈছে। ভৱ দাসে এটা শেষ সত্যত উপনীত হোৱাৰ দৰে কৈছিল —ডেকা ল ৰাই লাহে লাহে ৰেডিঅ শুনাটো সম্ভৱ নহয় তেওঁলোকৰ হাতে পিছল খাই ভলিউম ফুল কৰি দিবই। বহুদিন বহুৰাতি ৰেডিঅ ৰ শব্দৰ বাবে মই শুব পৰা নাই। মই বাত বিষ আৰু নানা ধৰণৰ অসুখত ভোগা মানুহ। ৰেডিঅ ৰ শব্দ মই কোনোৰকমে সহ্য কৰিব নোৱাৰোঁ। গতিকে মই কোনোপধ্যেই ইয়ালৈ ৰেডিঅ আনিবলৈ দিব নোবাৰোঁ।

ভৱ দাসে পূৰ্বে কাঠমিস্ত্ৰী কাম কৰিছিল। তেওঁ জীৱনৰ একমাত্ৰ কৃতিত্বৰ চিন হিচাপে পাহাৰৰ অলপ ওপৰত দখল কৰা এই মাটিখিনিত (য ত কাৰোবাৰ ঘৰত বিজুলী-বাতি জ্বলে কাৰোবাৰ ঘৰত লেম জ্বলে) চাৰিটা কোঠাৰ টিঙৰ ঘৰটো নীলা ৰঙৰ দৰজা খিৰিকিৰে সৈতে চিকমিকাই থাকে। এই টিঙৰ ঘৰটোৰ মজিয়াখন কিন্তু ৰঙা মাটিৰ। ৰাতি অসাৱধানভাৱে পেলাই থোৱা বিড়িৰ টুকুৰা আলুৰ বাকলি আদি নিতৌ ৰাতিপুৱা তেওঁ ঝাড়ু এডালেৰে সাৰি চিকুণকৈ এচুকত গোট খুৱাই থয় যেন এইবোৰ বহু পৰিশ্ৰমৰ সাঁচতীয়া ধনহে। ভৱ দাস নিজে থকা টিঙৰ ঘৰটোৰ কাষতে ভাৰাঘৰবোৰ।

বিভাই ভাৰা দিয়াৰ সময়ত মাহত এবাৰ ভৱ দাসৰ ঘৰত প্ৰৱেশ কৰিব লগা হয়। কেতিযাবা সন্ধিয়া সময়ত মজিযাৰ মাটি স্পৰ্শ কৰাৰ লগে লগে তাইৰ গোটেই গাটো জিকাৰ খাই উঠে। ভৱ দাসক লেমৰ অনুজ্জ্বল পোহৰৰ মাজত গাঁৱৰ সেই ভূতে লম্ভা মানুহক ভাল কৰা নিজৰ ঘৰত বীৰা পুহি ৰখা বুলি সকলোৱে বিশ্বাস কৰা যাদু মন্ত্ৰ জনা ওজাজনৰ নিচিনা লাগে। এবাৰ এনে এজন ওজাই মন্ত্ৰপূত তাবিজ এটা মানুহ এঘৰৰ পদূলিমুখত পুতি থবলৈ দিহা দিছিল।

ৰাতিৰ নিস্তব্ধ এই পৰিবেশত গোটেই দিনটোৰ ক্লান্তিৰ পাছত বিছনাত বাগৰ দিয়াৰ লগে লগে তাই এটা ৰেডিঅ ৰ বৰকৈ প্ৰয়োজন অনুভৱ কৰে। শিপ্ৰাই এদিন এটা অকণমান হাতৰ মুঠিত লব পৰা ফৰেইন ৰেডিঅ কোম্পানিৰ কাৰ্যালয়লৈ আনিছিল আৰু বিভা অলপ সময়ৰ ভিতৰতে ৰেডিঅ টোৰ ভিতৰৰ পৰা ওলোৱা সুগভীৰ কণ্ঠস্বৰ এটাৰ মাজত তন্ময় হৈ পৰিছিল।

নিশাৰ এনে কিছুমান নি সংগ মুহূৰ্তত কোম্পানিৰ কাৰ্যালয়ত দেখাৰ নিচিনা অকণমান ৰেডিঅ এটা বুকুৰ ভিতৰত বা কাষত থৈ শুনিবলৈ বিভাৰ বৰ মন যায়। ভৱ দাসে নিষিদ্ধ কৰা এই বস্তুটোৰ প্ৰতি তাইৰ হেঁপাহ আৰু আকাংক্ষা বাঢ়িহে যায়। বিভাই অনুভৱ কৰে—লুভীয়া মানুহৰ জীৱনৰ বহু অপূৰণীয় বাসনাৰ নিচিনাকৈ ৰেডিঅ টোৰ কথাও কেৱল চিন্তা কৰিয়েই যেন সন্তুষ্ট থাকিব লগা হ ল। তাইক

কোম্পানিয়ে দিয়া দৰমহাখিনি মাহ শেষ হ'বলৈ কেইটামান দিন বাকী থাকোঁতেই শেষ হৈ যায়। কেতিয়ানো দৰমহা বাঢ়িব তাইৰ নিজৰো সঠিক ধাৰণা নাই।

বিভাই নতুনকৈ ভাৰাত লোৱা ভৱ দাসৰ এই ঘৰটো কোম্পানিৰ কাৰ্যালয়ৰ পৰা বেছি দূৰৈত নহয়। তথাপি সন্ধিয়া সময়ত অকলে খোজকাঢ়ি আহিব লগা হ'লে তাইৰ সমস্ত শৰীৰ অজ্ঞান এক আশংকাত কঁপি থাকে। বিভাই প্ৰথম কেইখনমান চাহ দোকান টেভিভিশ্যনৰ শ্ব'ৰুম আদি এৰি থৈ আহি সময়ত ৰিক্সা নোপোৱা নিজ ন ৰাস্তাটোত ভৰি দিয়াৰ লগে লগে তাইৰ মনলৈ সেই পুৰণি আতংকৰ ভাবটো আহে। কাষেদি পাৰ হৈ যোৱা ছাইকেলখন ক ৰবাৰ পৰা দৌৰি অহা কুকুৰ এটা দেখা পালেও তাইৰ গা মূৰ সিৰিকৈকৈ উঠে।

বিভাই পি ইউ পাছ কৰি দেউতাক ঢুকোৱাৰ পাছতে প্ৰাইভেট কোম্পানিটোত টাইপিষ্ট কামটো পাই গুৱাহাটীলৈ গুচি আহিছিল। গুৱাহাটীৰ ক তো আত্মীয় কুটুম নথকাৰ বাবে আৰু মেছ বা অন্যান্য ঠাইৰ সুবিধা কৰিব নোৱাৰি বিৰাট এক প্ৰত্যাহ্বানৰ দৰে তাই কোঠা এটা ভাৰা কৰি অকলে থকাৰ সিদ্ধান্ত ললে। মাকে সহায় হিচাপে নাবালক ভায়েকটোক লগত ৰাখিবলৈ কৈছিল কিন্তু তাই সম্মত নহ ল।

বিভাই প্ৰথমতে মেছ কৰি থকা মতা মানুহোৰ পৰিপূৰ্ণ দীঘলীয়া শাৰী শাৰী কোঠা থকা টিঙৰ ঘৰ এটাৰ কোঠা এটা ভাৰা কৰি থাকিবলৈ ললে। কাষৰ কোঠাটোত বিহাৰী পৰিয়াল এটা দেখা পাই তাই কিছু সাহস পোৱাৰ নিচিনা হ ল কিন্তু বাকীবোৰ কোঠাত থকা মানুহবোৰে দোভাগ ৰাতিলৈ কৰা হৈ-হাল্লা তাছ খেল ৰেকৰ্ড প্লেয়াৰৰ শব্দ আদিয়ে তাইৰ মনলৈ ভীতিগ্ৰস্ততাৰ ভাব এটা আনি দিলে। তাই ভাৰাঘৰৰ আটাইবোৰ মানুহকে এৰাই ফুৰিবলৈ ধৰিলে। মানুহবোৰে তাইৰ কোঠাৰ সমুখেৰে পাৰ হৈ যোৱাৰ সময়ত নিজৰ মাজতে কথা পতাৰ চলতে তাইক বিশেষ কায়দাৰে খোঁচ একোটা মাৰি যোৱা কৰিলে। কেতিয়াবা তাই ৰাতি দুৱাৰত কোনোবাই টোকৰ মৰাৰ দৰে শব্দ শুনি টোপনিৰ পৰা খকমকাই সাৰ পাই উঠা হ ল। সাৰ পাই তাই কেৱল চাৰিওফালৰ পৰা ভাঁহি অহা ৰেকৰ্ডপ্লেয়াৰ আৰু মানুহৰচিঞৰ বাখৰৰ শব্দহে শুনে।

গাভৰু ছোৱালী এজনীয়ে এনেকৈ অকলশৰীয়াকৈ কোঠা এটা ভাৰা কৰি থকাটো বিভাৰ বিসদৃশ কাৰ্য বুলি অনুভৱ হ ল যেন তাই কোনেও নিপিন্ধা কাপোৰ এযোৰহে পিন্ধিছে কোনেও নকৰা কাম এটাহে কৰিছে।

এনেকুৱা এক মানসিক অৱস্থাৰ মাজতে ঘটনাটো ঘটিল। বিভাই সন্ধিয়া সময়ত নিজ ন হৈ পৰা ৰাস্তাটোত খোজ কঢ়া আৰম্ভ কৰোঁতেই অনুভৱ কৰিলে—পিছে পিছে মানুহ এজন আহি আছে। প্ৰথমতে বাটৰুৱা বুলি ভাবি তাই কথাটো পাতলাই দিবলৈ চেষ্টা কৰিলে কিন্তু পাছত তাই অনুভৱ কৰিলে—মানুহজন তাইৰ পিছে পিছে আহিয়েই আছে। এবাৰ তাই ঘূৰি চাই হতবাক হৈ পৰিল। ইতিমধ্যে মানুহজন তাইৰ ঠিক পিছতে থিয় হৈছেহি। আচম্বিতে তাইৰ হাতখন পিন্ধি থকা সোণৰ হাৰডাললৈ গ ল। এই হাৰডাল তাই দিনে ৰাতিয়ে পিন্ধি থাকে। বিভাই মুহূৰ্ততে তৰানৰা চিঞি দৌৰাৰ কথা ভাবিলে কিন্তু পেটৰ বিষটোৰ বাবে তাইৰ এই কাম দুঃসাধ্য যেন

লাগিল। তাই ইতিমধ্যে পৰিশ্ৰান্তৰ দৰে ফোপাৰলৈ আৰম্ভ কৰিছে। অৱশেষত শেষ অস্ত্ৰ হিচাপে তাই চিঞৰিবলৈ সাজু হ'ল।

আদবয়সীয়া মানুহজনে গম্ভীৰ অথচ সৰু কঁপা মাতেৰে সুধিলে —ইমান ভয় খাইছা কিয় ? তোমাৰ ঘৰ ক'ত ?

বিভাই কেৰাহিকৈ মানুহজনৰ পিনে চালে ষ্ট্ৰিটলাইটৰ পোহৰৰ মাজত দেখা পালে মানুহজনৰ চেহেৰাটো সামৰিক বাহিনীৰ লোকৰ দৰে আটিল মুখত দীঘল মোচ ভৰিত বুট জোতা। সেউজীয়া ৰঙৰ মাৰুতি গাড়ী এখন সেউজীয়া স্পৰ্টিং গেঞ্জি পিন্ধা ছোৱালী এজনীয়ে দ্ৰুতগতিত চলাই কাষেৰে পাৰ কৰি নিলে। কাষৰ বৰ্তমানে বন্ধ হৈ থকা ব্যায়াম বস্তি শিকোৱা ঘৰটোৰ বাহিৰত দুডাল কাঠৰ মাজত বিৰাট আকাৰৰ ঘূৰণীয়া ৰিং এটা ওলমি আছে।

বিভাই মুখখন তুলি তীক্ষ্ম দৃষ্টিৰে মানুহজনলৈ চাওঁতে দেখা পালে মানুহজনৰ শৰীৰটোৱে টল ভট কৰিব লাগিছে। তাইৰ বুজিবলৈ বাকী নৰ'ল—অৱশেষত এটা মদাহীহে তাইৰ ওপৰত লম্ভিল। মদ খোৱা মানুহে একেটা কথাকে বাৰে বাৰে সুধি হাৰাশাস্তি কৰা আৰু হঠাতে হিংস্ৰ হৈ উঠা স্বভাৱৰ কথা তাই জানে। বিভাই চিঞৰাৰ নিচিনাকৈ সুধিলে —আপোনাক কি লাগে ? মই আপোনাক চিনি নাপাওঁ। আপুনি কোন ?

মানুহজনে নাটকীয় ভংগী এটা কৰি উত্তৰ দিবলৈ সাজু হ'ল কিন্তু তাৰ আগতেই বিভাই দৌৰাৰ নিচিনাকৈ সমুখৰ পিনে আগ বাঢ়িবলৈ ধৰিলে। তাই প্ৰত্যেক মুহূৰ্ততে চিঞৰাৰ কথা ভাবিলে কিন্তু সমুখৰ শূন্য ৰাস্তাটো কাষত থমথমকৈ থিয় হৈ থকা বন্ধ ঘৰবোৰ দেখি কাক উদ্দেশ্য কৰি চিঞৰিব ঠাৱৰ কৰিব নোৱাৰি তাই যেন বিভ্ৰান্তৰ দৰে হ'ল। পিছমুৱা হৈ ঘূৰি চাওঁতে তাই দেখা পালে—মানুহজন একে ঠাইতে থিয় হৈ আছে যেন তাৰ পৰাই তেওঁ ভয়ংকৰ অস্ত্ৰ এপাট তাইলৈ লক্ষ্য কৰি নিক্ষেপ কৰি দিব।

সেইদিনাখন ৰাতি বিভাৰ বিস্মৃতিৰ গৰ্ভত লীন যাওঁ যাওঁ হোৱা ঘটনা এটা মনলৈ আহিল। মেট্ৰিক দিয়াৰ সময়ত এদিন ৰাতি মোমায়েকৰ ল'ৰাটোৱে তাইক হাতত ধৰি টানোতে তাই তাক গাৰ জোৰেৰে ঠেলা এটা মাৰি গুচি গৈছিল। সি বিভ্ৰান্ত হৈ এক বিৰাট অপৰাধবোধৰ চাৱনিৰে একে ঠাইতে বহুসময় থিয় হৈ আছিল। সি বহুদিন সিহঁতৰ ঘৰলৈ অহা নাছিল। সি এতিয়া স্কুল এখনৰ শিক্ষক বিবাহিত। সি আজিকালি তাইক লগ পালেই এটাও পুত্ৰসন্তান নোহোৱাৰ বাবে খেদ প্ৰকাশ কৰে।

বিভাই সেই ঘটনাটোৰ পাছতে পাহাৰৰ অলপ ওপৰত থকা ভৱ দাসৰ খালী হৈ থকা এই ভাৰাঘৰটোৰ সন্ধান পালে। লগে লগে তাই পূৰ্বৰ হুলস্থুলীয়া আতংকেই ঘেৰি থকা ঘৰটো এৰি ভৱ দাসৰ নতুন ঘৰটোলৈ আহিল। এই ঘৰটো কোম্পানিৰ কাৰ্যালয়ৰ পৰা বেছি দূৰত নহয়। তদুপৰি তাই ভৱ দাসৰ মাজত এটা নিৰাপত্তা বিচাৰি পালে। ভৱ দাসে প্ৰথম দিনাখনেই সকীয়াই দিলে—ৰেডিঅ বজোৱা তেওঁ পছন্দ নকৰে।

বিভাৰ কাষৰ কোঠাকেইটাত থকা কলেজত পঢ়া ডেকা কেইজনে টিউছন ক্লাছ আদি শেষ কৰি সন্ধিয়া হোৱাৰ লগে লগে নিজৰ কোঠাত সোমায়হি আৰু মৌন হৈ বহি থাকে। গোটেই দিনটোৰ ক্লান্তিৰ পাছত নিঃসংগ এই মুহূৰ্তবিলাক বিভাৰ বাবে বৰ যন্ত্ৰণাকাতৰ হৈ উঠে। গাঁৱৰ দাৰিদ্ৰ্যক্লিষ্ট ঘৰখনৰ কথা ভাবি তাই কঁপি উঠে। বিজুলী-বাতিকে আদি কৰি গাঁৱলৈ আহিবলৈ ধৰা পৰিবৰ্তনবোৰৰ কথা ভাবি তাই শ কিত হয়। কাৰণ তাইৰ মনৰ গোপন কোণত সকলোৰে পৰা বিচ্যুত আৰু বিচ্ছিন্ন হৈ যোবাৰ এক অজান আশংকাৰ জন্ম হয়। তাইৰ মনলৈ প্ৰায়ে অভিমানমিশ্ৰিত অযুক্তিকৰ চিন্তা কিছুমান অহা হ ল —গাঁৱৰ সকলোৰে ঘৰলৈ বিজুলী বাতি আহিব কেৱল সিহঁতৰ ঘৰৰ বাহিৰে । বিজুলী-বাতি বুলিলেই তাইৰ আলোক উজ্জ্বল পৰিবেশ এটাৰ কথা মনলৈ আহে। বিজুলী বাতি অহাৰ পূৰ্বৰ গাঁৱৰ সেই শৈশৱ স্মৃতি বিজড়িত ৰাস্তাটোৰ ওপৰত পৰা জোনাক আৰু আদিম অন্ধকাৰখিনিৰ কথা তাই বিছনাত শুই শুযেই কল্পনা কৰিবলৈ চেষ্টা কৰে। গোটেই ৰাস্তাটোবেই এটা স্মৃতিৰ দৰে হৈ পৰে

ভৱ দাসে বিভাৰ কোঠাত মন গ লেই ভুমুকি মাৰে। তেওঁ অনুসন্ধিৎসু দৃষ্টিৰে চাৰিওফালে পিৰিক পাৰাককৈ চায়। ভাৰাঘৰত থকা অন্যান্য ভাৰাতীয়া কেইজনৰ লগত তাইৰ কাচিৎ দুই এটাহে বাক্যৰ বিনিময় হয়। প্ৰত্যেকেই-তলমুৱা হৈ খোজ কাঢ়ে যেন ইজনে সিজনক চিনি নাপায় যেন ইজন সিজনৰ পৰা বিচ্ছিন্ন। কলেজত পঢ়া ডেকাকেইজনে নিজৰ ভিতৰতে কথা পাতে হাঁহে আৰু আবদ্ধ কোঠাটোৰ ভিতৰত ঝ কৃত হোৱা শব্দবোৰ তাইৰ চেপা কণ্ঠৰ গুণগুণনি যেন লাগে।

ভৱ দাসে কেতিয়াবা ৰাতি বিভাৰ কোঠাত সোমাই কথা পাতিবলৈ আৰম্ভ কৰে। সেই মুহূৰ্তত তাইৰ এনে লাগে যেন কাষৰ কোঠাৰ ডেকাকেইজনে হাঁহিছে। ভৱ দাসৰ লগত কথা পতাটো বিভাৰ বাবে বিৰক্তিকৰ হৈ উঠিল। এতিয়াও কিছু আটিল হৈ থকা ভৱ দাসৰ শৰীৰটো গেঞ্জিৰ মাজেৰে এদিন দেখা পাই বিভাই হঠাৎ উপলব্ধি কৰিলে সেইটো এটা মতা মানুহৰ শৰীৰ।

এদিন উল গ কেঁচুৱা এটা দাঙি ধৰোঁতে তাইৰ মনত খেলাইছিল—অকণমান এই শৰীৰটোৰ পৰাই ভৱিষ্যতে ঠন ধৰি উঠিব এজন পুৰুষৰ শৰীৰ।

ভৱ দাসৰ পৰিবাৰ কাহানিবাই ঢুকাল। একমাত্ৰ পুতেকেও বিয়া কৰাযেই দেউতাকৰ ওচৰৰ পৰা গুচি গৈছে। সি দূৰৈত ঘৰ ভাৰা কৰি থাকে। ভৱ দাসে বিভাৰ আগত পুতেক আৰু বোৱাৰীয়েকৰ বিৰুদ্ধে বিষোদগাৰ আৰম্ভ কৰে। তেওঁ প্ৰায়ে ঘোষণা কৰে—তেওঁৰ সমস্ত মাটি ঘৰ অনাথ আশ্ৰমৰ বাবে লিখি দিব। এই ঘৰ মাটি অনাথ আশ্ৰমৰ বাবে উপযুক্ত হ'ব নে নহয় বিভাৰ কোনো ধাৰণা নাই।

ভৱ দাসৰ একঘেয়া বিৰক্তিকৰ আৰু বিদ্বেষপূৰ্ণ কথাবোৰ শুনি শুনি বিভাৰ ক্ৰমান্বয়ে মানসিক শান্তি ভংগ হ'বলৈ ধৰিলে অনবৰত বিৰক্তিকৰ বিদ্বেষপূৰ্ণ কথাবোৰ শুনি থকাও কেনে অসহ্যকৰ তাই জীৱনত প্ৰথম বাৰৰ বাবে উপলব্ধি কৰিলে।

পূৰ্বৰ হুলস্থুলীয়া আতংকময় পৰিবেশটোৰ পাছত বৰ্তমানৰ এই আপাতদৃষ্টিত শান্ত নিজ ন পৰিবেশটো বিভাৰ কাৰণে সমানেই ভয়ানক আৰু বিৰক্তিকৰ হৈ উঠিল।

বিভাই নিজৰ কোঠাটোত থকা সময়খিনিত সদায় সমুখৰ দুৰ্বল দুৱাৰখন বন্ধ কৰি থয়। আজিকালি ভৱ দাসে কেইবাবাৰো মতাৰ পাছতহে তাই দুৱাৰখন খুলি দিয়ে। তাইৰ এই আচৰণত ভৱ দাস বাৰুকৈয়ে ক্ষুণ্ণ হৈছে।

এদিন কেইবাবাৰো মতাৰ পাছতহে বিভাই দুৱাৰখন খুলি দিলে। সমুখত বহি পৰা ক্লান্ত ক্ৰোধাবিত ভব দাসৰ মুখখনলৈ একান্তমনে অলপ সময় চাওঁতেই সেইদিনা তাইৰ হঠাৎ উপলব্ধি হ'ল—সমুখৰ এই মানুহজন অতিশয় নিঃসংগ। পুতেকে তেওঁক ত্যাগ কৰিছে। তেওঁক কথা পাতিবলৈ সংগী লাগে। কিন্তু তাইৰ বাবে এই বৃদ্ধ মানুহজনৰ লগত একদণ্ড সময় কথা পতাও অসহ্যকৰ হৈ উঠিছে। তাইৰ ভব দাসক যাত্ৰা পাৰ্টিত দেখা যুদ্ধক্ষেত্ৰৰ পৰা ছত্ৰভংগ দিয়া সৈনিকৰ নিচিনা লাগিল।

বিভাই নিশা হোবাৰ লগে লগে চাৰিওফালৰ নিজনতাবোৰৰ মাজত এটা ৰেডিঅ'ৰ প্ৰয়োজন বৰকৈ অনুভৱ কৰিবলৈ ধৰিলে। —এটা অকণমানি বুকুৰ ভিতৰত লব পৰা ৰেডিঅ' ঠিক অকণমানি সুন্দৰী কণ্ঠৰ চৰাইৰ দৰে।

তাই বাল্য অবস্থাত নিজৰাৰ পাৰত বা পানীৰ তলৰ পৰা সৰু-সৰু বগা ক'লা ৰঙৰ মসৃণ শিলগুটি বুটলি লবলৈ ভাল পাইছিল।

বিভাই এদিন পুনৰ ভব দাসক ৰেডিঅ'ৰ কথা ক'লে। ভব দাসে তাইৰ ওপৰত ক্ৰমান্বয়ে বিতুষ্ট হ'বলৈ আৰম্ভ কৰিছিল। তাই ৰেডিঅ'ৰ কথা কওঁতে তেওঁ ইমানদিনে পুঞ্জীভূত হোৱা অসন্তুষ্টিবোৰ উদগীৰণ কৰিবলৈ যেন চেলু এটাহে পালে। তেওঁ ৰেডিঅ' লোৱাৰ প্ৰস্তাৱটো নিষ্ঠুৰভাৱে প্ৰত্যাখ্যান কৰি দিলে। ভব দাসে পূৰ্বৰ কথাবোৰকে দোহাৰিলে—পৃথিৱীৰ কোনো মানুহে সৰুকৈ ৰেডিঅ' শুনা সম্ভৱ নহয়। ৰেডিঅ'ৰ ওপৰত নিজে ক'ব নোৱৰাকৈয়ে হাত পিছলি যায় সি ফুল ভলিউমত বাজি উঠিবই।

বিভাই ঠিক এনে ধৰণৰ উত্তৰ এটা পাব বুলিয়েই আশা কৰিছিল গতিকে ভৱ দাসৰ কথাত তাই আচৰিত নহ'ল। তদুপৰি তাইৰ নিজৰো পূৰ্বৰ ছুলস্থুলীয়া ৰেডিঅ' ৰেকৰ্ড প্লেয়াৰৰ কাণ তাল মৰা শব্দৰ সেই ভয়ানক ভাৰা ঘৰটোৰ কথা ভালকৈয়ে মনত আছে।

সেইদিনাখন ৰাতি বিভাই নিজৰ বিষয়ে কিছুমান কথা চিন্তা কৰিলে। তাই হয়তো দিনৰ পাছত দিন এই কোঠাটোতে সোমাই থাকি জীৱনৰ বহু অপূৰণীয় বাসনাৰ নিচিনাকৈ সদ্যহতে নিষিদ্ধ কৰি দিয়া বস্তু এটাৰ প্ৰতি হাবিয়াস কৰি থাকোঁতেই সময়বোৰ অতিবাহিত হৈ যাব। —যেনেকৈ তাই দিনৰ পাছত দিন দৰমহা কোনদিনা বাঢ়িব ক'ব নোৱৰা চাকৰিটোৰ মাজতে আবদ্ধ হৈ কটাব লাগিব। —হয়তো দিনৰ পাছত দিন নিজন ৰাস্তাটোত আতংকগ্ৰস্ত হৈ নিঃসংগভাৱে খোজকাঢ়ি অহা যোৱা কৰিয়েই থাকিব লাগিব। এনেকৈ পাৰ হৈ যাব তাইৰ দিন সময় বছৰ।

বিভাৰ চকুপানী ওলাওঁ ওলাওঁ হ'ল। তাই সদায় চকুপানী ওলাব খুজিলে জোৰেৰে বাধা দিয়ে। দিনটো টাইপ মেছিনটোৰ লগত লাগি থাকি এইদৰে চকুপানী টোকাটো বৰ ছোৱালীসুলভ যেন লাগে।

বিভাই লেম্বৰ ক্ষীণ পোহৰত আইনাত নিজৰ চেহেৰাটো চাবলৈ চেষ্টা কৰে। তাই ক্রমান্বয়ে কুৎসিত হ'বলৈ আৰম্ভ কৰিছে। দ্রুতগতিত তাইৰ বয়স বাঢ়িব লাগিছে। অৱশ্যে তাই এতিয়াও আজন্ম সংস্কাৰৰ দৰে হাত দীঘল পুৰণি ফেশ্যনৰ ব্লাউজ পিন্ধে দীঘলীয়া চুলিবোৰ যত্নৰে আঁচোৰে কাপোৰৰ দোকানত ব্ৰেছিয়াৰ কিনিবলৈ গ'লে তাইৰ মাতটো থৰক-বৰক হয়।

অৱশেষত বিভাই নিজৰ বিষয়ে কেইটামান নিষ্ঠুৰ শব্দ উচ্চাৰণ কৰিলে। —তাইৰ হয়তো জীৱনত—

বুকুৰ কাষত অকণমানি সুৱদী কণ্ঠৰ মাত ওলোৱা ৰেডিঅ এটা পোৱাৰ কোনো সম্ভাৱনা নাই।

১৬।৭।৮৮

আৰণ্যক

সুৰেশ চক্ৰৱৰ্তী

ফোঁপাই ফোঁপাই খবৰটো দিলে কাঞ্চীয়ে। পদূলিত দুই তিনিজন মানুহ তাই দেখিছিল কিন্তু বৰ বেছি মন নকৰি আনদিনাৰ দৰে তাই ভিতৰ সোমাই গৈছিল। গৈ যিটো দৃশ্য দেখিলে উশাহ নিশাহ পাহৰি তাই একেকোবে বাহিৰ ওলাই আহিল। পাকঘৰৰ আগত দীঘল দীঘলকৈ উশাহ লৈ তাই প্ৰথমে আশাক সুধিলে— শৰ্মা বাবুৰ কিবা অসুখ আছিল নেকি? আশাই নাজানো বুলি কোৱাৰ পাছত তাই আচল খবৰটো দিলে। আশা বহুপৰ বাকৰুদ্ধ হৈ থিয় হৈ থাকিল। কি কৰিব নকৰিব ভাবি তাই ভয়তে খবৰটো নীৰবেনক দিলে। কাকতখন থৈ নীৰবেনে চকোৱাৰ ওপৰেৰে বৰাইতক সুধিলে—হয়নে? বৰাই দাসক সুধি জনালে—হয়।

এজন দুজনকৈ কলনিটোৰ মানুহ আহি হৃদয় শৰ্মাৰ ঘৰ পালেহি। আপাদমস্তক বগা কাপোৰেৰে আবৃত হৈ হৃদয় শৰ্মা শুই আছে। ভৰিৰ তলুৱা সেন্দূৰৰ বোলেৰে ৰাঙলী হৈ আছে। শৰ্মানী ধুমুহাই কোবাই যোৱা কলগছৰ দৰে ভৰি পথানত বহি আছে। ল'ৰা ছোৱালীকেইটা কাষতে আমন জিমনকৈ থিয় হৈ আছে। বাহিৰত মানুহবোৰে নিজৰ ভিতৰতে কথা পাতি আছে অফিছৰ পৰা আহি তেওঁ পৰিবাৰক গাটো বেয়া লগা বুলি কৈছিল। মূৰটো অলপ ঘূৰোৱা ঘূৰোৱা অনুভৱ কৰিছিল। হাত ভৰি ধুই চাহ জলপান খাই অকণমান পৰ বিছনাত বাগৰ দিছিল। শৰ্মানীয়ে বোলে সকীয়াই দিছিল—দাস ফাৰ্মাছিৰ পৰা আহিবগৈ বহুদিন প্ৰেছাৰটো চোৱা নাই। কোন তলকত মানুহটো ওলাই গৈছিল ঘৰৰ কোনেও নাজানে বজাৰ কৰি ঘৰ সোমাওঁতেহে গম পাইছিল। বৌ-মাছ বিলাহী আৰু ফুলকবি আনিছিল। শৰ্মানীক বৌ মাছৰ সৈতে বিলাহীৰ আঞ্জা ৰান্ধিবলৈ কৈছিল। অকণমান সময় ল'ৰা ছোৱালী কেইটাৰ সৈতে পঢ়াশুনাৰ কথা আলোচনা কৰিছিল। দূৰদৰ্শনত বাতৰিখিনি শুনি মাজতে এবাৰ ভাত হৈছেনে নাই খবৰ কৰিছিল। ভাত হোৱাত শৰ্মানীয়ে তেখেতক জগাই দিছিল। তেতিয়া অৱশ্যে তেখেতে গাটো ভাল পোৱা বুলিয়েই কৈছিল। শৰ্মানীয়ে যেতিয়া পাগঘৰ সামৰি শোৱনি কোঠালৈ আহে তেতিয়া বুকুখনত হাত দি মানুহজনে বিছনাত ইকাটি সিকাটি কৰি আছিল। এটা সময়ত মানুহজন বিছনাৰ পৰা উঠিল বোধহয় বাহিৰলৈ যাব খুজিছিল তাৰ পাছত কি হ'ল শৰ্মানীয়ে ভালকৈ ক'ব নোৱাৰে—মানুহজন পিছল খাই পৰিলনে মূৰ ঘূৰাই পৰিল। ল'ৰাটো দৌৰাদৌৰিকৈ বৰা ডাক্তৰৰ তালৈ গ'ল। লক্ষণ শুনি ডাক্তৰে সোনকালে মেডিকেল কলেজৰ হস্পিটেললৈ লৈ যাবলৈ ক'লে। ল'ৰাটোৱে ছাক্সেনাৰ গাড়ীখন বিচাৰিলে কিন্তু

ড্ৰাইভাৰজন ছুটিত থকাৰ কাৰণে গাড়ীখন নাপালে। মুকুন্দ কলিতাৰ ঘৰত অট'ৰিক্সা এখন থাকে চালকজনক জগাই অনা হ ল। কিন্তু গৈ মেডিকেল কলেজ নাপালেই বাটতে—।

হৃদয় শৰ্মা ঢুকাল।

চেপা উত্তেজনা ঔৎসুক্যেৰে কলনিটোৰ মানুহ আহি শৰ্মাৰ পদূলিমুখত চোতালত ভিৰ কৰিছে এসময়ত নি শব্দে ওলাই গৈছে। কোনোবা এজনে মাজতে আহি মুখখনৰ পৰা কাপোৰখন গুচাই দিছে। কোঠালিটোৰ পালে খনত ধূপ ধূনাৰ মাজত শৰ্মা শুই আছে মৰা মাছৰ দৰে ঢেলা চকু কেহৰাজ বৰনীয়া মুখ। ভৰি পথানত শ্ৰীমতী শৰ্মা নিশ্চল হৈ বহি আছে মৃত্যুৰ হিমশীতল স্পৰ্শ অনুভৱ কৰি।

আশাই অলপ দেৰি চাই থাকিল। কালি দপদপাই ফুৰা মানুহজন এতিয়া অকলশৰে শুই আছে। এটা সময়ত তাইৰ চকু নাকে তাইৰ অনুশাসন নমনা হোৱাৰ উপক্ৰম হোৱাত কোনোবাই গম পাব বুলি তাই লাহে লাহে ওলাই আহিল।

ঘৰলৈ আহি তাই কেইবা আজলিও পানী চকুৰে মুখে মাৰি ললে। তাইৰ নিজকে কিবা দোষী-দোষী লাগিল। পৃথিৱীৰ চাৰিওটা চুকৰ খবৰ সিহঁতৰ ঘৰ পায়হি অথচ কলনিটোৰ মানুহঘৰৰ খবৰ এটা সিহঁতে নাপালে' বহুপৰ তাই ভাবি থাকিল। কি হ ব এতিয়া ঘৰখনৰ? মানুহজনে বা যোবাৰ আগতে কিবা কৈ যাব পাৰিলেনে নাই' ল ৰা ছোৱালীৰ ভৱিষ্যত পঢ়াশুনাৰ পৰিকল্পনা অফিছৰ হিচাপ পাতি ইন্সিওৰেন্স— এইবিলাকৰ বিষয়ে' কি হ ব বাৰু শ্ৰীমতী শৰ্মাৰ? মানুহজনীয়ে কেনেকৈ ধৈৰ্য ধৰি আছে? সেই যে দুপৰনিশাৰ পৰা নিৰ্জীৱ দেহটো আগত লৈ বহি আছে কি ভাবিছে বাৰু?

ঘৰৰ ভিতৰত থাকিব নোৱাৰি আশা আকৌ বাৰান্দালৈ ওলাই আহিল। ৰাজহুৱা সভাৰ শেষৰ ফালৰ দৰে শৰ্মাৰ ঘৰত মানুহৰ স খ্যা পাতলি আহিছে। কোনোবা এজনৰ সৈতে কথা পাতি পাতি আহি নীৰেনো ঘৰ সোমাল। তাই ব্যস্ত হৈ উঠিল —

তুমি কিবা এটা খাই লোৱা লগত গ লেতো বহুত দেৰি লাগিব। গোটেই দিনটোৱেই লাগিব চাগে। নীৰেনে তাইৰ কথাত একো ভাব প্ৰকাশ নকৰিলে। বাহিৰে বাহিৰে আহি সি পানীৰ কথা সুধিলে আৰু বাথৰুমত সোমাল। গা পা ধুই কাপোৰ কানি সলাই ললে।

আশাই আচৰিত হৈ সুধিলে তুমি শ্মশানলৈ নাযাবা জানো?

'সকলোৰে অফিছ কাছাৰী স্কুল কলেজ আছে যেতিয়া মোৰ নিজৰো অফিছ আছে। মই অকলে কি কৰিম?

তাই হা না একো নক লে। ভাত পানী ৰন্ধাৰ চিন্তা তাইৰ তেতিয়ালৈকে অহা নাছিল। গাখীৰ চিৰা খাই নীৰেন অফিছলৈ ওলাই গ ল।

সাধাৰণতে ৰাতিপুৱাৰ এইখিনি পৰ আশাৰ কাৰণে ব্যস্ততাৰ সময়। শুই উঠিযেই গা ধোৱা এফালে চাহৰ পানী আনফালে দাইল একেলগে বহাই দি নীৰেনক মতা নীৰেন উঠাৰ পাছত চাহপানী খাই ভাত তৰকাৰীখিনি খৰখেদাকৈ ৰন্ধা তাৰ মাজতে চেগ বুজি খোৱা পানীখিনি ধৰা চাৰে নমান বজাত নীৰেনক ভাত দিয়া। দহমান

বজাত নীৰেন অফিছলৈ যায়। তাৰ পাছতহে আশাই অকণমান সময় বহিবলৈ পায়। ড্ৰয়ি ৰুমৰ দুৱাৰৰ খিলিটো মাৰি তাই ঘৰটোৰ ভিতৰত এখন নিজা জগত সৃষ্টি কৰি লয়। তিতা চুলিকোচা মেলি দিয়ে চাদৰৰ আঁচলটো কঁকালত মেৰিযাই গোঁসাইঘৰত সোমায়। গুণগুণাই তাত আধাঘণ্টামান সোমাই থাকে। তেত্ৰিছ কোটি দেৱতাৰ যাৰ . যেতিয়া মন যায় লগত পালি পহৰীযা লৈ সেইখিনি সময়ত আশাৰ আগত হাজিৰ হয় হয়। যাক যেনেকৈ পাৰে অকণো কষ্ট নকৰাকৈ তাই তেওঁলোকক বিদায় দিয়ে। এঘাৰমান বজাত তাই কাৰা চাহ একাপ খাই ড্ৰয়ি ৰুমত বহে সেইদিনাৰ খবৰ কাগজখন উলিযাই লয়। কেশবিন্যাস প্ৰশাধনৰ বিজ্ঞাপনবোৰ তাঁতিগুৰি মাৰি চাই থাকে। কাম থাকিলে কেতিযাবা মেছিনত বহে দুমাহ আগতে কিনা ব্লাউজটোৰ ফাটি যোবা চিলাইবোৰ খুলি অলপ ঢিলাকৈ চিলাই লয়। বাৰমান বজাত তাই নিজৰ ভাগৰ ভাতকেইটা উলিয়াই লয়। বাচন বৰ্তনখিনি ধুই আহি বিছনাত পৰে। ৰেডিঅ টো কাণৰ কাষত থৈ আকাশ পাতাল ভাবি পৰি থাকে। মন গ লে মাজে সময়ে আলোচনী তালোচনী কিবা এখন উলিয়াই লয়। কেতিযাবা তেনেকুবা অবস্থাত তাইৰ টোপনি আহে। প্ৰাযেই নাহে। হামিযাই হিকটিযাই পৰি থাকে। তেতিযা তাইৰ ঘৰলৈ মনত পৰে। নৈৰ পাৰৰ ৰঙা মদাৰ পলাশ শিমলুৰ শাৰীবোৰৰ ছবি চকুত ভাঁহি উঠে। দীপালী কণিকা নীলিমা নমিতাহঁতৰ সৈতে নৈৰঘাটলৈ যোবাৰ কথা মনত পৰে। নৈৰ বুকুৰ বালিত নিজৰ ভৰিৰ খোজবোৰৰ কথা মনলৈ আহে। সিপাৰৰ ল ৰাকেইটা গা ধুবলৈ আহিলে আজিকালি বা ইহঁতৰ কলহবোৰ নৈত উটি যায় নে নাযায়। —সেইবোৰ কথা ভাবিলে তাইৰ দুখ লাগে মাক বাপেকলৈ খ উঠে।

প্ৰাযে এইখিনি পৰত কল কমলা লৈ ফেৰিবালাটো আহে। সপ্তাহৰ মূৰত উত্তৰ পাৰৰ পৰা কান্দুৰী বুঢ়ী আহে—গাঁবৰ কণী দহোটা ঔটেঙা কলমৌ, মাজে সময়ে ৰবাবটেঙা তেতেলিটেঙা লৈ। বুঢ়ীক বহুৱাই থৈ তাই ৰবাব টেঙা বখলিয়ায়। নীৰেন নথাকিলে এটা ৰবাব টেঙা নিমখ জলকীয়াৰ সৈতে অকলে তাইৰ পেটত সোমায়। চাহৰ কাপত মুখ দি বুঢ়ীযে নাৰী ধৰ্মৰ বিষযে তাইৰ আগত এটা নাতিদীৰ্ঘ বক্ত তা দিয়ে। তাইৰ খোজ কাটল চেহেৰা চাই সাৱধানে চলাৰ কথা কয়। আজিকালি ডাক্তৰ কবিৰাজক বিশ্বাস নকৰিবলৈ কয়। সিহঁতে একো নাজানে। ইটো নাখাব সিটো নকৰিব—এইবিলাক কিবা কথা হ লনে ? এইটো কিবা বেমাৰনে ? আশাক পতিযন নিযাবলৈ বুঢ়ীযে নিজৰ উদাহৰণ দাঙি ধৰে ডাঙৰ ছোৱালীজনী হোৱাৰ সময়ত গধূলি ধান বানি আছিলো। বিছনালৈ আহোঁতে পেটটোৱে অলপ ইকাটি সিকাটি লগালে। শাহু বুঢ়ীযে মাটিতে বস্তা এটা পাৰি দিলে। মানুহটোৱে বালিকান্ত বেজৰ পৰা মিঠাতেল অলপ জাৰি আনিলে। বোবাৰীপুৱাতেই দেহা খালাচ। কাষৰ কাউৰী কুকুৰেও গম নাপালে। শুন লাগে যদি আগতীয়াকৈ খবৰ দিবি আহিম। আশাই হা না একো নকয়। সাধুকথা শুনাদি কথাবোৰ শুনি থাকে। আবেলি তিনিমান বজাত টিলিঙাৰ মাতত তাই সাৰ পায়। কটি দিয়া মানুহজন আহে। হাত মুখ ধুই তাই আকৌ এবাৰ কাৰা চাহ খাই লয়। তাৰ পাছত আবেলিৰ জলপান সাজু কৰে। চাৰিমান বজাত নীৰেন অফিছৰ পৰা আহে। চাহাব ছুপাৰিণ্টেণ্ডেণ্ট বৰবাবু, ডিলি

এছিষ্টেণ্ট টাইপিষ্ট আদি শব্দক কেন্দ্ৰ কৰি সি দিনটোৰ ঘটনাৰ এটা থূলমূল বৰ্ণনা দিয়ে। চাহ জলপান খাই সি বজাৰলৈ যায়। মনোহাৰী বস্তু কিনিবলগীয়া থাকিলে মাজে মাজে তায়ো যায়।

আশা বহুপৰ ভ্ৰুয়িং ৰুমত বহি থাকিল। আজি তাইৰ একো কৰিবলৈ মন যোৱা নাই কালসাপৰ দৰে মৃত্যুৱে যে ক'ত কেতিয়া কেনেকৈ চোপ লৈ থাকে! কালি বজাৰলৈ যাওঁতে চাগে শৰ্মাই পঁচিছ পইচাৰ কাৰণে ৰিক্সাৱালাটোৰ সৈতে কাজিয়া কৰিছিল দহ পইচাৰ কাৰণে পাছলি বেচা বেপাৰীজনৰ সৈতে মুখ চলাইছিল। অফিছৰ ফাইলৰ মাজত নিমগ্ন হওঁতে ক ৰপৰা কেনেকৈ দুটকা ওলায় তাৰ কথা ভাবিছিল। টকা পইচা মাটি সম্পত্তি লৈ হামৰাও কাঢ়ি ফুৰা মানুহজন আজি সৌ ঘৰটোত নিশ্চল হৈ পৰি আছে। সাপৰ চালৰ দৰে হিমশীতল গা মৰা মাছৰ দৰে ঢেলা চকু নিস্তেজ নীলা মুখ। চৌপাশৰ মানুহৰ কোনো প্ৰতিক্ৰিয়া উদ্বেগ আশ কা উত্তেজনা নাই।

অস্থিৰ অপ্ৰকৃতিস্থ অৱস্থাৰে তাই শ্ৰীমতী শৰ্মাৰ কথা ভাবিলে। কি ভাবিছে মানুহজনীয়ে কালি ৰাতিৰ পৰা ? এই যে মানুহজন আগদিনালৈকে তেওঁৰ জীবনৰ এফাল হৈ আছিল বিছনাখনৰ আধাতকৈও অধিকা শ অধিকাৰ কৰি আছিল — অফিছ ঘৰ ল'ৰা ছোৱালীৰ ভৱিষ্যত লৈ ব্যস্ত আছিল সেই মানুহজন এতিয়া নিৰ্বিকাৰ হৈ পৰি আছে। জীয়াই থাকোঁতে দপদপাই ফুৰা মানুহটোৰ নিৰ্জীৱ শৰীৰটো শ্মশানলৈ নিবলৈ ওচৰ চুবুৰীয়া বন্ধু বান্ধৱৰ সময় ওলোৱা নাই। বুকুৰ আপোনজনৰ মৰাশটো লৈ মানুহজনীয়ে এতিয়া কি কৰিছে ?

আশাই নিজকে বৰ অকলশৰীয়া যেন অনুভৱ কৰিলে।

কাউৰী এটা মৰিলেও নগৰ গোটেই জাক কাউৰীয়ে ৰমলিয়াবলৈ ধৰে দামুৰী এটা হেৰালে মাকজনীয়ে হেম্বেলিয়াই ফুৰে। অথচ এই মানুহবোৰে কলনিতে মৰা মানুহজন লৈ নিৰ্বিবাদে শুব পাৰিলে। এবাৰ খবৰ কৰি পাছমুহূৰ্ততে মাছে মঙহে খাই অফিছ কাছাৰী কৰিব পাৰিলে!

সমস্ত জগতৰ নিজৰ্নতা লৈ দুপৰীয়াটো আশাৰ ঘৰৰ সমুখত উপস্থিত হ লহি। চৰাই চিৰিকতিৰ মাত নাই গাড়ী-মটৰৰ কোলাহল নাই ক তো এটা কেঁচুৱাৰ কান্দোন নাই। শোৱনি কোঠাৰ দেৱাল ঘড়িটোৰ টিকটিক শব্দৰ বাহিৰে ক তো কোনো শব্দ নাই। খিৰিকিৰ পৰ্দা ফালি এজাক বতাহ আহিছে। ঘনে ঘনে অহা বতাহজাক কোনোবা অশৰীৰী আত্মাৰ উচুপনি যেন লাগিছে। আশাই ভাবিলে—এই মুহূৰ্তত যদি তাইৰ কিবা এটা হয ? কিবা কাৰণত ইয়াতে যদি তাই সংজ্ঞাহীন হৈ পৰি যায় ? তাইৰ অৱস্থা কি হ'ব ? কোনে তাইৰ খবৰ কৰিব ? হঠাতে যদি তেনেকুৱা কিবা এটা হয় তাইৰো অৱস্থা যদি শৰ্মাৰ নিচিনা হয় নীৰেনে যদি ঘণ্টাৰ পাছত ঘণ্টা এনেকৈ অপেক্ষা কৰি থাকিব লগা হয়— !

উঠি গৈ আশাই এগিলাছ পানী খাই আহিল।

এসময়ত সমুখৰ ৰাস্তাৰে দুই এখন মটৰ গাড়ী আকৌ চলিবলৈ আৰম্ভ কৰিলে। পৰ্দাৰ ফাঁকেৰে তাই দেখিলে শৰ্মাইতৰ পদূলিত দ্বিতীয়বাৰৰ কাৰণে দুই এজনকৈ

মানুহ গোট খাইছে। সম্ভৱত অফিছৰ সহকৰ্মী। মন্ত্ৰমুগ্ধৰ দৰে তাই চাই থাকিল। এটা সময়ত এখন ট্ৰাক আহিল। ট্ৰাকখনত শৰ্মাৰ দেহটো মানুহবোৰে ধৰি মেলি তুলি দিলে। শ যাত্ৰা আগবাঢ়িল। মৃত্যুৰ সতে সহবাস কৰিবলৈ ওলোৱা মানুহজনক শেষ শ্ৰদ্ধা জনাবলৈ তাই বাহিৰলৈ ওলাই আহিল। পাৰ হৈ যোৱা সমদলটোলৈ চাই তাই যেন নিজকে ক'লে —হে অমৰ আত্মা কেতিয়াবা যদি তুমি নতুন দেহত থিতাপি লোৱা তেনেহ লে তোমাৰ চাগে আকৌ মানুহৰ দেহত থিতাপি লোৱাৰ হাবিয়াস শেষ হৈ গৈছে!

হঠাতে এবাৰ তাইৰ নীৰেনৰ কথা মনত পৰিল। নীৰেনে আজি ভাত নোখোৱাকৈ অফিছলৈ গৈছে। সোনকালে আহিবও পাৰে। দিওঁ নিদিওঁকৈ তাই কেইটামান চাউল বহাই দিলে। ভাত খোৱাটো ডাঙৰ কথা নহ লেও নোহোৱা নোপজা ঘটনা এটা অঞ্চলটোত ঘটি গৈছে তাই ঘৰত অকলশৰে আছে তায়ো ভাত খোৱা নাই —সেই কাৰণে নীৰেনে আহিয়েই তাইক খুৱাবলৈকে ভাত বিচাৰিব পাৰে।

ভাত হোৱাৰ পাছত বহুত পৰ আশাই বাহিৰলৈ চাই থাকিল। এটা সময়ত তাই উপলব্ধি কৰিলে তাই এইবোৰ মিছাতে আশা কৰিছে। যোৱা ডেৰ বছৰে তাই গম পাই গৈছে—নীৰেন অত্যন্ত হিচাপী মানুহ। আঁঠুৱাৰ তলৰ প্ৰেমৰ বাহিৰে সি এদিনো আজৰি পৰত ভুলতো তাইক কৈ পোৱা নাই—আকাশৰ তৰা পূৰ্ণিমা ৰাতিৰ জোনাক সমুখৰ টিলাটোত বতৰত ফুলা সোণাৰু ফুলৰ কথা—। সেইবোৰ তাই আগবয়সৰ নৈৰ ঘাটত পুখুৰীৰ পাৰত সেউজীয়া ধাননিৰ মাজেদি বলা বতাহৰ সোঁতত লগৰীয়াৰ হাঁহি খিকিন্দালিৰ মাজত এৰি থৈ আহিছে। তাৰ ওচৰত তাইৰ অভিযোগ নাই সি সম্পূৰ্ণ ব্যৱহাৰিক মানুহ সক্ষম গৃহস্থ। মাক বাপেকে ভবাৰ দৰেই সি তাইক গাঁৱৰ পৰা আনি চহৰত ৰাখিছে বজাৰৰ ভাল বস্তু ভাল কাপোৰ ছিনেমা সময়ত ডাক্তৰ —সকলো ব্যৱস্থা ঠিকেই কৰিছে বহু সময়ত তাইৰ অনিচ্ছাসত্ত্বেও। তাই নীৰেনৰ পৰা যি পাইছে তাতকৈ বেছি আশা কৰিলে সেইবোৰ আজিৰ দিনত বিলাসিতাহে হ ব।

~বলি লহিয়াইছে। হেলনীয়া বেলিৰ কিৰণত মানুহৰ ঘৰৰ টিভিৰ এণ্টেনাবোৰ চিকমিকাই উঠিছে। সমুখৰ পথাৰখনত চেমনীয়া ল'ৰাকেইটাই ক্ৰিকেট খেলিছে। হাতত ধৰি শ্ৰীমতী ৰহমানে ছোৱালীজনীক স্কুলৰ পৰা ওভতাই আনিছে। পিছে-পিছে কাম কৰা ছোৱালীজনীয়ে কিতাপৰ বেগটো আৰু পানীৰ বটলটো কঢ়িয়াই আনিছে। স্কুটাৰত উঠি বৰা আৰু শ্ৰীমতী ওলাই গৈছে। নীৰেন আনদিনাতকৈ অফিছৰ পৰা দেৰিকৈ উভতিছে। আহোঁতে বজাৰ কৰি আনিছে।

মৃত্যুৰ সতে ইমান ওচৰ সম্পৰ্ক তাইৰ হোৱা নাই। তাইৰ চেমনীয়া কালত আইতাক ঢুকাইছিল দেউতাক মাকহঁতে গোটেইটো দিন কান্দি আছিল আইতাকক তুলসী তলত বাঁহৰ চাঙত শুৱাই দিয়া হৈছিল। ঢোল বৰকাঁহৰ শব্দৰ মাজেদি আইতাকক শ্মশানলৈ নিয়া হৈছিল। ফুটগধূলিতে মাকে সিহঁতক শুৱাই থৈছিল। বহুদিন সিহঁত অকলে বাহিৰলৈ ওলোৱা নাছিল।

সেই মৃত্যু আৰু কালি নিশাৰ এই মৃত্যু। এক অজান ভয়ত আশাই বৰ অসহায় বোধ কৰিলে।

দৈনন্দিন কৰ্তব্য বুলি ধৰি তাই ৰাতি ভাত পানী ৰান্ধিলে। নীৰেনৰ খোৱা হোৱাৰ পাছত আশাই বহুপৰ নিজৰ ভাতখিনি লিৰিকি বিদাৰি থাকি পানী ঢালি উঠি আহিল। শোৱা কোঠালৈ আহি তাই বহুপৰ মনে মনে বহি থাকিল। নীৰেন ব্যস্ত হৈ উঠিল — 'কি হ'ল ? গা অসুখ নেকি ?

তাই একো নক লে। এটা সময়ত বিছনালৈ আহি তাই নীৰেনক ক'লে — কথা এটা কওঁ শুনিবা ?

নীৰেনে আগ্ৰহেৰে বাট চালে।

তুমি মোক গাঁৱত থৈ আহাঁগৈ।

নীৰেন জ াঁপ মাৰি উঠিল তুমি বলিয়া হৈছা নেকি ? এইটো সময়ত গাঁবত ? লাগ বুলিলে বস্তু এটা পাবলৈ নাই পৰামৰ্শ কৰিবলৈ ডাক্তৰ কম্পাউণ্ডাৰ এজন নাই ৰাতি বিয়লি-কিবা এটা হ'লে গাড়ী এখন পাবলৈ নাই তেনেস্থলত—।

একো নহয় দিয়া। আমাৰ মা পিতাইতো আমাক তেনেকৈযে জন্ম দিছিল। আমাৰতো একো হানি বিঘিনি হোৱা নাই।

তাহানিৰ দিন আৰু আজিৰ দিনৰ মাজত পাৰ্থক্য আছে।

সেইকাৰণেইতো কৈছোঁ। ধৰি লোৱা তুমি নাথাকোঁতে মোৰ কিবা এটা হ ল তেতিয়া ইয়াত মই কি কৰিম ? ধৰি লোৱা তোমাৰ মোৰ দশা শৰ্মাৰ দৰে হ ল তেতিয়া ? আমাৰ সন্তানটোৱে এদিন জন্ম পাই ডাঙৰ হৈ দেখিলে—তাৰ মাক বাপেকে সীমাৰ সিপাৰে মানুহ এজন ঢুকালে নিশ্চিন্ত মনে টোপনি যাব পাৰে। পুবাতেই উঠি দেখা মানুহ এজন ঢুকাওঁতে একো নোহোবাৰ নিচিনাকৈ মাছে মঙহে খাই অফিছ কাছাৰী কৰিব পাৰে মৰাশটো পিছ পেলাই গাড়ী মটৰত উঠি আনদিনাৰ দৰে আলহী খাই ঘূৰি ফুৰিব পাৰে। এদিনাখন সি চাকৰি বাকৰি কৰিলে তাক খবৰ দিয়া হ ল—তাৰ মাক বা বাপেক ঢুকাল। সিও যদি কয়—এস হ ব মা দেউতাহে ঢুকাইছে। তেতিয়া ?

গোটেই দিনটো চেপি ৰখা কান্দোনখিনি আশাৰ ডিঙিয়েদি এক অস্ফুট উচুপনিৰ নিচিনাকৈ ওলাই আহিবলৈ ধৰিলে।

আৰু তাইৰ মনৰ সমস্ত ভয় আৰু শংকাই যেন বুকুৰ পৰা আৰু গভীৰলৈ নামি গৈ তাইৰ গৰ্ভস্থ সন্তানটোক বেৰি ধৰিলে।

১।১০।৮৮

সান্ধ্য-ভ্ৰমণ

ড ভবেন্দ্ৰ নাথ শইকীয়া

সুমিত্ৰাৰ গাৰুৰ তলত —সদায় ঠিক তলত নহয় —তলত বা ওচৰতে এটা টৰ্চলাইট কেৱল পঢ়িবৰ সময়ত প্ৰয়োজনীয় চচমাযোৰ হাতঘড়িটো দিয়াচলাই এটা ৰুমাল এখন আৰু কিতাপ এখন থাকে। কেতিযাবা ইযাৰে কিবা এটা নাথাকিলে গাৰুত মূৰ থোবাৰ পাছতে তাই গম পাই যায —কিবা এটা নাই নাই লাগিছে। তেতিযা তাই উঠি বহে গাৰুটো আঁতৰাই বস্তুবোৰ পৰীক্ষা কৰে —ঠিক দিয়াচলাইটো আনিবলৈ নহ ল। তেতিয়া তাই প্ৰভাক নামাতে খুচি লোৱা আঁঠুৱা দাণ্ডি নিজে নামি যায।

তাইৰ মূৰ শিতানৰ ফালে তুলিৰ তলত দেগাৰ বুলিব পৰা এখন দীঘল ছুৰীও থাকে। সেইখন তাই কেতিযাবা গোটা ৰঙালাও প্ৰথমে দুফাল চাৰিফাল কৰি লোৱাৰ নিচিনা কাম কৰিবলৈ উলিয়াই নিযে তাৰ পাছত মচি কাচি এনেযে এবাৰ ধাৰটো পৰীক্ষা কৰি আকৌ তুলিৰ তলত থৈ দিযে। সুমিত্ৰাই এবাৰ হঠাতে ৰিভলভাৰ এটাৰ লাইছেন্স বিচাৰি ডি ছি ৰ অফিছ পাইছিলগৈ ফৰ্ম এখনো আনিছিল পিছে ফিল আপ নকৰিলে।

ৰাতি হঠাতে কিবা এটা শব্দৰ কাৰণে সাৰ পাই গ লে সুমিত্ৰাৰ কেতিয়াবা প্ৰথমতে ডেগাৰখনলৈ মনত পৰে কেতিয়াবা কিতাপখনলৈ মনত পৰে —সেইটো শব্দটোৰ প্ৰকৃতিৰ ওপৰত নিৰ্ভৰ কৰে যেনে—পুৱতি নিশাৰ চৰাইৰ মাতত টোপনি ভাগিলে তাইৰ ডেগাৰখনলৈ মনত নপৰে। কেতিয়াবা বিনা কাৰণত অসময়ত টোপনি ভাগিলে তাইৰ গাৰুতলৰ বস্তু একোলৈকে মনত নপৰে —তাইৰ বয়স পঞ্চলিছ বছৰ হৈছে এই পঞ্চল্লিছ বছৰৰ একচল্লিছ বিয়াল্লিছ বছৰমানৰ ভিতৰৰ যিকোনো এটা কথা মনত পৰে। কথাটো ভাল নালাগিলে আৰু কথাটো সোনকালে মনৰ পৰা ওলাই নগ'লে তাইৰ কিতাপখনলৈ মনত পৰে বে ড ছুইচটোত হাত পৰে লাইটটো জ্বলিলে চচমাযোৰত হাত পৰে।

আজি তাইৰ ভিতৰি ভিতৰি থকা এটা উত্তেজনাৰ কাৰণে টোপনি ভাগিল। পুৱা ছয় বজাৰ বাছ ধৰিব লগীয়া থাকিলে খুটখুটীয়া বুঢ়াৰ যেনেকৈ আধাৰাতিতে টোপনি ভাগে সৰস্বতী পূজাৰ স্কুলৰ পূজাৰ দায়িত্বত থকা ক্লাছ নাইনৰ ছোৱালীৰ যেনেকৈ দোকমোকালিতে টোপনি ভাগে—তেনেকৈ। তাই কাণ পাতি শুনিবলৈ চেষ্টা কৰিলে—কৰবাত চৰায়ে মাতিছে নেকি ? নাই মতা। তাৰ পাছত তাই বেৰ আৰু ছিলিং লগ লগা ঠাই এডোখৰলৈ চালে—স্কাইলেটেদি পোহৰৰ আভাস আহিছে নেকি ? নাই অহা। বে'ড ছুইচটো টিপিবলৈ তাইৰ মন নগ'ল। টৰ্চলাইটটো জ্বলালে চচমাযোৰ পিন্ধিলে

হাতঘড়িটো চালে —তিনি বাজি পোন্ধৰ—সোতৰ মিনিট গৈছে। তাই বুজিলে—এতিয়া আৰু তাইৰ টোপনি নাহে।

সদায় দোকমোকালিতে তাই ফুৰিবলৈ যায়। দুই কিল'মিটাৰমান খোজ কাঢ়ে। তাই মন কৰিছে—আজিকালি চাৰে চাৰিমান বজাতে ওলাব পাৰি। চাৰি বাজি সোতৰ মিনিট যোৱা হ'লেও তাই উঠিলেইহেঁতেন।

বে'ডকভাৰখন ডিঙিলৈকে ভালকৈ লৈ তাই চিৎ হৈ পৰি থাকিল।

আজি তাইৰ নতুন ঘৰটোৰ প্ৰথম খুটাটো পোতা হ'ব। কালি আবেলি মহিউদ্দিন মিস্ত্ৰিয়ে নিজে আগত থাকি অইন দুটা মিস্ত্ৰিৰ হতুৱাই চাৰিডাল লোহাৰে অদ্ভুত চেহেৰাৰ জকা এটা সজাই থৈ গৈছে। সেইটোৱেই আজি খুটা হ ব। সুমিত্ৰাই সেইবোৰ একোকে নুবুজে। মহিউদ্দিনৰ লগত তাইৰ বন্দবস্ত—যি বুজিব লাগে চব সি বুজিব সুমিত্ৰাই কেৱল পইচা দি যাব অকলশৰীয়া তিৰোতা মানুহ কাৰণে সি যেন তাইক নঠগে। মহিউদ্দিন ৰাজমিস্ত্ৰি আছিল এতিয়া ঠিকাদাৰ হৈছে। এতিয়া সি নিজে কাম নকৰে। বগা পায়জামা পাঞ্জাবী আৰু ডাঙৰ ঘড়ি এটা পিন্ধে। কেৱল কোনোবা আনাড়ী মিস্ত্ৰিয়ে একেটা ভুলকে বাৰে বাৰে কৰিলে সি খঙতে— হেই বুৰ্বক চাওঁ আঁতৰ হ —বুলি নিজে কামটো কৰি দেখুৱাই দিয়ে নহ'লে সি ছাঁ পৰা ঠাইত বহি পকেট ট্ৰেনজিষ্টৰটোৰ পৰা গান শুনি থাকে। আজি এমাহমানৰ আগৰ পৰা সি মাটিডোখৰৰ এচুকত লোহা ইটা বালি শিলগুটি আদি পেলাইছে মাটিডোখৰৰ এচুকত টিনপাত তজ াৰ ঘৰ এটা সজাইছে লোহা বেঁকা কৰিবলৈ কাঠৰ ঘোঁৰা এটা পোতাইছে। এদিন বাদে এদিন আবেলি আবেলি সুমিত্ৰাই কাণ্ডকাৰখানাবোৰ চাবলৈ আহিছে মহিউদ্দিনে তাইক বিচিত্ৰ চেহেৰা ৰং আৰু আকৃতিৰ কাগজৰ টুকুৰা কিছুমান দিছে। সেইবোৰ ৰছিদ। সেইবোৰৰ ভিতৰত তাচপাতখিলাৰ আধামান জোখৰ কাগজো থাকে তাত লিখা থাকে গুণা—এঘাৰ টকা। সুমিত্ৰাই বেগৰ পৰা উলিয়াই মহিউদ্দিনক পইচা দিয়ে আৰু চব চম্ভালিব জনা মানুহৰ ভাও ধৰি গহীন সুৰত সোধে — 'কাইলৈ কি-কি কাম আছে?

ইতিমধ্যে মহিউদ্দিনে ঘৰটোৰ নক্সা তক্সা চব বুজি লৈছে। প্ৰথম দিনা সি পোহৰ সৰকিব পৰা কাগজত অঁকা নক্সাখন—ভালকৈ মন কৰা নাছিলেই নে কি— ওলোটা পিঠিৰ পৰা চাই আছিল। সুমিত্ৰাই ওচৰ চাপি কৈছিল এই ফালৰ পৰা চাইছা কিয়? লুটিয়াই লোৱা। অকণো লাজ পোৱা যেন নেদেখুৱাই মহিউদ্দিনে কৈছিল এই ফালৰ পৰাও একেই বাইদেউ। খালী ঘৰটোৰ পূবৰ কোঠালিকেইটা পশ্চিম ফালে দেখিছোঁ। বাকী চব ঠিকেই দেখিছোঁ।

তথাপি সিফালৰ পৰা চালেহে আখৰবোৰ পঢ়িব পাৰিবা!

এ আখৰৰ লগত আমাৰ সিমান কাৰবাৰ নাই বাইদেউ। মই খালী ভাবি আছোঁ ইঞ্জিনিয়াৰ চাহাবে যে বিছটা পিলাৰ দেখুৱাইছে মইতো ভাবোঁ—এই দুটা পিলাৰ নহ'লেও হয়!

কথাটো সুমিত্ৰাই নক্সাখন প্ৰস্তুত কৰা ফাৰ্মখনৰ আৰ্কিটেক্টক সুধি চাইছিল তেওঁ অলপ পৰ ভাবি চিন্তি কৈছিল —হ'ব এই দুটা পিলাৰ নহ'লেও হ ব।

সেইদিনাই সুমিত্ৰাই ঠিক কৰিছিল—মহিউদ্দিন এই কামত ওস্তাদ। তাৰ পাছত মহিউদ্দিনে ঘৰ সজাৰ বাবে প্ৰয়োজনীয় বস্তু বাহানিৰ যোগাৰ কৰিছে আয়োজন প্ৰায় সম্পূৰ্ণ আজি পুৱা আঠমান বজাতে প্ৰথম খুটাটো পোতাৰ কাৰণে গাঁত খন্দা হ ব। মহিউদ্দিনে এই লাইনতে আগতে চিনাকি হোৱা বাপুদেউ এজনক মুঠতে পযসত্তৰ টকা নগদ দি দিছে —তাৰে খুটাৰ গুৰিত পুতিবলৈ সোণৰ পৰা মূৰত মেৰিয়াবলৈ ৰঙা কাপোৰলৈকে সকলো হ'ব।

কামটো বন্ধ কৰি দিব নে কি? সুমিত্ৰাই এবাৰ ভাবিলে। তাইৰ মনটো মুকলি মুকলি লগা নাই। কথাটো ভাল লগা নাই। এইখিনি মাটিত ঘৰটো নসজাবই নে কি? থাকোঁ বুলিলেতো কলনিৰ ঘৰটোতে তাই আৰু চৈধ্য পোন্ধৰ বছৰ থাকিব পাৰে। তাৰ পাছৰ কথাটো এতিয়া নাভাবিলেই হ'ল।

সৰু চৰাইৰ মিহি মাত এটা তাইৰ কাণত পৰিল। মূৰটো ঘূৰাই তাই ছিলিং আৰু বেৰ লগ লগা ঠাই ডোখৰলৈ চালে। অলপ অলপ পোহৰ পৰিছে। তাই উঠিল।

পাঁচ মিনিটমানৰ পাছত তাই প্ৰভাক মাতিলে। প্ৰভাই এবাৰ মাতিলেই সাৰ পায়।

মই ফুৰি আহোঁ। দুৱাৰখন ভিতৰৰ পৰা মাৰি থ। —বুলি তাই ওলাই গ'ল।

বাহিৰখন কোনোমতে মনিব পৰা হৈছে। প্ৰভা চৰাই পোহৰ আৰু সুমিত্ৰাৰ বাহিৰে যেন কোনেও সাৰ পোৱা নাই। শাৰীখনৰ আগটো ডিঙিত মেৰিয়াই লব লগীয়াকৈ জাৰ পৰিছে। দূৰত সেয়া পোহৰ নে কুঁৱলী ধৰিব নোৱাৰি। পদূলিৰ দীঘল দীঘল ঘাঁহৰ মাজত ভৰি পৰোঁতে সুমিত্ৰাই ছেণ্ডেল পিন্ধা সত্ত্বেও নিয়ৰ পৰিছে বুলি গম পালে।

ৰাস্তাৰ মাজত থিয় হৈ তাই প্ৰথমতে তাইৰ মাটিডোখৰলৈ চালে। এদ'ম বালি এদ'ম শিলগুটি এসোপা লোহা খুটাৰ জ'কাটো শাৰী-শাৰীকৈ জাপি থোৱা ইটাবোৰ—চব শীতল হৈ পৰি আছে। তৰ্জাৰ ঘৰটোৰ ভিতৰত চাগে মহিউদ্দিনৰ মানুহটো শুই আছে। ফুলাম লুঙি আৰু গোলাপী ৰঙৰ ৰবৰৰ পামছু পিন্ধা মানুহ এটা দেখুৱাই মহিউদ্দিনে কালি সুমিত্ৰাক কৈছিল—ই আজিৰ পৰা ইয়াতে থাকিব।

আৰু অকণমান পোহৰ হ'লেহে আগুৱাই যোৱা ভাল হ বনে কি—তাকে ভাবি সুমিত্ৰাই তাইৰ মাটিডোখৰৰ আগতে ৰাস্তাটোত লাহে লাহে ইফাল সিফাল কৰি থাকিল।

সেইখিনিতে ৰেলিং দিয়া সৰু বাৰাণ্ডাখন হ'ব। বাৰাণ্ডাখনৰ পৰা দুৱাৰখনেদি সোমাই গ'লেই সেইটো তাইৰ আহল বহল শোৱা কোঠা। শোৱা কোঠাতে পূব ফালৰ খিৰিকি এখনৰ ওচৰত তাইৰ পঢ়া মেজখন থাকিব। সেইটো কোঠাতে কিতাপৰ আলমাৰিকেইটাও থাকিব। লগতে এটা সৰু কোঠা তাতে প্ৰভা শুব। মাত দিলেই ইজনীয়ে সিজনীক পাব। মাজত সেইটো বহা কোঠালি তাৰ সিফালে— পশ্চিমফালে সেইটো বস্তু বাহানি থোৱা একাষৰীয়া সৰু কোঠালি। বাটৰ পৰা ঘৰটোৰ এইখিনিয়েই

চকুত পৰিব। সক আটোমটোকাৰি ঘৰ। ভিতৰত আমনি লাগিলে বাৰাণ্ডালৈ ওলাই আহি ডাঙৰ হেলনীয়া চকীখনত—

ওহোঁ। তিৰোতা মানুহ আগফালে তেনেকৈ তেনেকুৱা চকীত নবহে। বাৰু সাধাৰণ চকীতেই বহিল জানিবা নবহি তাইৰ পঢ়া মেজতেই বহিল জানিবা —কিন্তু এই ঘৰটো!

সুমিত্ৰাই ওচৰৰ ঘৰটোলৈ চালে। এইটো ঘৰৰ পৰাই তাই অলপ আগতে ওলাই আহিছে।

দুমাহৰ আগতে এদিন তাই মহিউদ্দিনৰ লগত এইখিনিতে থিয় হৈ ঘৰ সজা সম্পৰ্কে প্ৰাথমিক কথা বতৰা পাতিছিল। তেতিয়া মাটিডোখৰত চিনাকি অচিনাকি বিভিন্ন ধৰণৰ সৰু সৰু গছ আৰু জোপোহা আছিল। সিহঁতে কথা পাতি থাকোঁতেই এখন জীপ আহি এই ঘৰটোৰ সন্মুখতে ৰৈছিলহি। ড্ৰাইভাৰজন গাড়ীতে বহি আছিল আৰোহীজনে ঘৰটোৰ বাৰাণ্ডালৈ উঠি গৈ কলিং বেল টিপিছিল। জীপৰ পৰা নামি যাওঁতেই মানুহজনে সুমিত্ৰাহঁতৰ ফালে উৎসুক দৃষ্টিৰে চাইছিল আৰু বাৰাণ্ডাত দুৱাৰখন খোলাৰ অপেক্ষাত থিয় হৈ থাকোঁতেও চাই আছিল।-ঘৰটোত কোনো নাছিল। কিছু সময়ৰ পাছত সেই কথাটো বুজিব পাৰি মানুহজন জীপখনৰ ওচৰলৈ উভতি আহিছিল। জীপত উঠিব খুজি তেওঁ থমকি ৰৈছিল আৰু সুমিত্ৰাহঁতৰ ফালে আগুৱাই আহিছিল।

নমস্কাৰ। মই নিৰঞ্জন দত্ত। আপুনি—

মোৰ নাম সুমিত্ৰা চৌধুৰী,—

বুজিলো। মানুহজনে লগে লগে ক'লে। মই দেখিয়েই আগুাজ কৰিছিলো। আপোনাৰ লগত দেখা সাক্ষাৎহে হোৱা নাই কিন্তু আপোনাৰ কথা জানো।

কেনেকৈ? কি জানে? —প্ৰশ্ন দুটা সুমিত্ৰাৰ ডিঙিলৈকে উঠি আহি এঠাইত ৰৈ গ'ল।

নিৰঞ্জন দত্তয়েই আকৌ আৰম্ভ কৰিলে মই যেতিয়া এই মাটিডোখৰ কিনো তেতিয়া খবৰ লৈছিলো—এইডোখৰ কাৰ মাটি? আগলৈ ওচৰ চুবুৰীয়া কোন হ ব জানিবলৈ মন যাবই দিয়কচোন।

নিৰঞ্জন দত্তই লাহেকৈ ভদ্ৰভাৱে হাঁহিলে তাৰ পাছত ক লে তেতিয়া কোনোবাই কোনোবাই আপোনাৰ দেউতাকৰ নাম লৈছিল। পাছত যেতিয়া ঘৰটো সাজিবলৈ লওঁ তেতিয়া শুনিলো—মাটিডোখৰ আপোনাৰ।

হয়। দেউতাই এইডোখৰ মাটি মোক দিছে। সুমিত্ৰাই শান্ত মাতেৰে ক লে।

'ঘৰ সজাব খুজিছে নে কি?

'জানো! ভাবিছোঁ। ঘৰ সজোৱা বোলে বৰ টান কাম। চুলি পকি যায় বোলে। পাতল হাঁহি এটাৰে অথচ গহীন সুৰেৰে সুমিত্ৰাই ক'লে।

হঠাতে সুমিত্ৰাৰ নিচিনা মানুহ এজনীৰ চুলিবোৰ পকি যোৱাৰ সম্ভাৱনাত নিৰঞ্জন দত্ত যেন অস্থিৰ হৈ উঠিল। ইয়াৰ আগতে কেইবাবাৰো লগ পোৱা মানুহক কোৱাৰ নিচিনাকৈ তেওঁ পাতল সুৰেৰে ক'লে নাই নাই! সেইবোৰ মানুহে ক'ব লাগে কাৰণে

কোৱা কথা। আপুনিতো টাউনখনত হাজাৰ হাজাৰ ঘৰ দেখিছে কিন্তু পকাচুলীয়া মানুহ কিমান দেখিছে?

তাৰ পাছত নিৰঞ্জন দত্তই মাতত উৎসাহ আৰু অভয় মিহলাই কৈ গ'ল—কোনো চিন্তা নাই এবাৰ আৰম্ভ কৰিলেই কাম আপোনা আপুনি আগ বাঢ়ি গৈ থাকিব। কেৱল মূল মানুহটো ঠিক হ'লেই হয়। আপুনিতো লেবাৰ কনট্ৰেক্টহে দিব? এৱেঁই নে কি ঠিকাদাৰ?

দত্তই মহিউদ্দিনৰ ফালে চালে। মহিউদ্দিনে সৌহাতখন কপালত লগাই হয় বুলি বুজালে।

তাৰ পাছত দত্তৰ কণ্ঠ পুৰাকৈ খোল খালে। সেইদিনাই, সেইখিনিতে ঠিক হ'ল—কিবা সহায় লাগিলে সুমিত্ৰাই যেন দত্তক ক'বলৈ কুণ্ঠাবোধ নকৰে। দত্তই মনিবেগটো খুলি এখন কাৰ্ড সুমিত্ৰাক দিলে—তাতে তেওঁৰ টেলিফোন নম্বৰটোও আছে। তেওঁ নিজেও ঠিকাদাৰ মানুহ। ঘাইকৈ দলঙৰ ঠিকাদাৰ। অফিছৰ মানুহবোৰে তেওঁক ধেমালিতে সেতুবন্ধন কৰা মানুহ বুলি কয়। দলঙৰ কাম হ'লেও এই লোহা লক্কৰ বালি-ছিমেণ্টৰ লগতে তেওঁৰ কাৰবাৰ। তেওঁ নিজেই খবৰ কৰি থাকিব তথাপি দৰকাৰ হ'লেই সুমিত্ৰাই যেন ফোন এটা কৰে। এই যে ড্ৰাইভাৰটো—ভৰত সিও তেওঁৰ লগত থাকি থাকি এইবোৰ কামত এক্সপাৰ্ট হৈ গৈছে। সিও বহুত সহায় কৰিব পাৰিব।

তাৰ পাছত এটা সময়ত কথাই কথাই ওলাল—সুমিত্ৰা সাত মাইল দূৰৰ কলনিত থাকে ইমান দূৰৰ পৰা ঘৰৰ কাম চাবলৈ অহাটোৱেই তাইৰ কাৰণে বৰ অসুবিধাৰ কথা হ'ব। অথচ মাজে মাজে চকু দি নাথাকিলেও নহ'ব। প্ৰসংগটোৰ বেছি ভাগ কথা দত্তয়েই ক'লে। শেষত অলপ সময় কিবা চিন্তা কৰি ক'লে আৰু দহদিনমানৰ আগতে আপোনাৰ লগত দেখা হোৱা হ'লে বৰ ভাল আছিল। এইটো মোৰে ঘৰ। টাউনৰ গণ্ডগোলৰ পৰা আঁতৰত সৰুকৈ কটেজ টাইপৰ ঘৰ এটা সজোৱাৰ চখ আছিল সেইকাৰণে সজাইছিলো। এনেয়ে থকাতকৈ ভাৰা দি থৈছোঁ। পিছে ভাৰাতীয়াজন এই মাহৰ শেষত যোৱাৰ কথা। তেওঁকে লগ পাবলৈ আহিছিলো। তেওঁ যোৱাৰ পাছত আপুনিয়েই এই ঘৰটোত থাকি লোৱা হ'লে নিজৰ ঘৰটো সজোৱাত বৰ সুবিধা হ'লহেঁতেন কিন্তু যোৱা সপ্তাহত মোৰ ফ্ৰে'ণ্ড এজনে ঘৰটো খালী হোৱাৰ খবৰ পাই ধৰিলেহি ময়ো হ'ব বুলি ক'লো। ছেঃ ভাল চান্স এটা গ'ল।

নিৰঞ্জন দত্তই আক্ষেপ কৰিলে।

তাৰ সাদিনমানৰ পাছত এদিন আবেলি পৰত নিৰঞ্জন দত্ত সুমিত্ৰাৰ ঘৰ ওলালহি। তেওঁ তেওঁৰ ফ্ৰে'ণ্ডজনৰ লগত কিবা এটা ব্যৱস্থা কৰিলে। ইচ্ছা কৰিলে ঘৰটো সুমিত্ৰাই লব পাৰে। সুমিত্ৰাৰ নিজৰ ঘৰটোৰ কাম শেষ নোহোৱালৈকে। ভাৰাৰ বিষয়ে দত্তই এটা শব্দও উচ্চাৰণ নকৰে। সুমিত্ৰাৰ যি ইচ্ছা—।

কলনিৰ পৰাও সুমিত্ৰাৰ কলেজলৈ চাৰিমাইল মাটিডোখৰৰ পৰাও প্ৰায় সিমানেই। সেইফালৰ পৰা নিৰঞ্জন দত্তৰ ঘৰ ভাৰালৈ লৈ থকাত সুমিত্ৰাৰ কোনো অসুবিধা নাই, কিন্তু লগতে থাকি পুৱা গধূলি ঘৰ সজাৰ কাম চাই থাকিবলৈ পোৱাটো

বৰ সুবিধাৰ কথা। গতিকে যোৱা সপ্তাহৰ আগৰ সপ্তাহত সুমিত্রা আৰু প্ৰভা এইটো ঘৰত থাকিবলৈ আহিছে।

নিৰঞ্জন দত্তই খবৰ লৈ আছে। যোৱা সপ্তাহত মহিউদ্দিন এক নম্বৰী ইটাৰ সমস্যাত পৰিছিল দত্তই স্লিপ এখন দি তাক এছ কে সিঙৰ ওচৰলৈ পঠাই দিলে। সেইদিনা গধুলিৰ পাছতে দুই ট্ৰাক ইটা সুমিত্ৰাৰ মাটিত হাজিৰ হ লহি। আন্ধাৰত ইটাৰ ৰ চিনিব নোৱাৰি কিন্তু ট ট, শব্দ শুনি কটেজৰ বাৰাণ্ডাৰ পৰা সুমিত্ৰাৰ নিচিনা মানুহেও যেন বুজি পালে—এক নম্বৰী ইটা কাক বোলে।

চ থাদিনা নিৰঞ্জন দত্তই তেওঁৰ নিজৰ কামৰ ছাইটলৈ এইফালেদি যাবলগীয়া হওঁতে জীপখন ৰখাই মহিউদ্দিনৰ পৰা কামৰ অগ্ৰগতিৰ খবৰ ললে ছিমেণ্টৰ কি ব্যৱস্থা কৰিছে সুধিলে তাৰ পাছত সুমিত্রাক লগ ধৰি ক লে—ইয়াক য ৰে ত ৰে পৰা ছিমেণ্ট আনিবলৈ নিদিব। পাঁচ বস্তামান আনি কামটো আৰম্ভ কৰক তাৰ পাছত কি হয় দেখা যাব।

তাৰ পাছত দত্তই সুমিত্ৰাৰ অনুমতি লৈ পিছফালে বাহিৰৰ পৰা নিজৰ ঘৰটো চালে। ঠিকেই আছে। আগৰ ভাৰাতীয়াজনে ঘৰটো ভালকৈয়ে মেইনটেইন কৰিছিল।

পাছফালৰ বাৰাণ্ডাৰ মূঢ়াত বহি ভৰতে প্ৰভাক খুজি পানী এগিলাছ খাইছিল দত্ত পিছফালে যাওঁতে সি থিয় হ ল।

নিৰঞ্জন দত্তই হাতৰ ঘড়িটো চালে। অলপ সময় হাতত আছে কাৰণে তেওঁ আগফালৰ বহা কোঠালৈ আহি অলপ সময় বহিল। সুমিত্রাই নোকোৱাকৈ প্ৰভাই তেওঁক এপিয়লা চাহ দিলে। পিছ বাৰাণ্ডাত ভৰতকো দিলে।

চাহ পিয়লাৰ চাৰিভাগৰ তিনিভাগমান খাই ঘপহকৈ বহাৰ পৰা উঠি নিৰঞ্জন দত্তই ক লে 'আপুনি এৰি দিয়াৰ পাছত মই ঘৰটো আৰু কাকো ভাৰালৈ নিদিওঁ বুলি ভাবিছোঁ বুইছে। এনেয়ে পৰি থাকিব। ওচৰতে আপোনালোক থাকিবই যেতিয়া কিহৰ চিন্তা ? মাজে মাজে অকলে দুই এদিন শান্তিৰে থাকিমহি। কি কয় ?

সুমিত্রাই অলপ পলমকৈ ম্লান হাঁহি এটা হাঁহিলে।

'আহোঁ বুলি উজ্জ্বল হাঁহি এটা মাৰি নিৰঞ্জন দত্ত সেইদিনা ওলাই গ ল কিন্তু কালি আবেলি তেওঁ জীপৰ পৰা জাপ মাৰি নামি দীঘল দীঘল অস্থিৰ খোজেৰে ঘৰটোৰ বাৰাণ্ডাত উঠি উত্তেজিত কণ্ঠেৰে মাতিলে মিছ চৌধুৰী।

প্ৰভা ওলাই আহিল। দত্তক হাঁহিমুখেৰে বহিবলৈ কৈ তাই সাউৎকৈ এবাৰ ৰাস্তাৰ জীপখনলৈ চালে তাৰ পাছত সোমাই গ ল। অলপ পাছত সুমিত্রা ওলাই আহিল। দত্তই পোনে পোনে আৰম্ভ কৰিলে 'আপুনিতো বৰ আচৰিত মানুহ। নিশি চৌধুৰীৰ লগাত মই দুবছৰ একেলগে উঠা বহা কৰিছোঁ যোৱাবাৰ তেওঁৰ ল'ৰাই মেট্ৰিকত তিনিটা লেটাৰ পাওঁতে তেওঁৰ ঘৰত ভোজ খাইছোঁ —আপুনি কিয় কোৱা নাই আপুনি নিশি চৌধুৰীৰ ভনীয়েক বুলি ?

সুমিত্রাই অলপ পলমকৈ ম্লান হাঁহি এটা হাঁহিলে তাৰ পাছত ক'লে মই তাৰ বায়েক হওঁ। আপোনাৰ যে তাৰ লগত চিনাকি আছে মইনো কেনেকৈ জানো ?

দত্তই সুমিত্ৰাৰ মুখলৈ চাই ৰ'ল। অলপ সময়ৰ পাছত তেওঁ সৰু মাতেৰে ক'লে বায়েক হয়! আপুনি ধেমালি কৰিছে।

কিয় ধেমালি কৰিম! সুমিত্ৰাই শান্ত মাতেৰে ক'লে।

অলপ পৰ বৈ থাকি দত্তই নিজকে কোৱাৰ নিচিনাকৈ ক'লে আচৰিত! বিশ্বাসেই কৰিব নোৱাৰি। তাৰ পাছত তেওঁ সুমিত্ৰাৰ চকুলৈ চাই, কেৱল সুমিত্ৰাই শুনিব পৰা মাতেৰে ক লে 'সঁচাকৈ কৈছোঁ কোনেও বিশ্বাস নকৰে। আনকি আপুনি ইউনিভাৰ্ছিটিত পঢ়ি থকা ছোৱালী বুলি ক'লেও কোনেও অবিশ্বাস নকৰে। কথাষাৰ কওঁতে দত্তৰ মুখত এটা ৰঙচুৱা আভা বিয়পি পৰিল।

তাইৰ মাটিডোখৰৰ আগত দহবাৰমান ইফাল সিফাল কৰি সুমিত্ৰা ঘূৰিবলৈ বুলি আগবাঢ়িল। ৰাস্তাটো বহু দূৰলৈকে পোন তাৰ পাছত সোঁফালে ঘূৰিছে। এতিয়া সেই কেঁকুৰিটোলৈকে মনিব পৰা হৈছে। অলপ দূৰ গৈ সুমিত্ৰাই দেখিলে— ইলেকট্ৰিছিটিৰ খুটা এটাত তাঁৰেৰে ফুলস্কেপ কাগজৰ সমান টিনপাত এচলা বান্ধি থোৱা আছে তাত লিখা আছে—ৰত্নপুৰ পথ। তিনি আলিটোত থিয় হৈ সুমিত্ৰাই দেখিলে—সেইটো বাটো কিছুদূৰ গৈ বাঁওফালে ঘূৰিছে। আজি এই ফালেনো কি আছে চাওঁচোন বুলি তাই ৰত্নপথত সোমাল।

এইখিনিত চাগৈ কেইবছৰমান আগলৈকে এখন প্ৰকাণ্ড পথাৰ আছিল। ঘৰ আৰু বাটবোৰ দেখিলেই ধৰিব পাৰি। অ ত ত ত দুই এজোপা গছ ঘৰৰ মূধমান ওখ হৈছে। এই মানুহঘৰত দুথোপা নাৰিকল লাগিছে। এওঁলোকেই চাগৈ এইখিনিৰ পুৰণি মানুহ। নিমাত নিস্তব্ধ শান্ত ঘৰবোৰ দেখি হঠাতে সুমিত্ৰাৰ যেন ঘৰবোৰৰ ভিতৰবোৰ চাবলৈ মন গ'ল।

ৰূপক ভৱন। এইটো ঘৰত বা কোন থাকে? ৰূপক বা কাৰ নাম? ল'ৰাটোৰ নাম? সেইটোৱেই শোৱনি কোঠা হ'ব। তাতে চাগৈ ৰূপকৰ মাক দেউতাক শুই আছে। ৰূপক বা ক'ত শুইছে।

এইঘৰ মানুহে এটা কোঠালি বঢ়াইছে। জেওৰাৰ কাষত এদ'ম বালি পৰি আছে। বালিৰ ওপৰতে শেৱালি ফুলবোৰ সৰি পৰি আছে।

সোঁফালৰ ঘৰটোৰ গে'টৰ ভিতৰৰ পৰা ওখ পাখ কুকুৰ এটাই সুমিত্ৰাক ভুকিলে। সুমিত্ৰাই গে'টখনৰ লোহাৰ ফাঁকবোৰলৈ চালে। নোৱাৰে কুকুৰটো ওলাই আহিব নোৱাৰে। মানুহঘৰৰ পিছফাললৈ সোমাই যোৱা বাটত লাইট এটা জ্বলি আছে। নিৰঞ্জন দত্ত এনেকুৱা ঘৰত থকা মানুহ হ'ব পাৰে।

কি দুৰ্দান্ত মানুহ! ওখ পোন বাহু দুটা বহল বগা মুখখনত তেজ বিৰিঙি থকা যেন লাগে স্মাৰ্ট কাপোৰ কানি ফিটফাট সুন্দৰ হাঁহিলে মুখখনতে নে ক ত জানো—বিজুলী মৰা যেন লাগে কথা ক'লে শুনি থাকিবই লাগে উত্তৰ দিব নোৱাৰি।

সুমিত্রা আগ বাঢ়িল। এটা ঘৰৰ আগফালৰ চিৰিবোৰৰ মাজেদি স্কুটাৰ তুলি নিব পৰা বাট এটা আছে। বাৰাণ্ডাত স্কুটাৰখন থৰ লাগি আছে। এইখন স্কুটাৰ আজি ডেকা এজনে চলাই যাবনে? পিছত বহি তেওঁৰ ঘৈণীয়েকে তেওঁক এটা হাতেৰে মেৰিয়াই ধৰি থাকিবনে? সেইজনী ছোৱালীয়েই এদিন তেওঁক তেনেকৈ মেৰিয়াই ধৰিব বুলি ডেকাজনে আগতে কেতিয়াবা ভাবিছিল নে? নে তেওঁ বহুদিন অইন এজনী ছোৱালীৰ কথাহে ভাবি আছিল!

কি কষ্ট!

নাই কিহৰ কষ্ট?

সুমিত্রা আগবাঢ়ি গৈছিল এঘৰৰ আগফালে এজোপা ফুল দেখি তাই ৰ ল দুখোজমান পিছুৱাই আহিল। পাতবিলাকেই ৰঙা হৈ গৈছে নে কি? ভাল লাগিছে। এনেকুৱা এজোপা ফুল ঘৰটোৰ আগফালে কৰ লাগিব।

সুমিত্রাই পাহৰিবলৈ চেষ্টা কৰিছিল কিন্তু কথাটো আকৌ তাইৰ মনলৈ আহিল। কষ্ট? কিহৰ কষ্ট? এতিয়া আৰু কষ্ট সুখ বুলিবলৈ একো নাই। এতিয়া সুখ অৰ্জ'ৰ উপায় নাই কেৱল কষ্ট নাৰ্জিলেই হ ল।

ইলেকট্ৰিক তাঁৰৰ পৰা শালিকা এটা নামি আহি এঘৰ মানুহৰ চকোৱা খনত পৰিলহি। সুমিত্রাই যেন নিজে ক ব নোৱৰাকৈয়ে ইফালে সিফালে চালে—আৰু এটা শালিকা ওচৰে পাজৰে আছে নে কি চাবলৈ। এইবোৰ —ঠিক এইবোৰেই আছিল সেই আৰম্ভৰ দিনৰ কথা। যিদিনাই তাই পুৱা দুটা শালিকা দেখিব সেই দিনাই তাইৰ দিনটো ভালে ভালে যাব মানে সেইদিনা বিপুলক লৈ তাইৰ দিনটো ভালে ভালে যাব। হয়তো সেইদিনা বিপুলক মনে বিচৰা ধৰণে লগ পাব ৰাতি বিছনাত পৰোঁতে আনন্দ আৰু শান্তিয়ে বুকুখন ভৰাই ৰাখিব। বাজে কথা। কোনে শিকাইছিল তাইক এইবোৰ বাজে কথা? তাৰ পাছততো এনেকুৱা বহুদিন গ ল—কেইটামান ৰাতিও গ ল—যেন সেইবোৰ দিনত তাই ৰাতিপুৱাই হাজাৰ হাজাৰ শালিকা দেখিছিল! মিছা কথা। সেইবোৰ দিন সিহঁতক শালিকাই দিয়া নাছিল বিপুলে তাইক দিছিল তাই বিপুলক দিছিল।

এদিন বিপুলে তাইক কৈছিল—কোনেও গম নোপোৱাকৈ কৰবাত মনে মনে দুদিনমান শান্তিৰে থাকি আহোঁগৈ বলা!

হঠাতে সুমিত্রাৰ চকুত পৰিল—কাষৰ ঘৰৰ বাৰী এখনত মানুহ এজনীয়ে বহি বহি কিবা কৰিছে। সুমিত্রাই ইমান সোনকালে কোনোবা উঠিব বুলি আশা কৰা নাছিল। ওচৰ পাই তাই দেখিলে—এডোখৰ মাটিত কিবা শাক গজিছে মানুহজনীয়ে শাকৰ মাজৰ পৰা বন উঘালিছে। তায়ো মানুহজনীলৈ চালে মানুহজনীয়েও তাইলৈ চালে। পুৰণি মুগাৰ মেখেলা কপাহী চাদৰ আৰু হালধীয়া ব্লাউজ এটাৰে মানুহজনীক ধুনীয়া বৰ মধ্যমিয়াল মাক এজনী যেন লাগিছে।

সুমিত্রা আগ বাঢ়িল। এই মানুহজনীৰ জীয়েকে লগৰ ছোৱালী এজনীৰ তালৈ যাওঁ বুলি বিপুলৰ নিচিনা মানুহ এটাৰ লগত কৰবাত দুদিন আছিলগৈনে? তাৰ পাছত—তাৰ তিনিমাহমানৰ পাছত এদিন তাই চাৰিওফালে অন্ধকাৰ দেখিছিল নে? নিজৰ

গাটোৰ ওপৰত তাইৰ তীব্ৰ ঘৃণা জন্মিছিল নে? এক অবৰ্ণনীয় ৰক্তাক্ত যন্ত্ৰণাত তাইৰ দেহ মন কাতৰ হৈ গৈছিল নে? সেইদিনাই তাইৰ নিজৰ ওপৰত সমগ্ৰ পৃথিৱীৰ ওপৰত বিতৃষ্ণা জন্মিছিল নে?

দুবাৰ বাঁওফালে ঘূৰি সুমিত্ৰা আকৌ সেই দীঘল ৰাস্তাটোত উপস্থিত হ'ল। তাই দেখিলে—দূৰত—চুটি হাফপেণ্ট আৰু গেঞ্জি পিন্ধা মানুহ এটা দৌৰি গৈ আছে। চাওঁতে চাওঁতে মানুহটো বহুদূৰ পালেগৈ। হঠাতে সুমিত্ৰাৰ এনেকুৱা লাগিল—সেয়া বিপুল পলাইছে।

শুই থকা ঘৰবোৰৰ আগেদি সুমিত্ৰা পোন ৰাস্তাটোৰে আগ বাঢ়িল।

বিপুল পলোৱাৰ পাছত তাই এটা বছৰ বেমাৰীৰ ভাও ধৰি ঘৰতে পৰি আছিল। সেই বছৰটোতে তাই জীৱনক নীৰস কৰাৰ কক্ষ কৰাৰ আদিপাঠ শেষ কৰিছিল আৰু এদিন ঘৰৰ পৰা ওলাই আহিছিল।

বহুদিনৰ মূৰত তাই কলেজত চাকৰি আৰম্ভ কৰাৰ দুবছৰমানৰ পাছত এদিন মাক আৰু বাপেক তাইৰ ওচৰলৈ আহিছিল।

এতিয়া এনেকৈয়ে থাকিবিনে? —মাকে ভয়ে ভয়ে সুধিছিল।

সেইবিলাক কথা পাতিবৰ মন থাকিলে মোৰ ওচৰলৈ নাহিবিয়েই। মই ভাল নাপাওঁ। —সুমিত্ৰাই টান মাতেৰে কৈছিল।

তাৰ পাছত তেওঁলোকে কেতিয়াও সেইবোৰ কথা উলিওৱা নাছিল। মৰাৰ আগতে বাপেকে তাইৰ নামত এই মাটিডোখৰ আৰু পয়সত্তৰ হাজাৰ টকাৰ ব্যৱস্থা কৰি থৈ গৈছিল। সেইখিনি টকা এতিয়া দুই লাখমান হৈছে চাগৈ। বহুদিন সুমিত্ৰাই খবৰ কৰা নাই। ঘৰটো সজাৰ সময়ত দৰকাৰ হ'লে কৰিব।

মাজে মাজে ভনীয়েকজনী তাইৰ ওচৰলৈ আহি আছিল। প্ৰথমতে গিৰিয়েকৰ লগত পাছলৈ এটা দুটা তিনিটা ল'ৰা ছোৱালী লৈ। সুমিত্ৰাৰ পঢ়া শুনাৰ কাম থাকে দুটা তিনিটা ক্লাছ থাকে। তাই বৰ আমনি পায়। বিশেষকৈ ভনীয়েকৰ ডাঙৰ ল'ৰা দুটাই বৰ ফুল ছিঙে। আজিকালি সিহঁত নাহে। সুমিত্ৰাই নিজে নহাৰ সুবিধাটো কৰি দিছে।

বহুত দিনৰ মূৰত কেতিয়াবা ভায়েক নিশি আহে। সি বেছিভাগ সময় মনে মনে বহি থাকে মাজে মাজে দুই এষাৰ কথাৰে সুমিত্ৰাৰ ভাল বেয়াৰ খবৰ লয় চাহ এপিয়লা খাই গুচি যায়। কেইমাহমানৰ আগতে সি আহোঁতে সুমিত্ৰাই ঘৰ সজোৱাৰ কথা ওলাইছিল। কলনিত থাকি তাই অশান্তি পাইছে। নিশিয়ে সুধিছিল 'ঘৰটোৰ প্লেনটো মোৰ অফিছতে কৰাই আনিম নে কি?

সুমিত্ৰাই ক'লে—নালাগে। এইবোৰ কাম কৰা বহুত ফাৰ্ম আছে। পইচা দিলেই লেঠা মৰে। ঘকৱা কাৰবাৰত লেঠা বাঢ়ে। কোনেও তাইক বিনা পইচাই সহায় কৰিব নালাগে।

কিমান যে সহায় কৰিবলৈ অহা মানুহ। দাৰ্জিলিঙৰ পৰা ভুটীয়া কুকুৰ পোৱালি আনি দিয়াৰ পৰা কন্যাকুমাৰীলৈ ফুৰাবলৈ নিয়ালৈকে—যোৱা সাতাইছটা বছৰত দুহাজাৰমান সহায় কৰা মানুহ ওলাইছিল নে কি! দিগন্ত নামৰ ফ'ৰ্থ ইয়েৰৰ ছাত্ৰ এটা

ওলাইছিল —সুমিত্ৰাই তাক ঘৰত পঢ়াই দিলে সি বোলে হ'ল লাইফ সুমিত্ৰাক নাপাহৰে! হ'ল লাইফ নাপাহৰাৰ কথাটো বাদ দি সুমিত্ৰাই তাক পঢ়োৱাৰ অংশটোত অলপ গুৰুত্ব দিছিল। কিন্তু সি আছিল এটা সাক্ষাৎ চয়তান। এদিন সন্ধিয়া সি কয় কি—সুমিত্ৰা বোলে বৰ নীৰস শুকান কঠিন—

সুমিত্ৰাই গৰ্জি উঠিছিল — 'অঁ মই নীৰস শুকান কঠিন কৰ্কশ নিষ্ঠুৰ নিৰ্দয়। তুমি যোৱা।

তাৰ পাছত বহুদিনলৈ সুমিত্ৰাৰ ঘৰৰ ছালত মাজে মাজে শিলগুটি পৰিছিল। সেই ল ৰাটোৰ কাৰণেই এসময়ত সুমিত্ৰাই এটা ৰিভলভাৰ কিনাৰ কথা ভাবিছিল।

কেৱল এটা সহায়ৰ কাৰণে সুমিত্ৰা এটা মানুহৰ ওচৰত কৃতজ্ঞ। মানুহটো কলেজখনৰ চকীদাৰ সুমিত্ৰাৰ বাপেকৰ বয়সৰ। মানুহটোৱে প্ৰভাক আনি দিছিল। প্ৰভাৰ মাক বাপেক ককায়েক ভায়েক কোনো নাই। তাই মোমায়েকৰ লগত আছিল। সুমিত্ৰাই বুঢ়া চকীদাৰক কৈছিল— শুনা তুমি বিছ টকা দৰমহাৰ কথা কৈছা মই পঁচিছ টকাকৈ দিম। মোমায়েকৰ ওচৰৰ টাউনৰ বেংকত এই পঁচিছ টকাৰে এটা একাউণ্ট খুলিবলৈ কবা। মাহে মাহে সেই একাউণ্টত পইচা জমা হৈ থাকিব। ঘনে ঘনে পইচা বিচাৰি মানুহ আহি থকা তাইক ঘৰলৈ নিব খোজা —এইবোৰ মই ভাল নাপাওঁ।

সেইমতেই কাম হৈছিল। সুমিত্ৰাৰ লগত প্ৰভা এঘাৰ বছৰ আছে। এতিয়া সুমিত্ৰাৰ বাহিৰে প্ৰভাই কাকো চিনি নাপায়। এতিয়া তাই যেনেকুৱা হৈছে তেনেকুৱা হৈ থাকোঁতে সুমিত্ৰাই শালিকাৰ হিচাপ আৰম্ভ কৰি দিছিল।

অলপ দূৰ খোজ কঢ়াৰ পাছত সুমিত্ৰাই দেখিলে—সেই চুটি হাফপেণ্ট আৰু গেঞ্জি পিন্ধা মানুহটো দৌৰি দৌৰি উভতি আহিছে। অলপ পাছতে মানুহটো তাইৰ কাষেদিয়েই পাৰ হৈ যাব। সুমিত্ৰাই তলমূৰ কৰি বাটৰ কাষে কাষে খোজ কাঢ়িবলৈ ধৰিলে। অলপ পাছতে তাই বগা মোজা আৰু কেনভাছৰ পিন্ধা ভৰি দুখন পাৰ হৈ যোৱা দেখিলে। এটা দুপ দুপ শব্দ শুনিলে। বৰ স্বাস্থ্যবান ভৰি। বৰ স্বাস্থ্যবান শব্দ। নিৰঞ্জন দত্তৰ নিচিনা মানুহে দৌৰিলে এনেকুৱা শব্দ হোৱা উচিত।

নিৰঞ্জন দত্তই সুমিত্ৰাক এতিয়াও ইউনিভাৰ্ছিটিত পঢ়ি থকা ছোৱালী বুলি ভাবে? মানুহটোৰ ঘৰ সংসাৰ— ? নাই নাই, সেইবোৰ খবৰৰ কোনো প্ৰয়োজন নাই মানুহটোৰ স্বাস্থ্যবান গাটো চকু হাঁহি কথা—সেইবোৰতে বহু খবৰ লাগি থকা যেন লাগে।

মানুহটো সঁচাকৈয়ে মাজে মাজে তেওঁৰ ঘৰটোত শান্তিৰে দুই এৰাতি থাকিবলৈ আহিবনে কি? সন্ধিয়া সময়ত নিজৰ ঘৰৰ বাৰাণ্ডাখনত শান্তিৰে বহি থকা সুমিত্ৰাক মানুহটোৱে তেওঁৰ বহা কোঠালিৰ খিৰিকিয়েদি হাঁহি হাঁহি ক'ব নে কি? —গুড ইভিনি মিছ চৌধুৰী! চাহ একাপ নুখুৱায়?

পোহৰ বেছি হৈ আহিল। দুই এঘৰে দুৱাৰ খিৰিকি খুলিছে। শেষৰ ডোখৰ বাটত সুমিত্ৰাই বেগ দিলে। নিৰঞ্জন দত্তৰ ঘৰৰ বাৰাণ্ডাত উঠোঁতে তাইৰ গৰম লাগিল। প্ৰভাক মাত এটা দি শাৰীৰ আঁচলেৰে ডিঙি আৰু মুখখন মচি ললে। প্ৰভাই দুৱাৰ খুলি দিয়াৰ পাছত বাৰাণ্ডাতে চকী এখন উলিয়াই লৈ সুমিত্ৰা বহি থাকিল। বহুত পৰ।

মহিউদ্দিন সোনকালে আহিল। তেতিয়া সুমিত্ৰাইঁতে চাহ খাইছিল। পিছফালৰ বাৰাণ্ডাত বহি মহিউদ্দিনেও চাহ খালে। সি চাহ খাই উঠোঁতেই সুমিত্ৰাই ঘৰৰ নক্সা থকা কাগজখন লৈ তাৰ ওচৰলৈ গ'ল।

এটা কাম কৰা মহিউদ্দিন। এই কাগজখন ওলোটাই ইফালৰ পৰা চালে ঘৰটো যেনেকুৱা দেখি তেনেকৈ সাজিবলৈ লোৱা। আজি সেইমতে খুটা পুতিবা।

মহিউদ্দিনে সুমিত্ৰাৰ মুখলৈ চালে।

মানে এই বাৰান্দাখন মোৰ পঢ়া কোঠালি এতিয়া পশ্চিমৰ ফালে পৰিব। এই সৰু কমটো থকা ফালটো পূবৰ ফালে পৰিব। —সুমিত্ৰাই ক্লাছত পঢ়া বুজোৱাৰ নিচিনাকৈ পৰিষ্কাৰ সুৰত ক'লে।

মহিউদ্দিনে চাহ খোৱা বাচনকেইটা নিবলৈ আহি প্ৰভাই কথাবোৰ শুনি আছিল। অলপ পাছত কওঁ নকওঁকৈ সৰু মাতেৰে তাই ক'লে 'কিন্তু বাইদেউ সিফালে দেখোন সমুখতে মস্ত নলাখন। একো নেদেখিব।

হয়। সুমিত্ৰাৰ মাটিডোখৰৰ পশ্চিমৰ সীমাত সাত ফুট ওখ ৱাল এখন।

সুমিত্ৰাই মহিউদ্দিনক ক'লে তুমি যোৱা। আয়োজন কৰাগৈ।

নিৰঞ্জন দত্ত খুটা পোতা চাবলৈ অহাৰ কথা আছিল কিন্তু হঠাতে চিফ ইঞ্জিনিয়াৰৰ লগত ছাইটলৈ যাব লগীয়া হোৱাৰ বাবে আহিব নোৱাৰিলে। তেওঁ ভৰতৰ হাতত এটোপোলা মিঠাই দি পঠালে। ভৰত খুটা পোতাৰ পাছতহে উভতি গ'ল।

গধূলি পৰত সুমিত্ৰা আগফালৰ বাৰাণ্ডাত মনে মনে বহি আছিল। এবাৰ তাই প্ৰভাক ওচৰলৈ মাতিলে। মাতি ক'লে এইফালে—এইখিনিতে সৰু কোঠালিটো পৰিব নহয় তই তাতে থাকিবলৈ লবি।

১৬।১১।৮৮

দুখৰ ঠিকনা

বিৰিঞ্চি কুমাৰ মেধি

ওৰেটো দিন ক্রমান্বয়ে দীৰ্ঘৰ পৰা দীৰ্ঘতৰ হৈ আগবাঢ়ি যোৱা গছৰ চঞ্চল ছাঁবোৰ যেতিয়া ক্রমশঃ চুটি হৈ প্রাচীন গছবোৰৰ গুৰিতে চুচুক চামাককৈ বিলীন হৈ যায় নীলা নদী আৰু সুনীল আকাশৰ মাজত গাত অকণমানো নীলা ৰং নলগোৱাকৈ বহুপৰ অনাই বনাই উৰি ফুৰা শুধবগা চৰাইবোৰ যেতিয়া বাহমুৱা হয় সমগ্র পৃথিৱীখন অকস্মাৎ যেতিয়া অতল নিৰ্জনতাত ডুবি যায় ঠিক তেতিয়া বাসগৃহৰ বিশাল বাৰান্দাখনৰ আওপুৰণি চকীখনত নিৰুপায় ভংগীত শ্রীধৰ কলিতা বহি থাকে। তেনে সময়ত নাম নজনা নিশাচৰ পতংগ এটাই যদি কাষতে তীক্ষ্ণ স্বৰে মাতিও থাকে শ্রীধৰ কলিতাৰ ভাব হয় পত গৰ সেই শ্রুতিকটু ধ্বনিও ব্যাখ্যাহীন নৈ শব্দৰে অবিচ্ছেদ্য অংগ।

মনত নপৰা দিনৰে পৰা গধূলি হ লেই শ্রীধৰ কলিতা আত্মবিস্মৃত লোকৰ দৰে বাৰাণ্ডাৰ চকীখনৰ ফাললৈ আগবাঢ়ি যায়। কেতিয়াবা কেতিয়াবা তেওঁৰ এনে লাগে জন্ম জন্মান্তৰৰে পৰা তেওঁ যেন অসহায়ভাৱে সম্পূৰ্ণ অকলশৰে সেই চকীখনতে বহি আছে।

মাথোঁ ওচৰ চুবুৰীয়ায়েই নহয় সুবিচিত মহলৰ সকলোৱে শ্রীধৰ কলিতাক এজন অত্যন্ত সুখী মানুহ বুলি মনেপ্রাণে বিশ্বাস কৰে। ৰাজকাৰেংসদৃশ নহ লেও চহৰৰ মাজমজিয়াতে কলিতাৰ এটা চকুতলগা ঘৰ আছে। চহৰীয়া জীৱনৰ মান সম্ভ্ৰম নিৰূপক দ্রব্য ফোন ফেন ফ্রিজ টিভি ইত্যাদি শোভিত ঘৰখনৰ শ্রীধৰ কলিতায়েইতো সৰ্বময় কৰ্তা। তদুপৰি অসমৰ্থ পাৰা প্রতিবেশী আৰু অক্ষম বন্ধু বান্ধৱৰ মন হীনমন্যতাৰে ভৰাই তুলিব পৰাকৈ তেওঁৰ এখন গাড়ীও আছে। গাড়ীখন ছেকেণ্ডহেণ্ড হ'ব পাৰে দেখিবলৈ আধাভগা টিনৰ বাকচটো যেনো হ'ব পাৰে তথাপি আমাৰ সমাজত বিদেশৰ পৰা উভতি অহা লোকৰ যেনে এক সৰ্বজনস্বীকৃত সন্মান থাকে ঠিক তেনেদৰেই ভগাছিগা হ'লেও মটৰ গাড়ী থকা লোকৰো সুকীয়া সন্মান থাকে।

শ্রীধৰ কলিতাৰ নামটোৰে সৈতে স্বভাৱৰো এক চমৎকাৰ সাযুজ্য আছে। সকলো সময়তে বিগলিত বিচলিত হাঁহি এটাই উজলাই ৰখা মুখমণ্ডলেৰে শ্রীধৰ কলিতালৈ চাই হঠাতে কোনেও ক'বই নোৱাৰিব এই মানুহজনে চাকৰিৰ পৰা অৱসৰ লবলৈ মাথোঁ কেইটামান মাহহে বাকী আছে।

আচলতে শ্রীধৰ কলিতাক কোনেও বুজিব নোৱাৰে বুজিব নোখোজেও। তেওঁৰ পত্নী সন্তান বন্ধু বান্ধৱ কাৰো লগতে তেওঁৰ কোনো আত্মিক সম্বন্ধ নাই।

মানুহে বহু কথাই অপ্ৰকাশ্যভাৱে ৰাখিব লগীয়াত পৰে গোপনে ৰাখে অন্তৰৰ বেদনা দাৰিদ্ৰ্য জীৱন যুদ্ধত পৰাজয়ৰ গ্লানিকৰ ইতিহাস। এই ঘৰ সংসাৰ পত্নী পুত্ৰ শ্ৰীধৰ কলিতাৰ বাবে সকলো একান্ত পৰ। চাউলৰ টিনত থকা সদা সন্ত্ৰস্ত পইতাচোৰাৰ দৰে শ্ৰীধৰ কলিতাও এই সংসাৰত অবাঞ্ছিত ব্যক্তি। এইখন সংসাৰৰ জতুগৃহত শ্ৰীধৰ কলিতা ভৃত্যস্য ভৃত্য।

কলিতাৰ পত্নী চাৰুলতা মাকৰ ঘৰত যাক সকলোৱে চাৰু বুলি মাতিছিল আৰু বিয়াৰ পাছত ছেও গেঞ্জি যেন ব্লাউজ পিন্ধিবলৈ লোৱাৰে পৰা যি নিজৰ নামটো লতা কৰি লৈছে তেওঁৰ বিষদৃষ্টিয়ে অনুক্ষণ কলিতাক দহিপুৰি মাৰে। চাৰুলতাৰ মতে শ্ৰীধৰ কলিতা এজন অপদাৰ্থ গ্ৰাম্য লোক। ল ৰা ছোৱালী দুটাকো নিজৰ দললৈ টানিবলৈ চাৰুলতাই কোনো ষড়যন্ত্ৰই বাদ দিয়া নাই। ফলস্বৰূপে সিহঁত দুটায়ো দেউতাকক এজন মূৰ্খ অসংস্কৃত লোক যেন জ্ঞান কৰে এটা টকা উপাৰ্জ ন কৰা মেছিন বুলি ভাবে। চাৰুলতাক দেখিলে কোনোবা কবিয়ে কবিতা লিখিবলৈ উৎসাহিত বোধ কৰিবনে নকৰে শ্ৰীধৰ কলিতাই নাজানে তেওঁ কিন্তু এটা কথা ভালদৰেই উপলব্ধি কৰে —নাৰীৰ বাবেই সুন্দ উপসুন্দৰ যুদ্ধ নাৰীৰ বাবেই লংকাকাণ্ড।

শ্ৰীধৰ কলিতা এজন নিৰাশ্ৰয় নিৰালম্ব লোক। তেওঁৰ জীৱন বিস্বাদ আৰু বৈচিত্ৰ্যহীন। কোনো বিষয়তে কলিতাৰ বিশেষ কৌতূহল নাই, মৃত্যুৰ বাবে প্ৰতীক্ষা কৰি থকাৰ বাহিৰে কৰিবলৈ তেওঁৰ বিশেষ কোনো কাম নাই। তেওঁৰ সংগীহীন নিৰ্জন জীৱন নিৰৱচ্ছিন্ন বঞ্চনাৰ এক সুদীৰ্ঘ ইতিহাস। অপমানৰ জ্বালাতকৈ ক্ষুধাৰ জ্বালা বহু বেছি সত্য বহু বেছি বাস্তৱ। ক্ষুধাৰ নিবৃত্তিৰ বাবে ৰসনাৰ পৰিতৃপ্তিৰ বাবে অহোৰাত্ৰ কাম কৰি তেওঁ পাহৰি থাকিব খোজে তৈলতৃষিত গৰুগাড়ীৰ চকাৰ দৰে নিজৰ অন্তৰৰ গভীৰ করুণ আৰ্তনাদ।

কিন্তু পাহৰিব খুজিলেও জানো সকলো কথা পাহৰিব পাৰি? সহ্যশক্তিৰ দৰে তেওঁৰ স্মৃতিশক্তিও অসীম। গধূলি প্ৰায়ান্ধকাৰ বাৰাণ্ডাৰ প্ৰাচীন চকীখনত বহাৰ লগে লগেই জ্যামুক্ত ধনুৰ দৰে তেওঁৰ স্মৃতি বল্গামুক্ত হৈ পৰে। বুকুৰ মাজত উৰিবলৈ ধৰে যন্ত্ৰণাৰ বিবৰ্ণ পখিলা। আদিম যুগৰ খননদক্ষ মানুহৰ দৰে তেওঁ স্মৃতিৰ মৃত্তিকা খান্দিবলৈ ধৰে। আহত সৰ্পসদৃশ শ্লথ গতিৰে পাৰ হয় ক্লান্ত সময়। প্ৰত্যেকটি মিনিট যেন একো একোটি বছৰৰ আয়ুষ্কাললৈ বৰ্ধিত হয়। সৰ্বসত্তাত অপমানৰ জ্বালা লৈ শ্ৰীধৰ কলিতা মামিৰ দৰে বহি থাকে। আত্মমগ্ন কলিতা স্মৃতিৰ শীৰ্ণনদীৰে ছিন্ন পালৰ নাৱত উদ্দেশ্যবিহীনভাৱে উটি গৈ থাকে।

আচলতে চাৰুলতাৰে সৈতে শ্ৰীধৰ কলিতাৰ বিয়াই হ'ব নালাগিছিল। কলিতা আছিল সাধাৰণ পৰিয়ালৰ ল'ৰা। সকলোৱে তেওঁক ভাল ল'ৰা বুলি কৈছিল। পঢ়াশুনা সাং কৰি তেওঁ এটা ভাল চাকৰিত সোমাইছিল। চৰকাৰী ঘৰ আৰু মটৰগাড়ী পোৱা চাকৰি। চাৰুলতাৰ ইতিমধ্যে প্ৰেমৰ ফিল্ডত প্ৰায় ছেৰাৰি কৰে কৰে অৱস্থা। বি এ পৰীক্ষাত তিনিবাৰমান ফে'ল কৰি প্ৰফেছাৰ কেইটাক পেটকপটীয়া পৰম্ৰীকাতৰ আদি উপাধি দি পঢ়াশুনালৈ বৃদ্ধাংগুষ্ঠ প্ৰদৰ্শন কৰি খিৰিকিৰে আলিবাটৰ উদণ্ডীয়া ডেকা ল'ৰাবোৰলৈ চাই-চাই চাৰুলতা ঘৰতে বহি আছিল।

চহৰখনৰ কোনো ডেকা অফিছাৰবে স্কুটাৰ মটৰত চাকলতা উঠা নাই বুলি সাত শতকয়েও ডাঠি ক'ব নোৱাৰিছিল।

চাকলতাৰ বাবে ডাক্তৰ ইঞ্জিনিয়াৰ দৰা বিচাৰোঁতে দেউতাকৰ তিনিযোৰ মান ছেণ্ডেলত যেতিয়া কেইবাবাৰো মটৰৰ টায়াৰৰ জোৰা টাপলি মাৰিবলগীয়া হ'ল ঠিক তেতিয়াই কেনেকৈ জানো—সেই মানুহটোৱে শ্ৰীধৰ কলিতাৰ আজলী মাকজনীক ছলাহী কথাৰে ভুলাই বজাৰ বাছযেন ছোৱালীজনীকে সতী-সাধ্বী বুলি কলিতাৰ ডিঙিত আঁৰি দিলে। সুখ শান্তিৰ আশাত কটনা কাটি পুতেকক অফিছাৰ কৰা শ্ৰীধৰ কলিতাৰ বিধবা মাকজনীয়ে নিৰয়ে বোৱাৰীয়েকৰ লাঞ্ছনা গঞ্জনা সহ্য কৰি বিয়াৰ ছমাহ নৌযাওঁতেই মৰি থাকিল।

চাকলতাৰ লগত কলিতাৰ সমস্ত সম্বন্ধই যান্ত্ৰিক। পৃথিৱীৰ ক ত প্ৰেম আছে? সকলো স্বাৰ্থ অথবা কামশাস্ত্ৰ। মনৰ অসন্তোষ প্ৰকাশ নকৰাটো শ্ৰীধৰ কলিতাৰ পুৰণিকলীয়া বদভ্যাস। সকলো সময়তে তেওঁৰ শৰীৰৰ ওপৰেৰে যেন সহস্ৰ পকৰাৰ অহৰহ'আহ যাহ। তথাপি তেওঁ মনৰ আলোড়ন মনতে সামৰি বাহিৰখন স্বাভাৱিক কৰি ৰাখে। মনে মনে নাথাকিয়েইবা কৰিব কি? চাকলতাক কিবা বুজাবলৈ যোৱাতকৈ চূণৰ স্তূপত হলহলকৈ পানী বাকি দিয়াও ভাল।

আছাৰিয়েই ক্ষান্ত নাথাকি ধোবাই চেপি চেপি কাপোৰৰ পানী উলিওৱাৰ দৰে ঘৰখনত সোমোৱা দিন ধৰি চাকলতাই কলিতাক চেপিখুন্দি আছে। সেই বৈষয়িক সম্বন্ধৰ মাজতে দুটাকৈ সন্তানৰ জন্ম হৈছে। পম্পি ডাঙৰ বুলবুল সৰু। সৰুতে পম্পিজনী কেনে সুন্দৰ আছিল। সাইলাখ শ্ৰীধৰ কলিতাৰ মাকজনীহে যেন! তাই যিমানে ডাঙৰ হৈ আহিল সিমানে তাইৰ পঢ়া শুনাৰে সৈতে সম্বন্ধ কমি গ ল। চুলিবোৰ কাটি চেলাউৰি চাঁচি চুকৰি মাকে তাইক বিলাতী কুকুৰযেন কৰিলে। পম্পিয়ে কাপোৰ কানিও যেনেকৈহে পিন্ধে শ্ৰীধৰ কলিতাৰ তাইলৈ চাবলৈকে লাজ লাগি যায়। আজিকালি সময়ে অসময়ে কলিতাৰ ঘৰৰ আগত স্কুটাৰ একোখন ৰয় পিন্ধি উৰি তাই কোনোবা একোজনৰ লগত ওলাই যায়। বাৰাণ্ডাতে বহি থকা দেউতাকলৈ পম্পিয়ে কেৰাহিকৈয়ো নাচায়। শ্ৰীধৰ কলিতাই কিন্তু নাচাওঁ নাচাওঁ বুলিও ল'ৰাজনৰ কঁকালত পম্পিৰ সাহি হাতৰ পাকটোলৈ চকুৰে মনিব পৰালৈকে চাই থাকে। পম্পিয়ে এৰি থৈ যোৱা বিদেশী পাৰফিউমৰ তীব্ৰ গোন্ধটো যিমানপৰলৈ বতাহত ভাঁহি থাকে সিমান পৰলৈকে শ্ৰীধৰ কলিতা পিঠিত খোজ পৰা পকৰাৰ দৰে থৰ হৈ ৰয়।

অত্যান্ত প্ৰয়োজন নহ'লে বুলবুলেও দেউতাকৰ সৈতে কোনো কথাই নাপাতে। হায়াৰ ছেকেণ্ডেৰিতে সি দুবাৰকৈ ফেল কৰিলে এইবাৰো পাছ কৰাৰ আশা নাই। কিতাপ পত্ৰৰ সৈতে সম্বন্ধ থাকিলেহে! কি চাবা তাৰ চুলিৰ বাহাৰ কি চাবা তাৰ কামিজৰ ৰং ফেছন। তাৰ শৰীৰৰ পৰা সৰ্বদায় ভুৰভুৰকৈ ছিগাৰেটৰ গোন্ধ ওলায়। ছিগাৰেটতো তুচ্ছ বস্তু, তাৰ চকু-মুখ দেখিলে কলিতাৰ ভাব হয় সি নিশ্চয় অন্যান্য ৰাগীয়াল বস্তুও নিয়মিতভাৱে খোৱাত অভ্যস্ত।

ইহঁতৰ কোনেও ফুটা কড়ি এটাও উপাৰ্জন নকৰে। গতিকেই সিহঁতে টকা পইচাৰ ক্ষেত্ৰত অনিচ্ছাকৃতভাৱে শ্ৰীধৰ কলিতাৰ ওপৰত নিৰ্ভৰ কৰে। মান অপমানৰ কথা চিন্তা কৰি কলিতাও মনে মনে থাকে। দুৰ্যোধনেও প্ৰাণৰ ভয়ত নহয় অপমানিত হোৱাৰ ভয়তহে দ্বৈপায়ন হ্ৰদত লুকাই আছিল।

শ্ৰীধৰ কলিতাৰ হঠাতে কেতিয়াবা শ্যামসুন্দৰলৈ মনত পৰে। সিয়েইতো আছিল কলিতাৰ একমাত্ৰ আপোনজন। স্বাস্থ্য বেয়া হোৱাৰ আশংকাত চাৰুলতাই তৃতীয় সন্তান কামনা কৰা নাছিল। অথচ তাৰ জন্ম হ'ল। চাৰুলতাই এবাৰলৈকো তাৰফালে উভতি নাচালে। ক'লা বস্তুৰ প্ৰতি চাৰুলতাৰ চিৰকালৰ বিদ্বেষ। তাৰ বৰণটোও আছিল ক'লা। ক'লা হ'ল কি হ'ল? স্বয়ং কৃষ্ণগোসাঁয়েইচোন শ্যামবৰ্ণৰ। শ্ৰীধৰ কলিতাই তাৰ নাম থৈছিল শ্যামসুন্দৰ। তৃষ্ণাৰ্ত বলুকাত সাগৰৰ ঢৌ ক্ৰমশ বিলীন হৈ যোৱাৰ দৰে শ্যামসুন্দৰৰ মাজতে শ্ৰীধৰ কলিতাও যেন বিলীন হৈ যাবলৈ ধৰিছিল। কলিতাৰ সস্নেহ প্ৰশ্ৰয়ত বৰ্ধিত হোৱা শ্যামসুন্দৰেই আছিল তেওঁ জীয়াই থকাৰ একমাত্ৰ যুক্তিসংগত ব্যাখ্যা।

পৃথিৱীত ভাল পাব পৰা আৰু ভাল পাব জনা মানুহ বৰ কম। চাৰুলতাহঁতৰ প্ৰাত্যহিক জীৱনত কলিতাৰ কোনো স্থান নাছিল। কলিতাৰ ভাৰবাহী লৰিৰ দৰে জীৱনলৈ শ্যামসুন্দৰে লৈ আহিছিল তাৎক্ষণিক পৰিবৰ্তন। তেওঁৰ জীৱনৰ দীৰ্ঘতাত শ্যামসুন্দৰ আছিল এক স্বৰ্ণময় অংশ। সি আছিল তেওঁৰ বুকুৰ মাজৰ অন্ধকাৰত অক্ষয়বন্তিৰ অকম্পিত শিখা। সেই শ্যামসুন্দৰ এতিয়া স্মৃতি হৈ গৈছে।

এইমাত্ৰ চিপেৰে টানি অনা মাছৰ চকুৰ দৰে শ্যামসুন্দৰৰ দুচকুৰ দৃষ্টিও আছিল উদভ্ৰান্ত। তাৰ শৰীৰত সকলো ঋতুৰ সমস্ত ফুল যেন একেলগে ফুলিছিল। ঘৰখনৰ সকলোৰে অৱজ্ঞা অৱহেলাৰ পৰা কলিতাই তাক বচাই ৰাখিছিল। অন্ধকাৰত অকলে থাকিবলৈ ভয় কৰা অকণমান ল'ৰাটো কেতিয়াযে ক্লাছ টেনৰ ছাত্ৰ হৈছিলগৈ কলিতাই গমেই পোৱা নাছিল। সেই শান্তত্ৰস্ত ল'ৰাটোৰ বুকুত যে প্ৰতিবাদৰ অফুৰন্ত দাবানলে কৰ্কৰাই আছিল তাকেইবা কোনে জানিছিল? সদায় সস কোচে কথা কোৱা সংকুচিত ল'ৰাজন যে সন্ত্ৰাসবাদীৰ দলভুক্ত হৈছিল সেই কথাৰো উমান শ্ৰীধৰ কলিতাই পোৱা নাছিল।

নিজৰ কোঠাত সোমাই শ্যামসুন্দৰে প্ৰায়েই বহু ৰাতিলৈকে খুটখুট খাটখাট কৰি থাকে। মাজে মাজে নোকোৱা নেমেলাকৈ দুই তিনিদিনৰ বাবে সি নিৰুদ্দেশ হয়। কলিতাই ভাবিছিল পৰাহঁতেন তেৱোঁতো এই ঘৰ সংসাৰৰ মায়ামোহ ত্যাগ কৰি দুচকুৱে যিফালে বাট দেখুৱায় সেইফালেই গুচি গ'লহেঁতেন। ডেকা ল'ৰা এটাই ইমান লাঞ্ছনা গঞ্জনা সহ্য কৰি থাকে কেনেকৈ?

হঠাতে এদিন খবৰ আহিল পুলিছৰে সৈতে হোৱা সংঘৰ্ষত এজন সন্ত্ৰাসবাদী নিহত হৈছে। সেইজনেই আছিল শ্যামসুন্দৰ। ঢোক গিলি কলিতাই বন্ধ কৰিছিল কান্দোনৰ শব্দ। পুলিছে শ্যামসুন্দৰৰ মৃতদেহটোও ওভোতাই দিয়া নাছিল। বনজুয়ে দহি নিয়া অৰণ্যৰ বিমিশ্ৰ আৰ্তনাদৰ দৰে কলিতাৰ সমগ্ৰ বুকু জুৰি উঠিছিল অশ্ৰুত কোলাহল।

বহুদিনলৈ চাৰুলতাৰ মুখামুখি হ'লেই কলিতা ত্ৰস্তভাৱে পলাইছিল। অন্ধকাৰত নিশ্চিতভাৱে লুকাই থকা চোৰৰ মুখত টৰ্চৰ পোহৰ পৰিলে চোৰ যিদৰে হতভম্ব হয় চাৰুলতাৰ মুখামুখি হ লেই কলিতাও তেনেদৰে স্তম্ভিত হৈ পৰিছিল। ঘৰখনৰ পৰা শ্যামসুন্দৰৰ স্মৃতি মচি পেলাবলৈ চাৰুলতাৰ যত্নৰ ক্ৰুটি নাছিল। ভদ্ৰঘৰত সন্ত্ৰাসবাদী? চাৰুলতাৰ বাবে সেয়া আছিল ভীষণ অপমান। শ্যামসুন্দৰৰ কাপোৰ কানি দলিয়াই কিতাপ পত্ৰ জ্বলাই চাৰুলতাই সেই অপমানৰ জ্বালা প্ৰকাশ কৰিছিল।

ঘৰখনত যেতিয়াই কোনো নাথাকে তেতিয়াই শ্ৰীধৰ কলিতাই কোঠাই কোঠাই কিবা বিচাৰি ফুৰে। ক ৰবাত নাইনে শ্যামসুন্দৰৰ দুশাৰী আখৰ? চাৰুলতাৰ দৌৰাত্ম্যৰ পৰা শ্যামসুন্দৰৰ ফটো এখনো ৰক্ষা পৰা নাইনে? তেওঁৰ বাবে অন্যান্য সকলোৱেই আছিল এডভেঞ্চাৰ মাথো শ্যামসুন্দৰেই আছিল নিৰ্ভৰ।

এদিন হঠাৎ শ্ৰীধৰ কলিতাই পুৰণি কিতাপেৰে ঠাহ খাই থকা আলমাৰী এটাত শ্যামসুন্দৰৰ বহী এখন বিচাৰি পালে। অযত্নত বহীখনৰ বেছিভাগ আখৰেই অস্পষ্ট হৈ পৰিছে। শ্যামসুন্দৰে যে কবিতাও লিখিছিল কলিতাই জনা নাছিল। তেওঁ কবিতা এটাৰ পঢ়িব পৰা শাৰীকেইটাকে পঢ়িবলৈ আৰম্ভ কৰিলে—

সেই দুষ্ট ল'ৰাটোৰ
হাতত এটা বাঁহী
অথবা তাৰ বুকুৰ মাজত

ক ত থাকে সি

সি হাঁহিলেও
কান্দিলেও
কথা ক লও
মনে মনে থাকিলেও

নাই কবিতাটোৰ সৰহ অ শই অস্পষ্ট। কলিতাই পুনৰ্বাৰ পাত লুটিয়াব খোজোঁতেই বহীটোৰ মাজৰ পৰা ফটো এখন সৰি পৰিল। এজন বৃষস্কন্ধ যুবকৰ ফটো ল ৰাজনৰ বীৰত্বব্যঞ্জক দেহকান্তি যেন ফটোখনৰ মাজৰ পৰাই বিচ্ছুৰিত হৈছে। নিৰ্নিমেষ উৎসুক বিস্মিত নয়নেৰে ল ৰাজনে যেন কলিতালৈকে চাই আছে। শ্ৰীধৰ কলিতাই ফটোখন লুটিয়াই দিলে। তেওঁ দেখিলে ফটোখনৰ একোণত লিখা আছে মাত্ৰ এটা শব্দ—আকাশ।

কোন এই আকাশ? বোধকৰোঁ মাকৰ ভয়তে শ্যামসুন্দৰে কোনো বন্ধু-বান্ধৱকে কেতিয়াও ঘৰলৈ অনা নাছিল। আকাশকো। কলিতাই যদি এবাৰ অন্ততঃ আকাশক লগ ধৰিব পাৰিলেহেঁতেন।

সেইদিনাৰে পৰা শ্ৰীধৰ কলিতাই আৰম্ভ কৰিলে অন্য এক তীৰ্থযাত্ৰা। সময় পালেই তেওঁ চহৰৰ বাটে পথে ঘূৰি ফুৰে মানুহৰ জ্ঞম দেখিলেই গাড়ী ৰখাই ডিঙি মেলি চায়।

এই অভিনৱ ব্যস্ততাৰ মাজতে এদিন তেওঁৰ অৱসৰ গ্ৰহণৰ দিনটো আহি উপস্থিত হ'ল।

কলিতাৰ সহকৰ্মীসকলৰ বেছিভাগেই মিঠামুখীয়া। মিঠামুখীয়া মানুহলৈ তেওঁৰ বৰ ভয়। গুণ্ডা বদমাচবোৰক দেখিলেই চিনিব পাৰি। মুখত সৰল পেটত গৰল মিঠামুখীয়া মানুহবোৰ হ'ল টেকেলিৰ ভিতৰৰ সাপৰ দৰে হাত ভৰালেই খোঁট মাৰিবলৈ বাট চাই থাকে। অফিছৰ মানুহমখাই বিদায় সভা এখনো পাতিছিল। তেওঁৰ গুণ বৰ্ণাই কেইটামানে গোঁথাই গোঁথাই আজিৰ দিনটো আমাৰ বাবে বৰ দুখৰ'— জাতীয় কিবাকিবি কৈছিল। কাৰো মুখত পাছে দুখৰ সামান্য চিহ্নও নাছিল। কলিতাক জাল যেন গামোচা এখন আৰু লাখুটি এডাল উপহাৰ দি আটাইমখাই মিঠাই আৰু পোলাও দকচি খাইছিল। যি কোনো অজুহাততে হাঁহি খিকিন্দালি কৰি ডিঙিৰ গুৰিলৈকে খোৱাটো সেই অফিছটোৰ মানুহখিনিৰ পুৰণিকলীয়া ৰীতি।

সকলো বুজিও একো নুবুজাৰ দৰে শ্ৰীধৰ কলিতাই গোটেইখিনি সময় নিৰুদ্বেগভাৱে বহি থাকিবলৈ যত্ন কৰিছিল। তেওঁ ভালকৈয়ে জানে শঠতা আৰু হৃদয়হীনতাৰ এক অন্তহীন ধাৰাবাহিকতাই হ'ল জীৱন।

অফিছটোৰ পৰা শেষবাৰৰ বাবে ওলাই আহোঁতে কলিতাক সামান্যও আহত বা বিমৰ্ষ যেন লগা নাছিল। নৈপৰীয়া নিৰ্জন আলিটোৰে তেওঁ গাড়ীখন ধীৰ গতিত চলাই নিছিল। চতুৰ্দিশে অপূৰ্ব নিৰৱতা। বসুন্ধৰাৰ মুক্ত ৰূপে তীব্ৰ সুৰাৰ দৰে ৰক্তস্ৰোতত কি উত্তাল আনন্দৰ সৃষ্টি কৰে তাক সকলোৱে উপলব্ধি কৰিব নোৱাৰে। অভিভূত কলিতাই আচ্ছন্নতা জোকাৰি গামোচাখন আৰু লাখুটিডাল গাড়ীৰ খিৰিকিৰে দলিয়াই পেলাইছিল। ঠিক তেতিয়াই তেওঁৰ চকুত পৰিছিল অদূৰত যে প্ৰাচীন কদম গছডাল কৰ্তব্যৰত পুলিছৰ দৰে সদম্ভে দণ্ডায়মান তাৰ তলতেই নিৰ্বিকাৰ ভংগীত সেই ল'ৰাজন থিয় দি আছে।

শ্ৰীধৰ কলিতাৰ বুকুৰ মাজত যেন জলপ্ৰপাতৰ শব্দ। মুখমণ্ডলৰ অস্বাভাৱিক দীপ্তিৰে সেইজন যেন আকাশ নহয় কোনোবা সন্তাপহাৰী দেৱদূতহে। তাৰ সৰ্বাংগেৰে বিচ্ছুৰিত হৈছে স্বাস্থ্যৰ প্ৰাচুৰ্য আৰু যৌৱনৰ কমনীয়তা। তাৰ চকুযোৰ কেনে স্বচ্ছ, তাৰেপৰা এইমাত্ৰ যেন কলকলকৈ বৈ আহিব পুণ্যতোয়া ভাগীৰথী। চতুৰ্দিশে যেন সিঁচৰতি হৈ পৰিছে এক অদ্ভুত কোমলতা শ্ৰীধৰ কলিতাৰ বুকুৰ মাজত যেন ঢং ঢংকৈ বাজি উঠিছে মন্দিৰৰ ঘণ্টা।

কেতিয়া যে তেওঁ গাড়ী ৰখালে, কেতিয়া যে তেওঁ গাড়ীৰ পৰা নামি গ'ল কলিতাই নিজেই গম নাপালে। মন্ত্ৰমুগ্ধৰ দৰে তেওঁ আকাশৰ ফাললৈ আগবাঢ়ি গ'ল।

আকাশ! শ্ৰীধৰ কলিতাৰ কম্পিত কণ্ঠস্বৰত কি এক হৃদয় বিদাৰক আবেদন আছিল কোনে জানে? মুগ্ধ আবিষ্ট একাগ্ৰ ল'ৰাজন কলিতাৰ ফাললৈ আগবাঢ়ি আহিল। ই আকাশনে শ্যামসুন্দৰ? আত্মবিস্মৃত কলিতাই স্বয়ংক্ৰিয়ভাৱে আকাশক

সাবটি ধৰিলে। কলিতাৰ বুকুত মুখ গুজি পৰনিৰ্ভৰ শিশু এটিৰ দৰে আকাশ নিশ্চল হৈ ৰ'ল। তাৰ দেহৰ পৰা নিৰ্গত হোৱা এক পৰিচিত গন্ধই কলিতাক বিভ্ৰান্ত কৰি তুলিলে। ক'ৰবাত জেতুকা ফুল ফুলিছে নে ন ধান খেৰৰ দ'মত প্ৰথম বৰষুণ পৰিছে? কলিতাই উপলব্ধি কৰিলে শ্যামসুন্দৰৰ গাৰ গোন্ধেৰে সৈতে আকাশৰ শৰীৰৰ গোন্ধৰ এক অদ্ভুত মিল আছে।

কিমান সময় দুয়ো তেনেদৰে নিৰ্বাক-নিস্পন্দ হৈ আছিল কোনে জানে? হঠাৎ সগৰ্জনে অহা গাড়ী এখনৰ হে ড লাইটৰ পোহৰ গাত পৰাতহে কলিতাৰ সংবিত উভতি আহিল। ত্বৰিৎ গতিত নিজকে মুক্ত কৰি আকাশ দাঁতিৰ জাৰণিখনত মুহূৰ্ততে অদৃশ্য হ'ল। কলিতা হতভম্ব। তেওঁৰ বুকুৰ মাজত যেন গুণটনা ধনু এখন'হ মৰমৰকৈ ভাগি গ ল।

শ্ৰীধৰ কলিতাৰ বুকুখন বিষাইছিল। সোঁহাতখনেৰে বুকুখন মোহাৰি দিব খোজোঁতেই তেওঁ জিকাৰ খাই উঠিল। কলিতাই দেখিলে তেওঁৰ বুকুৰ য ত খন্তেক আগলৈকে আকাশে মুখ গুজি আছিল সেই ঠাইখিনি তিতি আছে।

আকাশক একো সোধা নহ ল একো কোৱাও নহ'ল। তাৰ হাতৰ আঙুলি এটাত যে গভীৰ ক্ষতচিহ্ন আছে সেই চিনটো বাৰু কেনেকৈ হ'ল? বুলবুলহঁতে টিভিত যেতিয়া ছিনেমা ক্ৰিকেটখেল চাই বহি থাকে তেতিয়া আকাশে প্ৰাণৰ ভয়ত হাবিয়ে বননিয়ে পলাই ফুৰেনে? তাৰ বাৰু কোট ছুৱেটাৰ আছেনে? বুলবুলৰ দৰে বাৰযোৰ নহ'লেও তাৰ বাৰু ভাল জোতা এযোৰমানো আছেনে? অনিচ্ছাকৃতভাৱে কলিতাই বহুতকে বহু বস্তু কিনি দিছে আকাশে ভাল পোৱা বস্তু এটা তাক উপহাৰ দিবলৈ পালে কলিতা কিমান যে তৃপ্ত হ'লহেঁতেন।

শ্যামসুন্দৰে কেতিয়াবা দূৰৰ পৰা তেওঁলৈ দেখুৱাই আকাশক কৈছিলনে— সেইজনেই মোৰ দেউতা—বুলি? নহ'লে ইমান নিঃসংকোচে ডেকা ল'ৰা এজনে অপৰিচিত ব্যক্তি এজনৰ বুকুত মুখ গুজি কান্দিব পাৰেনে?

সেই ঘটনাৰ পাছৰে পৰা শ্ৰীধৰ কলিতাৰ এটাই কাম হ ল —পুৱাৰে পৰা নিশা এপৰলৈ চহৰৰ অলিয়ে গলিয়ে তেওঁ আকাশক বিচাৰি ফুৰে। শ্যামসুন্দৰ মৰিলেও আকাশ বাচি আছে। সি বাচি থাকক। দেৱদূতৰ দৰে ল ৰা একোজন হঠাতে কিয় সন্ত্ৰাসবাদী হৈ পৰে? আমাৰ সমাজ ব্যৱস্থাত ছছিঅ লাইজেশ্যন পদ্ধতিত নিশ্চয় কিবা আসোঁৱাহ আছে। এনেদৰেই দেশখন চলি থাকিলে বহু শ্যামসুন্দৰৰ অপমৃত্যু ঘটিব বহু শ্ৰীধৰ কলিতাই হাহাকাৰ কৰি ফুৰিব লাগিব।

কোনোদিনেই মূৰটো বিষাইছে বুলিও কৈ নোপোৱা শ্ৰীধৰ কলিতা এদিন হঠাতে অজ্ঞান হৈ পৰিল। ডাক্তৰ পথ্যৰ ব্যৱস্থা কৰাত তেওঁ জ্ঞান পালে সঁচা কিন্তু পূৰ্বৰ শক্তি ঘূৰাই নাপালে। উত্থানৰহিত শয্যালীন অৱস্থাতে তেওঁ পৰি ৰ'ল।

চাৰুলতাই চতুৰ্দিশে অন্ধকাৰ দেখিলে। ঘৰখনৰ ক'তো পা পইচা এটা নাই। ল'ৰা হ'ল অপদাৰ্থ ছোৱালীও চিতপখিলী। এই মানুহটোৱে ওবেজীৱন তেওঁক শান্তি নিদিলে মৰিও ঘৰখনক মাৰি থৈ যায় নেকি? মানুহটোৱেবা কিমান টকাৰ বীমা কৰিছিল! বীমাৰ নমিনি বা কোন আছিল! প্ৰভিডেণ্ড ফাণ্ড আদিৰ পৰা তেওঁৰ হাতলৈ

কিমান টকা আহিব—মানুহটো মৰি ভূত হোৱাৰ আগেয়ে কথাখিনি সুধি লব পৰাহেঁতেন।

কলিতাই অস্পষ্টভাৱে কাৰোবাক মাতি দিবলৈ ক'লে। ততাতৈয়াকৈ চাৰুলতা তেওঁৰ কাষলৈ আগবাঢ়ি গ'ল। কলিতাই মূৰটো জোকাৰিলে। চাৰুলতাই পম্পিক মাতিলে। অসন্মতিসূচকভাৱে কলিতাই পুনৰ মূৰটো জোকাৰিলে। এইবাৰ চাৰুলতাই বুলবুলক মাতিলে। কলিতাই কথমপি ক'লে—ওহোঁ।

কাক মাতিব লাগে ? চাৰুলতাই ব্যগ্ৰভাৱে সুধিলে।

শ্ৰীধৰ কলিতা কিছুসময় মনে মনে থাকিল। কোঠাটোত এক সহ্যাতীত নিৰৱতা যেন সৰ্বত্ৰ বিৰাজ কৰিছে বজ্ৰপতনৰ পূৰ্বমুহূৰ্তৰ স্তব্ধতা। চাৰুলতাই সেপটুকি কোনোমতেহে সুধিলে —কাক মাতিম ?

শ্ৰীধৰ কলিতাই অতিকষ্টে কম্পিত সোঁহাতখন ওপৰলৈ তুলি খোলা দুৱাৰেৰে দেখা খণ্ডিত আকাশখনলৈ বহুসময় তৰ্জনী আঙুলিটো টোঁৱাই থাকিল।

১৬।৪।৮৯

অসম্ভ্ৰম

বিপুল কুমাৰ শইকীয়া

অৱশেষত মই এই লাইব্ৰেৰি এছিষ্টেণ্টৰ কামটোত সোমালো। আচলতে মহাদেউৰ জোৰতে চাকৰিটো পালো বুলিব লাগিব। আজিকালি দেখোন আপোন মানুহৰ মাজত হাত দীঘল মানুহ নাথাকিলে নতুবা তেনেলোকৰ লগত ঘনিষ্ঠ সম্বন্ধ নাথাকিলে একো কাম নিসিজেই। সম্ভৱ আমাৰ নিজৰ হাত দীঘল নোহোৱাৰ বাবেই ।

আগৰে পৰা মোৰ কিতাপৰ গোন্ধটো বৰ ভাল লাগে। কিতাপ আৰু ইয়াৰ লগত জড়িত ব্যক্তি ব্যৱসায় নতুবা চাকৰিৰ প্ৰতি দুৰ্বলতা বহুত পুৰণি। সেয়ে চাকৰিটো সৰু হ লেও সুযোগটো পাই এৰি দিবৰ মন নগ ল। তদুপৰি চাকৰিটো বিশ্ববিদ্যালয়ত হোৱা হেতুকে আৰু ভাল পালো। ছাত্ৰ ছাত্ৰীসকলৰ মাজত কটালে হেনো মনটোও সতেজ হৈ থাকে। দাদাই বাৰুকৈয়ে বাধা দিছিল। নামানিলো।

ৰাতিপুৱা ন বজাৰ পৰা বিয়লি পাঁচ বজালৈকে মোৰ কাৰ্যকাল। মাজতে এঘণ্টা ছুটী। কাউণ্টাৰত বহি কিতাপ দিয়া বা ঘূৰাই লোৱাই মোৰ মুখ্য কাম। কোনবিলাক কিতাপ সময়মতে উভতি অহা নাই নতুবা কোনোবাই ফৰমাচ কৰা কিতাপখন বৰ্তমান কাৰ লগত আছে—ইত্যাদিও বিচাৰি উলিয়াব লাগে। লগত ফৰিদা বাইদেউ। বাইদেউ বয়সীয়াল। বিধবা। ডাঙৰ ল ৰাটো এইবাৰ কলেজ পাইছেগৈ। পুৱা লাইব্ৰেৰি খোলাৰ ঠিক পাছত আৰু আবেলি তিনিমান বজাত কিতাপ দি দি তৎ নোপোৱা হওঁ। পিছে প্ৰত্যেক বিষয়ৰ ছাত্ৰ ছাত্ৰীসকলৰ বাবে যি দেখিছোঁ—কেইখনমান কিতাপহে জনপ্ৰিয়। আৰু কিছুদিন কাম কৰিলে নতুনকৈ ভৰ্তি হোৱা ছাত্ৰ ছাত্ৰীক কোনটো বিষয়ত কোনখন কিতাপ পঢ়িব লাগে নিজেই ক'ব পৰা হ'ম কিজানি।

আমাৰ কাউণ্টাৰটোৰ সমুখতে আহল বহল ৰিডিং ৰুমটো। ওপৰ মহলাত আৰু এটা আছে। প্ৰায় দুই তিনি শ ছাত্ৰ ছাত্ৰীয়ে একে সময়তে পঢ়া শুনা কৰিব পাৰে। সৰ্বমুঠ কৰ্মচাৰী পোন্ধৰ জনমান হ ব। বেজবৰুৱা ছাৰ লাইব্ৰেৰিয়ান। মজনুকাই দুৱৰী। ৰহমান টাইপিষ্ট। হৰেন বৰাই নতুন সভ্যসকলক টিকট দিয়ে। ৰিণি বৰুৱা একাউণ্টটেণ্ট ইত্যাদি। সকলোৰে লগত মই এতিয়াও ভালদৰে চিনাকি হোৱা নাই।

মই আৰু বাইদেউ ওচৰা উচৰিকৈ বহি থাকোঁ। ডাঙৰকৈ কথা পতাৰ অসুবিধা। বেছি সময় একেৰাহে পাতিব নোৱাৰিও। আচলতে কথা পতা একেবাৰে মানা। নতুন হৈ আছোঁ বাবেই নেকি কথা পাতিলেও মোৰ অনবৰতে বেৰত ওলোমাই থোৱা ব'ৰ্ডৰ ছাইলেন্স প্লিজ' বা নিৰৱতা বাঞ্ছনীয়' শাৰী দুটাতহে চকু পৰে। বাইদেৱে নিজৰ সাংসাৰিক কথা কয়। সমস্যাৰে ভৰা। গিৰিয়েকৰ স্মৃতি ৰোমন্থন কৰি তেওঁক

কেতিযাবা পুলকিত আৰু কেতিয়াবা ব্যথিত হৈ পৰা দেখিছোঁ। কিতাপ দিয়া বা ঘূৰাই লোৱাত অসুবিধা নাই। ড্ৰয়াৰকেইটাত তাৰিখ অনুযায়ী কাৰ্ডকেইখন বিচাৰি উলিয়ালেই হ'ল। পিছে ৰেফাৰেন্স ছেকশ্যনৰ কিতাপ আমিহে আলমাৰীৰ পৰা উলিয়াই দিব লাগে। তেতিযাই আমি বহাৰ পৰা উঠিব লগীয়া হয়। সাধাৰণতে এনে পৰিস্থিতিতে আমাৰ কথোপকথনত ব্যাঘাত জন্মা হেতুকে হয় সেই বিষয়টো সিমানতে অন্ত পৰে নতুবা নতুন বিষয়লৈ পৰিবৰ্তিত হয় নহয় কিছুসময়লৈ আমি একেবাৰে মূক হৈ পৰোঁ। মোৰ ফালৰ পৰা বিশেষ ক ব লগীয়া নাথাকেও। কথা মই ঘৰতো বেছিকৈ নাপাতোঁ। তথাপি বাইদেউৰ কথাবিলাক মন দি শুনো আৰু ওঁ আ কৈ সহাৰি জনাই থাকোঁ। ইয়াত বহি সমুখৰ বৃহৎ কোঠালিটোলৈ চাই চাইহে বেছি তৃপ্তি পাওঁ। প্ৰায়ে ভাবত বুৰ যাওঁ। নানা কাহিনী নানা জল্পনা কল্পনা চকুৰ আগত উটি ভাঁহি ফুৰে। ওচৰত কোনো ছাত্ৰ ছাত্ৰীৰ উপস্থিতিত আকৌ ভাবত যতি পৰে মই সম্বিৎ ঘূৰাই পাওঁ।

পৰীক্ষাৰ সময়ত আটায়ে পঢ়া শুনা কৰিব লাগে বাবে ইযাত হেনো বহিবলৈকো আসন নোহোৱা হয়। বহুতে বিফল মনোৰথ হৈ উভতি যায়। এতিয়া অৱশ্যে অধিকা শ আসন পৰিত্যক্ত হৈ আছে। মোৰ এই কেইদিনৰ অভিজ্ঞতাৰ পৰা কিন্তু ইয়াত পঢ়া শুনা কৰা ছাত্ৰ ছাত্ৰীসকলৰ বেছিভাগৰে পঢ়াত সিমান ধাউতি নাই যেন লাগে। ক্লাছ নথকা সময়খিনিত অৱশ্যে প্ৰায়ে তেওঁলোক ইযালৈ আহে। কেতবোৰক দেখি এনে ধাৰণা হৈছে যেন লাইব্ৰেৰিত বহাটোও এটা চখহে। ল'ৰাবোৰে একেৰাহে পঢ়া দেখা নাই। ওলাই গৈ ছিগাৰেট হোঁপা নতুবা চাহৰ কেন্টিনলৈ ধাবমান হোৱাহে দেখা পাওঁ। সমুখৰ লনখনত বহি কি মেল মাৰে নাজানো। বিশেষকৈ পঢ়া টেবুলত বহি যোৰ পাতি ফুচফুচনি আৰম্ভ কৰা কেইটাক সহ্য নহয়। কিছুমানে আৰু কিতাপ বহী মেলি পঢ়াকে আলোচনা কৰে যদিও সিহঁতে ওচৰৰ অনেকৰ বাবে আহুকালৰ সৃষ্টি কৰাও দেখিছোঁ। টেবুলত হাতুৰী বজোৱাৰ কামো আমাৰে। পিছে এয়া ইউনিভাৰ্ছিটিৰ ৰিডি কম। সাধাৰণ জ্ঞানৰ অভাৱ। আমিওতো একো অসাধাৰণ নহওঁ। সেয়ে স্বাভাবিক বুলি সহ্য কৰি থাকোঁ।

কিন্তু মনোযোগী পঢ়ৌতা একেবাৰে নোহোৱা নহয। তেওঁলোকে দুপৰীয়াৰ টিফিনখিনিও আনকি ইয়াতে খায়। কেইজনীমান ছোৱালীক পঢ়াৰ মাজতে টফি বিস্কুট জাতীয় কিবাকিবি উলিযাই খাই থকাও দেখিছোঁ। বহুতো বন্ধু বান্ধৱীয়ে আকৌ লাইব্ৰেৰিটোকহে লগ পোৱাৰ উত্তম কেন্দ্ৰ বুলি ভবা যেন অনুমান হয়। বিশেষকৈ সদায কেইবাযোৰো এনে বন্ধু বান্ধৱীক এজনে আনজনক লগ পোৱাৰ পাছত দিনটোলৈ উধাও হোৱাও লক্ষ্য কৰিছোঁ।

সৎ অসৎ সাধু অসাধু সকলো ছাত্ৰ ছাত্ৰীয়েই এদিন নহয এদিন ইয়ালৈ আহিবই লাগে—অন্তত নতুনকৈ টিকট লোৱাৰ দিনা আৰু বিশ্ববিদ্যালয় এৰি যোৱাৰ সময়ত সেইটো ঘূৰাই দিবৰ দিনা। মুঠতে এই সকলোবোৰ মিলি ইয়াত এক সুকীয়া ৰুচি কিছুমানেৰে জীৱনৰ এটা সুঁতি সদায় বৈ আছে। আৰু এটা কথা চকুত নপৰাকৈ থকা নাই। ইয়াত বহি থকা কিছুমানে অকলশৰীয়াকৈ পঢ়ি থাকে যদিও সম্ভৱ আমনি লাগে

বাবেই নেকি মাজে সময়ে বোন্দা মেকুৰীৰ নিচিনাকৈ ইফালে সিফালে দৃষ্টি নিক্ষেপ কৰে —সাধাৰণতে পঢ়ি থকা ছোৱালীবিলাকলৈ। ছোৱালীবিলাকেও। কিতাপৰ পাতৰ পৰা মূৰ তুলি দুই একে আমাৰ ফালেও অৰ্থপূৰ্ণ দৃষ্টি নিক্ষেপ নকৰা নহয়। এই ছাত্ৰ ছাত্ৰীসকলৰ আটাইবোৰেই মোতকৈ বা আমাতকৈ বয়সত সৰু। এওঁলোকৰ ব্যক্তিত্ব পূৰঠ হ বৰ বয়স হোৱা নাই নে নহ বই ? আমি ছোৱালীবিলাকে পুৰুষৰ যিকোনো চাৱনিৰে অৰ্থ বাৰুকৈ বুজি পাওঁ। তেওঁলোকে সম্ভব আমাৰ নিচিনাকৈ নুবুজে।

চাকৰিটোত সোমোবাৰ আগতে আজি বহুদিন মই ঘৰতে এনেযে খাই বৈ উঠি বহি দিনবিলাক পাৰ কৰিছিলো। পুৱা বা দুপৰীয়া ঘৰৰ যাবতীয় কাম বা কৰোঁতেই সময় পাৰ হয়। গধূলিটো তেনেকৈ তৎক্ষণাত পাৰ হয়। পিছে আবেলিৰ সময়খিনি কটোৱাই আটাইতকৈ টান হৈ পৰিছিল। এই সময়খিনিত কৰিবলৈ একো নথকা বাবেই নেকি কিবা নাযায় নুপুৱাই যেন লাগে। এতিয়া অবশ্যে সেই সময়খিনি বাছলৈ বৈ থাকোঁতে নতুবা ঘৰলৈ ওভতোঁতেই পাৰ হয়। এতিয়াও এই সময়খিনিত যথেষ্ট অসুবিধাৰ সম্মুখীন হওঁ। বাছ ষ্টপ আৰু ওচৰৰ পাণ দোকান কেইখনত বৈ থকা যুৱকসকলৰ লোলুপ চাবনি নতুবা কটূক্তিবোৰে মোৰ দৰে বয়সীয়াল আবিবৈ ছোবালী এজনীক বিশেষ ৰেখাপাত কৰিব নোবাৰে যদিও পঢ়ি থকা দিনৰে পৰা আজিকোপতি এই একে ঘটনাবোৰে এক স্থবিৰ যুব মানসিকতাৰ পৰিচয় দিয়া যেন পাওঁ। কেতিয়াবা খং উঠে (কাৰ ওপৰত নাজানো) কেতিয়াবা ক্ষোভ আৰু কেতিয়াবা পুতৌ জন্মে। এটা সময় আছিল—ভয় লাগিছিল লজ্জিত হৈছিলো আৰু অপমান পোবা যেনে লাগিছিল। পিছে আত্মসন্মান ৰক্ষা কৰাটো আমাৰ বাবে বেছি প্ৰয়োজনীয় আৰু আমি ছোবালীবিলাকে পৰিস্থিতিসাপেক্ষে ইয়াক অক্ষুণ্ণ ৰাখিবলৈ নিজেই শিকোঁ। সেযে বহুতে আমাক নিজ প্ৰকৃতিৰ বুলি কয়। অবলা নাৰীজাতি বুলি পুতৌ কৰে নে মৰম কৰে নাজানো। মাতৃজাতিক সহিষ্ণু আই বসুমতীৰ লগত ৰিজায়।

বাছত মহিলাৰ বাবে আসন সংৰক্ষিত থাকে। কিন্তু মহিলাৰ আসনত পুৰুষক বহা দেখা নাই। অভিনৱ সম্ভ্ৰম। তথাপি ঠেলা হেঁচা কম নহয়। ঘৰত সোমাই থাকোঁতে থাকোঁতে বোধহয় চহৰখনৰ জনসংখ্যা বহুত বাঢ়িল। ছেগেলযোৰ বেছি দিন নিটিকিব যেন পাইছোঁ। বহিবলৈ পালেতো ভালেই—নহলে যিহে গচক পৰে। কেতিয়াবা বহিবলৈ পালেও দেখোঁ ওচৰতে কোনোবা বৃদ্ধলোক কোনোমতে খোপনি পুতি থিয়দি আছে। মহিলাৰ ছিটত বা তেওঁলোকে বহিব পাৰে নে নোৱাৰে ? থিয় দিলে জানোচা থিয় হৈ থকা কোনোবা ষোড়শীয়ে আহি টপককৈ বহি দিয়েহি। নিজৰো অৱশ্যে ভাগৰ নলগা নহয়। তথাপি ককাদেউতাৰ বয়সৰ মানুহ এজনক বহিবলৈ দিব পাৰিলে নিশ্চয় সন্তোষ পোবা যায়। কিন্তু মই নিদিওঁ আৰু ফলস্বৰূপে এৰাএৰি নোহোৱালৈকে প্ৰায়ে অন্তৰ্দ্বন্দত ভোগোঁ। কেতবোৰ বিশেষ পৰিস্থিতিৰ সন্দৰ্ভত মানুহৰ প্ৰতি মোৰ ধাৰণা বৰ সবল নহয়। মানুহলৈ মোৰ ভয় লাগে। এই ভয় সন্মানৰ পৰা উদ্ভৱ হোৱা নহয়। সেযে কাৰোবাক মোৰ ছিটটো এৰি দিলেও ক'ৰ পৰা কি মন্তব্য

আহিব পাৰে (মোৰ ধাৰণাৰে) তাক শুনিবলৈ প্ৰস্তুত নহওঁ বাবেও আচলতে নিজৰ অধিকাৰ সাব্যস্ত কৰি বহি থাকোঁ।

ঘৰলৈ উভতি আহি চাহ জলপান খাই অলপ বাৰাণ্ডাতে জিৰণি লওঁ। কাণিমুনি পৰত সম্মুখৰ পদযাত্ৰীসকলে মনিব নোৱাৰে বাবে আৰাম কৰি বহিব পাৰোঁ। সজাগতা কম হ লেও অসুবিধা নাই।

আমাৰ এই চুবুৰিটোত মই বৰ জনাজাত হৈ পৰিছোঁ। সকলোৰে কথোপকথনৰ মুখ্য বিষয় হৈ পৰিছোঁ। কিবা বেয়া কাম কৰি বা ভাল কাম কৰি জনাজাত হোৱা নাই। কাৰণটো অতি সাধাৰণ। মোৰ বিযা সোমোৱাৰ বযসে প্ৰায় ভাটি দিছে আৰু সম্ভৱ এই অঞ্চলটোত ময়েই একমাত্ৰ অবিবাহিত মহিলা। সেযে মই অতিষ্ঠ হৈ পৰিছিলো। সেইফালৰ পৰা চাকৰিত সোমোৱাটো আমাৰ এই চুবুৰীটো আৰু সদায় লগ পাই থকা আত্মীয স্বজন বন্ধু বান্ধৱী বা চিনাকি লোকসকলৰ মাজৰ পৰা মোৰ পলায়ন বুলি ক লেও ভুল কৰা নহ ব।

বৰ্তমান আমাৰ ঘৰত মা দেউতা দাদা আৰু মই। বাইদেউহঁতৰ বিয়া হৈ গৈছে। নিজৰ ল'ৰা ছোৱালী ঘৰ সংসাৰত ব্যস্ত। দাদা অবিবাহিত। মোৰ এই অৱস্থাটোৱে আচলতে ঘৰৰ আটাইকে চিন্তিত কৰি তুলিছে। একো অস্বাভাৱিক নহয়। কিন্তু মোৰ বাবে আটাইতকৈ বেছি চিন্তাৰ বিষয় হৈছে—দাদাৰ বৰ্তমান মানসিক অৱস্থাটো। বেছ কিছুদিনৰ পৰা সি খিঙীযা হৈ পৰিছে। আজিও অলপ আগতে মাইঁতক—

খবৰদাৰ সিহঁতৰ কথা মোৰ আগত নুলিয়াবি। মই সিহঁতৰ ওচৰত মূৰ দোঁৱাব নোবাৰোঁ। মোৰ ভনী ঘৰতে বুঢ়ী হৈ মৰিব। সিহঁতৰ ঘৰত বোৱাৰী নাখাটিলেও জীয়াই থাকিব। —ইত্যাদি বুলি কৈ ওলাই গ'ল।

কিছুদিন মোৰ বিয়াৰ প্ৰস গটো ঘৰত ওলোৱা নাছিল। মই এক প্ৰকাৰ শান্তিত আছিলো —কেতবোৰ সৰু সুৰা দৈনন্দিন অশান্তিৰ বাহিৰে। আজি অকস্মাতে ক ত কেনেকৈ কি হ ল নাজানো। নিজৰ কথা ভাবি মোৰ এতিযা দুখ নালাগে। দুখ লাগে মা দেউতা আৰু দাদাৰ মোক লৈ হোৱা চিন্তাৰ বাবে। কাৰো প্ৰতি মোৰ কোনো খেদ নাই। মাইঁতৰ গাতনো কি দোষ? সমীৰণ বৰুৱাৰ ঘৰৰ লগত দাদাৰ পুৰণি চিনাকি। বৰজীয়েক ত ময়ী দাদাৰ সহপাঠী আৰু ঘনিষ্ঠ বান্ধৱী। অলপতে তেওঁৰ বিয়া হোৱা গম পাওঁ। বৰুবাৰ পুত্ৰ অমৰেন্দ্ৰ বৰুৱা তেল কোম্পানিৰ ইঞ্জিনিযাৰ। সম্ভৱ তেওঁৰ বিযাৰ কথা ওলাইছে বুলি মাইঁতে কেনেবাকৈ গম পালে আৰু যেনিবা ক লেই সি ইমান জনা বুজা মানুহটোৱে —লাগে ভিতৰি সিহঁতৰ কিবা কন্দল থাকিলেই —বুঢ়া মাক বাপেকৰ জীয়েকক বিয়া দিব নোৱৰাৰ পৰা উদ্ভৱ হোৱা শংকা বা চিন্তাখিনিৰ উমান নাপায়নে?

মই দেখাত দীপলিপ নহ'লেও কুৰূপা বাবে বিয়া নোহোৱাকৈ আছোঁ বুলি নাভাবোঁ। বি এ পাছ কৰাৰ পাছত কেইবাবছৰো পাৰ হৈ গ'ল। বিশ্ববিদ্যালয়ত পঢ়াৰ জোখাৰে নম্বৰ নাপালো। তেতিয়া দাদাক মাইঁতে উচ্চ শিক্ষাৰ বাবে আমেৰিকালৈ পঠিয়াইছে। তাৰ আগৰ বছৰ অণিমা বাইদেউৰ বিয়া হৈ গৈছে। ঘৰৰ আৰ্থিক অৱস্থা তেতিয়া কিমান বেয়া আছিল এতিয়া অনুমান কৰিব পাৰোঁ। বোধকৰোঁ এই খেলি

মেলিতে বহুসময় পাৰ হ'ল। কোনেও মোক সেইসময়ত বোৱাৰী হিচাপে বিচাৰি অহাৰ গম নাপাওঁ। কোনোবা আহিছিল যদিও হয়তো মাইঁতৰ মন পূত নহ'ল—তেতিয়া। আনহাতে মোৰ নিজৰো কাৰোবাক ভাল লগা বা কোনোবাই মোক ভাল পোৱাৰ উমান নাপালো। আচৰিত ধৰণে মোৰ ছাত্ৰী জীৱনটো পাৰ হ'ল। লগৰ ছোৱালীবিলাকে প্ৰেম পীৰিতি প্ৰেম পত্ৰ আদিৰ কথা পাতি ব্যস্ত হৈ থকাৰ কথা মনত পৰে। মই বাৰু কিয় এনে হ'লো? যি হ'ল হ'ল বাৰু এতিয়ানো বিয়াখন হ'ব নাপায়নে? আজিকালি কেতিয়াবা হঠাৎ বুকুখনত এটা বেদনা অনুভৱ কৰোঁ—যেতিয়া ওচৰ চুবুৰীয়া বা সম্বন্ধীয়া মোৰ বয়সীয়া বা তাতোকৈ সৰু আটাইকে বিয়া হৈ ওলাই যোৱা দেখোঁ। ঠিক ঈৰ্ষাত নহয় কিবা এক হীনমন্যতাত ভোগোঁ আচলতে। পৃথিৱীখনত ইমান মানুহ! কত পুৰুষে মোৰ দৰে বিয়া নোহোৱাকৈ আছে। এজনেও বাৰু খবৰ নাপাযনে 'মোৰ মা দেউতাই মোক বিয়া দিবলৈ ব্যাকুল হৈ থকাৰ কথা? ইমানবোৰ অঙহী বঙহী চা চিনাকি মানুহলৈ চিঠি লিখিলে ইতিমধ্যে চিঠি এখন পঠোৱাৰ ডাক খৰচ দুগুণ হৈ গ'ল —তথাপি বাৰু কৰবাত মোৰ যোৱা মিলা বা মোক পছন্দ কৰা দৰা এটা ওলাব নাপায়নে? কিমান মানুহ আহিল কিমান গ'ল ভালকৈ হিচাপ নাই। মাইঁতে পাৰ্যমানে অতিথি আপ্যায়ন কৰিছিল। প্ৰত্যেকে খবৰ দিম বুলি কৈ গুচি গৈছিল। আৰু প্ৰতিবাৰ মাইঁতে অধীৰ আগ্ৰহেৰে বাট চাই থাকিছিল। বহুতে উত্তৰ দিছিল। অনেকে সেইখিনি কৰাৰ সৌজন্যকণো দেখুৱাবলৈ অপাৰগ হৈছিল। সম্ভৱ তেওঁলোক দোধোৰ মোধোৰত পৰিছিল। প্ৰত্যাখানৰ বতৰা জনোৱাও জানো সহজ?

মই মানুহজনী বৰ্তমান গাভৰুৱেই নে যুৱতীয়েই নে প্ৰৌঢ়া কোনটো স্তৰত আছোঁ নিজেই ভাবি নাপাওঁ। কেৱল ঘৰখনলৈ চাই নতুবা আত্মসন্মানবোধক আঘাত নাহানিবলৈকে হয়তো মই এতিয়াও এই প্ৰসংগটোৰ বিৰোধিতা কৰা নাই। এটা সময়ত যৌৱনে আমনি কৰিছিল। সেইটো স্তৰো এতিয়া পাৰ হ'লো। কেতিয়াবা নিজৰ ভাগ্যকে ধিয়াবৰ মন যায। মাইঁতে কত মঙল চোৱালে কতবাৰ সৌৰৰণী দেখুৱালে কত পূজা পাতল কৰিলে তাৰ সীমা সংখ্যা নাই। লাহে লাহে ময়ো যেন এইবোৰত বিশ্বাস কৰিবলৈ লৈছোঁ। কেতিয়াবা লাইব্ৰেৰিত বহি নিজৰ হাতখন চাই থাকোঁ —জীৱন ৰেখা হৃদয় ৰেখা ভাগ্য ৰেখা ইত্যাদি। আমাৰ ঘৰলৈ ফুৰিবলৈ অহা প্ৰতিবেশী আত্মীয় স্বজন আদিয়েও আন কথাতকৈ মোৰ প্ৰসংগহে বেছিকৈ উলিয়ায। আমাৰ সমস্যাৰাজিৰ লগত তেওঁলোক প্ৰকৃততে কিমান জড়িত নাজানো কিন্তু তেওঁলোকৰ কথা বতৰাত সহানুভূতি আৰু ঘাইকৈ পুতৌৰ ভাবৰ অভাৱ নাই। মই খুব ভালকৈ জানো ইয়াতকৈ বেছি তেওঁলোকে আৰু একো কৰিব নোৱাৰে। হয়তো আন এঘৰত আন এদিনা গৈ এইখিনিকে পাগুলিয়াব পাৰে। মাইঁত আৰু বেছি গম্ভীৰ হৈ পৰে। ভাগ্যক্ৰমে আমাৰ ঘৰত মানুহ কম আৰু আমি সকলো ডাঙৰ হ'লো। সেয়ে ঘৰুৱা বেলেগ কাজিয়া পেঁচাল কৰিবলৈ একো নাই। এসময়ত মাই উৰহৰ খং ভগা ঢাৰিৰ ওপৰত জাৰিছিল। মোক গালি-শপনি পাৰিছিল—নিজেই কাৰোবাক বাছি লৈ নিজৰ ৰাস্তাটো পৰিষ্কাৰ কৰি লব নোৱৰা বাবে। আজিকালি মনত পৰিলে হাঁহি উঠে।

মোৰ যেতিয়া কাৰোবাৰ লগত প্ৰেম কৰাৰ বয়স আছিল —মই ভালকৈ জানো — মোৰ এই মা দেউতা দাদা বা বাইদেউ দুজনীয়ে তেতিয়া মোৰ প্ৰেমজড়িত কাম কেতিয়াও সহজভাৱে নললে হয়।

লাহে লাহে কিন্তু মোৰ মানুহৰ আগত থিয় দিবলৈকে ভয় লগা হৈ আহিছে। সম্ভৱ মই খুব আত্মকেন্দ্ৰিক হৈ পৰিছোঁ। হয়তো নিজৰ কথা বেছিকৈ চিন্তা কৰা হৈছোঁ। আজিকালি ওচৰত কোনোবা চিনাকি মানুহ দেখিলে এক অজান আশংকাত মোৰ বুকুখন কঁপি উঠে। ল'ৰা ছোৱালী ডেকা ডেকেৰী, বুঢ়া বুঢ়ী আটায়ে যেন মোৰ ফালে আঙুলি টোঁৱাই থিয় দি আছে আৰু ক বলৈ ধৰিছে — চা চা এইজনী ঘৰতে বুঢ়ী হৈ আছে। সেয়ে এই চাকৰিটোক মই ইমান ভাল পাইছোঁ। মই গোটেই দিনটো ঘৰৰ পৰা বাহিৰত থাকোঁ। গধূলিহে ঘৰ সোমাওঁহি। দিনটো এখন বেলেগ সমাজৰ লগত বসবাস কৰোঁ। কিছু সকাহ পাওঁ। কিন্তু তাত মই নতুন। সিহঁতে অন্তত যেন এদিন মোৰ এই অসমৰ্থতাখিনিৰ বাবে মোৰ আগত আঙুলি টোঁৱাই থিয় নিদিয়েহি।

দাদা চাকৰিত সোমোৱাৰ পৰা আমাৰ আৰ্থিক অৱস্থা টনকিয়াল হ ল। এতিয়া একোৰে অভাৱ নাই। তথাপি আমি প্ৰত্যেকে ক্ৰমান্বয়ে অসুখী হৈ পৰিবলৈ ধৰিছোঁ। দাদাৰ লগত সকৰে পৰা হাতত ধৰাধৰিকৈ ডাঙৰ হৈছোঁ। বাইদেউহঁতকৈ বেছি অন্তৰ গভাৱে। কিন্তু সিও বদলিল। কথা বতৰা কম কয়। কপালৰ ৰেখাবোৰ থূপ খুৱাই বহি থাকে। বিয়া বাৰু কৰিবলৈ ক লেও মুখেৰে নামাতে। মোৰ বাবেই বাৰু আটাইৰে অশান্তি হৈছে নে? উচ্চ শিক্ষা চাকৰি সম্মান সকলো থকাৰ পাছতো মানুহ ইমান খঙাল ইমান গোঁৱাৰ হোৱাৰ কাৰণ হয়তো আছে মই কিন্তু সহজে সেই কাৰণবোৰ বিচাৰি নাপাওঁ। মানুহে নিজৰ স্বভাৱ সলনি কৰাটো ভাল লক্ষণ বুলি নাভাবোঁ। আৰু কোনোবাই মোক পুতৌ কৰাটো যেনেকৈ মোৰ সহ্য নহয় তেনেকৈ ত্যাগ স্বীকাৰ কৰাটোও অলপো সহ্য নহয়। সি কিয় ইমান বিদ্ৰোহী হ'ল? ময়োতো গোটেই বিশ্বৰ বিৰুদ্ধে যুদ্ধ ঘোষণা কৰিব পাৰোঁ। মোৰোতো নিজস্ব সত্তা এটা আছে। কইনা চাবলৈ অহা মানুহৰ আগত পৰিপাটিকৈ সাজপাৰ পিন্ধি অত্যধিক সম্ভ্ৰম দেখুৱাই, হাতত তামোল পাণৰ বঁটা লৈ বাৰ মাহত তেৰবাৰ নিজকে প্ৰদৰ্শন কৰিবলৈ মোৰ জানো স্ফূৰ্তি লাগে? সিহঁতে এই সাধাৰণ কথাবোৰ নুবুজে নেকি? সম্ভৱ বেছিকৈ বুজে। সেয়ে বেছি খং উঠে। কিন্তু তাৰ খং কাৰ ওপৰত? বকুৱাৰ ওপৰত নে তন্ময়ীৰ ওপৰত? মা দেউতাৰ ওপৰত নে মোৰ ওপৰত? হয়তো নিজৰ অক্ষমতাৰ ওপৰত। কিন্তু স্বামীৰ অবিহনে নাৰীৰ জীৱন অসম্পূৰ্ণ নে দুৰূহ? বোধকৰোঁ দুয়োটা। কিন্তু অসম্ভৱনে? সি বাৰু সেইবাৰ কথা আজি উচ্চ বাচ্য কৰিহে ক'ব পাৰিলেনে? সিহঁতক সি বুজাব পৰা নাই কিয়? সি দেখোন নিজকে সৈমান কৰিব পৰা নাই। বোধহয় মোৰ দৰে তাৰো মানুহ হৈ মানুহৰ সন্মুখীন হ'বলৈ ভয় লগা হৈছে। কিন্তু আটায়ে মোক ঘৰখনৰ বোজা বুলি ভবা নাইতো? মোৰ এটা নিজস্ব জীৱন আছে কৰ্মসংস্থান আছে জীৱনৰ সম্বল স্বৰূপ কেতবোৰ নিজস্ব চিন্তা ভাবনা বা চখ আছে। কাৰোবাৰ বাটত হেঙাৰ হিচাপে থিয় দিয়া বুলিতো মই নাভাবোঁ। আটায়ে নিজৰ নিজৰ বাটেদি আগুৱাই নাযায় কিয়? এই ঘৰখনত কেৱল এটা কোঠালি বা এখন বিছনাৰ বাহিৰে

মোৰ আৰু কিহৰ প্ৰয়োজন। আৰু বাকী সমাজখন? ইয়াৰ অস্তিত্বৰ প্ৰয়োজনীয়তাৰ বাদে (যিহেতু এই সমাজৰ সেৱা কৰাই মোৰ জীৱিকা) আজি ইয়াৰ লগত মোৰ সম্বন্ধই বা কি? মোক জানো ইয়েই অকলশৰীয়া কৰি পেলোৱা নাই? ইয়াক অসন্মান কৰিবলৈ জানো ইয়েই মোক শিকোৱা নাই?

কিছুদিনৰ পৰা চাৰিওফালৰ কাণ্ড কাৰখানা দেখি শুনি নিজৰ তথা আনৰ কথা ভাবি ভাবি এনেয়ে মই অলপ স্তিমিত হৈ পৰিছোঁ। বিয়া হোৱাৰ ইচ্ছা — কাৰোবাৰ পছন্দ হ লেও —নাইকিয়া হৈ গৈছে। আচলতে প্ৰসংগটোৱে বাৰুকৈ তিতা কেঁহা লগাইছে। নিজকে ক্লান্ত আৰু অসহায় যেনো অনুভৱ কৰিবলৈ ধৰিছোঁ। তেনেস্থলত আজি গধূলিৰ এই বাক বিতণ্ডাবোৰে মোক আৰু বেছিকৈ চিন্তিত কৰি তুলিলে। জীৱন যুদ্ধত মা দেউতা আৰু আমি—মানে মই আৰু দাদা পৰাজয়ৰ সম্মুখীন হোৱা নাইতো? কিন্তু মইতো কোনোদিনে মোৰ প্ৰতিদ্বন্দ্বীসকলতকৈ নিজকে দুৰ্বল বুলি ভবাৰ কথা মোৰ মনত নপৰে—এই আটাইবিলাক ঘটনাৰ পাছতো বিশেষকৈ সেইসকল—যিসকলে মোক দাদাক বা আমাৰ দৰে ঘৰ এখনক উপযুক্ত মৰ্যাদা দিবলৈ নিশিকিলে বা যিবিলাকে কেৱল পৰচৰ্চা পৰনিন্দাকে আজৰি সময়কণ কটোৱাৰ অৱলম্বন কৰি ললে —মোৰ এই প্ৰতিদ্বন্দ্বীসকলে মহিলা দিৱসত হাতত প্লেকাৰ্ড লৈ নাৰীমুক্তি নাৰী স্বাধীনতাৰ বাবে সমদল উলিয়ায়। অথচ তেওঁলোকেই নাৰীক ভোগ বিলাসৰ সামগ্ৰী হিচাপে গণ্য কৰে। ঘৰলৈ উভতি গৈ বাই ভনী বোৱাৰী জীয়াৰীহঁতৰ মুৰত ৰাম টাঙোন মাৰে। পাণদোকানৰ পৰা আমাক দেখি কিৰিলি পৰাসকলেও মোক প্ৰত্যাহ্বান জনায়। তেওঁলোকেই আৰু সেইদিনা—নাৰী-পুৰুষক সমানে মৰ্যাদা দিয়ক যৌতুক প্ৰথা নিমূল কৰক আদি কিবাকিবি চিঞৰে। তেওঁলোকৰে বাযেক ভনীয়েকে যদি এই শ্লগানবোৰৰ সমৰ্থনত বিয়া নোহোৱাকৈ থাকে নতুবা অত্যাচাৰ সহ্য কৰিব নোৱাৰি স্বামীগৃহ ত্যাগ কৰি পিতৃগৃহলৈ লৰি আহে তেন্তে অপমান অপবাদ দুৰ্ব্যৱহাৰ আৰু গঞ্জনাৰে থকা সৰকা কৰি জীৱনটোক বেছি দুৰ্বিসহ কৰি তোলা লোকো তেওঁলোকেই। মই জানো মোৰ এই জীৱনযুদ্ধত অন্তত এই প্ৰতিদ্বন্দ্বীসকলৰ আগত মই বশ্যতা স্বীকাৰ কৰিব লগীয়া নহয়। তথাপি কিছু ভয় লাগে। বিশেষকৈ দাদাক বিচলিত হৈ পৰা দেখি মাহঁতক ভাগি পৰা দেখি। আজি কিছুদিন আগতে মনলৈ আহিছিল—আমাৰ সমাজত যৌতুক প্ৰথা প্ৰচলিত হোৱা হ লে কোনোবা কাঙালৰ লগত সেইদিনাই বিবাহ পাশত আবদ্ধ হ'লো হয়—মোৰ প্ৰতিদ্বন্দ্বীৰে প্ৰতিদ্বন্দ্বিতা কৰিবলৈ!

আমাৰ ঘৰৰ ওচৰৰ বাছষ্টপটো পোৱাৰ ঠিক আগেয়ে এঘৰ মানুহৰ পদূলিত এখন চিলাই কৰা আৰু উলৰ বস্ত্ৰ বেচা দোকান আছে। দোকানখনত দুটামান চিলাই মেচিন আৰু এটা উলৰ মেচিন দেখিছোঁ। তাৰে উলৰ কাম কৰা ছোৱালীজনীয়েই দোকানখনৰ পৰিচাৰিকা যেন পাওঁ। সিহঁতৰ বেৰত ওলমাই থোৱা কামবিলাক দেখি তাইক ভাল পিপিনী যেনেই লাগে। এই ছোৱালীজনীৰ প্ৰতি মোৰ আগ্ৰহ বেছি। প্ৰায়ে তাইক মেছিনটো খুলি গ্ৰাহকলৈ অপেক্ষা কৰি থকা দেখা পাওঁ। তাইৰ বয়স মোতকৈ সৰু যদিও সোনকালে বিয়া নহ'লে মোৰ দৰেই তাইৰ জীৱনতো পয়মালৰ সৃষ্টি হ ব।

তাই যিহেতু দোকানতেই বহি থাকে গতিকে কেৱল ছুৱেটাৰ অৰ্ডাৰ দিয়া গ্ৰাহক নতুবা কিৰিলি পৰা জাকহে আহিলে আৰু বিপদ। এইক দেখিলেই বিজুলীবেগেৰে মোৰ ওপৰেদি নিজৰ বহুতো পুৰণি কথা বাগৰি যায়। আজি আহোঁতে দেখিছোঁ তাই কপালত এটা ডাঙৰ টিকটিকিয়া ৰঙা বিন্দি লগাই আগৰ দৰে বহি আছে। তাইক তেনে ৰূপত দেখি অকস্মাতে সময়ে আমাক উপহাস কৰা যেন লাগিল আৰু স্বত স্ফূৰ্তভাবে মোৰ মুখেদি ফচকৈ এটা হাঁহি ওলাই গ ল।

দাদা এতিয়াও উভতি অহা নাই। মাইঁতে ভিতৰত কি কৰিছে নাজানো। পিছে এইদৰে আৰু কিমানদিন ভয় কৰি থাকিম ? মই ফেপেৰি পাতি ধৰিব লাগিব। আই বসুমতীৰ লগত সম্বন্ধ ছেদ কৰিব লাগিব। মাইঁতক আজি ক ব লাগিব—তেওঁলোকে মোৰ বাবে দৰা চাই হাবাথুৰি খাইছে খাওক কিন্তু নিজৰ মৰ্যাদাখিনিৰ প্ৰতি তেওঁলোক যেন আৰু সাৱধান হয়। অন্তত মোৰ দাদাৰ আত্মসন্মানবোধ আৰু অনুভূতিখিনিৰ প্ৰতিও যেন তেওঁলোকে অলপ খেয়াল ৰাখে। আৰু দাদাক আকৌ সেই শিশুসুলভ অবস্থালৈ ঘূৰাই আনিব লাগিব। স্বাভাৱিক জীৱন যাপন কৰিবলৈ সৈমান কৰিব লাগিব। সিও নিজৰ পথত অগ্ৰসৰ হ ব লাগিব। অন্তত মোৰ সহযোদ্ধা হিচাপে নিজকে প্ৰতিপন্ন কৰিব লাগিব—শীঘ্ৰে।

সি যেন আজি সোনকালে উভতি আহে।

১।৫।৮৯

গৌৰৱ

মনোৰঞ্জন গোস্বামী

ছোৱালীজনী দেখিবলৈ কুৎসিত কিন্তু সপ্রতিভ আৰু প্রগলভা। তাই বিমর্ষ হৈ মন মাৰি নাথাকে। আচলতে তাই তাইৰ হীনমন্যতা ঢাকি ৰাখিবলৈকে অত্যন্ত সপ্রতিভ হৈ থাকে। তাই মহিলা ডাক্তৰ এগৰাকীৰ চেম্বাৰত থাকে। তাইৰ নাম জেতুকী।

জেতুকীৰ এবাৰ টাইফযড হৈছিল। টাইফয়ড হোৱাৰ আগতেও তাইৰ চেহেৰা বা স্বাস্থ্য ভাল নাছিল। তাই কিন্তু মানুহক বুজাব খোজে তাই আগতে দেখিবলৈ ইমান বেয়া নাছিল টাইফযড হোৱাৰ বাবেহে তাইৰ চেহেৰা ইমান বেধা হৈ গ ল। সেই কথাটো তাই সমগ্র চহৰখনৰ মানুহক বুজাই দিব খোজে। সেয়ে তাই সুবিধা পালেই তাইৰ টাইফয়ড হোৱাৰ খবৰটো দিয়ে।

ডাক্তৰণী নাথাকিলেতো কথাই নাই যেনে তেনে তাই তাইৰ বিষয়টো উলিযাই লয়।

আপোনাৰ কাহহে হৈছে আইতা? টি বিতো হোৱা নাই? টাইফয়ডতো হোবা নাই? টাইফয়ড মোৰ হৈছিল। তেতিয়াৰ দিনত টাইফয়ড হ লে মানুহ বচাই টান। আজিকালিতো সেইটো সাধাৰণ বেমাৰ হৈ পৰিছে। টাইফয়ড মানে সন্নিপাত জ্বৰ। জ্বৰ একেবাৰে মূৰত উঠেগৈ। এইটো জ্বৰ হৈ যদি কোনোবা বাচে তেনেহ লে বচাৰ পাছ ত মাকে নিজৰ পুতেকৰ কথাকে কৈ দিব—এইটো মোৰ ল'ৰা নহয়।

কেতিয়াবা কোনো ৰোগীয়ে ডাক্তৰণী নাথাকোঁতে মিনিটে মিনিটে ডাক্তৰ কেতিয়া আহিব বহুত দেৰি কৰিছে দেখোন বুলি সুধি উচপিচাই থাকিলে তাই কয় বাইদেউ এতিয়াই আহিব ৰ ব। ভয় কৰিছে কেলেই? আপোনাৰ জ্বৰহে হৈছে। ইনফ্লুয়েঞ্জা বা মেলেৰিয়া হ ব। টাইফয়ডতো হোৱা নাই।

ডাক্তৰণী থাকিলে তেওঁ তাইক ভিতৰলৈ মাতি নিয়ে — জেতুকী চাওঁ এইফালে আহচোন। ডাক্তৰণীয়ে জানে তাইৰ এই কুৎসিত চেহেৰাৰ কাৰণ টাইফযড বেমাৰটো বুলি মানুহবোৰক বুজাই দিব পাৰিলে তাই শান্তি পায়। কিন্তু সেইবুলি অনবৰতে টানি আজ ৰি টাইফয়ড বেমাৰৰ কথা। সেযে তেওঁ তাইক ভিতৰলৈ মাতি নিয়ে।

দুষ্ট ল ৰা কিছুমানে তাইক বিউটি কুইন মিছ যোৰহাট বুলি জোকায়। তাইৰ এই ল ৰাবোৰলৈ প্রচণ্ড খং উঠে। সমগ্র পুৰুষ জাতিটোৰ ওপৰতে তাইৰ প্রচণ্ড খং উঠে।

মাইকী মানুহবোৰে তেও দুই এটা কথাই পাতে তাইৰ লগত কিন্তু এই মতা মানুহবোৰে যেন তাইৰ লগত কোনো কথাই পাতিব নোখোজে। সিহঁতৰ প্রায়

সকলোৰেই তাইৰ মুখখনলৈ চাই তৎক্ষণাত দৃষ্টি বুকুখনলৈ নমাই আনে। তাই মনে মনে ভোৰভোৰায় —বুজিছোঁ নহয় নিধকহঁত ।

ড মিছেছ প্ৰণতি দুৱাৰৰ ওচৰলৈ সাধাৰণতে পুৰুষ ৰোগী নাহে । পুৰুষ আহিলেও মহিলা ৰোগীৰ লগতহে আহে। গতিকে ক বলৈ গ লে জেতুকীয়ে কোনো পুৰুষক তেনেকৈ স্পৰ্শও কৰিবলৈ পোৱা নাই।

এদিন মিছেছ দুৱৰাৰ চেম্বাৰৰ মুখতে ল'ৰা এটাক কোনোবাই ছাইকেলেৰে খুন্দিয়ালে । ল'ৰাটোৰ ভৰি এটা কাটি হো হোৱাই তেজ ওলাইছিল । মানুহ কেইজনমানে লৰালৰিকৈ প্ৰাথমিক চিকিৎসা দিবৰ বাবে ল'ৰাটোক মিছেছ দুৱৰাৰ চেম্বাৰলৈকে লৈ আহিল। ল'ৰাটোৰ বয়স বিছ বাইছ বছৰমান হ ব।

তাই বৰ আলফুলকৈ ল'ৰাটোৰ ভৰিৰ ঘাডোখৰ ধুই দিলে । কেচি আৰু ফৰছে'পডালেৰে আয়ডিনত ডুবাই লোৱা কপাহেৰে তাই ঘাটুকুৰা মোহাৰি দিছিল ল'ৰাটোৱে তেতিয়া তাইৰ হাতখন জোৰেৰে ধৰি আঁতৰাই দিব খুজিছিল। তাইৰ গাটো শিৰশিৰাই উঠিছিল । টিটেনাছৰ বেজিৰ প্ৰতিক্ৰিয়া পৰীক্ষা কৰিবলৈ প্ৰয়োজনতকৈ বেছি বাৰ তাই তাৰ হাতৰ ঠাবি মোহাৰি পিটিকি চাইছিল।

ল'ৰাটোলৈ তাইৰ বৰ মৰম লাগিছিল। সি তাইক দেখি মুখখন ঘূৰাই নিয়া নাছিল। বৰং তাই যেতিযা তাৰ ভৰিটো বেণ্ডেজ কৰি দিছিল তেতিয়া সি তাৰ মুৰটো তাইৰ গাতে আউজাই থৈছিল। ঘা ডোখৰ ধুৱাই দিওঁতেও সি যেন তাইৰ হাতখন মৰমেৰেহে ধৰি আছিল!

কেইদিনমানলৈ জেতুকীৰ ল'ৰাটোৰ কথা মনত পৰি আছিল পিছে পাছলৈ তাইৰ তাৰ ওপৰতো খং উঠিল। গোটেই পুৰুষ জাতিটোৰ ওপৰতে তাইৰ খং। তাইৰ মুখখনহে দেখিবলৈ বেয়া। তাতে এই টাইফয়ড বেমাৰটোৱেহে তাইক বেছি বেয়া কৰিলে। কিন্তু মুখখনৰ বাহিৰে—

কেতিয়াবা খণ্ডত তাই মনে মনে ভোৰভোৰাই থাকে। এই যে বাটে বাটে ঘূৰি ফুৰা বলিয়ানীজনীও গৰ্ভৱতী হ ল, কেনেকৈ হ'বলৈ পালে? —হেৰৌ মাউৰত যোৱা বনিহঁত তহঁতৰ ঘিণ নালাগেনে সেই কোনো দিনে গা নোধোৱা দাঁত নঘহা চুলি নাচোঁৰা লেতেৰা বলিয়ানীজনীৰ ওচৰত গৈ খক পূৰাবলৈ? তাহাঁতৰ কত বেয়া বেমাৰ থাকিব পাৰে জাননে নাজান? তহঁতি ভূ ভাৰতৰ খবৰ একো নাপাৱই নেকি? তহঁতি মানুহ নে কুকুৰ অ ? তাতকৈ তহঁতি মোৰ নিচিনা এজনীকে বিয়া কৰাই সংসাৰ পাতি মানুহৰ নিচিনাকৈ নাথাক কেলেই? —

আচলতে জেতুকীৰ এইবোৰ কথা চিঞৰি চিঞৰি ক'বলৈকে মন যায় কিন্তু তাই নিচিঞৰে কেৱল মনে মনে ভোৰভোৰাই থাকে।

তাইৰ নিচিনা বেয়া চেহেৰাৰ বহুত মতা মানুহোতো আছে ! সেইবোৰৰে কোনোবা এটা তাইক বিয়া কৰাবলৈ নাহে কেলেই? মাছৰ বেপাৰী গণেশ বিক্সাৱালা ৰামধন আটা মিলৰ চকীদাৰ ভানুপ্ৰতাপ—ইহঁতি সিহঁতৰ মাইকীবোৰ মৰাৰ পাছত আকৌ বিয়া নাই পতা। খাৰ বস্তিত পইচা ভাঙি মাইকীৰ জ্‌তি লবলৈ যায়। সিহঁতিতো তাইৰ নিচিনা মানুহ এজনীকে আকৌ বিয়া কৰাই লব পাৰে।

পিছে অতি নাটকীয়ভাৱে এদিন জেতুকীৰ বিয়াখন হৈ গ'ল। জেতুকী সেইদিনা মিছেছ দুৱৰাৰ চেম্বাৰৰ পৰা আহোঁতে বতৰটো ওন্দোলাই আনিছিল। সাঁজ লাগি ভাগিছিল। তাই কোবাকুবিকৈ ঘৰলৈ বুলি আহি আছিল। তাইৰ পিছে পিছে ধুমুহা এজাক আহি আছিল। তাই কোবেৰে ৰাস্তাৰ দাঁতিৰে আহি থাকোঁতে ৰাস্তাৰ কাষৰ পৰা কোনোবাই মতা যেন পালে। তাই উভতি চাই দেখিলে মানুহ এটা খালত পৰি আছে। তাই ৰ'বনে নৰ ব অলপ পৰ ভাবিলে। ৰাস্তাত তেতিয়া আৰু দ্বিতীয় প্ৰাণী এটা নাই। ক'লা ডাৱৰে আকাশ ছাটি ধৰি গোটেইখন যোপমৰা আন্ধাৰ কৰি পেলাইছে।

মানুহটোৱে হাতখন দাঙি দিছে আৰু খালটোৰ পৰা উঠাত অলপ সহায় কৰি দিবলৈ অনুৰোধ কৰিছে। হঠাতে মানুহটোৰ হাতখনে সম্মোহনী শক্তিৰ দৰে জেতুকীক টানি নিলে। তাই মানুহটোক হাতত ধৰি টানি তুলিবলৈ চেষ্টা কৰিলে। দুটামান দোপ মাৰি মানুহটো উঠিল। শেষৰ দোপটোত নিজৰ ভাৰসাম্য ৰক্ষা কৰিব নোৱাৰি মানুহটোৱে জেতুকীক আঁকোৱালি ধৰিলে। জেতুকীয়েও মানুহটোক সাবট মাৰি ধৰিলে—জানোচা আকৌ পৰি যায়!

খালৰ ওপৰলৈ উঠি অহাৰ পাছত জেতুকীয়ে গম পালে—মানুহটো অন্ধ। ইতিমধ্যে বৰষুণ লগতে শিল পৰিবলৈ ধৰিলে। বতাহৰ কোবটোও বেছি হ ল। জেতুকীয়ে মানুহটোক হাতত ধৰি টানি লৈ গৈ ওচৰৰে পৰিত্যক্ত ঘৰ এটাৰ বাৰান্দাত উঠিলগৈ নহ লে শিলে দুইটাৰে মূৰ ভাঙিলেহেঁতেন।

তাৰ পাছত সেই পৰিত্যক্ত ঘৰৰ বাৰাণ্ডাত দুয়োৰে কথোপকথন চলিল। দুয়ো দুয়োৰে চমু পৰিচয় পালে। —তাইৰ নাম জেতুকী। তাইৰ মাক-বাপেক কোনো নাই। মাহীমাক এজনী আছে মানুহজনীয়ে তাইক বৰ কষ্ট দিয়ে। আশ্ৰয় এটা লাগে কাৰণেহে তাই ইমান কষ্ট খাই সেইখন ঘৰত আছে। অথচ তাই ডাক্তৰণীৰ তাত চাকৰি কৰি পোৱা গোটেইখিনি পইচা মাহীয়েককেই দিয়ে।

—অন্ধ মানুহটোৰ নাম সকমইনা। সা সম্পত্তি আছে। বাপেকে জীয়াই থাকোঁতেই সা সম্পত্তি ভাগ কৰি দি থৈ গৈছে। পিছে সা সম্পত্তি থাকিলে কি হ ব লোকে দিলেহে সি খাবলৈ পায়। ভাই বোৱাৰীহঁতে নিদিলে নহয় কাৰণে ভাত চাহকণ দিয়ে—কুকুৰক দিয়াদি দলিয়াই। কাপোৰ কানি এটা ধুই দিয়া মানুহ নাই। ভতিজাকহঁতক বৰ খাতিৰ কৰি থাকিব লাগে।

অলপ সময়ৰ কথোপকথনৰ পাছতে সিহঁত দুয়ো দুয়োৰে আপোন যেন হৈ পৰিল। জেতুকীয়ে আজিলৈকে কোনো পুৰুষৰ লগতে এনেকৈ কথা পাতি পোৱা নাই।

বিজুলীৰ পোহৰত জেতুকীয়ে লক্ষ্য কৰিলে মানুহটোৰ কি সুন্দৰ চেহেৰা! ইমান সুন্দৰ মানুহটোৱে অলপ আগতে তাইক সাবট মাৰি ধৰিছিল! তায়ো ধৰিছিল! মানুহটোৰ চকুকিটা থকা হ'লেতো তাইৰ লগত ইমান দেৰি কথাই নাপাতিলেহেঁতেন।

তাই সুধিলে— 'আপুনি চকুৰে নেদেখা মানুহজন এনেকৈ অকলে অকলে আহিছিল কেলেই?

সকমইনাই ক লে সি সাধাৰণতে বাহিৰলৈ নোলায়েই। কেতিয়াবা ওলাব লগা হ'লে লগত ভতিজাক বা কোনোবা এটাক লৈ আহে। পিছে সিহঁতক বৰ খাতিৰ কৰি

থাকিব লাগে। একেটা ৰাস্তাৰে সদায় আহি থাকোঁতে তাৰ এটা অভ্যাস হৈ গৈছে। কিন্তু আজি কিবা দুৰ্বিপাকত খালত পৰি গ ল।

অলপ সময় মনে মনে থাকি হঠাতে জেতুকীয়ে সুধিলে আপুনি বিয়া পাতি ছোৱালী এজনী চপাই নলয় কেলেই ?

— কণা মানুহলৈ কোন ছোৱালী আহিব আইটি ? তোমাকে যেনিবা বিয়া কৰাব খুজিলো তুমি জানো মোৰ লগত বিয়া সোমাবা ?

—আ ! কি সা ঘাতিক প্ৰশ্ন ! হে প্ৰভু ! সঁচাকৈয়ে তুমি আজি মোক ইমান সুখ ইমান আনন্দ দিছানে ?

মানুহটোৱে চকুৰে নেদেখে বুলি জানিও জেতুকীৰ মানুহটোলৈ বৰ লাজ লাগিল। তাইৰ ডিঙিৰ ওচৰত কিবা এটাই সোপা মাৰি ধৰা যেন লাগিল। বহুত কষ্টৰে তাই কঁপা কঁপা মাত এটা উলিয়াই ক লে মোৰ একো আপত্তি নাই। ঈশ্বৰে চকু দুটা নিদিলে বুলি মানুহক নিন্দা কৰিব নাপায নহয।

জেতুকীৰ উত্তৰ শুনি সকমইনা অবাক হৈ গ ল। সি জেতুকীৰ হাত এখন খেপিযাই ধৰি সুধিলে তুমি সঁচাকৈ কৈছানে ?

তঁ সঁচাকৈ কৈছোঁ। —জেতুকীযে ক লে।

বৰষুণ এৰিলত দুয়ো ঘৰটোৰ পৰা ওলাল। অলপ আগৰ তিনি আলিটোত সিহঁতে ৰিক্সা এখন ললে। ৰিক্সাত উঠি সকমইনাই জেতুকীৰ হাত এখন নিজৰ হাতৰ মুঠিত সুমুবাই চেপি ধৰিলে।

সকমইনাই ডাক্তৰণীৰ লগত কথা পাতি আৰু তেওঁৰে মধ্যস্থতাত এসপ্তাহৰ ভিতৰতে মন্দিৰত অনুষ্ঠ পীযাকৈ বিযাখন পাতি পেলালে।

বিযাৰ পাছত জেতুকীযে চাকৰি এৰি দিলে। মানুহটোক চোৱা চিতা কৰিব লাগে। ঘৰ দুৱাৰ সা সম্পত্তিৰ তদাৰক কৰিব লা । সকমইনাৰ তিনিখন ৰিক্সা আছে ভাৰালৈ দিয়ে। টাউনত তাৰ দুটা ঘৰ আছে এটাত দৰ্জিৰ দোকান আৰু আনটোত চুলিকটা ছেলুন বহিছে। খেতিৰ ধান চপোৱাৰ পৰা আৰম্ভ কৰি সকলো কামৰ হিচাপ নিকাচ তাই চমজি লৈছে। চকুৰে নেদেখে বুলি মানুহটোক আটায়ে ঠগিবলৈ বিচাৰে। এতিযাৰ পৰা আৰু নহ ব।

জেতুকী আগৰ দৰে এতিয়াও সপ্ৰতিভ। সুযোগ পালেই তাই মানুহটোৱে তাইক কিমান মৰম কৰে সেইবোৰ কৈ ফুৰে। আগতকৈ তাই যথেষ্ট ধুনীয়া হৈছে কথাটো বহুতে তাইক কৈছে। ডাক্তৰণীয়েও কৈছে। ডাক্তৰণীৰ চেম্বাৰত থকা আয়নাখনত তাই আগতে নিজৰ চেহেৰাটো নাচাইছিল বুলিলেই হয়। কিন্তু যিদিনা ডাক্তৰণীয়ে তাইক— তই আগতকৈ বহুত ধুনীয়া হ লিঅ —বুলি ক'লে সেইদিনা সেই ডাঙৰ আয়নাখনত তাই নিজকে এবাৰ বৰ হেঁপাহেৰে চাই ললে।

সেইদিনাই তাই ডাঙৰ আয়না এখন কিনি আনিলে।

এতিয়া তাই ডাঙৰ আয়নাখনৰ ওচৰত থিয় হৈ তাইৰ পাঁচমহীয়া পেটটো চায আৰু গাটোৰে বাকীখিনিও চায়। তাইৰ নিজৰে লাজ লাগি যায়।

ডাক্তৰণীৰ তালৈ তাই গৈয়ে থাকে। সদায়ে চেকআপ নকৰালেও দুই চাৰিটা পৰামৰ্শ লৈ গুচি আহে। সেইবোৰ কথা তাই ইমান দিনে ডাক্তৰণীৰ লগত থাকি জানেই। তাই কয়—মানুহটোৰহে বৰ চিন্তা। মানুহটোৰ কাৰণেই তাই আহি থাকিব লাগে।

আজিও তাই ডাক্তৰণীৰ তালৈ আহিছিল। ডাক্তৰণী তেতিয়া নাছিল। ডাক্তৰণীৰ কাৰণে দুজনী মানুহ বৈ আছিল। তাই চিনি পালে। তাৰে এজনীৰ বিয়াৰ পাঁচ বছৰৰ পাছতো সন্তান হোৱা নাই। বহুত বেজ জ্ঞানী জৰা ফুকা কৰাৰ পাছতো ফল নধৰাত শেহতহে ডাক্তৰৰ ওচৰ চাপিছে— তাই জানে। সেইজনী মানুহেই এদিন তাইক তাইৰ চেহেৰা দেখি ফিচিঙা ফিচিং কৰিছিল। নক লেওতো তাই বুজে।

তাই কোঠালিটোৰ ভিতৰত এনেকৈ ইফাল সিফাল কৰি থাকিল এনেকৈ বহিল —যেন তাইৰ পেটটো মানুহজনীৰ চকুত ভালকৈ পৰে।

মানুহজনীয়ে সুধিলে — তুমি আজিকালি ইয়াত নাথাকা নেকি ?

নাই নাথাকোঁ। বাইদেউৰ ওচৰলৈ চেক আপৰ কাৰণেহে আহি থাকোঁ। ইমান ঘনাই ঘনাই নাহিলেও হয় পিছে মানুহজনে বৰ চিন্তা কৰে। মোতকৈও তেওঁৰ চিন্তাহে বেছি —বুলি জেতুকীযে মানুহজনীৰ মুখলৈ চাই হাঁহি এটা মাৰিলে।

১৬।৭।৮৯

হেমপ্ৰসাদ শৰ্মা

হৰনাথ দাসৰ একধৰণৰ খেয়ালী স্বভাৱ এটা আছে। এই স্বভাৱটোৰ কাৰণেই চহৰখনৰ প্ৰায়বোৰ মানুহে হৰনাথ দাসক চিনি পায়। সদায় সন্ধ্যা একেলগে এটুপি ধৰি লৈ গেৰেজৰ একাষৰ কোঠাটোত হৰনাথৰ লগত তাচৰ আড্ডা জমোৱা হৰনাথৰ একান্ত অন্তৰ গ বুলি দাবী কৰা বাকী তিনিজন স গীয়েও এই স্বভাৱটোৰ কাৰণেই হৰনাথক ভিতৰি ভিতৰি সমীহ কৰি চলে। হৰনাথ যদি খোচ মেজাজ ত থাকে তেতিয়াহ লে ৰাতি দুপৰলৈকেও তাচৰ আড্ডা চলি থাকিব। নিজস্ব অসুবিধা দেখুৱাই কোনো উঠি যাব নোৱাৰিব। আনহাতে যদি ইয়াৰ ওলোটাটো ঘটে তাচৰ পাত কাটি থকাৰ মাজতে হয়তো হৰনাথে টেবুলত আটাইবোৰ পাত দলি মাৰি দিব— আজি নেখেলো। বচ কোনো কথা নাই। কোনেও এবাৰলৈও আৰু অনুৰোধ কৰাৰ কথা নচলে। আটাইকেইটা সুৰসুৰকৈ ওলাই যাব।

গায়ে গাৰিয়ে হাতীটোৰ নিচিনা হৰনাথক দেখিলে কোনেও মানুহজনৰ বয়স তিনিকুৰিৰ ওচৰ চপা বুলি ক ব নোৱাৰে। ওখই প্ৰায় ছফুট। দেহত আটিল মঙহ। হাতৰ সিৰবোৰ দূৰৰ পৰাই স্পষ্টকৈ চিনিব পাৰি। চকু আৰু থুতৰিৰ তলতে ওলমি পৰা মঙহৰ লদা। গমগমাই উঠা মস্ত মাতটোৰে যেতিয়া হৰনাথে প্ৰায় এবিঘা ঠাই আগুৰি থকা গেৰেজটোৰ ইটো মূৰৰ পৰা চিঞৰি উঠে তেতিয়া সিটো মূৰত ষ্টাৰ্ট হৈ থকা ইঞ্জিনটোৰ তলত বহি কাম কৰা সত্য একেদৌৰেই আহি হৰনাথৰ ওচৰ পায়। সত্যাই হ'ল হৰনাথৰ গেৰেজত কাম কৰা আটাইতকৈ পুৰণি মানুহ। কামত ফাঁকি নিদিয়া বৰ বিশ্বাসী মানুহ। আগতে হৰনাথ আৰু সত্যাই একেলগে ৰেঞ্চ হাতত লৈ কাম কৰিছিল। আজি কিছুবছৰ আগৰপৰা সত্যাই হৰনাথক এইবোৰ চুবলৈ নিদিয়ে দিনৰ দিনটো হৰনাথে সুদা গেঞ্জি আৰু লুঙীখন পিন্ধি কাউণ্টাৰৰ চকীখন গেৰেজৰ চোতালৰ গাড়ীৰ কুশ্বন পাৰি থোৱা বেঞ্চখনত বহি শুযেই সময় কটায়। কাউণ্টাৰৰ হিচাপ নিকাচ ৰখাৰো হৰনাথৰ বিশেষ দৰকাৰ নাই —ডাঙৰ পুতেক নিৰঞ্জনেই নিয়মিতভাৱে কাউণ্টাৰত বহে।

হৰনাথক লৈ চহৰখনত বহুতো গল্পৰ প্ৰচলন আছে। দুই একোখন গাড়ীৰ ড্ৰাইভাৰ মালিকেও গেৰেজত গাড়ীখনৰ সৰু-সুৰা দোষ একোটা দেখুৱাবৰ সময়ত কাম কৰি থকা সত্যৰ কাষতে চকীখনত বহি লৈ হৰনাথৰ গল্প শুনে। সত্যায়ো তাৰ মালিকৰ কথাবোৰ এফালৰ পৰা অকণো পাক নলগোৱাকৈ কৈ যায়।

সত্যৰ বিয়াখনেইনো এটা কম গল্পনে ? কথা নাই বতৰা নাই— তিনিদিনতে বিয়া ! বিয়াওতো এলা পেচা বিধৰ নহয় ! ওচৰ পাজৰৰ বয়সীয়া দোকানী-

চোকানীবোৰে এতিয়াও সত্যৰ বিয়াখনৰ কথা মনত পেলায়। সত্যৰ নিজৰ কথাৰেই— মইতো বিয়া বাকৰ কথা বাদেই দিছিলো। আমাৰ মালিক নহ লে ক ত বিয়া। টোকোনা মানুহ—নিজৰ খাবলৈয়ে নাই। তাতে আকৌ পৰৰ ছোৱালী এজনী আনি কেনেকৈ ঘৰ সুমুৱাওঁ? তেতিয়া মালিকে ময়ে একেলগে কাম কৰোঁ। মালিকে প্ৰায়েই কৈ থাকে—বিয়া পাত বিয়া পাত। মইহে থেৰোঁ গেৰোঁখন কৰোঁ। এবাৰ এখন এক্সিডেণ্ট হৈ অহা ট্ৰাক মালিকে আমাৰ গেৰেজত দিছিল। এক্সিডেণ্টত গাড়ীৰ ড্ৰাইভাৰটো থিতাতেই মৰা পৰিছিল। ট্ৰাকৰ মালিকে আমাৰ মালিকক কথাই কথাই ড্ৰাইভাৰটোৰ গাভৰু ছোৱালী এজনী থকাৰ কথা কৈছিল। আমাৰ মালিকে বোলে—ক ত কিমান দূৰত? সেই সময়তে কিবা তিনিদিনীয়া বন্ধ এটাও পৰিছিল। দোকান পোহাৰ গাড়ী মটৰ আদি চব বন্ধ। আমাৰ মালিকে বোলে এনেযে আৰু কি বহি থাকোঁ—সত্যৰ বিয়াখনেই শেষ হৈ যাওক। কথা নাই বতৰা নাই আমাৰ মালিকে এদিন গধুলি গৈ ছোৱালী চাই ঠিক কৰিযেই আহিল। তিনিদিন পাছতে বিয়া। মালিকে বোলে তই ছোৱালী চাবলৈ কিতো আছে? ফুল গেৰাণ্টি। আমাৰ দৰে বাগৰি ফুৰাবোৰে এনেবোৰ উপকাৰ নকৰিলে আৰু কি কৰিবি? —চব যোগাৰ মালিকেই কৰিলে। কইনাঘৰলৈ গেৰেজৰ পৰা ছমাইল। মালিকে বোলে খোজকাঢ়ি গৈ বিয়া কৰাবিনে? গাড়ী বন্ধ হাতী আন। হাতীতো বন্ধ নহয়। চন্দ্ৰ মহলদাৰৰ কাঠ টনা হাতীটোৰেই ঠিক হ ল। বিশ্বাস কৰিবলৈ এতিয়াও টান লাগে—হাতীত উঠি মই ছোবালী আনিবলৈ গৈছিলো। ৰাস্তাৰ কাষৰ মানুহে খিৰিকি মেলি মেলি দৰা চাইছিল। ৰভাৰ তলতহে প্ৰথমে ছোবালী দেখিলো। মালিকে বোলে—মন খাইছেনে? পুৱৰি নিশা শুদা ছোৱালীজনীক হাতীত তুলি আনি ঘৰ সোমাইছিলোহি। সেইজনী গৃহলক্ষ্মীয়েই এতিয়াও দুমুঠি খুৱাই আছে আৰু।

সত্যাই হৰনাথৰ কথা ক বলৈ আৰম্ভ কৰিলে শেষ নহয়গৈ।

হৰনাথৰ নিজৰ জীৱনটোৰেই— ! পাগলদিয়াৰ পাৰৰ বানে খোৱা কোনোবা এখন গাঁবত হৰনাথে তেৰ চৈধ্য বছৰলৈকে ধিতিঙালি কোবাই ঘূৰি ফুৰিছিল। বাপেকটোৱে ক ৰবাত বেপাৰ কৰিবলৈ বুলি হৰনাথ সৰু থাকোঁতেই যি ওলাই গৈছিল—সেইভাৱেই কোনো খবৰ পাতি নৰখাকৈ আঁতৰি আছিল। হৰনাথৰ মাকজনীৰ মূৰৰ বিকৃতি আছিল। পাছত বহুতেই অনুমান কৰিছিল হৰনাথৰ মাকৰ সেই অবস্থাৰ কাৰণেই আচলতে বাপেক নিৰুদ্দেশ হৈছিল। গোটেই গাঁওখনেই হৰনাথৰ ভাতঘৰ আছিল। কিবা এখন লাচনি পাচনি কৰি যাৰে তাৰে ঘৰতে কেনেবাকৈ সি পেটটো ভৰাই চলিছিল। গাঁওখনৰ এমূৰেদি ট্ৰেইন লাইন এটাও আছিল। এবাৰ কিবা কাৰণত যাত্ৰীবাহী ট্ৰেইন এখন তিনিঘণ্টামান হৰনাথহঁতৰ গাঁৱৰ কাষৰ মাজপথাৰতে ৰৈ গৈছিল। সৰু সৰু ল ৰা ছোৱালীবোৰে কিৰিলি পাৰি ট্ৰেইনখনৰ ওচৰলৈ দৌৰিছিল। তাৰ মাজত হৰনাথো আছিল। ল'ৰা ছোৱালীবোৰে ট্ৰেইনখন দুযোকাষৰ পৰা আগুৰি ধৰিছিল। কিছুমানে যাত্ৰীবোৰক পইচা খুজি ফুৰিছিল। হৰনাথে ডবা এটাৰ ভিতৰত খালী বেঞ্চ এখনত বহি খিৰিকিৰে লগৰবোৰৰ লগত কথা পাতিছিল। হৰনাথৰ বাহিৰে বাকীবোৰে ভিতৰলৈ সোমাবলৈ সাহস কৰা

নাছিল। এটা সময়ত ট্ৰেইনখনে উকি মাৰি লাহে লাহে চলিবলৈ আৰম্ভ কৰিলে। হৰনাথ নানামিল । খিৰিকিৰে উলিয়াই ৰখা হাতখন সি লগৰ ল ৰাবোৰলৈ জোকাৰিলে। লগৰবোৰে আচৰিত হৈ চিঞৰিলে—নামি আহ হৰ—নামি আহ। সি নানামিল। হাতখন সি গাঁওখনৰ ফালেও জোকাৰিলে।

সক সক ল ৰা ছোৱালীবোৰৰ পৰা গাঁওখনে খবৰটোহে পালে—হৰনাথ গ ল। কিন্তু ক লৈ গ ল কিয় গ ল কোনেও গম নাপালে।

সেই কঁকালত ৰছীৰে গাঁঠি মাৰি ফটা হাফপেণ্ট আৰু গেঞ্জিটো পিন্ধি গাঁও এৰি ওলাই অহা ল ৰাটো পাছদিনা যেতিয়া মস্ত ষ্টেছন এটাৰ প্লেটফৰ্মত নামে তেতিয়া সি মন কৰিলে—সেই ঠাইত সি জনা ভাষাটো কোনেও নকয়। বিচিত্ৰ ধৰণৰ মানুহবোৰৰ মুখৰ ফালে ভেবা লাগি চাই চায়েই সি প্লেটফৰ্মখনত ঘূৰি ফুৰিলে। পেটৰ ভোকত যাৰে তাৰে ওচৰত হাত পাতি ডাবি ধমকি খাই ৰাতি হ লে মগনীয়াবোৰৰ লগতে শুই সি আঠ দহদিন কটালে। তাৰ পাছত সি এদিন ষ্টেছনৰ পৰা দূৰৈৰ লাইটে চমক লগোবা পৃথিৱীখনলৈ ওলাই গ ল। তেতিয়া সি প্ৰথম গম পালে সেইখনেই সি সৰুৰে পৰা শুনি থকা কলিকাতা চহৰ। ভোকত ৰ ব নোবাৰি সি দুদিনমান হোটেল এখনত বাচন ধোবা হৈ থাকিল। অ ৰ পৰা ত ত চো সলাই সলাই মাজতে সি কলেজীয়া ছাত্ৰৰ হোষ্টেল এটাৰ ডাইনিং হল পাগঘৰতো কাম কৰিলে। সেইটো হোষ্টেলতে সুদীৰ্ঘ সাতমাহ সি অতিক্ৰম কৰিলে। এটা সময়ত সেইবোৰ কামো তাৰ ভাল নলগা হৈ আহিল। এদিন হঠাতে পুনৰ ষ্টেছনলৈ ঘূৰি আহি আগৰ দৰেই অকণো নভবাকৈ ট্ৰেইন এখনত উঠি বহিল। এইবাৰ একেকোবেই লক্ষ্ণৌ। এই যাত্ৰাত তাৰ হাতত অলপ পই । আছিল। প্লেটফৰ্মত ঘূৰি নুফুৰি এইবাৰ সি কাম বিচাৰিলে। হোটেল আদিৰ কামবোৰ) তাৰ বিৰক্তি লাগিছিল। অ ত ত ত কাম বিচাৰি সি মটৰ কোম্পানি এটাৰ কাৰখান) সোমাল—যোগালি হিচাপে। দৰমহা পাতি বৰ বিশেষ নাই—মাত্ৰ খোৱাটো পায়। দুদিনমান কাম কৰাৰ পাছতে সি বুজি উঠিল—তাতেই তাৰ ভৱিষ্যতৰ পথ আছে। সি মনপুতি কামত লাগিল। সেইদৰেই কেইবাবছৰো—। তাতেই সি ডেকা হ'ল। এ া সময়ত সি নিজকে মেকানিক বুলিও পৰিচয় দিব পৰা হ ল। গাড়ীৰ ষ্টিয়েৰিঙত হাত দিলেই সি গাড়ীখনৰ ক ত কি দোষ আছে কৈ দিব পৰা হ ল।

নিজৰ মালিকৰ পুৰণা কথাবোৰ এফালৰ পৰা কৈ যোৱাৰ সময়ত সত্যও ৰোমাঞ্চিত হৈ উঠে। নিজৰ বুকুতেই লাহে লাহে চপৰিয়াই সি কয় এনেকুৱা হ'বলৈ হ'লে চাহচ লাগিব। কোন বেটাই এনেকে উধাব পাৰিছে?

কোনোদিনে ঘৰলৈ পুনৰ উভতি অহাৰ কথা নভবা হৰনাথে এদিন হঠাতে কাৰখানাৰ লগত সকলো সম্পৰ্ক শেষ কৰি আহি গাঁও পালেহি। গাঁৱত তেতিয়া নিজৰ বুলিবলৈ তাৰ কোনো নাছিল। কিছুদিন বেপৰোৱাভাৱে ঘূৰি ফুৰি সি এদিন হঠাতে খাটাং কৰিলে—সি আৰু বাহিৰলৈ নাযায়। তাৰ দুদিনমান পাছতেই এইখন চহৰত দ্বিতীয়টো গেৰেজ মুকলি হ'ল। হৰনাথৰ বাবে সেয়াই আৰম্ভণি—।

সত্যাই হৰনাথৰ বিষয়ে কৈ যাওঁতে হঠাতে হাতৰ কামটো বন্ধ কৰি বেচ গহীনকৈ কয় — আমাৰ মালিকক লৈ কৰিলে ফিলিম হ'ব । আজিকালিৰ ফাল্টু ফিল্মিবোৰতকৈ সেই ফিলিম বেছি ভাল হ'ব ভাল চলিব।

কাৰো লগত একো এটা পৰামৰ্শ নকৰাকৈ অচিনাকিভাৱে চহৰখনত হৰনাথে দ্বিতীয়টো গেৰেজ খুলিলে—এই কথাটো বহুতৰ বাবেই হজম কৰিব নোৱৰা কথা হৈ পৰিছিল। প্ৰথম অৱস্থাতটো গেৰেজ চলোৱাই টান হৈ উঠিছিল। কত ঝামেলা।

হৰনাথে তথাপি কাৰো ওচৰত সৰু হ'বলৈ নগ ল। কেইবাটাযো হৰনাথৰ গদহা হাতৰ পিটনো খালে । দুদিনমানতে হৰনাথৰ অঁকৰা স্বভাবটোৰ কথা চহৰখনত জনাজাত হ ল। তাৰ পাছত লাহে লাহে সকলো চিজিল লাগিল। গেৰেজেও লাভ দিবলৈ ধৰিলে।

সেইটো সময়তে হৰনাথে গেৰেজৰ পৰা কিছু আঁতৰৰে বিধবা এজনীৰ ওচৰলৈ যাবলৈ লৈছিল। এই লৈ সেই সময়ত যথেষ্ট বু বু বা বাও হৈছিল। মুখ খুলি কোনেও হৰনাথৰ আগত কিবা এটা ক বলৈ সাহস কৰা নাছিল। তাৰ পাছত এদিন হঠাতে হৰনাথে সকলো গুণ গুণনিৰ অন্ত পেলাই সুভদ্ৰা নামৰ সেই বিধৰ্বাজনীকে আনি ঘৰ সুমুৱালেহি। সমাজআকাৰে একো এটাই কৰা নহ'ল। ক ৰ্টতেই সকলো লেঠা মৰা হ ল। সেইজনী বিধবাৰ লগতে স সাৰ কৰি হৰনাথ চাৰিটা ল ৰা ছোৱালীৰ বাপেক হ'ল। ছোৱালী দুজনীক সময়মতে দুঘৰলৈ উলিয়াই দিযাও হ ল। ল'ৰা দুটাই অলপ অচৰপ পঢ়া শুনা কৰি এৰি দিলে। সৰুটোৱে কলেজতো দুশ্ৰেণী পঢ়িছিল। হৰনাথে এই লৈ অলপো মূৰ নঘমায়। ল'ৰা ডাঙৰ হৈছে যেতিয়া খাব আৰু কিবাকিবিকৈ। ডাঙৰ ল ৰা নিৰঞ্জনেতো বাপেকৰ লগতে লাগিছে। সৰুটোহে অলপ বেলেগ। গান বাজনা নাটক আদি লৈয়েই সি ব্যস্ত হৈ থাকে।

চহৰখনৰ বিভিন্ন অনুষ্ঠান আদিৰ লগতো হৰনাথৰ এক ধৰণৰ সম্পৰ্ক আছে। বিভিন্ন পূজা কমিটি মছজিদ উন্নযন কমিটিৰ পৰা আৰম্ভ কৰি নাট্যশালা জ্যোতি বিষ্ণু স ঘ স্পৰ্টছ ক্লাব আদি আটাইৰে লগত সেই একেই সম্পৰ্ক । প্ৰত্যেক অনুষ্ঠানতে হৰনাথৰ এক শকত বৰঙণি আছে । অবশ্যে সেই বৰঙণি অৰ্থৰহে— বৌদ্ধিক কাযিক বা আন ধৰণৰ নহয়। সেইবোৰ অনুষ্ঠানৰ সভা সমিতি সা স্কৃতিক অনুষ্ঠান বাৰ্ষিক অধিবেশন ক তো হৰনাথৰ উপস্থিতি নাই। বিনা ৰছিদেই হৰনাথে সকলো অনুষ্ঠানকে সহায় কৰি গৈছে কাৰো বছৰেকীযা হিচাপ নিকাচৰ সভাত হিচাপ বিচাৰি হুলস্থু ল কৰাগৈ নাই। —ডেকা ল'ৰাকিটাই কিবা থিয়েটাৰ পাতিব খুজিছে বাহিৰৰ পৰা বিখ্যাত শিল্পী মাতি বিচিত্ৰানুষ্ঠান পাতিব খুজিছে—টকাৰ অংকটোহে মিলা নাই। কথা নাই। হৰনাথে হাত খুলি সহায কৰিছে। কৰ কৰ। আজিৰ এই অন্যায় অধৰমৰ দিনতো তহঁতেযে মনখুলি একেলগে অলপ স্ফূৰ্তি কৰিব খুজিছ সেইটোহে আচল কথা। কৰ। তহঁতে বাধা পাব নালাগে। —সন্ধিয়া সময়ত হৰনাথৰ গেৰেজৰ পৰা মাত্ৰ একফাৰ্লং আঁতৰৰ পথাৰত গোটেই চহৰখন উবুৰি খাই পৰিছে হৰনাথৰ তালৈ ভ্ৰূক্ষেপ নাই। গেৰেজৰ আটাইবোৰ কৰ্মচাৰীকে পঠিয়াই দি সি নিজে

হয়তো এটুপি ধৰি লৈ বাহিৰৰ বেঞ্চখনতে বহি অকলে অকলে তাচপাত মিলাই আছে।

এইটোৱেই হৰনাথ।

বছৰেকীয়া বিশ্বকৰ্মা পূজাখন হৰনাথে বেচ ডাঙৰকৈ পাতে। চহৰখনৰ ভিতৰতে এই পূজাখনেই বেছি জাকজমক হ ব লাগিব—হৰনাথৰ এইটোৱেই চখ। গেৰেজৰ আটাইকেইজন কৰ্মচাৰীয়েই নতুন কাপোৰ পাব লাগিব। কোনোবাই আহি ক'বহে লাগে—কেদাৰমল মাৰোৱাৰীয়ে কোচবিহাৰৰ পৰা খনিকৰ আনি ডাঙৰ মূৰ্তি সজাইছে —কথা নাই—হৰনাথে কলিকাতাৰ পৰা খনিকৰ অনাব। চকুতলগা মূৰ্তি সজাব। গেৰেজৰ বিৰাট চোতালখনৰ পৰা গোটেই ৰাস্তাতে সজ্জিয়া পূজা চোৱা মানুহে বিৰ দি বাট নাপাব। ৰাতিলৈ পূজা মণ্ডপত অপেৰা হ ব। গোটেই ৰাতিটো হুলস্থূল চলি থাকিব। —সময়ত সকলো কাম হৰনাথে ভবামতেই হয়গৈ।

হৰনাথৰ এইযে একধৰণৰ খেয়ালী স্বভাৱটো তাৰ সুবিধাও মানুহে নোলোৱা নহয়। সত্যৰ লগতে নিৰঞ্জনেও আজিকালি এইকথা বুজি উঠা হৈছে। গধূলি হৰনাথৰ লগত তাচৰ আড্ডা দিয়া ইহঁতকেইটাকতো সতাই চকুপাৰি দেখিব নোৱাৰে। সন্ধ্যা লাগিলেই তিনি সিদ্ধপুৰুষ আহি গেৰেজৰ সম্মুখত চুচুক চামাককৈ থাকে। ইয়াৰে জগন্নাথ নামৰ মস্ত মানুহটোৱেতো ঘৈণীয়েকৰ ওপৰতে কঠাল ভাঙি খায়। ঘৈণীয়েক ইযাৰে হস্পিটেলৰ নাৰ্ছ। ডম্বৰু বোলাটো লোকেল লিডাৰ। ফিট ফাট পাঞ্জাবি কুৰ্তা এযোৰ পিন্ধি ঘূৰি ফুৰে। পূজা কমিটিৰ সভাপতিৰ পৰা আৰম্ভ কৰি পঞ্চায়তৰ ইলেকছন খেলালৈকে সকলোবোৰতে সিদ্ধহস্ত। হৰনাথক উচটাই জোল খোৱাত ওস্তাদ। যোৱা বছৰতো জীয়েকৰ বিয়াখন হৰনাথৰ ওপৰেদিয়েই পাৰ কৰালে। বাকী তন গটোবে কি বেপাৰ কৰে সিহে জানে। অনবৰত নিচাতে থাকিব খোজে।

সদানন্দ উকীলৰ ঘৰটো বিক্ৰি কৰিবলৈ ওলোৱা খবৰটোও তাচৰ আড্ডাৰ মাজতে ডম্বৰুৱেই হৰনাথক দিছিল। বাঁওহাতৰ আঙুলিৰ টিপত ৰখা পাতকেইখনৰ মাজৰ এখন পাত বাছি উলিয়াই গাৰ জোৰেৰে সৌখন হাতেৰে পেলাব খোজা হৰনাথ ৰৈ গ ল।

কি ? সদানন্দ উকীলৰ ঘৰ বিক্ৰি কৰে। পুতেকটোৰ হৈছে কি ?

খবৰটো শুনি হৰনাথে জ পিয়াই উঠিব বুলি ডম্বৰুৱে আগতেই ভাবিছিল।

ঘৰ বিক্ৰিৰ এই কথাটো ডম্বৰুৱে দুদিনমানৰ আগতেই শুনিছিল। সেই সময়ত কথাটোত সি বৰ গুৰুত্ব দিয়া নাছিল। কালি বজাৰত উকীলৰ পুতেক অনিৰুদ্ধৰ লগত ভেটা ভেটি হওঁতে কথাটো ডম্বৰুৱে নিজকাণে শুনিলে। এই সংক্ৰান্তত শেখৰ ভট্টাচাৰ্য নামৰ কলেজখনৰ প্ৰফেছাৰজনৰ লগত কথা বতৰা কিছু আগবঢ়া বুলিও খবৰ পালে। এই খবৰটোহে ডম্বৰুৱে হজম কৰিবলৈ অলপ টান পালে। শেখৰ ভট্টাচাৰ্য এইখন চহৰত নিগাজীকৈ থাকিব। কথাটো ভাবি ডম্বৰু ভিতৰি ভিতৰি অলপ সন্ত্ৰস্ত

হৈ উঠিল। ক ৰ জানো এই প্ৰফেছাৰজন— ' নতুনকৈ আহিয়েই বৰ সোনকালে চহৰখনত জনপ্ৰিয় হ বলৈ ধৰিছে। চহৰখনৰ বহুত ডেকা ল'ৰাই আজিকালি এই মানুহজনৰ কথা মানি চলিবলৈ লৈছে। তাতকৈও ডাঙৰ কথা—যোৱাবাৰ এই মানুহজনেই ডম্বৰুৰ মাজ্‌টো পুতেকক পৰীক্ষা ঘৰৰ পৰা বহিষ্কাৰ কৰিছে। ডম্বৰুৰ লগত উঠা বহা কৰা কেইবাজনেও এই মানুহজনক এইখন কলেজৰ পৰা আঁতৰাবলৈ ভিতৰি ভিতৰি লাগি আছে। তাতে এইটো খবৰ ' ডম্বৰুৱে ততাতৈয়াকৈয়ে ক লে—ৰ বা'চান ৰ'বা। এতিয়াই হঠাতে ঠিক কৰি নেপেলাবা। তুমি ঠেকত পৰিহে বিক্ৰি কৰিবলৈ ওলাইছা ' প্ৰফেছাৰে দিয়াতকৈ মই অলপ বেছি দামত বন্দবস্ত কৰাব পাৰিম। অলপ অপেক্ষা কৰাচোন। —সেই সময়ত হৰনাথে চহৰৰ ভাল ঠাইত ঘৰ বান্ধিবলৈ মাটি অলপ বিচাৰি থকাৰ কথা ডম্বৰুৱে জানিছিল। হৰনাথৰ পৰিয়াল থকা গেৰেজৰ কাষৰ মাটিখিনি ঠেক আছিল। তাতে বৰ হুলস্থুলীয়া। ভবিষ্যতলৈ ঘৰ দুৱাৰ বঢ়াবলৈও বৰ ঠেক। ভাল ঠাইত মাটি অলপ লৈ আগৰ ঘৰটো ভাৰা দিয়াৰ মতলব এটা হৰনাথৰ আছিলেই।

খবৰটো পোৱাৰ পাছত হৰনাথে তাচৰ পাতত বৰ মনোযোগ দিব নোৱাৰিলে। এঘণ্টামান তেনেদৰেই খেলি থাকি সি খেল ভাঙিলে। জগন্নাথ আৰু অন গ উঠি যোৱাৰ পাছতো ডম্বৰু হৰনাথৰ কাষতে বহি থাকিল। খবৰটোৱে হৰনাথক অলপ কষ্ট দিছিল।

কিছুসময় মনে মনে বহি থকাৰ পাছত হৰনাথে হঠাতে নিজকে কোবাৰ দৰে কৈ উঠিল — ইনো ঘৰ বিক্ৰি কৰিবলগীয়া হ ল কিয ? থিয়েটাৰখনৰ কি হ ল ?

ডম্বৰুৱে হৰনাথৰ কথাৰ সেই একেটা সুৰতেই কিবাকিবি কৈ গ ল—যেন খবৰটোৱে তাকো সমানেই কষ্ট দিছে। —এই কেইবছৰমান থিয়েটাৰখনে হেনো বৰ লোকচান দিছে। এইবাৰতো থিয়েটাৰ ভাগিয়েই গ ল। কাবুলীৱালাৰ ওচৰতেই হেনো বহুত ধাৰ আছে। এতিয়াই টকা পৰিশোধ কৰিব নোৱাৰিলে ঘৰ মাটি কাবুলীৰ হাতলৈ যাব। নতুনকৈ ঘৰ মাটি উদ্ধাৰ কৰাৰো কোনো আশা নাই। গতিকে কাবুলীৰ হাতলৈ যোৱাতকৈ কোনোবা জনা শুনা মানুহৰ ওচৰতেই সি বিক্ৰি কৰিব খুজিছে।

হৰনাথে কথাখিনি শুনিও একো এটা নোকোৱাকৈ আগৰদৰেই বহি থাকিল। এটা সময়ত ডম্বৰু হৰনাথৰ কাষৰ পৰা উঠি গ ল। যাওঁতে তাৰ মনটো এনেয়েই মুকলি মুকলি লাগি গ ল।

ভাত খাই উঠি বিছনাত পৰোঁতেও হৰনাথৰ সেই কথাটোৱেই মনত পৰিল। আন্ধাৰতে ওপৰমুৱাকৈ বহু সময়লৈ এনেয়ে পৰি থাকি হৰনাথে তাকে ভাবিলে। ঘৰটোৰ ঠাইখিনি বৰ ভাল। তাৰ লগতে ঘৰটোৰ চৌহদটো। গোটেই চৌহদটো ছফুট ওখ ইটাৰ দেৱালেৰে ঘেৰা। ঘৰটো মাজতে। আছাম টাইপৰ। বৰ ডাঙৰ ঘৰ নহয় কিন্তু ভৱিষ্যতলৈ বঢ়াবলৈ ভাল সুবিধা আছে। ঘৰটোৰ চৌহদটোৰ কথা মনলৈ আহোঁতেই হৰনাথৰ সদানন্দ উকীলৰ সম্পূৰ্ণ চেহেৰাটোলৈ মনত পৰি গ'ল। —বগা ধুতিখন আৰু গেঞ্জিটোৰে যেন হাতত কেঁচিখন লৈ ঘৰৰ সম্মুখৰ বাগিচাখনৰ মাজত ঘূৰি ফুৰিছে —হৰনাথে নাম নজনা বিভিন্ন জাতৰ সৰু-সৰু জোপোহা গছবোৰ যেন

বিভিন্ন সাজোনত কাটি ফুৰিছে! গোটেই ঋতুতে বাগিচাৰ ফুলবোৰৰ কি বিচিত্ৰ ৰং! তাৰ মাজত উকীলৰ সেই তেজস্বী চেহেৰাটো! কি ৰূপ! কি ৰূপ!

বহুত কথাই হৰনাথৰ মনত পৰি গ'ল। গেৰেজটো আৰম্ভ কৰাৰ সময়ৰে ঘটনা। দুটামান ডেকা ল'ৰাই মাঘ বিহুৰ উককাৰ সুযোগ লৈ হৰনাথৰ গেৰেজত উৎপাত কৰিলে। বহুত টকাৰ বস্তু জুইত পোৰা গ'ল। হৰনাথে পাছত গম পাই তাৰে দুটাক ৰামপিটন দিলে। এই লৈ লাগি গ'ল হুলস্থুল। কেইবাজনো ব্যৱসায়ীয়েও হাত উজান দিলে। কৰ মানুহে আহি ইমান সাহ কৰে! সেইটো সময়ত সদানন্দ উকীলেই এই ঘটনাটোৰ মকামিলা কৰি দিছিল। নহ'লে ক'ৰ্ট কাচাৰী দৌৰা দৌৰি কৰি হৰনাথৰো নগুৰ নাগতি হ'ব লগা হ'লহেঁতেন। এই ঘটনাটো লৈয়েই হৰনাথৰ লগত সদানন্দ উকীলৰ মাতবোল হৈছিল। সুভদ্ৰাক আনি ঘৰ সুমুউৱাৰ সময়তো ক'ৰ্টত হৰনাথক লগ পাই সদানন্দ উকীলে পিঠিত থপৰিয়াই কৈছিল — ভাল কাম কৰিছা। আদৰ্শৰ কাম কৰিছা। মানুহ সাহসী হ'ব লাগে। —তাৰ পাছতো আৰু কত ঘটনা! ওচৰৰে মহখুলি গাঁৱৰ অন্যায়ভাবে উচ্ছেদ কৰা মানুহখিনিক সদানন্দ উকীলেই পুনৰ সংস্থাপন কৰা নাছিলনে? তাৰ কাৰণেও কত হুলস্থুল! কত মেল মিটিং! —সেইজন মানুহ এদিন হঠাতে ঢুকাই থাকিল। একো নাছিল। ডাক্তৰে দুদিনমান আগতে প্ৰেছাৰ নৰ্মেল বুলি কৈছিল। —শ্মশানলৈ এটা শোভাযাত্ৰা হৈছিল। হৰনাথৰ গেৰেজৰ সন্মুখেৰেই শোভাযাত্ৰাটো পাই হৈ গৈছিল। কিমান দিনৰ কথা? কিমান দিনৰ? এঘাৰ বাৰ বছৰৰ আগৰ? এই কেইদিনতে ইমান ডাঙৰ ঘটনাটো ঘটি যাব খুজিছে!

হৰনাথে জনা অবস্থাত উকীলৰ ঘৰত ল'ৰা ছোৱালীহালহে মাথোন। ঘৈণীয়েক হেনো আগতেই ঢুকাইছিল। ছোৱালীজনী পঢ়া শুনাত বৰ চোকা আছিল বুলি সকলোৱে জানিছিল। পঢ়া শুনা তাইৰ অসমৰ বাহিৰতে হৈছিল। বিয়া বাৰুও বাহিৰতে হৈছিল। কিন্তু ল'ৰাটো—অনিৰুদ্ধহে তাইৰ একেবাৰে ওলোটা আছিল। সৰুৰে পৰা ক্লাব নাটক বুলিলেই পগলা আছিল সি। লগ সংগবোৰো ভাল নাছিল তাৰ। বাপেক থাকোঁতেই সি মদত ধৰিছিল। বাপেকৰ মৃত্যুৰ পাছতে ভ্ৰাম্যমান থিয়েটাৰ পাৰ্টি এটা খুলিলে। হৰনাথে তেতিয়াই কথাটো অলপ অনুমান কৰিছিল। কিন্তু বৰ সোনকালেই সেইটো ঘটি গ'ল।

পাছদিনাখন আগবেলাতে অনিৰুদ্ধক লৈ ডম্বৰু হাজিৰ। হৰনাথে নিজ মুখেৰেও কথাবোৰ পাতি চালে। ঘৰটো বিক্ৰি নকৰাকৈও হ'ব নোৱাৰেনে? যদি দুই চাৰিজনে অলপ সহায় চহায় কৰে? পাছত ধাৰবোৰ লাহে লাহে মাৰি গৈ থাকিলেই হ'ল! —পিছে নাই। অনিৰুদ্ধই আৰু ধাৰ বঢ়াব নোখোজে। ধাৰবোৰ এফালৰ পৰা মাৰিহে নিব লাগে। পাছৰ কথাও সি চিন্তা কৰি থৈছে। এইবোৰ ঝামেলা মৰি উঠিলেই সি কোনোবা এটা থিয়েটাৰ পাৰ্টিত অভিনেতা হিচাপে সোমাব। অকলশৰীয়া মানুহ। নাটক কৰিব—খাব—বচ।

কথা বতৰাত ডম্বৰুৱেই বেছি আগভাগ ললে। এটা সময়ত দাম দৰৰ কথা ওলাল। প্ৰফেছাৰে দিব খোজা দামটোও বেয়া নহয়। তথাপি বাৰু সহায় হিচাপেই

হৰনাথে তিনিহাজাৰ টকা বেছিকৈ দিব। সেয়াই বন্দবস্ত হ'ল। গোটেই বন্দবস্তৰ ডম্বৰুৱেই ঘটক হৈ পৰিল। ভাল দিন বাৰ এটা চাই পইচা পাতি দিয়াৰ আগতে হৰনাথেও এবাৰ গৈ ঘৰটোৰ ভিতৰখন ঘূৰি পকি চাবগৈ। সদায়তো দেখিয়েই থকা ঘৰ।

সেইদিনাখন গধূলিয়েই নিৰঞ্জন সত্যইঁতেও কথাটো শুনিলে। পাছদিনাখন আগবেলাই কামৰ মাজতে দুয়ো এবাৰ ঘৰটো চায়ো আহিলগৈ। সিহঁতৰ পচন্দই হৈছে।

তাৰ দুদিন পাছত গধূলিৰ আড্ডাৰ আগে আগে ডম্বৰুৱে হৰনাথক ধৰিলে— বলক আজিয়েই চাই আহোঁগৈ। হৰনাথে কিছুসময় কিবা অলপ ভাবি ৰ'ল। তাৰ পাছত ভিতৰলৈ সোমাই গৈ ধোবাই ধোৱা ধুতি-পাঞ্জাবি এযোৰ পিন্ধি ওলাই আহিল। ইতিমধ্যে জগন্নাথ আৰু অনংগও আহি হাজিৰ হৈছিল। হৰনাথে সিহঁতকো লগত ললে। দুখোজমান আহাৰ পাছতে ডম্বৰুৱে অনংগক একাষৰীয়াকৈ মাতি কিবা এটা কৈ ৰখাই দিলে। ডম্বৰু আৰু জগন্নাথে ইতিমধ্যে নিৰঞ্জনৰ পৰা দুটা ফুল বটলৰ দাম উলিযাই লৈছিল। গতিকে অনংগই লৈ আহিবগৈ লাগে।

আটাইকেইটাই গৈ ঘৰটো ঘূৰি পকি চালে। অপচন্দৰ কথা নাই। জগন্নাথ আৰু ডম্বৰুৱেই বেছিকৈ বকি গ'ল। পাছলৈ ঘৰটোৰ দুয়োফালে দুটা পাৰ্ট দুই পুত্ৰৰ কাৰণে সজাব পৰা যাব। মাজৰ এতিয়াৰ ঘৰটো হৰনাথ ঘৈণীয়েক আৰু আলহী-অতিথিৰ কাৰণে সুবিধাজনক হ'ব। চাৰিওফালৰ পৰিবেশ পাতি ভাল। কোনো অসুবিধা নহ'ব।

ঘৰটো চাই চিতি উঠি মানুহ বহা কোঠাটোলৈ আহি বহোঁতেই অনংগ আহি পালেহি। তাৰ হাতত বটল দেখিহে হৰনাথে গম পালে। —ইয়ালৈকে লৈ আহিলিনে? অনংগই একো নকৈ চকীখনত থপককৈ বহি বটলটো খুলিবলৈ আৰম্ভ কৰিলে।

অনিৰুদ্ধও ভিতৰৰ পৰা ওলাই আহিল। মুখত তাৰ মিচিক-মাচাক হাঁহি। ডম্বৰুৱে এবাৰ আয়োজনটো পিছ বাৰাণ্ডালৈ নিয়াৰ প্ৰস্তাৱ দিলে। বাকীকেইটাও উঠিব খোজোঁতেই অনিৰুদ্ধ ব্যস্ত হৈ উঠিল—হ'ব হ'ব ইয়াতে। একো নহয়— বহকচোন। লগে লগে সি ভিতৰলৈ দৌৰি যোৱাদি গ'ল। অলপ পাছতে চাৰিটা গিলাছ আনি টেবুলত থলে। গিলাছ চাৰিটা দেখি জগন্নাথে সুধিলে—আৰু এটা? উত্তৰত অনিৰুদ্ধই লাজ লাজকৈ হাঁহিলে—যেন হৰনাথৰ লগত সি সেইধৰণে বহিবলৈ টান পাইছে। ইহঁতকেইটাই পৰিস্থিতিটো হজম কৰিবলৈ টান পাই হৰনাথৰ মুখলৈ চালে। হৰনাথে অন্যফালে চাই থাকি ক'লে—লৈ আনা।

কথা চলিল। ডম্বৰু আৰু জগন্নাথেই বেছিকৈ বকিলে। ডম্বৰুৱে শহুৰেকৰ ফালৰ কোনোবাই গুৱাহাটীত মাটি কিনি ঠগ খোৱাৰ কথা ক'লে। জগন্নাথে নিজৰ ভায়েক এটাই মস্ত দালান এটা বন্ধাৰ কথা কৈ গৰ্ব কৰিলে। অনংগ আৰু অনিৰুদ্ধয়ো দুই এবাৰ কৈ গ'ল। হৰনাথে বিশেষ একো নকৈ হা নাকৈ থাকিল।

ডম্বৰু আৰু জগন্নাথৰ নিচা বৰ সোনকালেই লাগে। কিছুসময় বকি থকাৰ পাছত এটা সময়ত দুযোৰে জিভা দোৰোল খাই আহিল। হৰনাথে সাধাৰণতে এটা মাত্ৰাত খায়। আজি মাত্ৰাতকৈ অলপ বেছি খোৱাৰ পাছত বাকীখিনি অনংগইঁতক দি সি বাহিৰৰ বাৰাণ্ডালৈ ওলাই আহিল। বাৰাণ্ডাৰ লাইটটো নুমুৱাই থোৱা আছিল। খুটা এটাত ধৰি হৰনাথ এনেয়ে থিয় হৈ থাকিল।

সন্মুখৰ ৰাস্তাৰে দুই এখন গাড়ী মাজে মাজে পাৰ হৈ গৈছে। বাৰাণ্ডাৰ পৰা নামি হৰনাথে গেটৰমুখলৈ যোৱা সৰু বাটটোৰে দুখোজমান আহি আন্ধাৰতে থিয় হৈ ৰ'ল। তাৰ মূৰটো অলপ অলপ ৰিমজিমাই আছিল। সি আন্ধাৰৰ মাজেৰেই অ ত ত চকু ৰাখিলে। চৌহদৰ বেৰত কিবা এবিধ লতা বগাই বেৰবোৰৰ প্ৰায়খিনি নেদেখা কৰি ৰাখিছিল। আন্ধাৰত লতাবোৰ ক'লা ক'লা যেন দেখা গৈছিল।

এই ঘৰটোৰ চৌহদত সি আজিযেই প্ৰথম সোমাইছে। আগতে ঘৰটোৰ সন্মুখত বাৰাণ্ডাৰ কাষৰ পৰা গেটৰ মুখলৈকে সৰু বাটটোৰ দুয়োকাষে বাগিচা আছিল। কত বিভিন্ন জাতৰ ফুল আছিল। লাহে লাহে হৰনাথৰ এই চৌহদটোৰ পুৰণি ছবি এখন মনত পৰি গ'ল। —হাতত কেঁচিখন লৈ যেন সদানন্দ উকীলে সৰু সৰু জোপোহা গছবোৰৰ পাতবোৰ বিভিন্ন সাজোনেৰে কাটি ফুৰিছে। হাতৰ ঝাৰীটোৰে যেন ফুলৰ গুৰিত ঝৰঝৰকৈ পানী ঢালিছে। কত বিচিত্ৰ ৰঙৰ ফুল। ৰাস্তাৰ পৰাই সেইবোৰৰ আমোলমোলোৱা গোন্ধ। ফুলৰ মাজত উকীলৰ সেই তেজস্বী চেহেৰা।

কলৈ গ'ল? কলৈ গ'ল সেইবোৰ?

হৰনাথৰ মগজৰ ভিতৰেদি যেন এটা বিজুলীসোঁত পাৰ হৈ গ'ল। সেইজন মানুহৰ বৰঘৰত আজি হৰনাথে মদৰ আড্ডা বহুৱাইছে! কাইলৈৰ পৰা এই ঘৰ—এই চৌহদ হৰনাথৰ নিজা হৈ যাব। পাৰিবনে—পাৰিবনে হৰনাথে সেইহেন বাগিচা পাতিব? পাৰিবনে সেই গোন্ধৰ সৃষ্টি কৰিব? এই ঘৰ—এই ঘৰলৈকে কাইলৈৰ পৰা অন গইঁত বিনাদ্বিধাই সোমাই আহিব—এই ঘৰতে তাচৰ আড্ডা চলিব। —মদ চলিব। —সেইজন মানুহৰ ঘৰতেই— ? কাৰ জোৰত ? কিহৰ জোৰত ?

হৰনাথৰ মূৰৰ ভিতৰখন আৰু গৰম গৰম লাগি গ'ল। দুবাৰমান সি একেখিনি ঠাইতে ইফালৰ পৰা সিফাললৈ অস্থিৰভাৱে খোজ কাঢ়িলে।

তাৰ পাছত হঠাতে বাৰাণ্ডালৈ উঠি সি কিবা এটা ভাবিলে। জপাই থোৱা দুৱাৰখন প্ৰয়োজনতকৈ বেছি জোৰত খোলা কাৰণে দুৱাৰখনৰ এপাত বেৰত লাগি ধৰমকৈ এটা শব্দ হ'ল। সেই শব্দত বেতৰ চকী দুখনত মূৰটো পেলাই টোপনি যোৱা জগন্নাথ আৰু ডম্বৰু জাঁপ মাৰি উঠিল।

— উঠ চালা চুৰৰইঁত। এইখন ঘৰৰ মালিক পাতিবলৈ মোক টানি আনিছিলি? এইখন কাৰ ঘৰ নিচিন? এইখন সদানন্দ উকীলৰ ঘৰ? সদানন্দ উকীল মানুহ আছিল। ইয়াত মানুহেই থাকিব লাগিব—। সেই মানুহ—মই হ'ব নোৱাৰোঁ তইঁত হ'ব নোৱাৰ! আৰু এই কুলা গাৰটো—সদানন্দ উকীলৰ একমাত্ৰ পুত্ৰ—ইও এই ঘৰৰ যোগ্য নহয়। এই ঘৰ মই নলওঁ। প্ৰফেছাৰক বেচি দে। প্ৰফেছাৰৰ হৈ লাগিলে বাকী পইচা

মই দিম। —হৰনাথে চিঞৰি চিঞৰি নাটকৰ বচন মতাদি কথাখিনি কৈ দৌৰি অহাৰ দৰে বাহিৰলৈ ওলাই আহিল।

আটাইকেইটাই থতমত খালে। এখোজ দুখোজকৈ সিহঁতকেইটাও বাৰাণ্ডালৈ ওলাই আহিল।

হৰনাথ ইতিমধ্যে ৰাস্তাত উঠিছেগৈ। জগন্নাথে চকু মোহাৰি মোহাৰি শুনা নুশুনাকৈ ক'লে — নিচা বেছি হৈছে নে কি?

ডম্বৰুৱে হৰনাথৰ ফালে চাই থাকিয়েই উত্তৰ দিলে — নাই হোৱা।

ৰাতিপুৱা সাৰ পাওঁতে হৰনাথৰ কিছু পলম হৈছিল। সাৰ পায়ো সি কিছু সময় চকু মুদি বিছনাতে ওপৰমুৱাকৈ পৰি থাকিল। তাৰ পাছত উঠি আহি মুখ হাত ধুই চাহকাঁপ খাই লৈ বাহিৰলৈ ফুৰিবলৈ যাওঁতে পিন্ধা কাপোৰ এসাজ পিন্ধিলে।

সক পুতেকটোৱে কাষৰ কোঠাত সক সককৈ টেপৰেকৰ্ডাৰটো বজাই কিবা এখন পঢ়ি আছিল। হৰনাথে তাৰ ওচৰলৈ গৈ সুধিলে — তহঁতৰ কলেজৰ যে প্ৰফেছাৰ—শেখৰ ভট্টাচাৰ্য —কাৰ ভাৰাঘৰত থাকে অ ?

১৬।১০।৮৯

জীৱন মোৰ জীৱন

ৰাজীৱ ৰাজকোঁৱৰ

তুমি যিমানেই নোকোৱা মুঠতে নোৱাৰে। কেতিয়াও নোৱাৰে। যিসকলে জীৱন মানেই খাঅ পিঅ মৌজ কৰ ধৰণৰ কিবা এটা বুলি ভাবে তেওঁলোকে জীৱনটো প্ৰকৃতাৰ্থত উপভোগ কৰিব নোৱাৰে কৰাটো অসম্ভৱ। মুখত একোখন সোণ ৰূপৰ চামোচ লৈ জন্ম নললেও ধৰাহওক এনে এখন ঘৰত জম ললা যাৰ অন্ন বস্ত্ৰ বাসস্থানৰ তিলমানো অভাৱ কেতিয়াও হোৱা নাই। বা হোৱাৰ সম্ভাৱনাও নাই। স্বচ্ছলতাৰ মাজেৰেই 'মাটিত থলে পকৱাই খায় মূৰত ললে ওকণিয়ে খায়' ধৰণৰ এক মিঠা সমস্যাৰ মাজতে তুমি ডাঙৰ হ লা স্কুল কলেজৰ এখন দুৱাৰেদি দপদপাই সোমাই একেই দপদপনিৰে শেষ দুৱাৰখনেদি ওলাই আহিলা কোনো ধৰণৰ অসুবিধা নোপোৱাকৈয়ে তোমাৰ শিক্ষা ধন বা ব শমৰ্যাদাৰ জোৰত এনে এটা চাকৰি পালা বা এনে এক ব্যৱসায়ত নামিলা যাৰ দ্বাৰা তোমাৰ সুন্দৰী পত্নীৰে সৈতে ঘৰে ঘৰোৱাহে এক মসৃণ গতিৰ জীৱন যাপন কৰিলা আৰু শেষত এদিন হঠাতে বানপ্ৰস্থ সন্যাস ধৰ্ম পালন কৰিব নলগাকৈয়ে আৰামত ইহলীলা সম্বৰণ কৰি গুচি গলা। অৱশ্যে ইয়াৰ মাজতে সৰুসুৰা গাৰ বিষ মূৰৰ বিষ খুলশালীয়েকৰ জাতে পাতে ধনে বানে নিমিলা কোনোবা নিৰ্দিষ্টজনৰ লগত হলিগলি পূজাৰ মেলত শ্ৰীমতীৰ চাৰিতোলা ওজনৰ সোণৰ চেইনডাল কাৰোবাৰ দ্বাৰা অবৈধভাৱে হস্তগতকৰণ ইত্যাদি ইত্যাদি সৰু-সুৰা ঘটংমট বোৰ যে নাথাকিব তেনে নহয়। কিন্তু এই সকলোখিনি একগোট কৰিও তুমি জীৱনধাৰণ কৰিলো বুলি কব পাৰা বা জীৱনটো 'সুন্দৰ ভাৱে কটালো বুলিও কৈ দিব পাৰা। কিন্তু জীৱনটো উপভোগ কৰিলা ক'ত উপলব্ধিয়েই বা কৰিলা ক ত ?

তোমালোকৰ বহুতৰেই আকৌ ধাৰণা জীৱনটো উপলব্ধি কৰিবলৈ হ'লে উপভোগ কৰিব নোৱাৰি আৰু উপ'ভাগ কৰিবলৈ হ'লে উপলব্ধি কৰিব নোৱাৰি। মই কিন্তু এই কথাও মানি লব নোৱাৰোঁ। মোৰ মতে প্ৰকৃত উপলব্ধিৰেহে জীৱনটো উপভোগ কৰিব পাৰি আৰু তাতেই জীৱন ধাৰণৰ সাৰ্থকতা। আৰু এতিয়া মই বুকু ফিন্দাই ক'ব পাৰোঁ—মই জীৱনটো উপলব্ধিৰে উপভোগ কৰিছোঁ বা কৰিলো।

দুই

মই এনে এক পৰিয়ালত জন্ম ললো যাৰ অৰ্থনৈতিক ভেটি বুলিবলৈ আচলতে একোৱেই নাছিল। অন্ন বস্ত্ৰ বাসস্থানৰ বিশেষকৈ শেষৰ দুটাৰ অভাৱে পৰিয়ালটোক

জ‌ুলুকিয়ে জ‌ুলুকিয়ে শিকাইছিল। যি চাৰিখন বেৰৰ মাজত ওপৰৰ ফালে আকাশৰ তৰা গণিব পৰা চালিখন বৈ আছিল আচলতে তাক ঘৰ বুলি কলেই ভাৰতবৰ্ষৰ দৰে কঙাল দেশখনকো চূড়ান্ত অপমান কৰাহে হ'ব। বতাহ ধুমুহা আহিলেই পৰিয়ালৰ সদস্যবৰ্গই সমস্ত আন্তৰিকতাৰে ভগৱানৰ নাম জপ কৰিবলৈ লওঁ। অলপ বয়স হ'বৰ পৰাই মোৰ মনতো এনে এক ভাবে থিত ললে যে ভগৱানৰ নাম ললেই যিকোনো বিপদৰ পৰা সহজে উদ্ধাৰ পাব পাৰি। সেই বিশ্বাসেই মোৰ মস্তিস্কৰ কোনো এক গোপন কক্ষত এনেদৰে ঠাই কৰি ললে যে এতিয়াও নিজে অতিক্ৰম কৰিব নোৱৰা কিবা বিপদ যেন দেখিলেই ভগৱানৰ শৰণাপন্ন হওঁ।

বাৰ চৈধ্য বছৰ বয়সত পুলিছত চাকৰি কৰা দূৰ সম্পৰ্কীয় বৰদেউতা এজনে দিয়া খাকী কাপোৰৰ ল পেন্টটো আৰু প্ৰায় তলি ওলোৱা হাৱাইন ছেণ্ডেলযোৰকেই উচ্চতম বিলাসৰ বসন বুলি মই পৰিধান কৰিছিলো। বিশেষ উৎসৱাদিত স্কুল ইউনিফৰ্মৰ চোলাটোৰ লগতে উক্ত সাজটি আয়ে সযতনে উলিয়াই দিয়ে। সেইটি পিন্ধাৰ পাছত মোৰ মনত যিটো আনন্দই দোলা দিয়ে যি পূৰ্ণতা মই অনুভৱ কৰোঁ আজিৰ দিনত মোৰ ভাগিন ভাগিনীকেইটাই অসমৰ বাহিৰৰ বিশেষ বজাৰৰ পৰা বিশেষভাৱে অনা জিলমিলিয়া পোছাককেইটা পিন্ধিও ইমান আনন্দিত হোৱা নেদেখোঁ। সিহঁতকেইটাৰ মনত যেন কিবা এক অসন্তুষ্টি — 'ইযাতকৈ ধুনীয়া দামী পোছাক এযোৰ হোৱা হ'লে আৰু কিমান ভাল লাগিলহেঁতেন। সেই পম্পীহঁতৰ ড্ৰেছকিযোৰ ইমান চকুত লগা। আমাৰ বোৰচোন

সৰুতে সৰস্বতী পূজাৰ বাবে ৰঙা নীলা কাগজেৰে স্কুলখন সজাইছোঁ হয়তো ব্লে'ড কটাৰীয়ে কটাত হাতত তেজ বিৰিঙিছে তথাপি মনত দেখোন বুজাব নোৱৰা আনন্দ ;— 'সৰগ বুলি আৰু বেলেগ কিবা এখন ক'ত আছে ? এনে এটা ভাব। স্বাধীনতা বা গণতন্ত্ৰ দিৱসৰ দিনা হাতত কাগজৰ পতাকা একোখন লৈ শুদা ভৰিৰে ধাৰ থকা শিলগুটীয়া পথেৰে হাইস্কুলৰ বৰ ফিল্ডলৈ শোভাযাত্ৰা উলিয়াইছোঁ উজটিত বুঢ়া আঙুলিৰ নখ উফৰি গৈছে কিন্তু মনত ভৰি থকা ৰঙৰ দপদপনিত বিষ চিয়ো কৰবালৈ উফৰি গৈছে। আনন্দ। আনন্দ। আনন্দ। লাগক পেটত ভোক। দিছে নহয় দেউতাই দহ পইচা। পাঁচ পইচাৰ মুৰি কিনি খাম আৰু। মুঠ কথা হ'ল— আনন্দ লুটিব লাগে। এৰা এয়াহে জীৱন। এনেকৈ জীৱনটো ভোগ কৰিব পৰা ল'ৰা ছোৱালীৰ সংখ্যা এতিযা দুখ লগাকৈ কমি যোৱা বুলি তুমি নাভাবানে ? ফিৰফিৰিয়া পোছাক একোটা পিন্ধি গৰম সোমাই বেমাৰ হোৱাৰ ভয়ত বিভিন্ন সুদৃশ্য বাহনত গৈ ধৰ লাগি অভিভাৱকৰ কাষত বহি স্বাধীনতা দিৱসৰ পেৰেড চোৱা পূজা ভগাৰ সময়ত গৈ ৰঙা ফোঁটটো আৰু প্ৰসাদ এভাগ লোৱা এইবোৰ এতিয়াৰ চলতি প্ৰথা। এইবোৰত জীৱন ক'ত ? জীৱনৰ আনন্দ ক'ত ?

তিনি

উন্নয়ন খণ্ডৰ এটা কাৰ্যালয় এখন সৰু চিকিৎসালয় এখন হাইস্কুল দুখন প্ৰাথমিক স্কুল আৰু তিনি আলিটোত দুশাৰী বিভিন্ন সামগ্ৰীৰ দোকানেৰে সৈতে আমি থকা ঠাইখন। চহৰলৈ যোৱা এখন মাত্ৰ উৰ্ৱলি যোৱা বাছ। আমাৰ ৰসিক মামা এজনে কয় — এই জয়া বাছে যদি কাৰোবাক খুন্দা মাৰে তেন্তে আন নহ লেও বেচেৰা ছেপটিক হৈ মৰিব। মোৰ আকৌ তেতিয়া একমাত্ৰ আকাংক্ষা আছিল এই জয়া বাছত এবাৰ উঠি চোৱা। আন গাড়ী-ঘোঁৰা বুলিবলৈ তেনেকৈ নেদেখোৱেই। কেতিয়াবা অঞ্চলটোৰ আটাইতকৈ ক্ষমতাবান মানুহ বি ডি অ জনৰ ওচৰলৈ চহৰৰ পৰা যেতিয়া একোখন মটৰ আহে তেতিয়া আমি কিছুদূৰ মটৰখনৰ পিছে পিছে দৌৰোঁ। বা ! মটৰে এৰি দিয়া ধোঁৱাৰ গোন্ধটো ! যেন লৈয়েই থাকিম !

এদিন কিন্তু মই জয়া বাছত উঠিলো। উঠিলো মানে লাম লাকটুৰে সৈতে গোটেই পৰিয়ালটোৱেই উঠিলো চহৰলৈ বুলি। এখন ডাঙৰ গাঁৱৰ পৰা এখন ডাঙৰ চহৰলৈ। দেউতাৰ উদ্দেশ্য—তাতে সৰু-সুৰাকৈ কিবা এটা ব্যৱসায় আৰম্ভ কৰিব। চহৰৰ এটা লেতেৰা গলিত দেউতাই এটা ঘৰ ভাৰালৈ ল'লে। মই এখন নতুন স্কুলত নাম লগালো। মোৰ সাজ পোছাকৰ দুৰাৱস্থা চহৰীয়া আদৱ কায়দাৰ মাজত জীণ যাব নোৱৰা অৱস্থা মুখমণ্ডলৰ অকমনীয়তা আদিৰ বাবে নতুন বন্ধু বান্ধৱৰ মাজত বহুদিনলৈকে মাত্ৰ হাঁহিয়াতৰ পাত্ৰ হৈয়েই থাকিলো। তোমালোকে হয়তো ভাবিব পাৰা মই তেতিয়া এক নীচাত্মিকাত ভুগিছিলো। কিন্তু নহয়। সেই তেতিয়াই জীৱন সম্বন্ধে মোৰ মনৰ মাজত গঢ় লৈ উঠা উচ্চখাপৰ ধাৰণাই মোৰ চৌপাশৰ বন্ধু বৰ্গৰ প্ৰতিহে পুতৌৰ ভাব ওপজাইছিল হেৰা তোমালোকৰ বাৰু এইটো জীৱন হ লনে ? ঘৰত বিভিন্ন ব্যঞ্জনেৰে মুখৰ আগত জুতি লগাকৈ দিছে খাইছা ভালৰো ভাল পোছাকটো কিনি আনি দিছে পিন্ধিছা স্কুল বাছত তুলি দিছে আহিছা কিতাপ পত্ৰ কিনি দিছে পঢ়িছা আকৌ স্কুলৰ পৰা গৈ খেলিছা খাইছা সুকোমল বিছনাত শুইছা। তুমিতো নিজৰ বিষয়ে চিন্তা কৰাৰ একো সুযোগেই নাপালা। তোমাৰ সুখ দুখ হাঁহি কান্দোন সকলো আনৰ দ্বাৰা নিয়ন্ত্ৰিত হ'ল আৰু তুমি বৈচিত্ৰ্যহীন নিৰস দিন একোটা পাৰ কৰি দিলা। তেন্তে তোমালোকৰ নিজৰ বুলিবলৈনো জীৱন কোনটো ? মোৰ সহপাঠীসকলৰ প্ৰতি মোৰ তেতিয়াৰ মনোভাব আছিল ঠিক এনেধৰণৰ। অৱশ্যে তেতিয়া মই কথাখিনি ইমান শৃংখলাবদ্ধভাৱে ভাবিব পৰা নাছিলো কিজানি।

মই কিন্তু তেতিয়াও নিজকে লৈ গৰ্ব কৰিছিলো। সেই যে সাধাৰণ পোছাকটো যিটো পিন্ধি মই স্কুললৈ যাওঁ যিটোৰ বাবে সহপাঠীসকলে মোক উপলুণ্ঠা কৰে সেই পোছাকটোৰ অৰ্ধেকত হ'লেও মোৰ নিজা অধিকাৰ আছে। মই যে কলমটো বহীখন ব্যৱহাৰ কৰিছোঁ তাত মোৰ নিজা উপাৰ্জন কম পৰিমাণে হ লেও সোমাই আছে ঘৰতযে দুবেলা দুমুঠি শুদাই নিকাই খাইছোঁ তাতো মোৰ অধিকাৰ আছে। কাৰণ

দেউতাই আৰম্ভ কৰা নতুন ব্যৱসায়ৰ মযো সহযোগী। স্কুলৰ পৰা গৈ দেউতাৰ ব্যৱসায়ৰ হিচাপ পত্ৰ ৰখা গ্ৰাহকক বস্তু বাহানি ওজন কৰি দিয়া ইত্যাদিৰে মই দেউতাক ব্যৱসায়ত সহায় কৰিছোঁ। দেওবাৰ বা বন্ধৰ দিনকেইটা তোমালোকে কেনেদৰে কিমান আনন্দত কটাইছা ক'ব নোৱাৰোঁ মই কিন্তু দুৰণিৰ হাটলৈ দেউতাৰ লগত গৈ বেলেগ এখন বেহা মেলি নিজে উপাৰ্জন কৰি এক স্বৰ্গীয় আনন্দ পাইছোঁ। মই খাটাংকৈ কওঁ —সেই সুখ তোমালোকৰ মাজৰ শতকৰা ৯৯ জনেই পোৱা নাই আৰু নোপোৱাও। গধূলি বজাৰৰ পৰা আহি যেতিয়া পঢ়াত বহোঁ তেতিয়া ভাব হয়— দিনত বজাৰৰ আনন্দ ললো এতিয়া পঢ়াৰ আনন্দ লব লাগিব। আৰু মা দেউতাৰ বাধা নামানিও মাজ ৰাতিলৈকে পঢ়ি মই পঢ়াৰ আনন্দ লৈছিলো। মোৰ পঢ়া শুনাকে দেৱতা জ্ঞান কৰা মোৰ অশিক্ষিত দেউতাই কিতাপ পত্ৰ কিনি দিয়াৰ কথা কৈছিল। মই বাধা দিছিলো — 'নাই কেলৈ লাগিছে ? চাওক আনৰ কিতাপৰ পৰা লিখি লওঁতে মোৰ কিমান লাভ হৈছে। লিখি যাওঁতে কথাবোৰ ভালকৈ মনত ৰৈ যায়। আপুনি চিন্তা নকৰিব।

সঁচাকৈয়ে দেউতাই চিন্তা কৰিব লগা হোৱা নাছিল। শ্ৰেণীৰ ভিতৰতে প্ৰথম হৈ সপ্তম শ্ৰেণীৰ পৰা অষ্টম শ্ৰেণীলৈ প্ৰমোছন পালো। নতুন স্কুলত মোৰ ছটা মাহ পাৰ হৈছিল। এনেয়ে মোৰ নিজ্ স্বভাৱ তেওঁলোকৰ ইতিকিঙৰ প্ৰতি দেখুউৱা নিৰ্বিকাৰ ব্যাখ্যাই সহপাঠীসকলৰ মাজত মোক জনপ্ৰিয় কৰি তুলিছিল তাতে পৰীক্ষাৰ ফলাফলে মোক হঠাতে অধিক জনপ্ৰিয় কৰি তুলিলে।

পৰীক্ষাৰ ফলাফল যেতিয়া হাজৰিকা ছাৰে দেউতাক দোকানতে দিলে তেতিয়া দেউতাই সোনকালে দোকান বন্ধ কৰি এটকাৰ ডাঙৰ ডাঙৰ তিনিটা মিঠাই কিনি আনি জোৰেৰে গোটেই কেইটা মোকে খুৱাই দিলে। মা দেউতাৰ মনৰ সেই আনন্দ আন কোনোবা মাক দেউতাকে কেতিয়াবা পাইছেনে নাই মই নাজানো। সেই আনন্দ দেখি মোৰ অৱস্থা কেনেকুৱা হৈছিল বুজিছাই চাগৈ। মোৰ আনন্দৰ কাৰণ পৰীক্ষাৰ প্ৰথম স্থান অধিকাৰ কৰাটো নহয় মা দেউতাৰ আনন্দ দেখিহে মোৰ আনন্দ। পৰীক্ষাত প্ৰথম হোৱাটোনো কি বৰ ডাঙৰ কথাটো হ'ল ? এনে একোটাইঁত সুন্দৰ অগতানুগতিক আনন্দেৰে নিজৰ জীৱনপাত্ৰ ভৰাই তোলাৰ সৌভাগ্য তোমালোকৰ কেইজনৰ হৈছে ?

হঠাতে আমাৰ ঘৰখনলৈ এটা বিপদ আহিল। বাসস্থান সংক্ৰান্ত বিপদ। আমি যিটো গলিত আছিলো সেইটো বোলে ভাৰাঘৰৰ মালিকে চৰকাৰৰ মাটি বেদখল কৰি নিৰ্মাণ কৰি লোৱা। চৰকাৰে মালিকক বহুদিন ধৰি জাননী দি আছিল। সেইকথা অৱশ্যে মালিকে আমাক কেতিয়াও জনোৱা নাছিল। এদিন হঠাতে বন্দুক বাৰুদ লৈ পুলিছৰ দল আহি ঘৰবোৰ এফালৰ পৰা ভাঙি নিবলৈ ধৰিলে আৰু আমিও লাম লাকটুখিনি লৈ কোনোমতে বাহিৰ ওলালো।

সেই যে ওলালো তাৰ পাছত অঘৰী হৈ মালিকৰ ঘৰৰ বাৰান্দাতে কেইবাদিনো কটালো। এনেতে এদিন হাজৰিকা ছাৰ আহিল মোৰ খবৰ লবলৈ। ইমান ৰেগুলাৰ ল'ৰাটো স্কুললৈ যোৱা নাই কিয় ? আমাৰ দুৰৱস্থা দেখি ছাৰে কিছুসময় তলকা মাৰিলে। তাৰ পাছত তেখেতে দেউতাক ক'লে 'ব'লক বস্তু বাহানিখিনিও লওক।

মই ঘৰৰ ব্যৱস্থা কৰি দিম। হেহোঁ নেহোঁকৈ দেউতা ওলাল। কিন্তু আমাক আচৰিত কৰি হাজৰিকা ছাৰে দেখোন আমাক তেখেতৰ নিজা ঘৰলৈকে লৈ গ'ল। 'বুজিছে ঘৰটোৰ এফালে এনেয়ে পৰি আছে। ইয়াতে থাককচোন যিমান দিন পাৰে। আমি আপত্তি কৰিলো। ছাৰে নুশুনিলে। প্ৰকাণ্ড ঘৰটোত ছাৰ বাইদেউ থাকে। ল'ৰা ছোৱালী বুলিবলৈ নাই। আমি সপৰিয়ালে সেইটো ঘৰতে এটা অংশ অধিকাৰ কৰি থাকিবলৈ ললো। এমাহৰ মূৰত দেউতাই ছাৰৰ হাতত ঘৰ ভাৰা বুলি টকা কেইটামান দিব খুজিলে। ছাৰে টকাতো নললেই বৰঞ্চ দেউতাক ভৱিষ্যতে এনেদৰে টকা চকা যাচিলে কথা বেয়া হ'ব বুলিহে শুনাই দিলে।

লাহে লাহে দেউতাৰ ব্যৱসায়ত উন্নতি হ'বলৈ ধৰিলে। ময়ো দুগৰাকী মাতৃ আৰু দুজনকৈ পিতৃৰ মৰমৰ উমত ডাঙৰ হ'বলৈ ধৰিলো। এসময়ত আমাৰ নিজাকৈ এটা ঘৰ হ'ল। জিলাখনৰ ভিতৰতে নাম কৰি মই হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীৰ্ণ হ'লো। সেইদিনা গোটেই ৰাতি মোৰ টোপনি নাহিল। মই মোৰ জীৱনটোৰ এৰি অহা দিনকেইটালৈ আকৌ এবাৰ ঘূৰি চালো। কি বিচিত্ৰ! অভাৱ অনাটন সুখ দুখ হাঁহি চকুলোৰ কি এক বিচিত্ৰ সমাহাৰ! মই যেন জীৱনৰ আন্ধাৰ পোহৰ মসৃণ অমসৃণ সকলো দিশেই প্ৰত্যক্ষ কৰিলো। তোমালোকৰ কাৰোবাৰ মনটো বাৰু এনে এক পূৰ্ণতাৰ সন্তুষ্টি কেতিয়াবা আহিছেনে? মোৰ সন্দেহ আছে।

প্ৰি ডিগ্ৰি পৰীক্ষা শেষ হ'বলৈ মাত্ৰ দুদিন বাকী। সেইদিনাই হাজৰিকা ছাৰক পিছফালৰ পৰা অহা এখন টেক্সিয়ে খুন্দা মাৰি থৈ গুচি গ'ল। মই আৰু পৰীক্ষা দিবলৈ নগ'লো। ছাৰক তেজ দিব লগা হ'ল। ভাগ্যে মোৰ সৈতে ছাৰৰ তেজৰ গ্ৰুপ একেটাই। মা দেউতাই পৰীক্ষা দিবলৈ নোযোৱাৰ বাবে মোক বেয়া পাব বুলি কিন্তু ভাবিব নালাগে দেউতাই চলচলীয়া চকুৰে মাত্ৰ ক'লে তোৰ এটা বছৰ যোৱাটো একো ডাঙৰ কথা নহয়। মুঠ কথা হ'ল তেখেতৰ ভাল হ'ব লাগে বুজিছ। এজন দেৱতাই জীৱন লাভ কৰা মানে এশজন মানুহে জীৱন লাভ কৰা। এনেয়েও মোৰ সিদ্ধান্তক সেই বয়সতে দেউতাই গুৰুত্ব দিছিল সন্মান কৰিছিল। কৈশোৰত তোমালোকৰ কেইজনে মাক দেউতাকৰ মনত ইমান গভীৰ বিশ্বাস জন্মাব পাৰিছা? আজি তোমালোকৰ কেইজনৰ সিদ্ধান্তই অগ্ৰজসকলৰ মনত আসন লভিব পাৰিছে? সেয়া হ'ল মোৰ জীৱনৰ পৰা পোৱা শিক্ষা।

চাৰি

জীৱনত ভুলো যে কৰা নাছিলো তেনে নহয়। তেনে এক ভুলৰ নাম অৰুন্ধতী। মেডিকেল কলেজৰ শেষ বাৰ্ষিকত পঢ়ি থাকোঁতে লগ পোৱা এজনী ছোৱালী। শেষলৈ এনেকুৱা এক অৱস্থা হ'লগে—আমি দুয়ো দুয়োকে নেদেখাকৈ থকাটো কঠিন হৈ পৰিল। ডাক্তৰ হৈ ওলাই অহাৰ পাছতো আহ যাহ চলি থাকিল। হঠাতে এদিন অৰুন্ধতীয়ে মোৰ বুকুত সোমাই কান্দিবলৈ ধৰিলে। মই আচৰিত হ'লো। মই ধৈৰ্যৰে

কন্দাৰ কাৰণটো ক'বলৈ ক'লো। তেওঁ যিষাৰ কথা শুনালে মই কেউফালে ধোঁৱা কোৱা দেখিলো। মোৰ সৰ্বনাশ হৈছে। আপুনি মোক ক্ষমা কৰক। মই আপোনাৰ হ'ব নোৱাৰিলো। মোৰ মোৰ তিনিমাহ চলিছে' বুলি কৈয়ে কান্দোনত তেওঁ ভাগি পৰিল। যোৱা কিছুদিন তেওঁ মোৰ পৰা আঁতৰি থকাৰ কাৰণটো এতিয়াহে মোৰ বুজা যেন লাগিল। এসময়ত শান্ত হৈ তেওঁ সকলো ক'লে। কেনেকৈ বৰ্ষণ মুখৰ ৰাতি একেটা ৱাৰ্ডতে ডিউটিত থকা ড. চলিহাৰ লগত তেওঁ পিছল খালে এতিয়া বিয়াৰ কথা ওলোৱাত ড. চলিহাই কেনেকৈ পিচহোহঁকা দিছে। মই সান্ত্বনা দিবলৈ ভাষা বিচাৰি নাপালো। মই কিজানি অৰুন্ধতীক সমস্ত মন প্ৰাণ দি ভাল পাইছিলো। বেচেৰীৰ এই দুৰ্দিনত মোৰো কৰ্তব্য নিশ্চয় আছে। মই ধীৰ স্থিৰ হৈ ক'লো — 'অৰু ভুলে ভালেই মানুহ। ধৰা হওক তোমাৰ এক দুৰ্ঘটনা হৈ গ ল। কথাবোৰ পাহৰি যোৱা। মই এই সপ্তাহতে তোমাক একেবাৰে নিজৰ কৰি আনো তাৰ পাছত সকলো সমস্যাৰ সমাধান হৈ যাব। কিন্তু তেওঁ কান্দি কান্দি হাত ভৰি জোকাৰি তাৰ প্ৰতিবাদ কৰিলে। তেওঁৰ মতে ই এক নতুন সমস্যাৰ সৃষ্টিহে কৰিব। কাৰোবাৰ ভুলৰ বাবে আন কোনোবাই শাস্তি ভুগিব সেয়া কেতিয়াও হ ব নোৱাৰে। চলিহাই যদি কিবা এটা নকৰে তেন্তে তেওঁ সুদাই নেৰে আৰু একো কৰিব নোৱাৰিলে হয়তো সংসাৰৰ পৰাই আঁতৰি যাব। তথাপি মোৰ দেৱতাক কাৰো চকুত সৰু হ'বলৈ দিব নোৱাৰোঁ। —অৰুৱে ক লে।

এদিন শুনিলো চলিহাৰ লগত অৰুন্ধতীৰ বিয়া হৈ গ ল। বিয়াৰ এসপ্তাহ মানৰ পাছতে এদিন অৰুন্ধতীয়ে মোক মাতি পঠালে। ময়ো বিনা দ্বিধাই গ লো। হঠাতে তেওঁ মোক সেৱা এটা কৰিলে। মই কি হ ল কি নহ ল গম লবলৈ নৌপাওঁতেই তেওঁ ক'লে মোৰ দেৱতাৰ আশীৰ্বাদ অবিহনে মোৰ সংসাৰখন জানো সুখৰ হ ব? মোৰ মুখৰ মাত হেৰাল। বুকুখনৰ কোনোবাখিনিত মোচোকা খোৱা যেন লাগিল। তেতিয়াৰ পৰাই মোৰ বিয়াৰ কথা ওলালেই মূৰত কোনোবাই হাতুৰীৰে দুকোবমান সোধাই দিয়া যেন লাগে। সেই যে বিষটো তাৰো যেন কিবা এক আমেজ আছে। যাক হয়তো ক'ব পাৰি মিঠা বিষ। বৰ মিঠা বিষ! বুজিছা বিষত সোৱাদ বিচাৰি পাবলৈ হ'লে জীৱনটো উপভোগ কৰিব জানিব লাগিব। উপলব্ধি কৰিব পাৰিব লাগিব।

পাঁচ

মোৰ বন্ধু বিমল। ড বিমল বৰা। অতি দুখীয়া পৰিয়ালৰ ল ৰা। দুপুৰামান মাটিৰ খেতিয়কৰ পৰিয়ালটোৰ পৰা ওলাই যোৱা ল'ৰাটো যেতিয়া মোৰ সৈতে একেলগে ডাক্তৰ হৈ ঘৰলৈ ঘূৰি আহিল তেতিয়া সি দেখে ঘৰৰ ভেটিটোও আনৰ হাতলৈ গৈছে। মাক-ভনীয়েক ভায়েকৰ দেহত টাপলি দিবলৈও ঠাই নথকা পোছাক আৰু মনত ঘৰৰ ল'ৰাটো ডাক্তৰ হৈ অহাৰ পাৰ ওপচা গৌৰৱ। এদিন সিহঁতৰ ঘৰলৈ গ'লো। তাৰ আগতে আমাৰ চহৰৰে আন এটা নামজ্বলা কোম্পানিত ইন্টাৰভিউ

দিছোঁ দুয়োটাই । সন্ধিয়া সিহঁতৰ ঘৰখনৰ জৰাজীৰ্ণ ৰূপটোৱে মোৰ চকুত ফটফটীয়াকৈ ধৰা দিলে। কিয় ক'ব নোৱাৰোঁ ধনবান লোকৰ ঘৰতকৈও দাৰিদ্ৰ্যই হেঁচা মাৰি থোৱা ঘৰবোৰ মোৰ বেছি আপোন যেন লাগে।

চাকৰিটো ময়েই পোৱাৰ কথা আছিল। চাৰিজন প্ৰাৰ্থী। মই স্থানীয় ল ৰা তাতে মাৰ্কছিটখনো আনকিজনতকৈ কিছু বেছি ওজনযুক্ত। স্থানীয় স গঠন কেইটামানেও মোক ৰখাৰ বাবে বোলে কোম্পানিৰ মেনেজিং ডাইৰেক্টৰক ধৰিছে। মই কিন্তু বৈ নাথাকিলো। বিমলক মোৰ লগত লৈ পাছদিনা মেনেজি ডাইৰেক্টৰৰ ওচৰ পালোঁগৈ। তেওঁ মোক চিনি পায়। কোঠাত সোমাৱাৰ লগে লগে মোক নতুন চাকৰিটো পোৱাৰ বাবে অভিনন্দন জনালে। — এয়া এপইন্টমেণ্ট লেটাৰখন ছাইন কৰিবলৈ লওঁতেই তুমি ওলাইছাহি।

মই আসন গ্ৰহণ কৰিয়েই কোনো পাতনি নতৰাকৈয়ে ক লো যে চাকৰিটো মোৰ সলনি ড বিমল বৰাক দিব লাগে। মেনেজিং ডাইৰেক্টৰে অদ্ভুত জীৱ এটা চোৱাৰ দৰে মোৰ চকুলৈ চাই থাকিল। মই তেখেতক মোতকৈ বিমলৰ বাবে চাকৰিটো কিমান প্ৰয়োজনীয় বুজাই ক লো। শেষত তেখেত মান্তি হ ল — ৰেল তোমাৰ যদি সেয়ে ইচ্ছা মোৰ আৰু ক বলগীয়া কি আছে? অসুবিধা বিশেষ নহ ব। কাৰণ ছিলেকছনৰ ছেকেণ্ড পজিছনত বিমল বৰাই আছে।

তেওঁৰ কোঠাৰ পৰা ওলাই আহোঁতে মোৰ বুকুত এনে এক আনন্দৰ জোৱাৰ উঠিছিল যে মেনেজিং ডাইৰেক্টৰৰ চাকৰিটো পাই যোৱা হ লেও হয়তো মই ইমান সুখী হ ব নোৱাৰিলোহেঁতেন। বুকুখনত তেতিয়া মোৰ জীৱনত কিবা এটা হেৰুৱাই তাতোকৈ মহৎ কিবা এটা পোৱাৰ আনন্দ।

চাকৰি পোৱাৰ এসপ্তাহ মানৰ পাছত বিমলে মোক জোৰ কৰি তাহাঁতৰ ঘৰলৈ লৈ গ ল। সেইদিনা বিমলৰ মাকে মোক বুকুত সুমুৱাই আশীৰ্বাদ দিলে। ভায়েক ভনীয়েক কেইটাই আৰু এটা ককায়েক পোৱাৰ আনন্দত এটা বিশেষ ভোজনৰে আয়োজন কৰি পেলালে। দেখিলা নহয়—এনে বিচিত্ৰ মোৰ জীৱনৰ প্ৰতিটো ক্ষণ!

ছয়

মোৰ চাকৰিলৈ অৱশ্যে তাৰ পাছতো ভালেমান দিন অপেক্ষা কৰিব লগা হ'ল। আবেদন নিবেদন ট্ৰেজাৰি চালান আই পি অ—খোচামতী ইণ্টাৰভিউ চাকনৈয়াত পৰি মোৰ ভালকৈয়ে নাকনি কাণনি হ'ল। ক'বলৈ গ লে সেইবোৰ অভিজ্ঞতাও মই কিন্তু উপভোগ কৰিছিলো। এবছৰীয়া বেকাৰ জীৱনটোৱেও মোক কম শিকোৱা নাই। চাকৰি বিচাৰোঁতে ইমান তিতা কেঁহা সোৱাদ লভাৰ বাবেহে এতিয়া চাকৰিটো পাই কিজানি মই ইমান আনন্দিত। তুমি যদি সাক্ষাৎকাৰত বহিয়েই চাকৰিটো পালা তেন্তে বেকাৰ হৈ থকাৰ অভিজ্ঞতাখিনি অফিছে অফিছে ঘূৰাৰ অভিজ্ঞতাখিনি কোনটো জীৱনত গোটাবা?

শেষত এয়া এপইন্টমেন্ট লেটাৰখন দিয়াৰ আগে আগে কতৃপক্ষই মোক মেডিকেল চেক আপৰ বাবে মাতিলে। সকলো শাৰীৰিক পৰীক্ষাৰ সমাপ্তিৰ পাছত এজন বয়সস্থ ডাক্তৰে তেখেতৰ চেম্বাৰলৈ মোক মাতি নি ক লে— 'অনুগ্ৰহ কৰি আপোনাৰ গাৰ্জেনক মোৰ ওচৰলৈ পঠাই দিবচোন। অলপ কথা আছে। পিছে চিন্তা কৰিব লগা একো নাই।

মোৰ সন্দেহ হ'ল। মই মোৰ শৰীৰৰ সমস্ত ৰিপ'ৰ্ট দেখুৱাবলৈ অনুৰোধ কৰিলো। তেখেত কিন্তু মান্তি নহ ল। ক লে এয়া নিয়ম বিৰুদ্ধ কথা। মই কিন্তু মোৰ চিনাকি ডাক্তৰ কেইজনমানৰ সহায়ত ৰিপ'ৰ্টবোৰ পৰীক্ষা কৰাৰ সুযোগ পালো।

মোৰ শৰীৰৰ প্ৰতিটো ৰক্তকণিকা মাৰাত্মকভাৱে আক্ৰান্ত। এই পৃথিৱীত মই আৰু অতি বেছি ছমাহৰ আলহী। নাই নাই তুমি ভবাৰ দৰে মই বিচলিত বা পাগলৰ নিচিনা হৈ নগ'লো। যদিও আৰু দুটামান দিন সংসাৰত চাউল কঠা থকাহেঁতেন ভাল পালোহেঁতেন তথাপি এতিয়াও খেদ নাই। জীৱনটো মই উপভোগ কৰিলো উপলব্ধিৰে উপভোগ কৰিলো। হয়তো আৰু ছমাহ হয়তো চাৰিমাহৰ ভিতৰতেই মই একেবাৰেই হেৰাই যাম। মোৰ মৃত্যু অৱধাৰিত। মানুহৰ নিজৰ মৃত্যুৰ দিনটো জনাৰ পাছত কেনে লাগে তোমালোকেতো এই অভিজ্ঞতাৰ পৰাও বঞ্চিত হ'লা। কেইজন ভাগ্যবান আছে যি নিজৰ মৃত্যুৰ দিন পৰ্যন্ত জানে?

এদিন মই মৰিম। মই মৰিলে মোৰ পৰিয়ালৰ সদস্যৰ কথা বাদেই আৰু বহুজনে সঁচাকৈয়ে কান্দিব। হাজৰিকা ছাৰ বাইদেৱে কান্দিব অৰুন্ধতীয়ে কান্দিব বিমলে কান্দিব বিমলৰ ঘৰখনে কান্দিব। আৰু বা কিমানে কান্দে? তোমাৰ মৃত্যুত কেইজনে সঁচাসঁচিকৈ কান্দিব? মোৰ স্মৃতিত যিবোৰ সভা সমিতি হ ব তাত টোকা কাৰোবাৰ ঘঁৰিয়ালৰ চকুপানীৰ কথা কোৱা নাই কিছুমানে মোৰ মৃত্যুত কিন্তু সঁচাকৈয়ে কান্দিব।

১।১।৯০

কুন্তীৰ ভাও

চন্দ্ৰ বৰপাত্ৰগোহাঁই

(যৎকিঞ্চিৎ কল্পনাৰ ৰহণ সনা সত্য ঘটনা)

বিয়া কৰাৰ এমাহৰ পাছতে মই আহিব লগা হৈছিল টাটো নামৰ এই অজাগুিমূলুকৰ নতুনকৈ খোলা প্ৰশাসনিক কেন্দ্ৰটোলৈ। প্ৰশাসনিক বিষয়া হিচাপে মোৰ যি সুনাম হৈছিল সিয়েই মোক এই অত্যন্ত অপ্ৰীতিকৰ অবাঞ্ছিত অৱস্থাটোলৈ ঠেলি দিছিল। সামাজিক ৰীতি নীতিবোৰৰ পৰা আজৰি হৈ হনিমুনৰ বাবে শ্বিলঙলৈ গৈ পাইনভিউ হোটেলত মাত্ৰ তিনিটা দিন কটাওঁতেই সেই অমংগলীয়া বাৰ্তাটো পালো। মোৰ তিনিমহীয়া ছুটী দুমাহতে সামৰি টাটোৰ প্ৰশাসনৰ দায়িত্ব লবলৈ লাগে। তাৰ প্ৰশাসকজন স্বাস্থ্যজনিত কাৰণত দীঘলীয়া ছুটীত থকাৰ সময়তে দুটা স্থানীয় ফৈদৰ মাজত কিবা কাৰণত এখন যুদ্ধ হোৱাৰ উপক্ৰম হোৱাত তাত এজন সুদক্ষ বিষয়াৰ উপস্থিতি অতি আৱশ্যকীয় হৈ পৰিছিল আৰু ময়ে সেই দায়িত্ব লবৰ বাবে উপযুক্ত বুলি স্থিৰ কৰা হৈছিল। (মোৰ) বাকী থকা ছুটী পাছতো লব পাৰিব বুলি কৈ মোক মাতি পঠোৱা হ'ল।

টাটোলৈ যান বাহনৰ ৰাস্তাই ঢুকি পোৱা ঠাইৰ পৰা সাত দিনৰ বাট। অৰুণাচলৰ আলি পদুলি নথকা ভিতৰুৱা ঠাইৰ দূৰত্ব কিল'মিটাৰেৰে নুজুখি খোজ কাঢ়িব পৰা দিনৰ হিচাপতহে জোখা হয়। বেছি উঠা নমা ঠাইত এদিনত ৭ ৮ কিল'মিটাৰহে খোজ কাঢ়ি যোৱাৰ ব্যৱস্থা। সেইমতে নিৰ্দিষ্ট ঠাইত বাঁহ কাঠেৰে সজা একোটাইঁত জিৰণি ঘৰো থাকে আৰু তাত চকিদাৰে খৰি পানীৰ ব্যৱস্থা কৰি দিয়ে। ভ্ৰমণকাৰীয়ে বিছনাপত্ৰ ৰন্ধাবঢ়াৰ সা সৰঞ্জাম খাদ্যসামগ্ৰী আদি নিজৰ লগতে কঢ়িয়াই নিব লাগে। তাৰ বাবে পদমৰ্যাদা অনুসৰি চৰকাৰী খৰচত একৰ পৰা ছজন বোজা কঢ়িওৱা মানুহ দিয়া হয়। প্ৰশাসনিক কেন্দ্ৰবোৰত প্ৰশাসকৰ বাবে অন্য কৰ্মচাৰীৰ বাসস্থানৰ পৰা কিছু সন্মানজনক দূৰত্বত বাঁহ কাঠেৰে একোটা আহলবহল চাংবঙলা সজা হয়। গাতে লগাকৈ লগুৱাৰ বাবেও এটা ঘৰ থাকে।

মই গৈ পোৱাৰ আগতেই বিবাদৰ এটা মীমাংসা হৈ যোৱাত অস্থায়ী বিষয়া হিচাপে মোৰ বিশেষ কাম নাছিল। সৰহভাগ সময় গাঁৱৰ মানুহৰ লগত গল্প গুজৱ কৰি কটাইছিলো। নতুনকৈ অহা বিষয়া হিচাপে প্ৰশাসনীয় এলেকাৰ প্ৰায় সকলো গাঁৱৰ গাঁওবুঢ়াই দেখা কৰিবলৈ আহিছিল। তেওঁলোকে পৰম্পৰা অনুসৰি হাতত একোটা কুকুৰা নাইবা এটুকুৰা পহু নাইবা গাহৰিৰ মঙহ কিছু শাক-পাচলি বাঁহগাজৰ "শুকতি আদি উপঢৌকন হিচাপে আনিছিল। আমাৰ বিষয়াসকলৰ দুৰ্বলতা বুজি কোনো কোনো চতুৰ গাঁওবুঢ়াই লগত নিজৰ ধুনীয়া জীয়েক নাইবা বোৱাৰীয়েক নাইবা গাঁৱৰ অন্য সুন্দৰী গাভৰু আনি বিষয়াসকলৰ মনোৰঞ্জনৰ ইন্ধন যোগাইছিল।

অৱশ্যে তেনে ইন্ধন সাধাৰণতে মুখ চুপতি নাইবা এপাক নাচৰ স গী হোৱাৰ সুবিধা দিয়াতে সীমিত আছিল। উল্লেখযোগ্য যে গাভৰুহঁতে পনুং নাচেৰে বিষয়াসকলক আপ্যায়িত কৰাটো একপ্ৰকাৰ দৈনন্দিন কাৰ্য ক্ৰমণিকাৰ দৰে আছিল। এনে সীমিত মনোৰঞ্জনতকৈ বেছি আগবাঢ়িবলৈ সুবিধা দিলে তাত ব্লেকমেইলৰ টোপ থকাৰ সম্ভাৱনা থাকিব পাৰে আৰু যি বিষয়া এবাৰ তেনে ফান্দত পৰে তেওঁৰ পক্ষে প্ৰশাসন চলোৱা প্ৰায় অসম্ভৱ হৈ পৰে।

স্বাভাৱিকতে ডেকা বিষয়া হিচাপে মোৰ প্ৰতি বেছিকৈ আকৃষ্ট হৈছিল গাভৰুহঁত। দিনটোৰ বেছিভাগ সময়তে সিহঁতৰ উপস্থিতিয়ে মোৰ বঙলাটোত এক উৎসৱমুখৰ পৰিবেশৰ সৃষ্টি কৰি ৰাখিছিল। মোৰ লগুৱাটো স্থানীয় গাঁৱৰ ডেকা হোৱাৰ বাবে বহু সময়ত গাভৰুহঁত তাৰ ওচৰলৈ অহাৰ চেলুলৈয়ে আহিছিল। ডেকা বিষয়া হিচাপে মোৰ মনোৰঞ্জনৰ প্ৰতি গাঁৱৰ মানুহ আগ্ৰহান্বিত হ'লেও মোক বিপদজনক পৰিস্থিতিলৈ ঠেলি নিদিবৰ বাবেও তেওঁলোক সজাগ আছিল আৰু সেয়েহে অকলশৰীয়াকৈ কোনো গাভৰুক মোৰ ওচৰলৈ অহাটোত উৎসাহ দিয়া নাছিল।

সেইদিনা দেওবাৰ আছিল। বতৰ কিছু ডাৱৰীয়া। প্ৰশাসনীয় কেন্দ্ৰৰ গাতে লাগি থকা গাঁৱৰ গাঁওবুঢ়াৰ পত্নীসহ কেইজনীমান গাভৰুৱে এজগ আপ লৈ আহি প্ৰায় আধাদিন হাঁহি খিকিন্দালি কৰি কটাইছিলহি। আপ চাউল নাইবা কণীধানেৰে তৈয়াৰ কৰা এবিধ নিচাযুক্ত পানীয়। জনজাতিৰ লোকসকলে ইয়াক ব্যাপকভাৱে ব্যৱহাৰ কৰে। আমি চাহ কফিৰে কৰাৰ দৰে এওঁলোকে আপঙেৰে আলহী অতিথিক আপ্যায়িত কৰে। পূজা পাতল আনন্দ উৎসৱ সকলোতে এই আপ অপৰিহাৰ্য।

এজগ আপং অকলে খাই মোৰ মনটো উৰণীয়া হৈ উঠিছিল। তাতে গাঁওবুঢ়াৰ গাভৰু পত্নীৰ মুখৰ দুই এটা লাগাম নোহোৱা কথা আৰু অশালীন ইংগিতে মোক বাৰুকৈয়ে বিচলিত কৰি তুলিছিল। গাঁওবুঢ়া পত্নীৰ বিয়া হোৱাৰ পাঁচ বছৰৰ পাছতো সতি সন্ততি হোৱা নাছিল। তাইৰ গোৰা ৰঙৰ ধুনীয়া শৰীৰটোৰ পাৰ যৌবন জোৱাৰে ভাঙো ভাঙো কৰিছিল। তাইৰ শৰীৰত বন্ধ্যাত্বৰ কোনো ইংগিতেই নাছিল। অথচ পাঁচ বছৰেও তাইৰ কিয় সতি সন্ততি হোৱা নাই বাৰু ? স্থানীয় প্ৰথা অনুসৰি এজনী তিৰোতাৰ লগত তাইৰ স্বামীৰ উপৰিও স্বামীৰ সমকুলৰ ভাই ককাই সম্বন্ধীয় সকলোৰে লগত যৌন সম্বন্ধ ঘটিব পাৰে আৰু তেনে সম্বন্ধ নঘটাৰো কোনো যুক্তি নাই। গতিকে গাঁওবুঢ়া সন্তান দানত অক্ষম হ'লেও আন সকলো তেনে হোৱাটো সম্ভৱ নহয়। এই চিন্তাই মোৰ মনত এক অবাঞ্ছনীয় প্ৰতিযোগিতাৰ প্ৰত্যাহ্বান জগাই তুলিলে আৰু পাকে প্ৰকাৰে গাঁওবুঢ়ানীক সেই কথা জানিবলৈ দিলো। মদৰ নিচা আৰু গাঁওবুঢ়ানীৰ চঞ্চলতাই মোক তেনে কৰিবলৈ প্ৰেৰণা দিছিল। মহাভাৰতৰ কুন্তী আৰু ব্যাসৰ সম্বন্ধৰ বিকৃত ব্যাখ্যা দি কৈছিলো যে কুন্তীয়ে অকুমাৰী কালৰ পৰাই সূৰ্য, ইন্দ্ৰ বায়ু আদি দেৱতাৰ দোহাই দি ব্যাসৰ দ্বাৰা পুত্ৰৱতী হৈছিল। সেই একে ব্যাসৰ দ্বাৰাই কুন্তীৰ শাহুৱেকহঁতেও কুন্তীৰ স্বামী পাণ্ডু আৰু কুৰুৰাজ ধৃতৰাষ্ট্ৰক জন্ম দিয়াইছিল। আৰু এইসকল লোকেই আজি মহাভাৰতৰ সৰ্বজনপ্ৰিয় নায়ক-নায়িকাৰূপে পৰিচিত

হৈছে। আনলৈ নগৈও গাঁওবুঢ়ানীইঁতৰ নিজৰ মাজতে তেনে নীতি চলি আছে। নাবালক স্বামীৰ নামত ভৰযৌবনা পত্নীয়ে কেনেকৈ সন্তান লাভ কৰে তাক কোনে নাজানে। মোৰ অশালীন ইংগিতত চঞ্চলা গাঁওবুঢ়ানী হঠাতে অস্বাভাৱিকভাৱে গহীন হৈ পৰিছিল আৰু এক অৰ্থপূৰ্ণ চাৱনি দি অতি সোনকালে বিদায় লৈ গৈছিলগৈ। মোৰ প্ৰস্তাৱে যে তাইক বাৰুকৈয়ে প্ৰভাৱান্বিত কৰিছিল সেইটো বুজাত মোৰ অসুবিধা নহৈছিল। মই তেনে এটা অতিশয় বিপদজ্জনক পৰিস্থিতিৰ সৃষ্টি কৰি নিজেই তাৰ বলি হ'বলৈ উপক্ৰম কৰাৰ বাবে নিজকে ধিক্কাৰ নিদি নোৱাৰিলো।

গধূলিলৈ এজাক চিপচিপিয়া বৰষুণ আহিছিল। ফেব্ৰুৱাৰি মাহ। যথেষ্ট ঠাণ্ডা পৰিছিল। সোনকালে ভাতমুঠি খাই বিছনাত উঠিলো। কিন্তু টোপনি নাহিল। দিনত গাঁওবুঢ়ানীৰ লগত হোৱা কথা বতৰা বিশেষকৈ যাবৰ সময়ত দিয়া তাইৰ অৰ্থপূৰ্ণ ইংগিতে মোক আমনি কৰিবলৈ ধৰিলে। মানুহজনী যদি সঁচাকৈয়ে আহি যায়' উস মই কি সাংঘাতিক ভুল কৰি পেলালো! সন্তানৰ প্ৰতি নি সন্তান তিৰোতাৰ লোভৰ সীমা নাই। তাতে বেছিদিন নি সন্তান হৈ থাকিলে গিৰিয়েকে সেই সুবিধাতে অন্য এজনী চপোৱাৰ ভয়ো কম নহয়। গতিকে সন্তান লাভৰ বাবে তেওঁলোকে চৰম ত্যাগ কৰিবলৈকো কুণ্ঠিত নহয। যিয়েই নহওক গাঁওবুঢ়ানী আহিলে বাৰু মই কি কৰিম? মই অবিবাহিত হোৱা হ'লেও সিমান ভাবিবৰ কথা নাছিল। সদ্যবিবাহিতা এজনী কেঁচা গাভৰুক কেইসপ্তাহমানৰ আগতেহে এৰি আহিছোঁ যাৰ বুকুৰ উম এতিয়াও মোৰ বুকুত লাগি আছে। বিদাযবেলাৰ অশ্ৰুভৰা অসহায় চাৱনি এতিয়াও মোৰ চকুৰ আগত বিদ্যমান। কোন সতেৰে মই তেনে এজনী সৰ্বস্বসমৰ্পণ কৰা ফুলকোমল ছোৱালীক প্ৰতাৰণা কৰি একেখন বুকুতে আন এজনীক সাবটি লওঁ? ব্যাস আৰু কুন্তী নাইবা ব্যাস আৰু অম্বা অম্বালিকাৰ কাহিনী সাধুকথাহে। আজিৰ সমাজে তাক কেতিয়াও স্বীকৃতি নিদিয়ে বৰং সেইবোৰ আমাৰ সমাজৰ চকুত ব্যভিচাৰহে। মনৰ এনেবোৰ খেলিমেলি দূৰ কৰিবৰ বাবে জ্ঞানীলোকে যোগাসন নাইবা গীতা আদি পাঠৰ আশ্ৰয় লয় আৰু মূৰ্খই লয় মদৰ। ময়ো পিছৰ উপায়টোকে বাছি ললো। কেপ্টেইন যাদৱে কিছুদিনৰ আগতে এবাকছ থ্ৰি এক্স ৰাম দি গৈছিল। তেওঁ ভাৰত চীন সীমান্ত অঞ্চল চাবলৈ যাওঁতে মই গাঁৱৰ দুজন পথ প্ৰদৰ্শক বিনামূলীয়াকৈ যোগাৰ কৰি দিছিলো। কেইটামান বটল মোৰ কাৰ্যালয়ৰ কৰ্মচাৰীৰ মাজত বিলাই দি বাকী কেইটা ৰাখি থৈছিলো। আপং উভৈনদীকৈ পাই থকাৰ বাবে তাত হাত দিয়া নাছিলো। আজি তাৰে এটা খুলি লৈ সামান্য পানী মিহলাই এগিলাছ এগিলাছকৈ কেইবাগিলাছো গলাধ কৰণ কৰাৰ পাছত মনৰ দুশ্চিন্তাৰ পৰিবৰ্তন ঘটিল আৰু আগেয়ে যি গাঁওবুঢ়ানী-আগমনৰ ভয়ত অষ্ঠ কণ্ঠ শুকাই গৈছিল এতিয়া সেই সম্ভাৱনাৰ প্ৰত্যাশাই মনত হেন্দোলনি তুলিবলৈ ধৰিলে। বাঁহৰ বেৰৰ জলঙাৰে বাৰে বাৰে গাঁৱৰ ৰাস্তালৈ চাবলৈ ধৰিলো। নিশা জোনাক হোৱাৰ বাবে ডাৱৰীয়া বতৰতো গাঁৱলৈকে ৰাস্তাটো জিলিকি আছিল। নাই, ৰাস্তাত জনপ্ৰাণীৰ সঁচ নাই। এনেযে পাহাৰত সোনকালে আন্ধাৰ হয় আৰু দিনটোৰ কঠোৰ পৰিশ্ৰমৰ পাছত ভাগৰি পৰা মানুহবোৰ সোনকালে শুই পৰে তাতে আজি ডাৱৰীয়া বতৰৰ জাৰত বাহিৰলৈ ওলোৱাৰ প্ৰশ্নই নুঠে।

তথাপি মন তাপৰিব নোৱাৰি বাৰে বাৰে বেৰৰ জলঙাত চকু দিওঁতে দিওঁতে চকু বিষাই গৈছিল। ইফালে মদৰ বটলৰো আধামান শেষ হৈছিল। গাঁওবুঢ়ানীৰ অস্বাভাৱিক পৰিবৰ্তন আৰু ইংগিতৰ অৰ্থ ওলোটাহে আছিল নেকি বাৰু? তিৰোতাৰ স্বভাৱ সম্বন্ধে মোৰ বাস্তৱিক জ্ঞানৰ ভঁৰাল শুকান হ'লেও গাঁওবুঢ়ানীৰ ক্ষেত্ৰত ভুল হোৱা যেন নালাগে দেখোন।

মোৰ উদ্বিগ্নতা ক্ৰমে বাঢ়ি গ'ল। এনেতে দূৰত তিৰোতাৰ অৱয়ব এটা চকুত পৰিল। সপোন নে ঠিক তাক নিৰ্ণয় কৰিবলৈ বাচি থকা চেতনাখিনিৰ একক প্ৰয়োগ কৰিলো। ঠিকেইতো। সেই নাৰীমূৰ্তিটো ক্ৰমে আগুৱাই আহিছে। অৱশ্যে গাঁৱৰ ৰাস্তাইদি নাহি অন্য এক দিশৰ পৰাহে। হয়তো গাঁওবুঢ়ানীয়ে লোকচক্ষুক ভুৱা দিবলৈ তেনেকৈ আওবাটেদি আহিছে। মোৰ গাত সাত ভুঁইকঁপৰ কঁপনি উঠিবলৈ ধৰিলে। যি গাঁওবুঢ়ানীৰ আগমনৰ অধীৰ অপেক্ষাত চকুত বিষ উঠিছিল এতিয়া সেই ইপ্সিত ধন পোৱাৰ নিশ্চিত সম্ভাৱনাৰ সন্ধিক্ষণত মোৰ এনে অৱস্থা! মোৰ চিৰহিতৈষী বন্ধু বিবেকেও দেখোন মোৰ বিপক্ষে থিয় দিছে। কিয় মহাভাৰতৰ যুগৰ কথা বাদ দিলেও এই জনজাতিৰ লোকসকলৰ মাজতে দেখোন পাণ্ডুৰ প্ৰথা প্ৰচলিত আছে! নাবালক স্বামীৰ নামত সন্তান দানৰ বাবে যৌৱনপ্ৰাপ্ত পুৰুষ নিয়োজন বিধিও আছে। কেৱল একে পিতৃ মাতৃৰ সন্তানেই নহয় দূৰ সম্পৰ্কীয় ককাই ভায়েও দেখোন এজনী তিৰোতাক স্বামীৰ নামত বৈধভাৱে ভোগ কৰিব পাৰে! আনকি নিজৰ জন্মদাতা মাতৃৰ বাহিৰে পিতৃৰ অন্যান্য স্ত্ৰীকো পুত্ৰই বৈধভাৱে পত্নীৰূপে গ্ৰহণ কৰাৰ নীতি আছে। কিছু অবৈধ হ'লেও নিজৰ পুত্ৰবধুকো শহুৰেকে স্ত্ৰীৰূপে গ্ৰহণ কৰি সমাজত নিৰ্বিবাদে চলি থকাৰ উদাহৰণো আছে। পৃথিৱীৰ সৰহভাগ জনজাতীয় সমাজত অত্যন্ত ওচৰ সম্বন্ধীয় নহ'লে ডেকা গাভৰুৰ মাজত অবাধ যৌন মিলনৰো সামাজিক স্বীকৃতি আছে। পশ্চিমীয়া দেশবোৰতো স্ত্ৰী-পুৰুষৰ মিলনত বৰ বেছি কঠোৰ বাধা নিষেধ নাই যেনেই লাগে। এটা সময়ত হিন্দু সংস্কৃতিত গণিকা বৃত্তি এক সমাজস্বীকৃত বৃত্তি আছিল —যাতে পুৰুষৰ মহাশত্ৰু স্বৰূপ কাম ৰিপুক বশত ৰাখি মনৰ ভাৰসাম্য বজাই ৰাখি সমাজত শান্তি শৃংখলা বজাই ৰাখিব পৰা যায়! আমাৰ বৰ্তমানৰ সমাজে অন্য বিকল্প ব্যৱস্থা নকৰাকৈ এইবোৰ বৃত্তি অবৈধ কৰি এক অস্বাভাৱিকতাৰ সৃষ্টি কৰা যেনহে লাগে। সেয়েহে আজি সমাজত বিকৃত মস্তিষ্কৰ লোকৰ সংখ্যা বাঢ়ি গৈছে অপৰাধপ্ৰৱণতা বৃদ্ধি পাইছে।

আজি হয়তো গাঁওবুঢ়ানীক গাঁওবুঢ়াই স্বেচ্ছাই মোৰ ওচৰলৈ পঠাইছে! কিন্তু মই? মই কিয় ইমান ভয়বিহ্বল হৈ পৰিছোঁ? মোৰ কৌটিকলীয়া সংস্কাৰৰ সমগ্ৰ শক্তিয়ে যেন মোক বাধা দিছে আৰু মই সেই বাধা অতিক্ৰম কৰিবলৈ প্ৰাণপণে চেষ্টা কৰিছোঁ! নাই আজি মই বিবেকৰ এনে নিৰ্দয় দয়া মমতাহীন নিৰ্দেশ পালন নকৰোঁ। বটলৰ পৰা আৰু এগিলাছ মদ বাকি একে সোহাই গিলিলো আৰু বিছনাৰ পৰা নামি গাঁওবুঢ়ানীক আদৰিবলৈ থৰকবৰককৈ দুৱাৰৰ ফালে খোজ দিলো।

ইতিমধ্যে বাঁহৰ চাঙৰ বাৰাণ্ডাত মানুহৰ খোজৰ মৃদু শব্দ মোৰ কাণত পৰিছিলেই। দুৱাৰৰ কাষত থিয় হৈ প্ৰকৃতিস্থ হৈ ভাবিলো ইংগিত নিদিয়ালৈকে দুৱাৰ

খুলি নিদিওঁ। কিছুপৰ অপেক্ষা কৰাৰ পাছত ভৰিৰ পাতল খোজৰ ধ্বনি ক্ৰমে আগুৱাই আহি দুৱাৰৰ সিপাৰে বৈ গ'ল আৰু এক মৃদু কোঁপনি মোৰ কাণত পৰিলহি।

কোঁপনি মোৰো উঠিছিল —বোধকৰোঁ আসন্ন সম্ভাৱনাৰ উদ্বিগ্নতাত।

মিগম!

শুনা নুশুনাকৈ এক কঁপা কঁপা মৃদু সম্বোধন। ইয়াত স্থানীয় মানুহে বিষয়াসকলক মিগম বুলি সম্বোধন কৰে। মি গম মানে খুৱাই বোৱাই নোদোকা কৰা গাহৰি। অৱশ্যে ব্যৱহাৰিক অৰ্থত মিগম হ'ল সম্মানীয় ব্যক্তি।

হয় গাঁওবুঢ়ানীয়েই হ'ব। পোৱা নোপোৱাৰ অনিশ্চয়তাত নাইবা মোৰ দৰে বিবেকৰ অন্তৰ্দ্বন্দ্বৰ ফলত হয়তো মানুহজনীৰ মাতবোৰ অস্বাভাৱিক হৈ পৰিছে। হয়তো বাহিৰৰ হাড়কঁপোৱা জাৰ নাইবা পথশ্ৰমৰ বাবেও এনে হ'ব পাৰে। মই দুৱাৰ খুলি দি দুহাত মেলি গাঁওবুঢ়ানীক আঁকোৱালি লবৰ বাবে উদ্যত হ'লো।

কিন্তু সম্মুখত যি ভয়াবহ মূৰ্তি দেখিলো মই ভয়ত মূৰ্চ্ছিত নোহোৱাকৈ কথমপিহে ৰব পাৰিলো। মোৰ সমগ্ৰ সত্তা আত্মৰক্ষাৰ বাবে সজাগ হৈ উঠিল। মদৰ জাল অভিসাৰৰ উত্তেজনা মুহূৰ্ততে আঁতৰি গ'ল আৰু এক নিশ্চিত বিপদৰ আতংকই তাৰ ঠাই দখল কৰিলে।

গাভৰুৰ বেশত এজনী স্বয়ং পিশাচী। সেই সময়ত জোনৰ পোহৰে মোৰ দুৱাৰমুখ পোহৰাই ৰখাত সেই চেহেৰা দেখাত মোৰ অসুবিধা হোৱানাছিল। মই দুৱাৰ জপাই ভিতৰলৈ দৌৰ মাৰি ৰক্ষা পৰাৰ কথাও পাহৰি হতভম্ব হৈ ৰ'লো। মাথোঁ মুখত এক আত কৰ আতুৰ ধ্বনি ফুটি উঠিল টামো!

টামো মোৰ লগুৱা। ওচৰৰে এটা ঘৰত থাকে। আজি তাৰ ঘৰত কেইজনীমান ছোৱালী আলহী থকাত সি শোৱা নাছিল। মোৰ চিঞৰ কাণত পৰাৰ লগে লগেই সি দৌৰি ওচৰ পালেহি আৰু সম্মুখত তেতিয়াও থিয় দি থকা নাৰীমূৰ্তিটোলৈ কিছু সময় চাই থাকি নিজৰ ভাষাতে সুধিলে তুমি কোন? কি হৈছে?

নাৰীমূৰ্তিটোৱে যেন সকাহ পালে আৰু ক'লে মোক প্ৰথমতে ভিতৰলৈ যাবলৈ দিয়া সিহঁতে এতিয়াও মোক বিচাৰি ফুৰিছে। হয়তো ইয়ালৈকো আহিব পাৰে।

ভিতৰলৈ নি তাইক বহুৱাই পাগঘৰৰ জুহালত ডাঙৰকৈ জুই একুৰা ধৰিলো। তাৰ পাছতহে ভালকৈ মন কৰিলো—এজনী সুন্দৰ অবয়বৰ ওখপাখ গাভৰু। বয়স ২০ ২১ মান হ'ব। দীঘল চুলি কলডিলীয়া মুখমণ্ডল হৰিণীনয়না বৈ পৰা চেলাউৰি। মুঠতে এজনী ধুনীয়া ছোৱালী। গোটেই মুখমণ্ডলত কিহবাৰ আঁচোৰ মাজে মাজে তেজৰ চেকুৰা আৰু কোনো কোনো ঠাইত এতিয়াও তেজ বিৰিঙি আছে। শৰীৰৰ বাকীঅংশৰ অৱস্থাও তথৈবচ। গাৰ ব্লাউজ আৰু মেখেলা ফাটি চিৰাচিৰ আৰু তাৰ মাজেদি ওলাই থকা শৰীৰৰ অংশবোৰতো আঁচোৰ আৰু তেজৰ চেকুৰা। ভৰি আৰু হাত ক্ষত বিক্ষত। মই মোৰ বাকী থকা মদখিনি তাইক খাবলৈ দিলো। টামোৱে কেইটুকুৰামান পোৱা কচু দিলে। তাই তৃপ্তিৰে সেইখিনি খালে আৰু কিছু প্ৰকৃতিস্থ হ'ল। তাৰ পাছত এটা ডাঙৰ কেটলিত পানী গৰম কৰি তাত ডেটল মিহলাই তাৰে তাইৰ ঘাবোৰ ধুবলৈ দিলো। অৰুণাচলত সম্পূৰ্ণ নগ্ন গাভৰু দেখাৰ অভিজ্ঞতা থকাৰ

কাৰণে ছোৱালীজনীৰ ফটাচিটা কাপোৰে ঢাকিব নোৱৰা নগ্ন তাই অৱশ্যে মোক আমনি কৰিব পৰা নাছিল। কিন্তু তাই যেতিয়া ব্লাউজটো খুলি পিঠিখন দেখুৱালে তেতিয়াহে মোৰ চকু মুদ খাই গ'ল। কি বীভৎস দৃশ্য। গোটেই পিঠিত ডেৰ দুই ইঞ্চি বহল কেইবাটাও ক লা পৰি যোৱা দাগ। কৰঙনতো তেনে কেইটামান দাগ —আগ আৰু পিছ দুয়োফালে। অন্য একো ভাল ঔষধ নথকাত গোটেই ঘাবোৰত আয়'ডিন ঘঁহি দিয়া হ'ল। টামোৰ বান্ধবীকেইজনীয়ে এইবোৰ কামত সহায় কৰিলে। সিহঁতে ছোৱালীজনীৰ কাৰণে এখন মেখেলা আৰু এটা ব্লাউজৰো যোগাৰ কৰিলে। তাই যথেষ্ট সকাহ পোৱা যেন দেখা গ ল। অলপ পাছত তাইক তাইৰ কাহিনী ক বলৈ উদ্বিগ্ন হোৱা যেন দেখা গ'ল। তাইৰ বিষয়ে জানিবলৈ আমাৰো মন উদ্বিগ্ন হৈ উঠিলেও নিশা বহুত হোৱা বাবে তাইক শুই থাকিবলৈ দি আমিও শুই থাকিলো।

ছোৱালীজনীৰ নাম য়ামু। ৰেগো নামৰ গাঁৱৰ প্ৰধান গাঁওবুঢ়াৰ একমাত্ৰ কন্যা। তাইক সৰু হৈ থাকোঁতেই টাটো গাঁৱৰ প্ৰধান গাঁওবুঢ়াৰ সদ্যজাত সন্তান টাপুৰ লগত বিবাহ বন্ধনত আবদ্ধ কৰা হ'ল। য়ামু লহপহকৈ বাঢ়ি গাভৰু হ'লহি। আনহাতে তাইৰ স্বামী নাবালক হৈয়েই ৰ'ল। গাঁওবুঢ়া পিতৃৰ অকাল মৃত্যু হোৱাত টাপুৰ অৰ্থনৈতিক অৱস্থা হীন হৈ আহিল। গাঁওবুঢ়াৰ ল ৰা গাঁওবুঢ়া হোৱাৰ পৰম্পৰা থকা সত্ত্বেও নাবালক হৈ থকাৰ বাবে টাপুৱে গাঁওবুঢ়াৰ বাবটোও নাপালে। ইফালে য়ামু টাবি নামৰ ঘৰত কাম কৰা সবল সুঠাম ডেকা এটাৰ প্ৰেমত পৰিল। হীন বংশৰ কেও কিছু নোহোৱা ডালদৰিদ্ৰ ডেকা এটাৰ লগত জীয়েকৰ হলিগলি ভাল নাপালেও গাঁওবুঢ়া নিৰৱ দৰ্শক হৈ থাকিল। কাৰণ চৰকাৰে দাসত্ব প্ৰথা উঠাই দি দাস দাসীবিলাকক মুকলি কৰি দিয়াৰ পাছত গাঁওবুঢ়াৰ আৰ্থিক অৱস্থা দ্ৰুতগতিত বেয়াৰ ফাললৈ গৈছিল আৰু তেনে অৱস্থাত প্ৰায় বিনামূল্যত পোৱা এটা সুস্থসবল ডেকাৰ শ্ৰমৰ মূল্য গাঁওবুঢ়াৰ বাবে জীয়েকৰ অবাঞ্ছনীয় ব্যৱহাৰৰ তুলনাত বেছি আছিল। তিৰোতাক চিৰদিন পণ্যদ্ৰব্যৰ দৰে ব্যৱহাৰ কৰি অহা গাঁওবুঢ়াৰ ৰক্ষণশীল মনে ডেকা গাভৰুৰ পবিত্ৰ প্ৰেমৰ গভীৰতাৰ কথা ভাবিবই নোৱাৰে। তেওঁৰ ধাৰণা—স্বামী সাবালক হৈ উঠিলেই সকলো ঠিক হৈ যাব।

কিন্তু ভবা মতে কাম নহ ল। য়ামুৰ অবাঞ্ছিত প্ৰেমকাহিনী অহুকাণে পহুকাণে প্ৰচাৰ হৈ গৈ টাপুৰ পৰিয়ালৰ কাণ পালেগৈ। স্বামী নাবালক হৈ থাকিলেও অতি শীঘ্ৰে য়ামুক স্বামীৰ ঘৰলৈ পঠাব লাগে বুলি তেওঁলোকে দাবী জনালে। য়ামুৰ পিতৃয়ে প্ৰথম অৱস্থাত কিছু হেঁহো ঘেঁহো কৰিলেও দৰাঘৰৰ হেঁচাত য়ামুক পঠাবলৈ তেওঁ মান্তি হ'ল। কিন্তু য়ামুৱে কোনোমতেই যাব নুখুজিলে। শেষত চল কৰি পথাৰৰ পৰা ঘূৰি অহাৰ বাটত জোপ লৈ থাকি য়ামুক ধৰাই নিয়াৰ ফন্দী পতা হ'ল। সেই অনুসৰি এদিন ছেগ বুজি য়ামু পথাৰৰ পৰা ঘৰলৈ ঘূৰিআহোঁতে টাপু আৰু গাঁৱৰ কেইটামান ডেকাই জোপ লৈ থাকি তাইক ধৰি মেঠোন বন্ধা পঘাৰে বান্ধি টানি চোঁচোৰাই লৈ গ ল। ৰেগোৰ পৰা টাটোলৈ ১৫ কিল'মিটাৰ পথ। বাটত অসতী কৰাৰ কাৰণে টাপুৱে দীঘল তৰোৱালৰ গাড়িৰে তাইৰ পিঠি আৰু কৰঙনত ওপৰা উপৰিকৈ কেইবাটাও কোব সোধালে। য়ামুৱে কিন্তু চেষ্টা এৰি নিদিলে। সুবিধা চাই এডোখৰ ঠাইত তাই বাহিৰ

ফুৰিবলৈ যাওঁ বুলি যি হাবিত সোমাল আৰু ওলাই নাহিল। টাপুহঁতে ভাবিছিল হাতে ভৰিয়ে ৰচিবে বন্ধা আধামৰা অৱস্থাত তাই ক লৈ যাব। কিন্তু তাই পলাল আৰু অটব্য অৰণ্য পৰ্বত পাহাৰ পাৰ হৈ তাই টাটোৰ প্ৰশাসনিক কেন্দ্ৰ পালেহি। তাইৰ একমাত্ৰ ভাৰসা—চৰকাৰে নিশ্চয় তাইক ৰক্ষণাবেক্ষণ দিব তাইৰ মনৰ মানুহটোক পোৱাত সহায় কৰিব। দাসত্ব প্ৰথা বাল্যবিবাহ আদিৰ বিপক্ষে চৰকাৰে কৰা অভিযানৰ কথা তাই ভালদৰে জানে।

পাছদিনা তাইৰ কাহিনী শুনাৰ পাছত মই গাঁৱৰ গাঁওবুঢ়া আৰু গণ্যমান্য লোকক মাতি মেল বহুৱালো আৰু ছোৱালীজনীক নিৰ্দয়ভাৱে প্ৰহাৰ কৰাৰ বাবে টাপুক ফাটেকত দিয়াৰ ভয় দেখুৱালো। মেলত যথেষ্ট উত্তেজনাৰ সৃষ্টি হ ল। কিবা অঘটন ঘটাৰ সন্দেহ কৰি মই এক ছেকছন ছি আৰ পি আনি ৰাখিছিলো। শেষত মোৰ পৰিচালনাতে মেলে সিদ্ধান্ত কৰিলে যে ছোৱালীজনীৰ বাপেকে যদি কন্যাধন ঘূৰাই দিয়ে তেন্তে তাইক মুক্তি দিয়া হ ব। ৰীতিমতে ওভোতাই দিযা কন্যাধন আগেয়ে আদায় কৰা ধনৰ দুগুণ হ ব লাগে কিন্তু টাপুৱে অমানুষিকভাৱে মাৰপিট কৰাৰ বাবে সেই ধন ডেৰগুণ বুলি নিৰ্ধাৰণ কৰা হ ল আৰু টাপুৰ দোষ মাৰ্জনা কৰা হ ল। মেলৰ সিদ্ধান্ত অনুযাযী মই পাছদিনা মানুহ পঠাই য়ামুৰ বাপেকক মতাই অনালো আৰু মেলৰ সিদ্ধান্তৰ কথা ক লো। বাপেকে কোনোমতেই কন্যাধন ঘূৰাই দিবলৈ মান্তি নোহোৱাত মই চৰকাৰৰ তৰফৰ পৰা কঠোৰ শাস্তি দিয়াৰ ভয দেখুৱালো। নিজৰ ঘৰত থকা দাসী এজনীক নিধাৰিত ক্ষতিপূৰণ দিয়া সত্বেও মুক্তি নিদিয়াৰ বাবে এই গাঁওবুঢ়া কিছুদিন ফাটেকত থাকিব লগা হৈছিল। গতিকে মোৰ ধমকি উকা নহয় বুলি ভয় কৰি শেষত কন্যাধন ঘূৰাই দিবলৈ মান্তি হ ল আৰু ছমাহৰ সময় ললে। ছোৱালীজনীক বাপেকৰ সৈতে ঘৰলৈ ঘূৰাই পঠোৱা হ ল।

প্ৰায় দুবছৰমানৰ মূৰত মই এবাৰ টাটো গাঁৱৰ মাজেদি যাওঁতে পিঠিত কেঁচুৱাৰে সৈতে য়ামুক লগ পাইছিলো। এইবাৰ তাইৰ মুখ মণ্ডলত কাঁইটৰ আঁচোৰ নাছিল আছিল এক বিষাদৰ চিন। তাই শুকাই খীণাই চিনিব নোৱৰা হৈ গৈছিল। ঘৃণাৰ চাৱনি এটা দিয়েই তাই মোৰ ফালে পিঠি দিছিল। মোৰ বুজিবলৈ বাকী নাছিল যে তাইৰ সেই অৱস্থাৰ বাবে জগৰীয়া মোৰ ৰূপত চৰকাৰৰ অক্ষমনীয় অক্ষমতাৰ প্ৰতি তাই তেনেকৈয়ে বিতৃষ্ণা প্ৰকাশ কৰিছে। অনুসন্ধান কৰি জানিব পাৰিলো যে তাইক বাপেকৰ হাতত সোধাই দিয়াৰ প্ৰায় এমাহৰ পাছতে বাপেকৰ অভিসন্ধি মতে তাইক টাপুহঁতে পুনৰ ধৰি আনিলে। এইবাৰ সিহঁতে প্ৰশাসনৰ ব্যৱস্থাই ঢুকি পোৱাৰ বহু আঁতৰলৈ নি তাইৰ ওপৰত অকথ্য অত্যাচাৰ চলালে আৰু নাবালক স্বামী টাপুৰ নামত কেইবাটাও ডেকাৰ দ্বাৰা সন্তানসন্তৱা নোহোৱা পৰ্যন্ত বলাৎকাৰ কৰাই সম্পূৰ্ণ সেও মনাইহে গাঁৱলৈ ঘূৰাই আনিলে।

চৰকাৰে ইতিমধ্যে তাইৰ কথা পাহৰি গৈছিল।

সেইদিনা কুন্তীৰ ভাও দিবলৈ গাঁওবুঢ়ানী অহা নাছিল   আহিছিল বোৱাৰী দ্ৰৌপদী, সম্পূৰ্ণ অন্য ৰূপত। ভীষ্মকে আদি কৰি শ্ৰেষ্ঠ কুৰু বংশধৰসকলে যেনেকৈ খোলা ৰাজসভাত দ্ৰৌপদীৰ অপমান অসহায়ভাৱে চাই থাকিব লগা হৈছিল মযো মোৰ চৰকাৰৰ সৈতে চাই থাকিলো য়ামুৰ ওপৰত চলা অমানুষিক অত্যাচাৰ — জনজাতীয় পৰম্পৰাৰ নামত নাৰীজাতিৰ ওপৰত চলা অবাধ উৎপীড়ন।

১।৩।৯০

ক্ষুধা

স্যমন্ত ফুকন

When the good lady from the Infant Welfare Society came to visit us and like everyone else asked us why we brought so many children into the world my wife who was in the dumps that day told her the plain truth If we could afford it she said 'we should go to the pictures in the evening As it is since we have not got the money we go to bed and so the children get born

(The Baby —Alberto Moravia)

আজি দেওবাৰ দেওবাৰে সাধাৰণতে সি কলৈকো ওলাই নাযায়। সপ্তাহটোৰ আন কেইদিনত কৰিবলৈ সময় নোপোৱা ঘৰুৱা কাম কাজবোৰ কৰি সি সাধাৰণতে দুপৰীয়া বিছনাত এবাগৰ দিয়ে। পুৰণা আলোচনী বা কিতাপ এখন হাতত লৈ বিছনাত অলসভাৱে পৰি থাকোঁতে তাৰ ডাঙৰ ল ৰা ছোৱালীহালে তাৰ কাষতে লাটিপুটি কৰি থাকে। পাগঘৰৰ জঞ্জাল মাৰি সাধাৰণতে মীনাও কাষতে বহেহি। এই সময়খিনি সি বৰ উপভোগ কৰে। তাৰ নিৰস কৰ্মব্যস্ত জীৱনটোত এই সময়খিনি এটা কল্পনা কৰিব নোৱৰা বিলাস।

আজি কিন্তু গোটেই কথাবিলাক খেলিমেলি হৈ গ ল। কালি সন্ধিয়া টিউচনৰ পৰা আহি সি গম পালে যে তাক বিচাৰি আবেলি পৰত তাৰ মোমায়েক আহিছিল। মোমায়েকে নগৰখনৰ গাতে লাগি থকা বাগানখনত কাম কৰে। বাগানলৈ নতুনকৈ অহা মেনেজাৰৰ ল'ৰা ছোৱালী হালৰ বাবে এজন গৃহশিক্ষকৰ প্ৰয়োজন। আজি আবেলি চাৰিমান বজাৰ ভিতৰত সি বাগানলৈ আহিলে মোমায়েকেই তাক মেনেজাৰৰ ওচৰলৈ লৈ যাব পাৰিব। চহৰখনৰ মাজেদি বাগানলৈ প্ৰায় ন মাইল বাট ইঞ্জিনিয়াৰিং কলেজখনৰ কাষৰ চমু বাটটোৰেদি প্ৰায় ছমাইল। প্ৰথমতে সি ঠিক কৰিছিল— আবেলি মোমায়েকৰ তালৈ যাব আৰু আহোঁতে চহৰত কমলৰ তাত সোমাই আহিব।

কমল তাৰ সককালৰ বন্ধু। প্ৰাইমেৰি স্কুলৰ পৰা মেট্ৰিকলৈকে সি কমলৰ লগত একেলগে পঢ়িছিল। সিহঁতৰ ঘৰো একেটা চুবুৰিতে আছিল। কমল বৰ খোলা হৃদয়ৰ আৰু মুকলিমনৰ ল'ৰা আছিল। পঢ়াশুনাত কমল কোনোদিনেই ভাল নাছিল। চোকা ল'ৰা' হিচাপে তাৰ কিন্তু এসময়ত বেচ নাম আছিল। সেই কমল এতিয়া এক সফল ব্যৱসায়ী। আৰু সি হ'লহি প্ৰাইমেৰি স্কুলৰ শিক্ষক। বি এ পৰীক্ষা দিবলৈ দুমাহ থাকোঁতে তাৰ দেউতাক ঢুকালত তাৰ সকলো অংক খেলিমেলি হৈ গ ল। দুজনী

ভনীয়েক মাক আৰু সি মাত্ৰ খাই বৈ জীয়াই থাকিবৰ বাবেই ইমান পৰিশ্ৰম কৰিব লগা হ'ল যে সি আনকি বি এ পৰীক্ষাটোও সময়মতে দিব নোৱাৰিলে।

মাজে মাজে সৰুকালৰ কল্পনাবিলাকৰ কথা ভাবিলে এতিয়া তাৰ বৰ হাঁহি উঠে। মেট্ৰিক দিয়াৰ পাছত সিহঁত ল'ৰাবিলাকে মিলি এখন নাটক কৰিছিল। খুব ভাল অভিনয় কৰা বুলি সকলোৱে তাৰ খুব প্ৰশংসা কৰিছিল। কলেজতো সি কেইবাখনো নাটকত অ শ গ্ৰহণ কৰিছিল। সেই সময়ত সি চফল ডেকা। মানুহৰ প্ৰশংসাই তাক কল্পনাৰ সোঁতত উটুৱাই নিছিল। সি এজন নামজ্বলা অভিনেতা হোৱাৰ সপোন দেখিছিল। কিন্তু মাত্ৰ এটা ঘটনাই—দেউতাকৰ মৃত্যুৱে তাৰ সকলো কল্পনা ধূলিস্যাৎ কৰি দিলে।

প্ৰথম অৱস্থাত পানীত ডুবা মানুহৰ দৰে সি চাৰিওপিনে উপায় খেপিযাই ফুৰিছিল। এই প্ৰাইমেৰি স্কুলখনত ইমান কম দৰমহাত তাৰ নিচিনা ডেকা ল ৰা এটাই হঠাৎ সোমাই পৰাৰ কাৰণ আছিল সেইটোৱেই। ইমান বছৰ যে সি এই স্কুলখনতে খামুচি ধৰি থাকিব লাহে লাহে যে এটা এটাকৈ তাৰ আকা ক্ষাবোৰ পূৰণ হোৱাৰ আশা নাইকিয়া হৈ আহিব এই কথা সি সেই সময়ত কল্পনা কৰিব পৰা নাছিল। প্ৰাইভেটকৈ পৰীক্ষা দি বি এ পাছ কৰাৰ পাছত এসময়ত সি প্ৰাইভেটকৈ পৰীক্ষা দি এম এটোও পাছ কৰাৰ কল্পনা কৰিছিল। কিন্তু মাত্ৰ খোৱা পিন্ধাৰ জেওঁা মাৰিবলৈকে সি ইমান প্ৰচণ্ড পৰিশ্ৰম কৰিব লগা হ ল যে এসময়ত সেইটো কল্পনাও তাৰ মনৰ পৰা মচ খাই গ ল।

এতিয়া সি কেইবাটাও টিউছন কৰে। নহ লে প্ৰাইমেৰি স্কুলৰ শিক্ষকৰ দৰমহাৰে অকলে সি ঘৰখন চলাব নোৱাৰিলেহেঁতেন। কিন্তু পুৱা শুই উঠাৰ পৰা হালৰ গৰুৰ দৰে সি এনেদৰে খাটিব লাগে যে সংসাৰৰ আন কোনো কথালৈ মন দিবলৈ তাৰ সময় আৰু আগ্ৰহ নাইকিয়া হৈ আহিছে। লাহে লাহে সি এইটোও গম পাবলৈ আৰম্ভ কৰিছে যে এই অৱস্থাৰ পৰা এই জীৱনত আৰু তাৰ মুক্তি নহ'ব। বয়স কম থাকোঁতে এনে দুখ নৈৰাশ্যৰ মাজতো কিছুমান আশা লৈ সি জীয়াই আছিল। এদিন ভাল সময় আহিব বুলি সি মনে প্ৰাণে বিশ্বাস কৰি আছিল কিন্তু এতিয়া তাৰ সেই আশা হেৰাই গৈছে। সি গম পাই গৈছে যে ল ৰা ছোৱালীকেইটা ডাঙৰ হৈ অহাৰ লগে লগে সমস্যাবিলাকৰ তীব্ৰতা আৰু বাঢ়ি আহিব। আৰু সেইবিলাকৰ সমাধান উলিয়াব নোৱাৰি সি হৈ পৰিব আৰু বেছি হতাশাজৰ্জৰ। সি জানে—অতি সোনকালে সি বুঢ়া হ ব। তাৰ এসময়ৰ ভাঠ চুলিকোচা ইতিমধ্যে সৰি সৰি যথেষ্ট পাতল হ ল। চুলি কৰবাত কৰবাত পকিছেও। কেইবছৰমানৰ ভিতৰতে হয়তো তাৰ দাঁত সৰি যাব। ভৱিষ্যতৰ কথা ভাবিলে সি আতংকগ্ৰস্ত হৈ উঠে। সেইবাবে সি চেষ্টা কৰে একো নাভাবিবলৈ। সি ধৰি লয়—কপালত যি আছে সি ঘটি থাকিব। পৰাপক্ষত সি চেষ্টা কৰে বৰ্তমানৰ জেওঁা মাৰিবলৈ।

কমলৰ তালৈ সি সাধাৰণতে সন্ধিয়া যাবলৈ ভাল পায়। কিন্তু আজি কমলক লগ ধৰাৰ তাৰ এটা উদ্দেশ্য আছে। সেইবাবে সি পুৱাই যোৱাটোকে ঠিক কৰিলে। চহৰৰ নেতৃস্থানীয় কেইজনমান মানুহে দুখীয়া ছাত্ৰ ছাত্ৰীৰ বাবে এখন ৰাতিৰ হাইস্কুল

খুলিবলৈ ঠিক কৰিছে। এতিয়াই কৈ থলে কমলে যদি তাক তাতে আৰু এটা চাকৰিৰ বন্দবস্ত কৰি দিব পাৰে তেনেহ'লে তাৰ বৰ্তমানৰ অৱস্থাটোৰ কিছু উন্নতি ঘটিব লাগে। সি ঠিক কৰিলে ৰাতিপুৱাই আঠ বজাতে সি কমলক লগ ধৰিব।

কিন্তু ইমান সোনকালে গৈয়ো সি কমলক নাপালে। ওচৰৰ ডেকাল'ৰা এজাকে পতা 'সাংস্কৃতিক সন্থিয়া এখনৰ কামত হেনো কমল পুৱাই ওলাই গ ল। বন্ধৰ দিনা আন সকলো কাম বাদ দি তিনিমাইল বাট ছাইকেল মাৰি আহি প্ৰথম চেষ্টা কৰা কামটোৱেই নোহোৱাত সি হতাশ হ'ল। কিন্তু এনেকুৱা ঘটনা তাৰ জীৱনত প্ৰায়ে ঘটিয়েই থাকে। অকণমানৰ কাৰণে প্ৰায় সকলো কামতে সি বিচৰা ফলাফলটো নোপোৱাটো তাৰ জীৱনৰ ব্যতিক্ৰম নহয় প্ৰায় নিয়ম।

কমলৰ পৰিবাৰ করুণাই তাক প্ৰায় জোৰকৈ বহুৱাই চাহ একাপ খুৱালে। সি যথেষ্ট আপত্তি কৰাতো তাই তালৈ পাপৰ ভাজিলে আৰু অমলেট কৰিলে। সি জানে— করুণাই তাক এক বিশেষ কাৰণত পছন্দ কৰে। সি শিক্ষক। সকলো ধৰণৰ ৰাগীয়াল বস্তুৰ পৰা সি সদায় দূৰত থাকে। তাৰ ব্যৱহাৰ কথা বতৰা নম্ৰ কোমল। এই সকলোবিলাক কথা কমলৰ প্ৰায় বিপৰীত। করুণা যথেষ্ট দৰিদ্ৰ ঘৰৰ ছোৱালী। বিয়াৰ প্ৰথম কেইবছৰমান কমলৰ স্বচ্ছল অৱস্থাৰ আনন্দই তাইক নিশ্চয় মতলীয়া কৰি ৰাখিছিল। কিন্তু বছৰ বাগৰাৰ লগে লগে আৰু নতুন স্বচ্ছল পৰিবেশৰ লগত অভ্যস্ত হৈ পৰাৰ বাবে এতিয়া তাইৰ মূৰত বাঁহ লৈছে তিৰোতাৰ স্বভাৱজাত অসন্তোষীয়া স্বভাৱে। এতিয়া কমলৰ প্ৰতিটো কথাতে তাই দেখিবলৈ পায় দোষ অপৰাধ উগ্ৰতা আৰু ছলনা। করুণাৰ মতে কমলৰ যিবিলাক স্বভাৱ আপত্তিজনক তাৰ প্ৰায় একো তাৰ চৰিত্ৰত নথকা বাবে তাই তাৰ প্ৰতি খুব সম্ভৱ এক বিশেষ টান অনুভৱ কৰে। আৰু সম্ভৱ সেইবাবেই কমলৰ অনুপস্থিতিত তাৰ বিষয়ে নানান বিৰূপ মন্তব্য কৰিবলৈ বা বদনাম গাবলৈ আৰম্ভ কৰে। ঠিক এই কথাটোতে সি ভীষণ অস্বস্তি অনুভৱ কৰে। কমলৰ ৰুক্ষ ব্যৱহাৰ সুৰাপানৰ অভ্যাস আৰু তেনে অনেক সৰু সুৰা কথা তাৰো ঠিক পছন্দ নহয়। কিন্তু কমলৰ ইমান কষ্টৰ উপাৰ্জনেৰে লালিত হৈ এটা স্বাচ্ছন্দকৰ আৰু দুৰ্ভাৱনাহীন জীৱন যাপন কৰি সুবিধা পালেই তাৰেই বদনাম গাবলৈ আৰম্ভ কৰা করুণাৰ স্বভাৱটো সি অতি বেয়া পায়। মাজে মাজে তাৰ জানিবৰ ইচ্ছা যায়—সুবিধা থকাহেঁতেন করুণাই বাৰু কমলৰ সলনি তাৰ নিচিনা দৰিদ্ৰ সম্পত্তিহীন অথচ তাইৰ দৃষ্টিত 'পৰিষ্কাৰ' স্বভাৱৰ মানুহ এটাৰ লগত সংসাৰ কৰিবলৈ আগ্ৰহী হ'লহেঁতেননে ? কিন্তু সি ভালকৈয়ে জানে যে তেনে কোনো অৱস্থাৰ সন্মুখীন হ'লে করুণাকে ধৰি বেছিভাগ ছোৱালীয়েই 'অপৰিষ্কাৰ' কিন্তু অৱস্থাপন্ন মানুহকে পছন্দ কৰিব। গতিকে করুণাৰ এই ইননি বিননিবিলাক সি ভালকৈ খাব থাকিবলৈ পোৱা অলস মানুহৰ স্বভাৱজাত প্ৰলাপ বুলিয়েই ধৰি লয়। ঠিক এইটো কাৰণেই যথেষ্ট আকৰ্ষণীয় হোৱা সত্বেও করুণাৰ চেহেৰাটোৱে বা দেহাটোৱে তাক কেতিয়াও আকৰ্ষণ কৰা নাই। কিন্তু তাৰ মাজতে কেতিয়াবা এনে কিছুমান মুহূৰ্ত আহি যায় যিবিলাকৰ প্ৰতি আওকণীয়া হৈ থাকিব খুজিও থাকিব নোৱাৰি। আজি পুৱা সি সেই চাপৰ ছ'ফাখনত বহি থাকোঁতে তাই থিয় হৈ থকাৰ পৰাই হাউলী তাক চাহ জলপান

পৰিবেশন কৰোঁতে এটা যে লোভনীয় দৃশ্যৰ অৱতাৰণা হৈছিল সেই বিষয়ে তাই নিশ্চয় ক'ব নোৱাৰে। কমলৰ বিষয়ে বিৰূপ আলোচনা কৰাত তাই ইমানেই মত্ত আছিল যে তাৰ নিচিনা ডেকা মানুহ এটাৰ বাবে তেনে এক স্পষ্ট প্ৰদৰ্শনে যে এক মহা খেলিমেলিৰ সৃষ্টি কৰিব পাৰে আনকি তাই জানি শুনিয়েই তেনে কৰিছে বুলি কোনোবাই যে তাইৰ বিষয়ে এটা ভুল ধাৰণাও লব পাৰে সেইটো তাই নিশ্চয় ভবাই নাছিল। আৰু ঠিক সেই সময়তেই সি প্ৰথম খুন্দাটো খাইছিল। মনত।

এসময়ত করুণাৰ স্বগতোক্তি শেষ হ'ল আৰু সি যাবলৈ উঠিল। তাই খবৰ দিয়া মতেই সি নৰেনৰ দোকানলৈ গৈ কমলৰ খবৰ কৰিবলৈ ঠিক কৰিলে।

নৰেনো তাৰ স্কুলীয়া দিনৰ বন্ধু। পঢ়াশুনাত ভাল নহ লেও নৰেনে খুব ভাল ফুটবল খেলিছিল। সি সিহঁতৰ স্কুলৰ গ লকিপাৰ আছিল। কোনোবা এবাৰ টুৰ্ণামেণ্ট ফাইনেল এখনত নৰেনে খুব ভাল খেলিছিল। নৰেনৰ বাবেই সিহঁতৰ স্কুলৰ টিমটো কেইবাটাও নিশ্চিত গ লৰ পৰা ৰক্ষা পৰিছিল। খেলাৰ শেষত খেল জিকাৰ আনন্দত বহুত ল'ৰাই নৰেনক কান্ধত তুলি প্ৰছেছন কৰি লৈ গৈছিল। নৰেনৰ চুবুৰিৰ কেইবাজনীও যুৱতীয়া ছোৱালীয়ে সেই সময়ত তালৈ চিঠি লিখিছিল। চিঠিবিলাক সি স্কুললৈ লৈ আহিছিল আৰু সিহঁতে জাকবান্ধি সেইবিলাক পঢ়িছিল। সেইসময়ত নৰেনৰ প্ৰতি তাৰ ভীষণ ইৰ্ষা হৈছিল। অথচ নৰেন সেই বিলাক কথাৰ প্ৰতি প্ৰায় উদাসীন আছিল। নৰেনৰ তেতিয়া এটাই সপোন আছিল —ডাঙৰ হ লে মোহনবাগান দলৰ হৈ খেলাৰ সি ঠিক কৰি থৈছিল মেট্ৰিক দিয়েই সি কলিকাতালৈ যাব আৰু তাতে কলেজ এখনত নাম লগাব। প্ৰথমতে সি সৰুসুৰা টিমবিলাকত খেলিব আৰু এসময়ত ভাল খেল দেখুৱাই মোহনবাগানৰ কৰ্মকৰ্তাসকলৰ চকুত পৰিব। সি পলাই হ লেও কলিকাতালৈ যাব। কিন্তু ককায়েকৰ ঘটনাটোৱেই সকলো থানবান কৰি দিলে। ইলি ছিনেমা হলৰ কাষতে তাৰ ককায়েক শেখৰদাৰ বেচ ভালকৈ চলা পাণদোকান এখন আছিল। সিহঁতৰ ঘৰৰ একমাত্ৰ উপাৰ্জন কৰোঁতা সেই শেখৰদা এদিন হঠাৎ পগলা হৈ গ'ল। অনেক চিকিৎসাৰ পাছতো ককায়েকৰ উন্নতি নোহোৱাত এসময়ত বাধ্য হৈ নৰেন দোকানত বহিবলগীয়া হ'ল। আনকি তাৰ মেট্ৰিক পৰীক্ষাটোও দিয়া নহ'ল। মোহনবাগানৰ সম্ভাব্য গ'লকিপাৰ হঠাৎ ৰূপান্তৰিত হ'ল পাণদোকানীলৈ। বহুত দিনলৈকে নৰেনৰ কথা ভাবি তাৰ বৰ দুখ লাগিছিল। কাম নাথাকিলেও সন্ধিয়া সময়ত নৰেনৰ দোকানৰ সমুখত আড্ডা মাৰি তাক উৎসাহ দিয়াটো সিহঁতৰ লগৰ বেছিভাগ বন্ধুৱেই এটা নৈতিক দায়িত্ব বুলি ধৰি লৈছিল। আজিকালি অৱশ্যে তাৰ নিজৰ অৱস্থাৰ তুলনাত নৰেনক ইমান সচ্ছল যেন লাগে যে তাৰহে নৰেনলৈ সংকোচ হয়।

নৰেন দোকানতে আছিল। তাক সি ভিতৰৰ পিনে থকা বেঞ্চখনতে বহিবলৈ ঠাই উলিয়াই দিলে। তাৰ দৰিদ্ৰ অৱস্থা সামান্য চাকৰি ইত্যাদিৰ প্ৰতি নৰেনৰ এটা ৰোমাণ্টিক ভাব আছে। নৰেনে ভাবে—সি কিবা 'আদৰ্শ' আদিৰ বাবেহে তেনে দৰিদ্ৰ জীৱন এটা সাবটি লৈছে। ইচ্ছা কৰা হ'লে সি সহজে এটা স্বচ্ছল জীৱন যাপন কৰিব

পাৰিলেহেঁতেন। আৰু সেইবাবেই বোধকৰোঁ বাকীবিলাক বন্ধুৱে নবেনে তাক অলপ সমীহ কৰে।

নবেনৰ পৰা সি খবৰ পালে যে কমল আজি অহা নাই। কিন্তু সন্ধিয়া সময়ত সাধাৰণতে সি পাক এটা মাৰে। তাৰ আপত্তি সত্বেও নবেনে চিগ্রেৰ এটা মাৰি তাৰ বাবে কাষৰ দোকানখনত একাপ চাহৰ অৰ্ডাৰ দিলে।

নবেন গ্ৰাহকৰ লগত ব্যস্ত আছিল। এবাৰ বজাৰ ছিনেমাখনৰ বাবে লাহে লাহে মানুহ আহিবলৈ আৰম্ভ কৰিছিল। চাহকাপ খাই সি ছিনেমা চাবলৈ অহা মানুহবিলাকক লক্ষ্য কৰিলে। এইখন চহৰতে ডাঙৰ হৈছে যদিও ছিনেমা চাবলৈ অহা বেছিভাগ মানুহকে সি চিনি নাপায়। খুব সম্ভৱ এইবিলাক চহৰৰ ওচৰতে থকা মিলিটেৰি কেম্পটোৰ মানুহ। সুন্দৰ সাজ পাৰেৰে আবৃত হৈ পৰিবেশটো সুগন্ধিময় কৰি স্কুটাৰৰ পৰা নামি অহা কেইবাযোৰাও দম্পত্তিক নবেনে কপালত হাত লগাই পৰিচিতৰ হাঁহি মাৰিলে। ছিনেমা সি বহুতদিন চোৱা নাই। এবাৰ মীনাহঁতক লৈ দুবছৰমানৰ আগতে সি অসমীয়া ছিনেমা এখন চাইছিল। হিন্দীতে নবেনৰ লগত কথাপাতি থকা পাণ কিনিবলৈ অহা দম্পতিহালৰ মহিলাগৰাকীৰ ওপৰত হঠাতে তাৰ চকু পৰিল। আৰু লগে লগে সি যেন উশাহ লবলৈ পাহৰি গ'ল। খীণকৈ ওখ বগা ৰঙৰ মহিলাগৰাকীয়ে মূৰৰ পৰা ভৰিলৈকে সম্পূৰ্ণ বগা সাজপাৰ পিন্ধি আহিছিল। কপালৰ ৰঙা ফোঁটটোৰ বাহিৰে গোটেই মানুহজনীয়েই বগা ৰঙেৰে আবৃত হৈ আছিল। খুব ধুনীয়া নহ'লেও মানুহজনীৰ মুখত এনে এটা কমনীয়তা আছিল যে সি তাৰ দৃষ্টি মানুহজনীৰ পৰা আঁতৰাই আনিব নোৱাৰিলে। চুটি ব্লাউজ আৰু যথেষ্ট তলত পিন্ধা শাৰীখনৰ বাবে তাইৰ দেহৰ অনেক অংশ অনাবৃত হৈ আছিল। সামান্য স্ফীত নাভিদেশৰ বগা মিহি ছালখন ইমান আকৰ্ষণীয় হৈ ওলাই আছিল যে তাৰ এনে লাগিল যেন আঙুলিটোৰে এবাৰ চুই চাব! মানুহ ইমান সুন্দৰ আৰু আকৰ্ষণীয় হ'ব পাৰেনে? এটা পুলকভৰা অনুভূতিৰ ঢৌৱে তাৰ মনত আকৌ এবাৰ খুন্দিয়াই গ'ল চিনাকি অচিনাকিৰ এক অস্পষ্ট ছায়া।

হঠাৎ নবেনৰ মাতত সি চমকি উঠিল। — এইখন আমাৰ ৰাজুৰ ছিনেমা জাননে নাজান? প্ৰিমিয়াৰ শ্ব'ৰ দিনা মোৰ দোকানত বৈ সি পাণ খাই গ'ল। সি একেই আছে দোচ বৰ ভাল লাগিল।

হয়। এতিয়াহে সি মন কৰিলে। সিহঁতৰ এসময়ৰ সহপাঠী ৰাজু বৰুৱাৰ চেহেৰাটো ওচৰতে থকা প'ষ্টাৰবিলাকত স্পষ্টকৈ জিলিকি আছে। নিজৰ ভাবত বিভোৰ হৈ থাকোঁতে ইমানপৰে সি কথাটো মনেই কৰা নাছিল।

প'ষ্টাৰখনত ৰাজুৱে এখন হাত নায়িকাৰ কঁকালত থৈছে আনখন হাত দাঙি এটা গান গোৱাৰ পজ লৈছে। জেকেট এটা পিন্ধি মুকলি হাতখনত এযোৰ গগলছ লৈ থকা ৰাজুক বেচ সক কলেজীয়া ডেকা ল'ৰা এটা যেন লাগিছে। ৰাজুক ভালকৈ চোৱাৰ পাছতহে তাৰ নায়িকাগৰাকীলৈ চকু গ'ল। কেইঠাইমানত বগা মণি মুকুতাৰে আৰৰা সামান্য ঢাকনিৰ বাহিৰে মৰমলগা চেহেৰাৰ নায়িকাগৰাকীৰ দেহত বস্ত্ৰ প্ৰায় নায়েই। এইটো নিশ্চয় কিবা নাচৰ পোছাক। তাই বৈ থকা ভংগিমাটোও নাচৰ। ৰাজুৰ

বাঁও হাতখন অতি স্পষ্টকৈ তাইৰ অনাবৃত নাভিদেশত লাগি আছে। অলপ আগতে দেখা মহিলাগৰাকীৰ নাভিদেশৰ ঠিক সেই অংশতে তাৰ আঙুলিটো এবাৰ লগাই দিয়াৰ কল্পনা কৰিয়েই তাৰ গা মূৰ ৰাই জাঁই কৰিছিল। এতিয়া তাৰ লগতে পঢ়া ৰাজু বৰুৱাই সেই মহিলাগৰাকীতকৈ অনেকগুণে সুন্দৰী এই চলচ্চিত্ৰ নায়িকাৰ উন্মুক্ত নাভিদেশত তাৰ আৰু গোটেই পৃথিৱীৰ সমুখতে নি সংকোচে হাতখন দি আছে। তাৰ মনটো বৰ ৰিঙা ৰিঙা লাগিল।

প্ৰচলিত সামাজিক মূল্যবোধেৰে তাতকৈ নিঃকিনভাৱে বাস কৰা নৰেনৰ বাৰু এনে অৱস্থাত তাৰ নিচিনা ৰিক্ত সৰ্বস্বান্ত যেন লাগেনে ? কিন্তু খুব সম্ভৱ নৰেন আজিকালি এনে অনুভূতিৰ উৰ্দ্ধত। এবাৰ নৰেনক সি ভাত খাবলৈ নিমন্ত্ৰণ কৰিছিল। নানান গহনাৰে প্ৰায় পোত খাই অহা নৰেনৰ লোদোৰ পোদোৰ ৰাঙা বৌক দেখি তাৰ ভাব হৈছিল যে নৰেনৰ লগত দুৰৱস্থাজনিত আত্মিক যোগাযোগ তাৰ শেষ হৈ গৈছে। দোকানখনে আনি দিয়া আৰ্থিক সচ্ছলতাই নৰেনৰ দৰিদ্ৰতাৰ গ্লানি 'পাণদোকানী' পৰিচয়টোৰ অস্বস্তিখিনি আঁতৰাই দিছে। তাৰ বৰ্তমানৰ প্ৰায় নিৰুদ্বেগ জীৱনে-তাৰ আগৰ সকলো সংকোচ ধুই মচি নিছে।

অলপ সময় বহি ৰ'দে ৰ দে ছাইকেল মাৰি সি ঘৰলৈ উভতিল। আহোঁতে কমলৰ ঘৰৰ আগত স্কুটাৰ নেদেখি সি গম পালে যে কমল এতিয়াও ঘূৰি অহা নাই।

ভাত খোৱাৰ পাছত ৰাতিপুৱাই ধুই থৈ যোৱা কাপোৰ কানিখিনি সামৰি সুতৰি সি দেখিলে—তিনি বাজিবলৈ মাত্ৰ দহ মিনিট আছে। ভাগৰ লাগিছিল যদিও সি জিৰোৱাৰ চিন্তা বাদ দিলে। এতিয়াই ওলাই গ লেহে সি চাৰিবজাত মোমায়েকৰ ঘৰ পাবগৈ। তিনিবজাতো গৰমৰ দিনৰ বেলিটোৱে খাওঁ খাওঁ মূৰ্তি ধৰি আছে।

লৰালৰিকৈ কাপোৰ কানি পিন্ধি সি মোমায়েকৰ ঘৰলৈ ওলাল। চোকা ৰ দটো তাৰ মুখত পোনপটীয়াকৈ পৰিছিল। সি গম পালে—তাৰ পাঞ্জাবিটো ঘামত তিতি গৈছে। সি ঠিক কৰিলে—মোমায়েকৰ ঘৰত কিছুপৰ বিশ্ৰাম লোৱাৰ পাছতহে সি মেনেজাৰৰ তালৈ যাব। নহ লে ঘামেৰে এনেকৈ চপচপীয়াকৈ তিতি গ লে তাৰ কাম পোৱাৰ কোনো আশা নাই।

মোমায়েকৰ তালৈ গৈ সি গম পালে যে কিবা কামত মেনেজাৰে তেওঁক বঙলালৈ মতাই নিছে। এনেকৈ ঘামি জামি মেনেজাৰৰ তালৈ যাব নলগা বাবে সি ভাল পালে।

মোমায়েক তাৰ কাণ সমনীয়া। সৰুৰে পৰাই একেলগে খেলি ধুলি সিহঁত ডাঙৰ হৈছে। আগতে মোমায়েক তাৰ নিচিনাই খীণ আছিল। বাগানৰ চাকৰিত সোমোৱাৰ পাছত লাহে লাহে শকত হৈ এতিয়া গায়ে-গাৰিয়ে বেচ থুলন্তৰ পুৰুষ হৈ পৰিল। সিহঁত দুয়োটাকে একেলগে থিয় কৰাই দিলে এতিয়া কোনেও ক'ব নোৱাৰিব যে সিহঁত একে বয়সীয়া বন্ধু।

মামীয়েক সিহঁততকৈ তিনি চাৰি বছৰ সৰু হ'ব। ভাল খোৱা বোৱা চিন্তাহীন আৰামৰ জীৱনে মামীয়েকৰ গোটেই দেহাটোতে এটা আলস্যজনিত কোমলতাৰ প্ৰলেপ সানিছে। তেওঁলোকৰ একমাত্ৰ ছোৱালীজনী খেলিবলৈ গৈছে। তাৰ লগত কথা পাতিবলৈ ভিতৰৰ বাৰাণ্ডাত মামীয়েকে ওচৰতে চকী এখন পাৰি ললেহি।

ক'বলৈ গ'লে মামীয়েকৰ লগত কথা পাতি সি সাধাৰণতে ভালেই পায়। এতিয়াও সিহঁতে আপোনা আপুনিকৈ মাতে। তথাপি প্ৰায় সমবয়সীয়া হোৱা বাবে আৰু মোমায়েকৰ লগত তাৰ ঘনিষ্ঠ বন্ধুৰ দৰে সম্পৰ্কৰ বাবে তাই তাৰ লগত অতি ঘনিষ্ঠভাৱে মুকলিমূৰীয়াকৈ কথা পাতে। কিন্তু মামীয়েকে সাধাৰণতে তাৰ লগত যিটো সুৰত কথা পাতে বা যিবিলাক প্ৰসংগৰ অৱতাৰণা কৰে বা মাজে মাজে যি অৰ্থপূৰ্ণ দৃষ্টিৰে তালৈ চায় সেইবিলাকৰ পৰা তাৰ মনে মনে সন্দেহ হয়—মামীয়েক বাৰু তাৰ প্ৰতি সামান্য অনুৰক্ত নেকি? কথাটো ভাবিলেই মগজুৰ এটা কোণত সি এক অজান পুলক অনুভৱ কৰে। বোধকৰোঁ সেই কল্পনাই তাক আশ্বাস দিয়ে—সি যেন এতিয়াও সম্পূৰ্ণ ৰিক্ত হৈ যোৱা নাই। কিন্তু পাছ মুহূৰ্ততে নিজৰ শীৰ্ণ ৰুক্ষ চেহেৰাটো আৰু দাৰিদ্ৰ্যজনিত পৰিচয়টোৰ (যিটো লাহে লাহে প্ৰায় স্থায়ী হৈ আহি আছে) কথা মনত পৰিলে সি সংকুচিত হৈ পৰে আৰু তাৰ আগৰ ধাৰণাটো অমূলক বুলি পাহৰি পেলাবলৈ যত্ন কৰে। লগে লগে তাৰ আন এটা সম্ভাৱনাৰ কথা মনলৈ আহে। ইতিমধ্যে যথেষ্ট শকত আৰু আৰামপ্ৰিয় হৈ পৰা মোমায়েকৰ লগত দাম্পত্য জীৱনৰ কোনোবা এটা দিশত তাই বাৰু উপেক্ষিত অনুভৱ কৰে নেকি? ছোৱালীজনী আৰু মোমায়েক নথকা অৱস্থাত প্ৰায়ে সি মামীয়েকক কিছুমান বাঙালী উপন্যাসত মূৰ গুঁজি থকা দেখে। কিন্তু কিতাপবিলাকৰ বেটুপাতত থকা নায়ক নায়িকাৰ ভংগিমা আৰু বেশভূষাৰ পৰাই সি আন্দাজ কৰে—ভিতৰৰ কাহিনীবিলাক যেন আদি ৰসেৰে সিক্ত! মোমায়েকৰ মেদবহুল দেহা অত্যধিক খাদ্যপ্ৰীতি আৰু আলস্যজনিত অৱহেলাৰ বাবেই বাৰু অনবৰত উৎসাহত টগবগাই থকা মামীয়েকে সেই উপন্যাসবিলাকত কিবা বিকল্প সন্তুষ্টি বিচাৰি থাকে নে কি? আৰু সেই মামীয়েকে তাৰ প্ৰতি যেতিয়া অত্যধিক আগ্ৰহ প্ৰকাশ কৰে তাৰ লগত চুপতি মাৰে আৰু তিৰোতাসুলভ লঘু আজে বাজে কথাৰে তাক আপ্যায়িত কৰে তেতিয়া সঁচাকৈয়ে তাৰ ভাব হয় যেন নিজ ন পৰত মামীয়েকে তাক নিশ্চয় এটা সম্ভাব্য বিকল্পৰূপে কল্পনা কৰে। কথাটো ভাবিলেই কাণ মূৰ গৰম হৈ উঠে আৰু সি মামীয়েকৰ চকুলৈ চাব নোৱৰা হয়। এনে অৱস্থাত মামীয়েক মানুহজনীকো সি পোনপটীয়াকৈ চাব নোৱৰা হয়। চকুৰ দৃষ্টি ইফাল সিফাল কৰোঁতে—যেন সি একো ক'বই নোৱাৰে প্ৰায় এনেকুৱা ভাবেৰে প্ৰায়ে তাৰ দৃষ্টিয়ে মামীয়েকৰ অ ত ত ত চুই আহে। আৰু তেনে অসংখ্য চাক্ষুষ স্পৰ্শৰ ভিত্তিতে মামীয়েকৰ চেহেৰাটোৱে তাৰ মনৰ ভিতৰত গঢ় লয়।

আজিও মামীয়েকে তাৰ লগত নানান লাপিলুপা পৰিহাসমূলক কথা পাতিলে। তাৰ খীন দেহাটোৰ প্ৰশংসা কৰিলে মোমায়েকৰ এলেহুৱা স্বভাৱৰ লগত তাৰ সদাব্যস্ত স্বভাৱৰ তুলনা কৰিলে। কথাবোৰৰ সুৰ পাতল আছিল কাৰণে এবাৰ কথাৰ মাজতে খীন হ'লে কি হ'ব বুলি কিবা এটা কওঁতে সি বিশেষ গুৰুত্ব দিয়া নাছিল কিন্তু অলপ পাছতে যেতিয়া তাৰ তিনিটা সন্তান থকা কথাটোক লৈ মানুহজনীয়ে আদিৰসাত্মক জ'ক কৰিলে তেতিয়া সঁচাকৈয়ে সি ৰঙা ছিঙা পৰি গ ল। প্ৰায়ে হোৱাৰ দৰে সি প্ৰথমতে অপ্ৰস্তুত বিব্ৰত আৰু ক্ৰমে পুলকিত হ'ল।

কিন্তু সি মন কৰিলে—মামীয়েকৰ কথা বতৰাই আন দিনৰ তুলনাত আজি তাৰ মনত এক বেলেগ ধৰণৰ চঞ্চলতাৰ সৃষ্টি কৰিলে। মনৰ কোনো এক গহন কোণত এক মধুৰ কম্পনৰ সৃষ্টি হৈছে।

এসময়ত মোমায়েক ঘূৰি আহিল। মেনেজাৰৰ ল'ৰা ছোৱালী দুটা পঢ়ুৱাবলৈ ইতিমধ্যে আন এজন শিক্ষকৰ লগত বন্দবস্ত হোৱা বুলি শুনি সি আহত হ'লেও আচৰিত নহ'ল।

মোমায়েকৰ কথা বতৰাত বিষয়বস্তু তেনেই সীমিত। বাগানৰ পৰিসীমা মেনেজাৰ শাক পাচলি গৰু গাই বস্তুৰ বাঢ়ি অহা দাম আদি কেইটামান বিষয়বস্তুতে মোমায়েকৰ কথা বতৰা সীমাবদ্ধ। সেয়ে অলপপৰ কথা পতাৰ পাছতে সি যাবলৈ উঠিল।

ক'বলৈ গ'লে আজিৰ দিনটো এতিয়ালৈকে এটা বিফল দিন। চেষ্টা কৰা প্ৰত্যেকটো কামতেই আজি সি বিফল মনোৰথ হৈছে। কিন্তু হতাশাৰ মাজ'তো উৎসাহৰ বিজুলী এচাটিয়ে অজানিতে তাৰ মনটো মাজে মাজে পোহৰাই তোলাৰ কথা সি অনুভৱ কৰিলে। কমলৰ তালৈ সি আকৌ এবাৰ যাবলৈ ঠিক কৰিলে।

কমলৰ ঘৰলৈ বুলি ছাইকেল মাৰি গৈ থাকোঁতে তাৰ শৈশৱটো যেন চকুৰ আগত ভাঁহি উঠিল। দেউতাকৰ মৃত্যুৰ পাছত তাৰ জীৱনটো বহুত বেলেগ হৈ গৈছিল। আনবিলাক বন্ধুৰ দৰে কমলৰ লগতো তাৰ মিলা মিছা কমি আহিছিল। কিন্তু স্বভাৱতে ফূৰ্তিবাজ কমলে তাক বহুতদিনৰ মূৰে মূৰে লগ পালেও এটা সুন্দৰ বন্ধুত্ব বজাই ৰাখিছিল। কমলেই বোধকৰোঁ তাৰ একমাত্ৰ বন্ধু আছিল যাৰ আগত নিজৰ দৰিদ্ৰতাক লৈ তাৰ অকণো সংকোচ হোৱা নাছিল।

ক বলৈ গ লে কমলহঁতৰ ঘৰৰ অৱস্থাও বেছি সচ্ছল নাছিল। কিন্তু এতিয়া কমল এক প্ৰতিষ্ঠিত ব্যৱসায়ী। গাঁৱৰ ঘৰখন থাকোঁতেও কমলে চহৰত মাটি কিনি ঘৰ সাজিলে। নিজৰ পৰিয়ালটো লৈ সি এতিয়া চহৰত থাকে। সিহঁতৰ লগত একেলগে পঢ়া কেইবাটাও ইঞ্জিনিয়াৰ ডাক্তৰ বা আন্ আন ভাল চাকৰি কৰা বন্ধুৰ নোদোকা মঙহ'ল ফুলি উঠা চেহেৰাবোৰ দেখি আগতে সি বৰ অস্বস্তি অনুভৱ কৰিছিল। সিহঁতহে বৰ আৰামত আছে সিহঁতেযে প্ৰত্যেক দিনে সুখাদ্য খাইছে থকা পিন্ধা খোৱাৰ বাবে চহৰত পোৱা আটাইতকৈ ভাল বস্তুবোৰ ব্যৱহাৰ কৰিবলৈ পাইছে সেইবিলাক কথা সিহঁতক দেখিলেই পৰিষ্কাৰ হৈ পৰে। আৰু ঠিক সেইটো কাৰণতে সি সিহঁতৰ আগত বৰ অপ্ৰস্তুত হৈছিল। কিন্তু কমলৰ লগত মিলা মিছাটো থকাৰ বাবেই আজিকালি তাৰ সেই সফল বন্ধুবিলাকৰ সমুখত উপস্থিত হোৱা অস্বস্তিকৰ অৱস্থাটো নোহোৱা হ'ল। কমলৰ মুখখন দেখি তাৰ আৰ্থিক অৱস্থাৰ কথা কোনেও অনুমান কৰিব নোৱাৰে। ৰ'দে বৰষুণে অনবৰত ঘূৰি ফুৰিব লগা হোৱাৰ বাবেই কমলৰ চেহেৰাটোত এটা ৰ'দেপোৰা ভাব আছে। চেহেৰাটোত কোমলতাৰ সলনি এক প্ৰায় ৰুক্ষতা আছে। কাপোৰ কানিৰ পিনেও সি বৰ মন দিয়ে বুলি ক'ব নোৱাৰি। গাড়ী থকা সত্বেও সি দিনটো স্কুটাৰ এখনতে ঘূৰি ফুৰে। অথচ অলপ সময় তাৰ লগত কটালে বা তাৰ ঘৰলৈ সোমাই গ'লেই গম পোৱা যায় যে মধ্যবিত্ত মানুহে কল্পনা কৰিব

পৰা সকলো গৃহস্থালি সম্পদ ইতিমধ্যে সি আহৰণ কৰিছে। সেইবিলাক লৈ তাৰ বিশেষ গৌৰৱো নাই। আৰু অহেতুক সংকোচো নাই।

কমল আজিকালি ব্যস্ত মানুহ। সি শুনামতে কেইবাজনো নেতাৰ লগত তাৰ বেচ হলিগলি আছে। চহৰৰ কেইবাটাও প্ৰতিষ্ঠানৰ পৰিচালনা সমিতিৰ সি সদস্য। ক'বলৈ গ লে সি এটা হাতদীঘল মানুহ।

দিনৰ ভাগত কমল ইমান ব্যস্ত হৈ থাকে যে কেতিয়াবা তাৰ তাক মাতিবলৈকো ভয় লাগে। কাম সংক্ৰান্ত মানুহ কিছুমানক তাৰ উপস্থিতিতে সি কেতিয়াবা এনে কক্ষ ব্যৱহাৰ কৰে যে সি ভীষণ অসুবিধা পায়। তেনে অৱস্থাত অস্বস্তি পাই কেতিয়াবা সি উঠি আহিব খুজিলেও 'আৰে বহচোন বুলি সি তাকো ইমান টান সুৰত কৈ দিয়ে যে সি বৰ বিব্ৰত হয়। কিন্তু সি জানে যে বন্ধুত্বৰ দাবীতে সি তাক তেনেকৈ দুটা মাতেৰে কথা ক'বলৈ স কোচ নকৰে।

কিন্তু সেই কমলৰে ৰূপ সন্ধিয়াৰ পাছত সম্পূৰ্ণ সলনি হৈ যায়। ৰাতি সি ব্যৱসায় সংক্ৰান্ত কাম একো নকৰে। সন্ধিয়া গা পা ধুই পৰিষ্কাৰ হৈ কমলে সুৰাপান কৰে। ক বলৈ গ লে পৰিয়ালৰ মানুহে বা ল'ৰা ছোৱালীকেইটায়ো সন্ধিয়াৰ পাছতহে তাক ভালকৈ লগ পায়। সন্ধিয়াৰ পাছত কমল এটা সম্পূৰ্ণ বেলেগ মানুহ। সুৰাপানৰ বাবেও কমলে কোনো লগ বিচাৰি নুফুৰে। পৰিয়ালৰ সকলোৰে মাজত হাঁহি তামাচা কৰি কোনো হাই উৰুমি নোহোৱাকৈ আনন্দেৰে কমলক সুৰাপান কৰি থকা দেখি তাৰ আজন্ম স স্কাৰ সত্বেও সুৰাপান সম্বন্ধীয় অনেক ধাৰণা আজিকালি সলনি হৈ যাব খোজে।

কিন্তু সুৰা পেটলৈ যোৱাৰ পাছত কমল মানুহটো অলপ ছেন্টিমেন্টেল হৈ পৰে। শৈশৱৰ স্মৃতি স্কুলীয়া জীৱন সিহঁতে একেলগে কৰা নানা উৎপাত ফূৰ্তি সিহঁতক পঢ়োৱা শিক্ষকসকলৰ কাহিনী আদি বহুত কথা তেতিয়া কমলৰ মনত পৰিবলৈ আৰম্ভ কৰে। সেই সময়খিনি তাৰ বাবে বৰ লোভনীয়। তাৰ এনে লাগে যেন কমল আৰু তাৰ বন্ধুত্বই সিহঁতৰ বৰ্তমানৰ গভীৰ সামাজিক বৈষম্যৰ সীমা ভেদি এক নতুন ৰূপত উদ্ভাসিত হৈছে। আৰু মনোৰম ৰোমাঞ্চকৰ সেই ঘটনাবিলাকৰ স্মৃতিচাৰণে তাৰ নৈৰাশ্যভৰা জীৱনটোত ক্ষণিকৰ বাবে হ'লেও অলপ আনন্দৰ ৰহন সানি থৈ যায়। সেইবাবে কমলৰ তালৈ সাধাৰণতে সি সন্ধিয়াৰ পাছত যায়।

কমল ঘৰতে আছিল। সি কল্পনা কৰাৰ দৰেই কমলে আৰামত বহি তাৰ ল ৰা ছোৱালী দুটাৰ সৈতে ধেমালি কৰি আছিল। গা পা ধুই নিমজকৈ চুলি আচুৰি পৰিষ্কাৰ পায়জামা পাঞ্জাবি পিন্ধি থকা কমলৰ তুলনাত তাৰ নিজকে বৰ অপৰিষ্কাৰ যেন লাগিল। কমল বহি থকা ডিভানখনৰ ওচৰতে সৰু টেবুল এখনত বটল গিলাছ আদি সজোৱা আছিল। কৰুণাই ওচৰতে চকী এখনত বহি কিবা চিলাইৰ কাম কৰি আছিল।

তাক দেখি কমলে বেচ উৎসাহেৰেই সম্ভাষণ জনালে। কেইদিনমানৰ আগতে সি কিনি অনা কবিতা আবৃত্তিৰ ৰেকৰ্ড এখন শুনিবলৈ সি হেনো এজন উপযুক্ত শ্ৰোতাৰ সং বিচাৰি ফুৰিছিল। সঁচাকৈয়ে অলপ পাছত তাক শুনাবলৈ কমলে কবিতাৰ ৰেকৰ্ডখন বিচাৰি আনিলে। কবিতাৰ ৰেকৰ্ডৰ পাছত আৰম্ভ হ'ল সিহঁতৰ সময়ৰ

পুৰণা গানবিলাক। আজি সি সোনকালে ওভতাৰ কথা ভাবিছিল যদিও অৱশেষত কমলহঁতৰ ঘৰত বহুতপৰ থাকিব লগা হ'ল।

নিচা বেছি হৈ অহাৰ লগে লগে তাৰ প্ৰতি থকা কমলৰ বন্ধুত্বভাব বেছি গাঢ় হৈ আহিল আৰু সি তাক এৰি দিবলৈ নিবিচৰা হ'ল। শৈশৱ আৰু স্কুলীয়া জীৱনৰ বহুতো আমোদজনক কাহিনী কমলে কৰুণাৰ আগত সবিস্তাৰে বৰ্ণনা কৰিলে। সেইবিলাকৰ বহুতো কাহিনীৰ নায়ক যে সিয়েই আছিল সেইকথা ভাবি ইমান বছৰৰ পাছতো তাৰ মনটো ভাল লাগিল।

মাজতে সুবিধা বুজি সি কমলৰ আগত স্কুলৰ কথাটো উলিয়ালে। কামটোৰ বাবে এতিয়াও কাকো লোৱা নাই বুলি শুনি প্ৰথমতে সি আশ্বস্ত হ'ল কিন্তু কমলৰ পিছৰ কথা কেইষাৰে তাৰ উৎসাহত চেঁচাপানী ঢালিলে। কমলৰ মতে নৈশ স্কুলখন এটা ৰাজনৈতিক চাল অহা বছৰ হ বলগীয়া নিৰ্বাচনৰ প্ৰস্তুতিৰ এটা অংগ। বৰ্তমানৰ দলটো চৰকাৰ থাকিলে স্কুলখন টিকি থাকিব নহ'লে বন্ধ হৈ যাব পাৰে। কমলৰ মতে এনে এটা অনিশ্চিত কামলৈ সি সুবিধা পালেও যাব নালাগে। অৰ্থাৎ যোৱা কেইবাদিনো কল্পনাৰে সি যিটো সৌধ সাজি আছিল কমলৰ এটা কথায়েই তাক ভাঙি চুৰমাৰ কৰি পেলালে।

কমলৰ মুখৰ কথাকেইটা শুনাৰ পাছত তাৰ সোনকালে ঘৰলৈ উভতিবলৈ মন গ'ল। কিন্তু সি জানে ঘৰলৈ গৈয়ো সি একো স্বস্তি নাপাব। দিনটোৰ ব্যস্ততাৰ মাজত সি পাহৰি থকা সকলো সুৰা অনেক সমস্যা সি ঘৰখন পোৱাৰ লগে লগে জীৱন্ত হৈ উঠিব। তাৰ আশাহীন বৈচিত্ৰ্যহীন দুৰ্ভাৱনাভৰা জীৱনটোৰ তুলনাত কমলৰ নিশ্চিন্ত সচ্ছল আৰামপ্ৰদ (অন্ততঃ বৰ্তমান) জীৱনটোৱে তাৰ দুৰ্দশাখিনি বেছি প্ৰকট কৰি তুলিলে।

লাহে লাহে কমলৰ কথা বতৰা আড়ষ্ট হৈ আহিছিল। কমলৰ অৱস্থা দেখি তাঁলৈ চাই কৰুণাই এক বুজাবুজি ৰ হাঁহি মাৰিলে। সম্ভৱ ৰাতিপুৱা কমলৰ সুৰাপানৰ বিষয়ে তাই দাঙি ধৰা বিস্তৃত বৰ্ণনাৰ কিবা কিবি মিলি যোৱাৰ কাৰণে। সি কিন্তু তাইৰ হাঁহিৰ প্ৰত্যুত্তৰ দি তাইৰ তেনে ব্যৱহাৰৰ ভাগী হ বলৈ উৎসাহিত বোধ নকৰিলে। তাইলৈ চাই থাকোঁতেই তাৰ আজি পুৱাৰ সেই অসাৱধান মুহূৰ্তকেইটাৰ কথা মনত পৰি গ'ল। আৰু লগে লগে তাৰ মনটোত অজান চিকমিকনি এটাই খেলা কৰি গ'ল।

এসময়ত সি কমলহঁতৰ পৰা বিদায় ল'লে। কালি ৰাতি শুবৰ সময়ত তাৰ মনটো কল্পনাৰে ৰঙীন হৈ আছিল। মেনেজাৰৰ ঘৰৰ কামটো পালে কি হ'ব ৰাতিৰ স্কুলখনৰ কামটো ঠিক হ'লে কি হ'ব এইবিলাক কথা ভাবি তাৰ মনটো উৎফুল্ল হৈ আছিল। কিন্তু আজিৰ দিনটোৱে সেই সকলো সম্ভাৱনা ধূলিস্যাৎ কৰি পেলালে। মনটো তাৰ তেনেই দমি গ'ল। কিন্তু এই হতাশাৰ মাজতো কিবা এক মধুৰ চেতনাৰ স্ফুলিংগই তাৰ মনত মাজে মাজে খুন্দিয়াই গ'ল।

সি ঘৰ পাই মানে মীনা আৰু ল'ৰা ছোৱালীকেইটা বিছনাত। তাঁলৈ মজিয়াত ভাত বাঢ়ি থোৱা আছিল। যিমান পাৰে কম শব্দ কৰি সি ভাত খালে আৰু কাঁহী-বাটিখিনি এচুকত সামৰি থলে। মুখহাত ধুই বাহিৰৰ দুৱাৰ বন্ধ কৰি সি শোৱাকোঠালৈ

গ ল। তাৰ সক বিছনাখন খালী, কাষৰ ডাঙৰ বিছনাখনত মীনা আৰু ল'ৰা ছোৱালী কেইটা শুইছে।

আঁঠুৱাখন দাঙি সি ভিতৰলৈ চালে। বেৰখনৰ কাষতে আছে মীৰা আৰু জিতু। তাৰ পাছত কেঁচুৱাটো। আৰু একেবাৰে এইপিনে আছে মীনা। মীনাই তাৰ পিনেই মুখ কৰি আছিল। আঁঠুৱাখন দাঙিয়েই তাৰ মীনাৰ চকুৱে চকুৱে পৰিল। মীনা সাৰে থকা কথাটোৱে তাক এটা দুৰ্ভাৱনাৰ পৰা মুক্তি দিলে অৱশ্যে লগে লগে তাৰ মনলৈ আনি দিলে অৱশ্যম্ভাৱী সংকোচ।

মীনাই স্থিৰ দৃষ্টিৰে তালৈকে চাই আছিল। আৰু ঠিক এই দৃষ্টিটোৰ কাৰণেই তাৰ যত সংকোচ। চাৰিবছৰ একেখন বিছনাত শোৱা এইজনী মীনাৰ প্ৰতিটো তুচ্ছ ভংগিমাকো সি বুজি পায়। কিন্তু এনেকুৱা এটা মুহূৰ্তত তাইক তাৰ তেনেই অচিনাকি যেন লাগে। তাইৰ মনত এতিয়া ঠিক কি ভাব আছে সি নাজানে। কিন্তু এটা কথা নিশ্চিত যে তাই তাৰ উদ্দেশ্যটো ইতিমধ্যে জানি গৈছে। তাই কেনেকৈ গম পায় সি নাজানে। কিন্তু এনেকুৱা সময়ত তাৰ কাহানিও কোনো পাতনিৰ প্ৰয়োজন হোৱা নাই।

তাইৰ মনটো ?

পৰিশ্ৰান্ত তাই হয়তো এতিয়া শুবলৈ বিচাৰিছে। বা হয়তো তাই তাক আশা কৰিছিলেই আৰু এতিয়া তাৰ উদ্দেশ্যটো বুজি উৎফুল্ল হৈছে। আৰু আটাইতকৈ সম্ভাব্য সম্ভাৱনাটো হৈছে তাই একো ভবাই নাই। তাই কি ভাবিছে তাইৰ নিকত্তাপ মুখখন দেখি ধৰিব নোৱাৰি কিন্তু যিহকে নাভাবক তাই যে একো আপত্তি নকৰে সেইটো নিশ্চিত। বিয়াৰ পাছৰ পৰাই তাৰ এনেকুৱা গতিবিলাক তাই অৱশ্যে প্ৰাপ্যৰ দৰে গ্ৰহণ কৰি আহিছে।

কেতিয়াবা বৈচিত্ৰ্যহীনতাৰ ভাগৰে হেঁচা মাৰি ধৰিলে সি মীনাৰ এই নিকত্তাপ ভূমিকাক ভাঙি ছিঙি মানুহজনীক উন্মুক্ত কৰি দিয়াৰ কথা কল্পনা কৰে। কিন্তু এনেকুৱা যাত্ৰাত উভতি অহাৰ কথা সি মাথোঁ কল্পনাহে কৰিব পাৰে। আজিও সেই পুৱাৰে পৰা বিভিন্ন সময়ত তাৰ মূৰত খুন্দিয়াই যোৱা এই ক্ষুধাৰ চিকমিকনিক সি অস্বীকাৰ কৰিব পৰা নাই। এটা নিশ্চিত পৰিণতিৰ পিনে তাক লাহে লাহে টানি আনি থকা তাৰ বৰ্তমানৰ দ্ৰুত কম্পন সি অসহায়ভাৱে মাথোঁ অনুভৱ কৰিব পাৰে ব্যাহত কৰিব নোৱাৰে।

সি জানে তাৰ বৰ্তমানৰ এই কেইমুহূৰ্তমানৰ দুৰ্বলতাই তাৰ জীৱনলৈ কঢ়িয়াই আনিব পাৰে আৰু কিছুমান সমস্যা। আৰু চিন্তা। আৰু অভাৱ। অলপ সময়ৰ এই চেতনাহীনতাৰ সুযোগতে আৰু এখন নতুন মুখে তাৰ অভাৱ জৰ্জৰিত সংসাৰখন আৰু বিপন্ন কৰি তুলিবহি পাৰে। কিন্তু সি এতিয়া পৃথিৱীৰ সকলো সমস্যা পাহৰি যাব খোজে। তাৰ অভাৱগ্ৰস্ত সংসাৰ সমাজত তাৰ নিম্নতম অৱস্থিতি অসফল জীৱন উচ্ছ্বাস সকলো পাহৰি সি আশ্ৰয় লব খোজে এক পুৰণি চিনাকি অন্তৰংগতাত। ফুলশয্যাৰ নিশাৰ অপৰিচিত কঁপনি হয়তো তাত নাই কিন্তু আইতাৰ কোলাৰ চিনাকি নিৰ্ভৰতা আছে।

ইমান সময়ে মীনাৰ সম্ভাব্য প্ৰতিক্ৰিয়াটোৰ কথা ভাবিয়েই সি ইমান সংকোচিত হৈ আছিল যে অসংখ্য আনুষংগিক পৰিচিত পুলকবো আনন্দৰ কথা সি পাহৰিয়েই আছিল। এতিয়া শেষ মুহূৰ্তত তাৰে দুই-এটাৰ স্মৃতিয়ে তাৰ মনত খুন্দিয়াবলৈ ধৰিলে। তাৰ দেহ মন কঁপি উঠিল।

মীনাৰ স্থিৰ দৃষ্টিৰ পিনে চাই থাকিয়েই সি আঁঠুৱাখন দাঙি ভিতৰলৈ সোমাই গ ল।

১৬।৩।৯০

প্ৰভাত

ব্ৰজেন বৰা

চাকৰিৰ পৰা অৱসৰ পোৱাৰ পাছত কনক দাস মানুহজন যেন বেছি আত্মনিৰ্ভৰশীল হৈ পৰিল। অন্ততঃ তেওঁ নিজেই সেইদৰে ভাবে। নিচেই পুৱাতে শোৱাৰ পৰা উঠি তেওঁ নিজৰ বিছনাখন সুন্দৰকৈ পৰা মুখ হাত ধুই উঠি কাৰোকে চাহ একাপ নিজে কৰি খোৱা দুৱাৰ খিৰিকিবোৰ এফালৰ পৰা মেলা আদি কামবোৰ কৰি উঠাৰ পাছতহে ঘৰৰ বাকীবোৰ শোৱাৰ পৰা উঠে। সদায় এইখিনি কাম কৰি উঠি কনক দাসে আগফালৰ গেটৰ তলাটো খোলে আৰু কলেজখনলৈ যোৱা বাটটোৰে গৈ কিছু দূৰ ফুৰি আহে। সম্পূৰ্ণ সুস্বাস্থ্যৰ অধিকাৰী নহ'লেও কোনো কঠিন ৰোগৰ ৰোগী তেওঁ নহয়। সুস্থ সবল মানুহৰ দৰেই তেওঁ ছাইকেল চলাই দিনটোৰ বাহিৰৰ কাম কাজো কৰিব পাৰে।

দৈনন্দিন ৰীতি অনুযায়ী আজি ৰাতিপুৱাই কনক দাস প্ৰাত ভ্ৰমণৰ বাবে ওলাল। তেওঁ গেটৰ তলাটো খুলিলে আৰু তলাটো গেটৰ খাৰু এডালতে পুনৰ মাৰিলে। চাবিটো জেপত ভৰাই তেওঁ আলিবাটত উঠিলগৈ। ৰাতিপুৱাৰ স্নিগ্ধ বতাহ এছাটিয়ে তেওঁৰ মনটো ভাল লগাই গ'ল। তেওঁ লাহে লাহে গৈ থাকিল। সম্মুখৰ লাইটৰ খুটা আৰু তাঁৰত এজাক অচিনাকি চৰাই শাৰী পাতি বহিছিলহি। কনক দাস গৈ ওচৰ পোৱাত চৰাইজাক হুকসকৈ উৰি গ'ল তেওঁৰ মূৰৰ ওপৰেদি। তেওঁ চৰাইজাকলৈ উভতি চালে। সৰু ল'ৰা ছোৱালীৰ দৰে হাঁহি এটা তেওঁৰ মুখত খেলাই গ'ল।

কিছুদূৰ গৈ কনক দাস সাজিবলৈ আৰম্ভ কৰা ঘৰ এটাৰ সম্মুখত ৰ'ল। ইটা বালি শিলগুটিৰ দ'ম কেইটাৰ কাষত টিনৰ দীঘলীয়া চালি ঘৰ এটা। দুই এক ৰখীয়া পৰীয়া থকা ছিমেণ্ট লোহা খোৱা ঘৰেই হ'ব। চালি ঘৰটোৰ সম্মুখত চাৰিটা কাঠৰ খুটিৰ ওপৰত লোহা বেঁকা কৰা শকত বাতাম এডাল। প্ৰকাণ্ড প্ৰকাণ্ড গাঁতবোৰ আৰু শকত লোহাৰ প'টবোৰ দেখিয়েই কনক দাসে বুজি পালে যে ঘৰটো নিশ্চয় ডাঙৰ আৰু মজবুত হ'ব। দুই বা তিনি মহলীয়া হ'বই। এই আওহতীয়া ঠাইখিনিত যেতিয়া বহুত দিনৰ আগতে মাটি কিনিছিল তেতিয়া কনক দাসে বহুতৰে পৰা কথা শুনিছিল। মাতিলেও তেওঁৰ ঘৰলৈ মানুহ আহিব নুখুজিছিল। কিন্তু এতিয়া ঠাইখনৰ অস্বাভাৱিক পৰিবৰ্তন ঘটিল। এই ঠাইখনৰ ভৱিষ্যতৰ ৰূপ এটা কনক দাসে কল্পনা কৰিলে। তাহানিৰ সেই আওহতীয়া ঠাইখনৰ এই আলিবাটটো দ্ৰুতগতিত পকা হ'বলৈ আৰম্ভ কৰিছে। ধুনীয়া ধুনীয়া বিল্ডিংবোৰে কিছুদিনৰ ভিতৰত গঢ় লৈ উঠিব। ৰাস্তাৰ দুয়োফালে দেৱালবোৰ লোহাৰ সুদৃশ্য গেটবোৰ । সঁচাকৈয়ে এই ঠাইডোখৰ আৰু অলপ দিনৰ ভিতৰতে বৰ সুন্দৰ হৈ পৰিব।

কনক দাস আগ বাঢ়িল। কোবাল গতিৰে ছাইকেল চলোৱা মানুহ এটাই তেওঁৰ গাত বতাহ লগাই পাৰ হৈ গ'ল। ছাইকেলৰ কেৰিয়াৰত ডাঙৰ চাহপাতৰ বাকছ এটা। মানুহটোক তেওঁ চিনি পালে। দূৰৰ সৰু-সুৰা দোকানবোৰত বিস্কুট দিবলৈ যোৱা মানুহ। সদায় যায়। কোনোবা বেকাৰিত কাম কৰা মানুহ হ'ব পাৰে। প্ৰায়েই এনেকুৱা সময়ত দেখা পোৱা মানুহটোৰ প্ৰতি কনক দাসৰ মনত এক ভাল লগাৰ ভাব জাগি উঠিল। দূৰণিৰ কৰবালৈ ছাইকেল চলাই ধাৱমান হোৱা জীৱিকাৰ বাবে ওলোৱা মানুহটোক তেওঁৰ ভাল লাগিল। মানুহটোক চকুৰ আঁৰ নোহোৱালৈকে তেওঁ চাই ল'লে।

'কিহে দাস ফুৰিছে ? —পদুলিৰ মুখত দাঁত ঘঁহি ঘঁহি বাঁওহাতেৰে জেওৰাখনৰ কামি এডাল ঠিক ঠাক কৰি থকাৰ পৰাই হৰেণ দত্তই মাত দিলে।

কেইদিনমান দেখা নাছিলো কৰবালৈ গৈছিল হ'ব পায় ? —কনক দাসে উত্তৰ দিয়াৰ আগতেই দত্তই দ্বিতীয়টো প্ৰশ্ন কৰিলে।

'হয় ছোৱালীজনীৰ ঘৰলৈ গৈছিলো। ছদিন থাকিলো। যোৱা ৰাতিহে পালোহি। —কনক দাসে ক'লে। তেওঁ ৰোৱাৰ দৰে কৰিলেহে নৰ ল। গৈ থাকিল। হৰেণ দত্তৰ লগত অধিক কথা পতাৰ ইচ্ছা তেওঁৰ নহ ল। এনেয়েও তেওঁৰ দত্ত মানুহজনক ভাল নালাগে। কথা বেছিকৈ কয়। সৰহ ভাগেই আনৰ দোষ আৰু বদনামৰ কথা। সেইদেখি মানুহজনলৈ কনক দাসে ভয়ো কৰে।

এইবাৰ তেওঁ এখন বিয়াঘৰৰ সন্মুখত ৰ লগে। তেওঁ অনুমান কৰিব পাৰিলে—বিয়াখন যোৱা নিশা হৈ গ ল। ৰভাতলৰ অৱস্থা বৰ বিশৃংখল। চকীবোৰৰ কিছুমান দ'মাই থোৱা আছে স্ক্ৰিন কেইখনমান খুলি পেলোৱা হৈছে পদূলিমুখৰ কলহ দুটাৰ ওপৰত নাৰিকল কেইটা নাই আমপাত কেইটামান কলহ দুটাৰ মুখত লাগি আছে ৰভাৰ সৌমাজত ডাঙৰ আঁঠুৱা এখন তৰা আছে। ৰভাৰখীয়া হয়তো টোপনিত লালকাল।

কনক দাসৰ মনত পৰিল—ঘৰটো এজন চৰকাৰী বিষয়াৰ। কিবা ফুকন নে গগৈ। ঘৰখনত দুজনীমান ছোৱালী দেখা তেওঁৰ মনত পৰে। তাৰে কোনোবাজনীৰ হয়তো বিয়া হৈ গ ল। লগ্ন চাগৈ আগবাতিয়েই আছিল। মানুহজনক তেওঁ ভালকৈ চিনি নাপায়। সেইদেখি আহযাহো নাই।

কনক দাস লাহে লাহে আগ বাঢ়িল।

অলপ পাছতে দশোদিশৰ নিজ নতাক মখিমুৰ কৰি যাত্ৰীবাহী ৰেলখন ওচৰেদি যোৱা লাইনেৰে ষ্টেছন অভিমুখে ধাবমান হ ল। ৰেলখনৰ ভয়ংকৰ শব্দত কনক দাস যেন চঞ্চল হৈ উঠিল। মন্ত্ৰমুগ্ধৰ দৰে তেওঁ ৰেলষ্টেছনটোৰ ফালে লৰালৰিকৈ আগ বাঢ়িল। ষ্টেছনটো পাবলৈ তেওঁৰ বেছি সময় নালাগিল। ৰেলৰ পৰা নামি যাত্ৰীবোৰ যিটো বাটেৰে প্লেটফৰ্মৰ পৰা ওলাই আহে সেইডোখৰতে তেওঁ থিয় দিলেগৈ। মানুহবোৰ তেওঁৰ কাষেৰে পাৰ হৈ যাবলৈ ধৰিলে। মানুহবোৰ তেওঁ বৰ ভাগৰুৱা অথচ উৎফুল্ল যেন দেখা পালে। তাৰে কিছুমানক তেওঁ চিনি পালে আৰু কিছুমানক নাপালে। পৰম উৎকণ্ঠাৰে তেওঁ যেন এখন মুখ সেই ভিৰৰ মাজত বিচৰাত লাগিল।

এটা সময়ত তেওঁ ষ্টেছনৰ ঘণ্টা আৰু গাৰ্ডৰ হুইছেলৰ শব্দ শুনিলে। কিছুমান প্ৰচণ্ড কৰ্কশ শব্দৰ সৃষ্টি কৰি ৰেলখনে তাৰ গতি আৰম্ভ কৰিলে। ডিজেল ইঞ্জিনটোৱে তাৰ দানৱীয় মাতটোৰে যেন হুংকাৰ তুলি ডবাবোৰ চোঁচোৰাই লৈ গ'ল।

টিকেট কালেক্টৰৰ নিৰীক্ষণেৰে শেষৰজন যাত্ৰীলৈকে লক্ষ্য কৰি কনক দাস প্ৰায় হতাশ অৱস্থাৰে ষ্টেছনৰ গেটখনৰ কাষৰ পৰা আঁতৰি আহিল।

বিষণ্ণ মনেৰে তেওঁ এইবাৰ ঘৰলৈ বুলি উভতিল। তেওঁৰ আগে আগে গৈ থকা ডেকা এজন মাজ বাটতে ৰ'ল। ল'ৰাজন ৰেলৰ পৰা নামি অহা তেওঁ দেখিছিল। ল'ৰাজনে বেগটো ৰাস্তাতে থৈ তলমূৰকৈ জোতাৰ ফিটা মাৰিছিল। তেনেতে কনক দাস তেওঁৰ ওচৰ পালেগৈ।

'ভালনে ছাৰ ? —ল'ৰাজনে সুধিলে। কিন্তু ল'ৰাজনক কনক দাসৰ চিনাকি যেন নালাগিল।

'ছাৰে মোক চিনি পোৱা নাই হ'বলা ? মোৰ নাম অনিল ডেকা। হাইস্কুলত আপোনাৰ ছাত্ৰ আছিলো। —ল'ৰাজনে পৰিচয় দিয়াত কনক দাসে চিনি পালে।

'হয় দিয়া মই এতিয়াহে ধৰিব পাৰিছোঁ। ক'ত থাকা এতিয়া ?

'ছাৰ মই তিনিচুকীয়াত থাকোঁ। কম্পেনি এটাত চাকৰি কৰি আছোঁ। ঘৰলৈ আহিলো। আপোনাৰ ভালনে ছাৰ ?

'আছোঁ দিয়া কোনোমতে। কনক দাস ল ৰাজনৰ লগে লগে গৈ থাকিল।

'ভাল ছাৰ মই আগবাঢ়োঁ।

যোৱা।

দীঘল দীঘল খোজ পেলাই অনিল ডেকা নামৰ ল'ৰাজন গৈ থাকিল। ল'ৰাজনৰ পিছফালটোত এক স্নেহভৰা দৃষ্টি ৰাখি কনক দাসে যেন তেওঁৰ অলস ভৰি দুখন চলাই থাকিল। আজি তেওঁ বহুত দূৰ খোজ কাঢ়িলে। ৰেল ষ্টেছনৰ ওচৰ পোৱাকৈ তেওঁ কেতিয়াও ৰাতিপুৱা খোজ কাঢ়িব নোৱাৰে। কিন্তু ৰেলখন দেখি তেওঁ যেন উত্তেজিত হৈ উঠিছিল।

যোৱা ৰাতিও কনক দাসৰ সমুলি টোপনি নাহিল। গোটেই ৰাতি ঘৰৰ বাহিৰৰ প্ৰতিটো শব্দৰ লগত সংযোগ ৰাখি তেওঁ বিছনাখনত পৰিহে আছিল। ৰাস্তাৰ ওপৰেদি অহা যোৱা কৰা ছাইকেল স্কুটাৰ আৰু মাজৰাতি দুখন এখন জীপ গাড়ীৰ শব্দও তেওঁ শুনিছিল।

পৰম উৎকণ্ঠাৰে তেওঁ ৰাহুললৈ অপেক্ষা কৰি ৰাতিটো কটালে। কিজানি সি কৰবাৰ পৰা আহি ওলায়হি ! ৰাহুল ক'ত আছে সি কি কৰিছে কনক দাসে একো গম নাপায়। যোৱা বছৰ মাঘৰ বিহুৰ আগতে বোলে এবাৰ আহিছিল কিন্তু তেওঁ তাক লগ নাপালে। মাকৰ আগত সি কৈ গ'ল—তাৰ কাৰণে কোনো চিন্তা কৰিব নালাগে বুলি। সি হেনো সমাজবিৰোধী বা অসৎ পথত নাই। দেশৰ কামৰ বাবেই সি তাৰ জীৱন উৎসৰ্গ কৰিছে। সেইদিনা সি মাত্ৰ অলপপৰ ঘৰত আছিল। লৰালৰিকৈ ভাত খাইছিল আৰু হঠাতে ঘৰৰ সন্মুখত আহি ৰোৱা গাড়ী এখনত উঠি সি অন্তৰ্ধান হৈছিল।

কনক দাসৰ স্মৃতিত ৰাহুলৰ দুবছৰৰ আগৰ চেহেৰাটোহে সজীৱ হৈ আছে। কিন্তু মাধুৰীয়ে দিয়া বৰ্ণনাই কনক দাসক ব্যথিত কৰি তুলিছিল। ৰাহুলৰ চেহেৰা হেনো সম্পূৰ্ণ বেলেগ হৈ গৈছে। ৰবকৈ খীণাইছে। চুলি ডাঢ়ি কাপোৰ কানি এইবোৰৰ সি একো যত্ন নলয়। মাধুৰীয়ে তাৰ কথা কৈ-কৈ কান্দি পেলাইছিল। কনক দাসে কান্দিব পৰা নাছিল যদিও বুকুত খামোচ মাৰি ধৰা এক বেদনাত তেওঁ জঠৰ হৈ পৰিছিল। সেই ৰাতিও ঠিক যোৱা ৰাতিৰ দৰেই ৰাহুলৰ জন্মদিনৰ পৰা আৰম্ভ কৰি দুবছৰৰ আগলৈকে —এই গোটেই কালছোৱা তেওঁৰ চকুৰ আগত চকৰিৰ দৰে ঘূৰি আছিল।

সুদীৰ্ঘ দুটা বছৰে কনক দাসে ৰাহুলক লগ পোৱাৰ দুৰ্বাৰ হেঁপাহেৰে নানান ঠাইত খা খবৰ কৰিলে সম্ভাব্য প্ৰায়বোৰ ঠাইলৈ নিজেই গ'ল কিন্তু তাক লগ নাপালে। মাধুৰী ক্ৰমান্বয়ে অধিক ৰোগগ্ৰস্তা হৈ পৰিছে। সৰু ল'ৰা সুশান্ত আৰু জীয়েক বৰ্ণালী পঢ়া শুনাত ভাল নোহোৱা কথাটোৱেও কনক দাসক দুখ দিয়ে। ডাঙৰজনী ছোৱালী মেঘালীক যেনিবা কম বয়সতেই বিয়া দিয়া হ'ল। তাই গুৱাহাটীত থাকে। গিৰিয়েক চৰকাৰী চাকৰিয়াল। কালি ৰাতি কনক দাস-গুৱাহাটীৰ পৰা আহিলগৈ। নাতিয়েকজনীৰ অসুখৰ খবৰ লোৱাৰ উপৰিও তেওঁৰ অন্তৰত অনবৰতে লৈ ফুৰা আশাটোও আছিল—কিজানিবা তাতেই ৰাহুলকো লগ পোৱা যায়! কাৰণ মেঘালীয়ে মাজতে লিখিছিল— ববমইনা মাজে মাজে আহে। পৰহি হঠাতে এবাৰ আহি গ'ল। দুদিনমানতে আকৌ আহিব বুলি কৈছে।

চিঠিখন পোৱাৰ পাছদিনাই কনক দাস গুৱাহাটীৰ বাছত উঠিছিল। তাত তেওঁ ছদিন থাকি ৰাহুললৈ বাট চাইছিল। তাক যদি এবাৰ লগ পালেহেঁতেন তেনেহ'লে তেওঁ তাক বুজাই বঢ়াই ঘৰলৈ আনিলেহেঁতেন। কনক দাসে অশেষ চেষ্টা কৰিও বুজি পোৱা নাই, কি কাৰণত সি ঘৰ এৰি গুচি গ'ল। সি সঁচাকৈয়ে দেশৰ কামত গুচি যোৱা কথাটোও তেওঁৰ মনে যেন মানিব নোখোজে। সিনো কি কাম কৰিব? কি কামতনো সি তাৰ জীৱন উৎসৰ্গ কৰিবলৈ ওলাইছে? কনক দাসে ভাবে—নহয় সি হয়তো কিবা আক্ষেপ বা প্ৰচণ্ড ক্ষোভতহে ঘৰ এৰি গুচি গৈছে। সি যদি এবাৰলৈ তেওঁৰ ওচৰলৈ আহিলহেঁতেন তেতিয়া তেওঁ তাৰ লগত হেঁপাহ পলুৱাই কথা পাতিলেহেঁতেন। আৰু সঁচাকৈয়ে যদি ৰাহুল এক মহৎ উদ্দেশ্যত অগ্ৰসৰ হৈছে তাক তেওঁ হয়তো ঘৰত ৰাখি নথলেহেঁতেন। তেওঁ কেৱল জানিব খোজে তাৰ কৰ্মজীৱন কেনেকুৱা কৰ্মভূমি ক'ত?

মেধাবী ছাত্ৰ হিচাপে ৰাহুলৰ নাম আছিল। তাক জীৱনত সুপ্ৰতিষ্ঠিত হোৱাটো কনক দাসে সৰ্বান্তঃকৰণেৰে বিচাৰিছিল। চাকৰিৰ পৰা অৱসৰ পোৱাৰ পাছত ৰাহুলেই ঘৰখনৰ দায়িত্ব লব লগা আছিল। কিন্তু এইবোৰ কি হৈ গ'ল? টিউছনৰ সামান্য উপাৰ্জনেৰে কনক দাসে কোনোমতে ঘৰখন চলাই আছে।

নিঃসংগ জীৱন কনক দাসৰ। জীৱনৰ আগছোৱাৰ অশেষ ত্যাগৰ বিনিময়ত তেওঁ একমাত্ৰ ভায়েকক উচ্চ শিক্ষাৰে শিক্ষিত কৰিছিল। এতিয়া ভায়েকে কাম কৰা ডিপাৰ্টমেণ্টটোৰ নাম তেওঁৰ পদবীটোৰ নাম আৰু গুৱাহাটীৰ ঘৰৰ ঠিকনাটোৰ বাহিৰে বিশেষ একো তেওঁ নাজানে। তেওঁৰ চেহেৰাটো পৰ্যন্ত কনক দাসৰ মানসপটত

ক্ৰমান্বয়ে যেন ধূসৰ হৈ পৰিছে। প্ৰায় নিবালম্ব আৰু নিঃসহায় অৱস্থা এতিয়া কনক দাসৰ জীৱনৰ চৌপাশে।

ক্লান্ত খোজেৰে কনক দাস আহি পদুলিৰ মুখ পালেহি। গেটখন খুলিবলৈ ধৰি তেওঁ নিজৰ ঘৰটোৰ ফালে চালে। ওচৰে পাজৰে গঢ় লৈ উঠা সুদৃশ্য ঘৰবোৰৰ তুলনাত তেওঁৰ ঘৰটো যেন দৃষ্টিকটু হৈ থিয় হৈ আছে। অসম্পূৰ্ণ হৈ থকা আগফালৰ বাৰাণ্ডা আৰু কোঠাটোৱেও যেন কনক দাসলৈ ভেবা লাগি চাই আছে। ইটাবোৰত হোৱা শেলুৱেবোৰ স্পষ্ট হৈ উঠিছে। কিন্তু ভগৰজোপা শেৱালিজোপা আৰু গোলাপ কেইজোপা লহপহকৈ বাঢ়িছে। যেন পৰম বিশ্বাসভাজন অন্তৰংগ বন্ধুৰ নিচিনাকৈ ফুলগছ কেইজোপা আৰু গোটেই ফুলনিখনে কনক দাসক স্বাগত জনাই বৈ আছে।

তেওঁ গেটখন খুলি সোমাই আহিল। মাধুৰীহঁত উঠিলনে নাই তেওঁ গম নাপালে। তেওঁ কাকো মাত দিয়াৰ প্ৰয়োজনো বোধ নকৰিলে। ভিতৰ সোমাবলৈকো যেন তেওঁৰ মন নগ'ল। অলসভাৱে তেওঁ বাৰাণ্ডাৰ চকীখনত ক্লান্ত দেহাটো এৰি দিলে। চকু দুটা জপাই খন্তেক পৰ ৰ'ল। কিবা খচমচনি ছেণ্ডেলৰ মৃদু শব্দ আৰু শেষত পৰ্দাৰ বিণ্ডৰ শব্দত তেওঁ দুৱাৰখনৰ ফালে ঘূৰি চালে। মাধুৰী। তেওঁ সচকিত হৈ উঠিল।

'আপুনি ইমানপৰ ক'লৈ গৈছিল ? —মাধুৰীয়ে তেওঁক প্ৰশ্ন কৰিলে।

'আজি বহুত দূৰ পালোগৈ। একেবাৰে ষ্টেছন। —কনক দাসে যান্ত্ৰিকভাৱে উত্তৰ দিলে।

মাধুৰীয়ে হাত এখন চকীখনৰ পিছত থোৱা তেওঁ গম পালে। তেওঁ চকুহাল মুদি দিলে।

কেইটামান মুহূৰ্ত পাৰ হ'ল। এনেতে মাধুৰীৰ এটোপাল চকুপানী কনক দাসৰ হাতত পৰিলহি। উদ্বিগ্ন হৈ তেওঁ মাধুৰীলৈ চালে। অথচ কি ক'ব লাগিব—তেওঁ যেন খন্তেকলৈ পাহৰি গ'ল।

'আপুনি কিয় ইমানপৰ নোহোৱা হৈছিল ? —এইবাৰ মাধুৰীৰ উচুপনি কান্দোনলৈ সলনি হ'ল। কনক দাসে তেওঁৰ মূৰৰ পিছফালে থকা মাধুৰীৰ হাতখন আলফুলে স্পৰ্শ কৰিলে।

'ৰৰমইনা আহিছিল। —মাধুৰীয়ে সশব্দে কান্দি পেলালে।

পৰম বিস্ময়ত কনক দাস বলিয়াৰ নিচিনাকৈ চকীৰ পৰা জাঁপ মাৰি উঠিল।

'ৰৰমইনা আহিছিল ? ক'লৈ গ'ল ? ক'ত আছে সি ? —কনক দাস যেন প্ৰায় উন্মাদ হৈ পৰিল।

'তাক বহুত ক'লো। সি নৰ'ল। তাৰ বোলে সময় নাই। এইমাত্ৰ যোৱা ৰেলখনত সি গ'লগৈ। দহ মিনিটমানহে থাকিল। নিজে চাহ কৰি খালে। মোকো দিলে। সিহঁত দুটাক নজগালে। আঁঠুৱা দাঙি সিহঁতক চাই গ'ল। সি বোলে আহিব কেতিয়াবা। এদিন হ'লেও থাকি যাবহি। আপোনাক লগ পাব। —মাধুৰীয়ে যেন একে উশাহে কথাবোৰ কৈ গ'ল।

নিস্পন্দ হৈ কনক দাস মৌনভাৱে থিয় দি থাকিল। খন্তেক পাছত এখোজ এখোজকৈ তেওঁ মন্ত্ৰমুগ্ধৰ দৰে আগবাঢ়ি গৈ গেটখনৰ কাষত ৰ'লগৈ। তেওঁৰ দৃষ্টি ষ্টেছনটোৰ ফালে শূন্যত ভাঁহি থাকিল।

তেওঁ বাহুলক দেখা নাপালে। সিও হয়তো তেওঁক তাত দেখা নাপালে। নহ'লে সি নিশ্চয় তেওঁৰ কাষলৈ দৌৰি আহিলহেঁতেন।

ৰেলগাড়ীখনৰ শব্দটোকে শুনিবলৈ যেন কনক দাস যত্নপৰ হ'ল। কিন্তু ৰেলগাড়ীখনে ইতিমধ্যে শব্দবোৰ ৰিণিকি-ৰিণিকি শুনিব পৰা দূৰত্বও অতিক্ৰম কৰি গুচি গ'ল।

১৬।৫।৯০

অশ্ৰু-সংবাদ

ড গোবিন্দ দাস

মেডিকেল কলেজৰ আকস্মিক দুৰ্ঘটনা বিভাগটোৰ সমুখত জ্ম বান্ধি থকা মানুহৰ ভিৰটো দেখি ড সৰোজ বৰাই ড্ৰাইভাৰক নিৰ্দেশ দিলে — 'লাহে লাহে যোৱা। গাড়ীখনৰ খিৰিকিৰ বন্ধ কাচৰ মাজেদি তেওঁ নিৰ্লিপ্ত দৃষ্টিৰে এবাৰ সেইফালে চালে। গেটখনৰ সমুখত কান্দি কান্দি হিয়ালি জিয়ালি হৈ পৰা মানুহগৰাকীক আন দুগৰাকীমান তিৰোতা মানুহে শাঁত কৰিবলৈ চেষ্টা কৰিছে। চলন্ত গাড়ীখনৰ ভিতৰলৈ সোমাই অহা ক্ৰন্দন ধ্বনিৰ ক্ষীণ বেশে তেওঁৰ মনত বিশেষ ৰেখাপাত নকৰিলে। ইতিমধ্যে আগবাঢ়ি আহি চকু বিভাগৰ প্ৰধান প্ৰবেশপথত ৰৈ যোৱা গাড়ীখনৰ দুৱাৰ খুলি তেওঁ ওলাই আহিল আৰু সৰু ব্ৰিফকে'ছটো হাতত লৈ পোনে পোনে সেই বিভাগৰ মুৰব্বী অধ্যাপক ড. পাঠকৰ কোঠালৈ আগবাঢ়িল।

ড. পাঠকে আহল বহল মেজখনৰ ওচৰত থিয় হৈ কাগজ কিছুমান জ্কিয়াই আছিল। ড বৰাক দেখি তেওঁ দুখোজমান আগবাঢ়ি গৈ সহাস্যবদনে তেওঁক কৰমৰ্দন কৰিলে। খন্তেক পাছত দুয়ো পৰীক্ষা গৃহাভিমুখে আগবাঢ়িল। এক্সটাৰ্নেল এগজামিনাৰ আহি পোৱাৰ খবৰ পৰীক্ষাগৃহত বিয়পি পৰাৰ লগে লগে ব্যস্ততা আৰম্ভ হ'ল। পৰীক্ষা সংক্ৰান্ত কাৰ্যাৱলী যেতিয়া আৰম্ভ হ ল তেতিয়া দূৰৰ কাৰখানাৰ পৰা ন বজাৰ ছাইৰেনৰ ধ্বনি ভাঁহি আহিছে।

এটা সময়ত পৰীক্ষা শেষ হ বৰ হ ল। শেষ পৰীক্ষাৰ্থীজনক আনিবলৈ নিৰ্দেশ দি ড. বৰাই ব্ৰিফকে'ছটোত অলাগতিয়াল কাগজ কিছুমান ভৰাই থলে। বৰ কাঢ়া দয়া মাযাহীন পৰীক্ষক বুলি থকা সত্যতা আকৌ এবাৰ প্ৰমাণিত কৰি ড. বৰাই ইতিমধ্যে দুই তিনিজনী ছোৱালীক প্ৰশ্নবাণেৰে ধৰাশায়ী কৰি কন্দুৱাই পঠাইছে। তলৰ ক্লাছৰ ল'ৰা ছোৱালীৰ বাবে ত্ৰাস সদৃশ কলেজৰ চাৰিসীমাৰ সুস্বীকৃত দাদা ছাত্ৰ দুজনমানে মৌখিক পৰীক্ষাত ড বৰাৰ প্ৰশ্নৰ সমুখীন হৈ গুৰুৰ সমুখত উপবিষ্ট সৌম্যমূৰ্তি ঋষিকুমাৰৰ নিচিনাকৈ মৌনৰূপ অৱলম্বন কৰি ইতিমধ্যে পৰীক্ষাগৃহৰ পৰা উভতি গৈছে।

গুডমৰ্নিং ছাৰ।

সামান্য ইতস্তত কৰি সোমাই অহা সকফুটীয়া ছোৱালীজনীৰ সম্ভাষণ গ্ৰহণ কৰি ড. বৰাই তাইক সমুখৰ চকীখনত বহিবলৈ ইংগিত দিলে। মেজৰ ওপৰৰ কাগজখিনি জ্কিয়াই লৈ তেওঁ ছোৱালীজনীৰ মুখলৈ চালে। বগী ছোৱালীজনীৰ মুখখনে উৎকণ্ঠাত সামান্য গুলপীয়া বৰণ লৈছিল। সহজ ভংগীত বহি থকাৰ চেষ্টা কৰিলেও ডিঙিৰ সমুখৰ হাড়ডালৰ উঠা নমাই তাইৰ অবদমিত উৎকণ্ঠাৰ প্ৰমাণ

দিছিল। ড বৰাই সময় নষ্ট নকৰি প্ৰশ্ন আৰম্ভ কৰিলে। প্ৰথম প্ৰশ্নটোৰ সন্তোষজনক উত্তৰ এটা দি তাই যেন সমৰ্থনৰ আশাত ইন্টাৰ্নেল এগজামিনাৰ ড পাঠকৰ মুখলৈ চালে। তেওঁৰ ইতিবাচক মৃদু মূৰ জোকাৰণিয়ে তাইক আশ্বস্ত কৰিলে। দীঘল উশাহ এটা লৈ তাই দ্বিতীয় প্ৰশ্নৰ বাবে সাজু হ'ল।

তুলনামূলকভাৱে কঠিনতৰ দ্বিতীয় প্ৰশ্নটোৱে তাইক সামান্য শংকিত কৰিলে। প্ৰশ্নটো শেষ হোৱাৰ পাছত তাই কিছুপৰ মনে মনে থাকিল। হাতৰ সৰু ৰুমালখন আঙুলিত পকাই পকাই তাই যেন এটা অৱলম্বন বিচাৰিলে। তাৰ পাছত মন স্থিৰ কৰি সৰু মাতেৰে তাই উত্তৰ দিবলৈ নিজৰ অক্ষমতা প্ৰকাশ কৰিলে। ড বৰাই তাইক আশ্বস্ত কৰিবলৈ ক'লে নেভাৰ মাইণ্ড।

প্ৰশ্নোত্তৰ প্ৰসংগ নিজস্ব গতিত আগবাঢ়িল।

এটা সময়ত ড বৰা সন্তুষ্ট হ'ল। ছোৱালীজনীৰ কনছেপশ্যন ভালেই। পৰীক্ষাজনিত উৎকণ্ঠাৰ বাবেই মাজে মাজে তাই কথাবোৰ জুকিয়াই ক'বলৈ অসমৰ্থ হৈছে। ড. পাঠকক প্ৰশ্ন সুধিবলৈ দি তেওঁ কাগজখিনি ওচৰ চপাই ললে। ছোৱালীজনীয়ে ড পাঠকৰ প্ৰশ্নদুটাৰ উত্তৰ শুদ্ধভাৱে দিয়া শুনি তেওঁ আকৌ এবাৰ প্ৰশ্নবাণ নিক্ষেপ কৰিলে। এই প্ৰশ্নৰ উত্তৰ পালে তেওঁ তাইক কিছু নম্বৰ সৰহকৈ দিব। অক্ষি বিজ্ঞানৰ শেহতীয়া বিকাশ সংক্ৰান্ত প্ৰশ্নটো শুনি ছোৱালীজনীয়ে থতমত খালে। ড. পাঠকৰ মুখলৈ এপলক চাই তাই যেন কিবা এটা ক'বলৈ সাজু হ'ল। তাৰ পাছত একো নোকোৱাই সমীচীন হ'ব বুলি ভাবি তাই তলমূৰ কৰিলে। হাতৰ ৰুমালখনেৰে স্বয়ংক্ৰিয়ভাৱে তাই আঙুলি এটা মেৰিয়াই থাকিল। ড বৰাই আন এটা প্ৰশ্ন সুধিলে। ভীতা হৰিণীৰ অভিব্যক্তিৰে তাই যেন থৰ লাগি ৰ'ল। তলৰ ওঁঠখন তাই এবাৰ কামুৰি ধৰিলে। দীঘল উশাহ এটাৰে বুকুখন পূৰ কৰিবলৈ চেষ্টা কৰিলে। তাইৰ নাকৰ পাহি দুটা ফুলি উঠিল। চকুৰ পতাই কিঞ্চিৎ ঘনকৈ উঠা নমা কৰিলে।

খেল শেষ। ড বৰাই সামান্য আমোদ অনুভৱ কৰি ড পাঠকৰ মুখলৈ চালে। পাঠকে এৰি দিয়ক আৰু' —এনে এক ভাৱেৰে সামান্যভাৱে হাঁহি তাইৰ প্ৰাপ্য নম্বৰ দিবলৈ সমুখৰ কাগজখিলা কাষ চপাই ললে। পৰীক্ষাহলত কন্দা অপবাদৰ পৰা হাত সাৰিবলৈ প্ৰাণপণে চেষ্টা কৰি তললৈ মূৰ কৰি বহি থকা ছোৱালীজনীৰ মুখলৈ চাই ড বৰাৰ গম্ভীৰ অভিব্যক্তিত যেন সামান্য ভাঙোন ধৰিলে। চিনাকি সাদৃশ্য এটাই অকস্মাতে তেওঁৰ বুকুৰ ভিতৰৰ সূক্ষ্ম তাঁৰ এডালত শুন নুশুন ঝংকাৰ এটা তুলিলে। কৌতুকৰ হাঁহি এটা গোপন কৰিবলৈ চেষ্টা কৰি তেওঁ বগা কাগজ এখিলা ছোৱালীজনীলৈ আগবঢ়াই দি ক'লে — ড্ৰ দি লেক্ৰিমেল এপাৰেটাছ।

ছোৱালীজনীয়ে শংকিত দৃষ্টিৰে তেওঁলৈ এপলক চালে। তাইৰ মুখত ডুবিবলৈ ধৰা নাৱৰ আতংকিত যাত্ৰীৰ অভিব্যক্তি। ড. বৰাই তাইৰ শংকা দূৰ কৰিবলৈ এইবাৰ মাতৃভাষাৰ প্ৰয়োগ কৰিলে,— 'বুজা নাই চকুপানী ওলোৱা গ্ৰন্থিটো আঁকা! তেওঁৰ মুখখন লুকুৱাই ৰাখিব খোজা হাঁহি এটাই পোহৰ কৰি তুলিছিল। ছোৱালীজনীৰ হেৰোৱা আত্মবিশ্বাস যেন ঘূৰি আহিল। তাই খপজপকৈ কলমটো উলিয়াই ললে।

প্ৰথমতে চকু এটাৰ অস্পষ্ট চাৰিসীমা। চকুটোৰ বাহিৰফালৰ জোঙা হৈ পৰা অংশটোৰ ওপৰভাগত চকুপানী নিঃসৰণ কৰা কেঞা আঙুলিটোৰ মূৰৰ পাবটোৰ সমান লেক্ৰিমেল গ্লেণ্ড তাৰ পৰা চকুৰ ভিতৰলৈ পানী বোৱাই অনা চুলিৰ দৰে মিহি নলবোৰ। চকুটোৰ ভিতৰফালৰ কোণটোত দুয়োখন পতাৰ পৰা নামি যোৱা সৰু নলী দুডাল—যাৰ মাজেৰে মণিটোৰ স্বচ্ছন্দ ঘূৰা পকা নিশ্চিত কৰিবলৈ সদায় তিতি থাকিবলগীয়া হোৱা চকুৰ ভিতৰভাগৰ অতিৰিক্ত পানীখিনি বৈ যায়। নলী দুডাল গৈ শেষ হৈছে পাহি নেমেলা খৰিকাজাঁই এপাহৰ সমান পানী গোট খাব পৰা স্ফীত অংশটোত—যাৰ নাম লেক্ৰিমেল ছেক। আৰু সদৌ শেষত নাকৰ অভ্যন্তৰলৈ অতিৰিক্ত পানীখিনি বোৱাই নিয়া ফুলৰ ঠাৰিৰ আকাৰৰ নলীডাল।

ছবিখনৰ বিভিন্ন অংশ পৰিপাটীকৈ লেবেল কৰি তাই কাগজখন ড বৰালৈ আগবঢ়াই দিলে। তেওঁ ছবিখন মনোযোগেৰে চালে। যেন সম্ভাৱনাপূৰ্ণ শিল্পীৰ ইজেলৰ এখন নিখুঁত লেণ্ডস্কেপ! সকলোৱে দেখাকৈ ছবিখন তুলি ধৰি তেওঁ মন্তব্য কৰিলে — 'বিউটিফুল ইজ নট ইট? কৌতুকৰ অভিব্যক্তিৰে চিৰাচৰিত গাম্ভীৰ্যৰ মুখাখন অলপ সময়ৰ বাবে আঁতৰাই তেওঁ ছোৱালীজনীক ব্যাখ্যা কৰিলে — চকুপানী যাতে সহজে বৈ আহিব নোৱাৰে তাৰ বাবেই ইমান কাৰুকাৰ্য নহয় জানো অইন ছোৱালীৰ কথা বেলেগ। ডাক্তৰ ছোৱালীয়ে এইকথা সদায় মনত ৰাখিব লাগে যে শৰীৰৰ আন আন ছিক্ৰিশ্যনৰ দৰেই চকুপানীও এক সাধাৰণ ছিক্ৰিশ্যনহে' ৰাতিপুৱাৰ আকস্মিক দুৰ্ঘটনা বিভাগৰ দৃশ্যটোলৈ তেওঁৰ চাঁতকৈ মনত পৰিল। গাম্ভীৰ্যৰ মুখাখন আকৌ পিন্ধি তেওঁ মন্তব্য কৰিলে — 'ডাক্তৰ হৈ উঠাৰ পাছত বুজি পাবা—চকুপানীয়ে বিচলিত কৰিলে জীৱনত একো কৰিব নোৱৰা।

ছোৱালীজনীক যাবলৈ অনুমতি দি তেওঁ সমুখৰ কাগজখন কাষ চপাই ললে।

ড. পাঠকৰ কোঠাত গধুৰ জলপানেৰে চাহৰ আয়োজন কৰা হৈছিল। ভাগৰুৱা দেহটো চকীখনত এৰি দি ড বৰাই চাহ একাপ হাতত তুলি ললে। অসময়ত কিবাকিবি এসোপা খাই ভাতৰ ভোক নষ্ট কৰাৰ ইচ্ছা তেওঁৰ নাছিল। চাহত হোঁপা এটা মাৰি তেওঁ পুনৰ পৰা পৰীক্ষাগৃহত ছাঁৰ দৰে লাগি থকা স্নাতকোত্তৰ মহলাৰ ছাত্ৰ ছাত্ৰীখিনিৰ আগন্তুক পৰীক্ষাৰ প্ৰস্তুতিৰ খবৰ ললে। পৰীক্ষাগৃহত দেখা চলচলীয়া চকুৰ ছোৱালীজনীৰ কথা মনত পৰি তেওঁৰ মনটো অপত্য স্নেহেৰে সিক্ত হৈ উঠিল। ছোৱালীজনীৰ লগত তেওঁৰ নিজৰ ছোৱালী কণজুনৰ কিবা এটা সাদৃশ্য আছে। পাঁচ ছয় মাইল নিলগৰ বিশ্ববিদ্যালয়খনত এম এ প্ৰিভিয়াছ পৰীক্ষাৰ বাবে সাজু হোৱা কণজুনৰ কথা মনত পৰি তেওঁৰ বুকুৰ মাজত কিছুপৰ আগতে উঠা সূক্ষ্ম ঝংকাৰটোৰ বিস্তৃতি ক্ৰমাৎ বাঢ়ি আহিল। এই মুহূৰ্তত চাগৈ তাই ক্লাছত ব্যস্ত হৈ আছে। সকলো লেঠা শেষ কৰি তেওঁ বিশ্ববিদ্যালয় চৌহদ পায়গৈ মানে তাই হোষ্টেল পাবগৈ। চকীদাৰৰ মুখত ভিজিটৰ অহা বুলি শুনি তাই ওলাই আহিব। ভিজিটৰছ ৰুমত দেউতাকক দেখা পোৱাৰ লগে লগে তাই উৰি অহাদি আহিব। প্ৰথমতে তাইৰ মাত থোকাথুকি হ'ব। চকুদুটা চলচলীয়া হৈ আহিব। নিজক চম্ভালি লবলৈ তাইক কিছুসময় দি তেওঁ কিছুপৰ বহি থাকিব লাগিব। তাৰ পাছত লাহে লাহে তাইৰ কথা

আৰম্ভ হ'ব। গছৰ পাতত থাকি-থাকি এটোপ দুটোপকৈ পৰা বৰষুণৰ দৰে কথাবোৰে এটা সময়ত টিনৰ চালত মুষলধাৰে পৰা বৰষুণৰ ৰূপ লব। দাবি কমা নোহোৱাকৈ ওলোৱা কথাবোৰে এটাৰ পৰা আনটো বিষয়লৈ ছেদ ভেদ নোহোৱাকৈ জঁপিয়াই থাকিব।

ড. পাঠকে জলপানৰ প্লেটখন আগবঢ়াই দিয়াত তেওঁৰ চিন্তা ব্যাহত হ'ল। সক মিঠাই এটাৰ এচিকুট ভাঙি লৈ তেওঁ আন বস্তু খাবলৈ নিজৰ অনিচ্ছাৰ বাবে ক্ষমা প্ৰাৰ্থনা কৰিলে। ওচৰত বৈ থকা স্নাতকোত্তৰ ছাত্ৰীগৰাকীক দেখি তেওঁ গহীনমুখেৰে কৌতুক কৰিলে — এম বি বি এছ পৰীক্ষাত কান্দিছিলা নে নাই? তাইৰ সম্ভ্ৰমপূৰ্ণ কিন্তু চেপা হাঁহিটোৱে তাইৰ অতীত দুৰ্বলতাৰ মুহূৰ্তকেইটাৰ কথা যেন সদৰি কৰিলে। ড. পাঠকলৈ চাই ড. বৰাই মন্তব্য কৰিলে — লেক্ৰিমেল ছিষ্টেমটো স্কুলীয়া পাঠ্যক্ৰমৰ অন্তৰ্ভুক্ত কৰিব লাগে। ইহঁতৰ কান্দি ৰণ জিকা অভ্যাসটো অন্ততঃ কিছু কমিব।

ড. পাঠকৰ ঘৰত দুপৰীয়াৰ সাজ তৃপ্তিৰে খোৱাৰ পাছত পুনৰ বিভাগীয় কোঠালৈ ঘূৰি আহি পৰীক্ষা সংক্ৰান্ত কামবোৰ দুয়োজন পৰীক্ষকে সম্পূৰ্ণ কৰিলে। তাৰ পাছত সাময়িকভাৱে নিজৰ কামত ব্যৱহাৰ কৰা ড পাঠকৰ গাড়ীখনে আবেলিপৰত ড. বৰাক বিশ্ববিদ্যালয়ৰ ছাত্ৰী-আৱাসৰ পদূলিমুখত উপস্থিত কৰালে। ড্ৰাইভাৰজনে চকীদাৰক মাতিবলৈ আগবাঢ়ি গ'ল। ড. বৰাই পিছফালৰ দুৱাৰখন খুলি আলিবাটত থিয় হ ল। এজাক ছোৱালীয়ে হাঁহি ধেমালি কৰি গে টখনেৰে ওলাই আহিছিল। তেওঁ একাষৰীয়া হৈ দিলে। প্ৰায় লগে লগে হয়তো খোজকঢ়াৰ চিনাকি ভংগীমাটোৱে—তেওঁৰ চকুহাল সিহঁতৰ মাজত কণজনৰ পিনে টানি নিলে। এক মুহূৰ্ত। কণজনে নিশ্চিত হ বলৈ মাথোঁ এটা মুহূৰ্ত থমকি ৰ'ল। তাৰ পাছত উৰা মাৰি অহা দি আহি তাই তেওঁৰ হাত দুখনত সাবট মাৰি ধৰিলে। লগৰ ছোৱালীজাক দুখোজমান আগবাঢ়ি গৈছিল। তাই আটাইজাককে মাতি আনি দেউতাকৰ লগত চিনাকি কৰি দিলে।

'ক ৰবালৈ যাবলৈ ওলাইছা নেকি? —দেউতাকৰ প্ৰশ্নৰ উত্তৰত তাই নাই নাই বুলি তিনিবাৰমান মূৰটো জোকাৰিলে। সিহঁতে সমুখৰ আলিবাটটোতে অলপ সময় ফুৰিব। এতিয়া পঢ়া শুনা আৰম্ভ হৈ গৈছে। বৰ প্ৰয়োজন নহ'লে ওলাই যোৱা নহয়েই।

লগৰ ছোৱালীজাকক যাবলৈ কৈ তাই দেউতাকক ভিজিটৰছ কমলৈ আগবঢ়াই নিলে। ছোৱালীজাকৰ উপস্থিতিয়ে আজি তাইক চকু চলচলীয়া কৰাৰ সুবিধা নিদিলে। লৰালৰিকৈ চাহ একাপ কৰি আনি তাই দেউতাকৰ হাতত দিলে তাৰ পাছত নিশ্চিত আশ্ৰয় বিচৰাৰ দৰে দেউতাকৰ কাষৰ চকীখনত বহিল।

দেউতা মোৰ বৰ ভয় লাগিছে। ক্লাছবোৰ শেষ নাই হোৱা। পঢ়া শুনা কৰিবলৈ দেখোন সময়েই নাপাওঁ। পৰীক্ষালৈ মাত্ৰ দুমাহহে আছে।

ড. বৰাই তাইক আশ্বস্ত কৰিবলৈ ক'লে — একো নহয়। দুমাহ সময়ত এটা কি দুই তিনিটা পৰীক্ষাৰ বাবে প্ৰিপেয়েৰেশ্যন কৰিব পাৰি।

তাই মুখ ওন্দোলালে — তোমালোক গ ল্ড মেডেল পোৱা মানুহ তোমালোকৰ কথা বেলেগ।

ড বৰাই চাহকাপ শেষ কৰি কাপ প্লেটযোৰ তাইৰ হাতত তুলি দিলে। তাৰ পাছত ঘড়িটোলৈ চাই ক লে — মেডিকেল কলেজত ছয় বজাত ছেমিনাৰ এখন আছে। মই সোনকালে যাব লাগিব। তাইৰ চকু চলচলীয়া হোৱাৰ আগতেই তেওঁ ছাৰপ্ৰাইজটো দিব খুজিলে — মোৰ ফ্লাইট কাইলৈ ৰাতিপুৱা চাৰে ছয় বজাত। তুমি চাৰে পাঁচ বজাত ওলাই থাকিবা। 'ইমান পুৱাতে গে ট খুলি দিবলৈ ভগু ৱা চকীদাৰটোক বিচাৰি পাব নে নাপায় তাকে ভাবি কণজ ন সামান্য চিন্তিত হ ল যদিও তাই বাৰু বুলি সম্মতি জনালে। ড. বৰাই এইবাৰ ৰহস্যৰ সুৰত সুধিলে — ছুপাৰক ক ব লাগিব নেকি?

তাই তেওঁৰ কথাৰ অন্তৰ্নিহিত অৰ্থ বুজিব নোবাৰি আচৰিত হ ল। ছুপাৰক? ৰাতিপুৱা লগ পাবলৈ আকৌ ছুপাৰক ক ব লাগে নেকি? দেউতাই যে মই এতিয়াও স্কুলৰ ছোৱালী হৈ থকা বুলি ভাবিছে। ধেৎ! নালাগে।

ড. বৰাই সুধিলে — কিয় অসময়ত ঘৰলৈ যাবা ছুপাৰক ক ব নালাগিব?

ঘৰলৈ? কণজ নৰ চকুহাল লগে লগে উজ্জ্বল হৈ উঠিল। দেউতাকৰ হাতখন খামোচ মাৰি ধৰি তাই আগ্ৰহেৰে সুধিলে সঁচাকৈয়ে? মোকো নিবা? ড বৰাই স মতিসূচক হাঁহিৰে মূৰ দুপিয়ালে। কণজ ন বহাৰ পৰা জ াঁপ মাৰি উঠিল। কিন্তু প্ৰায় লগে লগে তাইৰ উজ্জ্বল হাঁহিটো ঈষৎ ম্লান হৈ পৰিল। তাই অলপ অন্যমনস্ক হ ল। যেন আন কিবা এটা কামৰ কথা তাইৰ মনত পৰিল। অপ্ৰত্যাশিতভাৱে ঘৰলৈ যাবলৈ পোৱাৰ আনন্দৰ ঔজ্জ্বল্যক চিন্তান্বিত অভিব্যক্তিয়ে গ্ৰাস কৰা দেখি ড. বৰা কিঞ্চিৎ আচৰিত হ'ল। তাইৰ এই ৰূপ তেওঁৰ বাবে অচিনাকি। তাই যেন সামান্য অসহজ বোধ কৰিছে। ইতস্তত কৰি তাই মুখ মেলিলে — পঢ়াশুনা আৰম্ভ কৰিছোঁহে—এতিয়া ঘৰলৈ গ লে । তাই কথাখিনি সম্পূৰ্ণ নকৰিলে। ড বৰাই যেন সামান্য আমোদ অনুভৱ কৰিলে। ঘৰ বুলিলে সকলো পাহৰা ছোৱালীজনীয়ে এতিয়া ঘৰলৈ যাবলৈও দ্বিধাবোধ কৰিছে। তাই সঁচাই ডাঙৰ হ'ল। তেওঁ যাব নালাগে বুলি কৈ তাইক আশ্বস্ত কৰিব খুজিলে। তেনেতে গে টৰ মুখৰ পৰা কোনোবাই চিঞৰিলে — কণজ ন তোমাৰ ভিজিটৰ।

হাতত কেইবাটাও টোপোলা লৈ দুজনী ছোৱালী গে'ট পাৰ হৈ সোমাই আহিছিল। পাতলীয়া আন্ধাৰ নামি অহাত মুখবোৰ চিনিব নোৱাৰি। ৰাৰাণ্ডাত ভৰি দি কোনোবা এজনীয়ে আকৌ চিঞৰিলে — ৰাধিকা সোনকালে যোৱা। কানাই ৰৈ আছে।

কণজ ন যেন সামান্য উচপ খাই উঠিল। তাই সক মাতেৰে ক লে — মই এতিয়াই আহিছোঁ। ড বৰাই লগে লগে ক'লে,— ময়ো যাওঁ ব'লা মা। নহ'লে সিফালে পলম হ'ব। কৈ কৈ তেওঁ থিয় হ'ল। পঢ়া শুনা আৰম্ভ হৈছে যেতিয়া এতিয়া যাব নালাগে বাৰু। মাৰাই অৱশ্যে তোমাৰ পঢ়াশুনাত ব্যাঘাত হ'ব বুলি ঘৰলৈ লগ নধৰিবলৈ কৈয়েই পঠাইছিল। মইহে ভাবিলো—যাবলৈ মন কৰা যদি লৈ যাম

বুলি। শেষবলৈ তেওঁৰ কথাৰ সুৰত সামান্য কৈফিয়ৎ ফুটি উঠিল। খপজপকৈ জেপৰ পৰা পইচাৰ বেগটো উলিয়াই তেওঁ দুখনমান এশটকীয়া নোট তাইৰ হাতত গুজি দিলে। হাতত পইচা আছে বুলি কণজ্যুনে মৃদু আপত্তি কৰিছিল যদিও তেওঁ তাইৰ কথালৈ কাণ নিদিলে।

গে টৰ মুখত ঋজু দেহী ডেকা এজন বৈ আছিল। কণজ্যুনে আগবাঢ়ি গৈ তেওঁক দেউতাকৰ ওচৰলৈ লৈ আহিল। এয়া কৃষ্ণসাৰথি চৌধুৰী আমাৰ ডিপাৰ্টমেণ্টৰ। ফাইনেল ইয়েৰৰ। আৰু এয়া দেউতা। তাই সহজভাৱে চিনাকি কৰি দিলে। ডেকাজনৰ স্মিত অভিবাদন গ্ৰহণ কৰি ড. বৰাই প্ৰতি নমস্কাৰ জনালে। তেওঁৰ কুশল-বাতৰি ললে। সাধাৰণ কথাৰ বিনিময়ৰ পাছত কৃষ্ণসাৰথিয়ে কণজ্যুনলৈ কাগজ এনুবা আগবঢ়াই দি ক'লে— তুমি খোজা পুৰণি কুৱেশ্যান পেপাৰখিনি দিবলৈ আহিছোঁ। হঠাৎ ড বৰাৰ ভাব হ ল যেন কথাখিনি কণজ্যুনক ক'লেও ল'ৰাজনে আচলতে তেওঁকহে কৈফিয়ৎ দিছে! তেওঁ লৰালৰি কৰিলে— বাৰু ইয়ংমেন আকৌ লগ পাম। মই সোনকালে যাব লাগে। কণজ্যুনলৈ চাই তেওঁ ক'লে— ভালদৰে থাকিবা। মই এম এছ পৰীক্ষাৰ সময়ত আহিম অহামাহত। কিবা দৰকাৰ হ লে ফোন কৰিবা। তেওঁ গাড়ীৰ ওচৰ চাপি পাহৰি এৰি থোৱা মিঠাইৰ টোপোলাটো তাইৰ হাতত তুলি দিলে। তাৰ পাছত পিছৰ ছিটত বহি তেওঁ ড্ৰাইভাৰক চলাবলৈ নিৰ্দেশ দিলে। গাড়ীৰ ভিতৰৰ আন্ধাৰখিনিয়ে অস্পষ্ট কৰি পেলোৱা দেউতাকৰ মুখখনলৈ চাই কণজ্যুনে এবাৰ বেণীৰ নিচিনাকৈ হাঁহিলে। লগে লগে গাড়ীখন আগবাঢ়িল।

ড. বৰাই গাড়ীৰ ছিটত গাটো এৰি দি চকুদুটা মুদি দিলে। এক নাম নজনা নিৰাশবোধে তেওঁক আমনি দিছিল। কণজ্যুনক লগ পায়ো যেন তেওঁৰ হেঁপাহ নপলাল। তাই থোকাথুকি মাতেৰে তেওঁৰ বুকুৰ মাজত সোমাই বিদায় দিলেহে যেন তেওঁৰ তাইক লগ পোৱা সাৰ্থক হ'লহেঁতেন!

লাহে লাহে তেওঁৰ বুকুখন সামান্য গধুৰ হৈ পৰিল। এয়াই আৰম্ভণি। তেওঁৰ মনটোৱে যেন স্বগতোক্তি কৰিলে— 'তাই ডাঙৰ হ'ল। ঘৰলৈ যাবলৈ সৌ সিদিনাও পেন পেনকৈ কন্দা ছোৱালীজনীয়ে এতিয়া ঘৰৰ মায়াক আওকাণ কৰিব পৰা হ'ল। নিজৰ ভৱিষ্যতৰ চিন্তাই তাইক মন বান্ধিবলৈ শিকালে। দুদিন পাছত তাই পাছ কৰি ওলাব। চকুপানীৰ ঠাইত দুচকু এতিয়া সপোনৰ ছঁয়াময়াৰ অহা যোৱাত অভ্যস্ত হৈ পৰিছে। সেই সপোনৰ বাস্তৱ ৰূপায়ণৰ বাবে এদিন তেওঁ কোনোবা এজন ডেকাৰ — হয়তো কৃষ্ণসাৰথিৰ দেউতাকৰ সৈতে যোগাযোগ আৰম্ভ কৰিব। উশাহ নোপোৱা ব্যস্ততাৰ দিনবোৰ হঠাৎ আগবাঢ়ি আহিব। গহনা ফাৰ্নিচাৰ নিমন্ত্ৰণী চিঠি আদিৰ ব্যস্ততাই তেওঁক তাইৰ চকুৰ চকুপানী দুটোপালৰ কথা পাহৰাই ৰাখিব। খমখমীয়া পাটৰ কাপোৰ চিকমিকীয়া গহনা পিন্ধি এক অচিনাকি ৰূপত তাই যেতিয়া আকৌ এবাৰ তেওঁৰ বুকুৰ মাজত সোমাই কন্দাৰ সময় পাব তেতিয়া তেওঁ তাইক বেছি পৰ বুকুৰ মাজত ৰাখি থবলৈ সক্ষম নহ ব। দুটামান মুহূৰ্তৰ পাছতে— 'হ'ব আৰু কান্দিব নাপায় —আদি উপদেশেৰে কোনোবাই তাইক তেওঁৰ বুকুৰ মাজৰ পৰা কাঢ়ি নিব।

উকলিৰ জোৱাৰে উচুপনিখিনিৰ অসহায় শব্দক গ্ৰাস কৰি পেলাব। তাৰ পাছৰ নিস্তব্ধতাই ঘৰখনৰ চৌদিশে বিৰাজ কৰা শূন্যতাই তেওঁৰ হিয়াখন থানবান কৰি পেলাব।

তাৰ পাছত—যদিও সকলো সহজ হৈ পৰিব—সকতে কৰাৰ দৰে তাইক বুকুৰ মাজত আঁকোৱালি লৈ নিচুকাবলৈ তেওঁ আৰু কেতিয়াও সুযোগ নাপাব। ঘৰ-স সাৰ স্বামী-সন্তানৰ পৰিধিৰ পৰা ওলাই আহি তেওঁৰ ওচৰত এনেয়ে চকুপানী টোকাৰ বিলাস কৰাৰ তাইৰ আৰু প্ৰযোজন নহ ব।

আৰু সদৌ শেষত যেতিয়া তেওঁৰ বুকুত পৰি হিয়া উবুৰিয়াই কান্দি গছৰ পাত সৰাবলৈ তাই সময় পাব তেতিয়া—তাইৰ চকু চলচলীয়া হোৱা দেখিলেই মম গলা দি গলি যাব খোজা তেওঁৰ হৃদয় নিস্পন্দ হৈ থাকিব। তাইৰ চকুপানী ওলাবৰ উপক্ৰম হ লেই সেয়া মচি দিবলৈ অস্থিৰ হৈ উঠা তেওঁৰ দুয়োখন হাত—তাইৰ চকুপানীয়ে তেওঁৰ বুকু তিয়াই পেলোৱাৰ পাছতো—নিৰ্জীৱ শৰীৰটোৰ দুযোকাষে নিস্পন্দ জঠৰ হৈ পৰি থাকিব।

বিপৰীতমুখী গাড়ী এখনৰ হে ডলাইট চকুত পৰাত স্বয় ক্ৰিয়ভাৱে তেওঁৰ চকুহাল মুদ খাই গ ল। শৰীৰতত্ত্বৰ জ্ঞানেৰে ভৰপুৰ তেওঁৰ বিদগ্ধ মনটোক উপলুঙা কৰিযেই যেন চকুহালত মনে মনে গোট খোৱা পানীখিনিযে দুটোপাল চকুপানী হৈ দুযো চকুৰ কোণত আশ্ৰয় ললে।

ড বৰাই চচমাযোৰ খুলি লৈ ৰুমালখনেৰে চকুৰ কোণ দুটা মচিলে। তাৰ পাছত মুখখন ভালকৈ মচি চচমাযোৰ আকৌ পিন্ধি ললে। ৰুমালখনৰ ভাঁজত চকুপানী দুটোপাল মনে মনে হেৰাই গ ল।

১।৬।৯০

অজ্ঞেয়

বিকীৰণ বৰদলৈ

তিনি আলিটো দেখিবলৈ একেবাৰে ইংৰাজীৰ টি আখৰটোৰ দৰে। মূল পথটো পকা ইটো কেঁচা খৰালি ধূলিৰে পোত খাই থাকে বাৰিষা বোকাৰে। ঠাইডোখৰ পৌৰ এলেকাৰ ভিতৰত নপৰে। পিছে পৌৰ এলেকাৰ কাষৰে।

ইংৰাজী টি টোৰ ওপৰত নালটোৰ ঠিক পোনে পোনে বকুল গছডালৰ তলত কমলাকান্তৰ গেলামালৰ দোকান। এইডোখৰ ঠাইৰ বেছ জনপ্ৰিয় আৰু দৰকাৰী দোকান সেইখন। দৰাচলতে সেইখন দোকানৰ মাল গেলামাল নহয় সেইবোৰৰ নাম হ'ল কমলাৰ মাল। এইডোখৰ ঠাইত বজাৰ কৰি উভতি অহাজনক চিনাকিজনে সোধে অ হয়নে —টাউনৰ ফালে পাক মাৰিলে নে কমলাৰ মাল?

এই কমলাকান্তৰ দোকানতে গধূলি এপাক নামাৰিলে পবিত্ৰৰ প্ৰধান দৰকাৰী কাম এটা থাকি গ'ল যেন লাগে। কমলাকান্তয়ো গধূলি পবিত্ৰ অহালৈকেহে বাট চাই থাকে। পবিত্ৰৰ পুৰণা ৰাজদূতখনে বকুলতলত ধপধপালেই কমলাকান্তই দোকানৰ মালজোখা ল'ৰাকেইটাক দোকান বন্ধ কৰিবলৈ কয়।

এইটো কমলাকান্তৰ দহ বছৰীয়া পুৰণা অভ্যাস। ৰাতি সাতৰ পৰা আঠ বজাৰ ভিতৰত পবিত্ৰ আহে আৰু তেওঁ আহিলেই কমলাকান্তৰ দোকানৰ দুৱাৰত তলা ওলমে।

কমলাকান্তৰ দোকান আৰু ঘৰ লগালগি। এইফালে পবিত্ৰ আহি ভিতৰ সোমাইহি মানে দোকানৰ একেবাৰে পুৰণা কৰ্মচাৰী নাৰায়ণে পিছফালৰ বাটটোৰে গৈ পাগঘৰটোৰ ওচৰত হিচাপৰ চিঞৰ এটা মাৰেগৈ —

বাইদেউ —অঁ।

মানে বাইদেউ চাহ দিবৰ হ'ল। এইটো কাম কৰিবলৈ নাৰায়ণক হুকুম দিব নালাগে। সি নিজেই কৰে।

পবিত্ৰ দোকানৰ ভিতৰ সোমায়েই তিনি ফুট বহল সাত ফুট দীঘল অসমীয়া গাদীখনৰ ওপৰত কমলাকান্তৰ ঠিক মুখামুখিকৈ লেপেটা কাঢ়ি বহেহি। কমলাকান্তই প্ৰথমে দীঘলীয়া দুই মূৰ বন্ধা গাৰু এটা আগবঢ়াই দিয়ে। মুখেৰে একো নকয়। অন্য এটা গাৰুত তেওঁ নিজেও পিঠিখন হলাই দিয়ে। তেনেকৈ আধা শোৱা আধা বহা অৱস্থাত থাকিলে তেওঁৰ পেটটো বেছ বেয়া দেখাকৈ ওলাই পৰে। পবিত্ৰই আৰু' সেইটো পেটৰ ওপৰতে হাতেৰে ঢুকি পোৱাতে থকা ৰেডিঅ'টো টান মাৰি আনি আলফুলে তুলি দিয়েহি। ইয়াৰ বিপৰীতে কমলাকান্তই চাৰমিনাৰ ছিগাৰেটৰ পেকেট

এটা বন্ধুৰ ফালে আগবঢ়াই দিয়ে তাৰ পাছত ৰেডিঅ টো পকাবলৈ আৰম্ভ কৰি সোধে — ক'ৰ পৰা আহিলা ?'

পবিত্ৰই উত্তৰ নিদিয়ে। একান্তমনে ছিগাৰেট এটা জ্বলাই বৰ দীঘল হোপা এটা বা দুটা মাৰে তাৰ পাছত প্ৰথম বাক্যটো কয় — তোমাৰ বজাৰ কেনেকুৱা ?

পিছে কমলাকান্তয়ো একো উত্তৰ নিদিয়ে। তেওঁ যেন শুনাই নাই তেনেকুৱা ভাবত একান্তমনে ৰেডিঅ পকোৱাত ব্যস্ত থাকে।

দুয়োজন বন্ধুৱে ইজনে সিজনক এনেকুৱা বহুত প্ৰশ্ন কৰে। কিন্তু কোনোজনেই কাহানিও উত্তৰ নিদিয়ে আৰু আচৰিতভাৱে প্ৰশ্ন কৰাজনে পুনৰ উত্তৰো নিবিচাৰে। তেনেকৈয়ে যেন তেওঁলোকে ইজনে সিজনক বুজিব পাৰে।

আখজা যেনো নালাগে। তেওঁলোকৰ মাজৰ কথোপকথনত শৰীৰৰ চাল চলনত কোনো কৃত্ৰিমতা নাই। গাম্ভীৰ্য আছে সহজ ভ গিমাও আছে। এক ধৰণৰ ৰসো অনুভৱ কৰা যায়।

অথচ দুয়ো বন্ধুৰ মাজত শাৰীৰিক অথবা মানসিক নাইবা চিন্তাধাৰাৰ খুব কমেই মিল দেখা যায়। এজন শকত পেটুৰা তপা তেওঁৰ গাৰ মঙহ ঢিলা। আনজন ক্ষীণ। কিন্তু আটিল শুৱনি তেওঁৰ চকুত তীব্ৰতা আছে। কমলাকান্তই ধুতি পাঞ্জাবি পিন্ধে পৰিপাটিও নহয় একেবাৰে জথলাও নহয়। পবিত্ৰ ডেকা ল ৰা থকাদি থাকে। ধুনীয়া যথেষ্ট দামী পেণ্ট ছাৰ্ট। খাৰা ভাঁজ বৈ থকা।

পাৰিবাৰিকভাবে কমলাকান্তৰ সকলো আছে। পত্নী-পুত্ৰ কন্যা ঘৰ সম্পত্তি সকলো। পবিত্ৰৰ কোনো নাই। যিবা মাক এজনী আছিল কিছু দিন আগতে ঢুকাল। ইফালে নিজে বিয়া বাক নকৰালে। এতিয়া আৰু সময় পাৰ হৈ যোৱাৰ দৰে।

কিছুদিনৰ আগলৈকে কমলাকান্তই সেইটো কথাতে পবিত্ৰৰ লগত পেৰি পেৰি লাগি আছিল —

কিনো লগাটোতে লাগি থাকাহে তুমি ? কি লাভটো হ ব তোমাৰ ? কিটো পাবা তুমি ? এবাৰ মনলৈ জোৰ এটা আনি বিয়াখন পাতি পেলোৱাচোন। শুনিছা ? ছোৱালী মই দিম। কোৱা ৰাজী ? —ৰাজীনে ?

নাই পবিত্ৰৰ কোনো উত্তৰ নাই। তেওঁ বায়ন বহা দি দুয়োটা আঁঠুৰ ওপৰত হাত দুখন বোলাই, মূৰটো হলাই হলাই খুব খোল বজাই থাকে। বৰকৈ কৈ থাকিলে তেওঁ কেতিয়াবা হাঁহি একোটা মাৰে। সেইটো হাঁহিত বহুত কথা লুকাই থাকে। বুজিবলৈ টানো লাগে উজু যেনো লাগে। কেতিয়াবা পেৰ পেৰকৈ লাগি থকা কমলাকান্তক হঠাতে তেওঁ সোধে হেৰি নহয় এইকেইদিন তুমি নিজে চকলৈ যাবলগীয়া হৈছে নহয় হ বলা ? মোকো এসাজ খুৱাবা।

এনেকুৱা সময়ত আৰু পবিত্ৰই ডিঙিটো সম্পূৰ্ণ বেঁকা কৰি চকুৰ দৃষ্টি তুলিখনৰ ওপৰত দি লয়। তেওঁ হাঁহি আছেনে গহীন হৈ আছে ধৰিব নোৱাৰি।

দুয়োজনৰ মাজত আৰুনো কিহত মিলটো থাকিল ? এজন হ ল গেলামালৰ মহাজন আৰু সিজন হ ল ল ৰা ছোৱালী পঢ়োৱা শিক্ষক। কমলাকান্তয়ো কিছু পঢ়া শুনা কৰিছিল। হিচাপ নিকাচৰ একো অসুবিধা নাই। তথাপি কেতিয়াবা বৰ দীঘলীয়া

বাকীৰ অংক যোগ কৰি আমনি লাগিলে পবিত্ৰলৈ ঠেলা মাৰি দিয়ে। এনেয়েও পবিত্ৰ অংকৰে শিক্ষক।

তথাপি দুয়োজন অন্তৰংগ বন্ধু। তেওঁলোকৰ মাজৰ সম্পৰ্কত একধৰণৰ ৰোমাঞ্চ আছে। আকৰ্ষণ আছে। তেওঁলোকৰ মাজত ইমান অমিল বাবেহে যেন দুয়োজনৰ মাজত ইমান মিল।

পবিত্ৰইতো একেবাৰে সক-সৰু কথাতে দৰ্শনৰ পাতনি মেলে। — এইটো উচিত নহয়। তুমি এনেকুৱা কৰিব নালাগে। এইটো প্ৰিনছিপল হ ব নোৱাৰে। ই কোনো দৰ্শনৰ ভিতৰত নপৰে। কিয় কৰিবা। তুমি?

কমলাকান্তই তেতিয়া বৰ ব্যস্তভাৱে নিজৰ কাম কৰি থাকে। দেখিলে তেওঁ এটাও শব্দ নাই শুনা যেন লাগে। পিছে তেওঁ বোধকৰোঁ প্ৰত্যেকটো শব্দই শুনি থাকে। তেওঁ এইবোৰৰ একো উত্তৰতো পবিত্ৰক নিদিযেই বৰঞ্চ বহুত দেৰিৰ মূৰত বন্ধুৰ একেবাৰে অপ্ৰাস গিক কথা এটাহে কয় বাক। হেৰি নহয় বিয়াখন পাতা। প্ৰিন্সছিপলটো অলপ সলনি কৰা আক।

আচৰিত কথোপকথন তেওঁলোকৰ । তেওঁলোকে এজনে আনজনৰ লগত যুক্তি তৰ্কৰে ফেৰ নামাৰে। উভতিও নধৰে। কিন্তু কাম সেইটোহে কৰে যিটো নিজে নিজে উচিত বুলি ভাবে। সেইটো দুয়োজনে জানেও। জানিও ইজনে সিজনৰ লগত লাগি থাকে। হয়তো তাতো এক ৰস আছে। নুবুজা কিবা এটা বুজিব পাৰি। সহজো অথচ বৰ সূক্ষ্ম।

কেতিয়াবা তেওঁলোকে নিজে নিজে বুজি পোৱা যেনো লাগে যে তেওঁলোকে এয়া ভুল কৰিছে। কিন্তু সেইটোকে ইজনে আনজনক দেখুৱাই দিলেও তেওঁলোকে শুদ্ধ কৰি নলয়। ভুলটোকে কৰি থাকে।

এনেকুৱা আচৰণৰ পাছতো কোনোজনেই আনজনৰ ওপৰত বিৰক্ত বা আচৰিত হোৱা যেন নালাগে। মুখেৰে লাগিলে যিহকে নকওক। ঠিক যেন সকলোতে কাব্যিকতাৰ সোৱাদ পোৱা দুজন ব্যক্তি।

ভাব সাগৰত ডেউকা লগাই উৰি ফুৰা মানুহৰ দল। ভুলেইতো সকলোতকৈ স্বাভাৱিক কথা।

জানে তেওঁ এয়া তেওঁ ভুলেই কৰিছে। সামাজিক ভুল বাদ্ধোন সুলকি পৰা ভুল। বিবেকে তেওঁক কৈছে সেইটো ভুল। তথাপি—কৰিব লাগিব। নহ লে যে হেৰাই যাব লাগিব। হেকৰাই পেলাব লাগিব। নিজকে নিজৰ ওচৰতে!

অথবা— ভুল? ভুল যদি কৰিছা ভুলৰ সাঁকোৱেই তৈয়াৰ কৰা যাতে তাৰ ওপৰেৰে পাৰ হৈ যাব পাৰা।

কোনে কি বুজিব পাৰে এনেকুৱা কাব্যিকতাৰ পৰা? জীৱন জীৱনেই। জীৱন এটা ছন্দময় বাক্য নহয়। হয়তো অকল এইটোকেহে বুজি পায় দুয়োজনে। সেয়ে তেওঁলোক বিৰক্ত নহয। আচৰিতো নহয়।

কিমান যে তীক্ষ্ণ বাক্যৰে বিদ্ধ কৰে ইজনে সিজনক! সিদিনাৰ নাৰায়ণৰ ঘটনাটোতে। কিমান যে কি নাগালে পবিত্ৰই। অথচ নিৰ্বিকাৰ কমলাকান্ত। উত্তৰেই

নিদিলে। পবিত্ৰই শেষত এনেকৈও কৈ চালে — 'বুজিছা মৌনতাত হেনো দুৰ্গন্ধ থাকে। মৰা ক'লা সাপৰ দৰে।

নাই, তথাপি উত্তৰ নাপালে পবিত্ৰই।

ঘটনাটো সৰু অথবা ডাঙৰ দুয়োটাই হ ব পাৰে। দোকানৰ কৰ্মচাৰী নাৰায়ণৰ একমাত্ৰ ছোৱালীজনী মৰিল। তিনি বছৰ হৈছিল। শেষ অৱস্থাত বাপেকে তাইক চৰকাৰী চিকিৎসালয়খনলৈ নিছিল। একো লাভ নহ'ল। এতিয়া মাকবো একেই জ্বৰ।

পবিত্ৰৰ মতে মানুহৰ জীৱনলৈ ইয়াতকৈ আৰু কি মৰ্মান্তিক দুখ ডাঙৰ বিপদ আহিব পাৰে ? আগলৈ নাই পাছলৈ নাই থুনুক থানাক মাতৰ ছোৱালীজনী মৰি থাকিল। আনহাতে কমলাকান্তৰ বাবেই হ বলৈ পালে। তেওঁ নাৰায়ণক বৰ কম পইচাত খটুৱাই আছে। পবিত্ৰই সুবিধা পালেই কয় তুমি নাৰায়ণক অলপ বেছিকৈ দিয়াটো কৰা। সিওতো মানুহ! তাৰো এটা মন আছে। সি যিমান খাটে সেইমতে পইচা পোৱাটো উচিত।

সেইখিনি সময়ত কমলাকান্ত বৰ ব্যস্ত থাকে। আঙুলিৰ পাববোৰত বৰ দৰকাৰী হিচাপ এটা কৰি থাকে। মাজতে পাব এটাত ধৰি সোধে — হেৰা পাঁচ ষোল্ল গুণ কিমান ?

পবিত্ৰই পিছে ইমান সহজে এৰি নিদিয়ে আচৰিত একেবাৰে আচৰিত মানুহ তুমি! তোমাৰ পৰিয়ালৰ এটা মানুহে বেয়াকৈ খায় বেয়াকৈ থাকে আৰু তাকে চাই তুমি আনন্দ পোৱা ? এয়াটো দেখ দেখ অন্যায়! কি যুক্তি আছে ইয়াৰ ? আচৰিত মইতো ভাবিবও নোৱাৰোঁ।

কোৱাই কৈ থাকে কমলাকান্তৰ নোম এডালো নলৰে। আৰু বেছি পেতপেতাই থাকিলেও কমলাকান্তই উত্তৰ নিদিয়ে। কেতিয়াবা ওলোটাই প্ৰশ্নহে কৰে। সেইবোৰৰো আৰু একোটা গত আছে হেৰা তুমি সস্তাত হাজিৰা কাম কৰা মানুহ বিচাৰিছিলা নহয় ? পালা নে কি ? আজি দুটা আহিছিল। পিছে দামে দৰে নিমিলিল। পাঁচ টকা বেছি লাগে। এ নললো। বজাৰত যিটো চলি আছে সেইমতেহে পাব কি কোৱা ? তেনেকৈ দাম ক'লে কোনে কাম দিবহে ? নিজে মৰিব। এই কিছুমান মানুহৰ বুজিছা ব্যৱসায়িক ধাৰণা একেবাৰে নাইহে।

হাঁহি উঠি যায় পবিত্ৰ ৰ। খ নুঠে। খং কমলাকান্ত বো নুঠে। এনেকুৱা এটা সাধাৰণ কথাৰ বাবে তেওঁলোকে এজনে আনজনৰ সংগ ত্যাগ কৰিব নোৱাৰে। তেওঁলোকৰ বন্ধুত্বই তেনেকুৱা।

সিদিনাও পবিত্ৰ ৰ খং উঠা নাছিল। কিন্তু তেওঁ কমলাকান্তক চিধাচিধিকৈয়ে কৈছিল প্ৰকাৰান্তৰে নাৰায়ণৰ ছোৱালীজনী যে তোমাৰ বাবেই মৰিল সেই কথাটো তুমি অনুভৱ কৰিবানে ? তুমি তাৰ প্ৰাপ্য মতে দুপইচা বেছিকৈ দিয়াহেঁতেন সি কিজানি বহু ত আগতে ছোৱালীজনী ডাক্তৰৰ ওচৰলৈ নিলেহেঁতেন। তেতিয়া কিজানি তাই নমৰিলহেঁতেন। তুমি বুজিব পাৰানে যে দুখীয়া সম্বলহীন বাবেই ছোৱালীজনী মৰিল!

নাই কমলাকান্তৰ একো খবৰেই নাই। গুদামত মজুত ৰখা মালৰ হিচাপৰ বহীটোতহে চকু তেওঁৰ। মাজে মাজে মাত্ৰ তেওঁ কলম ধৰা হাতখন মুঠি মাৰি টান কৰি দেখুৱালে। পবিত্ৰই তেওঁক আৰু বহুত কিবা ক লে। বহুত কিবা বুজালেও। তথাপি কমলাকান্তই কথাবোৰত একো গুৰুত্ব দিয়া যেন নেদেখুৱালে। চাহ জলপান খাই উঠাৰ পাছত তেওঁ বন্ধুলৈ ছিগাৰেট এটা আগবঢ়াই দি সুধিলে তোমাৰ কাইলৈ স্কুল আছে নে ?

পবিত্ৰই একো নক লে। বহুত দেৰিলৈকে তেওঁ মনে মনে বহি থাকিল। তেওঁ দুয়োখন হাতৰ দহোটা আঙুলিৰ গাঠিবোৰ ফুটাবলৈ যত্ন কৰিলে। কোনোবাটো কতৰকৈ ফুটিল। কোনোবাটো নুফুটিল। তাৰ পাছত তেওঁ আকৌ ঘূৰাই ধৰিলে — কিছুমান কথাৰ বিপৰীতে একো নমতাকৈ থকাটো ভীৰুতাৰ পৰিচায়ক। ঠিক মোৰ এটা প্ৰশ্নৰ বিপৰীতে আমাৰ স্কুলৰ কোনোবা এটা শ্ৰেণীৰ সকলো ছাত্ৰই নমতাকৈ থকাৰ দৰে। কিন্তু সিহঁতে নাজানে বাবে নামাতে। জানি শুনি নমতাজন ? তুমি বাৰু মোৰ কথাবোৰ শুনিছানে ?

কমলাকান্তই হিচাপৰ বহীকেইটা সামৰি থলে বৰ দৰকাৰী কিবা এটা চিন্তা কৰাৰ দৰে কৰিলে তাৰ পাছত পুনৰ স্বভাৱিক অৱস্থালৈ আহিল। পবিত্ৰৰ চকুলৈ চাই তেওঁ ক লে হেৰা আজি নগাঁৱত বাছ এখনৰ দুৰ্ঘটনা হৈ বহুত মানুহ মৰিলহে। তুমি খবৰটো পোৱানে নাই ?

পবিত্ৰই কেইবাবাৰো মুৰটো কিবাকিবি ধৰণেৰে লৰাই থাকিল। হাতৰ তলুৱা দুখন সমানে সমানে যোৰা লগালে। মাজে মাজে তলুৱা দুখনৰ মাজটো ফোপোলা কৰি চালে। অলপ সময় তেওঁ তেনেকুৱাবোৰকে কৰি থাকিল। তাৰ পাছত ফতকৰে যাবলৈ বুলি উঠিল। কিন্তু প্ৰথম খোজটো আগবঢ়াই পুনৰ ক লে — তুমি বিশ্বাস কৰা উচিত যে তোমাৰ দোষৰ বাবেই ছোৱালীজনীৰ মৃত্যু হৈছে। তোমাক কোনেও দোষী বুলি নকয়। আইনেও নধৰে। অকল মই তোমাক দোষী বুলি কৈছোঁ আৰু তুমি নিজেও নিজকে তেনেকৈ কোৱাটো মই বিচাৰোঁ। নিজক ফাঁকি দিয়াটো পাপ।

কথাকেইটা কৈ তেওঁ নাটকীয় ভংগীৰে তাৰ পৰা ওলাই গ ল। কমলাকান্তই ডিঙিটো এফলীয়াকৈ বেঁকা কৰি পবিত্ৰ ওলাই যোৱা ভংগিমাটো চাই থাকিল। আগফালে বকুলতলত যেতিয়া ৰাজদূতৰ মামৰে ধৰা কিক ডালে বৰ জোৰে জোৰে শব্দ কৰিলে কমলাকান্তইও তেতিয়া সমান জোৰেৰেই শব্দ কৰি হাঁহিবলৈ ধৰিলে। হাঁহিৰ মাজতে তেওঁ চিঞৰিলে লাহে লাহে যাবাহে।

পবিত্ৰ কিন্তু লাহে লাহে যোৱা নাছিল। বেছি জোৰেহে গৈছিল। খঙো উঠা নাছিল তেওঁৰ। এনেয়ে জোৰে গৈছিল আৰু এইটোও ঠিক যে তেওঁলোকৰ মাজৰ বন্ধুত্বত কোনো ধৰণৰ ফাট মেলা নাছিল বা নেমেলেও। এইবোৰ তেওঁলোকৰ মাজত ঘটি থকা সাধাৰণ ঘটনা।

দুয়োজন পাছদিনাই একেবাৰে সহজভাৱে একেলগ হ ল আৰু এনেকুৱা আচৰণ কৰিলে যে আগদিনাৰ কথাবোৰ বহুত পুৰণি হৈ পৰিল। দুয়ো একেলগে ৰাজদূতত উঠি নাৰায়ণক মাত লগাবলৈও গ ল। সেই পুৰণা ৰাজদূতখনত দুয়োজনৰ একেবাৰে

অমিল পোছাক আৰু অমিল শাৰীৰিক সৌন্দৰ্যই গোট খাই যেতিয়া এক গতিৰে গতি কৰে তেতিয়া এক অনন্য গতিশীল সৌন্দৰ্য দেখা যায়। নিজে বুজিব পাৰি আনক বুজাব নোৱাৰি।

নাৰায়ণে পিৰালি চিকুটি বহি আছিল। সি কিবা এটা গম পায়ো ক ব নোৱৰাৰ দৰে বহি আছিল। গভীৰ ৰাতি কোনোবা গাভৰুৰ ভৰিৰ চিৰা ঢেঁকীৰ শব্দটোৱে কাণত কোবোৱাৰ দৰে হয়তো ধপধপাই থকা ধপধপিৰ শব্দটোৱে নাৰায়ণৰ কাণত কোবাইছিল পিছে সিও শুই আছিল গভীৰ ৰাতিৰ দৰে তাৰ মনৰ মাজত।

পবিত্ৰ ৰ ভৰি দুটাত ধৰি নাৰায়ণে যেতিয়া হুকহুকাই কান্দিবলৈ ধৰিছিল পবিত্ৰই তেতিয়া একো ক ব পৰা নাছিল। তেওঁ নিজেই চকু দুটা ধৰি ৰাখিব নোৱাৰিছিল। মাটিতে বহি পৰিছিল আৰু নাৰায়ণক সাবটি ধৰিছিল।

কমলাকান্তই বাঁওহাতেৰে চুৰিয়াৰ থোৰটো মুঠি মাৰি ধৰি চোতালখনত ইফালৰ পৰা সিফালে অহা যোবা কৰিছিল মাজতে এটুকুৰা ঠাইত ভৰি দুটা লগলগাই বৈ দিছিল আৰু কালৈকো নোচোৱাকৈ নাৰায়ণ বাউৰিক উদ্দেশ্য কৰি একোটা সান্ত্বনাৰ বাণী আওৰাইছিল।

হাত ভৰিবোৰ সৰু পেটবোৰ ডাঙৰ ক লা বৰণৰ অৰ্ধউলং গ কেতবোৰ সৰু ল'ৰা ছোৱালীয়ে ৰাজদূতখন গোলকৈ বেৰি ধৰিছিল। কঁকালত গামোচা পিন্ধা উদং পিছল গাৰ আটিল ডেকা এটাই হাতত চেকণি এডাল লৈ ল'ৰা ছোৱালীজাককে খেদি দিছিল তাৰপাছত সি নিজে ৰাজদূতখন চাবলৈ ধৰিছিল।

কমলাকান্তই সেইটো ল ৰাকে ওচৰলৈ মাতি আনি নাৰায়ণৰ পৰিবাৰৰ অসুখৰ কথা সুধিলে। কেনে পাইছে হৈছে কি দৰৱ দিছেনে নাই, দৰবে কাম কৰিছেনে নাই দৰব আনিবলৈ পইচা আছেনে নাই ?

তাৰ পাছতে কমলাকান্তই মৰম মিহলোৱা মাতেৰে নাৰাযণক গালি পাৰিবলৈ ধৰিলে তোৰ ঘৰত বেমাৰ। তই মোক প্ৰথমেই খবৰ দিব লাগেনে নালাগে ? তই মোক খবৰ দিলিগৈ কেতিয়া ? আৰু কলিগৈ কি ? —বাবু ছোৱালীটোৰ বেমাৰ পিল কেইটামান লাগিব। হেৰ সকলো বেমাৰ পিল খালে ভাল নহয় নহয়। এতিয়া কান্দিছ। হেৰ কান্দিব নালাগে এতিয়া মানুহজনী চা। দৰব দে। দৰকাৰ হ'লে ডাক্তৰৰ ওচৰলৈ লৈ যা। পইচাৰ কথা ভাবিব নালাগে। শুনিছনে নাই ?

পইচা শব্দটো কমলাকান্তই দৰকাৰতকৈ ডাঙৰকৈ ক'লে। লগে লগে জেপত হাত ভৰালে। এবাৰ পবিত্ৰৰ ফালে চালে। এনেয়ে।

চিকিৎসাৰ কথাটোত পবিত্ৰয়ো জোৰ দিলে। তেওঁ নিজৰ পৰাও কিছু টকা নাৰাযণৰ হাতত দি আহিল আৰু কিবা দৰকাৰ হ'লেই খবৰ দিবলৈ কৈ আহিল।

উভতি আহোঁতে কোনোজনেই একো কথা নক'লে। নিজৰ নিজৰ ভাবত বিভোৰ হৈ আহি থাকিল। খালী মাজে মাজে কমলাকান্তই পবিত্ৰৰ কান্ধ দুটা লাহেকৈ পিটিকি চালে। নিজৰ দোকানৰ সন্মুখত কমলাকান্ত যেতিয়া নামিল তেতিয়া পবিত্ৰই ক'লে কিছুমান কথা অনুভৱ কৰিব পৰা ক্ষমতা শিক্ষিত-অশিক্ষিত সকলো মানুহৰে

সমান বুজিছা। মৰাসকাম পাতিবলৈ পইচা দিবলৈ সংকোচ বোধ কৰাতকৈ জীয়াই থাকোঁতেই যি পাৰা কৰাটো উচিত।

কমলাকান্তই একো নক'লে। কিন্তু তেওঁ পবিত্ৰৰ মুখলৈ চালে অলপ পৰ চাই থাকি নিজৰ মুখখন পবিত্ৰৰ ফালে আগুৱাই নিলে হাতেৰে বন্ধুৰ চুলিত ধৰিলে আৰু লগে লগে ক'লে — হেৰা তোমাৰ চুলি পকিছেহে।

পবিত্ৰই এক ধৰণে কমলাকান্তলৈ চালে। তেওঁৰ হাঁহি উঠিছিল নেকি ? কিন্তু তেওঁ হাঁহা নাছিল তলৰ ওঁঠখনৰ অকণমান কামুৰি ধৰিছিল। মটৰ ছাইকেলখনৰ একছেলেৰেটৰ ডাল তেওঁ দুবাৰমান পকালে। ঘোৰোক ঘোৰোক শব্দ হ'ল। ধোঁৱা এসোপা ওলাল। সেই ধোঁৱাৰ মাজতে চকুৰেই যাওঁ বুলি কৈ তেওঁ গুচি গ'ল।

সাধাৰণতে বিশেষ কাৰণ নাথাকিলে পবিত্ৰ ইমান সোনকালে ঘৰলৈ নাযায়। কিনো কৰিবগৈ গৈ' খোৱা বোৱাৰ যোগাৰ কৰিব পৰাকৈ ল'ৰা এটাও আছে। তেওঁৰ কামেই নাথাকে ঘৰখন আচলতে ল'ৰাটোৰহে। তেওঁ আলহীৰ নিচিনাহে। ল'ৰাটো কেঁচুৱাৰে পৰা আছে বুলিব পাৰি। পবিত্ৰক সি তই বুলি সম্বোধন কৰে। তাৰ মুখৰ এইটো শুনিবলৈ বৰ ভাল লগা। পবিত্ৰয়ো বৰ মৰম কৰে তাক। সিহে ওলোটাই পবিত্ৰকেঁ ডাওৰ কথা কয়

তই ঘৰলৈ' সোনকালে আহিবি। নহ'লে দুবাৰ বন্ধ পাবি।

তোক কাহানিবা বাঘিহে থব লাগিব।

এই ধৰণৰ।

পবিত্ৰই অকলে অকলে হাঁহি থাকে। একো নকয়। সেইটো ল'ৰায়ে পাছদিনা ৰাতিপুৱা পবিত্ৰৰ গাত ঠেলা এটা মাৰি টোপনিৰ পৰা জগাই দিলে। তেনেকুৱা সি সাধাৰণতে নকৰে। তথাপি পবিত্ৰই ওঁ আ কৰিহে আছিল। পিছে ল'ৰাটোৱে যেতিয়া ক'লে কোনোবা মৰিল তেতিয়া পবিত্ৰ উচপ খাই উঠিল কোন মৰিল ?

হেই মই বুজি চুজি নাই পোৱা। তই যাচোন। উঠ।

পবিত্ৰ লৰালৰিকৈ বাহিৰ পালেগৈ। কমলাকান্তই ল'ৰা এটা পঠাইছে কাগজ এটুকুৰা দি। নাৰায়ণৰ মানুহজনীও মৰি থাকিল। নাৰায়ণে কন্দাও নাই, মতাও নাই।

খবৰটো পাই পবিত্ৰই নিজকে প্ৰায় পাহৰি যোৱাৰ দৰে আচৰণ কৰিলে। কেতিয়ানো তেওঁ কাপোৰ কানি সলাই ঘৰৰ পৰা ওলাই গ'ল তেওঁ যেন নিজেই ভালকৈ ধৰিব নোৱাৰিলে। আনকি তেওঁ কমলাকান্তৰ ঘৰলৈও নগ'ল পোনে পোনে গৈ নাৰায়ণৰ ঘৰ পালেগৈ।

নাৰায়ণ চোতালখনৰ মাজতে লেপেটা কাঢ়ি বহি আছিল। শ্মশানৰ পৰা অহাৰ পাছৰে পৰা সি হেনো তেনেকৈয়ে এফলীয়া কাটি বহি আছে। মুখত কোনো অভিব্যক্তি নাই। একো যেন হোৱাই নাই। কোনেও তাক তাৰ পৰা লৰচৰ কৰিব পৰা নাই। কমলাকান্তয়ো নোৱাৰিলে। একো কৰিব নোৱাৰিহে তেওঁ পবিত্ৰলৈ খবৰ পঠালে।

পবিত্ৰই কি চিন্তা কৰিলে বুজা নগ'ল। তেওঁ নাৰায়ণৰ সম্মুখলৈ গ'ল আৰু ঠিক নাৰায়ণৰ দৰেই মাটিত লেপেটা কাঢ়ি বহি দিলে। তাৰ পাছত তেওঁ একেথৰে নাৰায়ণৰ চকুলৈ চাই থাকিল। কেইমিনিটমান পাৰ হৈ গ'ল। কাৰো মুখত কোনো কথা

নাই। নি শব্দ স্তব্ধ এক আচৰিত পৰিবেশ। হঠাতে নাৰায়ণ টোপনিৰ পৰা সাৰ পোৱা মানুহৰ দৰে জিকাৰ খাই উঠিল। লাহে লাহে সি পবিত্ৰক চিনি পোৱাৰ দৰে কৰিলে। পবিত্ৰই দুয়োটা হাত নি তাৰ কান্ধত থলে। সি তেতিয়াও একেথৰে পবিত্ৰলৈকে চাই আছিল। সিনো কি ধাৰণা কৰি আছিল অথবা কি ভাবি আছিল নাইবা একো ভবাই নাছিল নেকি পবিত্ৰই একো বুজিব পৰা নাছিল। কিন্তু তেনেকৈ থাকোঁতেই এটা সময়ত নাৰায়ণৰ মুখখন পবিত্ৰৰ গাৰ ফালে ঢলি আহিল আৰু সি সম্পূৰ্ণকৈ পবিত্ৰৰ কোঁচত মূৰটো গুজি ফেঁকুৰি ফেঁকুৰি কান্দিবলৈ ধৰিলে। পবিত্ৰই তেতিয়া তাৰ পিঠিখন মোহাৰি মোহাৰি একোবত ক'লে মই আছোঁ নহয়। মই আছোঁ।

তেওঁৰ মাতটো কঁপিছিল। কমলাকান্তই তেতিয়া পবিত্ৰৰ বাউসীটোত সোঁহাতৰ তলুৱাখন থৈ আঙুলিকেইটাৰে তেওঁক চপৰিয়াই আছিল। পবিত্ৰই বোধকৰোঁ সেয়া গম পোৱা নাছিল। ঠিক নাৰায়ণৰ দৰেই। এনেকুৱা লাগিছিল তেওঁ যেন তেতিয়া নাৰায়ণক নিজৰ বুকুৰ বহুত ভিতৰলৈ সুমুৱাই লৈছিল।

সেইদিনা গধূলিলৈ সেই নিয়মীয়া গাদীখনৰ ওপৰত বহি কোনেও কাকো নিয়মীয়া প্ৰশ্নবোৰ নকৰিলে। পৰলোকলৈ গতি কৰা আত্মাৰ সদগতিৰ বাবে মৌন হৈ প্ৰাৰ্থনা কৰাৰ দৰে দুয়ো দুফালে বহি থাকিল। বহুত দেৰিৰ মূৰত কমলাকান্তই কিবা হিচাপৰ বহী এখন হাতত লোৱা দেখি পবিত্ৰই ক'লে নাৰায়ণটোক আজি মই সান্ত্বনা দিবলৈ বৰ সংকোচ বোধ কৰিছিলো। মোৰ লাজেই লাগিছিল নেকি? নহ লে মই কিবা এটা নাজানিছিলো। কিবা এটা সংকোচ মোৰ হৈছিল। তোমাৰ বাৰু তেনেকুৱা কিবা হৈছিলনে?

কমলাকান্তই হিচাপৰ বহীখন চাই আছিল। সেইখনকে চাই থাকিল। পবিত্ৰৰ কথাৰ প্ৰতি যেন কাণসাৰেই নাই! নিজৰ কামটো একেবাৰে শেষ কৰি কলমটো সামৰি থৈহে তেওঁ মাত লগালে ওঁ তুমি কিবা এটা কৈছিলা? কি কৈছিলা?

পবিত্ৰই পিছে একো নক লে। তেওঁ এবাৰ সন্দেহৰ দৃষ্টিৰে বন্ধুৰ ফালে চালে। কমলাকান্তই তেতিয়া চকু মুদি আছিল। কিবা এটা যেন ভাবিছিল। তেনেকৈ থাকিয়েই তেওঁ ক লে তুমি শুনিবলৈ কেনে পোৱা নাজানো কিন্তু মোৰ এটা ধাৰণা হৈছে —এই বিয়া বাৰু নকৰা মানুহবোৰ অলপ বেছি দয়ালু নে কি? তেওঁলোকৰ মনবোৰ অলপ বেছি কোমল হয় নেকি? তুমি বাৰু কি ভাবা?

হাঁহি দিলে পবিত্ৰই। শব্দ কৰি হাঁহিলে। কিন্তু কোনো কথা নক'লে।

কিন্তু মনে মনে যেন পবিত্ৰই এবাৰলৈ হ'লেও ভাবিলে কথাটো বাৰু সঁচাকৈয়ে সঁচা নেকি? তেওঁ বাৰু সঁচাকৈয়ে আনতকৈ বেলেগ নেকি? কাৰণ মাজতে তেওঁ এবাৰ এনেয়ে হাঁহিলে। একো কাৰণ নথকাকৈ।

সেইটোনো বাৰু কি ডাঙৰ কথা! ধানটোৰে প্ৰতি কণটো মানুহটোৰে প্ৰতি মনটো। মানুহ মানুহেই। সকলোৰে ধ্যান ধাৰণা একে নহয়। কিছুমানে কিবা এটা কৰিবলৈ ললে দৰ্শন যুক্তি উচিত অনুচিত এসোপামানে তেওঁলোকক হেঁচা মাৰি ধৰে। কিছুমানৰ বাবে আকৌ দৰ্শন কিতাপৰ পাতত যুক্তি মনৰ পিছত মনৰ আগত থাকে মাথোঁ দুখন হাত দুটা ভৰি।

ঠিক তেনেকুৱা দুটা ভৰিৰ ওপৰত থিয় হৈয়েই নাৰায়ণে খুব সোনকালে এটা ৰোমাঞ্চকৰ ঘটনা ঘটালে। তাৰ পত্নীৰ আদ্যশ্ৰাদ্ধ পাৰ হৈ গৈছিল মাত্ৰ। সেইকেইটা দিনৰ পাছতে সি তাৰ সকলো দুখ শোক পাহৰি ওচৰৰে এজনী যুৱতীক পলুৱাই লৈ গ'ল।

এইটো খবৰ লোৱাৰ দিনা কমলাকান্তই তেওঁৰ পেটৰ ওপৰত তুলি দিয়া ৰেডিঅ টো আঁতৰাই থৈ দিলে। তাৰ পাছত নিজৰ পেটটো মোহাৰি মোহাৰি সম্মুখত ছিগাৰেট হুপি বহি থকা বন্ধুলৈ বহুত ধৰণৰ চাৱনিৰে চালে। তেনেকৈ চাবলগীয়া কিবা বিশেষ কাৰণ আছিল নে নাছিল সেইটো তেওঁ নিজেই নাজানিছিল। কিন্তু পবিত্ৰক তেনেকৈ চাই থাকি তেওঁৰ ভাল লাগিছিল। মুখত তেওঁৰ এক ধৰণৰ হাঁহি এটা লাগি আছিল। সেইদিনাও চাহ জলপান খোৱালৈকে কোনেও একো কথা নোকোৱাকৈ সেই ধৰণেই বহি থাকিল। মুখখন মচিবলৈ লৈ কমলাকান্তই আৰম্ভ কৰিলে দেখিলা বীৰ পুৰুষে কেনে কাণ্ডটো কৰিলে? এইবোৰ মানুহৰ বাবেই তুমি কান্দিবলৈ যোৱা। মোক বৰ কথা শুনোৱা। উচিত অনুচিত বুজোৱা। দেখিলা এতিয়া? দেখিলানে?

পবিত্ৰই কাগজ এখন হাতত লৈ ভাঁজ কৰি কৰি কিবা এটা কৰিবলৈ আৰম্ভ কৰিছিল। সেইটোৰ পৰা তেওঁ মুৰ নাদাঙিলে। কমলাকান্তই কিন্তু আকৌ ক'লে মই অৱশ্যে তাক বা বা অলপ দিম। ঠিক বেটা। চোৱাচোন তুমি। কোনোবাই কাৰোবাক ভৰ যৌৱনতে এৰি আনৰ বুকুৰ উম বিচাৰি গ ল। যাওঁতে যেনিবা কিবা কিবি কথা কিছুমান কৈ গ ল। সেই কোনোবা জনে সেইখিনিকে লৈ আজিও উদ বুকুৰে আছে। নতুনকৈ একো চিন্তাই কৰিব পৰা নাই। নহয়নে বাৰু? কি কোৱা? আৰু আমাৰ মহাপুৰুষলৈ চোৱা। একুৰি দিন উদ বুকুৰে থাকিব নোৱাৰিলে। পাৰিব কোনোবাই? পাৰিবনে? সাহস আছে?

পবিত্ৰই কাগজখনেৰে নাও এখন সাজি আছিল। কি কাৰণে জানো তেওঁক বৰ সক ল ৰাৰ নিচিনা লাগিছিল। নাওখন তেওঁ বৰ যত্ন কৰি সাজিছিল। তেওঁ কমলাকান্তৰ কথাৰ উত্তৰটো নিদিলেই আনকি নিজৰ কামটোৰ পৰা মুৰ তুলিও নাচালে। নাওখন সাজি উঠি তেওঁ সেইখনকে কেইবাবাৰো ঘূৰাই পকাই চালে। তাতনো ইমান কিটো চাবলগীয়া আছিল তেওঁহে বুজিলে। নাওখন কমলাকান্তৰ পেটটোৰ ওপৰত তুলি দি তেওঁ এক ধৰণৰ হাঁহি এটা মাৰিলে। চকুকেইটা নাওখনতে স্থিৰ। এবাৰ নাওখন তুলি আনিলে। আকৌ কমলাকান্তৰ পেটটোৰ ওপৰত থলে। তাৰ পাছত বৰ আচৰিত ভংগী এটাৰে কাম এটা আছে বুলি তেওঁ গুচি গ ল।

কমলাকান্তই কি বুজিলে ধৰিব পৰা নগ ল কিন্তু তেৰোঁ এক ধৰণৰ আনন্দ অনুভৱ কৰিলে। বহু দেৰিলৈকে তেওঁ নাওখন এবাৰ হাতত লৈ আকৌ নিজৰ পেটটোৰ ওপৰত থৈ অকলে অকলে মিচিক মাচাককৈ হাঁহি থাকিল —ঠিক এটা গেৰেলা কণমানি ল ৰাৰ নিচিনাকৈ।

ইয়াৰ পাছৰ কেইবাটাও গধূলি পবিত্ৰ আহি সোমালেই কমলাকান্তই এক ধৰণৰ হাঁহি এটা মাৰে। নতুন ভ গী এটাৰে গাৰুটো আগবঢ়াই দিয়ে। পবিত্ৰই নাহাঁহেও নামাতেও কমলাকান্তৰ কামৰ ওপৰত গুৰুত্বও নিদিয়ে।

কমলাকান্তই দোকানত নাৰায়ণৰ ঘৰৰ ওচৰৰে নতুন ল'ৰা এটাক কামত ললে। নাৰায়ণৰ হেনো আৰু কামলৈ অহাৰ আশা নাই। অৱশ্যে সি আহিলেও কমলাকান্তই তাক ৰাখিব নে নাৰাখে তাৰ একো ঠিক নাই। কাৰণ নতুন ল'ৰাটোক কমলাকান্তই নাৰায়ণতকৈও কম পইচাত বন্দবস্ত কৰিছে। লাহে লাহেহে হেনো বঢ়াব।

অৱশ্যে এই ক্ষেত্ৰত পবিত্ৰয়ো একো হেতা ওপৰা কৰা নাই। কমলাকান্তই নিজেহে এদিন পবিত্ৰক খোঁচ মাৰি চালে তুমি দেখোন মোক নতুন ল ৰাটোৰ দৰমহা বঢ়াবলৈ এবাৰো কোৱা নাই। তাক মই কিমান দিওঁ জানানে নাজানা ?

পবিত্ৰই দুয়োটা হাতৰ মুঠি টান কৰি ধৰিলে মুখেৰে কিন্তু লগে লগে একো নক'লে। অলপ পাছত দুযোখন হাতেৰে মুখখন মোহাৰি তেওঁ ক লে এটা কথা আমি পাহৰি যোৱা উচিত নহয় যে নাৰায়ণৰ প্ৰথম দুৰ্ঘটনাটো নোহোৱাহেঁতেন বা নঘটোৱাহেঁতেন পিছৰবোৰো কিজানি নঘটিলহেঁতেন।

কমলাকান্তই পবিত্ৰৰ এইষাৰ বাক্য শুনিলে যেনেই লাগিল পিছে হাঁহি সেইটোহে মাৰিলে যিটো আগতেও মাৰে। উত্তৰ একো নিদিলে।

অৱশ্যে মাজে মাজে কমলাকান্তই নতুন ল ৰাটোক নাৰায়ণৰ খবৰ সোধে। কেনে আছে ? ক ত আছে ? ইত্যাদি। ল ৰাটোৱে যি পাৰে কয়। পিছে এদিন সি নোসোধাকৈয়ে কমলাকান্তক ক লেহি বাবু নাৰাযণ জেলত আছে। আমি বাবু আগতেই কৈছিলো সি পগলা হৈ গৈছে। সি বাবু তাৰ মাইকীটো কাটি দিছে। এটা ভৰি ছিগি গৈছে। ছিভিলত আছে এতিয়া। তাক পুলিছে লৈ গৈছে।

এইটো গৰম খবৰ যেতিয়া পবিত্ৰক দিয়া হ ল তেওঁ তেতিয়া বিশেষ একো গুৰুত্ব দিয়া যেন নেদেখুৱালে এ হয় নে কি ? চাওঁ মোৰ যোৱামাহৰ হিচাপটো চাই দিযাচোন। অলপ দি যাওঁ।

কমলাকান্তই কিন্তু হিচাপটো নাচালে। তেওঁ যেন এইবাৰহে আচৰিত হ ল। একেথৰে বহুত দেৰিলৈকে তেওঁ বন্ধুৰ মুখলৈকে চাই থাকিল। মুখেৰে অৱশ্যে একো নক লে। পবিত্ৰও নিৰ্বিকাৰ মানুহৰ দৰে বহি থাকিল। ঘূৰাই হিচাপৰ কথাও নক লে।

সেইদিনা ৰাতি কমলাকান্তই সেই ল ৰাটোক ওচৰলৈ মাতি আনি সুধিলে তহঁতি কেলেই নাৰায়ণক পগলা বুলি ভাব ?

ল'ৰাটোৱে থতমত খাই গ ল। সি ভালকৈ একো উত্তৰেই দিব নোৱাৰিলে। কমলাকান্তইনো কেলেই সেইটো কথা সুধিলে তাকো বুজা নগ ল। কিন্তু ইযাৰ পাছৰ কেইদিনমান তেওঁ নিয়মীযাকৈ নগৰৰ ফালে অহা যোৱা কৰিলে।

এসপ্তাহৰ পাছত এদিন গধূলি গাদীখনৰ ওপৰত তেওঁ পবিত্ৰক গোঙোৰা মানুহে কোৱাদি ক লে মই নাৰায়ণক জামিনত মুকলি কৰি আনিলো। কাইলৈৰ পৰা সি কামলৈ আহিব।

পবিত্ৰই মূৰটো একেবাৰে পোন কৰি চিঞৰি দিলে কি ? কি ক লা তুমি ?

কমলাকান্তই একো নোকোৱাকৈ তললৈ চাই থাকিল। পবিত্ৰয়ো পুনৰ মেৰুদণ্ড বেঁকা কৰি লৈ বহুত দেৰিলৈকে কমলাকান্তক চাই থাকিল। তেওঁ কিবা বুজিব খুজিলে নে এনেয়ে চাই থাকিল ধৰিব পৰা নগ ল। শেষত দৃষ্টি ঘূৰাই আনি তেওঁ ক লে মানুহে

সকলো কামেই শুদ্ধ চিন্তাৰ মাজেৰে কৰা উচিত। এতিয়া দোকানত নাৰায়ণ থাকিলে বোধকৰোঁ গ্ৰাহক কমিব। তাক মানুহে বলিয়া বুলি ভাবে। তদুপৰি ত।ৰ কাছাৰিৰ কে'ছ খেলোঁতে বহুত টকা খৰছ হ ব। তোমাৰ পেটটো সৰু হৈ যাব পাৰে। গাৰ বিষো হ ব পাৰে। অৱশ্যে তুমি পাপ খণ্ডন কৰি পুণ্য অৰ্জ ন কৰিবলৈ বিচাৰিছা যদি নাজানো।

কমলাকান্তই আজি হাঁহি নিদিলে। তেওঁ বৰ গহীন হৈ থাকিল। এবাৰ মাত্ৰ তেওঁ পবিত্ৰৰ চকুলৈ চালে তাৰ পাছত অন্যফালে চাই কৈ গ ল বুজিছা সৌ মাটিতে সি আহি আমন জিমনকৈ বহি আছিল। মই ভাবিলো জেলৰ পৰা আহিছে তাক কিজানি অলপ পইচা লাগে। দিলো—সি নলয়। তাক পইচা নালাগে। কি লাগে তাকো নকয়। উঠিও নাযায়। কিনো হ ল জানো ফতকৰে মোৰ মুখৰ পৰা ওলাই গ ল—হ ব বাৰু যা। কাইলৈৰ পৰা আহিবি। সিও তোমাৰ অকৰা হাঁহি এটা মাৰি লগে লগে ওলাই গ ল।

পবিত্ৰই কমলাকান্তৰ মুখলৈকে চাই থাকিল। কমলাকান্তৰ মুখত এনেকুৱা বৰ্ণনা তেওঁ প্ৰথম শুনিলে। কথাবোৰ কওঁতে তেওঁৰ মুখত কিবা এক তিৰবিৰণি উঠিছিল। পবিত্ৰই সেইটোও লক্ষ কৰা যেন লাগিল। তেওঁ একো নামাতিলে কিন্তু হাত দুখনৰে কেইবাটাও নকৰা কাম কৰি পেলালে। পেটিৰ ওপৰৰ পৰা ৰেডিঅ টো টান মাৰি লৈ আহিল। অলপ সময় সেইটো নিজে পকাই থাকি মাজতে এবাৰ বন্ধুলৈ চালে। ৰেডিঅ টো কাষতে থৈ দিলে। মানুহটো অলপ আগফালে বেঁকা হৈ হাত দুটাৰে কমলাকান্তৰ পেটটো চুই চালে। হাঁহি এটাও মাৰিলে। তেওঁৰ মুখৰ অন্য এটা নতুন হাঁহি। কমলাকান্তই পবিত্ৰৰ দুযোখন হাত মুঠি মাৰি ধৰি জোকাৰি দিলে মুখেৰে নামাতাও চামাতাও কিখন কৰি আছা তুমি? মোৰ জেগাত বাৰু তুমি হোৱাহেঁতেন কি কৰিলাহেঁতেন?

কথাকেইটা কমলাকান্তই অলপ লাজ লাজকৈ ক লে। পবিত্ৰই কিবা এটা বুজি পোৱাৰ দৰে কৰিলে। হাত দুখন আঁতৰাই আনিলে। তাৰ পাছত চিকমিকাই যোৱা এটা মিঠা হাঁহিৰে কমলাকান্তৰ ফালে সোঁহাতখন আগবঢ়াই দি ক'লে চাওঁ ছিগাৰেট এটা দিয়া।

১৬।৭।৯০

বিষয় ঃ প্ৰেমৰ সংবিধান

ড নীলাক্ষি চাংকাকতি

তুমি সুধিছা—মই কিয় বিয়াত নবহিলো ? আচলতে তুমি সুধিব লাগিছিল মোক কিয় কোনেও বিয়া নকৰালে। যৌবনৰ অপৰাহ্নত ভৰি দি মই এজন পতি এজনী নাৰীৰ প্ৰয়োজনীয় দৌৰাত্ম্য' বুলি নিৰুদ্বেগভাৱে কোনো এজনক বৰণ কৰাৰ মানসিকতা ইতিমধ্যে হেৰুৱাই পেলাইছোঁ। তোমালোকৰ অসমত ছোৱালীৰ সন্মান আছে। আমাৰ ইয়াত বিয়াৰ বজাৰত দৰা এজন কিনা হয়। মোৰ উচ্চ শিক্ষাৰ মানদণ্ডৰে যেনে এজন ল'ৰাক পতি হিচাপে মই পাব লাগিছিল তেনে এজন ল'ৰাৰ ক্ৰয়মূল্য মোৰ দুখীয়া ঘৰখনে যোগাৰ কৰিব নোৱাৰিলে বাবেই মোৰ বিয়া নহ'ল।

মই সকৰে পৰা কষ্টত ডাঙৰ হোৱা ছোৱালী। ক মান শ্ৰেণীৰ পৰা এতিয়ালৈকে এই সুদীৰ্ঘ পঁচিছটা বছৰ মই পঢ়িয়েই কটালো। ঘৰখনৰ অৰ্থনৈতিক উত্থান পতনৰ মাজতো কেনেকৈ নিৰৱচ্ছিন্নভাৱে মই মোৰ পঢ়া চলাই থাকিব পাৰিলো মই ভাবি আচৰিত হওঁ। তুমি শুনি আমোদ পাবা—আগ্ৰাৰ ছোৱালী হৈও আগ্ৰাফ'ৰ্টৰ জাহাংগীৰৰ সুৰাপাত্ৰটোৰ কাষত বহি মই কেতিয়াও আত্মহাৰা হৈ পোৱা নাই। আগ্ৰাৰ চুকে কোণে শিল গছ আৰু স্তম্ভৰ বুকুত শুনিবলৈ পোৱা যায় মোগলীয় প্ৰেমৰ অনুৰণন। মই কিন্তু আজিৰ আগ্ৰাফ'ৰ্ট আৰু যমুনাক স যোগ কৰা সৰ্পিল সুৰ গটোৰ দৰে কাৰোবাৰ পদশব্দৰে বিৰক্ত হোৱাৰ আনন্দ নোপোৱাকৈয়ে বৈ গ লো।

মোৰ জীৱনলৈ প্ৰেমৰ বতৰা লৈ টিপচী চৰাইটো বৰ দেৰিকৈ আহিল। চৰাইটো আহিল—মই গছজোপাৰ এটি সৰু ডালত বহিল—মই গছজোপা কঁপি উঠিলো আৰু সেই কঁপনি লাহে লাহে কমি যোৱাৰ পাছত যেতিয়া চৰাইটোৱে বতৰাটো দিব পৰা পৰিবেশ এটাৰ সৃষ্টি হ'ল তেতিয়া চৰাইটোৱে এটা মনো শাৰীৰিক প্ৰেমৰ বতৰা দিলে।

তুমি উচপ খাই নুঠিবা —অখিল মোৰ জীৱনৰ প্ৰথম শাৰীৰিক প্ৰেম। তুমি ভয় নাখাবা। অখিলে মোক কাহানিও মিছা কথা কোৱা নাই। সি তোমাৰ কথা সকলো কৈছে। মোৰ তোমাৰ ওচৰত অক্ষমণীয় ভুলটো হ'ল এই যে সকলো জানি শুনিও মই তোমাৰ অখিলৰ দৈহিক স যমৰ পৰীক্ষা ললো। অখিল এবাৰৰ বাবে পৰীক্ষাত অকৃতকাৰ্য হ ল আৰু তুমি নুবুজিবা —মই এটা দিনৰ বাবে হ লেও নাৰীত্বৰ আনন্দ বৰ দেৰিকৈ উপলব্ধি কৰিলো।

মই নতুন দিল্লীৰ কেন্দ্ৰীয় স্বাস্থ্য আৰু পৰিকল্পনা বিভাগৰ মনোবিজ্ঞান শাখাৰ গৱেষণা বিষয়া। চৰকাৰী কামত প্ৰায়ে কেন্দ্ৰীয় চিকিৎসালয়সমূহলৈ যাওঁ। মোৰ গৱেষণাৰ বিষয় আছিল—চিকিৎসকসকলৰ কামৰ পৰিবেশ আৰু চিকিৎসা সেৱাৰ

ৰাষ্ট্ৰীয় আঁচনিসমূহৰ জনসাধাৰণৰ গ্ৰহণযোগ্যতা। ড. অখিল নামৰ চিকিৎসকজনে তেতিয়া বাৰা হিন্দু ৰাও চিকিৎসালয়ৰ চিকিৎসা বিষয়া হৈ যোগদান কৰিছেহে মাথোন। ভাষাৰ অজ্ঞতাই মানুহক এক সৰলতাৰ অভিব্যক্তি দিয়ে। অখিলৰ লগত চিনাকি হৈ মই ভাবিলো —ভাবি ভয় খালো —অখিল নামৰ ডাক্তৰজনৰ এই সৰলতাখিনিৰ ৰূপটো কেনেকুৱা ? সেই সৰলতাৰ বখলাখন আঁতৰালে অখিলৰ ভিতৰৰ শাহটোত আগ্ৰাৰ এজন ৰাজিন্দৰ সি ওলাবনে নোলায় ? আগ্ৰাৰ ৰাজিন্দৰ সিং এজন ইন্দ্ৰিয়পৰায়ণ পুৰুষবাদী আৰু বৈষয়িক সুখৰ পিছে পিছে দৌৰা যন্ত্ৰমানৱৰ প্ৰতিভূ। কিয় জানো —উত্তৰ প্ৰদেশৰ সকলো ল ৰাকে মোৰ ৰাজিন্দৰ সি যেন লাগে। প্ৰথম দৰ্শনতে মই ভাবিছিলো অসমৰ এই ল'ৰাজনৰ লগত বন্ধুত্ব কৰিব পাৰিনে ? মই সিদ্ধান্ত ললো পাৰি।

মোৰ ভৰিত থকা কানপুৰৰ ছেণ্ডেলযোৰ কিয় কোলহাপুৰী যেনহে লাগে বুলি নাইবা মোৰ কপালখনলৈ তিব্বতীয় বৈশিষ্ট্যৰ উঠঙাখিনি কেনেকৈ আহিল বুলি কৰা অখিলৰ কুথাবোৰ এদিন স্পষ্ট হ ল ব্যক্তিগত জীৱনে কথা বতৰাত ঠাই পালে আৰু এদিন সি কথাৰ মাজতে তোমাৰ কথাও ক'লে। উচ্চ শিক্ষাৰ বাবে অখিলক দিল্লী মহানগৰীলৈ পঠাই অতি আগ্ৰহেৰে তুমি হেনো অসমত প্ৰতীক্ষাৰ ক্ষণ গণিছা মই উচপ খাই উঠিলো। তালকাটোৰা উদ্যানৰ এটা জোপোহাৰ কাষত সন্ধ্যাৰ দেখ নেদেখ পোহৰত বহি অখিলে কথাৰ সুৰ সলাই ক লে তোমালোকে মনোবিজ্ঞানৰ ভাষাৰে মোৰ এই মনৰ অৱস্থাটো কেনেকৈ ব্যাখ্যা কৰিবা মই নাজানো। মই অসমত নীলিমা নামৰ এজনী চিকিৎসা বিজ্ঞানৰ ছাত্ৰীক বিয়া কৰোবাৰ প্ৰতিশ্ৰুতি দি আহিছোঁ। ভাল পোৱাৰ সম্পূৰ্ণ অৰ্থেৰে মই তাইক ভাল পাওঁ। কিন্তু এই মুহূৰ্তত তোমাৰ ভৰপূৰ দেহৰ উত্তাপ অনুভৱ কৰিবলৈ মোৰ মন গৈছে।

মই অখিলক তুমি বৰ অশ্লীল বুলি সিদিনা গুচি আহিছিলো। গোটেই ৰাতি মই মোৰ আত্মপৰিচিতিৰ স কট অনুভৱ কৰিছিলো। অখিলৰ ওচৰত মোৰ চিনাক্তকৰণ কেনে হোৱা উচিত ? বুদ্ধ উদ্যানৰ মুনিচুনি বেলিৰ পোহৰত এডাল প্ৰজ্জ্বলিত ধুম্ৰদণ্ডৰ সিটো মূৰে মুখ দি বহি থকা মূৰ্খটো যদি অখিল হয় তেন্তে তাৰ কাষত বহি থকা সহ অভিনেত্ৰীগৰাকী মই হ ব নোৱাৰোঁ। মই হ ব নোৱাৰোঁ এখন নিষিদ্ধ কিতাপ —অখিলে পঢ়ি ভাল পাব কিন্তু কিতাপখন সি তাৰ ডিপাৰ্টমেণ্টৰ পুথিভঁৰালত সকলোৱে দেখাকৈ ৰাখিব নোৱাৰিব।

নীলিমা তোমাৰ দৰে মযো প্ৰথমে বিয়াৰ সপোন দেখি লাহে লাহে মোৰ স্বপ্নক স যত কৰি আনিলো। বতৰ আ শিক ডাৱৰীয়া হ ব —সময় ৰাতিপুৱা বা আবেলি হ ব আৰু এখন ৰামধেনুৰ সৃষ্টিবেদনা উপলব্ধি কৰি ভাল লাগিব —এই জাতীয় অনিশ্চযতাৰ পৰা আঁতৰি আহি মই অখিলক এদিন মোৰ দেহৰ অঙঠাৰ উত্তাপ অনুভৱ কৰিবলৈ দিলো।

দুদিনমান চুচুক চামাককৈ মেহৰৌলিৰ অলিয়ে গলিয়ে মোক এৰাই চলা অখিলক এদিন ৰাষ্ট্ৰীয় শিক্ষা পৰিষদৰ পুথিভঁৰালত বহি মই ধিক্কাৰ দিলো। অখিলে মোক কৈছিল —দিল্লী মহানগৰীৰ যতমানে উদ্যানবোৰ হেনো আমাৰ যুৱশক্তিক

যৌন চিন্তাৰে ব্যস্ত কৰি ৰাখিবলৈ কৰা শাসকচক্ৰৰ পৰিকল্পনাৰ ফল মোৰ মনলৈ কিন্তু কোনো শাসকচক্ৰৰ ষড়যন্ত্ৰৰ কথা অহা নাই। অখিলক এজন ৰাজিন্দৰ সিং বুলি ভাবিব নোৱৰা কাৰণে আৰু অখিলৰ দুৰ্বল মুহূৰ্তৰ দাবীটো শিশমহলৰ তলৰ কোঠাটোত ৰাস্তা বিচাৰি নাপাই ঘূৰি ফুৰা প্ৰতিধ্বনিটোৰ নিচিনাকৈ মোৰ মস্তিষ্কৰ অভেদ্য বেৰত খুন্দিয়াই ফুৰা বাবে মই এটা বহিৰ্গমনৰ পথ দেখুৱালো আৰু তাৰ বাবে অখিলতকৈ মোৰ অপৰাধবোধ বেছি হোৱা উচিত।

আজি এইমাত্ৰ অখিলে অসমলৈ উভতি যাবলৈ মোৰ পৰা বিদায় লৈ গ'লহি। তুমি হয়তো অখিলক লগ পাবলৈ বাউলী হৈ পৰিছা। এতিয়াৰ পৰা অখিলৰ লগৰী হৈ তুমি জীবনৰ বাকীখিনি সময় কটাবা। কিন্তু তেওঁ মোক কিছুমান স্তব্ধ আৰু নিস্তৰংগ মুহূৰ্তৰ টুকুৰা দান দি গ'ল। তুমি এগৰাকী উচ্চ শিক্ষিতা ছোৱালী বাবে এইখিনি স্পষ্টভাৱে লিখিলো। মই ভাবোঁ—তুমিও এজনী ছোৱালী হিচাপে জনা উচিত যে প্ৰেমে কোনো ধৰণৰ স বিধান এখনৰ প্ৰতি আনুগত্য প্ৰকাশ নকৰে আৰু ই এক ইউট পিয়ান আদৰ্শভিত্তিক ধাৰণাৰ দৰে সদায় দেহৰ উৰ্দ্ধতো নহয়।

তুমি হয়তো ভাবিব পাৰা—এই কথাখিনি মই তোমালৈ কিয় লিখিছোঁ? অখিলক লগ পোৱাৰ আগতে মই প্ৰচণ্ড পুৰুষবিদ্বেষী হৈ উঠিছিলো। অখিলক লগ পোৱাৰ পাছত মই সন্দিহান হৈ পৰিলো —মোৰ পুৰুষসম্বন্ধে যি ধাৰণা সি শুদ্ধ নহ'বও পাৰে। অখিলক এইমাত্ৰ বিদায় দি মোৰ অনুভৱ হৈছে —মই যেন আকৌ আগৰ মানুহজনী হৈ পৰিছোঁ। মই ভাবোঁ ড. অখিল সংযমহীনতাৰ দোষেৰে দোষী আৰু তাৰ বাবে অখিলে কিছু মানসিক শাস্তি পোৱা উচিত। এতিয়াৰ পৰা তোমালোকৰ অতি অন্তৰংগ মুহূৰ্তবোৰত তোমাৰ চকুৰ আগত এটা অস্পষ্ট প্ৰতিবিম্ব হৈ মই জীয়াই থাকিম। তুমি অখিলক নিজাকৈ পোৱাৰ পাছতো অখিলৰ জীৱনৰ এটা অধ্যায়ৰ লগত আচহুৱা হৈ থকাৰ তোমাৰ যি দুখ আজীৱন ৰৈ যাব মই তাৰ মাজত জীয়াই থাকিব খুজিছোঁ। মই অনুভৱ কৰিছোঁ—মই তোমাৰ প্ৰতি খুব নিষ্ঠুৰ হৈছোঁ —কিন্তু অখিলক হেৰুৱাই যি দুখ মই পাইছোঁ তাৰ তুলনাত তোমালোকৰ মাজত মোৰ অশৰীৰী উপস্থিতি নিশ্চয় ক্ষমাৰ যোগ্য। মই নিষ্ঠুৰ হোৱাৰো যুক্তি আছে। নাই জানো?

—ইতি।

অঞ্জু ছাকছেনা

১।৯।৯০

অভিষেক

অতুল ৰাজকোঁৱৰ

কিছুদিনৰ পৰা মতা কুকুৰাটোৰ আচৰণত মই বিৰক্ত হ বলৈ ধৰিছোঁ। তাৰ ডেউকাৰ ঢপঢপনি আৰু দীঘলীয়াকৈ ডাক দিয়া মাতটো বৰ বিকট যেন লগা হৈছে। এতিয়া তাৰ খোজ কাটলবোৰ বেছি অহংকাৰী যেন লাগে।

তিনিজনী মাইকী কুকুৰা আৰু দহোটামান পোৱালিৰে তাৰ পৰিয়ালটো। তাৰ ওচৰতে থাকি মাইকীকেইজনীয়ে অনুভৱ কৰা নিৰাপত্তাৰ ভাবটোও মোৰ অসহ্য হৈছে।

দেউতাই সিহঁতক বৰ মৰম কৰে। ৰাতিপুৱাই চাউল এমুঠি ছটিয়াই দি তেখেতে সিহঁতৰ সৈতে উমলি থাকে। অৱসৰ পোৱাৰ পাছৰ পৰা তেখেতে সিহঁতৰ সৈতে খেলা ধূলা বেছিকৈ কৰা হৈছে। পোৱালিকেইটাক হাতত চাউল খুটিযাবলৈ দিয়ে। সিহঁত এতিয়া কিছু ডাঙৰ হৈছে। অলপ জোৰেৰে খুটিয়াই দিলে তেখেতে সিহঁতক মৰমৰ ধমক দিয়ে। মতা কুকুৰাটোৰ ৰাজকীয় ভাব ভংগী তেখেতে মুগ্ধ হৈ চায়। তাৰ নিৰুদ্বেগ নির্ভয় খোজ কাটলৰ প্রতি শলাগ জনায়। কুকুৰাৰে সৈতে খেলি থকা সময়খিনিত কোনোবাই মাতিলে তেওঁ বৰ আমনি পায়। সিদিনাও মাই বজাৰৰ কথা কওঁতে তেখেতে গৰগৰাই উঠিল — কিয় পোনা যাব নোৱাৰে নেকি ? তাক কৈ দিয়া—ল'ৰা ছোৱালীহাল লৈ মাইনু অহাৰ কথা আছে। অলপ বুজনমুৱা কুকুৰা এটা লৈ আহিব।

দেউতাৰ কথাত আজিলৈকে কোনেও কোনো ধৰণৰ আপত্তি কৰা নাই। তেখেতৰ অফিছৰ কর্মচাৰীসকলেও হেনো কোনো কামতে কেতিয়াও প্রশ্ন তোলা নাছিল। তেখেতৰ ইচ্ছাই আছিল শেষ নির্দেশ। সেয়ে আধাপঢ়া উপন্যাসখনৰ মাজত কাগজ এটুকুৰা ফালি চিন দি বজাৰৰ মোনা ললো। অন্যান্য বস্তুৰ লগতে শকত আৱত কুকুৰা এটা কিনি আনিলো।

কুকুৰাটোৰ ৰংটো বৰ সুন্দৰ। দেউতাই আলেঙে আলেঙে কুকুৰাটো চালে আৰু চাউল দুটামান দি সজাটোত সোমোৱাই ৰাখিবলৈ ক লে। মই পুনৰ উপন্যাসখন হাতত ললো। দেউতায়ো বাৰাণ্ডাতে ডাঙৰ আৰামী চকীখনত বাতৰি কাকতখন হাতত লৈ বহি থাকিল।

সন্ধিয়ালৈ খবৰ আহিল—মাইনু নাহে। ল ৰা ছোৱালীহালৰ পানী লগা জ্বৰ।

মাইনু ওচৰৰে এঘৰলৈ বিয়া দিয়া মোৰ ভনী। মাহেকে পষেকে ল'ৰা ছোৱালীহাল লৈ আহি এদিন দুদিন থাকি যায়।

দেউতাৰ পৰা নিৰ্দেশ আহিল যে সম্প্ৰতি কুকুৰাটোক অক্ষত অৱস্থাত থাকিবলৈ দিয়াই ভাল হ'ব। ঘৰৰ কুকুৰাকেইটাৰ লগতে চৰিব ফুৰিব।

পাছদিনাৰ পৰা কুকুৰাটোৱে বাকী কুকুৰাবোৰৰ লগ ললে। কিন্তু সি ডাঙৰ মতাটোৰ পৰা এক নিৰাপদ দূৰত্বত থাকে। মতাটোৱেও যেন তাক সহজভাৱে লব পৰা নাই—তাৰ আচৰণত এনে এটা ভাব প্ৰকাশ পালে। দৃশ্যটো লক্ষ্য কৰি দেউতাক বৰ চিন্তিত হোৱা দেখা গ'ল। তেখেতে মাক সুধিলে— হে ৰা মাইনুইঁত বাৰু এসপ্তাহ মানৰ ভিতৰতে আহিব পাৰিবনে ?

নতুন কুকুৰাটো দিনক দিনে আৰু দেখনিয়াৰ হৈ আহিবলৈ ধৰিলে। তাৰ গাটো আৰু উজ্জ্বল হ ল। নেজৰ পাখিবোৰো দীঘল হ বলৈ ধৰিলে। মাইকীএজনী অনবৰত তাৰ লগতে থকা হ ল। এদিন সি ডেউকা কোবাই ডাক দিবলৈও চেষ্টা কৰিলে। তাৰ চেষ্টা বিফলে নগ ল। তাক বৰ উৎফুল্ল দেখা গ ল। মাইকীজনীয়েও তাক প্ৰস,শা কৰা যেন লাগিল। সি সঘনে ডাক দিবলৈ ধৰিলে। এনেতে এটা অঘটন ঘটিল। —ডাঙৰ কুকুৰাটোবে ক ৰবাৰ পৰা চোঁ মাৰি আহি তাক শিশুপাল খেদা দিলে। একেবাৰে সন্ধিযাহে নতুন কুকুৰাটো ঘূৰি আহিল।

এই ঘটনাটো প্ৰায় সদাযেই হ বলৈ ধৰিলে। দেউতাই কথাটো মন কৰা যেন নালাগে। ভাতৰ টেবুলত বহি মাইনুইঁতৰ কথা কিন্তু তেখেতে সঘনাই সোধা হ ল। অজানিতে মই কোনো এটা সময়ত নতুন কুকুৰাটোৰ পক্ষ ললো। দেউতাৰ প্ৰতিও এক অনামী আক্ৰোশ অনুভৱ কৰিবলৈ ধৰিলো। দৰমহা পালেই টিভি ছে'ট কিনিম বুলি ঠিক কৰি থৈছোঁ। দেউতাৰ আপত্তিৰ বাবেই আজিলৈকে কিনা হোৱা নাই। কেতিয়াবা এই আক্ৰোশ বিদ্বেষলৈ পৰিণত হয আৰু সকলো অমান্য কৰি নিজৰ ইচ্ছামতে কাম কৰাৰ দুৰ্বাৰ হেঁপাহ হয। শেহত দেউতাৰ ব্যক্তিত্বৰ আগত সেই আক্ৰোশ সেই বিদ্বেষ ধানখেৰৰ জ ইৰ দৰেই নিৰ্বাপিত হয়। ঘৰৰ সন্মুখৰ বাৰাণ্ডাৰ মাজডোখৰ ভাঙি এটা প ৰ্চ সজোবাৰ কথা ক লো — পইচা খৰচ কৰাৰ কোনো প্ৰয়োজন নাই। পদুলিৰ কাষে কাষে দেবদাৰু কম বুলি পুলি আনিলো —আমলখিৰ পুলিহে কৰ লাগে বোলে। ফুলনিত বাকী ফুলগছবোৰৰ লগত কোনো মিল নোহোৱাকৈ থিয় হৈ থকা গছপুলিটো ওভালিবলৈ লওঁতে তেখেতে গুজৰি উঠিল— যেতিয়া বয়স হ ব অভিজ্ঞতা হ ব তেতিয়া নিজৰ ইচ্ছামতে কাম কৰিবি। আজিলৈকে তেখেতৰ ইচ্ছামতেই সকলো কৰিছোঁ —আৰ্টছ নপঢ়ি ছায়ন্স পঢ়িছোঁ। কলেজত চাকৰি কৰি থাকিও এ ছি এছৰ বাবে পৰীক্ষাত বহিছোঁ। তেখেতৰ সংসাৰজ্ঞানৰ প্ৰতি শ্ৰদ্ধাবান হৈও মাজে মাজে বিৰক্ত হওঁ। বিদ্ৰোহ কৰিবৰ মন যায়।

ফুলনিত সোমাই থকা কুকুৰা কেইটাকে খুব জোৰে ধমক দিলো। আঁতৰত খুপি খুপি চৰি থকা নতুন কুকুৰাটোৱেও চক খাই পুলুঙা পুলুঙি কৰিবলৈ ধৰিলে। তাৰ প্ৰতি এক সহানুভূতি জাগি উঠিল মোৰ মনত। শনিবাৰে মাইনুইঁত আহিব বুলি খবৰ আহিছে। কুকুৰাটোৰ কথা ভাবি মনটো দুক-দুক কঁপিবলৈ ধৰিলে। মুহূৰ্ততে সিদ্ধান্ত ললো—তাক মই যেনে তেনে বচাবই লাগিব। তাক বচোৱাৰ লগতে ডাঙৰ

কুকুৰাটোক নি শেষ কৰিব লাগিব। সিদ্ধান্তটো লৈ এক গভীৰ প্ৰশান্তি অনুভৱ কৰিলো। লগে লগে এটা ডাঙৰ পৰীক্ষাৰ প্ৰস্তুতিৰ কথা ভাবি শংকিত হৈ পৰিলো।

প্ৰাৰম্ভিক প্ৰস্তুতিৰে সিদিনা ভাতৰ পাতত বহি দেউতাক ক লো —ঘৰত ৰাখি থবৰ বাবে নতুন কুকুৰাটো অতি উত্তম হ ব। ডাঙৰ কুকুৰাটোৰ বয়সো যথেষ্ট হৈছে — ।তিকে মাইনুহঁত আহিলে তাকেই ধৰিব লাগে।

কথাকেইটা কৈ মই কোনোমতে উশাহ বন্ধ নহ বৰ বাবে চেষ্টা চলাই থাকিলো। অনিবাৰ্য পৰিস্থিতি চম্ভালি লবৰ বাবে দুৰ্বাৰ প্ৰচেষ্টা চলালো। গাজনি ঢেৰেকনি আনকি ভূইকঁপৰ বাবেও নিজকে সাজু কৰি ললো। ৰান্ধনিঘৰৰ দুৱাৰমুখত সন্ত্ৰস্ত হৈ মা এখোজ পিছুৱাই যোৱা লক্ষ্য কৰিলো।

দেউতা কিছু সময় নিৰ্বিকাৰ মৌন হৈ ৰ ল। তাৰ পাছত তেখেতে ভাতৰ গৰাহটো গিলি লৈ এঢোক পানী খাই অতি নিৰুদ্বেগভাৱে ক লে — তোৰ কথাটো ঠিকেই। নতুন কুকুৰাটোৰো লক্ষণবোৰ ভালেই দেখিছোঁ।

তেখেতে আৰু একোকে নক লে। ইমান সহজতে কামটো হৈ যাব —মই কোনোমতেই আশা কৰা নাছিলো। জীৱনৰ যেন আটাইতকৈ ডাঙৰ পৰীক্ষাতো ইমান সহজতে উত্তীৰ্ণ হোৱাৰ কথা মই সপোনতো ভবা নাছিলো। মা সেইফালেই শিল পৰা কপৌৰ দৰে থৰ হৈ ৰ ল। কৃতকাৰ্যতাৰ আনন্দত মোৰ দেহত বিজুলীৰ ঢৌ খেলি গ ল।

মই মোৰ ভিতৰতে নতুন এক ব্যক্তিৰ সন্ধান পালো। চিৰাচৰিত প্ৰথামতে আৰু অভ্যাসবশত কিবা এটা কৰাৰ আগতে মা দেউতাৰ কাষ চাপে। তেতিয়া দেউতাই মোৰ মতামত বিচাৰিলে মোৰ কাণ মূৰ ৰঙা পৰি যায। তেখতৰ প্ৰশান্ত গম্ভীৰ ব্যক্তিত্বৰ সম্মুখতমোৰ নি শেষ হৈ যোৱাৰ উপক্ৰম হয। নিজকে দুৰ্ঘোৰ অপৰাধত অপৰাধী যেন লাগে। কোনোমতে নিজকে চম্ভালি আঁতৰি পৰোঁ। প্ৰথম প্ৰথম ডাঢ়ি খুৰোবা দিনকেইটাৰ দৰে দেউতাৰ পৰা আঁতৰি ফুৰোঁ।

অবশেষত মাইনুহঁত আহিল। দেউতাই আগৰদৰেই সিহঁতৰ লগত হাঁহি স্ফূৰ্তি কৰিলে। সচৰাচৰ কৰাৰ দৰেই ওচৰৰ ঘৰৰ বনকৰা ল ৰাটোক মাতি আনি ডাঙৰ কুকুৰাটো ঠিক কৰি দিবলৈ ক লে। সেইদিনাখন মই ঘৰলৈ ৰাতি দেৰিকৈহে উভতিছিলোঁ। ভাত খাবলৈ বহি বহু চেষ্টা কৰিও এডোখৰ মাংসও খাব নোবাৰিলোঁ।

পাছদিনা পুৱা নতুন কুকুৰাটোৱে ডাক দিছিল। তাৰ মাতটোলৈ বয়সৰ গাম্ভীৰ্য তেতিয়াও অহা নাছিল।

১৬।১০।৯০

বিবৰ্তন

বন্দিতা ফুকন

আগফালৰ বে লটো জোৰেৰে বাজি উঠিল। এবাৰ নহয় দুবাৰ নহয় তিনিবাৰকৈ বজা বে লটোৰ কৰ্কশ শব্দটোৱে মোৰ পুবাৰ সুন্দৰ টোপনিটোক নিষ্ঠুৰভাৱে ভাঙি দিলে। ইয়াৰ পাছত আৰু শুব নোৱাৰি। ৰিণিৰ ওপৰতে খং উঠিল।

মোৰ ঘৰখনৰ বাৰাণ্ডাত প্ৰতি পুৱাই গোটেই ৰাজ্যখনৰ পাচলি কল আপেল কণী মাছ ইত্যাদি বস্তুবোৰৰ বেপাৰীসকলৰ সমাগম হয়। গতিকে কি হাৰত বাৰাণ্ডাৰ বে লটো বাজি থাকে সেইটো সহজেই অনুমান কৰিব পৰা যায়। যি দেখা গৈছে — ৰিণিৰ প্ৰিয়পাত্ৰ এই বেপাৰীবৃন্দক এটেণ্ড কৰিবলৈকে ঘৰখনত বাইৰ বাহিৰেও আমাৰ সৰু পৰিয়ালটোলৈ আন এগৰাকী নতুন সভ্য আমদানি কৰাৰ বিশেষ প্ৰয়োজন হৈ পৰিছে। মোৰ দুৰ্ঘোৰ আপত্তি আৰু সময়ে সময়ে প্ৰচণ্ড খঙৰ ভমক দেখিয়েই মাজে মাজে ৰিণিয়ে অনুচ্চ কণ্ঠেৰে সেই বিশেষ অতিথিবৰ্গক কয় তোমালোকে বে লটো নবজাবা। ছাৰৰ টোপনি ভাঙে নহয়। বাইদেউ বুলি মাতিলেই মই ওলাই আহিম।

তাৰ পাছত বেচ কিছুদিন পুৱা শুনিবলৈ পোৱা যায় বাইদেউ বাইদেউ বোলা বিভিন্ন সুৰৰ অনেক কণ্ঠস্বৰ।

ৰিণি তোমাৰ ভায়েৰাহঁতক সোধ পোচ কৰাগৈ যোৱা।

মোৰ এই অভিযোগৰ বিপৰীতে ৰিণিৰ পৰা সদায় সেই একেটাই উত্তৰ আহে এতিয়া বেয়া পাইছা। বজাৰ কৰিবলৈ তুমি কেতিয়াবা সময় পোৱা জানো? আমাৰ ঘৰখন কোনে চলাই ৰাখিছে জানানে? —এই বেপাৰীসকলে।

ড্ৰেছিং টেবুলত থকা সৰু টেবুল ঘড়িটোলৈ চালো। আঠ বাজি পঞ্চলিছ মিনিট গৈছে। চাৰে নমান বজালৈকে শুব পৰা হ লে। কালি ৰাতি ফূৰ্তি বেচ ভালকৈয়ে হৈছিল। সাধাৰণতে মই তিনি পেগতকৈ বেছি নাখাওঁ কিন্তু ৰবীনৰ উৎপাতত পাঁচ পেগলৈকে যাব লগা হ ল। ইয়াৰ পাছত পাৰ্টিত কি খালো কেনেকৈ গাড়ী চলাই ঘৰলৈ আহিলো নাজানো। মই কেতিয়াবা এনেকৈ অকলে আহিলে ৰিণিয়ে হেনো ৰাতিপুৱাই গেৰেজলৈ গৈ গাড়ীখন চাই আহে —দূৰৰ পৰা নেজলৈকে গাড়ীখনৰ ওপৰত চকু ফুৰায়। ৰিণিৰ ভয় —মই কিজানি নতুন গাড়ীখন কৰবাত লগালো। ৰিণিৰ মতে মোৰ হেনো কোনো বস্তুলৈকে মৰম নাই। এই যে গাড়ীখন —এইখন মই হেনো এটা টিনৰ বাকছ চলোৱাদি চলাওঁ। যেন পেট্ৰল ভৰালেই গাড়ীখনৰ প্ৰতি থকা মোৰ দায়িত্ব শেষ। তাকে প্ৰমাণ কৰিবলৈ প্ৰায়েই বন্ধৰ দিনত ৰিণিয়ে গাড়ীখন ধুই মচি কাচি থয়। হয়তো আজিও মানে এতিয়া এই সময়ত ৰিণিয়ে চাগৈ গাড়ী ধুই আছে।

গাড়ী ধোৱাৰ কথা বাদ দি কালি নিশা ৰবীনৰ ঘৰৰ পাৰ্টিটোৰ কথা ভাবিবলৈ ধৰিলো। কালি কিন্তু বেচ জমিছিল। অকণাভে বঢ়িয়া কেইটামান জ ক কৈছিল। মণিৰ বায়েক মীনাক্ষীয়ে কিন্তু এই বয়সতো বেছ ফিগাৰ মেইনটেইন কৰি আছে।

উঠা উঠা। মই কৈছিলো নহয় উঠিবলৈ। দেউতা আহিছে। গমটো পাবা এতিয়া।

হুৰমূৰকৈ ৰিণি শোবা কোঠালৈ সোমাই আহিল।

দেউতা ? এই পুৱাতে ? অবশ্যে দেউতাৰ বাবে এতিযা মোৰ দৰে পুৱতি নিশা হৈ থকা নাই। পুৱা পাঁচ নৌ বাজোতেই দেউতাই ট্ৰেক ছুট পিন্ধি জগি কৰিবলৈ ওলাই যায়। ছফুট এক ইঞ্চি উচ্চতাৰ আটিল দেহাৰে এই তেষষ্ঠি বছৰ বয়সতো দেউতাই এজন যুবকৰ দৰেই ৰাজহাড পোনকৈ খোজ কাঢ়ে। দেউতাৰ ভাষাত মোৰ এই বয়সত মই হেনো দপদপাই পৃথিৱী কঁপাই থাকিব লাগে। দেউতাৰ দৰে পুৱাতে উঠি জগি কৰিবলৈ ওলাই যাব লাগে দেউতাৰ দৰে দৈনিক ছাৰ্ট সলাব লাগে। বিযাৰ আগতে মোৰ বেছিভাগ সময কাটিছিল এখন জধলা বিছনাৰ ওপৰত। বিছনাখনত পৰি থকা হেডলি চেজৰ পৰা আৰভি ৱালেছৰ নভেলবোৰৰ লগতে ৰিডাৰ্ছ ডাইজেষ্ট ইণ্ডিযা টুডে টাইম মেগাজিন আদিযেই আছিল মোৰ সেই অবসৰ বিনোদনৰ প্ৰধান স গী। দেউতাৰ বিপৰীতমুখী মোৰ নানা ধৰণৰ স্বভাববোৰৰ বাবেই দেউতাৰ লগত মোৰ প্ৰাযেই মনোমালিন্য ঘটিছিল। সৈন্য বিভাগৰ অবসৰপ্ৰাপ্ত ব্ৰিগেডিযাৰ দেউতাই মোৰ এই আলস্যপূৰ্ণ আনডিছিপ্লিনড লাইফৰ লগত শান্তিপূৰ্ণ সহ অবস্থান কৰিবলৈ অৱশ্যে যথেষ্ট চেষ্টা কৰিছিল। মোৰ বিযাৰ আগলৈকে দেউতাই কোনোমতে চকু কাণ মুদি থাকিল আৰু অৱশেষত মোৰ বিযাৰ ঠিক পাছতেই তেখেতৰ পৰা আহিল সেই কঢ়া নিৰ্দেশ —মই সপৰিবাৰে মোক কোম্পানিযে দিযা নতুন ফ্লেটটোলৈ উঠি যাব লাগে। নক লেও হ ব যে দেউতাৰ দৰে মযো এজন মেকানিকেল ইঞ্জিনিযাৰ যদিও দেউতাৰ খোজতে খোজ মিলাই মই ভাৰতীয সৈন্য বাহিনীত যোগ নিদিলো। তাৰ সলনি মই এটা নামী বিদেশী কোম্পানিৰ সহযোগত গঢ়ি উঠা এক সৰ্বভাৰতীয কোম্পানিৰ চাকৰিতহে যোগ দিলো। এইটো কোম্পানিযে মোক দামী ফ্লেট নিজাকৈ নতুন গাড়ী কিনিবলৈ ধন আৰু আন বহুত কিবাকিবি দিছে যদিও ই মোৰ পৰা এটা অমূল্য বস্তু কাঢ়ি নিছে —সেইটো হ ল সময। পুৱা ন বজাৰ পাছৰ পৰা সন্ধিযা সাত আঠবজালৈকে মই বাস্তৱ জগতৰ পৰা বিচ্ছিন্ন হৈ কোম্পানিৰ বৰ্তমান আৰু ভৱিষ্যতক লৈ ব্যস্ত থাকিব লাগে। দিনটোৰ কৰ্ম ব্যস্ততাৰ পাছত যেতিযা উভতি আহোঁ তেতিয়া দেউতাৰ দৰে কিবা শাৰীৰিক ব্যায়ামটো বাদেই এটা কোঠাৰ পৰা আনটো কোঠালৈ উঠি যাবলৈও মোৰ মন নাযায। এক সুন্দৰ আৰামৰ সময় কটোৱাৰ বাসনা জাগে।

মই সপৰিবাৰে ফ্লেটলৈ উঠি যাব লাগে—এই বিষযত দেউতাই মুখেৰে দেখুউৱা যুক্তিবোৰ আছিল এনে ধৰণৰ নব বিবাহিতা দম্পতিক বহুত স্বাধীনতাৰ প্ৰয়োজন হয়। বিশেষকৈ নতুন বোৱাৰীবোৰ শাহুৱেকহঁতৰ গাতে গা লগাই থাকিব নালাগে। পাগঘৰত গোসাঁইঘৰত ড্ৰযি ৰুমত অনবৰতে ইপক্ষই সিপক্ষক দেখা পাই থাকিলে

এখন ক ল্ডয়াৰৰ আৰম্ভণি হ বই —যাক পৃথিবীৰ বিজ্ঞ লোকসকলৰ আদেশ উপদেশ অথবা সৰ্বাধুনিক অস্ত্ৰ শস্ত্ৰৰেও কোনোমতে প্ৰতিৰোধ কৰিব পৰা নাযায়। দেউতাই এই যুক্তিবোৰ বেচ কোমল সুৰতেই দিছিল যদিও মই জানিছিলো যে ইয়াৰ অন্তৰালত এজন ব্ৰিগেডিয়াৰৰ কঢ়া আদেশ নিহিত হৈ আছে আৰু সেই আদেশ অমান্য কৰাটো মোৰ দৰে সোৰোপা লেহুকা ব্যক্তি এজনৰ পক্ষে অসম্ভৱ। সেযেহে নব পৰিণীতা ৰিণিক লৈ মই মোৰ কোম্পানিৰ ফ্লেটলৈ গুচি আহিলো আৰু দেউতাৰ চকুৰ আঁৰত —দেউতাৰ ভাষাত —মই এক মহা আলস্যপূৰ্ণ বিশৃ খল অনিয়মিত জীৱন যাপন কৰিবলৈ আৰম্ভ কৰিলো। এইটো কথা সঁচা যে আমি অৰ্থাৎ মই আৰু ৰিণি দেউতাইঁতৰ ঘৰখনলৈ যোবাতকৈ মোৰ মা দেউতাইহে বহুত বেছি ঘনকৈ আমাৰ ফ্লেটলৈ আহিবলৈ ললে। টিভিত দেখুউবা চাফা বাথৰুমৰ বিজ্ঞাপনটোৰ বোবাৰীজনীযে পৰিচ্ছন্ন শাহুবেকৰ ভয়ত কঁপি থকাৰ দৰেই ৰিণিযেও মোৰ মা তথা দেউতাৰ ভয়ত ঘৰখনৰ সেই চাৰিটা ৰুমকে সৰাকে সৰা মচাকে মচা জাতীয় কামবোৰ কৰি থাকিবলৈ ললে। এইটো সৰ্বজনবিদিত যে দেউতাৰ মিলিটেৰি অনুশাসনবোৰ মানি চলাত আমাৰ পৰিযালটোত মাৰ স্থান আছিল আগশাৰীত। সেয়ে প্ৰাযবোৰ সন্ধিযা এহাল পৰিপাটি চাফ চিকুণ নিয়মানুবৰ্তিতা মানি চলা প্ৰৌঢ় দম্পতিৰ সমুখত আন এহাল জধলা তৰুণ নব দম্পতি যিকোনো মুহূৰ্ততে এক্সপ্লেনেইশ্যন কলৰ ভয়ত সন্ত্ৰস্ত হৈ থাকিল।

শোট মোট যোবা স্লিপি ছুটযোৰেৰে মোক দেখিযেই দেউতাই গম্ভীৰ স্বৰেৰে সুধিলে এতিযাহে উঠিলি? কালি ৰাতি বেছিকৈ পিলি নেকি?

'নাই মানে—সেই ৰবীনৰ বিবাহবাৰ্ষিকী আছিল ৰাতি আহোঁতে দেৰি হ ল।
—মই সেমেনাসেমেনিকৈ উত্তৰ দিলো।

ইতিমধ্যে ৰিণিযে কলকলাবলৈ আৰম্ভ কৰিলেই দেউতা আহিল যেতিযা আমাৰ লগতে ব্ৰেকফাষ্ট কৰক। আমাৰ বৰ ভাল লাগিব।

ৰিণিৰ প্ৰস্তাবত দেউতাই আনন্দৰে সমতি জনালে পিছে লগে লগে গম্ভীৰভাবে মোক প্ৰশ্ন কৰিলে আজিকালি তই ৰিণিক কাপোৰ কানি দিবলৈ এৰিছনেকি?

তাঁৰ চকুৰে মই ৰিণিলৈ চালো। ৰিণিয়ে পিন্ধি থকা পুৰণা হাউছকোটটোৰ সোঁ বাহুটোৰ চিলাই এৰাই গৈ এঠাইতে ওলমি আছে। সাধাৰণতে গাড়ী ধুবলৈ যাওঁতে ৰিণিয়ে সদায় সেই পুৰণা হাউছ কোটটোকে পিন্ধে। দেউতাক দেখিতো ৰিণিয়ে চোলাটো সলাব পাৰিলেহেঁতেন। অৱশ্যে কাম শেষ কৰি গা ধুবলৈ ওলোৱা ৰিণিয়েনো সময় পালে ক ত? পুৰা অহা সেই প্ৰিয়পাত্ৰসকলৰে কোনোবা এজনে বে ল টিপা বুলি ওলাই গৈ ভদ্ৰমহিলা পৰিলগৈ একেবাৰে দেউতাৰ সমুখত!

কোনোমতে দেউতাৰ হাতত কিবা এখন পঢ়িবৰ বাবে গুজি দি লৰালৰিকৈ মই বাথৰুমত সোমালো। ডাটি খুৰাই থাকোঁতে ভাবিলো দেউতা বাৰু এনে অসময়ত কিয় আহিল? সাধাৰণতে মই, দেওবাৰটোৰ পুৱাৰ ভাগত এটা জধলা আৰামপ্ৰদ জীৱন

কটাওঁ বুলি দেউতাই জানেই দেখোন। আনকালে দেওবাৰে আহিলে দেউতা মাৰ লগত সন্ধিয়াহে আহে।

গা ধুই চাফা ইস্ত্রি থকা পেণ্ট ছাৰ্ট এযোৰ পিন্ধি ললো। ডাইনিং টেবুলত মোক চাফ চিকুণ বেশত দেখি দেউতা বেছ প্ৰসন্ন হ'ল। তেখেতে মোৰ কাম কাজৰ কথা সুধিলে। ইতিমধ্যে ৰিণিযেও তেওঁৰ সাতামপুৰুষীয়া হাউছকোটটো সলাই গা ধুই ধুনীয়া শাৰী শাৰীৰ লগত মিলোৱা ৰঙৰ ব্লাউজ পিন্ধি পুৱাৰ আহাৰ পৰিবেশন কৰিবৰ বাবে ডাইনি কম পালেহি। খাবলৈ আৰম্ভ কৰাৰ লগে লগে দেউতাই ক'লে 'আজি নিশা কৰ্নেল বেনাৰ্জীৰ বে ডি এনিভাৰছেৰিৰ ছিলভাৰ জ বিলিৰ পাৰ্টি আছে। পাৰ্টিলৈ বেছি মানুহ মতা নাই। বেছ লিমিটেড গে ষ্ট। মোৰ গাড়ীখন সিদিনা ৰ কৰিবলৈ গেৰেজত দিলো। সেয়ে ভাবিলো তোৰ গাড়ীখনকে লৈ যাওঁ। বেছি সময়ৰ বাবে নিনিওঁ ধৰি ল—চব্বিছ ঘণ্টাৰ বাবে।

মই জানো দেউতাৰ চব্বিছ ঘণ্টা মানে ঠিক চব্বিছ ঘণ্টা। তাৰ একমিনিটো দেৰি নহয়। তথাপি ৰিণিলৈ চাই মই প্ৰশ্ন কৰিলো এই আমাৰ চিন্টুৰ ভেকছিন দিয়াৰ দিন পৰিছে নেকি? 'নাই তাক অহা বুধবাৰলৈহে নিব লাগিব।

মুকলি মনেৰে মই দেউতাৰ হাতত গাড়ীখনৰ চাবিটো তুলি দিলো। সঁচা কথা ক'বলৈ গ'লে দেউতাই গাড়ীখন নিবলৈ অহাত মই ভালহে পালো। গাড়ীখন নোহোৱাৰ বাবে ৰিণিযে মোক অন্ততঃ তেওঁৰ তথাকথিত বান্ধবীবোৰৰ ঘৰত মোৰ বাবে অত্যন্ত ব ৰি ছছিয়েল ভিজিট বোৰ দিবৰ বাবে জোৰ কৰিব নোৱাৰিব। সেয়ে আজি সন্ধিয়াটো বেছ আৰামেৰে কটাব পাৰিম। ফ্ৰেডৰিক ফ ৰছিথৰ কাহিনী লৈ কৰা ধুনীয়া ফিল্ম এখনৰ কেছেট এটা কালিয়েই ৰবীনৰ পৰা লৈ আহিছোঁ। দেওবৰীয়া সুন্দৰ দিবাভোজন (সাধাৰণতে দেওবাৰে ৰিণিয়ে স্পেছিয়েল কিবা এবিধ ৰান্ধেই) দিবাভোজনৰ শেষত দিবানিদ্ৰা আৰু তাৰ পাছত সন্ধিয়া গাৰুটো বুকুত সাবটি লৈ বিছনাত পৰি থাকি ভিছিপিত উপভোগ কৰিম ফ্ৰেডৰিক ফ ৰছিথৰ ছবি। উস। এনে সুন্দৰ আৰামৰ বন্ধৰ দিন এটা যে মোৰ সমুখত পৰি আছে সেইটো কথা বাৰু আগতে কোনে জানিছিল?

দেউতাক লাহেকৈ সুধিলো গাড়ীখন গেৰেজৰ পৰা উলিয়াই দিওঁনে দেউতা?

দেউতাই মোৰ কথাৰ পোনছাটেই উত্তৰ দিলে—গেৰেজৰ পৰা মই গাড়ী উলিয়াই ৰাস্তাত থিয় কৰাই দিব'লৈ দেউতা এতিয়াও ইমান বুঢ়া হোৱা নাই। গিৰিপ গাৰাপ খোজেৰে দেউতাই বাৰাণ্ডাৰ পৰা নামি গৈ গাড়ীত বহি ললে আৰু গেৰেজৰ পৰা সুন্দৰভাৱে গাড়ীখন উলিয়াই আনিলে।

দেউতাক বিদায় দিবৰ বাবে বাৰাণ্ডাত ৰৈ থকা মোৰ আৰু ৰিণিৰ পিনে চাই হাঁহি হাঁহি হাতখন জোকাৰি দি দেউতাই চিঞৰি ক'লে 'অনলি ফৰ টুৱেন্টি ফ ৰ আৱাৰ্ছ—মাত্ৰ চব্বিছ ঘণ্টাৰ বাবে।

দেওবাৰৰ বন্ধৰ দিনটো মই ভবাৰ দৰে বৰ ভালকৈ পাৰ হৈ গ'ল। সোমবাৰৰ পৰাই মোৰ দৈনন্দিন কৰ্ম ব্যস্ততা আৰম্ভ হ'ল। জৰুৰী মিটিং আছিল। সকলো কাম

কাজ সামৰি ৰাতি চাৰে আঠ বজাত ঘৰ পাইছোঁহি। ৰিণিয়ে হাঁহিমুখে মোক দুৱাৰ খুলি দিলে। ৰিণিৰ প্ৰসন্নতাৰ কাৰণ হ'ল আজি দুপৰীয়াটোত তেওঁৰ দুগৰাকী বান্ধৱীয়ে ৰিণিক বৰ ধুনীয়া সংগ দিলে। মই কাহানিও দেখা নোপোৱা ৰিণিৰ বান্ধৱী দুগৰাকীলৈ মনে মনে আন্তৰিক ধন্যবাদ যাচিলো। নহ'লে নিশা চাৰে আঠবজাত ঘৰলৈ অহাৰ বাবে মোৰ ভাগ্যত ৰিণিৰ পিনৰ পৰা এক গোমোঠা অভ্যৰ্থনাহে মিলিলেহেঁতেন।

দেউতাই গাড়ীখন নিয়াৰ কথাটো মই পাহৰিছিলোবেই। আচলতে মই মোৰ কৰ্মস্থানলৈ কোম্পানিৰ গাড়ীতেই অহা যোৱা কৰোঁ। দিনৰ ভাগত ঘৰুৱা ইটো সিটো কামৰ বাবে ৰিণিয়েহে গাড়ীখন চলাই লৈ ফুৰে। মঙলবাৰে নিশা ৰিণিয়েই গাড়ীৰ প্ৰসংগটো উলিয়ালে।

দেউতাই গাড়ীখন নিদিলে নহয়। কাইলৈ চিন্তুক ভেকছিন দিবলৈ নিয়াৰ দিন যে।

দেউতা তাৰ পাছত অহাই নাই নেকি?

প্ৰশ্নটো সুধি মই নিজেও আচৰিত হ'লো। কাৰণ দেউতাৰ ভাষাত চব্বিছ ঘণ্টা মানে চব্বিছ ঘণ্টাই। কি ঠিক হয়তো দেউতাৰ নিজৰ গাড়ীখন গেৰেজত থকাৰ বাবে ইটো সিটো দৰকাৰী কাম মোৰ গাড়ীখন থাকোঁতেই কৰি লৈছে। নহ'লে কিজানি এই দুদিন নীতা বা জোৎস্না আণ্টিহঁতৰ ঘৰতে ভিজিট দিছেগৈ। মই জনাত এসময়ত দেউতা যথেষ্ট ৰোমাণ্টিক প্ৰবৰ আছিল। মদিৰা পান কৰাৰ পাছত একেবাৰে গোটেইজন ওমৰ খৈয়াম হৈ পৰে। কত নিশা মাৰ প্ৰৰোচনাত পৰিহে দেউতা গৃহমুখী হৈছিল। নহ'লে অত্যন্ত বন্ধুবৎসল দেউতাই বন্ধু বান্ধৱীৰ দ্বাৰা পৰিবেষ্টিত হৈ গোটেই নিশাটো পাৰ কৰি দিয়াৰ বাবে মহা উৎসাহী আছিল। এটা কথাত মই আচৰিতো হৈছিলো। এইটো বিষয়ত মাই যথেষ্ট ধৈৰ্য ধৰিব লগা হৈছিল। নানান ঘটনা আমোদ উৎপাতৰ পাছতো মাই দেউতাক সক লৰা এটাৰ দৰেই নিশা ঘৰলৈ ওভোটাই আনিছিল। অথচ পাছদিনা পুৱা মাৰ মুখৰ পৰা কোনো উচ্চবাচ্য নোলোৱাৰ ফলত মই আৰু মোৰ ভনীজনীয়ে গমেই নাপাইছিলো যে যোৱা নিশা দেউতাৰ বন্ধুবৎসল আমোদী স্বভাৱৰ বাবে মাৰ মূৰৰ ওপৰেদি কিমান ধুমুহা পাৰ হৈ গৈছিল।

এতিয়া বাৰু দেউতাৰ সেই পুৰণি স্বভাৱটোবেই উক দিয়া নাইতো? মই দেখাত বয়সৰ লগে লগে দেউতাৰ সেই ডেকাকালৰ আমোদ উৎপাতবোৰ কমিছে যদিও এতিয়াও পুৰণা বন্ধু তথা বান্ধৱীৰ সংগ পালে মাজে মাজে আপোনপাহৰা হৈ পৰে। পিছে ৰিণিৰ আগততো মই তেওঁৰ শহুৰেকৰ কীৰ্তি কাহিনীবোৰ আখৰে আখৰে বৰ্ণাব নোৱাৰোঁ। চমুকৈ ক'লো — দেউতাৰ চাগৈ কিবা অসুবিধা হৈছে। কাইলৈ তুমি চিন্তুক লৈ অ'টোৰিক্সাতে যাবাগৈ।

ৰিণিয়ে মুখখন ওফোলাই পেলালে।

কিন্তু বুধবাৰে গধূলিও যেতিয়া গাড়ীখন লৈ দেউতা নোলালহি তেতিয়া মই চিন্তা কৰিবলৈ আৰম্ভ কৰিলো। দেউতা এক কথাৰ মানুহ। অথচ সেইজন মানুহেই আজি তিনিদিন ধৰি ভুমুকি এটাও মৰা নাই। ইতিমধ্যে মা দেউতাৰ কিবা এটা বিপদ

হ লেও খবৰ লবলৈকো মোৰ অফিছ আৰু ফ্লেটৰ এক্সটেনশ্যান টেলিফোনটোও যোৱা পাঁচদিন ধৰি মৰি আছে। অফিছত এই কেইদিন মোৰ মৰিবলৈকো সময় নোহোৱাৰ দৰে —অডিট পাৰ্টি আহিছে ঘৰলৈ উভতি আহোঁতে সদায় নিশা চাৰে আঠ ন বাজে। ঘৰৰ পৰা আহিবলৈকো দেউতাইঁত থাকে বশিষ্ঠত —মই থকা শান্তিপুৰৰ পৰা বাছেৰে যাবলৈ হ লে—এইছোৱা দীঘলীয়া পথ। ৰিণিৰ যোৱাৰো উপায় নাই। ভেকছিন লোবাৰ পৰা চিন্তুৰ জ্বৰ উঠিছে দিনটো সি যথেষ্ট আমনি কৰে। ইতিমধ্যে ৰিণিয়ে তাক লৈ ডাক্তৰৰ ওচৰলৈ আকৌ এবাৰ যাব লগা হৈছে।

অফিছত কামৰ হেঁচা চিন্তুৰ জ্বৰ আদি নানান অসুবিধাৰ মাজত থাকোঁতেই শুকুৰবাৰৰ দিনা পুৱা সাত বজাতে আমাৰ ফ্লেটৰ আগত বৰ জোৰে জোৰে হৰ্ন বাজি উঠিল। চিনাকি হৰ্ন শুনি খিৰিকিৰে চাই পঠিওবাত দেখিলো চকীদাৰে গেটখন খুলি দিয়াৰ লগে লগে মোৰ গাড়ীখন চলাই দেউতা চৌহদলৈ সোমাই আহিছে। দেউতাক দেখি লৰালৰিকৈ মই তললৈ নামি আহিলো।

দেউতাই মোৰ হাতত চাবিটো দি ক লে এই কেইদিন তোৰ চাগৈ বৰ দিগদাৰি হ'ল নহয় ৰাজু? সিদিনা মানে বেনাৰ্জীৰ ঘৰৰ পাৰ্টিত বৰ বেছিকৈ ফূৰ্তি কৰিলো নেকি। উভতি আহোঁতে আমাৰ ঘৰৰ গে টত তোৰ গাড়ীখন অলপ খুন্দা লগালো বুজিছ। সেয়ে গেৰেজত দি একেবাৰে ঠিক কৰাই দিছোঁ। কালি নিশা চাৰে আঠ বজালৈকে গেৰেজত বহিছোঁ। পুৱা উঠিয়েই তোক গাড়ীখন দিবলৈ আহিলো বেয়া নাপাবি দেই।

দেউতাৰ কণ্ঠস্বৰত শুনিবলৈ পালো এক অপৰাধীৰ সুৰ। যোৱা পাঁচদিনে দেউতাৰ বিষয়ে মই নানান জল্পনা কল্পনা কৰিছিলো অথচ দেউতাই মই বেয়া পাম বুলিয়েই ।

এক বুজাব নোৱৰা অনুশোচনাই মোৰ মনটোক হেঁচি ধৰিলে। মই অনুভব কৰিলো —ছফুট এক ইঞ্চি উচ্চতাৰ আটিল দেহাৰ প্ৰাক্তন ব্ৰিগেডিয়াৰ দেউতাৰ তেষষ্ঠি বছৰীযা শৰীৰটো হঠাতে যেন স কুচিত হৈ এটা সাতবছৰীয়া সৰু ল ৰালৈ ৰূপান্তৰিত হ ল। মোৰ সমুখত মোৰেই যেন শৈশৱে কিবা এক দুষ্টালি কৰাৰ পাছত এতিয়া ক্ষমা বিচাৰি আহিছে। দেউতাৰ হাতৰ পৰা গাড়ীৰ চাবিটো পোৱাৰ সলনি মোৰ দুয়োখন হাতে দেউতাৰ হাত দুখনত ধৰি মানুহজনক ঘৰৰ ভিতৰলৈ টানি আনিলে।

১৬।১।৯১

বলিয়া হাতী

অতুলানন্দ গোস্বামী

কথাটো বনজুইৰ দৰে বিযপি পৰিল। হাতীটো এইফালেই আহিছে। শুনা মাত্রকে থৰ হৈ গ'ল এখন্তেকলৈ যেয়ে শুনিলে। উশাহ নিশাহ বন্ধ হৈ যোৱা যেন লাগিল। কি কৰিব এতিয়া মানুহবোৰে? বুঢ়ী কেইজনীয়ে নিজৰ কেউফালে চালে পাক মাৰি ল'ৰা ছোৱালীবোৰ আছেনে ওচৰে পাজৰে? মতা মানুহবোৰ গোট খালে এখন চোতালত। শুকান খৰি আছে নহয ঘৰে ঘৰে? গোটাব লাগে গাঁওখনৰ পূব সীমাত। জুই ধৰিব লাগিব একুৰা ডাঙৰকৈ। হাতীটো সেইফালৰ পৰাই আহি আছে।

মাইকী মানুহবোৰৰ কঁপনি উঠিছে। ওৰণিবোৰ কামুৰি ধৰি দুৱাৰত দাং মাৰিব খুজিছে ঘৰৰ সকলোকে ভিতৰত সুমুৱাই লৈ। মতাবোৰৰ খঙো উঠিছে তেনে উথপথপ দেখি। এইবোৰ ঘৰত সোমাই ৰক্ষা পাব পাৰি নেকি হাতীয়ে যেদি আহিলে? গাটো ঘঁহাই থৈ গ'লেই বাগৰি পৰিব এনেকুৱা ঘৰ একোটা।

বলিয়া হাতী এটাই অথন্তৰ ঘটাইছে বোলে। দঁতাল হাতী। আজি প্ৰায় এপষেকমান হ'ল অভয়াৰণ্যৰ পৰা ওলাই আহি বলিয়া জ'কত বহুত ঘৰ দুৱাৰ ভঙাই নহয় মানুহো বোলে মাৰিলে চাৰিটানে পাঁচটা। খবৰবোৰ শুনি আছে গাঁৱৰ মানুহে। মুখ বাগৰি আহোঁতে খবৰত যদি ৰহণো লাগিছে কিবা জানিবৰ উপায় নাই। যিখিনি জনা গৈছে তাতে পেটত হাত ভৰি লুকোৱা অৱস্থা। কোনোবা এখন গাঁৱত বোলে বিয়াঘৰ এখন মহতিয়াই পেলালে কইনাজনী গছকত মৰিল। আন এখন গাঁৱৰ মতা তিৰোতা এহালক মাৰিলে। পথাৰলৈ ওলাই যাওঁতে মাৰিলে এটাক। গধূলি হাটৰ পৰা ঘৰমুৱা হোৱা বুঢ়া এটাক বোলে ফুটবল খেলাদি খেলি মাৰিলে। ঘৰ কিমান ভাঙিলে তাৰ লেখ জোখ নাই।

সন্ত্ৰস্ত হ'ল চৰকাৰো। হাতীৰ উৎপাতৰ স্থানীয় বিৱৰণ পাই চৰকাৰে সেইটো বলিয়া বুলি ঘোষণা কৰিলে। তাক মাৰিব লাগে বুলি ৰাজহুৱা বিজ্ঞপ্তি দিয়া হ'ল। সেইবোৰ প্ৰশাসনিক খবৰ গাঁৱত ভালকৈ কোনেও বুজা নাছিল। সকলোবোৰ ভয়ত পেপুৱা লাগিল। অধীৰ উৎকণ্ঠাৰে বাট চাই আছিল হাতীটো কোনোবাই মৰা খবৰটো শুনিবলৈ। শুনিলে সেই ভয়ানক খবৰটোহে। বলিয়া হাতীটো বোলে এইফালেই আহিছে।

ভয়ানক এই ভয় পলকে সঞ্চাৰিত হ'ল গোটেই গাঁৱৰে প্ৰতিটো প্ৰাণীৰে মনলৈ। খাৱন শোৱন পাহৰি যোৱাৰ দৰে হ'ল আটাইবোৰ। সেই অৱস্থাতো টুকুৰা টুকুৰা খবৰ একোটা ইকাণ সিকাণ হৈ আহিছে। হাতীটো বোলে চোৰাং চিকাৰীৰ খেদা খাইহে বলিয়া হৈছে। দাঁত দুটা বোলে বৰ ডাঙৰ ওলাই থকাখিনিয়েই ডেৰহাত মান হ'ব।

হওব। সেইবোৰ খবৰে গা নুজ্‌ৰায়। হাতীটো মাৰিলেনে ? তাৰ উৎপাতৰ ওৰ পৰিলনে ? ল'ৰা ছোৱালী মুনিহ তিৰোতাই শান্তিৰে উশাহ লব পৰা হ লেই হয়। তেনেকুৱা খাটা খবৰ এটা জনাই দিয়া হে ঈশ্বৰ।

পূবফালে গাঁওবোৰত হেনো ৰাতি পহৰা দিছে মানুহে। ঢোল খালী টি আনকি ঢেঁকীবোৰো বৈ বৈ বজাইছে ৰাতি। জোৰ এসোপা সাজ্‌ কৰি থোৱা আছে জ ই পোহৰ দেখুৱাই হ লেও হাতীটোক হুৰাব।

এইখন গাঁও এমূৰীয়া। হাবিৰ পৰা সৰহ দূৰ নহয। উত্তৰলৈ সেইখন বৰ নৈ। হাবিৰ মাজেদি সৰু নিজৰা এটা বৈ গৈছে। দক্ষিণফালে সৰু সৰু পাহাৰ এলানি। পাহাৰ বোলাতকৈ টিলা বোলাই ভাল। এই হাবিৰ পৰাই গাঁবৰ কেইবাঘৰেও ভাত মোকলায। কামটো চোৰা। চুৰকৈ কাঠ কাটি হাবিৰ মাজত কাঠ কযলা পোৰে। কামটো টান। দেহা মাৰি কৰিব লাগে।

সেইবাবেই এই দুদিন ছটফটাই আছে গজলাই। এগাঁত কযলাৰ ব্যৱস্থা কৰি আহিছিল সি। গোটেই দিনটো লাগিছিল গছ বাছোঁতে কাটি জোখৰ টুকুৰা কৰোঁতে। গাঁতত জাপি জ্‌ই দিয়াৰ আগতে ওপৰত জাবৰ দি তাৰ ওপৰত বোকাৰ লেপ এটা দিযা হ ল। ৰাতিটো যিমান পাৰে পুৰিব পুৱাই গৈ বোকাৰ মাজত ফাট ওলাইছে যদি আৰু একোটা লেপ দি থৈ আহিব। সেইদৰেই ঠিক কৰি সামৰি আহিছিল।

পুৱা যোৱা নহ ল। দুদিন আৰু থাকিব লগা হ ল ঘৰতে সোমাই। কেনেবাকৈ বেছিকৈ ফাট মেলি জ্‌ই যদি ডাঙৰকৈ জ্বলিছে তেনেহ লে বহুত কাঠ বেয়াকৈ পুৰিব। কাঠ কয়লা ভবামতে পোবা নাযাব।

গজলাৰ ভয় সেইটোৱেই। সেইদিনা ৰাতি ঘূৰি আহিযেই সি হাতীৰ কথা শুনিলেহি। পুবা সেইফালে যোৱাৰ নামেই লব নোৱাৰিলে। কথা নেকি সেইটো। গোটেইবোৰ দা খাই উঠিল।

গজলাৰো যে ভয লগা নাছিল এনে নহয়। ভযৰো এটা সামূহিক ৰূপ আছে। সিও সমাজখনৰে এটাহে। হ লেও তাৰ চিন্তা হ ল কেনেবাকৈ তাৰ কয়লাৰ গাঁতটোৰ জ্‌ইকুৰা মুকলিকৈ জ্বলি যায যদি ওপৰলৈ ধোঁৱা উঠিব। গছ সি পূৰঠ চায়েই কাটিছিল। কমেও চাৰিশ টকাৰ কাঠ কয়লা পাব লাগে। গ'লে কযলাও যাব বন ৰখীয়ায়ো ধোঁবা দেখি খেদিব। অবশ্যে এটা কথা মুকলিকৈ জ্বলিলে জ্‌ইকুৰা সোনকালে নুমাযো যাব।

দুটা দিন পাৰ হৈ গ ল। হাতীৰ চলাচলৰ কোনো নতুন খবৰ অহা নাই। দুই একে ক বলৈ ধৰিছে খবৰটো চাগৈ মূলতে ভুল আছিল। তাকে চয নিচয কৰিবলৈ আগবাঢ়ি যায় কোন এতিয়া ?

গজলাৰ মন ডাঠ হ ল। সি কয়লাখিনি চাই আহিবগৈ আজি। ভালে ভালে জ্বলিছে যদি আজি পোৰাও শেষ হ'ব লাগে। চেঁচা হ'বলৈ আৰু দুদিন লাগিব। তাৰ পাছতহে জাৰি জোকাৰি কয়লাখিনি উলিয়াই আনিবগৈ লাগিব। অকলে আনিব নোৱাৰে। লগ ধৰি থোৱা আছে। আজি কিন্তু যাবই সি। অকলেই যাব। কোনেও হকা বধা কৰিব নোৱাৰিলে ঘৰৰ। খাই উঠি দুপৰতে ওলাল গজলা।

ঘৰৰ পৰা তিনি কিল মিটাৰ হ ব তাৰ গাঁত কৰা ঠাইলৈ। সক টিলা এটাৰ নামনিত কৰা আছে তাৰ গাঁত। জ ুৰিটোৰ পৰা বহু দূৰ নহয়। তাৰ পাৰে পাৰেও ঘৰলৈ ঘূৰি যাব পাৰি। তাৰ পাৰতে গজলাইঁত কেতিয়াবা কয়লা পুৰিবলৈ লগেৰে আহিলে ভাত ৰান্ধি খায়। ৰান্ধি খায় মানে কাকবাঁহৰ চুঙাত সিজাই খায়। সেইদৰেই হাঁহ কুকুৰাও পালে সিজাই খায। নিমখ জলকীয়া ঘৰৰ পৰাই লৈ আহে।

হাতত সদায় থকা দাখন লৈ গজলা কয়লাৰ গাঁত পালেহি। কোবত আহিছে। কৰিব লগা কামখিনি কৰি সোনকালে ঘূৰি যাব লাগিব। ঠাইকণ পায়েই তাৰ ভাল লাগি গ ল। মাটি খহা নাই বেয়াকৈ ফাটো মেলা নাই। ভিতৰত কেঁচা কাঠ পোৰা ভাপ ওলাই আছে। কাঠখিনি ভালকৈয়ে পুৰিছে। এনেয়ে ভয় কৰিছিল সি। তথাপি কেউফালে ঘূৰি টিপটো চালে এবাৰ। চাই ঘূৰিল।

ঘূৰি দুখোজমান দিছেহে। ওচৰতে কেনিবা হোৰোসকৈ হোৱা শব্দ এটা শুনিলে। কোনোবাই যেন বোকাহে খচিছে। গজলাৰ এইবাৰহে ভয় লাগিল। মতগজ মানুহটোৰ কপালখন খন্তেকতে ঘামি উঠিল। নিশ্চয় হাতীটোৱেই। কিন্তু কোনফালে? কোনফালে লৰ মাৰিব সি?

বাট কেউফালে চিনি পায় সি। কিন্তু প্ৰাণটো লৈ পলাব কোনফালে এতিয়া? হাতীটোৱে নিশ্চয় দেখিছে তাক কেনিবা গছৰ আঁৰৰ পৰা —আহিবই এতিয়া চোঁচা লৈ। একেঠাইতে থৰ হৈ থিয় হৈ থাকিল সি। সেইদৰে থাকোঁতেই থক থককৈ কঁপিবলৈ ধৰিলে। হাতীটো কোনফালে আছে জনাহেঁতেন বিপৰীতে লৰ মাৰিব পাৰিলেহেঁতেন।

কাণ উনাই ৰৈ আছিল কিছুপৰ। ডিঙিটো যিমান পাৰে ঘূৰাই কেউফালে চালে। শব্দ একো নুশুনিলে কিন্তু দেখিলেহে। সি ৰৈ থকা ঠাইৰ পৰা দহহাতমান দূৰত মাটিত হাতীৰ শুঁৰ এডাল। বিৰাট অজগৰ সাপ এটাইহে যেন কেৰমেৰাই আছে। একে ঠাইতে।

এইবাৰ বাণ মাৰিলে তাক কোনোবাই। লৰচৰ কৰিব নোৱৰা হ ল কিছু সময়। তাৰ পাছত ঘূৰি লৰ মাৰিলে তাৰ কয়লাৰ গাঁতটোৰফালে। গাঁতটো পোৱাৰ আগতে আকৌ ৰৈ গ ল গজলা। শুঁৰডাল মাটিত কিয়?

এবাৰ ঘূৰি চালে সেইফালে। হয়। শুঁৰডাল মাটিতে। তাৰে হাতীটোৱে যেন তাক বাউল দি মাতিছেহে ওচৰলৈ। অজগৰ সাপে বোলে সক সুৰা জীৱক সম্মোহন বাণ মাৰিব পাৰে। এই হাতীটোৱে আজি গজলাক বাণ মাৰিলে।

গজলা ওচৰ চাপি গ ল। হাতীটোৱে শুঁৰডাল অলপ খৰকৈ লৰালে এইবাৰ। ওচৰ পাই দেখে হাতীটো এটা গাঁতত পৰিল। পুৰণি গাঁত জোপোহা হাবিয়ে ঢাকি থৈছিল। কেতিয়া কোনে খানিছিল গজলাই নাজানে। তলিত পানী বোকা আছে নিশ্চয়। সিহঁতে কাহানিও মন কৰা নাছিল। হাতীটো তাতে পৰি ওলাব নোৱৰা হ'ল।

সি আৰু ওচৰলৈ গ ল অলপ। অলপ আঁতৰৰ পৰা বেঙা মেলি হাতীটোৰ শুঁৰডালত হাতটো লগাই দিলে। হাতীটোৱে যেন সেইকণকে বিচাৰিছিল তাৰ পৰা। গজলা আৰু অলপ আগবাঢ়ি গ ল। হাতীএকেবাৰে সেও। অৱশ হৈ পৰিছে হ'বলা।

ওচৰৰ পৰা দেখি গম পালে—হাতী বলিয়া হোৱাটোৱেই হয়। দাঁত দুটা দেখিলে। তেনেকুৱা হাতী ওচৰে পাজৰে নাই। সি গাঁতটোৰ কেউফালে পাক এটা মাৰি দেখিলে হাতী সেইটো গাঁতৰ পৰা ওলাব নোৱাৰে নিজে। সহায় কৰি নিদিলে সি তাতে মৰিব। মৰিবই। নিশ্চয় দুই তিনিদিন আগতে পৰিলহি গাঁতত। ওলাবলৈ চেষ্টা কৰি কৰি অৱশ হৈ পৰিছে।

গজলা গাঁও বুলি খোজ ললে মানুহবোৰ মাতি আনিবগৈ যাকে পায় এতিয়া আবেলি। কিন্তু দুখোজমান গৈয়ে ৰৈ গ ল। উচিত হ বনে কামটো ? গাঁৱত হাতীটোৰ এই অৱস্থাৰ কথা কোৱাৰ লগে লগে গোটেই গাঁওখন যাঠি জো দা কটাৰি লৈ উৰুলিকৃত হৈ নাহিবনে ? আহি হাতীটো খুচি কাটি মাৰি নেপেলাব নে ?

আৰু যদি সি কয়গৈ বোলে হাতীটো অৱশ হৈ পৰি আছে ব লইক ধৰি মেলি তাক তুলি দিওঁগে তেতিয়া তাকে বলিযা বুলি নক বনে গোটেইবোৰে ?

কিন্তু বিপদত পৰা এইহেন হাতীটোক গাঁততে খুচি মৰাটো আয়েদেহি অধৰমী কাম নহ বনে বাৰু ?

থক। গাঁৱৰ মানুহ নালাগে। অকলেই কি কৰিব পাৰি চাব গজলাই।

হাতীটোৰ ওচৰলৈ আহি আকৌ এবাৰ গাঁতটো পৰীক্ষা কৰিলেহি সি। হাতীটোৱে আকৌ এবাৰ শুঁৰডাল দাঙি গজলাক যেন চুইহে চাব খুজিলে। লৰচৰ কৰাৰ ধৰণ দেখি তেনেখনেই লাগিল গজলাৰ। এবাৰ দেখিলে শুঁৰডাল দীঘলকৈ মাটিতে পেলাই দিছে হাতীটোৱে। ইমান অৱশ হ ল নে ইমানটো হাতী ? নহ লে সেইদৰে সি গজলাক কিবা কাকুতিহে কৰিছে নেকি ?

সাহ কৰি গজলাই গাঁতৰ ওপৰৰ গছ লতাখিনি কাটি পেলালে কিছু। মুকলি কৰি মন কৰিলে হাতীটোৱে গাঁতটো ভৰাই পেলাইছে। গাঁতৰ পাৰৰ পৰা হাতীটোক পিঠিত হাতখন বুলাই দিলে এবাৰ গজলাই। দি হাতীটোকে ক লে — ৰবি মই কিবা এটা কৰোঁ। হাতীটোৱে মূৰটো দাঙি গজলাৰ ফালে চালে হ বলা।

গজলা তাৰ কয়লা পোৰা গাঁতৰ ওচৰলৈ গ ল। তাত পৰি থকা পোলোঙা গছৰ ডাল দুটামান বিচাৰি ললে। সেইবোৰৰ পৰা ভাল কয়লা নহয়। তাৰে আগকেইটা হাতৰ দাখনেৰে জোঙালি ললে। ঘূৰি আহি সেই দুডালকে চিপৰাং হিচাপে লৈ হাতীটো পৰা গাঁতৰ এফালে খানিবলৈ ধৰিলে। এঢলীয়াকৈ বাট এটা উলিয়াব সি।

অবাক হৈ বলিয়া হাতীটোৱে অজলা গজলাৰ কামটো চাবলৈ ধৰিলে। হাতীটোৱে বোধকৰোঁ বুজি পাইছিল গজলাই তাকে সহায় কৰিব খুজিছে। হাতেৰে সেই সাজি লোৱা কোমল গছৰডালৰ চিপৰাঙেৰে মাটি খানি থাকোঁতে গজলাৰ মুখখনো একো সময়ত মেল খালে। হাতীটোক সুধিলে— তইনো পৰিলিহি কেনেকৈঅ গাঁতটোত ? তোৰ নো ইমান হুঁচ নোহোৱা হ লনে। হাবিতে থাক তেও বুলি ।

হাতৰ চিপৰাং ভোটা হৈ যায় অলপতে। আকৌ আগটো জোঙালি লয় গজলাই। চুটি হৈ গৈ আছে সেইডাল। বাটটো হাতী উঠিব পৰাকৈ খানিবৰ জোখাৰে

হোৱা নাই জো ড ল। সেইদৰেই খানি থাকোঁতে বেলিও লহিয়াবলৈ ধৰিলে। হাতীটোৱে একোবাৰ তাৰ শুঁৰডালেৰে গজলাৰ হাতত ধৰিব খোজে।

পাৰটো এডোখৰ খনা হ'ল। হাতৰ জোং এডাল পেলাই দিলে গজলাই। আন এডাল ললে। গা ঘামি জোল বৈছে তাৰ। হাতীটোৱে গম পাইছে গজলাৰ আঁচনিটো। অকণমান খনা হ লত এবাৰ সি সেইফালেই উঠিব পাৰিব বুলি দোপ এটা লৈছিল। নোৱাৰিলে। নোৱাৰেও। ভৰিটো আকৌ সোমাই গ ল বোকাত। হোৰোসকৈ শব্দ এটা হ ল।

গজলাৰ খ উঠি গ ল। ৰহ ঐ! —বুলি সি হাতৰ জো ডাল দাঙি হাতীৰ শুঁৰতে কোব এটা দিওঁ যেন কৰিলে। ডাবি দিলে ভয় কৰা অকণমান ল ৰা এটাৰ দৰে হাতীটোৱে মুৰটো একতীয়াকৈ বৈ গ ল।

মুখেৰে ক লে গজলাই — ৰচোন। দেখা নাই মই কৰি আছোঁ কামটো হ লে উঠিবিয়েই নহয়!

বৰ টান কামটো। গাঁৱৰ পৰা কোৰ এখন আনিবগৈ পৰাহেঁতেন ইমানপৰে হৈযে গ লহেঁতেন। তথাপি সি আঁকোৰগোঁজ। ছলামাৰিৰে পৰ্বত খহোবাৰ দৰে হৈছে। হাতী এটা উঠি আহিব পৰাকৈ এঢলীয়া খাল এটা খান্দিছে গছৰ সৰু ডাল এটাৰে!

কিন্তু উপায় নাই। হাতীটো এতিয়া শান্ত। শুঁৰত গাত হাত বুলাই সি তাক মৰমো দিছে মাজে মাজে।

তাৰো ভাগৰ লাগিল এসময়ত। হাতৰ তলুৱা বিষাইছে। ইফালে আন্ধাৰো হৈছে ভালকৈয়ে। হাতৰ জোংডাল থৈ বহিল এখন্তেক। হাতীটোক ক লে — অকণ ৰ দেই হাত বিষাইছে। নোৱৰা হৈছোঁ আৰু। অকণমান জিৰাই লওঁ।

আঁঠু দুটা হাতেৰে সাবটি ধৰি তাতে মুৰটো থৈ গজলাই জিৰাব খুজিলে অলপ সময়। তেনেকৈ থাকোঁতে তাৰ টোপনি ধৰিলে। কিমান সময় গ ল ক ব নোৱাৰিলে। কোনোবা এসময়ত লালকাল হৈ এফালে বাগৰি পৰিছিল। হাতীটোৱে শুঁৰেৰে হেঁচুকি দিলে। গজলাই সাৰ পাই উচপ খাই উঠিল। অচিনাকি যেন পৰিবেশটোত নিজকে চম্ভালি লওঁতে এখন্তেক সময় লাগিল।

এস এস মোৰ টোপনি ধৰি গ ল অ বুইছ। ৰবি তোক তুলি লওঁ। —বুলি আকৌ সি কামত লাগিল।

হাতীটো উঠি আহিব পৰাকৈ খালটো খনা হওঁতে ফেহুঁজালি দিবৰ হ লগৈ। গজলাই হাত এখন মেলি মাতিলে হাতীটোক — আহ ।

হাতীটোৱে শুঁৰডাল আগবঢ়াই দিলে। গজলাই আগটো খামোচ মাৰি ধৰিলে। তাতে ধৰি সি যেন হাতীটো টানিহে তুলি আনিব। হাতীটোৱে সঁহাৰি দি উঠিবলৈ চেষ্টা কৰিলে। সহজে পৰা নাছিল। আহ আৰু উঠি! —বুলি গজলাই বলেৰে টানিলে এইবাৰ। হাতীটোৱে সোঁ ভৰিটো দাঙিছিল সলাই বাঁওভৰিৰে দোপ ললে। দুবাৰমান দোপ লৈ এসময়ত উঠি আহিল। অলপ অলপ পোহৰ হৈছে তেতিয়া।

গজলাই মৰমতে হাতীটোক গাত হাত এখন বুলাই ক লে — ইস গোটেই বোকা দেখোন অ তোৰ গাত! ৰচোন বুলি কেউফালে ঘূৰিবলৈ লৈ চকুত পৰিল

হাতীটোৰ সৌভৰিটোৰ ওপৰফালে বিৰাট ঘা এডোখৰ। গজলা বৈ গ ল। সুধিলে — এয়া কি হ ল তোৰ ?

সুধি হাতেৰে ঘাকণৰ ওপৰৰ বোকাবোৰ গুচাই দিব খুজিলে। হাতীটো জিকাৰ খাই উঠিল যদিও লৰচৰ নকৰাকৈ থিয় হৈ থাকিল। মুকলি হৈয়ে হাতীটোৱে লৰ মাৰিব লাগিছিল। নামাৰিলে।

গজলাই তাৰ কাণ এখনত ধৰি লাহেকৈ টান এটা মাৰিলে জ ুৰিটোৰফালে। ক লে — বল ধুই দিওঁগে ঘাডোখৰ। হাতীটোৱেও সেও মানি খোজ দিলে।

গজলাই কৈ গ ল — 'মই বুজিছোঁ সেইটো শনাহী চোৰাং চিকাৰীহঁতৰ কাম। তোৰ গাত গুলী লাগিল নহয়নে ? কেতিয়া বা লাগিল তই চামোনে কবিনো কেনেকৈ।

জ ুৰিৰ ওচৰ পাই গজলাই দীঘল চাই বন একোছা উঘালি ললে। গাৰ গামোচাখন পানীত তিয়াই আনি ঘা ডোখৰৰ ওপৰত চেপি দি বন কোছাৰে লাহে লাহে মোহাৰি দিলে। ঘা পকিছে। বিষত হাতীটো বেচেৰা কোঙা হৈ পৰিছে। গজলাই ধৰিব পাৰিছে জ ক উঠি বলিয়া হোৱাৰ গুৰিতে এই গুলীটো। এটা হ'লে ভালেই আৰু বা কেনি আছে।

তোৰ দাঁত দুটাই কাল হ ল বুইছ। সেই দুটাৰ বাবেই তই মৰিবলৈ ওলাইছিলি। ভাগ্যে নমৰিলি। সেইবুলি ইমানটো জ ক উঠিল নে তোৰ ইমানবোৰ মানুহ মাৰি পেলালি। ঘা ডোখৰ ধুই আছিল কথাৰ মাজতে গজলাই।

সেই ঘ ৰকেইখনত কি হৈছে এতিয়া তই কেনেকৈ জানিবি। অমাত জীৱ ।

পোহৰ হৈছে ভালকৈ। গজলাই হাতীটোৰ শু ৰডালৰ ওপৰত লাহেকৈ চাপৰ এটা মাৰি ক লে — 'অকণ ৰ ইয়াতে। মই দৰব এটা লগাই দিওঁ পালে। তই লৰচৰ নকৰিবি ।

এইবুলি কাষতে ইফালে সিফালে বিচাৰি বনৰীয়া কচু দুজোপামান উঘালি আনিলে গজলাই। বিহলঙনি বিচাৰিছিল নাপালে। সি কচু উঘালি থাকোঁতে হাতীটোৱে ঘূৰি চাইছিল তালৈ এবাৰ। ৰ পাইছোঁ বুলি গজলাই তাক যেন বাট চাবলৈহে ক লে।

শিল আছিলেই ওচৰে পাজৰে। বহল চাই এচটা পাতি আন এটাৰে কচু কেইডাল থেতালি ললে সি। হাতেৰেও মোহাৰি খচিলে অলপ। খচি ঘা ডোখৰৰ ওপৰত সানি দিলে আধাখচা লেপটো। দি ক লে — ভালকৈ খুন্দিব নোৱাৰিলো অ। হ ব দে ইয়াৰেই। তোক ঘৰলৈ লৈ যাব পৰাহেঁতেন দুদিনতে ঘা শুকাই যোৱাকৈ দৰব লগাই দিলেহেঁতেন চেনিমায়ে। পিছে নিনিও বুইছ। গাঁৱৰ ৰাইজে বেঢ়ি ধৰি কোৰ্হাল লগালে আকৌ জ ক উঠিব পাৰে তোৰ। তই হাবিলৈকে ঘূৰি যাবিগৈ দেই। মানুহৰ মাজলৈ নাহিবি আৰু ।

হাতীটোৱে জিকাৰ মাৰি দিছিল দুবাৰমান। গজলাই ডাবি দিলে — ৰহ ঐ। ধৰিবই কচুৱে অকণমান। অমূৰি নকৰিবি ।

হাতীটোৰ চকুলৈ চালে এবাৰ গজলাই। কাণখন দাঙি থৈছে হাতীটোৱে। শু ৰডালেৰে সি গজলাৰ বাউসীত চাপ এটা দিলে। হাতখন একবাবৰ বাবেই নেকি।

আমনি পাই গজলাই আকৌ টানকৈ ক লে — উস্ ৰবিচোন হ লেই। তইহে ভাল পাবি। বিষটো কমি যাব। একেবাৰে ভাল হৈ যাব দুদিনমানতে। মানুহ আৰু নামাৰিবি দেই তই ।

গজলাৰ কথাকেইটা শেষ হ ল কি নহ ল গুৰুমকৈ কাণ ফটা শব্দ এটা হ ল। কেনি কি হ ল গজলাই টলকিবই নোৱাৰিলে। জিকাৰ খাই হাতীটোৱে বিকট চিঞৰ এটা মাৰি মূৰটো উফাল মাৰি দাঙি দিলে এফলীয়াকৈ। তাৰ দাঁত এটাই গজলাৰ মূৰত কোব মাৰি দিলে। গজলা ছিটিকি পৰিলগৈ একেবাৰে জ ুৰিটোৰ ওচৰত মুখ থেকেচা খাই। য ত পৰিল ত তে থৰ হৈ পৰিয়ে থাকিল সি। মূৰটো তাৰ ঠটা মাটিত সৰি পৰা বেল এটাৰ দৰে ফাটি গ ল। হো হোকৈ তেজ ওলাই জ ুৰিৰ পানীৰ লগত বৈ যাবলৈ ধৰিলে।

হাতীটোও লাহে লাহে প্ৰথমতে আঁঠু কাঢ়ি বহি পাছত বাগৰি পৰিল। শু ঁৰডাল দীঘলকৈ মেলি দিলে। আগটো গজলাৰ ভৰি চোঁও চোঁও হৈছিলগৈ। দআঙ ুলমান আঁতৰত থাকিল।

গোটেই ৰাতিটো বিচাৰিছিল চিকাৰীজনে। আগদিনা গজলা হাবিলৈ আহি ঘূৰি নোযোৱা কথাটো গাঁৱত গম পাইছিল। গাঁৱৰ মানুহে কাঠ কয়লা চাবলৈ অহা মানুহ এটাৰ নাম গজলা বুলি কৈছিল। হাতীৰ কোনো উমঘামেই নাছিল। বন্দ ুক কঢ়িওবা মানুহজনৰ সতে গাঁৱৰ মানুহে দেখুৱাই দিয়া পোনেই চিকাৰী আগ বাঢ়িছিল। ৰাতি গাঁৱত কন্দা কটা। গজলা বোলা ডেকাজনৰ ঘৈণীয়েক বাউলী হৈ আছে।

চৰকাৰে হাতীটো মাৰিবলৈ অনুমতি দি ঘোষণা কৰাৰ পাছৰ পৰাই সাজ ু হৈ আহি চিকাৰী এয়া দোকমোকালিতে এইখিনি পাইছিলহি। টিলাটোৰ ওপৰ পায়েই দেখিলে হাতীটো একেঠাইতে থিয় হৈ আছে। কি কৰিছে জনাৰ আগ্ৰহ নাই চিকাৰীৰ। সময় যাবলৈ দিব নোৱাৰি।

ভালকৈ টৌৱাই মূৰত সোমোৱাকৈ গুলীটো মাৰি দিলে। দি মাথোঁ ভাবিলে বলিয়া হাতীটো এনেকৈ থিয় হৈ থাকেনে নিৰ্বিকাৰ হৈ।

একেটা গুলীতে হাতী বাগৰি পৰিল। তথাপি চিকাৰীয়ে অতি সন্তৰ্পণে আৰু দুখোজমান আগবাঢ়ি গ ল। নিৰাপদ দূৰত্বৰ পৰা আৰু এটা গুলী মাৰিলে। হাতী অসাৰ হৈ পৰি থাকিল।

মহা উল্লাসেৰে চিকাৰী আগবাঢ়ি একেবাৰে ওচৰ পালেহি। তেতিয়ালৈকে মন কৰা নাছিল। নিচেই কাষ পাইহে হাতীটোৰ গাৰ আঁৰত সিফালে পৰি থকা মানুহটো দেখিলে।

'বলিয়া হাতীটোৱে দেখিলি আৰু এটা মানুহ মাৰিলে। এইটোৰে সাতটা হ ল। চিকাৰীয়ে লগৰ মানুহটোক ক লে।

বন্দ ুকৰ শব্দ গাঁৱৰ মানুহেও শুনিছিল। দ্বিতীয় গুলীটোৰ শব্দ শুনিয়েই কেইবাটাও ওলাল গজলাৰ খবৰ কৰিবলৈ।

১৬।২।৯১

পৰ্য্যৱসন

প্ৰশান্ত কুমাৰ দাস

ফুটপাথৰ তলত লেতেৰা পানী যোৱা নৰ্দমা থাকিব পাৰে বুলি মাইকেল দাসে ইমান দিনে খেয়ালেই কৰা নাছিল। পকাৰ পটাখন ভাগি যিটো ফুটা হৈছিল সেই ফুটাৰে শকত মানুহ এজন সোমাই যাব পাৰে। অন্যমনস্ক হৈ ফুটপাথেৰে খোজ কাঢ়োঁতে সেই ফুটাৰে মাইকেল দাস পৰি যাব খুজিছিল। কোনোমতে তেওঁ নিজকে বচাই ললে। পঞ্চান্নিছ বছৰীয়া মাইকেল দাসে সেই ফুটাটোৰে সাগ্ৰহে ৰাস্তাৰ তলৰ বিচিত্ৰ জগতখনলৈ দৃষ্টি দিলে। ভাদ মাহৰ ৰ দৰ উজ্জ্বল পোহৰত পূতিগন্ধময় সেউজীয়া কজলা ৰঙৰ পানীখিনিত কেইডালমান লাঠী কিছুমান কাগজৰ টুকুৰা আৰু ধাতুৰ সৰু টিনৰ ভিৰৰ মাজেৰে মূৰ উলিয়াই অলসভাৱে ভাহি থকা দুটামান ভেকুলী তেও দেখা পালে। তাৰে ডাঙৰ ভেকুলীটোৰ মূৰতে পৰাকৈ তেওঁ ভালকৈ লক্ষ্য কৰি সাৱধানে থু পেলালে। চক খাই ভেকুলীকেইটা পানীঘোলা কৰি নিমিষতে অদৃশ্য হৈ গ ল। তৃপ্তিৰ হাঁহি এটা মুখত লৈ তেওঁ ফুটপাথৰ সেই ফুটাটো জ াঁপ মাৰি পাৰ হৈ সমুখলৈ আগবাঢ়িল।

ভৈৰবী ছিনেমা হলৰ সামান্য দূৰত ৰাস্তাৰ একাষে কেইজোপামান বটগছ আছে। তাৰে ছাঁত কেইখনমান বিচিত্ৰ দোকান সদায় দেখা যায়। দুখনমান পুৰণি জ্যোতিষ বিদ্যাৰ কিতাপ আগত লৈ বুঢ়াডটীয়া মানুহ এজন বহি থাকে। মানুহজনৰ চকুৰ চাৱনিত নিৰ্লিপ্ত ভাব এটা লাগি থাকে। তেওঁৰ কাষতে বা:লা ভাষাৰ কিছুমান যৌনগন্ধী কিতাপ আৰু সস্তীয়া কেলেণ্ডাৰ ওলোমাই চুটি চাপৰ গাঠলু মানুহ এজন বহি থাকে। এই দোকানখনৰ কাষতে সস্তীয়া ৰ চঙীযা চোলা আৰু সস্তীয়া ছেণ্ডেলৰ দোকান এখন তাৰ গাতে লাগি আতৰ বেচা দোকান এখন তাৰ ওচৰতে কুঁহিয়াৰ চেপি ৰস উলিওবা মেছিন এটাৰে চৰবতৰ দোকান এখন

মাইকেল দাসে কেলেণ্ডাৰৰ দোকানখনৰ সম্মুখত থিয় হৈ জিৰাই ললে। শীতল বতাহে তেওঁৰ দেহ মন জ ুৰাই পেলালে। তেওঁৰ দৰে সেই ছাঁ বিচাৰি গছৰ তলত আশ্ৰয় লোৱা কেইবাজনো লোক তাত থিয় হৈ আছিল। তেওঁৰ চকু গ ল নাভি প্ৰদেশ উলিয়াই লাস্যময ভ গীত থিয় হৈ থকা এজনী যুবতীৰ ছবিলৈ। ধপধপাই পাখি জোকাৰি থকা চৰাইৰ দৰে সেইখন বতাহত সশব্দে নাচি আছিল। ছোৱালীজনীৰ দেহৰ অ গই দাসক আকৰ্ষিত কৰিলে। তেওঁ একান্তভাৱে ফ টোখন পাবলৈ বিচাৰিলে। এটকা দি তেওঁ ফ'টোখন কিনি ললে।

যোৱা দেওবাৰে মুচিয়াৰে মটৰৰ চকাৰ ৰবৰেৰে তৈয়াৰ কৰা এযোৰ ছেণ্ডেল কিনিছিল মাইকেল দাসে। এই দুদিন সেই ছেণ্ডেলযোৰ পিন্ধি খোজ কাঢ়োঁতে

বাঁওভৰিৰ বুঢ়া আঙুলিত সৰু ঘা এডোখৰৰ সৃষ্টি হৈছিল। খোজ কাঢ়োঁতে তেওঁ যন্ত্ৰণা অনুভৱ কৰিছিল। মুছিয়াৰটোক তেওঁ বাঁওভৰিৰ ছেণ্ডেলপাতৰ বুঢ়া আঙুলিত লাগি থকা জোঙা ৰবৰটুকুৰা ভোটা কৰি দিবলৈ দিলে। মুছিয়াৰটোৱে সেইখিনি কৰি অঁতাই মানে দাসে বিড়ি এটা জ্বলালে। বৰ নিৰ্বিকাৰ ভংগীত টেলিফোন তাঁৰৰ খুটাটোত আউজি তেওঁ বিড়ি হুপিবলৈ আৰম্ভ কৰিলে।

অলপ আগেয়ে তেওঁ হাতৰ ঘড়িটোলৈ চাইছিল। চাৰি বাজি আছিল। যোৱা কেইমাহমানৰ পৰা ঘড়িটো শ্লো যাবলৈ আৰম্ভ কৰিছে। পইচাৰ টানৰ বাবে তেওঁ ঘড়িটো ভাল কৰি লব পৰা নাই। সূৰ্যৰ অৱস্থান চাই তেওঁ ঠাৱৰ কৰি ললে যে এতিয়া অন্তত দহ বাজি গৈছে। দাসৰ হাতত অজস্ৰ সময় আছে। ঘৰৰ পৰা ওলাই অহা কমেও এঘণ্টা হৈছে। তেওঁ বৰ হতাশ হ ল। দিনটো সম্মুখত পৰি আছে অথচ হাতত কাম নাই। তেওঁ অস্থিৰ অনুভৱ কৰিলে। মুখৰ ধোঁৱাৰে তেওঁ শূন্যত শিল্প সৃষ্টিত মনোনিবেশ কৰোঁতে হঠাৎ চকুত পৰিলে সমুখৰ গুদাম ঘৰৰ টিনৰ প্ৰকাণ্ড বেৰখন। বিভিন্ন প ষ্টাৰে তাত ভিৰ কৰিছে। প্ৰধানত তাত ছিনেমাৰ প ষ্টাৰ মৰা হয়। তাৰে এখন ছিনেমাৰ প ষ্টাৰত কম কাপোৰ পিন্ধা সুন্দৰী অভিনেত্ৰীৰ চকুহাল কোনোবাই চূণেৰে ঢাকি থৈ গৈছে। মানুহজনীৰ বুকু ঢাকিবলৈ পিন্ধা চোলাটোত কাপোৰৰ নাটনি হৈছিল। বুকুখন সৌমাজতে ভাগ কৰি দিয়াৰ নিচিনাকৈ চূণেৰে টনা এডাল ৰেখাও দাসৰ চকুত পৰিল। তেওঁৰ খং উঠিল সেই অজ্ঞাত শিল্পীলৈ—যি চূণেৰে সুন্দৰী অভিনেত্ৰীগৰাকীৰ চেহেৰা বিকৃত কৰি পেলাইছে। তেওঁৰ মনত পৰিল—আজি প্ৰায় দুবছৰে তেওঁৰ ছিনেমা চোৱা হোৱা নাই। চাকৰি কৰাৰ পাছৰ পৰা তেওঁ মাত্ৰ দুখন ছিনেমা চাইছে। বহু বছৰ আগতে মিত্ৰৰ লগত এখন বা লা ছবি চাইছিল — তুমি আমাৰ আমি তোমাৰ নে তোমাৰ আমি তেনে ধৰণৰ কিবা এখন ছবি। তাৰ পাছত দুবছৰৰ আগতে দেৱালীৰ দিনা দ্বিতীয়া পত্নী সবিতাৰ লগত ইংৰাজী ভাষাৰ চীনা ছবি এখন চাইছিল।

প ষ্টাৰবোৰ লক্ষ্য কৰিলে মাইকেল দাসে—চলিব ধৰিছে কেইখনমান ৰাজনৈতিক বেনাৰ—ধৰ্ষণৰ বিচাৰ কৰক দৰমহা বৃদ্ধি অনুসূচিত জাতি স্থান উন্নয়ন । মাইকেল দাসে ভাবে —কোনে স্থান উন্নয়ন কৰিব ? কোনে দৰমহা বৃদ্ধি কৰিব ? কোনে ধৰ্ষণৰ বিচাৰ কৰি দিব ? মই মাইকেল দাসে ? নে এই বিহাৰী মুছিয়াৰটোৱে ? নে কুঁহিয়াৰ বেচা মানুহটোৱে ? কিম্বা জ্যোতিষীজনে ? কাক উদ্দেশ্য কৰি লিখিছা ? এই বেনাৰ পঢ়ে মোৰ দৰে সাধাৰণ পথচাৰীবোৰেহে —যাৰ কৰিবলৈ একো ক্ষমতাই নাই।

মাইকেল দাসৰ বৰ্তমান বয়স পঞ্চলিছ বছৰ। ছমাহৰ আগতে তেওঁৰ অফিছতে টাইপিষ্ট সুনীতাৰ হাতত খামুচি ধৰাৰ কাৰণে তেওঁক চাকৰিৰ পৰা বৰখাস্ত কৰা হৈছে। আজি চাৰি মাহ হ ল নেপালী ঘৈণীয়েক গুন্দীয়ে তেওঁৰ সৈতে কাজিয়া কৰি মাকৰ ঘৰলৈ গৈ উভতি অহা নাই। গুন্দী মাইকেল দাসৰ তৃতীয়া পত্নী। প্ৰথম গৰাকীয়ে বিয়াৰ দহ বছৰ পাছত আত্মহত্যা কৰিলে। দ্বিতীয় গৰাকী বিয়াৰ চাৰি মাহৰ পাছত বিহাৰী পাণ দোকানী এটাৰ লগত পলাই গৈছে। গুন্দীক বিয়া কৰোৱা মাত্ৰ এবছৰ

হৈছে। এতিয়াও তাই গৰ্ভৱতী হোৱা নাই। আগৰ পত্নী দুগৰাকীৰো কোনো সতি সন্ততি নাছিল। সতি সন্ততি মাইকেল দাসৰ বাবে স্বপ্ন মাথোন।

দাসে ডি ছি অফিছত কম দৰমহাৰ এটা চাকৰি কৰে। তেওঁক কোনেও ছাৰ বুলিব নালাগে তেওঁৰ আগমনত কোনো বহাৰ পৰা থিয় হ ব নালাগে। মেট্ৰিক পাছ কৰিব নোৱাৰি অশেষ কষ্ট কৰি পোৱা এটা সাধাৰণ চাকৰি। সেই চাকৰিৰ পৰা বৰখাস্ত হোৱাৰ আজি ছটা মাহ পাৰ হৈ গ ল।

মাইকেল দাসৰ মূৰ কামোৰণি আৰম্ভ হ ল। টেলিফোন প ষ্টত ধৰি তেওঁ কোনোমতে নপৰাকৈ থাকিল। তেওঁৰ ল'প্ৰেছাৰ হৈছে। ট্ৰিটমেণ্টৰ নামত তেওঁ ডাক্তৰৰ পৰা প্ৰেছক্ৰিপছনখনহে আনিছে। সেইখন আজি চাৰিটা মাহে তেওঁৰ বিছনাৰ তুলিৰ তলতে পৰি আছে —ফাৰ্মাছিৰ পৰা ঔষধ অনা হোৱা নাই। মূৰ কামোৰণিৰ লগে লগে তেওঁ সেই পচা মেটেকাৰ গোন্ধটো পালে। আজিকালি য তে ত তে এই পচা মেটেকাৰ গোন্ধটো আহি তেওঁৰ নাক ত লাগে।

দপৰীয়া দুইমান বজা ত ঘৰলৈ ঘূৰি আহি মাইকেল দাসে পৰ্দাৰ মুখৰ বাঁহৰ গেটখন খোলোঁতে তেওঁৰ চকু ত পৰিল বাৰাণ্ডাত কোনোবা এটা বহি আছে। এক মুহূৰ্তৰ বাবে তেওঁ মানুহটোক ঘৰৰ মালিকৰ পুতেক ৰাজ বুলি ভাবিছিল পাছত তেওঁ ভুলটো ধৰিব পাৰিলে। বাৰাণ্ডাত তেওঁ ভৰি দিওঁতে মানুহটো থিয় হ ল। তাৰ হাতত এটা বেগ।

'কৃষ্ণ দা তোমালৈ বৈ ইয়াত তিনি ঘণ্টা বোন্দাপৰ দিলো।

দাসৰ ছাট কৰে মনত পৰি গ ল পেহীয়েকৰ পুতেক গোবিন্দলৈ। হয় সিয়েই। মাইকেল দাসে আজি তাক তিনি চাৰি বছৰে দেখা নাই। ডাঢ়ি গোঁফে তাৰ মুখত ঠেলা হেঁচা আৰম্ভ কৰিছে।

দাসে কোনো উত্তৰ নিদি দুৱাৰৰ তলাটো খুলিলে। দুৱাৰখন মেলি লৈ ক লে 'আহ।

শকত হৈছে কৃষ্ণ দা। বৌ ক ত ? হাঁহি হাঁহি গোবিন্দই তেওঁক অনুসৰণ কৰিলে।

কোনজনী বৌ ?

নেপালী।

তাৰ মানে শুনিছ ?

আৰে গাঁৱত চবৰে মুখে মুখে। চবেই জানি গৈছে।

মাইকেল দাসে একো নক লে। ঘামেৰে সিক্ত চোলাটো বেৰত মাৰি থোৱা দীঘল গজাল এটা ত ওলোমাই থলে। পেণ্টটো সোলোকাই গামোচা এখন পিন্ধিলে। গোবিন্দই দদায়েকৰ নিৰ্দেশলৈ বৈ নাথাকি কাপোৰ সলাবলৈ লাগি গ ল। সি গাঁৱৰ ঘৰৰ পৰা অনা গামোচা আৰু পুৰণি চোলা উলিয়াই পিন্ধিবলৈ ললে। দাসে বিছনাত বহি তাৰ বেগটোলৈ চালে।

তোমাৰ খবৰ ভাল নহয় কৃষ্ণদা ?

ভাল। —চকু পিৰিকিয়াই লগে লগেই তেওঁ উত্তৰ দিলে। ভাল ? কেনে ভাল ? তেওঁৰ খেয়ালেই নহয় যে তেওঁৰ চাকৰি যাবৰ আজি ছমাহ পাৰ হৈছে। সদ্যহতে ভীষণ নাটনি। প্ৰথমা পত্নীয়ে আত্মহত্যা কৰি মৰিছে দ্বিতীয়া পত্নী ঘৰ এৰি এজন পাণদোকানীৰ লগত পলাই গৈছে তৃতীয়া পত্নী মাকৰ ঘৰলৈ গৈ আজি চাৰি মাহে ওভতা নাই। দুমাহৰ ঘৰ ভাৰা দিয়া হোৱা নাই দোকানৰ বাকী আঠশ টকাৰো বেছি এতিয়া দোকানীয়ে সদায় টকাখিনি বিচাৰি আহে। যাদব শইকীয়া আৰু পুতুল দাসৰ পৰা ধাৰলৈ লোৱা টকা শোধাব পৰা নাই। ল প্ৰেছাৰ ঔষধ কিনিব পৰা নাই। কলৰ পানী আইৰনেৰে ভৰ্তি। বে কৰ টকা প্ৰায় শেষ হৈ আহিছে —যিখিনি আছে তাৰে হাত ধৰি চলিলে খুব বেছি আৰু চাৰিটা মাহ যাব। আৰু তাতে ভূতৰ ওপৰত দানহ পৰা দি হাতত কেইদিনৰ বা কাৰ্যসূচী লৈ গাঁবৰ পৰা গোবিন্দ আহি ওলাইছে।

গাঁৱত চবৰে ভাল দিয়া। যাদৱৰ বাপেকক সাপে খুটি মাৰিলে কালি। ওজা বেজ নাই। কোনেও বচাব নোৱাৰিলে।

গোবিন্দই কথাৰ মাজে মাজে বেগটোৰ পৰা হৰলিক্সৰ বটল এটা উলিয়ালে। তাত ডিঙিলৈকে ভৰ্তি কৰি অনা গাখীৰ আছিল। দুটা বাণ্ডি এথোক পকা তামোল। সেইবোৰ সি মাটিতে থলে।

মই তামোল নাখাওঁ নহয়।

হা ? —চকু দুটা টেলেকা কৰি গোবিন্দই মূৰ তুলি চালে দদায়েকলৈ। এ পাহৰিলোবেই। তুমিতো তামোল নোখোবা। কত দিন দেখা নাই। এ ।

থাকক দে। বেচি দিব পাৰিম।

'অঁ তাকে কৰিবা।

অলপ পৰ বৈ গোবিন্দই পুনৰ ক লে হেৰি নহয় কৃষ্ণ দা নতুন বৌজনীৰ কথা নকলা যে ? ঘৰত নাই হ বলা ?

মাইকেল দাস বহাৰ পৰা উঠিল। গামোচাৰে ঘাম মচি তেওঁ ক লে — তাই মাকৰ ঘৰলৈ গৈছে। হ ল কেইদিনমান। এতিয়া বোধহয় নাহিব।

এ বৌৰ মুখখন চাবলৈ বৰ ইচ্ছা আছিল।

দাসে কোনো সমিধান নিদি কাষৰ কোঠালৈ সোমাই গ ল। গোবিন্দই চিঞৰি ক লে — কৃষ্ণদা ভাতৰ একো যোগাৰ কৰিব নালাগে। মই গাড়ীৰ পৰা নামিয়েই হোটেলত খাই আহিছোঁ।

'ময়ো আজি বাহিৰতে খালো। —দাসে আৰু একো নক লে। পিছফাললৈ গৈ তেওঁ গাটো তিয়াই আহিল।

গাটো মচি মচি কোঠাত সোমাই দাসে দেখা পালে—গোবিন্দই নাক বজাই বিছনাত শুই আছে। তাক শুবলৈ দি দাসে পিছফাললৈ গৈ আমগছ জোপাৰ তলত মূঢ়া এটা পাৰি বহি বিড়ি হুপিবলৈ ধৰিলে।

দাসৰ গোবিন্দৰ প্ৰতি কোনো আগ্ৰহ নাই। কেৱল গোবিন্দ কিয় তেওঁৰ বংশ পৰিয়ালৰ পৰাই তেওঁ প্ৰায় বিচ্ছিন্ন হৈ পৰিছে। গাঁৱলৈ আজি কত বছৰে যোৱা নাই!

বাপেকৰ তেওঁ একমাত্ৰ সন্তান সেই বাপেকৰ মৃত্যুতো তেওঁ খবৰ লবলৈ যোৱা নাছিল। নিজৰ আচল মাকক তেওঁ দেখা নাই। মাহী মাকৰ লগতো তেওঁৰ কোনো সুসম্পৰ্ক নাই। মৰাৰ আগে আগে বাপেকে একমাত্ৰ সম্পত্তি মাটি দহ বিঘা সতীয়া মাকৰ নামত দি গৈছে। মাইকেল দাসৰ একমাত্ৰ আশা তেওঁৰ দৰেই নিঃসন্তান মাহীমাকৰ মৃত্যুৰ পাছত উত্তৰাধিকাৰী হিচাপে সম্পত্তিখিনি তেৱেঁই লাভ কৰিব। দাসে আজি কত বছৰে বুঢ়ী মৰালৈ আগ্ৰহেৰে বাট চাই আছে' বুঢ়ী মৰিলে তেওঁ মাটি দহ বিঘা বেচি দিব। এয়া তেওঁৰ বহু দিনৰ অভিলাষ।

বিড়িটো শেষ হৈ যোবাৰ পাছত মাইকেল দাসে বৰ অস্থিৰ অনুভৱ কৰিলে। কিবা এক পৰম শূন্যতাই তেওঁৰ বুকুখন ভৰাই তুলিলে। সেই শূন্যতা যেন এটা গধুৰ বোজালৈ ৰূপান্তৰিত হৈ পৰিল। নি স গতাৰ যন্ত্ৰণাই অক্টোপাছৰ দৰে তেওঁক খামুচি ধৰিলে। কিহৰ বাবে এই নি স গতা দাসে বুজি নাপায়। গুন্দীক পত্নী বুলি স্বীকাৰ কৰিবলৈ মাইকেল দাসৰ সত নাযায়। তাইৰ যৌবনপুষ্ট দেহটো তেওঁ একোটা বিশেষ মুহূৰ্ত্তহে ব্যৱহাৰ কৰে। তাত বাদে তেওঁৰ গুন্দীৰ লগত কোনো মানসিক সম্পৰ্ক নাই। তাইৰ অনুপস্থিতিযেই তেওঁৰ এই নি স গতাৰ কাৰণ নেকি ? তেওঁ অনুভৱ কৰে—তেওঁৰ নি স গতা এক পৰম নি স গতা সেই নি স গতা কোনেও দূৰ কৰিব পৰা নাই। সবিতাই পাৰিছিলনে ? নে প্ৰভাই পাৰিছিল ? সেই প্ৰভাই তেওঁৰ সতে দহ বছৰ কটাই মৰি গৈছে। তেওঁৰ ভাবেই নহয় যে প্ৰভা তেওঁৰ অৰ্ধাংগিনী আছিল সবিতা ধুনীয়া আছিল সঁচা কিন্তু সেই মুখখনৰ প্ৰতি এতিয়া তেওঁৰ কোনো মায়া নাই সেই মানুহজনীৰ বাবে কোনো দুখ নাই। সেই বিহাৰী পাণদোকানীটোৰ প্ৰতিও তেওঁ কোনো ঈৰ্ষা অনুভৱ নকৰে। তেওঁৰ বাবে পতি পত্নী' এক খেলা এক অবসৰ বিনোদন। পুত্ৰ কন্যা তেওঁৰ বাবে স্বপ্ন ৰ কাৰণ। তেওঁৰ সৌহাতৰ আঙুলিত ধৰি এটা ছয় সাত বছৰীয়া ল'ৰা কাষত গুন্দী প্ৰভা কিম্বা সবিতাৰ কোলাত এটা কেঁচুৱা গাত ৰঙীন শাৰী কপালত সেন্দুৰৰ ফোঁট ছয় সাত বছৰীয়া ল ৰাটোৰ হাতত দুটা গেছ বেলুন   পূজা মণ্ডপৰ পৰা মানুহৰ ভিৰ ফালি মাইকেল দাস আৰু তেওঁৰ পৰিয়াল ওলাই আহিছে —ঠিক এনেদৰে ভাবিবলৈ দাসৰ লাজ লাগে   হাঁহি উঠি যায়।

দাসে আৰু এটা বিড়ি জ্বলালে।

অতীতৰ প্ৰতি তেওঁৰ অলপো মায়া নাই। অতীত বুলিলে তেওঁৰ এটা কথাই মনলৈ আহে—মালতী। ক্লাছ ফাইভ নে ছিক্সত থাকোঁতে তেওঁক খুৰাকে তেওঁৰ ঘৰলৈ নিছিল। তাতে থাকি তেওঁ পঢ়া শুনা কৰিবলৈ লৈছিল। দুবাৰকৈ মেট্ৰিক ফেল কৰাৰ পাছত খুৰাকে চুপাৰিৰ বেপাৰটোত লগাই দিছিল। সেই তেতিয়াই খুৰাকৰ ঘৰৰ পিছফালে তামোলৰ বাৰীত বনকৰা ছোৱালী মালতীক সাবটি ধৰি তেওঁ তাইৰ মুখত এটা চুমা খাইছিল। সেইটোৱেই আছিল তেওঁৰ জীৱনৰ প্ৰথম চুমা। গাঁৱলীয়া জীৱনৰ কথা মনত পৰিলে একমাত্ৰ সেই ঘটনাটোৱেই তেওঁৰ মনত পৰে। সেই ঘটনাৰ পাছত খুৰাকে তেওঁক এই চহৰত চাকৰিটোত সুমুৱাই দিয়াৰ ব্যৱস্থাটো কৰিছিল।

মাইকেল দাসে নাজানে তেওঁ চাকৰিটো ঘূৰাই পাব নে নাপায়। তাৰ বাবে তেওঁ ৰবকৈ খাটি আছে। এই দুৰ্দিনত তেওঁক গুন্দীয়ে এৰি থৈ মাকৰ ঘৰলৈ গৈছে তাৰ বাবে কিন্তু তেওঁৰ কোনো ক্ষোভ নাই। তেওঁ ভাবি লৈছে এয়া তেওঁৰ প্ৰতি এক উপকাৰহে। তাইক ওভতাই অনাৰ তেওঁৰ কোনো ইচ্ছা নাই। এডাল মমবাতিৰ বাবে সক কথা এটাত লাগি তেওঁ কাজিয়া কৰিছিল। দাসে তাইক দুটা কোব মৰাৰ পাছত তাই ফেঁকুৰি ফেঁকুৰি মাকৰ ঘৰ পালেগৈ।

তাইৰ ঘৰ এই সক চহৰখনতে। নেপালী বস্তিত। বাহাদুৰ নামৰ গুৱাল এটাৰ পৰা দৈনিক ৰাতিপুৱা এপোৱাকৈ গাখীৰ লৈছিল তেওঁ। এবাৰ একেৰাহে তিনিদিন গাখীৰ নিদিয়া দেখি তেওঁ নেপালীবস্তিৰ বাহাদুৰৰ ঘৰ ওলালগৈ। গম পালে বাহাদুৰৰ অসুখ। তাতেই দেখিলে বাহাদুৰৰ জীয়েক গুন্দীক। ঠিক হ ল বাহাদুৰ আৰোগ্য নহয় মানে দাসে স্বয়ং গাখীৰ নিবলৈ আহিব। গুন্দীৰ লগত সেই কেইদিন তেওঁৰ সদায় সাক্ষাৎ হৈছিল।

তাৰ পাছত হঠাতে এদিন তেওঁৰ সেই শূন্যতা নি সংগতা অনুভূত হ ল। ৰাতি শুবৰ সময়ত গুন্দীৰ সৌন্দৰ্যময় মুখখনে আমনি কৰিবলৈ ধৰিলে। শেষ ৰাতিলৈকে বুকুখনে হা হা কৰি থাকে। পাছত তেওঁ গম পালে তেওঁ গুন্দীৰ প্ৰেমত পৰিছে। এদিন তেওঁ মাজৰাতি জ াপ মাৰি বিছনাত উঠি বহিল। তেওঁ সিদ্ধান্ত ললে গুন্দীক বিয়া কৰাব। দুদিন পাছতে ক ৰ্টত চহী তহী কৰি তেওঁ তাইক ঘৰ সুমুৱাই ললে।

বহুত স্মৃতি বহুতো কথা বহুতো দৃশ্য আৰু শব্দই মাইকেল দাসৰ বুকুৰ ভিতৰত মূৰৰ ভিতৰত খেলা কৰিবলৈ ধৰে। অদ্ভুত চিন্তা কিছুমানে তেওঁৰ মনত দোলা দি যায়। চাকৰি যোৱাৰ পাছৰ পৰা মাইকেল দাসৰ বাবে দেওবাৰ মঙলবাৰ কিম্বা সোমবাৰৰ কোনো অৰ্থ নাই। সময়ৰ কোনো মূল্য নাই। তেওঁৰ বাবে সকলো বাৰেই দেওবাৰ কিম্বা মঙলবাৰ। তেওঁ যি ভাবি লয় সেযেই। তেওঁ দিন অথবা ৰাতিৰ দুই বজাতো ওলাই যাব পাৰে। আজিকালি তেওঁৰ বাবে আন্ধাৰ আৰু পোহৰৰ কোনো পাৰ্থক্য নাই। তেওঁ যেতিয়া ইচ্ছা তেতিয়াই শুই পৰিব পাৰে যেতিযাই ইচ্ছা হয় জগি কৰিবলৈ ৰাস্তালৈ ওলাই যাব পাৰে।

তথাপি তেওঁৰ ৰাতি ভাল টোপনি নহয। প্ৰায়ে মাজৰাতি উঠি তেওঁ গা ধোৱে। তাৰ পাছত ইটোৰ পাছত সিটোকৈ বিড়ি জ্বলাই শেষ নিশা ঘৰটোৰ ভিতৰতে টহল দি কটায়। কোনো দিনেই তেওঁ বৰ বেছি ভাবপ্ৰৱণ নাছিল। গভীৰ চিন্তাও তেওঁ ভাল নাপাইছিল। কিন্তু আজিকালি অদ্ভুত চিন্তাই মূৰটোত লুকাভাকু খেলে। মাজে মাজে তেওঁৰ ভাব হয—শীঘ্ৰেই কিবা এটা ঘটিব —যি তেওঁৰ জীৱন ব্যস্ততাময় ৰঙীন কৰি তুলিব। সদায় ৰাতিপুৱা সাৰ পাই তেওঁ ভাবি লয় —আজিয়েই কিবা এটা ঘটনা ঘটিব —গছবোৰে কথা ক বলৈ লব পানীৰ পৰা উঠি আহি মাছবোৰে আকাশত উৰি ফুৰিবলৈ ধৰিব আকাশৰ ৰং ৰঙা কিম্বা হালধীয়া হৈ যাব কিম্বা অন্য গ্ৰহৰ পৰা দৈত্য এটা নামি আহিব পৃথিৱীলৈ —যাৰ এখন ভৰি এটা ৰাস্তাত আৰু আনখন ভৰি দহ মাইল দূৰৰ আন এটা ৰাস্তাত।

গোবিন্দই সাৰ পোৱাৰ পাছত বেলি পৰি অহাৰ পৰত দাসে চাহ কৰিবলৈ ষ্টভত পানী বহাই দিলে। বহুদিন ধৰি তেওঁ ঘৰত চাহ কৰি খোৱা নাছিল। দৰাচলতে তেওঁ কামিলা মানুহ নহয়। ষ্টভ জ্বলোৱা বাচন ধোৱা বা পাচলি কটাৰ নামত তেওঁৰ হামি আহিব খোজে সেইবোৰৰ কথা ভাবিলে তেওঁ হৃদৰোগীৰ দৰে দুৰ্বল অনুভব কৰে। খেলত পৰাজিত মানুহৰ দৰে তেওঁৰ মন দমি যাব খোজে। চাহৰ সৰঞ্জাম তেনেদৰেই আছিল গুদ্দী যোৱাৰ পৰা। কেৰাছিনৰ ষ্টভ কেটলি চাহপাত চেনি গাখীৰৰ টেমা। পানী গৰম হ বলৈ দি টেমাৰ ঢাকনি খুলি দাসে দেখিলে চাহপাত ভেঁকুৰিছে টেমাৰ গাখীৰো পচি গৈছে। গোবিন্দই অনা গাখীৰ আৰু ভেঁকুৰি যোৱা চাহপাতেৰে দাসে দুকাপ চাহ কৰিলে। ভেকেটা ভেকেট গোন্ধেৰে মুখ বিকটাই দুয়ো চাহ খালে। তাৰ পাছত গোবিন্দই কাপোৰ পিন্ধি ওলাই গ ল।

বেলি লহিওবাৰ সময়তে দুবাৰত তলা লগাই দাস ওলাই গ ল। সূৰ্যাস্তৰ স্নিগ্ধ পোহৰ আৰু উত্তৰৰ শীতল বতাহে আৰামদায়ক কৰি তোলা এই গধূলিটোৰ মাজত সোমাই দাসৰ মন মজি গ ল। বহুদিনৰ অন্তত তেওঁ আজি হঠাৎ মনটো ফৰকাল অনুভব কৰিলে। তেওঁৰ নিজকে বৰ স্বাধীন স্বাধীন যেন লাগিল।

বিৰামপুৰৰ চাৰিআলি চকৰ বিহাৰী হোটেলখনত দাসে অলপো কাৰ্পণ্য নকৰাকৈ পৰঠাৰ অৰ্ডাৰ দিলে তাৰে সৈতে মৰমৰকৈ হাড ভাঙি মা স খালে চেলেকি চেলেকি দৈ খালে। কোনো দিনে খাই নোচোবা এটা ক ল্ড ড্ৰিং কছৰ বটলত পাইপ লগাই ক ল্ড ড্ৰিং কছ খালে। মুখত গুৱামুৰি ভৰাই লৈয়ো বাহিৰলৈ আহি তামোল নোখোৱা মানুহ দাসে এখন মিঠাপাণ খালে আৰু এটা দামী ছিগাৰেট জ্বলালে। পকেটত থকা শেষ খুচুৰা পইচাখিনি তিনিটা ভিক্ষাৰীক দান কৰিলে। এইখিনি সময়ত এবাৰো তেওঁৰ গোবিন্দলৈ মনত নপৰিল। মুখত তেওঁ অনৰ্থক হাঁহি এটা লৈ বহু পৰ পাণদোকানখনৰ সমুখত থিয় দি ছিগাৰেট হুঁপিলে। অনভ্যস্ত পাকস্থলীত ইমানবোৰ খাদ্যই ঠেৰেহা মাৰি ধৰিছিল। তথাপি তেওঁৰ ঘৰলৈ ঘূৰি যোৱাৰ ইচ্ছা নহ ল। হাতত তেওঁৰ কোনো কাম নাছিল। তেওঁ বহুপৰ ভাবিলে —ক লৈ যাবলৈ ওলাই আহিছে। তাৰ পাছত হঠাৎ প্ৰাণ পোৱা মূৰ্তিৰ দৰে সক্ৰিয় হৈ ৰাস্তাৰ মৃদু ভিৰ আৰু বতাহৰ মাজেদি উদ্দেশ্যহীনভাবে খোজ দিলে।

বিহাৰী দোকানখন পাৰ হৈ হনুমান মন্দিৰৰ সোঁফালৰ বহল ৰাস্তাৰে তেও আগবাঢ়িল। হনুমান মন্দিৰত বহুতো পাৰ চৰাই আছে। তেওঁ নাজানে সেই পাৰ চৰাইবোৰে ক ৰ পৰা আহি থাকিবলৈ লৈছে। সেই বিষয়ে চিন্তা কৰাৰ প্ৰয়োজন তেওঁ অনুভৱ নকৰে। এই ৰাস্তাৰে আহিলেই দাসে দেখে—মন্দিৰটোৰ সমুখৰ ৰাস্তাটোত পাৰবোৰে আহাৰ বিচাৰি ফুৰে। ৰাস্তাৰ কোনো মানুহলৈ সিহঁতে পৰোৱাই নকৰে বাট এৰি দিব নোখোজে। দাসৰ খ উঠি আহে। এক অজান অপমানবোধে তেওঁক বেঢ়ি পেলায়। পাৰ চৰাইবোৰৰো ইমান স্পৰ্ধা।

ঠিক সাতমান বজাৰ সময়ত বসাক ফেছনৰ ষ্ট' কে ছৰ সমুখত দাসে গোবিন্দক থিয় হৈ থকা দেখা পালে। সি দেখে বুলি তেওঁ ৰিক্সা এখনৰ আঁৰে আঁৰে বসাক ফেছন

পাৰ হৈ আহিল। ঠিক নিৰাপদ দূৰত্বত দাসে গোবিন্দৰ ফালে ঘূৰি চালে। গোবিন্দই খু কে ছৱ ফালে মুখ কৰি থিয় হৈ আছিল।

দাসে ঘৰ সোমাই লাইট জ্বলাই দি আপোন মনে সুহুৰিয়াই সুহুৰিয়াই টহলিবলৈ ধৰিলে। সৰু খালী টেমা এটা তেওঁ বল খেলাৰ দৰে ভৰিৰে ঠেলি ঠেলি কোঠাদুটাৰ মাজেৰে অহা যোৱা কৰিবলৈ ধৰিলে। এবাৰ টেবুলৰ ওপৰত বাণ্ডি আৰু গাখীৰৰ বটলটো দেখি তেওঁৰ ছাট কৰে মনত পৰি গ ল গোবিন্দলৈ। আচৰিত! সি পেহীয়েকৰ পুতেক—এক অদ্ভুত সম্পৰ্ক লৈ ঘনিষ্ঠ স গীৰ দৰে দাসৰ ঘৰলৈ অতিথিৰ ৰূপ লৈ আহিছে অথচ—কিয় জানো দাসৰ ভাব হ'ল—গোবিন্দ তেওঁৰ একো নহয়। গোবিন্দৰ স গ তেওঁৰ বাবে এক বোজা যেনহে অনুভূত হৈছে। তেওঁ গোবিন্দৰ কথা ভাবি কোঠাটোৰ ভিতৰতে ঘূৰি ফুৰিবলৈ ধৰিলে। বেৰৰ ফালে চাই তেওঁ গাঁবৰ পুৰণি কথা মনত পেলালে —হাতত চৰাই ধৰা ফান্দ লৈ আগে আগে গোবিন্দ পিছে পিছে তেওঁ। বহল বিলখন দুযো নাওঠ হৈ সাঁতুৰিছে ৰবাব টেঙাৰ বলটো দাসে গোবিন্দলৈ পাছ দিছে মালতীৰ বাঁহৰ গাজৰ দৰে বাঢ়ি অহা স্তনহাল

নাই দাসক কোনো মাযাৰ বান্ধোনে বান্ধি ৰখা নাই। কোনো পধ্যেই তেওঁ গোবিন্দক নিবিড় আত্মীয় বুলি আদৰি লব নোৱাৰে। ভৰিৰ কাষৰ টেমাটো কোঠাৰ এচুকলৈ গোৰ মাৰি তেওঁ পাগঘৰলৈ গ ল। টেমাবোৰ খুলি চালে আৰু মিঠাতেলৰ বটল আৰু বজাৰ কৰা প্লাষ্টিকৰ মোনাটো লৈ ওলাই আহিল। ঘৰৰ কাষৰ দোকানখনৰ পৰা এপোৱা মিঠাতেল আধাকেজি আলু দুটা ভোল দুটকাৰ পিঁয়াজ আৰু দুটা কণী লৈ উভতি আহিল।

দাসৰ ভোক নাছিল। তেওঁ ঠিক কৰিলে যে গোবিন্দক এসাজ খুৱাব লাগে। আলুবোৰৰ বাকলি গুচাবলৈ ছুৰীখন বিচাৰোঁতে হঠাৎ তেওঁৰ চকু গ ল ৰাতিপুৱা কিনি অনা ফটোখনলৈ। দুই হাত তুলি মূৰৰ চুলি স্পৰ্শ কৰি থকা সেই অভিনেত্রীগৰাকীলৈ চাই থাকোঁতে পাম যোৱা বেলুনৰ দৰে দাসৰ মনটো দমি গ ল। মন্ত্ৰমুগ্ধ মানুহৰ দৰে দাসে তাইলৈ ৰ লাগি চাই থাকিল। সমুখত ঘন কু'ৱলী থকাৰ দৰে তেওঁৰ দৃষ্টি নিষ্প্ৰভ হ ল। অস্পষ্ট ফটোখনৰ ছোৱালীজনীয়ে মাযাবী চকুৰে দাসলৈ চাই থাকিল। ওঁঠ লৰাই তাই বিৰ বিৰ কৰিলে —কৃষ্ণ মোৰ কৃষ্ণ! পৰ্বত গুহা হ্ৰদ নৈ কিম্বা সমুদ্ৰৰ ওপৰেদি সুগন্ধৰ দৰে বিয়পি যায় সেই স্বৰ — কৃষ্ণ মোৰ কৃষ্ণ! তাৰ পাছত সেই গেলা পুখুৰীৰ পচা মেটেকাৰ ভেকেটা ভেকেট গোন্ধ ভাহি আহি নাকত লাগে দাসৰ তাৰ পাছত শান্ত পোহৰৰ মাজত পৰীৰ ৰাজ্যৰ পৰা ওলাই আহে ফটোৰ সেই অভিনেত্রী। সুস্পষ্ট হৈ পৰে মুখ। দাসে চক খাই গ ল! হাতৰ ছুৰীখন পেলাই দি বোকা ৰাস্তাৰে চলাই অনা গৰুৰ গাড়ীৰ দৰে অৱশ গহীন খোজেৰে পাগঘৰৰ পৰা তেওঁ ওলাই আহিল।

কোঠাটোত ভৰি দি দেখে ল ৰা কেইটাই তাছ খেলা আৰম্ভ কৰিছে। গুন্দী যাবৰ পাছৰ পৰা দাসৰ ঘৰৰ কাষৰ ডেকা ল'ৰা কেইটামানে প্ৰায়ে নিশা তেওঁৰ ঘৰত তাছ খেলে। আগতে সেই খেল দিনত ভূষণ বাবুৰ গুমটিৰ দোকানত হৈছিল। চুটিকৈ কটা চুলি হিৰ'হোণ্ডা চলোৱা কেইজনমান ল ৰাৰ ভয়তে সিহঁতে দাসৰ ঘৰত মনে মনে

খেলিবলৈ লৈছে। এদিন সিহঁতৰ এজনে কেনেকৈ তাছ খেলিব লাগে তেওঁক দেখুৱাই কৈছিল —এইখন ডাইছ এই ডাইছৰ তিনিখন পাত এনেকৈ চিকো মিলাব লাগে ।

দাসৰ শৰীৰ বেমাৰী মানুহৰ দৰে অৱশ হৈ পৰে চকুৰ দৃষ্টি হৈ পৰে অনুজ্জ্বল মূৰৰ ভিতৰৰ শূন্যতাত ধূসৰ কুঁৱলীয়ে ঢাকি পেলায়। কোনো দিনেই দাসৰ তাছ শিকা নহ ল। ডাইছ চিকো ৰামি ফিছ গোলামৰ পাছত বিবিনে বিবিৰ পাছত চাহাব সমীকৰণ অংকৰ দৰে সেই গণনা বুৰঞ্জীৰ ইংৰাজ ৰজাৰ দৰে অদ্ভুত নাম । দাসে সিহঁতলৈ নোচোৱাকৈয়ে পাৰ হৈ আহি আগফালে বাৰাণ্ডাত বহিল। ইলেকট্ৰিক খুটাত আকাশৰ খহি পৰা নক্ষত্ৰৰ দৰে পোহৰ লাগি আছিল। আকাশৰ শূন্যতাত ওলমি আছিল বাদুলিৰ দৰে আন্ধাৰ। নাৰ্জি ফুলৰ কাষৰ পৰা ঝিলিৰ বিকট মাতে চোকা চুৰীৰ দৰে আঘাত কৰিছে নিৰৱতাক। দাসে সেইবোৰ গ্ৰাহ্য নকৰে। তেওঁ আনমনা হৈ পৰে।

ভৰিৰ শব্দত তেওঁ চক খাই উঠিল। —গোবিন্দ।

ভিতৰত সিহঁত কোন ? —গোবিন্দই মুখখন দাসৰ কাণৰ কাষলৈ আনি ফুচফুচাই সুধিলে — তাছ যে খেলি আছে কৃষ্ণ দা ?

গোবিন্দৰ মুখত দাসে চাউলৰ মদৰ গোন্ধ পালে । বৰ উদাসীনভাৱে তেওঁ ক লে— 'ইযাৰে ল ৰা।

গোবিন্দই আৰু কিবা সুধিব খুজিছিল । দদাযেকৰ নিৰ্লিপ্ত ভংগী দেখি সি বৈ গ ল।

গোবিন্দ পাগঘৰত পাচলি আছে কণীও আছে। ভাত ৰান্ধি খাগৈ যা। টিনত চাউল আছে। মই নাখাওঁ ভোক নাই।

কিয ? পেটৰ কমপ্লেইন ?

'তঁ।

ঠিক মোৰো সাত ৰকমৰ কমপ্লেইন। খানাৰ তথাপি বাচ বিচাৰ নাই চলি আছোঁ। অলপ পৰ বৈ গোবিন্দই উৎসাহেৰে ক লে — নিশ্চয তোমাৰ বাযু হৈছে।

'হু । —বিৰক্তিত মুখ ঘূৰাই ললে দাসে — যা তই ভাত ৰান্ধগৈ।

'বাৰু। ভোকো লাগিছে। এপাক ঘুৰি চাই ললো ঠাইখন। আৰুনো ক ত অহা হ ব!

দাসে একো নামাতিলে। গোবিন্দ ভিতৰ সোমাই যোৱাৰ পাছত দাস ভৰি পাক খুৱাই বহি ৰ ল। বিড়ি এটা জ্বলাবলৈ ইচ্ছা হৈছিল কিন্তু উঠি যাবলৈ তেওঁৰ এলাহ লাগিল।

ভাত খাই উঠি গোবিন্দই দাসক ক'লে — 'কৃষ্ণ দা তোমাৰ গল্পৰ কিতাপ নাই ? ৰাতি গৰমত মোৰ টোপনি নাহিব।

ৰচোন। দাস উঠি গৈ পাগঘৰৰ খৰি থোৱা ঠাইখিনিৰ পৰা বেটুপাত নথকা পুৰণি কিতাপ এখন বিচাৰি আনিলে। ৰামকৃষ্ণ পৰমহংসৰ বাণী। কিতাপখন দাসে ঘৰটো ভাৰা লওঁতেই পাকঘৰৰ এটা চুকত পৰি আছিল। বেটুপাতত শালিকা চৰাইৰ মল লাগি আছিল। বেটুপাতটো ফাটি যোৱা কিতাপখন অ ত ত ত বাগৰি ফুৰিছিল। তাৰ পাছত দাসে ট্ৰাংক খুলি কাপোৰৰ মাজৰ পৰা ফেণ্টমৰ ইংলিছ কমিকছ এখন

উলিয়াই আনিলে। যাদৱপুৰৰ পৰা আহোঁতে বাছত সক ল ৰা এটাৰ টোপনিৰ নিচাত হাতৰ পৰা পৰি গৈছিল। দাসে বৰ সন্তৰ্পণে সেইখন তুলি লৈ কাপোৰৰ মোনাৰ মাজত সুমুৱাই লৈছিল। সেইখন তেওঁ এবাৰো পঢ়া নাই। তেওঁ ই লিছ নাজানে। তথাপি সেই কিতাপখনৰ ছবিবোৰ চাই অদ্ভুত সুখানুভূতি লাভ কৰে। তেওঁৰ কল্পনাৰ ভিন্নগ্ৰহী দৈত্যটোৰ লগত কমিকছৰ নাযকজনৰ অদ্ভুত মিল দেখে। কমিকছখন গোবিন্দৰ হাতত দি দাসে ক লে চাবি নাফালিবি।

কালি মোৰ ইয়াতে ইন্টাৰভিউ আছে। ৰাতিপুৱা। স্পিনি মিলৰ প ষ্ট।

তই মেট্ৰিক পাছ কৰিলিনে ?

নাই। —লাজৰ হাঁহি এটা মাৰি গোবিন্দই ক লে — ক ত পাছ কৰিলো ' এইটলৈকে পঢ়িছিলোহে ' যাদবৰ ভাযেকে পাছ কৰিলে এইবাৰ। টাউনৰ কলেজতে পঢ়িব। বাপেকৰ মহাফূৰ্তি। বেচেৰা মানুহটো অকালতে মৰিল।

কেনেকৈ ?

কৈছিলো নহয় সাপে খুটিছিল। পুখুৰীত বৰশী মাৰিছিল —তাতে। হৰিৰ বিযা গ ল কইনা সোণাপুৰৰ । ধনমামা পঞ্চাযতৰ ভোটত জিকিল। আমাৰ গোহালিৰ কাষৰ আম গছজোপা কাটি পেলালো। শৰতহঁতে ল ন লৈ জাৰ্ছি গৰু এজনী লৈছে দৈনিক চাৰি লিটাৰ গাখীৰ দিযে। বৰ লাভ। টিভি এটা লৈছে। মযো ভাবিছোঁ চাকৰিনো ক ত হ ব ' যদি নহয গাঁবতে মুৰ্গীৰ ফাৰ্ম এখন খুলিম। নে কি কোৱা দাদা ? মাজতে ভাবিছিলো —সৰু সৰু মাতেৰে গোবিন্দই কৈ যায — স গঠনতে সোমাম। ডাঙৰ মামীয়ে তোমাৰ নাম লৈছিল।

কোনে ?

ডাঙৰ মামীযে।

কোন ডাঙৰ মামী গোবিন্দ ?

তোমাৰ মা—

অ ' —দাসে আঁঠুৱাখন তৰি ললে। ইতিমধ্যে তাছ খেলা ল ৰাবোৰ গুচি গৈছে।

গোবিন্দই হাতৰ কিতাপ দুখন বিছনাৰ একাষে থৈ বিছনাৰ পৰা নামি গ ল। দৰজাখন বন্ধ কৰি আহি লাইট অফ কৰিলে। আন্ধাৰে মুহূৰ্ততে ঢাকি পেলালে সমগ্ৰ কোঠাটো। আন্ধাৰৰ মাজৰ পৰা গোবিন্দৰ কণ্ঠস্বৰ ভাহি আহিল।

কৃষ্ণ দা ডাঙৰ মামীৰ খবৰ লবলৈ যোৱা নাই দেখোন কিয় ?

কিয় যাব লাগে ? তোৰ ডাঙৰ মামীয়েৰে ইমান দিনে মোক কি দিছে ? মোমায়েৰে নো কি দিছে ? কোনোবাই সুধিলে কৈ দিওঁ —মোৰ কোনো পিতৃ নাই। মই মাটি ফুটি ওলাই আহিছোঁ। —দাসৰ কপালৰ সৰু সৰু শিৰাবোৰ খঙত ফুলি উঠে। সেই স্ফীত শিৰাবোৰ আন্ধাৰত গোবিন্দই দেখা নাপায়। গোবিন্দ বিছনাত উঠাৰ শব্দ হয়। কিবা এক খং কিবা এক ঘৃণাত দাসৰ মাত কঠিন হৈ উঠে।

মোক জন্ম দিয়াৰ পাছত তোৰ মোমায়েৰে কি কৰি দিছে ? একো দায়িত্ব নাছিল ? চোঁৰৰ কা বাচ্চা তোৰ মোমায়েৰ ' তোৰ মোমায়েৰে মোক কি দি গৈছে জান ?

এটা মাত্ৰ নাম জঘন্য নাম—কৃষ্ণ। হু এই চহৰত যে কিমানে মোক ঠাট্টা নকৰিলে। আদালতত নামটো থাকক। মাইকেল মধুসূদন। কেনে সুন্দৰ নাম। ক ত জানো নামটো সেই তাহানিতে শুনিছিলো। নামটোৰ প্ৰতি মোৰ মায়া বৈ গৈছিল। মই নাজানো কোন তেওঁ কি কৰে ক ত থাকে। সেই নামটো মনলৈ আহিলে ক লা চুলিৰ এটা দীঘল জোঙা নাক বগা ছালৰ মোটা গোঁফৰ এজন মানুহ মনলৈ ভাহি আহে। আচলতে মই তেওঁক কোনো দিনে দেখা নাই। তেওঁৰ মাত যেন গুৰু গম্ভীৰ । আৰু মোৰ পেট ওলাই আহিছে। গোবিন্দ এই দুৰ্দিনত তোৰ মোমাযেৰৰ নাম নলবি। পাগঘৰত তোৰ মোমাযেৰৰ নামটো লিখি থৈছোঁ এঙাৰেৰে। ৰাতিপুবা উঠি চাবি। মোৰ যেিযাই মন যায তাতে থু পেলাওঁ। জহন্নামে যা

দাস অলপ পৰ মনে মনে থাকিল। তেওঁৰ চকুৰ আ াত ভাহি উঠে তেওঁৰ তিনিগৰাকী পত্নীৰ মুখ। তাৰ পাছত তেওঁ কৈ যায —

গোবিন্দ তোৰ বযস কিমান ?

গোবিন্দ মনে মনে থাকে।

কিমান গোবিন্দ ?

গোবিন্দই উত্তৰ নিদি দীঘল দীঘল নিশ্বাস এৰে। দাসে তাক শুবলৈ এৰি দিলে। কি আচৰিত। ইমান সহজে কেনেকৈ সি শুই পৰিল ? এই চহৰৰ মাজত কেনেকৈ চিকাৰী কুকুৰৰ দৰে সি মদৰ ঘাটি বিচাৰি উলিয়ালে ? ওঁঠ ফাক কৰি দাসে নি শব্দে হাঁহিলে।

দাসে সাৰ পোৱাৰ বহু আগতেই গোবিন্দই বিছনা এৰিলে। সি গা ধুলে চাহ কৰিলে ঘৰ সাৰিলে বিছনা পাতি ঠিক কৰিলে আৰু তাৰ পাছত দাসক জ াই দিলে। দাসে চকু মেলাৰ লগে লগে খিৰিকিৰে চোৰৰ দৰে সোমাই অহা সূৰ্যৰ তপত পোহৰ তেওঁৰ মুখত পৰিল। চকুত তেওঁৰ টোপনিৰ নিচা। আঁঠুবাৰ তলৰ পৰা কেইবাবাৰো গুণগুণালে দাসে —আৰু এটা জঘন্য দিন আৰম্ভ হ ল। যদিও দাসৰ টোপনিৰ নিচা বাৰুকৈয়ে লাগি আছিল তথাপি তেওঁ শুবলৈ ইচ্ছা নকৰিলে। ঘৰত গোবিন্দৰ সৰব উপস্থিতিয়ে তেওঁক বিৰক্ত কৰিলে।

সেইদিনা অলপ সোনকালে বিছনা এৰিলে তেওঁ। ৰ দ এতিযাও প্ৰখৰ হোৱা নাই। হাত মুখ ধুই আহি কোঠাত সোমাই তেওঁ কোঠাটো বৰ পৰিষ্কাৰ পৰিষ্কাৰ দেখিলে। বিছনা সুন্দৰকৈ পৰিপাটিকৈ পৰা আছে। টেবুল চকীবোৰ বেৰৰ কাষে কাষে সজোৱা আছে। বেৰৰ কোণত লাগি থকা মকৰাৰ জালবোৰো গোবিন্দই গুচাই থৈছে। দাসৰ পেন্ট ছাৰ্টবোৰ সি সুন্দৰকৈ গজালত ওলোমাই থৈছে। চাহকাপ খাই দাসৰ মনটো ফৰকাল লাগিল। গোবিন্দই তাৰ নিজৰ পইচাৰে এপেকেট বিস্কুট অলপ চাহপাত কিনি আনিছিল। সি দাসক সোৱাদ ভৰা একাপ চাহ কৰি খুৱালে। দাসৰ শোৱাকোঠাৰ পুবৰ বেৰখনত প্ৰথমা পত্নী প্ৰভাই এখন শিৱৰ ফটো আঁৰি থৈছিল। দাসে দুডাল ধূপকাঠী জ্বলাই একমিনিটমান বিৰবিৰকৈ কিবাকিবি কৈ প্ৰাৰ্থনা কৰিলে। আগতে তেওঁ ৰাতিপুৱা গা ধুই দৈনিক প্ৰাৰ্থনা কৰিছিল। তদুপৰি শৰীৰটো আটিল আৰু তাগৰা কৰি ৰাখিবৰ বাবে আগেযে সদায় পুৱা অলপ ফ্ৰি হেণ্ড ব্যায়ামো

কৰিছিল। কেইটামান বে ণ্ডি আৰু তিনি চাৰিটামান আসন। এতিয়া সেই কথা ভাবিলে গা অৱশ হৈ যাব খোজে। সবিতা পলাই যোৱাৰ পাছত এই প্ৰথম তেওঁ শিৱৰ ফটোখনৰ সমুখত থিয় হৈ প্ৰাৰ্থনা কৰিলে।

প্ৰাৰ্থনা কৰি উঠি তেওঁ বাৰাণ্ডালৈ আহি বহিল। তেওঁৰ ঘৰৰ সন্মুখৰ বহল ৰাস্তাত মানুহৰ ঘৰৰ চালত আৰু গছপাতৰ ওপৰত ফচল ফলাৰ দৰে পুৱাৰ ৰ দ পৰি আছে। তেওঁ চকীত বহিল। লাইট প ষ্টত লগাই থোৱা চাৰিকোণীয়া তক্তাখনৰ গাত ছিনেমাৰ বিজ্ঞাপন আঁৰা আছে। তেওঁৰ পৰিচিত নীলা সেউজীয়া হালধীয়া কেইটামান ঘৰ শইকীয়াহঁতৰ ফুলনিত শালিকাই খেলিছে কলেজৰ ল ৰা কেইজনমানে মেছ কৰি থকা সেই ঘৰটোৰ সন্মুখৰ পকীবেৰখনত শুই আছে দুটা নিৰীহ মেকুৰী টেক্সি এখন পাৰ হৈ গ ল তাৰ পাছত মহৰ গতিৰে এখন ৰেলগাড়ী —তাতে এখন বহল পালে —এহাল শকত আবত দম্পতিযে একেলগে শুব পৰা ঠেলাগাড়ীখনৰ পিছে পিছে ছয় সাত বছৰীয়া ইউনিফৰ্ম পিন্ধা ল ৰা এটা লৈ এজনী মাক। তাই মটীয়া সেন্দুৰ বৰণৰ পাৰিৰ নীলা শাৰীৰ মাজেৰে থলথল কৰে পেট উলিযাই আগবাঢ়ি গৈছে —এহাতে কিতাপৰ বাকচ এটা আনহাতে পানীৰ ফ্লাস্ক। সিহঁতৰ কাষেদি পাৰ হৈ গ ল কেইজনমান ডেকা ল ৰা —এজনৰ হাতত এটা ফুটবল।

দাসক মা ত লগাই ইণ্টাৰভিউ দিবলৈ গোবিন্দ ওলাই গ ল। সি যোবাৰ পাছত দাস উঠি লাহে লাহে ভিতৰ সোমাল। পাগঘৰলৈ আহি কালি ৰাতিপুৱা কিনি অনা ফটোখন তেওঁ আঁজ ৰি আনি ফালি পেলালে।

তেওঁ পুনৰ আগফালে আহি ৰাস্তাটোত থিয় দিলে। ডেকা ল ৰাৰ জাকটো এম ভি স্কুলটোৰ কাষেৰে পথাৰখনলৈ নামি গ ল। দাসৰ অন্তৰ কিবা এক গভীৰ দুখে ক্ষত বিক্ষত কৰি তুলিলে। বুকুৰ ভিতৰৰ শূন্যতাত ওলমি থকা হৃদপিণ্ডটো স কুচিত হৈ আহিল। সঁচাকৈযে তেওঁ জীৱনত একোবেই হ ব নোবাৰিলে। স্বামী পিতৃ এজন সুআত্মীয় কিম্বা এজন ভাল খেলুৱৈ। তেওঁ অতদিনে তাছৰ পাতকে চিনি নাপালে। থৰক বৰক খোজেৰে মাইকেল দাস আকৌ ঘৰৰ ভিতৰ সোমাল।

১৬।৩।৯১

ৰাজৰ চৰিত্ৰ

হিৰণ্য কাশ্যপ

বহুত দিনৰ মূৰত তাৰ ঘৰ ওলালোগৈ। নিজৰ কামৰ মাজত আজৰি নোলাযেই। দিনটো অফিছত খাটি গধূলি ঘৰ সোমাই আকৌ ওলাই যাবলৈ মন নাযায। বহুত দিনৰ পৰা তাক লগ ধৰোঁ ধৰোঁ বুলি ভাবি থাকোঁতেই গৈছে। আজি সেইকাৰণে ভাগৰ বাদ দি তাৰ ঘৰলৈ গ লো।

ৰাজ আছ ঘৰত ? —জপাই থোৱা দুৱাৰখন খুলি কোঠাত খোজ পেলাযেই চিঞৰিলো। সি ভিতৰৰ পৰা মাত দিলে — আছোঁ আহ।

তাৰ কোঠাৰ দুৱাৰখন ঠেলা মাৰি খুলিলো। সি বিছনাত লা খাই পৰি আছে। পেণ্ট ছাৰ্ট ছুৱেটাৰ পিন্ধি আছে। মুখখন ডাঢ়িৰে ভৰ্তি। দেউতাৰ্ক ঢুকুবাৰ পাছত সি আকৌ ডাঢ়ি ৰাখিছে। ডাঢ়িৰে তাক মই বেছি ভাল দেখোঁ। তাৰ মুখখনলৈ চাই মনটো অলপ মৰি গ ল। গহীন চিন্তাক্লিষ্ট মুড এটাত আছে সি। তাৰ সেই পিকিউলিযাৰ মুডটো। তাৰ এই মুডটো ভাল নালাগে মোৰ। অশান্তি লাগে। কিন্তু মাজে মাজে আমি তাৰ এই মুডটো পাই থাকোঁ। আমি মানে মই আৰু অনুপলে।

কি কৰিছ ?

'আছোঁ।

গধূলি নৌহওঁতেই বিছনাত পৰি আছ। কি হৈছে ?

এনেই পৰি আছোঁ।

'কৰবালৈ গৈছিলি ?

'আবেলি গৈছিলো।

আজি দিগদাৰি আছে। সি একেবাৰে কথা পতাৰ মুডত নাই। কেনেকৈ এতিয়া তাক লাইনলৈ অনা যায় ? অনুপলো নাই।

পণ্ডিত অহা নাই ? পণ্ডিত আমি অনুপলক দিয়া নাম।

'আজি নাহে। মানুহজনীক লৈ ক ৰবালৈ গৈছে।

'হয় নেকি ? ওলাই যাবি নেকি ? ব ল এনেই অলপ ওলাই যাওঁ। কি কৰিবি সোমাই থাকি।

'যাবি নেকি ? ব ল। মটৰ ছাইকেল আনিছ নেকি ?

'নাই খোজকাঢ়ি।

'ঠিক আছে।

সি এইবাৰ বিছনাৰ পৰা উঠিল। তাৰ খেলিমেলি হৈ থকা টেবুলখনৰ পৰা ৰাজা চাপ খৈনীৰ পেকেটটো লৈ তাৰ চাদা অলপ বাঁওহাতৰ তলুৱাত ললে আৰু মোলৈ

প্ৰশ্নবোধক চাৱনিৰে চালে। মই মূৰ জোকাৰিলো —নাখাওঁ। সি চাদাখিনি মুখত ভৰাই বাঁওহাতৰ কেঞ্চা আঙুলিটো দেখুৱাই বাহিৰলৈ গ ল। ৰক্ষা —সি অলপ ভাল মুডলৈ আহিছে।

অৰ টেবুলখনলৈ এনেয়ে অলপ মন কৰিলো। পুৰণা এ.ল' আছামিজ ডিক্সনেৰি এখন সি গান লিখা ডায়েৰিখন হীৰেন ভট্টৰ কবিতাৰ কিতাপ এখন মামনি ৰয়চমৰ উদয় ভানুৰ চৰিত্ৰ চুলি লাগি থকা লেতেৰা হেযাৰ ব্ৰাছ এডাল আৰ্নিকা প্লাছ হেয়াৰ ভাইটিলাইজাৰ সৰু আয়না এখন তিনিটামান চাদাৰ খালী পেকেট কেতিযাবাই খাই থোবা চাহৰ কাপ এটা অনুপলে তাক বজাবলৈ দি থোৱা ৱাকমেনটো আৰু দুটামান কেছেট সিঁচৰতি হৈ পৰি আছে।

অলপ সময়ৰ পাছতে সি সোমাই আহিল। বিছনাখনত বহি তলৰ পৰা জোতাযোৰ উলিযাই ললে। তাৰ ভিতৰতে সুমুৱাই থোবা মোজাযোৰৰ এপাত উলিয়াই পিন্ধিবলৈ ভৰিটো দাঙি ললে।

আজি ৰুমত কিবা ধূপ জ্বলাইছিলি নেকি অ ?

নাইতো। কিয ?

বৰ সুন্দৰ গোন্ধ ওলাইছে। —তাৰ মোজাযোৰলৈ চাই মই ক লো।

চা ল্ লা। ল—ভালদৰে গোন্ধ লৈ ল— মোজাপাত সি মোৰ নাকৰ আ াত লগাই দিলে।

হেই আঁতৰা আঁতৰা।

হাঁহি মাৰি সি জোতাযোৰ পিন্ধি ললে। সৰু আযনাখন দাঙি লৈ চুলি আৰু ডাঢ়িখিনিৰ ওপৰেদি হাতখন এবাৰ বুলাই লৈ ক'লে — ব ল।

জেকেটটো পিন্ধি ল। বাহিৰত ভাল ঠাণ্ডা পৰিছে।

জেকেটটো গ ল নহয। নাজান নেকি ?

গ ল মানে ?

মোৰ ছুটকে ছটোৰ লগত মোৰ ভাল কাপোৰ কানি চব গ লতো। তই নাজান নেকি ?

শুনিছিলো —গণেশগুৰিত বোমা ফুটাৰ সময়ত—হেৰালে বুলি —মই তোৰ সৰু ব্ৰিফকে ছটো বুলি ধৰি লৈ গুৰুত্ব দিয়া নাছিলো—

ব্ৰিফকে ছটো সৌটো নহয় ? সি তাৰ সৰু ব্ৰিফকে ছটোলৈ আঙুলিয়াই ক'লে 'ঘৰৰ ডাঙৰ ভি আই পিটো নিছিলো। মোৰ চব ভাল কাপোৰ গ ল কাগজপত্ৰও গ ল আৰু—

কি হৈছিল ? কেনেকৈ হেৰাল ?

ৰিক্সাত গৈ আছিলো বোমা ফুটিল আন্ধাৰ হৈ গ ল ৰিক্সাৰ পৰা জপিয়াই মই আৰু ৰিক্সাৱালা দৌৰি আছোঁ। অলপ দূৰত গৈ ছুটকে'ছটোলৈ মনত পৰিল। ঘূৰি আহি দেখোঁ —ৰিক্সাত ছুটকে'ছ নাই। মাৰি দিলে কোনোবাই। চা চোন—সেইটো পৰিস্থিতিতো কাৰ কি ধাণ্ডা! ব ল—যাওঁ ব'ল।

দুয়োটা ওলাই আহিলো। আমি বহুত দিনৰ পুৰণি বন্ধু। সৰুকালৰে বন্ধু। হাফপেণ্ট পিন্ধি টেনিছ বলেৰে ক্রিকেট খেলোঁতেও লগত আছিলো ঘৰত ফাকি দি মেটিনি চাবলৈ যাওঁতেও লগত আছিলো ৰাস্তাৰ ছোৱালীক ভণ্টি ধুনীয়া হৈছা দেই। বুলি ক'ব পৰা হওঁতেও লগতে আছিলো। গান গাবলৈ ষ্টেজত প্ৰথম বাৰ উঠোঁতে নাৰ্ভাছ কৰা ৰাজক যা একো নহয় যা বুলি পিঠিত শেষ চকাটো ময়েই মাৰিছিলো। সি ৰেডিঅ ৰ গানৰ অডিছনত পাছ কৰা খবৰটো প্ৰথম মযেই পাইছিলো। নিভাই তালৈ দিয়া তাৰ জীৱনৰ প্ৰথম প্ৰেম পত্ৰখন আমি একেলগে পঢ়িছিলো। মই যোৰহাটৰ ইঞ্জিনিয়াৰিং কলেজত পঢ়ি থাকোঁতে মোৰ লগৰখিনিয়ে তাকো সমানে চিনি পাইছিল।

সৰুৰে পৰা সি বৰ ভাল অভিনয় কৰিছিল। আমি ভাবিছিলো সি এদিন অসম কঁপাব। গান গাবলৈ ষ্টেজত উঠাৰ পাছত মানুহে তাক সহজে এৰি দিয়া নাছিল। তাৰ প্ৰত্যেকটো সাফল্যই মোক অপাৰ আনন্দ দিছিল। সেইটো ৰাজ—আৰু এইটো ৰাজ।

তোৰ কি হ ল? বহুত দিন চেহেৰা দেখিবলৈ পোৱা নাই যে? ৰাস্তাত উঠিযেই সি মোক সুধিলে।

মই দিনটো কামত ব্যস্ত থাকোঁ অফিছ ছাইট –। ঘূৰি অহাৰ পাছত ভাগৰ লাগে।

ভাগৰ লাগে? ইমান সোনকালে বুঢ়া হৈ গ লি?

ডেকা হৈ আছোঁ বুলি ভাবিছ নেকি? তেত্রিছ বছৰ হ ল অ বোপাই—

বয়সে বুঢ়া নকৰে —মনে কৰে।

'যিয়েই নহওক মই বাৰু আহিব পৰা নাই তইতো যাব পাৰ মোৰ ওচৰলৈ।

যাব পাৰোঁ। পিছে আজিকালি মানুহ ফে ছ কৰিবলৈ দিগদাৰ লাগে বুজিছ।

কেলেই? হঠাৎ তোৰ আমাৰ ঘৰৰ মানুহখিনি—

নহয তইঁতৰ ঘৰৰ মানুহখিনি বুলি মই কোৱা নাই। যিকোনো মানুহৰ পৰা পলাই ফুৰোঁ।

কিহৰ ভয়ত?

সেই প্ৰশ্নটোৰ ভয়ত। এতিয়া তুমি কি কৰি আছা? বুলি যে সোধে।

এই ষ্ট্ৰিট লাইটবিলাক নজ্বলে নেকি অ? আন্ধাৰ দেখোন।

ভালেই হৈছে।

ৰাস্তাটোত মানুহৰ আহ যাহ অতি পাতল। নিৰ্জ ন পৰিবেশ। খোজকাঢ়ি ফুৰিবলৈ ভাল লাগিছে। একো কথা নপতাকৈ দুয়োটা কিছুদূৰ আগবাঢ়িলো। হঠাৎ সি ক লে মই পগলা হৈ যাম বুজিছ হিৰণ্য।

হাঁ? কি হ বি?

সি অকণমান হাঁহিলে।

পগলা হ'ম। সেই চাৰিআলিত বৈ থকা পগলাটো যে —মানুহলৈ চাই সি অলপ সময়ৰ মূৰে মূৰে গালি পাৰি থাকে— ধ ই ত ধ ই ত। তাৰ চবৰ ওপৰতে খং। ময়ো তেনেকুৱাই হ'ম। সি শব্দ কৰি হাঁহি দিলে।

গান একেবাৰে বাদ দিলি নেকি? ৰেডিঅ ৰ প্ৰগ্ৰেম নাই?

সেইদিনা চাৰিটা গানৰ কনট্রেক্ট এটা পাইছিলো। নকৰোঁ।

'কিয় ? টকা নাপাবি নেকি ?

ডেৰশ টকা। টকাতো বাৰু হ'ব। কিন্তু গান গাব যে পাৰিম তাতে সন্দেহ আছে মোৰ। কিমানদিন হাৰমনিযাম চুই চোৱা নাই। —নহ'ব। তই প্রশান্ত সোণোৱালৰ গানৰ কেছেটটো শুনিছ ? মই লিখা আৰু সুৰ দিয়া দুটা গান গাইছে সি।

'নাই শুনা। শুনিব লাগিব। সেইদিনা মই অসমীয়া গানৰ ইনস্ট্রুমেণ্টেল কেছেট এটা ললো তোৰ মৃত্যুলৈ যাৰ ভয় —গানটোও বজাইছে —শুনিছ ?

হয় নেকি ? সেই গানটোৱে হিট মাৰিলে দেই। সুৰৰ ওপৰত লিখা গান জাননে ? মনোজদাই আহি ক'লে — ৰাজ এইটো সুৰ। গান এটা লিখা। কাইলৈ লাগিব। কেছেটত সুৰটো গাই দিছে। সুৰৰ লগত এতিযা কথা মিলিব লাগিব। নিমিলেহে নিমিলে লাষ্টত সেইটো হ'ল।

তোৰ টিভিৰ নাটকখনৰ কি হ'ল ?

ধুৰ' লোকচান।

লোকচান মানে ?

লোকচান মানে কি আৰু। অন্য লাভৰতো কথা নাহে। টকা অলপ পাম বুলি আজি গৈছিলো—অজিতৰ ওচৰলৈ—

অজিত ? কোন অজিৎ ?

'অজিত চলিহা। চিনি নাপাব ? সেই ভ্রাম্যমান থিয়েটাৰ কৰা ল'ৰাটো যে — কানৈ কলেজত পঢ়িছিল যে। সিয়েই নাটকখনৰ ডাইৰেক্টৰ আছিল। সিয়েইতো জোৰকৈ মোক ৰ'ল এটা দিলে। মোৰ ধাওা নাছিল। টিভিৰ ড্রামা কেইটা মানুহে চাব ? চালেও কাৰ মনত থাকিব ? ছিৰিয়েল জাতীয হোৱা হ'লেও বোলে এটা এক্সপ'জাৰ পালো। এইখন মই অকল টকা অলপ পাম বুলিয়েই কৰিছিলো।

পিছে কি হ'ল ? কিমান পালি ?

এক পইচাও নাই। ওলোটাই তাক—অজিতক গুৱাহাটীত মই দিয়া টকা পাঁচশ।ল।

অ —আচ্ছা। তাৰ মানে তোমাক টিভিত একটিঙৰ চান্স এটা দিলে আৰু নহয় জানো ? উইদাউট এনি পাৰিশ্রমিক। ওলোটাই তুমি চান্সটো পোৱাৰ কাৰণে তাক পাঁচশ টকা দিলা। —ভেৰি গুড।

নহয় অ। অকল টকাৰ কাৰণেই কৰিছিলো মই। সি জানেও কথাটো।

এতিয়া কিয় নিদিলে টকা ?

'নিদিলে। আজি কওঁতে একেবাৰে কল্পনামুৰা হ'ল। তাৰ বোলে খৰচেই বহুত হ'ল। টকা দহ হাজাৰহে পাইছিল। খৰচ কিমান হৈছে মোৰ এটা ধাৰণা আছেতো। মইতো অনবৰত তাৰ লগতেই আছিলো। মাৰি দিলে ছালা চব। অকলেই হজম কৰি দিলে। মোৰ পাঁচশ টকাও হেনো সি এতিয়া ঘুৰাই দিব নোৱাৰে। ইফালে ড্রামাৰ ড্রেছ কিছুমান ভাৰাত নিছিলো —সেইখিনিৰ যোল্লশ টকাও মই ভৰিলো।

তাৰ মানে ?

মোৰ স্থূটকে ছুটোতে সেইখিনি আছিলতো। সেইখিনিও গ'ল। পইচাখিনি মই ভৰিব লগা হ'ল।

'কিয় ? তই কিয় ভৰিব লগা হ'ল ?

'মই দোকানৰ পৰা আনিছিলোতো। আৰু ময়েই হেকৰালোতো। সেইকাৰণে। আজি মাৰ পৰা লৈ টকা দি থৈ আহিছোঁ দোকানত। অজিতে কৈছে সি —লাহে ধীৰে ড্ৰেছৰ পইচাখিনি মোক দিব। মই আশা কৰা নাই। ধেৎ। মাথাটো একদম গৰম হৈ গ ল ছালা।

ৰাজে পকেটৰ পৰা চাদাৰ পেকেটটো উলিয়ালে। মই বাঁওহাতখন তাৰ ফালে আগুৱাই দিলো।

নায়েই ৰ। অকণমান ওলাইছে। তই বাদ দে খাবলৈ। ধেৎ। ছা লা —

কি হ ল ?

গোবৰ গছকিলো অ । ধুৰ ৰ। ৰাস্তাৰ কাষৰ বননিলৈ গৈ সি বনতে জোতা পাত চাফা কৰিলে। তাৰ পাছত দুয়ো নি শব্দে আগবাঢ়িলো।

চবেই ইয়াক মাত্ৰ এক্সপ্লয়ট কৰিলে। আৰু ই তেনেদৰেই-থাকি গ ল। তাৰ ইতিমধ্যে বহুত দেৰি হৈ গৈছে। সি এতিয়া কিবা এটা স্থায়ীভাৱে কৰিব লাগে ছেটল্ড হ ব লাগে। সিও বুজি পাইছে —ৰাস্তা বিচাৰি হাবাথুৰি খাইছে। য ত অকণমান আশা দেখিছে তালৈকে গৈছে। কিন্তু শেষত একো হোৱাগৈ নাই। ঈশ্বৰৰ অস্তিত্বক আগতে অস্বীকাৰ কৰি অহা ৰাজে হাত দেখুৱাই সৌৰবণিৰ চক্ৰ দেখুবাই শনিৰ প্ৰভাৱৰ মুক্তি পাবলৈ গ্ৰহৰত্নও পিন্ধিছে। কিন্তু তথাপি তাৰ একো হোৱাগৈ নাই।

জীৱন ভূঞা। এই মানুহটোৰ লগত মোৰ ব্যক্তিগত পৰিচয় নাই যদিও মানুহটোলৈ মনত পৰিলে মোৰ থু পেলাই দিবলৈ মন যায়। এই মানুহটোৱে মিঠা মাতেৰে আদৰ্শৰ কথাৰে ৰাজৰ দুটা বছৰ লৈ ললে সেই দুটা বছৰ—যি দুটা বছৰত আমি —তাৰ লগৰখিনিয়ে নিজ নিজ স স্থাপনৰ ব্যৱস্থা কৰি ছেটল্ড হৈ ললো। আৰু এই যুৱকটো সেই সময়তে জীৱন ভূঞাৰ পাল্লাত পৰিল। জীৱন ভূঞাৰ নাটক —তই অভিনয় কৰিছ —ঠিক আছে কিন্তু নাটকখনৰ গোটেইবিলাক কামৰ দায়িত্ব তই কিয় লব লাগে ? ঘৰে ঘৰে টিকেট বিক্ৰি কৰি কিয় ঘুৰি ফুৰিব লাগে ? জীৱন ভূঞাৰ লগত তোৰ খুব ক্লজ ৰিলেছন আছিল ? তাৰ কথা তই পেলাব নোৱাৰ ? পিছে লাভ কি হ'ল ? নাটকৰ কামত লাগি থাকি গান গাবলৈ এৰিলি। অন্য কামৰ কথা একো চিন্তাই নকৰিলি। জীৱন ভূঞাই নাটক কৰোঁতে সি নিজে বেকাৰ আছিল নেকি ? চাকৰিৰ মাজৰ আজৰি সময়ত সি নাটক কৰি নাম কৰিলে। এতিয়া তোৰ কি গতি হ'ল ? এতিয়া তই তাক দেখিব নোৱাৰ। তাৰ নাম শুনিলেই তোৰ গা গৰম হৈ উঠে। হওক। কিন্তু তাৰ পৰা তাৰ কি লোকচান হ'ব ? সি নাট্যকাৰ পৰিচালক হিচাপে ইতিমধ্যে গজগজীয়া হৈ গ ল। সি তোক ব্যৱহাৰ কৰি শেষ কৰিলে। এতিয়া তাক আৰু তোৰ কোনো দৰকাৰ নাই।

আমি গৈ পাণ দোকানখনৰ আগত ৰ'লোগৈ। মোক দেখিলেই প্ৰণবে — দোকানী ল ৰাটোৱে —পাণ এখন বনাই মোলৈ আগবঢ়াই দিয়ে। আজিও দিলে।

তই পাণ খাবি নেকি ? ৰাজক সুধিলো।

খামতো। একছ বিছ মিঠা পাত্তি। আৰু চাদা এপেকেট লৈ ল।

দুপেকেট ল। এপেকেটেৰে তোৰ চলিব জানো ? সি হাঁহিলে। চাদা খুব খায় সি।

আৰু আগবাঢ়ি যাবিনে ? সি সুধিলে।

ব ল যাওঁ। আমি আকৌ আগবাঢ়িলো।

মোৰ বহুত ঝামেলা হৈছে বুজিছ হিৰণ্য। মই এনেকৈ আৰু কিমান দিন থাকিম কচোন। মই কোনো ৰাস্তাও দেখা নাই।

চাহ বাগানৰ এছিষ্টেণ্ট মেনেজাৰ কামটোৰ কি হ ল ?

নাই—সেইটোৰ এতিয়া কোনো আশাই নাই। মই আগতেও সেইটোৰ আশা সিমান কৰা নাছিলো।

তই গুৱাহাটীত কি কৰিলিগৈ ?

'কিটো কৰিলো আৰু' ছাপ্লাই ইন্সপেক্টৰৰ কে ছটো তইতো জানই!

'কি কে ছ ?

মই সেই প ষ্টটো পাম বুলি ছিয় ৰ আছিলো' সেই কাৰণেইতো গুৱাহাটীত আছিলোগৈ।

তইতো বহুত দিন তাত থাকিলি ?

অঁ। ডেৰ বছৰ।

ডেৰ বছৰে তই কি কৰিলি ?

'বিজিনেছ কৰিলো। জয়ন্তৰ লগত। পাৰ্টনাৰশ্বিপ বিজিনেছ। সি বেলেগ ধৰণৰ হাঁহি এটা মাৰিলে। জয়ন্তই মস্ত এটা ছাপ্লাইৰ অৰ্ডাৰ ললে। সি গুৱাহাটীত বহি কাগজ পত্ৰৰ কামখিনি চায় আৰু মই ট্ৰাকত ভিতৰুৱা ঠাই কিছুমানলৈ গৈ বস্তুৰ ডেলিভাৰি দিওঁ। ৰাতি ৰাতি ট্ৰাকত ঘূৰি ফুৰোঁ। কনট্ৰেক্টটো হে ভি আছিল। চল্লিছ লাখ টকাৰ।

'চল্লিছ লাখ টকাৰ ? তোৰ ইনভেষ্টমেণ্ট কিমান আছিল ?

এক পইচাও নাই। ক ৰ পৰা থাকিব ?

টকা কিমান পালি ?

ক ত পালো' দেউতা ঢুকুৱাৰ সময়ত বিচাৰোঁতে পাঁচ হাজাৰ টকা পালো।

তই তাৰ মানে তাৰ তলত চাকৰি কৰিলি! কিহৰ পাৰ্টনাৰশ্বিপ বিজিনেছ ? ডেৰ বছৰত পাঁচ হাজাৰ। মাহেকত কিমান ? দুশ পয়সত্তৰমান হ'ব। বেচ ভাল চাকৰি!

সেইটো মই বুজিছোঁ। বন্ধুত্বৰ খাতিৰতে সেইখিনি কৰিলো। আচলতে ধান্দাটো মোৰ চাকৰিটোত আছিল।

সেইটো কিয় নহ'ল ?

'জয়ন্তই কৰি দিব —সেই আশাত বহি থাকিলো। সি ক'লে— চাকৰি হ'বই। সি চব ঠিক কৰি দিব। মিনিষ্টাৰে তাৰ কথা নেপেলায়। শেষত এপয়ণ্টমেণ্টৰ সময়তে মিনিষ্টাৰৰ গাদী গ ল —ডাইৰেক্টৰে দহ হাজাৰকৈ খাই চাকৰিৰ লিষ্ট পূৰা কৰি দিলে।

তই কি কৰিলি ?

মই জয়ন্তক আগতেই কৈছিলো—ডাইৰেক্টৰক লগ ধৰিবলৈ। সি আকৌ অকল মন্ত্ৰীৰ লগতহে কথা পাতে। ডাইৰেক্টৰ কোন কূটা। গতিকে গ’ল মোৰ চাকৰি। আচলতে জয়ন্তই যেনে তেনে মোক সেইটো কাম কৰাই দিব লাগিছিল। তাৰ আশাতে মই ডেৰ বছৰ বহিলো।

জয়ন্তই তোক অন্তত তেনেকুৱা কৰিব নালাগিছিল। টকা পাঁচ হাজাৰৰ কাৰণে তই বিজিনেছৰ নামত গেবাৰি খাটিলি আৰু চাকৰিও নহ’ল।

এতিয়া বুজিছোঁ মই। কিন্তু কি কৰিম ক ?

তোৰ বুজাবোৰ বৰ লে’ট হয়। সেই কাৰণেইতো তোৰ যত চব পয়মাল। এতিয়া পিছে কি ভাবিছ ?

টাউনৰ নতুনকৈ সজোৱা পকা বজাৰখন যে তাতে কোঠালি এটা পাইছোঁ। কিহৰ দোকান খোলো ভাবিছোঁ। ঠিক কৰিব পৰা নাই।

টকা পাবি ?

সেইটোৰেইতো চিন্তা হৈছে। এতিয়া কোঠালিটো লবলৈকে বিছহাজাৰমান টকা জমা দিব লাগে। দহ হাজাৰৰ ল’ন এটাৰ কাৰণে এপ্লাই কৰিছোঁ। পাম চাগৈ। বাকী দহ হাজাৰৰ কাৰণে মাক ক’ব লাগিব। মাক ক’ব লাগিব মানে —মায়ে আৰু ক’ৰ পৰা দিব। —ইনডাইৰেক্ট লি বাবুক ক’ম আৰু।

বাবু তাৰ ভায়েক। ভায়েক যদিও সিহঁতৰ মাজত বয়সৰ পাৰ্থক্য সিমান নাই। বাবু ডেৰ বছৰৰ সৰু। পঢ়া শুনা একেলগেই কৰিছে দুয়োটাই। বাবুৱে ডিগ্ৰি পৰীক্ষা নিদিলে। বিজিনেছত লাগিল। এতিয়া সি এখন ইলেকট্ৰনিকছৰ দোকান দুখন টেক্সি আৰু এখন বাছৰ মালিক। ৰাজৰ মতে সি এতিযা অকল এটা বস্তুকেই চিনি পায় —টকা। খুব প্ৰয়োজন নহ’লে ৰাজ আৰু বাবুৰ মাজত কথা বতৰা নহয়েই।

ৰাজে এবাৰ ডিগ্ৰিৰ পৰীক্ষা দিছিল কিন্তু বেয়া হ’ল। বাবুৱে নিদিলেই। ৰাজ পঢ়া শুনাত বেয়া নাছিল কিন্তু ডিগ্ৰি পৰীক্ষাৰ আগতেই তাৰ গাত নাট্যচৰ্চাৰ ভূতটো লম্ভিছিল। সি তেতিয়াই এটা সিদ্ধান্ত লৈ বাপেকক কৈছিলগৈ দেউতা মই ডিগ্ৰি নলওঁ। মই কলিকাতালৈ যাওঁ —ফিল্ম এডিটিঙৰ ডিপ্লোমা লবলৈ। দেউতাক কোনোপধ্যে ৰাজী নহ’ল। ফিল্ম এডিটিঙৰ ডিপ্লোমাৰে কি হ’ব ? সি ডিগ্ৰি লব লাগিব। সি ক’লে তেতিযাহ’লে মিউজিক এৰেঞ্জাৰৰ কাম শিকিবলৈ যাওঁ। নাই— দেউতাকে মানি নলয়। ৰাজে এইবাৰ এখন মেটাডৰ লোৱাৰ কথা ক’লে। দেউতাক জাঙুৰ খাই উঠিল। পইচা ক’ত আছে ? মাটি বন্ধক দি ল’ন লবলৈ নাই। সেই চব নহ’ব। সি অন্য একো চিন্তা কৰিব নালাগে পঢ়া শুনা কৰি ভালদৰে ডিগ্ৰিৰ পৰীক্ষা দিয়ক। উপায় নাইকিয়া হোৱাত ৰাজে সেইবোৰ চিন্তা বাদ দিলে। তাৰ কিছুদিন পাছতে বাবুৱে এখন টেক্সি ললে—মাটি বন্ধক দি। বাপেকে তাক কিয় এনেকুৱা কৰিলে সি বুজি নাপালে। তাৰ কোনো কথাতে মান্তি নোহোৱাৰ বাপেকৰ জেদটোৰ কাৰণ কি বাৰু ? বাপেকৰ লগত তাৰ তৰ্ক বাঢ়ি গৈ থাকিল আৰু সি ঘৰখনৰ পৰা আঁতৰি গৈ থাকিল। নাটকৰ কামত সি ব্যস্ত হৈ পৰিল।

এইখিনি সময়তে তাৰ লগৰে বন্ধু এটাই তাৰ নিভাক নিজৰ কৰি লৈ গুচি গ'ল। সি মোৰ আগত বাহাদুৰি মাৰিয়েই থাকি গ ল যদিও সি যে অন্তৰত মোচোকা এটা খালে সেই বিষয়ে মই নিশ্চিত। নিভা! মনে মনে এনেই অলপ হাঁহি উঠি গ'ল। নিভাৰ কথা কৈ জোকাই জোকাযেই মই তাক তাইৰ ফালে টানি দিছিলো বুলি সি আগতে প্ৰায়েই কয়। দুয়োটা ওচৰ চাপিছিল। তাৰ পাছত নিভাই তাক এৰি দিলে। আৰু কি কৰিব ? সি কেতিয়াবা কিবা এটা কৰিব বুলি তাই বৈ থাকিবনে ?

'কি হ ল ? কি ভাবিছ ? বহুত দূৰ মনে মনে অহাৰ পাছত মই হঠাৎ তাক সুধিলো।

'হাঁ ? নাই —একো নাই ভবা। বহুত দূৰ চুপ চাপ আহি গ লো ন ? তই কি ভাবিছিলি ?

মই ? নিভাৰ কথা ভাবিছিলো।

ধুৰ চুপ। তোৰ বদমাছি নগ ল আৰু।

নিভাৰ ল ৰা ছোৱালী কিবা হ লনে ?

কিবা এটা হ ল। ল ৰা নে ছোৱালী পাহৰিলো।

এতিয়া নতুন কোনোবা ?

'বহুত আছে। কোনজনীক লওঁ ধৰিব পৰা নাই।

'হাঁ হা হা।

হাঁহিছা ? চাই থাকা। —ঠিক আছে। অ ইণ্টাৰেষ্টি কি জান ? সেইদিনাখন এটাই হাত চাই কি ক লে জান ? মোৰ লাইফত বোলে বুঢ়া বয়সলৈকে প্ৰেম আছে কিন্তু চব হেনো ওবান ছাইডে ড হ ব।

সেইটোৱেইতো কথা। তোৰ নহ ব মুঠৰ ওপৰত।

চাই থাক। অ হ —

কি হ ল ?

কাইলৈ কাম এটা আছে— পাহৰিছিলোৱেই। মাক ক টলৈ লৈ যাব লাগে। পেনছনৰ কাৰণে এখন ছাৰ্টিফিকেট উলিয়াব লাগে।

পেনছনৰ কামখিনি হৈছেগৈ নে ?

হ বগৈ আৰু। বহুত দৌৰাদৌৰি কৰিলো। সেইটো কাম হৈ গ লেই নিজৰ কামত লাগিম আৰু। নিজৰ উপাৰ্জ ন এটা নহ লে দুদিনমান পাছত যে মোৰ কি কণ্ডিছন হ'ব নহয় —চিন্তা কৰিবলৈকে ভয় লাগে। দেউতা ঢুকুৱা এবছৰ হৈ গ লেই বাবুৱে বিয়া পাতিব। আৰু আঠমাহ আছে। মই গ্ৰিন ছিগনেল দি দিছোঁ। বিয়া পাতিলে ভালেই হ'ব বুজিছ ? মাৰ অন্তত এটা লগ হ'ব। মা এৰেবাৰে অকলশৰীয়া হৈ গ লতো! কিন্তু তাৰ মাজতে মই কিবা এটা কৰিব লাগিব। দেউতা ঢুকুৱাৰ পাছত সি মোক একেবাৰেই পাত্তা নিদিয়া হৈছে। বিয়াৰ পাছত যে কি হ'ব। বাবুটো যে কি হৈ গ'ল নহয় ? এতিয়া সি নিজকে একমাত্ৰ উপাৰ্জনকাৰী বুলি ধৰি লৈ তাৰ খুচিমতে যি ইচ্ছা তাকে কৰিছে। কোনো কথাতে কাৰো লগত একো ডিছকাছ নকৰে। মই উপযাচি কিবা এটা ক লেও গ্ৰাহ্যই নকৰে। মাৰ কথাও নুশুনে। তাৰ কাৰণে মই বহুত

ছেকৰিফাইছ কৰিলো জান ? সেইটো কথা সি এতিয়াও বুজি নাপায়। সেইকাৰণে দু খ লাগে । মোৰ কাৰণে অকণো চিন্তা নকৰে । ইচ্ছা কৰিলে সিতো মোক তাৰ টেক্সি এখনকে দিব পাৰে বা তাৰ দোকানতে বহিবলৈ ক ব পাৰে। মাটিখিনিও সি তেতিয়াৰে পৰা এৰি দিয়া নাইতো! সেইখিনি বন্ধক দিয়েই সি এটাৰ পাছত এটাকৈ ল'ন লৈ আছে। এতিয়া মই কি কৰিম ক ?

তই দোকান এখন পাইছ যেতিয়া যেনে তেনে তাৰে ব্যৱস্থা কৰ । তাতে ভালদৰে লাগি যা ।

'আৰে—ক লোতো ভাই। কোঠালিটো লবলৈ বিছ হাজাৰ টকা উলিয়ালোৱেই যেনিবা —তাৰ পাছত ? দোকান কিহেৰে দিম ? বাবুক মই টকা খুজিব নোৱাৰোঁ। আৰু খুজিলেও যে সি দিব তাত মোৰ সন্দেহ আছে। আৰু কোঠালিটো হ ল ওপৰ মহলাত। কিমান চলিব ? কোন যাব ?

তলুতনো তেতিয়াহ লে নললি কেলেই ?

তলত ? এখনত এক্সট্ৰা ত্ৰিছ হাজাৰ পৰে।

মানে ?

'মানে ইঞ্জিনিয়াৰক ত্ৰিছ হাজাৰ দিযা —তেতিয়া পাবা । আৰে বাবা সি ইঞ্জিনিয়াৰটো লাল হৈ গ ল এই মাৰ্কেটখনতে । মাৰ্কেটৰ ইটা ছিমেণ্ট লোহাৰে ডাইৰেক্ট তাৰ নিজৰ ঘৰ এটা উঠিল। তাৰ বাহিৰে কমচে কম পাঁচ লাখ টকা কে ছ কামানি কৰিলে। কুত্তা চব চালা। ছে° ' ছিগাৰেট এটা লাগিছিল অ । পামনে এতিয়া ? কেইটা বাজিল ?

বাজে াতে বৰ বেছি বজা নাই —ছয় পোন্ধৰ। পিছে দোকান পোহাৰ ছয় বজাৰ লগে লগে বন্ধই হয আজিকালি। ছিগাৰেট পাম। ঘূৰি যাওঁ ব ল।

'অঁ। বহুত দূৰ আহিলো।

লগে লগে আমি এবাউট টাৰ্ন কৰি অহা বাটেৰে পুনৰ খোজ দিলো । মুখৰ চাদাখিনি উলিয়াই পেলাই সি পেকেটৰ পৰা আকৌ চাদা উলিয়াই ললে।

চাঞ্চ লব নজনাৰ কাৰণেই এই অৱস্থাত পৰিলো বুজিছ । আমাৰ নিচিনা কেইটামানে এই কেইবছৰত কিমান পইচা কৰিলে দেখা নাই ?

তই অন্তত কিবা এটা চাঞ্চ লব পাৰিব লাগিছিল। ওপৰ মহলৰ লগত তোৰ চিনাজনাও আছিল—

এটা কথা দোস্ত —মোৰ লগৰ কেইটামানে ক্ষমতা পাই গ ল সেই কাৰণেই সিহঁতক মই খোচামতি কৰিব নোৱাৰোঁ। সিহঁতে নিজে মোৰ কণ্ডিছনটো দেখিছে —সিহঁতে নিজেই মোৰ কাৰণে কিবা এটা কৰি দিব লাগিছিল । মই সিহঁতক তাৰ কাৰণে তেল মাৰিব নোৱাৰোঁ।

সেই কাৰণেইতো তোৰ একো নহ ল। কোনে উপযাচি তোৰ কাৰণে কিবা এটা কৰি দিব ? চবেই চবৰ ওপৰত চাঞ্চ লোৱাত থাকে। কিয় —তইতো জয়ন্তৰ নামত মৰিব পাৰ! সি তোৰ চাঞ্চ ললেনে নাই—বন্ধুত্বৰ নামত ?

নোৱাৰিলো দোস্ত। মোক চবেই মিলি খাই পেলালে। মোৰ কান্ধত বন্দুক থৈ চবেই নিজৰ নিজৰ চিকাৰ কৰি ললে। জীৱন ভূঞাই যিখন নাটকেৰে য তে ত তে পুৰস্কাৰ পাই নাম কৰিলে সেইখন নাটকৰ বেছি ভাগ দৃশ্য মোৰ ক্ৰিয়েশ্যন বুলি তই জাননে নে নাজান ? নামটোৰ বাহিৰে তাৰ নিজৰতো একো নাছিলেই। আৰু সেইখনে যেতিয়া অল ইণ্ডিয়া লেভেলত ফাষ্ট প্ৰাইজ পালে তেতিয়া তাৰ চাৰিওফালে কি জযজয়কাৰ। কিমান সম্বৰ্ধনা কিমান ফুলৰ মালা। কিন্তু সি এবাৰো ক তো মোৰ নামটো উল্লেখ নকৰিলে। পাছত বজাৰত তাক এদিন পাই গ লো। কি ক'লে জান ? ৰাজ মোৰ ড্ৰামাই ইমান নাম কৰিলে তুমিতো অন্তত মোক ক গ্ৰেচুলেশ্যান জনাবলৈ এবাৰ যাব পাৰা। চৌৰৰ বাচ্ছা। আৰু জযন্ত! সি বোলে মোৰ কেছেট এটা বনাব। সেইটো বহুত দিনৰে কথা। সি কিবা এটা কনট্ৰেক্ট কৰিছে লাভ বহুত হ ব। গতিকে সি মোৰ কেছেট এটা বনাব। লগতে বম্বেৰ অসমীয়া গায়িকাজনী যে—কণুমী শৰ্মা —তাইৰ গানো থাকিব। ৰেকৰ্ডিং বম্বেত হ ব। লোভনীয় প্ৰস্তাৱ। গতিকে মই তাৰ কামত দৌৰাদৌৰি কৰিলো। মই ফ্ৰি মানুহ তো। সেইকাৰণে সি মোক অলপ সহায় কৰি দিবলৈ ক লে। তাৰ পাছত সি বিল ড্ৰ কৰিলে অন্য কনট্ৰেক্টত ইনভেষ্ট কৰিলে। মোৰ কেছেটটো থাকি গ ল। মই এনেযেই বন্ধুত্বৰ খাতিৰত মোৰ ফ্ৰি সময়খিনিত তাৰ হৈ খাটি দিলো আৰু। তেতিয়াও শিক্ষা নহ ল। চাকৰিৰ আশাত আকৌ খাটি দিলো। এটা শব্দত ক বলৈ গ লে সি মোক ঠগিলে। মাথাটো একদম—

ছিগাৰেট খাবি নহয ? সৌখন গুমটি খোলা আছে। আহ।

দুযো একোটাকৈ ছিগাৰেট জ্বলালো। বেচ ঠাণ্ডা পৰিছে। ঘৰলৈ এতিয়াও কিছু দূৰ আছে। ৰাজে ছিগাৰেটত ঘন ঘনকৈ হোঁপা মাৰিছে।

'টিভিত কিবা নতুন অভিজ্ঞতা হ ল নেকি ? মই সুধিলো।

একে। ৰেডিঅ ৰ নিচিনাই। ষ্টেণ্ডাৰ্ডৰ কথা চিন্তা নকৰে —সেইটো সিহঁতৰ প্ৰেছটিজ ইছু নহয। ছিম্পলি ডিউটি কৰিছে চাকৰি কৰিছে। সেইটোবেই অন্তত মোৰ ধাৰণা হ ল।

তহঁতৰ নাটকখন কেনেকুৱা হ ল ?

ফ্লপ। নিৰ্ঘাত ফ্লপ হ'ব সেইখন। ৰেডিঅ ৰ স্ক্ৰিপ্টেৰে টিভিৰ নাটক হয় নেকি ? ভৰ্তি ডায়েলগ। মই কৈছিলো অজিতক —ডায়েলগবোৰ কাট কেমেৰাৰে দেখুৱা। দেখুৱাই ফিলি ছটো ক্ৰিয়েট কৰ তেতিয়া মজা লাগিব। সি ক লে বাদ দে বাদ দে কোনো ৰকমে শেষ কৰোঁ। তেনেকৈয়েই কৰি দিলে। গল্পটো তইতো পঢ়িছ। দেখুৱাওঁ বুলিলে কিমান ধুনীয়াকৈ দেখুৱাব পাৰি। আইডিয়া বোলা বস্তুটোৱেই নাই। মই যাব লাগিছিল এইটো লাইনত। এসময়ত ভাবিছিলো। তেতিয়া আকৌ ঘৰে ডিগ্ৰি লোৱাই অফিছাৰ বনাবলৈ বিচাৰিলে। এতিযা এইটো ৰাজ কুমাৰ বৰা—দেখিছা নে নাই ? ৰেষ্টেড টেলেণ্ট।

সি শব্দ কৰি হাঁহি দিলে। মই একো নামাতিলো। সি আকৌ ক লে মোক এতিয়া আৰু বেছি একো নালাগে বুজিছ ? মোৰ লিমিটটো মই বুজি গ'লো। ছিম্পল লাইফষ্টাইল এটা লাগে। তাৰ মাজতে সুখী হৈ জীয়াই থাকিব পাৰিম। কিন্তু এতিয়া

মোৰ সেইটোও হোৱাগে নাই। কেতিয়া হ'ব? নহ'বই নেকি? এনেকৈতো মই পগলা হৈ যাম ভাই। কি কৰোঁ মই ক'চান।

মই একো উত্তৰ নিদিলো। উত্তৰ দিবলৈ মোৰ একো নাছিল। তাৰ টেলেণ্ট আছিল কিন্তু আজিৰ দিনত প্ৰয়োজনীয় বহুত কিবাকিবি তাৰ নাছিল। গতিকে সি হাৰি গ'ল। সকলোৱে তাক আশা দি ব্যৱহাৰ কৰি ল'লে। তাৰ আশা আশা হৈয়েই থাকি গ'ল।

ঘৰ পাবলৈ আৰু বেছি দূৰ নাই। দুয়োটা নিৰৱে আহি আছোঁ। আমাৰ জোতাৰ শব্দৰ বাহিৰে অন্য কোনো শব্দ কাণত পৰা নাই।

ৰাজটো বাৰু সঁচাকৈয়েই পগলা হৈ যাব পাৰে নেকি? চাৰিআলিত বৈ সিও চবকে গালি পাৰি থাকিব নেকি— ধ ই ত! ধ ই ত! —বুলি?

১।৪।৯১

এজন দুখী মানুহৰ আত্মকথা

অভিজিত শৰ্মাবৰুৱা

মই এটা অফিছৰ নিম্ন বৰ্গৰ সহায়ক —অৰ্থাৎ কেৰাণী।

বৰ্তমান এইটোবেই মোৰ একমাত্ৰ পৰিচয়। অফিছত ঘৰত মোৰ সম্পৰ্কীয় মানুহবোৰৰ আগত ৰাখাল বাবুৰ দোকানত —চবতে।

অবশ্যে এসময়ত মোৰ আন বেলেগ ধৰণৰ চিনাকিহে আছিল। তেতিয়া । যাওক বাৰু সেইবোৰ পাছত।

আজিকালি অনবৰতে কিবা এটা অদ্ভুত ধৰণৰ স কোচ ভাবে মোক আচ্ছন্ন কৰি ৰাখে। আৰু সকলো সময়তে মোৰ এটা ভয় লাগি থাকে। প্ৰাইমেৰি স্কুলত থাকোঁতে অংক নোবাৰিলে ছাৰে চকু পকাই বেতডাল জোকাৰি ওচৰলৈ মাতিলে যেনেকুৱা ভয় লাগিছিল ঠিক তেনে ধৰণৰ। চাহাবে কমলৈ মতাই নিলেতো মোৰ অণ্ঠ কণ্ঠ শুকাযেই যায। ভালকৈ কিবা এষাৰ ক লে আৰু বেছি অস্বস্তি অনুভব কৰোঁ। আনহাতে কোনোবাই যদি মোক তুচ্ছ তাচ্ছিল্য কৰে তেতিয়া কিছু আশ্বস্ত হওঁ। আনকি বজাৰৰ মাছ বেপাৰীটোবেও যেতিয়া মোৰ দৰ দামত অতিষ্ঠ হৈ হাতৰ পৰা মাছকেইটা কাঢ়ি লয় তেতিয়াও মই অলপো বেযা নাপাওঁ। মোৰ এনে লাগে—সেযা যেন মোৰ প্ৰাপ্য ব'বহাৰহে।

কাৰোবাৰ আগত মূৰ তুলি কথা কোবাৰ ক্ষমতাও মোৰ লাহে লাহে নাইকিয়া হৈ আহিছে। সেইদিনা কেইবাজনো বাহিৰা মানুহৰ আগতে বৰবাবুৱে মোক বেযাকৈ ক লে —কিবা এটা ফাইল পুট আপ নকৰা বাবে। মই এইটো কথাও ক ব নোৱাৰিলো যে সেইটো মই দুদিনৰ আগতেই পুট আপ কৰিলো আৰু তেওঁৰ ফাইলৰ জাপৰ মাজতে সেইটো সোমাই আছে। গালিখিনি নিৰৱে হজম কৰি মই ফাইলটো বিচাৰি উলিয়াইহে দিলো। অৱশ্যে বৰবাবুৱেও গালি পাৰিব পৰা কেৰাণী অকল মইহে। বাকীকেইটাক এষাৰ ক লে সিহঁতে ওলোটাই দহষাৰ ক ব। মই একো নোকোবাৰ বাবেই অফিছৰ বাকীবিলাকেও ঠাট্টা ইতিকি কৰি থাকে। মোৰ খ নুঠে। কাৰণ মই এতিয়া এইবোৰৰ লগত অভ্যস্ত।

আন কিছুমান কথাত কিন্তু মই একেবাৰে অনভ্যস্ত হৈ পৰিছোঁ। কিছু দিনৰ আগতে বন্ধু বাৰ এটাত নতুনকৈ বিয়া হোৱা খুলশালী ছোৱালীজনী গিৰিয়েকৰ লগত দিনটিযাকৈ আহিল। ভিনিহিযেক বুলি দুয়োটাই মোক চুৰিযা এখনেৰে মান ধৰি সেৱা এটা জনাব খুজিলে। মই একেবাৰে অপ্ৰস্তুত হৈ গ লো। নাই নাই কি কৰা বুলি একপ্ৰকাৰ জ পিয়ায়েই উঠিলো। সিহঁত দুয়োটা বাৰুকৈয়ে আচৰিত হ ল। শ্ৰীমতীৰ হস্তক্ষেপত সেৱাটো ললো যদিও বৰ দিকদাৰি পালো। আচলতে কোনোবাই মোক

সম্মান জনালে ভালদৰে দুই এষাৰ কথা পাতিলে মই বৰ অস্বস্তি অনুভৱ কৰোঁ। তেনে ব্যৱহাৰ পাওঁ বুলিয়েই মই সম্পৰ্কীয় মানুহবোৰৰ ঘৰলৈ যাবলৈও অসুবিধা পাওঁ। তাতোকৈ দেখোন অফিছতে আৰু তাৰ কথা শুনি ভাল লাগে।

এই নগৰখনত মোৰ নিজা ঘৰ এটা আছে। ডাঙৰ ঘৰ —ককাদেউতাই সজাই থৈ যোৱা। মেৰামতিৰ অভাৱত ঘৰটোৰ অবস্থা ক্ৰমাৎ শোচনীয় হৈ আহিছে। কেইটামান কোঠাত বৰষুণ দিলে ভিতৰে বাহিৰে সমানে পানী পৰে। দুটা ৰুমত চাল নাই বুলিলেও হয়। সেইকেইটা ৰুমত আমি আজিকালি নাথাকোঁ। ভিতৰত কমকৈ বৰষুণ পৰা দুটা কোঠা আছে —তাতে থাকোঁ। অৱশ্যে মানুহো বেছি নাই। মই শ্ৰীমতী আৰু আমাৰ ল ৰা ছোৱালী দুটা। মা দেউতা নাই। ঢুকাল। ভনীজনীক দেউতা জীযাই থাকোঁতেই ধনী ইঞ্জিনিয়াৰ এটালৈ বিয়া দিলে। সিহঁতৰ লগত এতিয়া আমাৰ সম্বন্ধ প্ৰায় নায়েই। কোনোবা মৰিলে চাগৈ খবৰ লব। ভাইটোৱে কলেজত পঢ়ি আছিল। এদিন হঠাতে সি নোহোবা হ ল। মৰিল নে হজিলেই নে উগ্ৰপন্থীয়েই হ লগৈ ক ব নোৱাৰোঁ। মযো খবৰ লোৱা নাই। মোৰ মাহেকীযা আজ নটোৱে আমাৰ সৰু পৰিয়ালটোৰ কোনোমতে চলি যায। চলি যায মানে—তেওঁহে চলায —মই মাত্ৰ টকাখিনি আনি তেওঁক দি দিওঁ। ক ত কি খৰচ হ ল—জনাৰ প্ৰযোজন বোধ নকৰোঁ।

মোৰ লগত কাম কৰা বাকীবোৰ কেৰাণীৰ কিন্তু মোৰ দৰে অৱস্থা নহয়। আমাৰ অফিছটো ভাল। ইযাত বাহিৰা পইচাৰ উজান উঠে। মইহে লব নোবাৰোঁ। নৈতিকতা চৈতিকতা বুলি কোনো কথা নাই। আচলতে মোৰ সাহস নাই। সাহস নাই বুলি কোবাৰ কাৰণ হ ল —দুদিনমানৰ আগতে মোৰ একে লগৰ কেৰাণী যোগেনে বোধকৰোঁ মোকে শুনাই কৈ আছিল পইচা খাবলৈও সাহস লাগে বুজিছ। যাৰ সাহস নাই তাৰ একো নাই। আনৰ কথা ক ব নোবাৰোঁ মোৰ কিন্তু সঁচাকৈ সাহস নাই। এদিন এজনে মোৰ পকেটত বিছটকীযা নোট এখন চাহ খাব লওক বুলি গুজি দিলে। মই ভীষণ ভয খালো। মোৰ এনে লাগিছিল যেন সেই মুহূৰ্ততে মোক চাহাবে মতাই নিব আৰু পকেটত বিছটকীযা নোটখন পাই মোৰ জীয়াই থকাৰ একমাত্ৰ অবলম্বন এই চাকৰিটোৰ পৰা খেদি দিব।

ল ৰা ছোবালী দুটাক লৈ মোৰ কোনো আশা বা কল্পনা নাই। আমাৰ টাউনৰ ষ্টেণ্ডাৰ্ড ল বুলি জনাজাত দুখন স্কুলত সিহঁতে পঢ়ে। ডাঙৰটো ক্লাছ ছেভেনত। যোবা বছৰো সি ক্লাছ ছেভেনতে আছিল। সেইখন স্কুলৰ বছৰেকীয়া পৰীক্ষাটোকে সি পাছ কৰিব নোবাৰিলে যেতিয়া তাৰ কি গতি হ ব মই ধৰিব পাৰিছোঁ। ছোবালীজনী প্ৰাইমেৰি স্কুলত —ফে ল কৰাৰ বয়স তাইৰ হোৱা নাই। ওপৰ ক্লাছত তাযো ফে ল মাৰিব বুলি মই ধৰি থৈছোঁ। শ্ৰীমতীয়ে কেতিয়াবা খং উঠি মোকে বকে কিবা এটা কৰিবলৈ কয। তেওঁৰ কথা মই ইকাণেদি শুনি সিকাণেদি উলিয়াই দিওঁ। উপায নাপাই তেওঁ নিজে ঘূৰি পকি ডাঙৰ ল ৰাটোৰ বাবে শিক্ষক এজন বন্দবস্ত কৰি দিছে। যি কৰে কৰক। পইচা তেওঁহে দিব। কেনেকৈ বচাব কেনেকৈ দিব সেইটো তেওঁৰ চিন্তা।

দুখ আনন্দ মৰম ঘৃণা এইবোৰ অনুভূতিয়েও আজিকালি মোৰ হৃদয়ত একো দোলা নিদিযে। অলপ দিনৰ আগতে মোৰ বাঁওফালৰ টেবুলখনতে বহা বিপিন হঠাতে

এটা এক্সিডেন্টত মৰি থাকিল। থেতেলা খাই কিম্ভুত কিমাকাৰ হৈ যোৱা মৰাশটো দেখি আমাৰ লগৰ সকলোৰে চকুত পানী ওলাল —মোৰহে নোলাল। তাৰ পাছত তাৰশো শটো ময়ো কান্ধত ললো। শ্মশানত শটো থোৱাৰ পাছত মোৰ মনত পৰিল — ঘৰলৈ যাবলৈ দেৰিযেই হ ল। কাকো একো নোকোৱাকৈ মই ঘৰলৈ গুচি আহিলো। ভৰি হাত ধুই একেবাৰে ভাতৰ পাতত বহিলো। সেইদিনা আকৌ মাহৰ প্ৰথম সপ্তাহ বুলিয়েই বোধকৰোঁ শ্ৰীমতীয়ে মাংসও ৰান্ধিছিল। মা স ভাত খাই থাকোঁতেই মোৰ বিপিনৰ কথা মনত পৰিল। তেওঁক ক লো—চিতাৰ জ ুই চাগৈ জ্বলিছেহে। তেওঁ কান্দি পেলালে। ভাত খাব নোবাৰি উঠি গ ল। —মই হেনো কাঠচিতীয়া নিষ্ঠুৰ! আৰে! সি মৰিল কি হ ল? সেই বুলিযেই মই মা সৰে সৈতে বঢ়া ভাত নাখাম নেকি?

ডেকা কালৰ কথা অলপ নক লে মোৰ আত্মকথাখিনি আধৰুৱা হৈ ৰ ব। এতিযাৰ পৰা অন্তত কুৰি বছৰৰ আগৰ বাতৰি কাকত আলোচনীবোৰ খুচৰিলে আপুনি মোৰ নাম ফটো পৰিচয পাই যাব পাৰে। দুবাৰ মই সদৌ অসম ভিত্তিত হোৱা নাট প্ৰতিযোগিতাত শ্ৰেষ্ঠ নাট্যকাৰ পৰিচালক আৰু অভিনেতাৰ সন্মান পাইছিলো। এবাৰ মই সদৌ অসম ভিত্তিত হোৱা উপন্যাস প্ৰতিযোগিতাতো প্ৰথম হৈছিলো। তেতিযা কবিতাও লিখিছিলো। এতিযা হযতো বহুতে বিশ্বাস নকৰিব মোৰ দুখন কবিতা স কলন এটা নামী প্ৰকাশকগোষ্ঠীয়ে প্ৰকাশ কৰি উলিয়াইছিল। আৰু তেতিযা মই এজনী ছোৱালীৰো বহুত ওচৰ চাপি গৈছিলো। ভাবিছিলো ।

আৰু তেনে সমযতে দেউতাৰ আকস্মিক মৃত্যুত মই হতভম্ব হৈ গৈছিলো। এটা অন্ধকাৰ ভবিষ্যতৰ বাহিৰে দেউতাই আমালৈ একো এৰি যাব নোৱাৰিলে। ভাগ্যে ভণ্টিক দেউতাই কলেজ পাওঁতেই বিয়া দি দিলে। নহ লে তাইৰো বা কি হ লহেঁতেন। জীবিকাৰ এটা উপায বিচাৰি মই দুবছৰ পগলাৰ নিচিনাকৈ ঘূৰি ফুৰিছিলো। ক তো একো সুবিধা নাপালো। শেষৰ দুমাহমান ঠোঙাকে বেচিলো। আন একো উপায নাপাই ৰিক্সা চলোবাৰ কথাও ভাবিছিলো। মা আৰু স্কুলত পঢ়ি থকা ভাইটিৰ দুৰবস্থা মই সহ্য কৰিব পৰা নাছিলো। কিন্তু ভাৰালৈ ৰিক্সা এখন নাপালো। দুজন মানে মই পগলা হলো বুলি ভাবিলে আন কেইজনমানে বোধকৰোঁ মোৰ বি এ ডিগ্ৰিটোৰ বাবে দিবলৈ অসুবিধা পালে। নাই বুলি ক লে। ঠিক তেতিযাই মোৰ প্ৰথম অসুখটো আৰম্ভ হ ল। অৰ্থাৎ সাহস বোলা বস্তুটো মোৰ নাইকিযা হৈ গ ল। সেইটো সময়তে শান্তাই বহু চেষ্টাৰ মূৰত মোক লগ ধৰি এটা গুৰুত্বপূৰ্ণ কথা সুধিছিল। মই একো ক ব নোৱাৰিলো। মাথোঁ ভেবাৰ দৰে চাই থাকিলো।

তাৰ এমাহমান পাছতে শান্তাৰ বিযা হৈ গ ল ঘৰৰ পৰা ঠিক কৰা দৰাৰ লগত। মই অলপো দুখ নাপালো। কাৰণ ইতিমধ্যেই মোৰ দ্বিতীয় অসুখটো আৰম্ভ হৈ গৈছিল। মানে আবেগ অনুভূতি চব মোৰ মাজৰ পৰা হেৰাই গৈছিল। শান্তাৰ বিয়ালৈ যাবলৈও মোৰ দ্বিধা নহ ল। শান্তাৰ বিয়াৰ ভোজৰ মাছ মাংস মই টকালি পাৰি খালো। (কিমান দিন যে মা স খাই পোৱা নাছিলো!)

শেষত মোৰ সম্বন্ধীয়া মামা এজনে মোক এই সুবিধাটো দিলে। অৰ্থাৎ বিছ হাজাৰ টকা কাৰোবাক দি মোক এই চাকৰিটোত সুমুৱাই দিলে। ঘৰটোৰ মাটি ভেটিখিনি ৰাখি

বাকীখিনি খুবচান্দক বাইছ হাজাৰত বেচি দিলোঁ। পানীৰ দামেই বুলিব পাৰি। কিন্তু তালৈ চাবলৈ আমাৰ সময় নাছিল। কাৰণ মাটিখিনিতকৈ মোৰ চাকৰিটো আমাৰ বাবে বেছি দৰকাৰী আছিল।

তাৰ পাছত আৰু বিশেষ একো নাই। মাৰ খেচখেচনিত পৰি বিয়া পাতিলো। আমাৰ মামাইঁতৰ গাঁৱৰে ছোৱালী। ল ৰা ছোৱালী হ ল। তাৰ পাছত ভাইটিটো ঘপহকৈ নাইকিয়া হৈ গ ল। কিছুদিন পাছতে মাও হঠাতে ঢুকাই থাকিল। তিনিটা পুহকৰ লাগিল।

মোৰ ব ধু বান্ধৱ? বৰ্তমান মোৰ কোনো বন্ধু নাই স নাই। নাই মানে মই নিজেই মোৰ আগৰ বন্ধুবোৰৰ লগত স শ্ৰৱ ৰাখিব নোখোজোঁ। যিবোৰ আঁতৰি গ লতো গ লেই যিকেইটা মোৰ প্ৰতি সহানুভূতিশীল আছিল যিকেইটাই মোৰ লগত সম্পৰ্ক ৰাখিব খুজিছিল সিহঁতকো মই দেখদেখকৈ আওকাণ কৰিবলৈ ললো। প্ৰথম কথা — কোনোবাই মোক পুতৌ কৰা যেন পালে মই দিকদাৰি পাওঁ দ্বিতীয় কথা — কোনোবাই মোক ভালকৈ মাতিলে মোৰ মনৰ কথা জানিব খুজিলে মই অস্বস্তি অনুভব কৰোঁ আৰু তৃতীয কথা —মই অতীতক পাহৰি থাকিব খোজোঁ। অতীত এতিয়া মোৰ বাবে শূন্য বৰ্তমানো শূন্য আৰু ভবিষ্যত? আন এটা ডাঙৰ শূন্য।

প্ৰায়ে মোৰ ভাব হয় —এইটো আৰু জীবন হ ল নেকি? কেৱল খাই আৰু উশাহ লৈ জীয়াই থাকিনো কি হ ব? কিন্তু মৰিবও নোৱাৰোঁ। নহয় নহয ল ৰা তিৰোতাৰ চিন্তা মোৰ নাই। সিহঁতৰ বাবে মই ইম্পৰটেণ্ট নহওঁ। আৰু মই মৰিলেও মোৰ বিধবা পত্নীয়ে আমাৰ অফিছতে সৰু চাকৰি এটা পাব (যেনেকৈ বিপিন মৰাৰ পাছত তাৰ ঘৈণীয়েকে পাইছিল।) গতিকে পৰিয়ালটো চলি যাব পাৰিব।

সমস্যাটো সেইটো নহয। আচলতে মৰিবলৈ আত্মহত্যা কৰিবলৈও মোৰ সাহস নাই। ৰেলৰ আগত পৰা নদীত জাঁপ মৰা নাইবা ডিঙিত চিপজৰী বান্ধিবলৈ যিকণ সাহস লাগে সেইকণো এতিযা মোৰ নাই। মোক এটা বেলেগ উপায় লাগে।

মই এটা চিন্তা কৰিলো। মোৰ কেনছাৰ কিয় নহয়? বিড়ি ছিগাৰেট খালে হেনো কেনছাৰ হোৱাৰ চান্স বাঢ়ি যায়। সেইবাবে মই মাজে মাজে সস্তীয়া বিড়ি ছিগাৰেট হুপিবলৈ ললো। এবাৰ কেনছাৰ হৈ গ লে আৰু কোনে পায়! চিকিৎসা কৰাবলৈতো সাঁচতীয়া পইচা নায়েই। গতিকে একেবাৰে নিৰ্ঘাত মৃত্যু! কিন্তু নাই কেনছাৰ নহয়হে নহয়।

এইডছন কথা ওলাওঁতে মই খুব ভাল পাইছিলো। মোৰ হ লেতো খুবেই মজা! কিন্তু গম পালো —ডাইৰেক্ট এইডছ হ বলৈ বেচ কিছু অপকৰ্ম কৰিব লাগে —যিবোৰ কৰিবলৈ মোৰ সাহসেই নাই।

সেইদিনা অফিছতে কেইজনমানে কথা পাতি আছিল —বেছিকৈ চিন্তা কৰিলে প্ৰেছাৰ বাঢ়ে ষ্ট্ৰ কো হ'ব পাৰে। তেতিয়াৰ পৰা মই একেটা কথাকে চিন্তা কৰি প্ৰেছাৰ বঢ়াবলৈ যত্ন কৰি থাকোঁ —ষ্ট্ৰ'ক হ লেও হওক। ৰাস্তাত আওকণীয়া হৈ খোজ কাঢ়িবলৈ যত্ন কৰোঁ এক্সিডেণ্ট হ'লেও হওক। নাই। একোতে একো নহয়।

মানুহে একো উপায় নাপালে হেনো ঈশ্বৰৰ আশ্ৰয় লয। শেষত মই বৰনাম ঘৰলৈকে গৈ প্ৰাৰ্থনা জনালো — প্ৰভু তোমাৰ হাতত অজস্ৰ উপায় আছে। তাৰে কিবা এটাৰ সহায়ত মোক মোৰ বাঞ্ছিত মৃত্যু দিয়া প্ৰভু।

আৰু—আচৰিত কথা তাৰ কেইদিনমান পাছতে মই সুফল পালো। গাটো অলপ বেযা লাগি আছিলেই। তাৰ পাছত এদিন হঠাতে মোৰ পেচাব বন্ধ হৈ গ ল। মামাইঁতে আহি মোক বৰবাৰীলৈ লৈ গ ল। মোৰ হেনো দুয়োটা কিডনি অকামিলা হৈ গৈছে। বচাৰ আশা ক্ষীণ। অতি সোনকালে কিডনি এটা যোগাৰ কৰিব লাগিব। সেইটো কাম আমাৰ বাবে কোনোপধ্যে সম্ভৱ নহয়।

আৰু এতিয়া মই ঘৰৰে বিছনাত পৰি আছোঁ। মোক তাতে ৰাখি থব খুজিছিল মইহে জোৰ কৰি গুচি আহিলো। যি হয় ঘৰতে হওক। যথেষ্ট কষ্টও পাইছোঁ। সিটো কোঠাত ডাক্তৰে মামাক কোৱাও শুনা পালো —বৰ বেছি দুদিন।

ভনীজনীও আহি পালেহি। সিহঁত মই মৰাৰ পাছত আহিব বুলি ভাবিছিলো কিন্তু আগতেই আহিল।

কাকো মই মোৰ কোঠালৈ আহিবলৈ দিয়া নাই। কেৱল মোৰ ডাঙৰ ল'ৰাটোৰে মোক আওজাই বহুৱাই দি ধৰি আছে আৰু মই মোৰ বাবে এইসময়ত আটাইতকৈ দৰকাৰী কামটো কৰি আছোঁ —মোৰ আধালিখা আত্মকথাখনৰ শেষৰ কণ লিখি আছোঁ। এইখন শেষ কৰি মই মৰাৰ আগতেই কোনোবা কাকতলৈ পঠিয়াব লাগিব। নহ লে মানুহে গমেই নাপাব যে মই কি সুন্দৰ সুখ পাবলৈ আগবাঢ়ি গৈছোঁ। মোৰ মৃত্যু মোৰ বাবে যে পৰাজয নহয বৰ এক সা ঘাতিক বিজয়হে সেয়াওতো কাৰোবাক জনাব লাগিব।

গান্ধীজীয়ে তেওঁৰ আত্মকথাৰ নাম দিছিল— মোৰ সত্য অন্বেষণৰ কাহিনী'— কিযনো তেওঁ সত্যৰ সন্ধানত আছিল। যিহেতু মই মোৰ মৃত্যু অন্বেষণৰ কামত ব্ৰতী আছিলো সেযে মই মোৰ আত্মকথাখনৰ নাম দিছোঁ মোৰ মৃত্যু অন্বেষণৰ কাহিনী।

উ ৰক্ষা। কোনোমতে এইকণ শেষ হ ল।

এতিয়া আৰু মোৰ এটা কামেই বাকী আছে। মোৰ আত্মকথা খন খামত ভৰাই ল'ৰাটোক প ষ্ট কৰিবলৈ দিয়া।

তাৰ পাছত মৃত্যু মুক্তি চিৰশান্তি। আ ! কি সুখ।

১।৬।৯১

অপহৰণ

আৰতি দাস

মেমচাহাব সোনকালে দুৱাৰ খোলক। ছাৰক কোনোবাই লৈ গৈছে।

কৃষ্ণা শাস্ত্রীয়ে বাথৰুমত সোমাই বস্ত্রহীন শৰীৰেৰে শ্বাৱাৰৰ তলত থিয় দি টেপটো ঘূৰাইছিল মাত্র হঠাতে বাহিৰত ৰমেশ বোলা বন কৰা ল'ৰাটোৱে চিঞৰি কোৱা কথাষাৰ শুনি তেওঁ থমক খাই ৰ'ল।

কি ? প্রথমতে নিজকে প্রশ্নটো সুধি কৃষ্ণা শাস্ত্রীয়ে টেপটো বন্ধ কৰিলে আৰু লগে লগে চিঞৰি সুধিলে কি ?

ছাৰক কোনোবাই লৈ গৈছে। —ৰমেশে আকৌ উত্তেজিত মাতেৰে কথাষাৰৰ পুনৰাবৃত্তি কৰিলে।

মুহূর্তৰ ভিতৰতে যেন কিছুদিনৰ আগতে শুনা কিছুমান ঘটনাৰ কাহিনী কৃষ্ণা শাস্ত্রীৰ মনৰ ওপৰেদি বিজুলী বেগেৰে পাৰ হৈ গ'ল। তেওঁৰ গোটেই গাটোত এটা কঁপনি উঠিল। বাহিৰৰ মাতটো পুৰুষৰ মাত নোহোৱা হ'লে তেওঁ হয়তো যেনে আছে তেনেই ওলাই আহিলহেঁতেন। লৰালৰিকৈ যেনে তেনে শাৰীখন গাত মেৰিয়াই লৈ তেওঁ বাথৰুমৰ পৰা ওলাই আহিল। ইয়াৰ আগতে একোৱেই যেন শুনা নাছিল তেনেকুৱা সুৰেৰে তেওঁ ৰমেশক সুধিলে কি হৈছে ?

চাৰক কোনোবাই লৈ গ'ল বন্দুক দেখুৱাই।

বন্দুক দেখুৱাই ? কোনে লৈ গ'ল ? ক'লৈ লৈ গ'ল ?

নাজানো। গোবিন্দ দোকানীয়ে দেখিছিল। সি বাহিৰতে ৰৈ আছে।

কৃষ্ণা শাস্ত্রী প্রায় দৌৰিয়েই বাহিৰলৈ গ'ল। তেওঁৰ মানসিক আৰু শাৰীৰিক অৱস্থা কেনেকুৱা হৈছে তেওঁ নিজে ধৰিব নোৱাৰিলে। তেওঁ যেন এটা যন্ত্রহে। যন্ত্রচালিত মানুহৰ নিচিনাকৈ তেওঁ সোধা প্রশ্নৰ উত্তৰত গোবিন্দই ক'লে —সি পাণ দোকানখন খুলিবলৈ যো জা কৰোঁতেই দেখিলে —এখন মাৰুতি গাড়ীৰ পৰা দুজন যুৱক ওলাই আহি শাস্ত্রীৰ গাড়ীখন ৰখালে। সি ভাবিছিল হয়তো যুৱক দুজনে শাস্ত্রীৰ লগত কিবা কথা পাতিছে। সি ঘটনাটো সিমান মন দি চোৱা নাছিল। কিন্তু অলপ পাছতে মাৰুতিখনে খুব জোৰেৰে শব্দ কৰি গুচি যোৱাত সি দেখিলে যে শাস্ত্রীৰ গাড়ীখনৰ দুৱাৰখন খোলা আৰু তাত কোনো নাই। শাস্ত্রী আশে পাশেও নাই। তাৰ সন্দেহ হ'ল। গাড়ীৰ ওচৰলৈ গৈ দেখে যে শাস্ত্রীৰ সৰু বেগটো গাড়ীৰ ছিটত পৰি আছে। বেছি ভাগ সময় নিৰিবিলি হৈ থকা আলিবাটটোত সেই সময়ত কোনো জনপ্রাণী নাছিল। গোবিন্দৰ খুব ভয় লাগিল। দোকানখন বন্ধ কৰি কথাটো কি জানিবৰ বাবে সি ইয়ালৈ আহি ৰমেশৰ লগত কথা পাতিছে।

কৃষ্ণা শাস্ত্ৰীৰ মনলৈ অবিশ্বাস্য ভাব এটা আহিল—কিজানি অপহৰণ ! কিন্তু কেলেই ? কি কাৰণত তেওঁৰ স্বামীক অপহৰণ কৰা হ'ব ? তেওঁৰ অপৰাধ কি ?

চুবুৰীয়া আৰক্ষীৰ উচ্চ পদস্থ বিষয়া মহন্তৰ ঘৰলৈ কৃষ্ণা শাস্ত্ৰী তেনেদৰেই দৌৰি গ'ল। মহন্তক সকলো কথা একে উশাহে কৈ কৃষ্ণা শাস্ত্ৰী অৱশ হৈ মজিয়াতে বহি পৰিল।

মহন্তই তেওঁৰ পৰিবাৰ দীপাক পানী এগিলাছ আনিবলৈ ক'লে। কৃষ্ণা শাস্ত্ৰীয়ে সজ্ঞানে থাকিও অচেতনৰ দৰে অনুভৱ কৰিবলৈ ধৰিলে। তেওঁৰ শৰীৰৰ ৰক্ত প্ৰবাহ যেন হঠাতে স্থবিৰ হৈ গৈছে। উশাহ লোৱাত যেন কষ্ট হৈছে। সঁচায়ে জানো এইবোৰ ঘটিছে ? তেওঁৰ কাপোৰ কানি অবিন্যস্ত চুলি আউলী-বাউলী অণ্ঠ কণ্ঠ যেন শুকাই গৈছে। শাস্ত্ৰীক সঁচাকৈ কোনোবাই ধৰি নিছে ? কেলেই ধৰি নিছে ? ক'লৈ লৈ গৈছে ? কৃষ্ণা শাস্ত্ৰীৰ এনেকুৱা লাগিল যেন তেওঁ এতিয়াও ওচৰতে ক'ৰবাত আছে বেছি দূৰলৈ যাব পৰা নাই কোনোবাই যেন তেওঁক দেখক গাড়ীখন যেন ৰখাওক তেওঁক যেন মোকলাই দিয়ক । নিশ্চয় কোনোবাই কিবা ভুল কৰি আন মানুহ বুলি তেওঁক ধৰি নিছে। তেওঁ বা তেওঁৰ স্বামীয়ে কেতিয়াও কাৰো অপকাৰ বা অহিত চিন্তা কৰা নাই। নিশ্চয় কিবা ভুল ।

দীপাই কৃষ্ণা শাস্ত্ৰীক ছোফাখনত বহুৱাই দি শাৰীখন গাত ভালকৈ মেৰিয়াই দিলে ফণি এখন আনি মূৰটো আঁচুৰি দিলে আৰু ধৈৰ্য ধৰিবলৈ ক'লে। মহন্ত নিজে আৰক্ষী বিভাগৰ উচ্চ বিষয়া। ফোনৰ উপৰি ফোন কৰি তেওঁ তৎক্ষণাত চাৰিওফালে খবৰ দিলে। নিজেও আৰক্ষীৰ পোছাক পিন্ধি গোবিন্দকো গাড়ীত উঠাই লৈ তেওঁ ঘটনাস্থলীলৈ বুলি গুচি গ'ল। গাড়ীৰ ভিতৰত গোবিন্দই ভয়ে ভয়ে মহন্তক সুধিলে — ছাৰ মোৰ কিবা ভয় আছে নেকি ? মোৰ কিবা হ'ব নেকি ?

মই আছোঁ নহয়। তোৰ একো নহয়। বৰঞ্চ তই দেখা বাবেহে লগে লগে ঘটনাটোৰ কথা গম পাইছোঁ। শাস্ত্ৰীক বিচৰাত সহায়হে হ'ব।

দ্ৰুতগতিৰে কিছু সময় পাৰ হৈ গ'ল।

এটা সময়ত মহন্তই দীপাক ফোন কৰি জনালে—এইটো অপহৰণৰ ঘটনাই হয়। তাৰ বাহিৰে পুলিছে আৰু একো ক'ব পৰা অৱস্থাত নাই। কৃষ্ণাক যেন দীপাই অনবৰত লগতে ৰাখি চোৱা চিতা কৰি থাকে।

দীপাই কৃষ্ণাক গৰম কফি একাপ আনি দিলে। কৃষ্ণাক তাই কি বুলি সান্ত্বনা দিব কি ক'ব ? তাই যেন ভাষা বিচাৰি নাপালে। এনে ঘটনা কাইলৈ তাইৰ জীৱনটোতো ঘটিব পাৰে।

কওঁ নকওঁকৈ এসময়ত দীপাই মহন্তই ফোনত কোৱা কথাখিনি কৃষ্ণা শাস্ত্ৰীক ক'লে। কৃষ্ণাই দীপাক সাবটি ধৰি কান্দিবলৈ ধৰিলে। — মোৰ স্বামীয়ে কি কৰিছিল ? তেওঁক কিয় লৈ গ'ল ? কি কাৰণত লৈ গ'ল ?

দীপাৰ উত্তৰ দিবলৈ ভাষা নাছিল। অপহৰণৰ ঘটনা আজিকালি পৃথিৱীত সঘনাই ঘটি থাকে। উগ্ৰপন্থীয়ে নিজৰ সংগঠনৰ দাবী পূৰণ কৰিবলৈ চৰকাৰৰ ওচৰত হেঁচা প্ৰয়োগ কৰিবৰ বাবে এইবোৰ কামক নিজৰ অস্ত্ৰ হিচাপে প্ৰয়োগ কৰে। প্ৰতিজন

নাগৰিকৰ সুৰক্ষা আৰু নিৰাপত্তাৰ দায়িত্ব যিহেতু চৰকাৰৰ গতিকে শাসনযন্ত্ৰক শলঠেকত পেলাই নিজৰ দাবী পূৰণ কৰিবলৈ অসহায় নিৰস্ত্ৰ মানুহক পণবন্দী কৰাটো চাবলৈ গ লে উগ্ৰপন্থীৰ বাবে অতি সহজ পথ কিন্তু এই অপহৰণে পৰিয়ালৰ আন মানুহক কেনেকৈ কিমান মৰ্মান্তিক আঘাত আৰু যাতনা দিব পাৰে সেই কথা নিজে ভুক্তভোগী হোৱাৰ লগে লগে যেন কৃষ্ণা শাস্ত্ৰীয়ে গভীৰভাৱে উপলব্ধি কৰিব পাৰিলে। কিমান অসহায় তেওঁলোক ৷ একো কৰিব নোৱাৰে তেওঁলোকে। এয়া তেওঁলোকৰ প্ৰতি কিমান অন্যায় ৷ কিন্তু প্ৰতিবাদ তেওঁলোকে কাৰ ওচৰত কৰিব ? সহায় কাৰ পৰা লব ?

কৃষ্ণা শাস্ত্ৰীৰ জীৱন এতিয়া এটা সংগঠনৰ অনুগ্ৰহ প্ৰাৰ্থী। তেওঁলোকৰ নিজৰ বিবেক বুদ্ধি মতে তেওঁৰ জীৱনৰ গতি এতিয়া নিযন্ত্ৰিত। কিছুমান অচিনাকি মানুহ এতিয়া তেওঁৰ ভাগ্যনিয়ন্তা। তেওঁলোকৰ দলীয় স্বাৰ্থ সিদ্ধিৰ বাবে তেওঁৰ স্বামীৰ জীৱনৰ দাম দৰ নিৰ্ধাৰিত হ'ব। কৃষ্ণা শাস্ত্ৰীয়ে যেন সেই সংগঠনক অনুৰোধ কৰিব — ঠিক আছে তোমালোকৰ স্বাৰ্থ সিদ্ধিৰ বাবে যদি মোৰ স্বামীৰ জীৱনৰ প্ৰয়োজন তেনেহ লে মোক কেলেই অকলে এৰি থৈ গ লা ? মোকো লৈ যোৱা। তোমালোকে আমাক একেলগে ধৰি বান্ধি ৰাখা একেলগে হত্যা কৰা বা একেলগে মুক্তি দিয়া কিন্তু এইদৰে দুয়োকো নিলগে নিলগে ৰাখি যাতনা ভোগাইছা কিয ? মোৰ স্বামীক মই ভালকৈ জানো। সুদীৰ্ঘ পঁচিছ বছৰ আমি একেলগে সুখে দুখে আছোঁ। তেওঁ কি বিচাৰে কি ভাল পায় কি বেয়া পায কি পৰিবেশত তেওঁ সুখী হয় অসুখী হয় সেইবোৰ মই জানো। তেওঁৰ খং উঠিলে প্ৰেছাৰ বাঢ়ে মূৰ কামোৰে। তোমালোকে সেইবোৰ বুজি নাপাবা। তেওঁক সময মতে প্ৰয়োজনীয দৰবটো দিব পাৰিবা জানো? তেওঁ খঙাল মানুহ। তোমালোকক তেওঁ কিবা বেয়াকৈ ক লে তোমালোকৰ যদি খং উঠে ৷ মই লগত থকা হ লে তেনেকুৱা বহু পৰিস্থিতি চম্ভালিব পাৰিলোহেঁতেন। ঠিক আছে তোমালোকে তেওঁক লৈ গৈছা কিন্তু মই কি কৰিম ? মই তেওঁৰ কথা একো নাজানিম তেওঁ কেনেকৈ আছে কি কৰিছে সেইবোৰ প্ৰশ্নৰ উত্তৰ মোক কোনে দিব? কি কাৰণে তোমালোকে মোক এই যাতনা দিছা ?

এসময়ত নিজৰ ঘৰলৈ লৈ গৈ দীপাই কৃষ্ণা শাস্ত্ৰীক নিজৰ বিছনাত শুৱাই দিলে। ইতিমধ্যে ঘৰখনত বহুত মানুহৰ সমাগম হৈছিল। সকলোৰে মুখৰ বৰণ শেঁতা। কৃষ্ণাক স" না দিবলৈ সকলোৰে যেন ভাষাৰ অভাৱ। অস্বাভাৱিক শ্বাসৰুদ্ধ পৰিবেশ। সিটো কোঠাত ফোনত কোনোবা এজনে কাৰোবাক প্ৰশ্নৰ উত্তৰ দি আছে —একেখিনি কথাকে দোহাৰি আছে।

তাৰ পাছত খবৰ কৰা মানুহ আহিছে গৈছে কিন্তু দীপা কৃষ্ণাৰ ওচৰতে অনবৰতে বহি আছে। এবাৰ যেতিয়া মহন্তই ক'লেহি যে উগ্ৰপন্থীয়ে নিশ্চয় শাস্ত্ৰীক কোনোবা অজ্ঞাত ঠাইলৈ লৈ গৈছে তেতিয়া কৃষ্ণাই খুব কান্দিলে। মহন্তই ক'লে আপুনি ধৈৰ্য ধৰক। আমাৰ মানুহে চাৰিওফালে গৈ তালাচী কৰিছে। চহৰৰ বাহিৰলৈ ওলাই যোৱা আলিবাটবোৰত গাড়ী তালাচী কৰা হৈছে। পুলিছৰ চকুত ধূলি দি চহৰৰ

বাহিৰলৈ শাস্ত্ৰীক নিশ্চয় নিব পৰা নাই। তেওঁ আশে পাশেই আছে। নিশ্চয় বিচাৰি পোৱা যাব। আপুনি ধৈৰ্য ধৰক। আমি আছোঁ নহয়।

দীপাই কৃষ্ণাক সাহস দিবলৈকে ক'লে ভগৱানক প্ৰাৰ্থনা কৰক। কন্দা কটা নকৰিব। নিশ্চয় তেওঁক বিচাৰি পোৱা যাব।

ভগৱানক মই কেনেকৈ প্ৰাৰ্থনা কৰিম ? মন যোৱা নাই। মোৰ ভগৱানৰ ওপৰতো খ উঠিছে। মই সদায় পূজা কৰোঁ। তথাপি তেওঁ মোক কেলেই এই বিপদত পেলাইছে ? মোৰ ভগবানৰ ওপৰত বিশ্বাস হেৰাইছে। মই কি কৰিম ? তেওঁক বিশ্বাস নকৰিয়েইনো মই বা কলৈ যাম ? সকলো তেৱেঁ কৰি আছে। কি ভাবি তেওঁ মোৰ এনে অম গল কৰিছে কোনে জানে ? শাস্ত্ৰীৰ সৌৰবণীখন চাই এজনে কৈছিল—তেওঁৰ হেনো বৰ বেয়া দিন পৰিছে। শনি বেয়া কাৰণে মোক তেওঁ পূজা কৰিবলৈ কৈছিল ।

কৃষ্ণা শাস্ত্ৰীয়ে মাজে মাজে কান্দিছে মাজে মাজে চকু পানী মচিছে ধৈৰ্য ধৰিবলৈ চেষ্টা কৰিছে। সুদূৰত থকা ঘৰৰ মানুহবোৰৰ লগত ফোনত কথা পাতোঁতে তেওঁ কান্দিছে কিন্তু লগতে তেওঁলোকক অভয় দি কৈছে —হয়তো শাস্ত্ৰীক সোনকালে বিচাৰি পোৱা যাব —চিন্তা নকৰিব।

দীপাক কৃষ্ণাই কৈছে — ঘৰত শাস্ত্ৰীৰ মাক দেউতাক আৰু মোৰ মা দেউতাৰ বয়স হৈছে। তেওঁলোকে সহিবও নোৱাৰে বুজিও নাপায় আহিবও নোৱাৰে। তেওঁলোকৰ বৰ দুখ হৈছে। মোৰ বৰ বেয়া লাগিছে। ইমান দূৰৈত থাকে। কি কৰিব কি নকৰিব —তেওঁলোকে একো ঠিকেই কৰিব পৰা নাই। তেওঁলোকৰ এজনৰ হাৰ্টৰ অসুখ আছে এজনৰ হাই ব্লাড প্ৰেছাৰ আছে। এতিয়া মোৰ স্বামীৰ বাবে চিন্তা কৰি কৰি তেওঁলোকৰো কিবা অমংগল হয় বুলি ভয় লাগিছে।

সিদিনা ৰাতি দীপাই কৃষ্ণাৰ লগতে উজাগৰী নিশা কটালে। দিনত তেওঁ জোৰ কৰি কৃষ্ণাক অলপ কিবা কিবি খুৱাবলৈ চেষ্টা কৰিলে। তেওঁ মন কৰিলে—কৃষ্ণাক ভগৱানে এই বিপদত এটা ধৈৰ্য শক্তিও দিছে। যদিও তেওঁ মাজে মাজে কান্দিছে তথাপি এবাৰলৈও মনলৈ হতাশাৰ ভাব আহিবলৈ দিয়া নাই। কাৰো বিপক্ষে তেওঁ একো কোৱা নাই। এইটো ঠিক যে আৰক্ষী আৰু চোৰাংচোৱা বিভাগে আগতেই এই ঘটনাৰ কিছু উমঘাম পাব লাগিছিল। শাস্ত্ৰীয়ে নিজে কোনোদিনে কোনো ধৰণৰ ভাবুকি পোৱা নাই বাবে এনেকুৱা ঘটনা জীৱনত ঘটিব পাৰে বুলি কল্পনাও কৰা নাছিল। কোনো ধৰণৰ চৰকাৰী নিৰাপত্তাৰ কথাও তেওঁ ভবা নাছিল। কাৰো লগত তেওঁৰ শত্ৰুতা নাছিল। উগ্ৰপন্থীদলৰ লগত কেতিয়াও কোনো সংঘাত বা মনোমালিন্য হ ব পৰা সংস্পৰ্শ তেওঁৰ নাছিল।

কৃষ্ণা শাস্ত্ৰীৰ ৰাতি টোপনি নাহিল। তেওঁলোকৰ সুদীৰ্ঘ বিবাহিত জীৱনৰ সৰু সৰু ঘটনাবোৰৰ স্মৃতি ৰোমন্থন কৰি মাজে মাজে তেওঁ কিছুমান কথা কৈ থাকিল। কেনেকৈ কেতিয়াবা শাস্ত্ৰীৰ লগত মনোমালিন্য হয় আৰৌ পিছ মুহূৰ্ততে কেনেদৰে বুজাপৰাও হয় শাস্ত্ৰী আচলতে তেওঁৰ ওপৰত সকলো কথাতে কিমান নিৰ্ভৰশীল —সেইবোৰ কথা। খোৱা বোৱা কাপোৰ-কানি কাগজ পাতি সকলো

বস্তু তেওঁক কৃষ্ণাই যতনাই দিব লাগে। তেওঁ কি কি খাই ভাল পায় তেওঁৰ কি- কি ভাল গুণ

বুজিছা দীপা মোৰ বিশ্বাস হোৱা নাই তেওঁক কোনোবাই লৈ গৈছে বুলি। এনে লাগিছে যেন আচলতে মই এটা বেয়া সপোনহে দেখি আছোঁ। প্ৰকৃততে তেওঁ যেন কৰবালৈ টুৰতহে গৈছে। কাইলৈ মানে আহিব ।

তেওঁ বাৰে বাৰে বিছনাৰ পৰা উঠি শোৱা কোঠাৰ ওচৰৰ বাৰাণ্ডাখনৰ পৰা পদূলিমুখলৈ চাই থাকে আৰু কয় — মোৰ ভাব হৈছে তেওঁ যেন যি কোনো মুহূৰ্ততে আহিব।

পুৱাৰ ফালে এঘৰ দুঘৰকৈ কেইবাঘৰো বিশিষ্ট বন্ধুৰ পৰিয়াল বিভিন্ন ঠাইৰ পৰা শাস্ত্ৰীৰ ঘৰলৈ আহিল। গৃহভূমিৰ পৰাও বিমানযোগে পৰিয়ালৰ দুই এজন আহিল। দীপা ঘৰলৈ গ ল। মানুহবোৰক লৈ কৃষ্ণা ব্যস্ত হৈ পৰিল। তেওঁ নিজে একো কৰিব লগা হোৱা নাছিল। আলহীসকলে নিজে নিজেই থকা খোৱাৰ বন্দবস্ত কৰি ললে। কৃষ্ণাৰ লগত নানা ধৰণৰ কথাপাতি তেওঁলোকে তেওঁৰ মনটো পাতল কৰিবলৈ চেষ্টা কৰিলে। কিন্তু কৃষ্ণাৰ অন্তৰাত্মা অনবৰতে বৈ বৈ উৎকণ্ঠিত হৈ থাকিল। বাহিৰত অৱশ্যে তেওঁ মানুহৰ লগত ভালদৰেই কথা পাতি নিজকে প্ৰকৃতিস্থ কৰি ৰাখিবলৈ চেষ্টা কৰিলে। সময়ে সময়ে তেওঁ পদূলিলৈ চালে। কিজানি শাস্ত্ৰী ঘূৰি আহেই। ভগৱানক প্ৰাৰ্থনা কৰিবলৈও মনৰ শক্তিৰ অভাৱ হৈছে। পূজা প্ৰাৰ্থনাও যেন অশাৰ মূল্যহীন।

দুপৰীয়া খবৰ কৰিবলৈ অহা দীপাক কৃষ্ণাই ক লে — সকলোৱে মোৰ খবৰ কৰিছে মোৰ লগত কথা পাতিছে। মই মানুহৰ লগতে আছোঁ। কিন্তু শাস্ত্ৰীৰ কথা ভাবকচোন। তেওঁক নিশ্চয় অকলশৰে কৰবাত থৈ দিছে। খাবলৈ বা দিছে নে নাই। তেওঁ শুব বা পাৰিছে নে নাই। মই সকলোৰে লগত কথা পাতি সময় পাৰ কৰিছোঁ কিন্তু তেওঁৰ নিশ্চয় কৰিবলৈ একো কাম নাই কথা পাতিবলৈ কোনো লগ নাই। তেওঁৰ বাবে মোৰ চিন্তা হৈছে। কি কৰিছে কেনেকৈ আছে। মোকো তেওঁলোকে একেলগে লৈ নগ ল কেলেই? অন্ততঃ দুয়োজনে একেলগে ইজনে সিজনক মনোবল দি সময় কটালোহেঁতেন একেলগে দুখ যাতনা ভুগিলোহেঁতেন।

এদিন দুদিনকৈ কেইবাটাও দিন পাৰ হৈ গ ল কিন্তু শাস্ত্ৰীৰ কোনো শুংসূত্ৰ নাই। পঞ্চমদিনাখন উগ্ৰপন্থীয়ে তেওঁক অপহৰণ কৰাৰ কথা স্বীকাৰ কৰি বিবৃতি দি ক লে —তেওঁক পণবন্দী কৰি ৰখা হৈছে। সময়ত তেওঁলোকৰ চৰ্ত জনোৱা হ ব। তেওঁক ভালদৰে ৰখা হৈছে।

দীপাই যোৱাকেইদিনত মন কৰিলে—কৃষ্ণা শাস্ত্ৰী সঁচাকৈয়ে বিশেষ ব্যক্তিত্বসম্পন্না মহিলা। যোৱা কেইদিনত তেওঁ এদিনো সেই সংগঠনটো বা চৰকাৰ—কাৰো বিপক্ষে এষাৰ বাক্যও কোৱা নাই। উগ্ৰপন্থী স গঠনটোৰ ওপৰত তেওঁ দৃঢ়

বিশ্বাস ৰাখিছে —তেওঁলোকে তেওঁৰ স্বামীক একো অনিষ্ট নকৰাকৈ ভালে কুশলে ওভোতাই দিব আৰু স্বামীৰ মুক্তিৰ বাবে চৰকাৰী পক্ষৰ প্ৰয়াসৰো ত্ৰুটি নহ ব।

কেতিযাবা দীপাক তেওঁ কয — তেওঁলোকে কি লাগে সেয়া কৈ মোৰ স্বামীক এৰি দিব লাগে। মোৰ মনৰ আৰু শৰীৰৰ শক্তি নিষ্ক্ৰিয হৈ আহিছে। মই মানুহবোৰৰ লগত অনবৰতে নিজকে ব্যস্ত ৰাখিবলৈ চেষ্টা কৰিছোঁ। শাস্ত্ৰী টুৰত গৈছে বুলি ধৰি লৈছোঁ কিন্তু তথাপি ৰৈ ৰৈ মোৰ মনটো কঁপি উঠে। আচলতে শাস্ত্ৰী যে উগ্ৰপন্থীৰ হাতত বন্দী।

দুদিনমানৰ পাছত আকৌ উগ্ৰপন্থীয়ে বিবৃতি দি তেওঁলোকৰ চৰ্ত কিছুমান পূৰণ কৰিবৰ বাবে নিৰ্দিষ্ট সময সীমা চৰকাৰক বান্ধি দিলে। চৰ্ত পূৰণ নকৰিলে শাস্ত্ৰীক হত্যা কৰা হ ব। শাস্ত্ৰীৰ সন্ধানৰ বাবে বৃথা প্ৰয়াস কৰিলে যি চৰম পৰিণতি হ ব পাৰে তাৰ বাবে তেওঁলোকক দাযী কৰিব নোবাৰিব। তেওঁলোকৰ চৰ্ত মানিলে শাস্ত্ৰীক অক্ষত অবস্থাত মুকলি কৰি দিয়া হ ব।

এই বিবৃতিৰ কথা শুনাৰ পাছত কৃষ্ণা ভাগি পৰিল। দীপাৰ কৃষ্ণাৰ ওচৰলৈ গৈ মাত এষাৰ দিবলৈকে অপৰাধবোধ আহিল। তেওঁৰ স্বামী উচ্চ পদস্থ আৰক্ষী বিষযা হৈও শাস্ত্ৰীৰ একো শু সূত্ৰ উলিয়াব নোবাৰিলে। স্বামীৰ এই চৰম ব্যৰ্থতাৰ কি কৈফিয়ৎ দীপাই কৃষ্ণাক দিব ? ৰাইজ আৰু চৰকাৰ উভয পক্ষৰে সকলো স্তৰৰে যি সহায সহযোগ এইবোৰ বিষযত প্ৰযোজন তাৰ যে ইমান অভাব। সকলোৰে যেন কিবা শ কা আত ংক কোনেও যেন মুকলি মনেৰে কথা পাতিব নোবাৰে কাৰো যেন সমিলিত প্ৰচেষ্টা নাই। সমাজৰ বেছি ভাগেই অনুভব কৰিছে—কি এটা ভয়াবহ অনিশ্চয়তাৰ অগ্নি গৰ্ভ পৰিস্থিতিলৈ সমাজখন আগুৱাই গৈছে। নিজেই নিজৰ গাঁতত আমি পোত খাই গৈ আছোঁ। প্ৰতিটো সমস্যাৰে সুসমাধানৰ বাটবোৰত হাজাৰটা গতিৰোধক। হি সাৰে হি সা দমন কৰিব নোৱাৰি অথচ অসহায় নিৰস্ত্ৰ নিৰপৰাধী ৰাইজৰ নিৰাপত্তাৰ বাবে চৰকাৰেও হাত সাবটি বহি থাকিব নোৱাৰে। সময়ত হয়তো কঠোৰ দমনমূলক প্ৰশাসনিক ব্যৱস্থাই লব লাগিব আৰু তেতিয়া ৰাইজৰ পৰা চৰকাৰ হযতো দূৰলৈ যাব। আনহাতে প্ৰশাসন কঠোৰ নহ'লেও অশুভ শক্তিবোৰে সমাজত মূৰ দাঙি উঠে। আলাপ আলোচনাৰ কথাবোৰত কোনো পক্ষৰে যেন আস্থা নাই। এফালে উগ্ৰপ হী আৰু আনফালে চৰকাৰৰ মাজত যেন নিজৰ নিজৰ সুবিধা অসুবিধা জয় পৰাজয়ৰ প্ৰতিযোগিতা। সৰ্বসাধাৰণ ৰাইজ যুগ যুগ ধৰি লাঞ্ছিত শোষিত আৰু নিৰ্যাতিত। নিৰপৰাধী অজস্ৰজনে নিজৰ জীৱন আহুতি দিয়ে জীয়াই থাকিও চিৰজীৱন সাধাৰণ সুখ শান্তিৰ পৰা বঞ্চিত হয়। নিজৰ আপোন প্ৰিয়জনক হেৰুৱাই কিমানে যে কিমানদিন কান্দিব। এইবোৰ যেন অতি সাধাৰণ নিত্যনৈমিত্তক ঘটনা। অপহৰণ ৰাজনৈতিক হত্যা ভাবুকি —এইবোৰ সামাজিক বিভীষিকাৰ মাজতেই যেন জীযাই থাকিবলৈ শিকিব লাগিব। সমাজৰ কিছুস খ্যক লোকে অনাহকতে নিজৰ দোষ নথকাকৈ কেৱল দুৰ্ভাগ্যৰ বলি হৈ জীৱনৰ সুখ শান্তি নিৰাপত্তা হেৰুৱাই গোটেই জীৱন হাহাকাৰ অন্তৰত বান্ধি নামতহে জীয়াই থাকিব

লাগিব। তেওঁলোকৰ দেহাবোৰে (আচলতে মৰাশৰ দৰে আনন্দ সুখ অনুভূতি শূন্য) কেৱল যন্ত্ৰৰ দৰে দৈনন্দিন কামবোৰ কৰি গতানুগতিকতাৰ মাজতে জীয়াই থাকিব।

খবৰ কৰিবলৈ অহা বিভিন্ন মানুহৰ বিভিন্ন মানসিক প্ৰতিক্ৰিয়াৰ প্ৰতিফলন এই দিনবোৰত দীপাই দেখিবলৈ পাইছে। সন্ত্ৰাসবাদৰ বলি হৈ সুখ শান্তি হেৰুউৱা কেইবাজনো মানুহৰ স্বীকাৰোক্তিয়ে দীপাৰ অন্তৰ কঁপাই তোলে। —আমাৰ জীৱনত কি আছে আৰু? জীৱনৰ আনন্দ উপভোগ কৰিবলৈ আমি পাহৰি গৈছোঁ। অন্তৰত যি হাহাকাৰ লৈ আমি দিনৰ পাছত দিন কটাইছোঁ সন্ত্ৰাসবাদীয়ে জানো সেইকথা বুজি পাব? আমাৰ পৰা তেওঁলোকে জীৱনৰ জেউতি কাঢ়ি নি জীয়াই থকাৰ সাধাৰণ অধিকাৰখিনি কাঢ়ি লৈ আনৰ জীৱনত কিহৰ জেউতি বিলোৱাৰ আনক কি প্ৰাপ্য অধিকাৰ দিয়াৰ বৃথা স্বপ্ন ৰচিছে? এজনৰ চকু পানীত নিহিত অভিশাপেৰে আন এজনৰ জীৱন আশীৰ্বাদপুষ্ট কৰিব পাৰি জানো? আমাৰ সুন্দৰ শান্তিৰ সমাজখন ভাগি গ'ল ইজন সিজনৰ শত্ৰু হ'লো অবিশ্বাসৰ বীজ সমাজৰ স্তৰে স্তৰে সোমাই গৈছে। সহজাত মানৱীয় গুণৰাশিৰ সমাপ্তি বহি আসুৰিক শক্তিৰ আশ্ৰয় লৈ সমাজলৈ কোনে শান্তি সম্প্ৰীতি ন্যায় আনিব পাৰে? পৃথিবীৰ বুৰঞ্জীত হিংসাৰ আশ্ৰয়েৰে আজিলৈকে কোনেও কোনো ভাল কাম কৰিব পৰা নাই নিজৰ উদ্দেশ্য যিমানেই মহৎ নহওক লাগে সিদ্ধি লাভ কৰিব পৰা নাই।

কেইজনমান অনা অসমীয়াই দীপাৰ সমুখতে তেওঁলোকৰ মনোভাৱ ব্যক্ত কৰিলে —আমি অসমৰ শান্তিপ্ৰিয় সমাজখনলৈ সুখ শান্তিত জীৱন কটাবলৈহে নিজৰ গৃহভূমি এৰি থৈ আহিছিলো। কোনোদিনে আমাৰ ইয়াৰ স্থানীয় মানুহৰ প্ৰতি বিদ্বেষ ভাৱ নাছিল। নিজকে এইখন ঠাইত পৰ বুলি ভবা নাছিলো। ইয়াৰ মানুহেও আমাক আদৰিছে। কিন্তু এতিয়া ইমানবোৰ বছৰ কটোৱাৰ পাছত ইয়াৰ মানুহৰ লগত ইমান দিন সম্প্ৰীতিৰে বসবাস কৰাৰ পাছত এতিয়া হঠাতে আমাৰ অন্তৰলৈ অসমীয়া অনা অসমীয়া এই বিদ্বেষ ভাৱ আহিছে।

দীপাই তেওঁলোকক কৈছে—আপোনালোকে ভুল নুবুজিব। তেওঁলোকে অসমীয়া অনা অসমীয়া বিচাৰ কৰা নাই। তেওঁলোকৰ বিচাৰত দোষী বুলি ভবা প্ৰতিজনকে তেওঁলোকে শাস্তি দি সমাজত সন্ত্ৰাসৰ সৃষ্টি কৰি দেখুৱাই দিয়ে যে যিজন তেওঁলোকৰ সংগঠনৰ স্বাৰ্থৰ অন্তৰায় তেওঁক ক্ষমা কৰা নহ'ব। দেশৰ ন্যায় আদালত বিচাৰ ব্যৱস্থাৰ ওপৰত তেওঁলোকৰ আস্থা নাই। তেওঁলোক বিদ্ৰোহী সশস্ত্ৰ বিপ্লবী।

কিছুমান বিশিষ্ট অসমীয়া ব্যক্তিয়ে ক'লে —আমাৰ নিজকে অসমীয়া বুলি ক'বলৈ লাজ লাগিছে। ইমানবোৰ শিক্ষা লাভ কৰি মনটো মুক্ত কৰাৰ সলনি আমি ঠেক পৰিসৰলৈহে ঘূৰি গৈছোঁ। যুগ যুগ ধৰি শিকি অহা শান্তি সম্প্ৰীতিৰ ভাৱবোৰ ক'ত হেৰুৱাইছোঁ? আমি কেৱল আবেগত উটি ভাহি যাওঁ। কিছুমান লক্ষ্যত উপনীত হ'বলৈ গৈ দৰাচলতে আমি যে নিজে আৰুহে বঞ্চিত হ'ম আৰু যে পিছুৱাইহে যাম সেই কথা আমি বুজা নাই। নিজৰ প্ৰাপ্য আমি কঠোৰ পৰিশ্ৰম আৰু সাধনাৰে নিজকে যোগ্য কৰিহে পাব পাৰোঁ। এই ৰাজ্যৰ মাটিত জন্ম হ'লো বুলি ইয়াৰ ভাষা

স স্কৃতিৰ উত্তৰাধিকাৰী বুলি ভাবুকি দি প্ৰাপ্য অধিকাৰ দাবী কৰিব পাৰোঁ নেকি ? প্ৰবল জনমত গঢ়ি এইবোৰ অশুভ শক্তিৰ বিপক্ষে ৰাইজে নিজে সমূহীয়া প্ৰতিবাদ নকৰিলে আজি য ত গণিব পৰা স খ্যক লোকে অকালতে জীৱন মাধুৰী হেৰুৱাইছে কাইলৈ তাত হাজাৰ হাজাৰ লাখ লাখ জনে যাতনা ভোগ কৰিব লাগিব। কিন্তু প্ৰতিবাদ শোভাযাত্ৰা আন্দোলন—এইবোৰৰ ওপৰত আৰু ৰাইজৰ আস্থা নাই। যিকোনো সমূহীয়া অৰাজনৈতিক কাৰ্য কলাপকেই শেষলৈ ৰাজনৈতিক পোছাক পিন্ধোৱা হয়। দুজনমানে দলপতি হৈ সুবিধা আদায় কৰাৰ নিজৰ ব্যক্তিগত স্বাৰ্থ সিদ্ধি কৰাৰ সপোন দেখিবলৈ আৰম্ভ কৰে। সমাজলৈ শান্তি শৃংখলা আনিব পৰা বাট যেন এতিয়া আৰু দেখিবলৈ পোৱা নাযায়।

কিছুমানে তিক্ততাৰে মন্তব্য দিলে—তেওঁলোকৰ স গঠনৰ বাবে শকত অংকৰ আৰ্থিক বৰঙণি দিয়া মানুহজন সমাজৰ দুষ্কৃতিকাৰী হ লেও তেওঁক তেওঁলোকে একো নকৰে। আচৰিত ধৰণৰ বৈষম্যমূলক তেওঁলোকৰ বিচাৰধাৰা।

কেলেই বাৰু তেওঁলোকে এইদৰে হিং সাৰ পথ বাছি ললে ? মানুহক ইমান নিষ্ঠুৰভাৱে পাশৱিক মৃত্যুদণ্ড দিওঁতে তেওঁলোকৰ অন্তৰ কঁপি নুঠেনে ?

হেৰি বুজিছে স গঠনৰ বিষয়ে এনেকৈ চৰ্চা নকৰিব। কোনে ক ত কি লগাবগৈ —আপোনাৰ জীৱনলৈও কিবা বিপদ আহি যাব পাৰে। তেওঁলোকৰ সমালোচনা কৰাজনক তেওঁলোকে ভাল নাপায় শত্ৰু গণ্য কৰে। —কথাৰ মাজতে এজনে বক্তাসকলক সাৱধান কৰি দিয়ে। আলোচনা কিন্তু চলি থাকে।

আচলতে এই যুৱকসকলে যে এনেকুৱা সশস্ত্ৰ স গ্ৰামৰ পথ লৈছে — তেওঁলোকৰ উদ্দেশ্য প্ৰকৃততে মহৎ। তেওঁলোকৰ কিছুমান উদ্দেশ্যৰ প্ৰতি ৰাইজৰ সমৰ্থন আছে। কিন্তু তেওঁলোকে আন ধৰণেৰেও সশস্ত্ৰ স গ্ৰামৰ প্ৰতি ৰাইজৰ সহযোগিতা বেছিকৈ আকৰ্ষণ কৰিব পাৰিলেহেঁতেন। বন্দুকৰ ভাবুকিৰে স গঠনৰ বাবে ধন দাবী কৰাতকৈ তেওঁলোকে যদি অসমত চাহ তেল আদি প্ৰাকৃতিক সম্পদ ৰাজিৰ পৰা আহৰণ কৰা টকাখিনি অসমৰ বাবেই উন্নতিমূলক আঁচনিত প্ৰয়োগ কৰালেহেঁতেন। অসমৰ মাটিত অসমৰ পৰা আৰ্জিত ধনেৰে স্কুল কলেজ চিকিৎসালয় উদ্যোগ ৰাস্তা পদূলি দল আদি নিৰ্মাণ কৰিলেহেঁতেন। বিভিন্ন কৰ্মস স্থান আঁচনিৰে বন্দুকৰ সলনি প্ৰতিজন নিবনুৱা যুৱকৰ হাতত এখন এখন নিয়োগপত্ৰ দিয়াব পাৰিলেহেঁতেন! যুৱকসকলৰ জীৱনক অনিশ্চয়তাৰ অন্ধকাৰ ভৱিষ্যতলৈ ঠেলি দিয়াতকৈ নিৰাপদ আলোকযাত্ৰাৰ পথৰ সন্ধান দিব পাৰিলেহেঁতেন। ঘূণীয়া শৰীৰৰ দুচকুত চকুপানীৰ সলনি মুখত বিমল হাঁহি বিৰিঙাব পাৰিলেহেঁতেন। বৈপ্লৱিক যুৱশক্তিৰ নিচিনা শক্তি এটাক দৰাচলতে অস্ত্ৰ শস্ত্ৰ নালাগে লাগে সমাজ সংস্কাৰ আৰু স গঠনমূলক বিভিন্ন আঁচনি প্ৰয়োগৰ সুপৰিকল্পনা আৰু নানা প্ৰতিকূল পৰিবেশৰ মাজতো সেইবোৰ বাস্তৱত ৰূপায়িত কৰাৰ প্ৰত্যাহ্বানক স্বীকাৰ কৰাৰ ক্ষমতা। যেতিয়া ইৰাক-আমেৰিকাৰ যুদ্ধ হয় তেতিয়া এখন আন্তৰ্জাতিক খ্যাতিসম্পন্ন আলোচনীৰ পাতত লিখা হৈছিল যে জৰ্জ বুশ্বে ছাদ্দাম হুছেইনক তিৰস্কাৰ কৰি থকাতকৈ যদি বুজিবৰ চেষ্টা কৰিলেহেঁতেন আৰু

তেওঁ আৰোহণ কৰা স্থানৰ পৰা অৱৰোহণৰ বাবে সম্ভাব্য সম্প্ৰীতিৰ পৰিবেশেৰে এটা জখলাৰ সন্ধান দিলেহেঁতেন তেতিয়া অনাহকতে ধ্বংসমুখী যুদ্ধ এখন নহ'লহেঁতেন। সমাজত অশান্তি অৰাজকতা সৃষ্টি নকৰাকৈ যুৱকসকলে কেনেকৈ সকলো শ্ৰেণীৰ ৰাইজৰ সহযোগত সমাজ সংস্কাৰ আৰু সংশোধন কৰিব তাৰ কথাহে চিন্তা কৰিব লাগে। কেন্দ্ৰৰ দ্বাৰা অসম যে সুদীৰ্ঘ সময় ধৰি প্ৰকৃততে শোষিত হৈ আছে সেইটো সকলোৱে স্বীকাৰ কৰে। এই শোষণ আৰু অন্যায়ৰ প্ৰতিবাদ হ'ব লাগিব।

কৃষ্ণা শাস্ত্ৰীৰ খবৰ কৰিবলৈ অহা মানুহৰ এনে ধৰণৰ আলোচনাই প্ৰায়েই ঘৰখনক সজীৱ কৰি ৰাখে। কেৱল সেই আলোচনাৰ আঁৰে আঁৰে মুহূৰ্তে মুহূৰ্তে নিৰ্জীৱ হৈ পৰিব খোজে কৃষ্ণা নিজে।

তাৰ মাজতে দীপাক এদিন এজনে সুধিলে —শাস্ত্ৰীৰ বিৰুদ্ধে বোলে কিবা বিশেষ অভিযোগ আছে ? তেওঁ বোলে দোষমুক্ত নহয় ? তেওঁৰ বোলে ব্যক্তিগত কল'ক আছে ?

দীপাই প্ৰায় খঙেৰেই ক'লে —দোষে গুণে মানুহ। আমি কোনো দোষমুক্ত নহওঁ। কিবা নহয় কিবা কাৰণত আমি জীৱনত কৰবাত নহয় কৰবাত মানৱ চৰিত্ৰৰ দুৰ্বলতাৰ বলি হ'ব লগা হয়। ভুল আমি কৰোঁ। কিন্তু কিবা নহয় কিবা ভাল দিশো আমাৰ প্ৰতিজনৰে আছে। আমাৰ কোনোবাই কিবা কাৰণত জীৱনত কষ্ট পালে সেই কষ্টৰ মুহূৰ্তত আমাৰ দোষবোৰ খুচৰি উলিয়াই গুণবোৰ পাহৰি যোৱা জানো উচিত ? আৰু আপোনাৰ আপোনজনৰ চৰিত্ৰৰ কিবা দোষ আছে বুলি তেওঁক আপুনি পৰিত্যাগ কৰিব পাৰিব নেকি ? মানুহ নিজে দেৱতা হ'ব নোৱাৰে যেতিয়া আনকো দেৱতা আৰু সৰ্বগুণবিশিষ্ট হিচাপে আশা কৰিব নালাগে মানুহক মানুহ হিচাপেই গ্ৰহণ কৰিব লাগে।

দীপাৰ উত্তেজনা যেন বাঢ়ি যায়। —শাস্ত্ৰীহঁতৰ পৰিয়ালটোলৈ ইমান বিপৰ্যয় নামি আহিছে। এনে সময়ত তেওঁলোকৰ দুখত সমভাগী হোৱাৰ সলনি আমি জানো তেওঁলোকৰ দোষবোৰ খোচৰা উচিত ? কাইলৈ মোৰ কিবা এটা হ'লে আপোনালোকেও মোৰ বেয়া কথাবোৰ বিচাৰি বিচাৰি মোৰ বিপদ হোৱাটো উচিত হৈছে নে অনুচিত হৈছে সেই বিচাৰহে কৰিব নেকি ?

সেই নিশা দীপা মহন্তৰ খুব দুখ লাগিছিল। গোটেই ৰাতিটো তেওঁ নিদ্ৰাহীনভাৱে কটালে। একোবাৰ তেওঁ বিছনাৰ পৰা উঠিও আহিল। বাৰে বাৰে কৃষ্ণাৰ কৰুণ মুখৰ গাঁতত সোমোৱা গুৰি ক'লা পৰা চকুহালে তেওঁক আমনি কৰিলে। সেই মানুহজনীৰ বাবে তেওঁৰ স্বামীয়েই জীৱনৰ সুখ শান্তি আশ্ৰয় নিৰাপত্তা। ভালে বেয়াই, দোষে গুণে সেই মানুহজনকে স্বামী হিচাপে তেওঁৰ জীয়াই থকাৰ মূল অৱলম্বন বুলি ভাবি লৈছে। স্বামীৰ সেৱা শুশ্ৰূষাতেই তেওঁ জীৱনৰ মাধুৰী উপভোগ কৰিছে। স্বামীৰ বাবেই তেওঁ সুদীৰ্ঘ জীৱন আৰু সৰু ঘৰখন সজাইছে। জীৱনত একেলগে সুখ দুখৰ ঘাত প্ৰতিঘাত অতিক্ৰম কৰিছে। কৃষ্ণাই কেতিয়াও জীৱনত কাৰো অহিত চিন্তা কৰা নাই। স্বামীৰ পৰিয়ালৰ মানুহৰ সুখ শান্তিৰ বাবে যিমান পাৰে কৰিছে। সৰু-সৰু পাৰিবাৰিক সুখ দুখতে তেওঁৰ জীৱনৰ ৰস নিহিত। এই বিলাকৰ পৰা তেওঁক বঞ্চিত

কৰিবলৈ অধিকাৰ আছে কেৱল ভগৱানৰ। সংগঠন আৰু চৰকাৰৰ জয় পৰাজয়ৰ প্ৰশ্ন লৈ আন এজনে তেওঁৰ সেন্দ ৰ্ৰ যৌঁট মচি দি জীৱনৰ ৰ কাঢ়ি লোৱাৰ অধিকাৰ পাব নোৱাৰে।

নিশাৰ মহানগৰীৰ মানুহবোৰ গভীৰ নিদ্ৰাত মগ্ন। দীপাৰ চিঞৰি চিঞৰি কবৰ মন গ ল—আপোনালোক উঠক এনেদৰে নিদ্ৰামগ্ন হৈ নাথাকিব। আজিৰ কৃষ্ণাৰ জীৱনৰ সুখ শান্তি কাঢ়ি নিবলৈ অহা শক্তিযে কাইলৈ আপোনালোকৰ বহুতৰে সুখ শান্তি লৈ যাব পাৰে। প্ৰতিবাদ কৰক। জাগ্ৰত হওক। যুগ যুগ ধৰি সৰ্বসাধাৰণ ৰাইজেই ভুগিব লাগিব নেকি ? ভীত হৈ কণ্ঠ ৰোধ কৰি হাত সাবটি বহি থাকিলে সমাজত কৃষ্ণা শাস্ত্ৰীৰ সমস্যা বাঢ়ি আহিব। আমাক সুখ শান্তি ন্যায় বিচাৰ লাগে কিন্তু সেয়া আনৰ চকুপানীৰ দামেৰে আনিব নালাগে। মিলা প্ৰীতি শান্তি সম্প্ৰীতিৰে আনিব লাগে।

দীপাৰ চকুত কৃষ্ণা শাস্ত্ৰীৰ অৱশ শৰীৰ কাণত কৃষ্ণা শাস্ত্ৰীৰ দুৰ্বল হৃদপিণ্ডৰ ধপধপনি আৰু অন্তৰাত্মাৰ অস্ফুট ক্ৰন্দন—আৰু মহন্তৰ গভীৰ নিৰাশাৰ স্বীকাৰোক্তি।

সকলোৰে কেৱল নিজকে বচোৱাৰ প্ৰয়াস। কোনো প্ৰকাৰৰ জটিল পৰিবেশত কোনো সোমাব নোখোজে। সমস্যা সমাধানৰ বাবে কোনো পক্ষৰ সদিচ্ছা সৎসাহস আন্তৰিকতা আৰু সহযোগিতা নাই। এইখন সমাজত যদি এযাই অৱস্থা হৈছে তেনেহ লে তেনেহ লে এই সমাজৰ পতন এদিন অনিবাৰ্য। নিদ্ৰামগ্ন ৰাইজ আপোনালোকে কেতিয়া সাৰ পাব ?

কেইবাৰাতিও উজাগৰে থকা কৃষ্ণা শাস্ত্ৰীক আজি এইবোৰ —বিভিন্ন মানুহৰ বিচিত্ৰ ক্ৰিয়া প্ৰতিক্ৰিয়া ৰাজনীতি —একো নালাগে। তেওঁক লাগে কেৱল নিজৰ ঘৰখনৰ সুখ শান্তি নিজৰ স্বামীৰ সান্নিধ্য আশ্ৰয় আৰু মৰম। তেওঁ এই পৃথিৱীত পূৰ্ণ প্ৰাণ প্ৰাচুৰ্যৰে জীযাই থাকিবলৈ বিচাৰে। এয়া জীৱনত জানি শুনি কাৰো অপকাৰ নকৰা কাৰো মুখৰ পৰা কুটা এগছ কাঢ়ি ননা এগৰাকী মানুহৰ প্ৰাপ্য।

দীপা মহন্তই খিৰিকিৰে কৃষ্ণা শাস্ত্ৰীৰ ঘৰটোৰ কাষেদি নিদ্ৰামগ্ন মহানগৰখনৰ ফালে চাই ৰ ল।

১৬।৭।৯১